হাইডি

য়োহানা স্পীৰি

অনুবাদ ঃ

দ্বিজেন শৰ্মা

विषे वैषे परापरे

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম
গুৱাহাটী

[**Johanna Spyri's Heidi** : translated in to Assamese by Sri. Dwijen Sarma and published by Dr. Prafulla Mahanta Director, Anundoram Borooah Institute of Language, Art & Culture, Rajaduar, North Guwahati, Guwahati - 30 Assam, India, **Price Rs. 125.00**]

প্ৰকাশক : সঞ্চালক
আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম
ৰজাদুৱাৰ, উত্তৰ গুৱাহাটী
গুৱাহাটী - ৭৮১ ০৩০

প্ৰথম প্ৰকাশ : জানুৱাৰী, ১৯৯৯

মূল্য : ১২৫.০০ টকা

মুদ্ৰক : শৰাইঘাট লেজাৰ প্ৰিন্ট
শিলপুখুৰী, গুৱাহাটী - ৩

আবিলেকৰ দুআষাৰ

আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাই বিশ্ব সাহিত্যৰ মূল্যবান গ্ৰন্থৰাজি, পৰ্যায়ক্ৰমে অসমীয়ালৈ অনুবাদ কৰাৰ কাৰণে গ্ৰহণ কৰা আঁচনিৰ প্ৰথম পৰ্যায়ৰ গ্ৰন্থসমূহৰ ভিতৰত য়োহানা স্পীৰিৰ Heidiও এখন। ইতিমধ্যে অধ্যাপক নৰকান্ত বৰুৱা, অধ্যাপিকা নীলিমা দত্ত, অধ্যাপক প্ৰফুল্ল কটকী আৰু তৰুণ চন্দ্ৰ বৰুৱা অনূদিত যথাক্ৰমে গে'টেৰ Faust (প্ৰথম আৰু দ্বিতীয় খণ্ড) উইল ড্যুৰাণ্টৰ The Story of Philosophy, এমিলি ব্ৰাণ্টিৰ Wuthering Heights, চিনুৱা আচেবেৰ Things Fall Apart পাঠকৰ হাতত পৰিছে। অধ্যাপক উপেন্দ্ৰ নাথ শৰ্মা অনূদিত কাফ্‌কাৰ The Trial খন এই বছৰতে প্ৰকাশ পাব।

শেহতীয়াকৈ শ্ৰীদ্বিজেন শৰ্মাই অনুবাদ কৰা য়োহানা স্পীৰিৰ Heidi খন পাঠকৰ আগলৈ উলিয়াই দিবলৈ পাই, আমি আনন্দিত হৈছো। বিশেষকৈ এই ভাবিয়েই, যে আজিৰ পৰা দুবছৰ কম ছকুৰি বছৰৰ আগতে প্ৰকাশিত, 'শিশু আৰু শিশুক ভাল পোৱা প্ৰাপ্ত বয়স্ক পাঠক'ৰ উদ্দেশ্যে ৰচিত এখন মূল্যবান গ্ৰন্থ অধ্যয়নৰ সোৱাদ, অসমৰ পাঠকে এই অনূদিত গ্ৰন্থৰ যোগেদি লাভ কৰিব পাৰিব। মূল জাৰ্মান ভাষাৰ পৰা গ্ৰন্থখনি অসমীয়ালৈ অনুবাদ কৰি উলিয়াই দিয়াৰ কাৰণে সংস্থা শ্ৰীদ্বিজেন শৰ্মাৰ ওচৰত কৃতজ্ঞ।

জাৰ্মান নামৰ লিপ্যন্তৰৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট ৰীতি মানি চলা হোৱা নাই। অনুবাদকে দিয়া লিপ্যন্তৰিত ৰূপটোকে ৰখা হৈছে। অনুবাদক শ্ৰীশৰ্মাই তেখেতৰ দুআষাৰত কৈছে— "হাইডিখনৰ মানুহ, ঠাই, জীৱ-জন্তু আদিৰ নামৰ শুদ্ধ লিপ্যন্তৰ কৰিবলৈ বিশেষজ্ঞৰ সহায় লোৱা হৈছিল। কিন্তু পিছত উপলব্ধি কৰিলো যে তেনে লিপ্যন্তৰৰ ফলত কিতাপখন শিশু পাঠকৰ বাবে অবোধ্য আৰু ভয়াবহ হৈ পৰাৰ সম্ভাৱনাহে প্ৰবল। সেয়ে এইখনত তেনে নামবোৰৰ সৰল ৰূপহে ব্যৱহাৰ কৰা হ'ল।"

গ্ৰন্থখনিয়ে পাঠকক আনন্দ দিব পাৰিব বুলি আমাৰ বিশ্বাস।

প্ৰফুল্ল মহন্ত
সভাপতি
আনন্দৰাম বৰুৱা
ভাষা-কলা-সংস্কৃতি সংস্থা, অসম

বজাদুৱাৰ গুৱাহাটী
৩০ জানুৱাৰী, ১৯৯৯

অনুবাদকৰ দুআষাৰ

হাইডিখন অনুবাদ কৰাৰ কাহিনীটোৰ সূত্ৰপাত হৈছিল তিনি দশকমান আগতে ছিলঙত। তেতিয়া এদিন খাছিয়া বন্ধু এজনৰ ঘৰলৈ যাওঁতে বন্ধুৰ ১০ বছৰীয়ামান জীয়েকজনীয়ে তাই অলপ আগতে পঢ়া গল্প এটা মোক অতি উচ্ছ্বাসেৰে কৈছিল। তাইক মুগ্ধ কৰা গল্পটো আছিল হাইডিৰ। তেতিয়ালৈ মই সেই গল্পটো পঢ়া নাছিলোঁ। সেইখন মই পঢ়িবলৈ খোজোঁতে তাই কৈছিল, "সেইখন আছিল স্কুলৰ গ্ৰন্থাগাৰৰ পৰা অনা। সেইখন লৈ যিহে থাপিয়াথপি, ক'ত পাবা?" স্কুলখনৰ ছাত্ৰীবোৰ আছিল খাছিয়া, জয়ন্তীয়া, নগা, মিজো, অসমীয়া, বঙালী, হিন্দী-ভাষী আদি ভাৰতৰ বাৰে-বৰণীয়া জনগোষ্ঠীৰ। সেই হেন জাকটোক মুগ্ধ কৰা গল্পটো পঢ়িবলৈ মোৰ আগ্ৰহ দেখি বন্ধুৰ জীয়েকে এৰাতিৰ বাবে মোক কিতাপখন দি গৈছিল। সেইখন আছিল শিশু-পাঠ্য সৰল, সংক্ষিপ্ত, সচিত্ৰ সংস্কৰণ। সেইখন পঢ়িয়েই মই আন্দাজ কৰিছিলোঁ যে অ-সংক্ষিপ্ত মূল কিতাপখন কিজানি 'অদ্ভুত দেশত এলিচ' জাতীয় দেশ-কালাতীত শিশু-সাহিত্যই হ'ব। তাৰ পিছত এসময়ত মূলখন পঢ়ি হাইডিখন বিশ্বৰ শিশু-সাহিত্যৰ ধ্ৰুপদী সৃষ্টি বুলি স্বীকৃতি পোৱাৰ যৌক্তিকতা দ্বিধাহীন হৈ মানি লৈছিলোঁ।

১৯৭৯ চনত আকাশবাণী, গুৱাহাটীয়ে বিশ্ব-সাহিত্যৰ শ্ৰেষ্ঠ লিখকসকল আৰু গ্ৰন্থৰাজিৰ ওপৰত এলানি বক্তৃতামালাৰ আয়োজন কৰিছিল। সেই অনুষ্ঠানটোৰ প্ৰযোজক প্ৰয়াত দুৰ্গেশ্বৰ বৰঠাকুৰদেৱে ভাত ভাগ লবলৈ মোক আহ্বান জনাওঁতে মই হাইডিখনৰ উল্লেখ কৰিছিলোঁ। সেই প্ৰস্তাৱটো তেখেতে মানি লৈছিল। সেই বিষয়ে মোৰ বক্তৃতাটো সেইবছৰৰ আগষ্ট মাহত প্ৰসাৰিত হৈছিল। পিছত বৰঠাকুৰদেৱে সেইটোৰ প্ৰতি শ্ৰোতা-মণ্ডলীৰ উৎসাহজনক প্ৰতিক্ৰিয়াৰ কথা জনাওঁতে লগতে কৈছিল যে শ্ৰোতা-মণ্ডলীৰ এচামে হাইডিখনৰ অনুবাদ হোৱাটো বিচাৰিছিল।

তাৰ পিছত এসময়ত মূল হাইডিখন অনুবাদ কৰি উলিয়াইছিলোঁ। ২৫৪ পৃষ্ঠাৰ এইখনৰ প্ৰতি ব্যক্তিগতখণ্ডৰ প্ৰকাশক উৎসাহিত নোহোৱাবেই কথা। সেয়ে পাণ্ডুলিপিটো পৰি আছিল। কেইবছৰমান আগতে 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ই হাইডিখন প্ৰকাশ কৰাত আগ্ৰহী বুলি খবৰ পাইছিলোঁ। সেই সংস্থাটোৰ আগ্ৰহৰ পৰিণতি স্বৰূপে বিশ্বৰ শিশু-সাহিত্যৰ এই ধ্ৰুপদী কিতাপখন, হাইডিৰ লিখিকাৰ ভাষাত, অসমৰ "শিশু তথা শিশুক ভাল পোৱা প্ৰাপ্ত-বয়স্ক পাঠক"ৰ হাতত পৰাৰ সূচল হ'ল। 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ এই মহৎ প্ৰচেষ্টাৰ বাবে অসমীয়া শিশু-পাঠকৰ লগতে অসমীয়া সমাজখনো সেই সংস্থাটোৰ প্ৰতি ঋণী হৈ ৰ'ব।

হাইডিৰ লিখিকা য়োহানা স্পীৰিৰ স্মৃতি ৰক্ষা কৰিবলৈ আৰু তেখেতৰ অৱদানসমূহৰ ওপৰত চিন্তা-চৰ্চা আৰু গৱেষণা কৰাত উৎসাহ যোগাবলৈ চুইজাৰলেণ্ডৰ জুৰিক চহৰত ১৯৬৮ চনত প্ৰতিষ্ঠিত 'য়োহানা স্পিউৰি ন্যাস' নামৰ সংস্থাটোৱে মোক এই কামত বিভিন্ন ধৰণে সহায় কৰা কাৰণে সেই ন্যাসটোৰ প্ৰতি মই কৃতজ্ঞ।

হাইডিখনৰ মানুহ, ঠাই, জীৱ-জন্তু আদিৰ জাৰ্মান নামৰ শুদ্ধ লিপ্যন্তৰ কৰিবলৈ বিশেষজ্ঞৰ সহায় লোৱা হৈছিল। কিন্তু পিছত উপলব্ধি কৰিলোঁ যে তেনে লিপান্তৰৰ ফলত কিতাপখন শিশু-পাঠকৰ বাবে অবোধ্য আৰু ভয়াবহ হৈ পৰাৰ সম্ভাৱনাহে প্ৰৱল। সেয়ে এইখনত তেনে নামবোৰৰ সৰল ৰূপহে ব্যৱহাৰ কৰা হ'ল।

অনুবাদকৰণ সহজসাধ্য কাম নহয়। বৰং কিছুমান ক্ষেত্ৰত মৌলিক সৃষ্টিতকৈও কঠিনতৰ কামহে। সেয়ে এই অনূদিত ভাষ্যটোত নানানটা ভুল-ভ্ৰান্তি ৰৈ যোৱা স্বাভাৱিক। সহৃদয় পাঠকবৃন্দই সেইবোৰ আঙুলিয়াই দি মোক বাধিত কৰিব বুলি আশা কৰিলোঁ।

দ্বিজেন শৰ্মা।

হাইডিৰ লিখিকা

য়োহানা স্পীৰি

ইউৰোপৰ আল্পচ্ পৰ্বতমালাৰ ওপৰত অৱস্থিত চুইজাৰলেণ্ড এখন সৰু, শুৱনি, পৰ্বতীয়া দেশ। সেইখনৰ জুৰিক নামৰ চহৰখনৰ কাষৰীয়া গাওঁ এখনত ১৮২৭ চনত য়োহানাৰ জন্ম হৈছিল। তেওঁৰ দেউতাক সেই অঞ্চলৰ প্ৰতিষ্ঠিত ডাক্তৰ আছিল আৰু মাকে ধাৰ্মিক কবিতা লিখিছিল। য়োহানা ছটা ভাই-ভনীৰ এজনী আছিল। তেওঁৰ শৈশৱ সুখৰেই আছিল। হাইডিৰ দৰেই শিশু য়োহানা প্ৰাণ-চঞ্চল আছিল আৰু তেওঁৰ প্ৰকৃতি-প্ৰেম আৰু মানৱ-প্ৰেম গভীৰ আছিল। ১৮৫২ চনত জুৰিকৰ বাৰ্ণহাৰ্ড স্পীৰি নামৰ ডেকা উকীল এজনৰ লগত তেওঁৰ বিয়া হৈছিল। তেওঁলোকৰ বৈবাহিক জীৱন সুখৰেই আছিল। সেই সময়ৰ ইউৰোপৰ সাহিত্য আৰু সঙ্গীতৰ উন্নত ধাৰাটোৰ লগত জুৰিকৰ ওতঃপ্ৰোত সম্বন্ধ আছিল। স্পীৰি পৰিয়ালটো জুৰিকৰ সাংস্কৃতিক জীৱনৰ সৈতে পুৰাকৈ জড়িত আছিল। তেওঁলোকৰ একমাত্ৰ পুতেকজনৰ জন্ম ১৮৫৫ চনত হৈছিল। সি প্ৰতিভাশালী কিন্তু ৰুগীয়া আছিল আৰু ডেকা বয়সতেই ১৮৮৪ চনত তাৰ মৃত্যু হৈছিল। সেই পুত্ৰ-শোকত কেইমাহমান পিছত বাপেক বাৰ্ণহাৰ্ডো ঢুকাইছিল। তেতিয়াৰে পৰা দুখে-শোকে কাতৰা য়োহানাই নিসঙ্গ জীৱন নিয়াইছিল আৰু লিখা-পঢ়া আৰু ভ্ৰমণত নিজকে ব্যস্ত কৰি ৰাখিছিল। য়োহানাই লাহে লাহে জীৱন দুৰ্বহ হৈ অহা যেন পাইছিল আৰু শেহত ১৯০১ চনত তেওঁৰ মৃত্যু হৈছিল।

য়োহানাৰ জীৱনৰ বিষয়ে অতি কম কথাহে জনা যায়। বিখ্যাত হোৱাৰ পিছত তেওঁৰ জীৱন-বৃত্তান্ত জানিব খোজাসকলক হতাশ কৰি তেওঁ কৈছিল, "মোৰ বাহ্যিক জীৱন-যাত্ৰা তেনেই সৰল আৰু তাত উল্লেখনীয় একো নাই। মোৰ অন্তৰ্জগতত ধুমুহাৰ ৰাজত্ব। .... কিন্তু সত্য কথাবোৰ বৰ্ণাম কেনেকৈ? মিছাযেই বা কেনেকৈ মাতিম?" এই কাৰণেই তেওঁ জীৱিতাৱস্থাতেই ব্যক্তিগত কাগজ-পত্ৰ, কিতাপৰ পাণ্ডুলিপি আদি পুৰি পেলাইছিল। তেওঁৰ জীৱনী সম্পৰ্কে জনা অলপীয়া কথাখিনি তেওঁৰ অঙহী-বঙহী আৰু বন্ধু-বান্ধৱৰ স্মৃতি-চাৰণহে।

য়োহানাই লিখিব লৈছিল পলমকৈ। তেওঁৰ প্ৰথমখন কিতাপ বয়স্কৰ কাৰণে লিখা আছিল। তেতিয়া তেওঁৰ বয়স ৪০ বছৰ পাৰ হৈছিল। সেইখন ওলাইছিল ১৮৭১ চনত। সেইখিনি সময়তে তেওঁৰ সৰু ভতিজাক এজনীয়ে বোলে খেদ কৰি কৈছিল, 'বয়স্কই পঢ়িবলৈ ঢেৰ কিতাপ আছে। আমাৰ বাবেহে একো নাই।' তাই বোলে পেহীয়েকক শিশুৰ বাবে লিখিবলৈ খাটনি ধৰিছিল। সেই খাটনিৰ বাবেই য়োহানাই শিশুৰ বাবে লিখা প্ৰথমখন কিতাপ ওলাইছিল ১৮৭৮ চনত। হাইডিৰ প্ৰথমখণ্ড প্ৰকাশ হৈছিল ১৮৮০ চনত

আৰু দ্বিতীয় খণ্ড তাৰ পিছৰ বছৰত। তেওঁ মুঠতে সাতখন কিতাপ লিখিছিল। তাৰে কেইখনমান জাৰ্মান-ভাষী দেশবোৰত এতিয়াও চলিত। কিন্তু অকল হাইডিখনহে বিশ্বৰ শিশু-সাহিত্যৰ মুখ্য অৱদানসমূহৰ এখন বুলি স্বীকৃত হৈছে।

যোহানা স্পীৰিৰ মূল কিতাপবোৰ জাৰ্মান ভাষাত লিখা। হাইডিৰ প্ৰথম ইংৰাজী অনুবাদ চাৰি বছৰ পাছতেই আমেৰিকাত প্ৰকাশিত হৈছিল। তেতিয়াৰে পৰা এতিয়ালৈকে ইংৰাজীত বিভিন্ন সম্পূৰ্ণ অনুবাদ, সংক্ষিপ্ত অনুবাদ, শিশু-পাঠ্য সংস্কৰণ আদি ওলায়েই আছে। ইংৰাজীৰ বাহিৰেও পৃথিৱীৰ আন ৪০ টামান ভাষালৈ হাইডি অনূদিত হৈছে। হাইডিক লৈ আমেৰিকাত দুখন আৰু জাৰ্মানীত এখন চলচ্চিত্ৰ ওলাইছে। মুম্বাইৰ পৰা হাইডি-কেন্দ্ৰিক হিন্দী চলচ্চিত্ৰ এখনো তিনি দশকমান আগতে ওলাইছিল। ১৯৭০ চনমানত এবছৰ জুৰি চলা দূৰদৰ্শনৰ ধাৰাবাহিক এখন যিবোৰ দেশত চলিছিল, সেইবোৰৰ শিশু-সমাজ মোহ-মুগ্ধ হৈ গৈছিল। উদাহৰণ এটা লওক। শিশুক গাখীৰ খুওৱাটো পৃথিৱীৰ সকলো মাকৰ এটা যন্ত্ৰণা-ক্লিষ্ট কৰ্তব্য। হাইডিৰ উক্ত ধাৰাবাহিক চলা দেশবোৰৰ মাকবোৰৰ উক্ত সমস্যাটো থিতাতে নোহোৱা হৈছিল। চুইজাৰলেণ্ড সৰু দেশ হলেও পৃথিৱীৰ টুৰিষ্টৰ বাবে মুখ্য আকৰ্ষণীয় দেশবোৰৰ অন্যতম। তালৈ যোৱা হাজাৰ-বিজাৰ টুৰিষ্টৰ বৃজন অংশ এটাই বোলে হাইডিৰ দেশখন চাবলৈহে যায়।

যোহানাৰ হাইডি বিশ্ববিখ্যাত হোৱাৰ কুফলৰো ভুক্তভোগী। হাইডিক লৈ কৰা আমেৰিকাৰ অতি জনপ্ৰিয় চলচ্চিত্ৰখনৰ ককা আৰু হাইডি যোহানাৰ ককা আৰু হাইডিৰ সম্পূৰ্ণ বিপৰীত। যেনে, যোহানাৰ ককা দেখাত আৰু ব্যৱহাৰত অসুৰ-সদৃশ; ভয়তে গএগ্ৰা ৰাইজে তেওঁক এৰাই ফুৰে। উক্ত চলচ্চিত্ৰখনৰ অভিনেতা ককাজন কিন্তু দেখিলেই সকলোৰে ভালপোৱা ব্যক্তিত্বৰ। হাইডি-কেন্দ্ৰিক হিন্দী চলচ্চিত্ৰখনে যোহানা স্পীৰিক নিকৃষ্ট হিন্দী চলচ্চিত্ৰৰ নিকৃষ্ট গল্প তথা পটকথা লিখকলৈ অধঃপতিত কৰি পেলাইছে। সাহিত্যৰ ক্ষেত্ৰত এনে বিকৃতি আৰু স্বাভাৱিক।

হাইডিখনক দুটা দৃষ্টিভঙ্গীৰে গহীন আৰু কঠোৰ সমালোচনা কৰা হয়। তাৰে প্ৰথমটো ধাৰা আৰ্থ-সামাজিক ক্ৰান্তিকাৰী দৃষ্টিভঙ্গীৰ। এইচামৰ চকু যাইকে হাইডিৰ বিষয়-বস্তুৰ ওপৰত। এইটো ধাৰা মতে হাইডিখনত এশবছৰ আগৰ অনুন্নত সমাজ এখনৰ আৰ্থ-সামাজিক সমস্যাবোৰ চোৱা হৈছে ধাৰ্মিক দৃষ্টিভঙ্গীৰ পৰা আৰু সেইবোৰৰ সমাধানো বিচৰা হৈছে ঈশ্বৰভক্তিত। সেয়ে হাইডিৰ বিষয়-বস্তু সমাজৰ সবল, ভুল আৰু সস্তা আবেগিক ব্যাখ্যাহে। গতিকে হাইডিয়ে শিশু-সমাজক ভুল শিক্ষাহে দিব। এই কাৰণেই সাম্যবাদী দেশবোৰত হয় হাইডিখন নিষিদ্ধ কৰা হৈছিল, নহয় সেইখন এনেকৈ সংশোধন কৰা হৈছিল যে যোহানাৰ হাইডিখনৰ চিন হেৰাই গৈছিল।

হাইডিৰ কঠোৰ সমালোচনা কৰা দ্বিতীয়টো ধাৰা সেইখনৰ সাহিত্যিক মূল্যায়ন সংক্ৰান্ত। এওঁলোকৰ বক্তব্য এনেধৰণৰ। হাইডিখন শৈশৱৰ নিষ্পাপ সাধুতাৰ ৰোমাণ্টিক ভাৱমূৰ্তিহে। হাইডিৰ য়োহানাৰ মতে আবেলিবোৰ পৰ্বতীয়া ফুলৰ মাজত বহি, ৰাতি আকাশ-দেখা আটালৰ খেৰৰ বিছনাত শুই আৰু সদায় ছাগলীৰ গাখীৰ, পনীৰ আৰু খহটা ৰুটি খাই কটাব পৰা জীৱনেই আদৰ্শ জীৱন। এশবছৰ আগৰ পাশ্চাত্যৰ অনুন্নত অঞ্চলৰ শিশু-সমাজৰ বাস্তৱ জীৱন-চিত্ৰ হাইডিত পাবলৈ নাই। এশবছৰমান আগৰ পাশ্চাত্যৰ শিশু-সাহিত্যাত প্ৰচলিত সৰল গ্ৰাম্যজীৱনৰ আদৰ্শমূলক কিন্তু অবাস্তৱ মনোৰঞ্জক সাধুকথাবোৰৰ হাইডিও অবিচ্ছেদ্য অংগহে।

এই দুয়োবিধ সমালোচনা অমূলক নহয়। কিন্তু এইটোও সঁচা যে এই এশবছৰে সকলোদেশৰে শিশু-সমাজৰ বাবে হাইডি অতি প্ৰিয় কিতাপ হৈয়েই আছে। হাইডিখন ভাববিলাসী সাধুকথা হলেই বা; হাইডিখনৰ মূল আকৰ্ষণ হ'ল হাইডি ছোৱালীজনী নিজেই। শিশু হাইডি সকলো শিশুৰে চিনাকি ছোৱালী; তাইৰ সুখ, দুখ, চিন্তা, ভয় সিহঁতৰেই বাস্তৱ অভিজ্ঞতা; সেইবোৰেই কিতাপখনত প্ৰাধান্য পাইছে আৰু তাত প্ৰাপ্ত-বয়স্কৰ কোনো প্ৰচ্ছন্ন উদ্দেশ্যৰ সংযোজন নাই। সহজ, সৰল, পুৰণি সমাজ এখনৰ নিষ্পাপ হাইডি বিশ্বৰ শিশু-সমাজৰ এজনী মোহনীয় নায়িকা। তাইৰ সততা, সৰলতা, প্ৰাণ-চঞ্চলতা, প্ৰকৃতি-প্ৰেম, মানৱ-প্ৰেম আৰু নিৰ্ভেজাল ঈশ্বৰভক্তিয়ে কোনো শিশুকেই কিজানি পথভ্ৰষ্ট নকৰিব। বৰং মানৱীয় প্ৰমূল্য সমূহক আগভাগ দিয়া এই আদৰ্শমূলক কিতাপখন আজিৰ ধানবান হব খোজা সমাজতো প্ৰিয় হৈ থাকিব পৰাটো আশাৰ, আনন্দৰ আৰু সৌভাগ্যৰ কথাহে।

সূচীপত্ৰ

পৃষ্ঠা

প্ৰথম খণ্ড

প্ৰথম অধ্যায়
আল্মমামা ১

দ্বিতীয় অধ্যায়
ককাৰ পঁজাত ১৩

তৃতীয় অধ্যায়
ঘাঁহনিত ২০

চতুৰ্থ অধ্যায়
আইতাৰ তাত ৩৭

পঞ্চম অধ্যায়
দুজন আগন্তুক অহাৰ ফল ৫২

ষষ্ঠ অধ্যায়
হাইডিৰ নতুন জীৱন ৬৪

সপ্তম অধ্যায়
কুমাৰী ৰোটেন্‌মায়াৰৰ এটা দিন অশান্তিত গ'ল ৭২

অষ্টম, অধ্যায়
অট্টালিকাত হুলস্থুল ৮৬

নৱম অধ্যায়
জেচেমান ডাঙৰীয়াই অদ্ভুত কাণ্ডৰ কথা শুনিলে ৯৮

দশম অধ্যায়
আন এগৰাকী আইতা ১০৬

একাদশ অধ্যায়
হাইডিৰ কিছুমান উন্নতি, কিছুমান দুৰৱস্থা ১১৭

দ্বাদশ অধ্যায়
অট্টালিকাত ভূত ১২২

ত্ৰয়োদশ অধ্যায়
আল্মলৈ গুভতনি ১৩৩

চতুৰ্দশ অধ্যায়
গিৰ্জাৰ ৰবিবৰীয়া ঘণ্টাৰ সুৰ ১৪৯

দ্বিতীয় খণ্ড

পঞ্চদশ অধ্যায়
ভ্ৰমণৰ প্ৰস্তুতি ১৬৫

ষষ্ঠদশ অধ্যায়
আলমৰ এজন আলহী ১৭২

সপ্তদশ অধ্যায়
হাইডিয়ে ডাক্তৰৰ সান্ত্বনা দিলে ১৮১

অষ্টাদশ অধ্যায়
ডৰ্ফলিত জাৰকালি ১৯১

উনবিংশ অধ্যায়
জাৰকালিৰ শেহছোৱা ২০৩

বিংশ অধ্যায়
দূৰণিৰ বন্ধুৰ খবৰ ২১০

একবিংশ অধ্যায়
আলমত আৰু কি কি ঘটিল ২২৮

দ্বাবিংশ অধ্যায়
আলমত অভাৱনীয় কাণ্ড এটা ঘটিল ২৩৭

ত্ৰয়োবিংশ অধ্যায়
এতিয়া যাওঁ; আকৌ আহিম ২৫৩

হাইডি

প্ৰথম খণ্ড

হাইডিৰ শিক্ষা আৰু ভ্ৰমণত কটোৱা বছৰ কেইটা

প্ৰথম অধ্যায়

আল্মমামা

মায়েনফেল্ড এখন সৰু, পুৰণি, ধুনীয়া চহৰ। তাৰ পৰা গছে-পাতে সেউজীয়া আৰু ছাঁৰে ভৰা পথাৰৰ মাজেৰে দুংদুঙীয়া খোজ-কঢ়া পটি এটা গৈ আল্পচ পৰ্বতমালাৰ পাদদেশ পাইছে। তলৰ উপত্যকাখনলৈ নিৰন্তৰ চাই থকা সেই পৰ্বতমালা গহীন-গম্ভীৰ আৰু ৰাজসিক মহিমামণ্ডিত। সেই পটিটোৱেই আওগৰীয়া হৈ আল্পচৰ ওপৰলৈ উঠিছে। সেইটোৰে ওপৰলৈ খোজ ললে অলপ পাছতে ওপৰৰ চৰণীয়া ঘাঁহনিৰ মলমলীয়া গোন্ধ নাকত লাগেহি।

জুন মাহৰ এদিন ৰৌদ্ৰোজ্জ্বল পুৱা সেই অঞ্চলৰে এজনী ওখ-পাখ, আটিল গাভৰুৱে এই ঠেক পটিটোৰে পৰ্বত বগাবলৈ ধৰিছিল। তাই সৰু ছোৱালী এজনীক হাতত ধৰি নিছিল। ছোৱালীজনীৰ ৰ'দে পোৰা বাদামী ৰঙৰ ছালৰ তলতো গালদুখন ৰঙচুৱা জুই শিখাৰ দৰে জ্বলমলাই আছিল। তেনে হোৱাৰে কথা, কিয়নো জুন মাহৰ গৰমতো তাই দুৰ্যোগৰ জাৰকালি পিন্ধাৰ দৰে কাপোৰ-কানি পিন্ধি আছিল। তাই তিনিসাজ কাপোৰ ওপৰা-ওপৰিকৈ পিন্ধিছিল; ডিঙিত এখন ৰঙা, ডাঙৰ কপাহী স্কাৰ্ফ মেৰাই লৈছিল আৰু তাইৰ ভৰিত গজাল লগোৱা গধুৰ জোতা এযোৰ আছিল। তাইৰ বয়স পাঁচ বছৰমান হৈছিল কিন্তু পিন্ধনৰ কোবত তাই গচ-পিত নোহোৱা বস্তা যেন হৈছিল আৰু গৰমৰ বাবে তাই বৰ কষ্টৰে পৰ্বত বগাইছিল। একেবাহে এঘণ্টা পৰ্বত বগাই ছোৱালী দুজনীয়ে নামনিৰ পৰা আল্মলৈ যোৱাৰ আদবাটত কিছুমান ঘৰ থকা ডৰ্ফলি নামৰ সৰু গাওঁখন পালে। তাৰ পঁজাবোৰৰ পৰা আৰু বাটত লগ পোৱা প্ৰতিজনেই সিহঁতক মাত লগালে কাৰণ গাভৰুজনী সেইখন গাঁৱৰেই। তাই কিন্তু কথা পাতিবলৈ নৰৈ কোবাকুবিকৈ আগবাঢ়িল আৰু গৈ থাকোঁতেই মানুহবোৰক প্ৰতি-সম্ভাষণ জনালে আৰু সিহঁতৰ প্ৰশ্নবোৰৰো উত্তৰ দিলে। গাঁওখনৰ সিমূৰে সিহঁতে শেহৰ পঁজাটো পাৰ হয় হয় হওঁতে সেইটোৰ দুৱাৰমুখৰ পৰা মাত এটা শুনা গ'ল। "ডেটে, খন্তেক ৰচোন। তই ওপৰলৈ যাব যদি মঞো তোৰ লগতে যাওঁ।"

গাভৰুজনী ৰ'ল। লগে লগে সৰু ছোৱালীজনীয়ে তাইৰ হাতখন এৰুৱাই লৈ মাটিত বহি পৰিল।

"হাইডি, তোৰ ভাগৰ লাগিছে নেকি?" গাভৰুজনীয়ে সুধিলে।

"নাই, গৰমহে লাগিছে," অকমানিজনীয়ে উত্তৰ দিলে।

তাইক উৎসাহ দিবলৈ ডাঙৰজনীয়ে ক'লে, "আমি পালোঁহিয়েই বুলিব পাৰ। আৰু অলপ পৰহে তোৰ দেহাৰ গোটেইখিনি বল কামত লগাব লাগিব। আমাক আৰু এঘণ্টাৰ বেছি নালাগিব।"

তেনেতে পঁজাটোৰ পৰা ডাঙৰ-দীঘল মৰমলগা তিৰোতা এজনী ওলাই আহি সিহঁতৰ লগ লাগিল। সৰু ছোৱালীজনীয়ে জাঁপ মাৰি উঠি সিহঁতৰ পাছে পাছে যাবলৈ ধৰিলে। ডাঙৰ দুজনীয়ে তৎক্ষণাত গাঁওখনৰ আৰু ওচৰ-পাজৰৰ মানুহবোৰৰ বিষয়ে সৰস আলোচনাত লাগিল।

"কিন্তু ডেটে, এই অকমানিজনীক তই আচলতে কলৈ নিয়?" নৱাগতাই সুধিলে। "এই তোৰ ঘাট-মাউৰা ভাগিনীয়েৰজনী নহয়নে?"

"অঁ, তায়েই," ডেটেই উত্তৰ দিলে। "এইক ককাকৰ তালৈ লৈ যাওঁ। এই তাতেই থাকিব লাগিব।"

"কি কলি? অকমানিজনী আল্ম-মামাৰ লগতে থাকিব? তই নিশ্চয় বলিয়া হৈছ ডেটে। এনে কাণ্ড কৰাৰ কথা কেনেকৈ ভাবিব পাৰিলি? বুঢ়াই তোৰ প্ৰস্তাৱটোৰে সৈতে তোক খেদি পঠিয়াব।"

"তেওঁ এইৰ ককাক; তেওঁ তেনে কৰিব নোৱাৰে। মই ইমানদিনে এইক ৰাখিলোঁ। এতিয়া তেওঁ এইক তুলি-তালি ডাঙৰ কৰিবৰ হ'ল। বাৰ্‌বেল, শুন। মানুহ এঘৰে মোক অলপতে ভাল কাম এটা যাচিছে। সেইটো লোৱাত এইক হেণ্ডাৰ হবলৈ দিয়াৰ কথা মই ভাবিব নোৱাৰোঁ। এইৰ ককাকে এতিয়া নিজৰ কৰ্ত্তব্য কৰিব লাগিব।"

"তেওঁ আন মানুহৰ দৰে হোৱা হলে কথা নাছিল," ঈষৎ ক্ষোভেৰে বাৰ্‌বেলে কলে। "কিন্তু তেওঁ কি বস্তু তই জানই। এইৰ দৰে ইমান অকমানিজনীক লৈ তেওঁ কি কৰিব? তেওঁ তোৰ কথা নিশ্চয় নুশুনে। পিচে তই যাবি কলৈ?"

"ফ্ৰাঙ্কফুৰ্টলৈ," ডেটেই উত্তৰ দিলে। "তাৰ এঘৰত খুব ভাল কাম এটা পাইছোঁ। যোৱা জহকালি তেওঁলোক বাথলৈ আহোঁতে মই কাম কৰা হোটেলটোত তেওঁলোক আছিল। তেওঁলোক থকা কোঠা কেইটাৰ মমেই পৰিচাৰিকা আছিলোঁ। মোক তেতিয়াই তেওঁলোকে লগতে নিব খুজিছিল। মইহে যাব নোৱাৰিলোঁ। তেওঁলোক এইবেলি আকৌ আহিছে আৰু পুনৰায় মোক লৈ যাব খুজিছে। এইবাৰ ময়ো ওলাইছোঁ। মই যামেই।"

"ভাগ্যে মই অকমানিজনী নহলোঁ," কান্ধ জোকাৰি বাৰ্‌বেলে কলে। "ওপৰত থকা বুঢ়াজনক কিহে পাইছে কোনোৱে নাজানে। কোনো জীয়া মানুহৰ লগত

তেওঁৰ লেন-দেন নাই। বছৰেকত এদিনো তেওঁ গিৰ্জালৈ নাযায়। বছৰেকত কেতিয়াবা এদিন তেওঁ মোটা লাঠিডাল লৈ তললৈ নামি আহিলে সকলোৱে তেওঁক ভয়তে এৰাই চলে। ঘন ধূসৰ চেলাউৰিযোৰ আৰু মস্ত ডাড়িকোছাৰে তেওঁ দেখিবলৈ বিধৰ্মী আৰু বৰ্বৰ যেন। সেয়ে তেওঁৰ লগত মুখামুখি নহলেই যেন সকলোৱে ৰক্ষা পায়।"

"তথাপিও তেওঁ এইৰ ককাক," নিজৰ কথা নেৰা ডেটেই সজোৰে কলে। "এইৰ আপডাল কৰা তেওঁৰ কৰ্তব্য। তেওঁ এইৰ একো অনিষ্ট নকৰে কাৰণ কৰিলে তেওঁ জগৰীয়া হব।"

"কথা এটা জানিবলৈ মন গৈছে," বাৰ্‌বেলে উৎসুক হৈ কলে। "বিবেকৰ কেনে তাড়নাত তেওঁ দেখিবলৈ ইমান হিংস্ৰ হৈছে আৰু মানুহৰ চকুৰ পৰা লুকাই আল্মত সম্পূৰ্ণ অকলশৰে থাকিবলৈ লৈছে জানিবলৈ মোৰ সঁচায়ে মন গৈছে। তেওঁৰ বিষয়ে মানুহে নানানটা কথা কয়। ডেটে, তই এই বিষয়ে নিশ্চয় ইটো-সিটো জান। বায়েৰে তোক কৈছিল নিশ্চয়। নে কোৱা নাছিল?"

"কৈছিল ঠিকেই," কিন্তু সেই বিষয়ে মই মুখ নেমেলোঁ, তেওঁ গম পালে মোৰ বিপদ হব পাৰে," ডেটেই কলে।

আল্মমামাৰ আচৰিত আচৰণ, তেওঁ দেখাত কিয় ইমান বিৰস, পৰ্বতৰ ওপৰত তেওঁ কিয় একান্তই অকলশৰে বাস কৰে, মানুহবোৰে তেওঁৰ বিপক্ষে যাবলৈ ভয় কৰাৰ দৰে কিয় তেওঁৰ বিষয়ে ফুচ্‌ফুচাইহে কথা পাতে, অথচ তেওঁৰ সপক্ষেও এষাৰো নকয়, —এইবোৰ ৰহস্যৰ তলানলা জানিবলৈ বাৰ্‌বেলে বহুত দিনৰ পৰাই উচ্‌পিচাই আছিল।

বাৰ্‌বেল সেইখন গাঁৱলৈ বোৱাৰী হৈ অলপতেহে আহিছে। তাইৰ ঘৰ নামনিৰ উপত্যকাৰ প্ৰেটিগাউ নামৰ ঠাইখনতহে আছিল। গাওঁখনত তাই নতুন কাৰণে ডৰ্ফলিৰ আৰু ওচৰ-পাজৰৰ অঞ্চলটোত বহুত বছৰ ধৰি ঘটি অহা ঘটনাবোৰৰ আৰু বিচিত্ৰ মানুহবোৰৰ কথা তাই গম নাপাইছিল। বুঢ়াজন গাওঁখনৰ সকলোৰে আচল মোমায়েক হব নোৱাৰে কিন্তু গাঁৱৰ সকলোৱে তেওঁক মামা বুলি মতাৰ কাৰণটোও তাই নাজানিছিল। অৱশ্যে সকলোৱে সেই বুলি মাতে কাৰণে তায়ো তাকে কৰিছিল আৰু তায়ো মামা নুবুলি আন সম্বন্ধ ধৰি তেওঁৰ বিষয়ে উল্লেখ নকৰিছিল।

তাইৰ বান্ধৱী ডেটে কিন্তু ডৰ্ফলিৰে। যোৱা বছৰলৈ তাই গাঁৱতেই আছিল। যোৱাবেলি মাক ঢুকালত তাই বাথবোৰ থকা বাগাৎচ নামৰ চহৰখনলৈ গৈ ডাঙৰ হোটেল এটাৰ কক্ষ-পৰিচাৰিকাৰ ভাল কামটোত সোমাইছিল। সেইদিনা পুৱাই অকমানিজনীক লৈ তাই বাগাৎচৰ পৰা যাত্ৰা কৰিছিল আৰু চিনাকি মানুহ এজনৰ ঘৰমুৱা ঘোঁৰা টনা গাড়ী এখন বাগাৎচতে পাই সেইখনত উঠি মায়েনফেল্ড পাইছিলহি।

আত্মমামাৰ বিষয়ে কিছু জানিবলৈ এইটোৱেই উত্তম সুযোগ বুলি বাব্‌বেলে বুজিলে। এই সুযোগ তাই হেৰুৱাব নুখুজিলে। তাই বান্ধৱী ডেটেৰ বাউসিত অন্তৰঙ্গভাৱে ধৰি কলে, "আচল কথাবোৰ গঞ্জাৰ ফচহু কথাৰ পৰা নহয়, তোৰ পৰাহে জনা যাব। তই গোটেই কাহিনীটো জান বুলি মই নিশ্চিত। বুঢ়াজনৰ ঘটনাটো কি কচোন। মানুহে তেওঁক সদায় ভয় কৰিছিলনে? তেওঁ সদায় এনেকুৱা সন্ন্যাসী যেন আছিলনে?"

"মোৰ বয়স ২৬ বছৰ আৰু তেওঁৰ ৭০মান। তেওঁ সদায় কেনে আছিল মই কেনেকৈ জানিম? তই নিশ্চয় জান যে তেওঁৰ ডেকাকালত মই তেওঁক লগপোৱা নাছিলোঁ। পিছে তেওঁক প্ৰেটিগাউৰ কতো আৰু কেতিয়াও দেখা পোৱা নাযাব বুলি জানিলে অৱশ্যে তেওঁৰ বিষয়ে বহুত কথাই মই তোক কব পাৰিলোঁহেঁতেন। মোৰ মা ডোমলেৰ। তেৰোঁ তাৰেই।"

"ডেটে, তোৰো কথা।" অলপ ক্ষুণ্ণ হৈ বাব্‌বেলে কলে। "আমাৰ প্ৰেটিগাউৰ ফচহু মেলৰ বিষয়ে তই বেঁকা মন্তব্য দিব নালাগে। দৰ্কাৰ হলে মই পেটত দুই-এটা কথা ৰাখিব পাৰোঁ। মোক কলেও তই আগলৈ নিশ্চয় আক্ষেপ কৰিব নালাগিব। কচোন।"

"বেচ, মই কম বাৰু। তই জিভা চম্ভালিবি কিন্তু," ডেটেই সাৱধান কৰি দি কলে।

অকমানিজনীয়ে সিহঁতৰ নিচেই কাষে কাষে আহি সিহঁতৰ কথা শুনে নেকি গম লবলৈ ডেটেই কথা আৰম্ভ কৰাৰ আগতে পিছপিনে চালে। ছোৱালীজনী পিছপিনে নাই। তাই নিশ্চয় অলপ আগতে সিহঁতৰ লগৰ পৰা এৰাই গৈছিল কিন্তু কথাত মচ্‌গুল হৈ থাকোঁতে সিহঁতে কাওটো মন কৰা নাছিল। ডেটেই ঠাইতে বৈ চাৰিওপিনে চালে। লুংলুঙীয়া পটিটো অকোৰা-পকোৰা হলেও তাৰ পৰা তলৰ গাঁওখনলৈকে দেখা গৈছিল। কিন্তু কোনো মানুহ সিহঁতৰ চকুত নপৰিল।

"দেখিছোঁ, দেখিছোঁ," বাব্‌বেলে কৈ উঠিল। "সৌজনী। তই দেখা নাইনে?" বাব্‌বেলে পটিটোৰ পৰা অলপ দূৰলৈ আঙুলিয়াই দেখুৱালে। "তাই ছাগলীৰখীয়া পিটাৰ আৰু ছাগলীজাকৰ লগত গৰা বগাই উঠিব ধৰিছে। ছাগলীজাক আনোতে আজি সি কিয়বা ইমান পলম কৰিছে? পিচে ভালেই হ'ল। সি ছোৱালীজনীৰ ওপৰত চকু দিব পাৰিব। তয়ো মোক কাহিনীটো নিশ্চিন্তমনে কব পাৰিবি।"

"পিটাৰে তাইৰ ওপৰত চকু দিয়াৰ কষ্টকেৰা নকৰিলেও হব," ডেটেই মন্তব্য দিলে। "পাঁচবছৰীয়া শিশু হিচাবে তাই ভোদা নহয়। তাই সদা-সতৰ্ক আৰু ক'ত কি হৈছে সকলো গম পায়। তাইৰ এই গুণটো মোৰ চকুত

কেতিয়াবাই পৰিছে। এই গুণটো তাইৰ কামত আহিব। বুঢ়াইতো তাইক আল্মৰ পঁজাটো আৰু ছাগলীবুজনীৰ বাহিৰে আন একো দি যাব নোৱাৰে।"

"তেওঁৰ কেতিয়াবা বেছি সা-সম্পত্তি আছিল জানো?" বাবৃবেলে সুধিলে।

"তেওঁৰনে? ওঁ, কবলৈ গলে তেওঁৰ বহুতেই আছিল," ডেটেই আগ্ৰহেৰে কলে। "ডোমলেৰ আটাইতকৈ ভাল পামথন তেওঁৰেই আছিল। ঘৰখনৰ তেঁৱেই ডাঙৰ ল'ৰা আছিল। তেওঁৰ একমাত্ৰ ভায়েকটো শান্ত আৰু সুশীল আছিল। আল্মমামাই কিন্তু বৰ মানুহ বোলাবলৈ একো কাম-বন নকৰি বাইজে চিনি নোপোৱা বেয়া মানুহ কিছুমানৰ সঙ্গত অ'ত-ত'ত ঘূৰি-পকি ফুৰিছিল। তেওঁ এইদৰে মদ খাই আৰু জুৱা খেলি সম্পত্তি উৰাই শেষ কৰিলে। সেই দুখতেই অগা-পিছাকৈ মাক-বাপেক হালো ঢুকাই থাকিল। ভিখাৰীৰ অৱস্থাত পৰা সৰু ভায়েকটোৱে লাজে-অপমানে কলৈ যে গুচি গ'ল কোনোৱে নাজানে। মামাৰো তেতিয়া বদনামৰ বাহিৰে আন একো নোহোৱা হ'লত তেঁৱো এদিন অদৃশ্য হ'ল। তেওঁ কলৈ গ'ল প্ৰথমতে কোনোৱে নাজানিছিল। তাৰ পিছত খবৰ ওলাল যে তেওঁ সৈন্য-বাহিনীৰ লগত নেপল্‌চ পাইছেগৈ। তেতিয়াৰে পৰা ১২-১৫ বছৰলৈ তেওঁৰ আৰু কোনো ভং-সূত্ৰ নাছিল। তাৰ পিছত এদিন হঠাতে তেওঁ প্ৰায় যুৱাবস্থাৰ পুতেক এটাক লৈ ডোমলেত ওলাইছিলগৈ। তাত তেওঁ মিতিৰ-কুটুমৰ পৰা ঘৰ এটা লোৱাৰ চেষ্টা কৰিছিল। তেওঁক কিন্তু কোনোৱে প্ৰশ্ৰয় নিদিলে আৰু তেওঁৰ বিষয়ে জানিবলৈও কোনো আগ্ৰহী নহ'ল। তাতে তিতা-কেহা লাগি ডোমলেলৈ আৰু কেতিয়াও নাযায় বুলি তেওঁ শপত খালে। তাৰ পিছত ল'ৰাটোৰে সৈতে ডৰ্ফলিলৈ আহি থাকিবলৈ ললে। তেওঁৰ ঘৈণীয়েক কিজানি তেওঁ নামনিত লগ পোৱা গ্ৰিছন অঞ্চলৰ ছোৱালী আছিল আৰু ল'ৰাটো ওপজাৰ পিছতে ঢুকাইছিল।

"তেওঁৰ লগত তেতিয়াও কিছু ধন-বিত নিশ্চয় আছিল। তাৰে তেওঁ পুতেক টোবিয়াচক কাঠ-মিস্ত্ৰি এজনৰ শিক্ষা-নবিছ কৰি দিছিল। টোবিয়াচ্‌ ধীৰ-স্থিৰ আছিল আৰু ডৰ্ফলিত তাৰ সুনাম আছিল। কিন্তু বুঢ়াজনৰ ওপৰত কাৰো আস্থা নাছিল। তেওঁ বোলে নেপল্‌চত সৈন্য-বাহিনী এৰি পলাইছিল আৰু বোলে কিবা লেঠাতো পৰিছিল। তেওঁ বোলে কোনোবা এজনক যুদ্ধত নহয়, কাজিয়াতহে হত্যা কৰিছিল। আমি কিন্তু আমাৰ সম্বন্ধ ছিঙা নাছিলোঁ। আমাৰ মাৰ আইতাক তেওঁৰ আইতাকৰ খুৰাকৰ জীয়েক আছিল। সেয়ে আমি তেওঁক মামা বুলি মাতিছিলোঁ। ডৰ্ফলিৰ প্ৰায় সকলো আমাৰ দেউতাৰ ফালৰ সম্বন্ধীয়া কাৰণে সকলোৱে তেওঁক মামা বুলিবলৈ লৈছিল। সেয়ে তেওঁ ওপৰৰ আল্মত থাকিবলৈ লওঁতে আল্ম-মামা নামে জনাজাত হ'ল।"

"টোবিয়াচৰ কি হ'ল?" বাবৃবেলে আগ্ৰহেৰে সুধিলে।

"মোক কৰলৈ দেচোন। একে উশাহতে সকলো কৰলৈ পাৰোঁনে," ডেটেই কলে। "মেলচত শিক্ষা-নবিছিৰ ওৰ পৰিলত টোবিয়াচ ডৰ্ফলিলৈ উভতি আহি মোৰ বাইদেউ আডেলহাইডক বিয়া কৰালে। সিহঁত দুয়ো পৰস্পৰক ভাল পাইছিল। বিয়াৰ পিছত দুয়ো বেচ সুখেৰেই আছিল। কিন্তু সেই সুখ দীঘলীয়া নহ'ল। দুবছৰ পিছত টোবিয়াচে নতুন ঘৰ এটাৰ কাম কৰি থাকোঁতে বাটাম এডাল তাৰ মূৰত পৰিলত সি ঢুকাই থাকিল। ঘৰলৈ অনা তাৰ কদাকাৰ শটো দেখি শোক আৰু ভয়ত আডেলহাইডৰ তীৱ্ৰকঁপে জ্বৰ উঠিল। তাইৰ এই জ্বৰ আৰু ভাল নহল। তাইৰ দেহাত বল-শক্তি এনেয়ে বেছি নাছিল আৰু প্ৰায়ে তাইক দেখিলে তাই সাৰে আছে নে শুই আছে ধৰা টান হৈছিল। টোবিয়াচ মৰাৰ দুসপ্তাহ পিছত আডেলহাইডকো কবৰ দিয়া হ'ল। সিহঁতৰ এই দুৰ্ভাগ্যৰ কথা দূৰ-দূৰণিৰ মানুহবো মুখে মুখে বাগৰি গৈছিল। মানুহবোৰে ইঙ্গিতেৰে আৰু খোলাখুলিকৈ সেয়া আন্মমামাৰ পাপৰ প্ৰায়শ্চিত্ত বুলিয়েই ঘোষণা কৰিছিল। মানুহবোৰে তেওঁৰ মুখৰ আগতেই তেনেকৈ কৈছিল। আনকি গিৰ্জাৰ পাদুৰি চাহাবেও তেওঁক অনুতাপ কৰিবলৈ গুৰুত্ব সহকাৰে সকীয়াই দিছিল। তেওঁ কিন্তু ক্ৰমাৎ বেছি কষ্ট আৰু ৰুক্ষ হবলৈহে ধৰিলে আৰু মানুহৰ লগতো কথা পাতিবলৈ এৰিলে। বাইজেও তেওঁক এৰাই ফুৰিবলৈ ধৰিলে।

"হঠাতে এদিন শুনা গ'ল যে মামাই আন্মত থাকিবলৈ লৈছে আৰু তললৈ নামি আহিবলৈ এৰি দিছে। তেতিয়াৰে পৰা ঈশ্বৰ আৰু মানুহৰ লগত সম্পৰ্ক ছেদ কৰি তেওঁ তাতে আছে।

"মা আৰু মই আডেলহাইডৰ কেঁচুৱাটিক তুলি ললোঁ। যোৱা জহকালি মা ঢুকালত মই বাথত কাম কৰিবলৈ ওলালোঁ। সেয়ে হাইডিক নি মই ফেফাৰজেৰডোৰ্ফৰ বুঢ়ী উৰ্জেলৰ তাত থলোঁ। গোটেই জাৰকালিটোও মই বাথত কটাব পাৰিলোঁ। মই চিলাই কৰিব আৰু কাপোৰৰ জোৰা-তাপলি মাৰিব জানোঁ কাৰণে মোৰ কামৰ অভাৱ হোৱা নাছিল। যোৱাবেলি যি গৰাকী ভদ্ৰমহিলা থকা কোঠাটোৰ মই পৰিচাৰিকা আছিলোঁ, সেই গৰাকী এইবেলি বসন্তৰ আৰম্ভণিৰ পিনেই ফ্ৰাঙ্কফুৰ্টৰ পৰা আহি ওলাল। তেওঁ মোক তেওঁৰ লগত লৈ যাব। পৰহিলৈ পুৱাই আমি যাত্ৰা কৰিম। মই তোক কৈ থওঁ, ঘৰখন বৰ ভাল।"

"আৰু অকমানিজনীক তই ওপৰৰ বুঢ়াটোক গতাই যাবলৈ ওলাইছ? ডেটে, তই এনে কাণ্ড কৰাৰ কথা ভাবিব পৰা দেখিয়েই মই আচৰিত হৈছোঁ," বাব্‌বেলে ভৰ্ৎসনা কৰি কলে।

"তাৰ মানে?" ডেটেই চোকা প্ৰত্যুত্তৰ দিলে। "এইৰ প্ৰতি মোৰ দায়িত্ব

মই পালন কৰিছোঁ। এতিয়া এইক মই তাত নথৈ আন কি ব্যৱস্থা কৰিব পাৰোঁ? মাত্ৰ পাঁচবছৰীয়া এইক মই ক্ৰাঙ্কফুৰ্টলৈ নিব পাৰিম বুলি মই নাভাবোঁ। পিচে বাৰ্‌বেল, তই যাবি কলৈ? আম্মলৈ আধা বাট আহিলোঁৱেইচোন।"

"মোৰ গন্তব্যস্থান পাইছোঁৱেই। মই বুঢ়া ছাগলীৰখীয়া পিটাৰৰ থৈণীয়েকক লগ পাবলৈ আহিছোঁ। তাই আৰকালি মোৰ বাবে কটনা কাটে। ডেটে, মই যাওঁ আৰু। তোলৈ শুভ ইচ্ছা ব'ল।"

ডেটেই বান্ধৱীক কৰমৰ্দন কৰি তাতে ৰ'ল। ইপিনে বাৰ্‌বেলে পটিটোৰ পৰা কেইখোজমান আঁতৰৰ অলপ দ' ঠাইটুকুৰাত থকা ডাঠ মটীয়া ৰঙৰ সৰু পৰ্বতীয়া জুপুৰিটোত সোমালগৈ। ভাগ্যে জুপুৰিটো অলপ দ' ঠাইখিনিত আছিল নহলে প্ৰচণ্ড ধুমুহাই পৰ্বতখন মহটিয়াই নিয়া সময়ত তেনেই ভগা-ছিগা আৰু জহি-খহি যোৱা সেই জুপুৰিটোত বাস কৰা নিৰাপদ নাছিল। তেনে ধুমুহাত দুৱাৰ, খিড়িকি আৰু পোকে-খোৱা কেঞ্চি-বাটামবোৰকে ধৰি জুপুৰিটোৰ গোটেইবোৰ বস্তু ঘটমটাইছিল আৰু কেৰ্‌মেৰাইছিল। তেনে দিনত সেই জুপুৰিটো আম্মত থকা হলে ধুমুহাই সেইটো নিশ্চয় উৰাই নি নামনিৰ উপত্যকাত পেলাই দিলেহেঁতেন।

সেই জুপুৰিটোত এঘাৰ বছৰীয়া ছাগলীৰখীয়া পিটাৰে বাস কৰিছিল। নিতৌ পুৱা ডৰ্ফলিলৈ গৈ সি ছাগলীবোৰ গোটাই ওপৰলৈ চৰাবলৈ নিছিল। ছাগলীবোৰে গধূলিলৈকে চুটি চুটি পুষ্টিকৰ ঘাঁহবিলাক খাইছিল। তাৰ পিছত পিটাৰে সেই খৰ্‌তকীয়া জাকটোৰ লগত বেগাবেগীকৈ তললৈ নামি গৈছিল। ডৰ্ফলি পালেই সি মুখত আঙুলি দি তীব্ৰ সুহুৰি এটা মাৰিছিল। সুহুৰিটো শুনিলেই মালিকবোৰ আহি নিজৰ নিজৰ ছাগলীবোৰ লৈ গৈছিল। ছাগলীবোৰ শান্ত আৰু নিৰ্জু কাৰণে সাধাৰণতে সৰু ল'ৰা-ছোৱালীবোৰে ছাগলীবোৰ অনা-নিয়া কৰিছিল। গোটেই জহকালি পিটাৰে সেইকণ সময়তে তাৰ সমনীয়াবোৰৰ সঙ্গ পাইছিল। দিনৰ বাকীখিনি সময় সি অকলশৰে ছাগলীবোৰৰ লগত কটাইছিল।

অৱশ্যে ঘৰত তাৰ মাক আৰু অন্ধ আইতাক আছিল। কিন্তু সি নিচেই পুৱাই ওলাই যাবলগীয়া হৈছিল আৰু ডৰ্ফলিত ছাগলীবোৰ গতাই দি উভতে মানে সন্ধ্যা লাগিছিল। সেয়ে তাৰ সমনীয়াবোৰৰ লগত খেলিবলৈ যিমান সময় লাগে উলিয়াবলৈকে পুৱা গাখীৰ আৰু ৰুটিখিনি খৰখৰকৈ গিলোঁতে লগা সময়খিনিহে প্ৰকৃততে সি ঘৰত আছিল।

তাৰ দেউতাকৰ নামো "ছাগলীৰখীয়া পিটাৰ" আছিল, কাৰণ দেউতাকেও ল'ৰাকালত ছাগলীৰখীয়াৰ কামেই কৰিছিল। কেইবছৰমান আগতে গছ এডাল কাটি থাকোঁতে বাপেক দুৰ্ঘটনাত ঢুকাইছিল। তাৰ মাকৰ আচল নাম আছিল

বৃগিটে, কিন্তু সকলোৱে তাইক 'ছাগলীৰখীয়া পিটাৰৰ ঘৈণীয়েক' বুলিহে মাতিছিল। ওচৰৰ আৰু নিলগৰ সৰু-বৰ সকলোৱে মাত্ৰত পিটাৰৰ অন্ধ আইতাক মাত্ৰ 'আইতা' বুলিহে জনাজাত আছিল।

ডেটেই ল'ৰা-ছোৱালীহাল আৰু ছাগলীজাকক বিচাৰি পূৰা দহমিনিট চাৰিওফালে চালে কিন্তু কতো নেদেখিলে। তেতিয়া তাই গোটেইখন আল্প আৰু পৰ্বতৰ পাদদেশলৈকে দেখা অলপ ওপৰৰ ঠাই এটুকুৰাত থিয় হ'লগৈ। তাৰ পৰা ইফালে-সিফালে চাবলৈ ধৰিলে আৰু সিহঁতক নেদেখি তাইৰ মুখত আৰু চাল-চলনত ক্ৰমাৎ বেছি অধৈৰ্য্য হৈ পৰাৰ চিন দেখা গ'ল।

ইতিমধ্যে ল'ৰা-ছোৱালীহাল বেলেগ বাট এটাৰে আহি আছিল। ছাগলীবোৰে খাই ভাল পোৱা ভাল গুল্ম আৰু জোপোহা থকা বহুত ঠাইৰ সন্তেদ পিটাৰে জানিছিল। সেইকাৰণে সি প্ৰায়েই ছাগলীবোৰক পটিটোৰ পৰা অলপ আঁতৰৰ তেনে ঠাইবোৰেদি নিছিল। গধুৰ সাজ-পাৰ পিন্ধি থকা হাইডিয়ে আৰম্ভতে গৰমত আৰু অস্বস্তিত ফোপাই-জোপাই আৰু উত্তেজনাৰ চাপত জুৰুলা হৈ বৰ কষ্টেৰে জাকটোৰ পিছে পিছে গৈ আছিল। তাই মুখেৰে একো নামাতি প্ৰথমতে পিটাৰলৈ চালে। তাই দেখিলে যে পিটাৰে পাতল পেণ্ট এটা পিন্ধি খালি ভৰিৰে অনায়াসে ইফালে-সিফালে জঁপিয়াই ফুৰিছে। তাৰ পিছত ছাগলীবোৰলৈ চাই তাই দেখিলে যে সিহঁতে সৰু আৰু লাহী ঠেঙেৰে পিটাৰতকৈও বেছি সহজে গুল্ম, শিল আৰু থিয় পাথৰৰ ওপৰেদি ডেও দি যাবলৈ ধৰিছে।

হঠাতে ছোৱালীজনীয়ে মাটিত বহি লৈ খচ্‌খচ্‌কৈ জোতা-মোজাবোৰ খুলি পেলালে। তাৰ পিছত থিয় হৈ ডাঠ, ৰঙা স্কাৰ্ফখন খুলিলে; ধুনীয়া বৰিবৰীয়া ফ্ৰকটোৰ বুটাম খুলি তৎক্ষণাত সোলোকাই ললে আৰু ঘৰত পিন্ধা সাধাৰণ ফ্ৰকটোৰ হুকবোৰ খুলিবলৈ আৰম্ভ কৰিলে। মাহীয়েক ডেটেক সেইটোৰ ভাৰ বৰলৈ দিয়াতকৈ সেইটো তাই পিন্ধিয়েই লৈছিল। তাই এতিয়া বিজুলী বেগেৰে সেইটোও খুলি পেলালে। ফলত চুটি হাতৰ তলত-পিন্ধা চেমিজটোহে মাত্ৰ তাইৰ গাত থাকিল। তাই ৰঙতে দুয়ো হাত মেলি থিয় হ'ল। সোলোকোৱা কাপোৰ-কানিখিনি তাই সুন্দৰকৈ জাপি তাতে থলে। তাৰ পিছত তাই পিটাৰৰ কাষে কাষে ছাগলীবোৰৰ পিছে পিছে সিহঁতৰ দৰেই অনায়াসে ডেও দি দি পৰ্বত বগাবলৈ ধৰিলে।

ছোৱালীজনীয়ে পিছপিনে বৈ কি কৰিছে পিটাৰে মন কৰা নাছিল। কিন্তু তাই যেতিয়া নতুন সাজটো পিন্ধি তাৰ কাষলৈ দৌৰি আহিল তেতিয়া সি দাঁত মেলাই হাঁহিবলৈ ধৰিলে। পিছপিনে ঘূৰি চাই কাপোৰৰ দ'মটো যেতিয়া সি মাটিত পৰি থকা দেখিলে, তেতিয়া তাৰ হাঁহিটো ইকাণৰ পৰা সিকাণলৈ

বহল হৈ গ'ল। মুখেৰে সি কিন্তু একো নামাতিলে।

গাটো তেতিয়া পাতল আৰু মুকলিমূৰীয়া লগাত ছোৱালীজনীয়ে তাৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিলে। তাৰ ছাগলী কিমানজনী, সি এতিয়া কলৈ যাব, সেইখিনি গৈ পাই সি কি কৰিব ইত্যাদি বহুত ধৰণৰ কথা তাই জানিব খোজাত পিটাৰে সেইবোৰৰ উত্তৰ দিবলগীয়া হ'ল।

অৱশেষত ছাগলী জাকেৰে সৈতে সিহঁত পিটাৰৰ জুপুৰিটোৰ ওচৰ পাওঁতে সিহঁত মাহীয়েক ডেটেৰ চকুত পৰিল। সিহঁতক ডেটেই দেখা মাত্ৰকেই চিঞৰি উঠিল, "হাইডি, তই কি কৰিছ? তোৰ কি হৈছে? তোৰ ধুনীয়া ফ্ৰকটো, ঘৰত পিন্ধা ফ্ৰকটো আৰু ৰঙা স্কাৰ্ফখন ক'ত? পৰ্বত বগাবলৈ তোক কিনি দিয়া নতুন জোতাযোৰ আৰু গুঠি দিয়া নতুন মোজাযোৰ ক'ত? হায়, হায়, সেইবোৰ সোপাই নোহোৱা হ'ল। নোহোৱা হ'ল। হাইডি, সেইবোৰ কি কৰিলি? ক'ত থলি?"

ছোৱালীজনীয়ে শান্ত হৈ পৰ্বতৰ তললৈ আঙুলিয়াই কলে, "সৌৱা তাত।"

মাহীয়েকে ছোৱালীজনীয়ে দেঁওৱা ফালে চালে। হয়, তাতে কিবা পৰি আছিল আৰু তাৰ ওপৰত ৰঙা দাগ এটা যেন আছিল। সেয়াই নিশ্চয় ৰঙা স্কাৰ্ফখন।

"ঐ কাণ্ডজ্ঞানহীন ছোৱালী," অতি উত্তেজিত হৈ মাহীয়েকে কলে। "তোৰ মূৰত কি সোমাইছে? গোটেইবোৰ সোলোকালি কিয়? কি মতলব তোৰ?"

"সেইবোৰ মোৰ আৱশ্যক নাই," ছোৱালীজনীয়ে কলে। সেই কামটোৰ বাবে তাইক অকণো খেদ কৰা দেখা নগ'ল।

"কাণ্ডজ্ঞানহীন। নিৰ্বোধ। তই একো নজনা হলিনে?" মাহীয়েকে আক্ষেপ কৰি, ডাবি দি কৈ গ'ল। "সেইবোৰ আনিবলৈ যাওঁতে এতিয়া আধাঘণ্টা লাগিব। ঐ পিটাৰ, মোৰ হৈ তই লৰি গৈ সেইখিনি লৈ আহচোন। যা, লৰালৰি কৰ। ভৰিত শলখা মাৰি থোৱা মানুহৰ দৰে বৈ মোলৈ ভেবা লাগি চাই থাকিব নালাগে, লৰালৰি কৰ।"

মাহীয়েকৰ খঙৰ তিৰস্কাৰ শুনি পিটাৰে লাহে লাহে কলে, "মোৰ পলমেই হৈছে।" কিন্তু সি পেণ্টৰ জেপত হাত ভৰাই একেঠাইতে থিয় হৈ ৰ'ল।

"তাতে ভেবা লাগি বৈ থাকিলে তোৰ ক'ত যোৱা হ'ব?" ডেটেই কলে। "ঐ এইপিনে আহ। তোক ভাল বস্তু এটা লাগিবনে? এইটো দেখিছ?"

তাই চকচকাই থকা ঘূৰণীয়া পেনি এটা তাক দেখুৱালে। সি তৎক্ষণাত ঘূৰিল আৰু আটাইতকৈ চমু বাটটোৰে দীঘল দীঘল জাঁপ মাৰি তললৈ কোবেৰে নামি গৈ সোনকালেই কাপোৰৰ সৰু দ'মটো পালে। সি

কাপোৰখিনি লৈ ইমান বেগাই ঘূৰি আহিল যে মাহীয়েকে তাক ধন্য, ধন্য নুবুলি নোৱাৰিলে। তাই তাক লগে লগে পেনিটোও দি দিলে। পিটাৰে সেইটো তাৰ জেপৰ ভিতৰত একেবাৰে তলিত থলে। এনে সম্পদ তাৰ হাতত সততে নপৰিছিল কাৰণে এটা বহল দাঁত-ছেলোৱা হাঁহিত তাৰ মুখখন উজলি উঠিল।

"তই আল্মমামাৰ তালৈ যাবি যেতিয়া বস্তুখিনি তয়ে তালৈ লৈ যা," ডেটেই কলে। পিটাৰহঁতৰ জুপুৰিটোৰ পিছৰ পৰা পৰ্বতখন বেছি গৰা। ডেটে আৰু হাইডিয়ে ওপৰলৈ উঠিবলৈ ধৰিলে। পিটাৰে আনন্দমনে তাক দিয়া দায়িত্বতো ললে। সি বাওঁহাতেৰে টোপোলাটো লৈ সোঁহাতেৰে টোকোনডাল ঘূৰাই ঘূৰাই ডেটেৰ পাছ ললে। হাইডি আৰু ছাগলীবোৰে ফূৰ্ত্তিত পিটাৰৰ কাষে কাষে ডেও দি জপিয়াই যাবলৈ ধৰিলে। এনেকৈ পৌনে ঘণ্টামান গৈ ওলমি থকা যেন লগা এটা শিলাখণ্ডৰ ওপৰত থকা বুঢ়াজনৰ পঁজাটো পালেগৈ। কেউপিনৰ পৰা অহা বতাহে পঁজাটোক পাইছিল আৰু দিনৰ দিনটো সেইটোত ৰ'দ পৰিছিল। সেইটোৰ পৰা দূৰৰ নামনিৰ উপত্যকাখনৰ বিস্তীৰ্ণ দৃশ্যও দেখা গৈছিল। পঁজাটোৰ পাছফালে কাটি-ছাটি নেপেলোৱা ডালেৰে তিনিডাল প্ৰকাণ্ড, অতি ওখ, আওপুৰণি ফাৰগছ আছিল। সেইকেইডালৰ পিছেদি ধূসৰ শিলাময় পৰ্বতখন আৰু ওপৰলৈ উঠি গৈছিল। সেইখনৰ অ'ত ধুনীয়া সাৰুৱা ঘাঁহনি আৰু ত'ত ডাঙৰ ডাঙৰ পাথৰ আৰু চাপৰ জোপোহা গছৰ খেলিমেলি থুপ আছিল। এই সকলোবোৰৰে ওপৰত থিয় গৰাৰ টকলা শিলাখণ্ডবোৰ দেখা গৈছিল।

পঁজাটোৰ বাহিৰত তলৰ উপত্যকাখন দেখাৰ ফালে মামাই বহাৰ সুবিধা কৰি লৈছিল। তেওঁ তেতিয়া মুখত পাইপ লৈ, আঁঠুত হাত থৈ পৰ্বত বগাই আহিব ধৰা ল'ৰা-ছোৱালীহাল, ছাগলীজাক আৰু ডেটে মাহীয়েকলৈ চাই আছিল। ডেটে মাহীয়েক ক্ৰমশঃ পিছ পৰিছিল। হাইডিয়েই প্ৰথমতে পঁজাটো পালেগৈ। তাই পোনে পোনে বুঢ়াজনৰ কাষলৈ গ'ল আৰু তেওঁলৈ হাতখন আগবঢ়াই দি সম্ভাষণ জনালে, "শুভ ৰাতিপুৱা, ককা।"

ছোৱালীজনীৰ হাতখন চোওঁ নুচোওঁকৈ চুই বুঢ়াজনে তেওঁৰ ঘন চেলাউৰিবোৰৰ তলৰ পৰা ছোৱালীজনীলৈ তীক্ষ্ণ দৃষ্টিৰে কিছুপৰ চালে আৰু কলে, "বাৰু, বাৰু এইবোৰৰ মানে কি?"

হাইডিয়েও চকুৰ টিপ নমৰাকৈ থিৰ হৈ বুঢ়াজনলৈ চাই ৰ'ল। কাৰণ ককাকৰ দৰে মানুহ তাই তেতিয়ালৈ দেখা নাছিল। তেওঁৰ দাড়ি কোছা দীঘল আছিল আৰু তেওঁৰ ঘন, ধূসৰ চেলাউৰিবোৰ কপালৰ মাজত লগ লাগি জট লগা যেন হৈছিল। ইতিমধ্যে পিটাৰৰ লগত ডেটেও আহি সেইখিনি পালে।

কিনো হয় তাকে চাবলৈ পিটাবে লবাচৰ নকৰাকৈ থিয় হৈ ৰ'ল।

"শুভ ৰাতিপুৱা, মামা," তেওঁৰ ওচৰলৈ গৈ ডেটেই সম্ভাষণ জনালে। "টোবিয়াচ্ আৰু আডেলহাইডৰ জীয়েকজনীক আপোনাক গতাবলৈ আনিছোঁ। তাইৰ এবছৰ হোৱাৰ পৰা আপুনি তাইক দেখা নাই কাৰণে আপুনি তাইক চিনি নাপাব কিজানি।"

"ছোৱালীজনীয়ে ইয়াত মোৰ লগত থাকি কি কৰিব?" হুটা মাতেৰে তেওঁ সুধিলে। "আৰু হেৰৌ," তেওঁ পিটাৰক মাত দিলে। "ছাগলী লৈ তই ওচি যা। তোৰ পলম হৈছেই। মোৰ দুজনীও নে।"

সি অবাঞ্চনীয় বুলি মামাকে খাটাংকৈ বুজাই দিয়াত তেওঁৰ আদেশ মানি পিটাৰ ততালিকে গুচি গ'ল।

"তাই আপোনাৰ লগত থাকিবই লাগিব মামা," তেওঁৰ প্ৰশ্নৰ উত্তৰত ডেটেই কলে। "যোৱা চাৰিবছৰে তাইৰ প্ৰতি মোৰ কৰ্ত্তব্য মই পালন কৰিলোঁ। এতিয়া তাইৰ বাবে আপুনি যি পাৰে কৰাটো আপোনাৰ পাল।"

"হয়নে?" বুঢ়াজনে কলে আৰু খঙত ভমককৈ জ্বলি উঠা যেন চকুৰে তেওঁ ডেটেলৈ চালে। "এনে সৰু অবুজনবোৰে কৰাৰ দৰে তোলৈ মনত পৰাই এয়ো আমনি কৰিবলৈ আৰু পেন্‌পেনাবলৈ আৰম্ভ কৰিলে মই এইক লৈ কি কৰিম?"

"সেইটো আপোনাৰ কথা," ডেটেই প্ৰত্যুত্তৰ দিলে। "এইৰ এবছৰ হওঁতে এইক মোৰ হাতত গতাওঁতে মই কি কৰিব লাগিব মোক কোনোৱে কৈ দিয়া নাছিল। তাতে তেতিয়া মই মোৰ আৰু মাৰ বাবে যথেষ্ট খাটিবলগীয়া হৈছিল। এতিয়া মই নিজৰ বিষয়ে চিন্তিবৰ হ'ল। আপুনিয়েই এইৰ আটাইতকৈ ওচৰ-সম্বন্ধীয়া। আপুনি এইক ৰাখিব নোৱাৰিলে আপোনাৰ যি মন যায় কৰিব। কিন্তু এইৰ কিবা অনিষ্ট হলে আপুনি নিশ্চয় জগৰীয়া হব। আপোনাৰ অপৰাধৰ তালিকাত আৰু নতুন এটা যোগ কৰিবলৈ আপুনি নিশ্চয় নিবিচাৰিব।"

অকমানি ভাগিনীয়েকজনীক তাত থবলৈ ওলাই ডেটেৰ বিবেক দংশন হৈ আছিল কাৰণে উত্তেজনাত নকবলগীয়া কথাবোৰ তাইৰ মুখেৰে ওলাই আহিল। তাইৰ শেহৰ কথাখিনি শুনি মোমায়েক থিয় হ'ল আৰু তাইলৈ এনেকৈ চালে যে ভয়ত ডেটে কেইবা খোজো পিছুৱাই গ'ল। তাৰ পিছত তেওঁ হাতখন দীঘলকৈ মেলি কৰ্কতাৰে কলে, "য'ৰ পৰা আহিছিলি তালৈ গুচি যা। সোনকালে ইয়াত আৰু দেখা নিদিবিহি।"

কথাষাৰ ডেটেক দুবাৰ কবলগীয়া নহ'ল।

"বিদায় ডেভে। হাইডি, আহিলোঁ," বুলি খৰকৈ কৈয়েই তাই বিমান পাৰে

সিমান বেগাই ডৰ্ফলিলৈ নামিবলৈ ধৰিলে, গভীৰ উত্তেজনাই শক্তিশালী ইঞ্জিনৰ দৰে তাইক যেন পিছৰ পৰা আগলৈ ঠেলিবলৈ ধৰিলে। ডৰ্ফলিৰ সকলোৱে ডেটেক ভালকৈ চিনি পাইছিল আৰু হাইডি কাৰ জীয়েক আৰু হাইডিৰ সংশ্লিষ্ট ঘটনাবোৰৰ কথাও ভালকৈ জানিছিল। সেইকাৰণে তাই ডৰ্ফলি পাওঁতে বহুতেই তাইক হাইডিৰ কথা সুধিবলৈ ধৰিলে। প্ৰতিটো ঘৰৰ দুৱাৰ আৰু খিড়িকিবোৰৰ পৰা তাইক যেতিয়া সুধিলে, "ছোৱালীজনী ক'ত?" "ডেটে, তাইক ক'ত থৈ আহিলি?" তেতিয়া তাই ক্ৰমবৰ্দ্ধমান বিৰক্তিৰে উত্তৰ দিবলৈ ধৰিলে, "ওপৰত," "আল্মমামাৰ তাত," "ওপৰৰ আল্মমামাৰ তাত, শুনিছনে?"

গোটেইবিলাক তিৰোতাই তেতিয়া আবেগত কবলৈ ধৰিলে, "তইনো তেনে কৰিব লাগেনে?" "দেহিঐ!", "বেচেৰী!" আৰু "নিঃসহায় অকমানিজনীক আল্মত থৈ আহিব পাৰনে?" আকৌ বাৰে বাৰে "দেহিঐ!" —তেতিয়া ডেটেৰ তিতা-কেহা লাগিল।

সেয়ে তাই যিমান পাৰে সিমান বেগাই লৰি গ'ল আৰু মানুহবোৰৰ মাত নুশুনা হ'লতহে তাইৰ ভাল লাগিল। মাকে মৰিবৰ সময়ত কেঁচুৱাটিক তাইকে গতাই যোৱাৰ কাৰণে তাই 'এতিয়া মোৰ আয় যথেষ্ট হব কাৰণে সোনকালেই হাইডিৰ কিবা এটা ব্যৱস্থা কৰিব পাৰিম' বুলি নিজকে কৈ ডেটেই নিজৰ মনৰ আশঙ্কাবোৰ দমাবলৈ চেষ্টা কৰিলে। তাই সোনকালেই ভাল কাম এটা পাব আৰু হাইডিৰ বিষয়ে তাইক ইটো-সিটো কব পৰা মানুহবোৰৰ পৰা বহুত নিলগত থাকিবলৈ পাব কাৰণে তাইৰ বৰ ভাল লাগিল। ■

দ্বিতীয় অধ্যায়
ককাৰ পঁজাত

ডেটে অদৃশ্য হোৱাৰ পিছত ককা বেৰুখনত আকৌ বহি ডাঙৰ চপৰা-চপৰ মেঘ যেন ধোঁৱা উলিয়াই পাইপটো হুপিবলৈ ধৰিলে আৰু মুখেৰে একো নমতাকৈ তলমূৰা হৈ মাটিলৈ একেথৰে চাই ৰ'ল। হাইডিয়ে ইতিমধ্যে তাইৰ চাৰিওফালে চাই সন্তুষ্ট হৈ ৰ'ল। পঁজাটোৰ কাষৰ ছাগলীৰ চালিঘৰটো তাই আবিষ্কাৰ কৰিলে আৰু ভুমুকি মাৰি ভিতৰখন চালে। সেইটো খালী আছিল।

ইটো-সিটো চাই চাই ছোৱালীজনী ফাৰকেইডালৰ কাষ পালেগৈ। বতাহ কোবেৰে বলি ওখ গছকেইডালৰ ওপৰৰ অংশৰ ডাল-পাতৰ মাজেৰে সো-সোৱাই আৰু হো-হোৱাই আছিল। হাইডিয়ে লৰচৰ নকৰাকৈ থিয় দি সেই শব্দবোৰ কাণ পাতি শুনিবলৈ ধৰিলে। বতাহ অলপ কমিলত তাই পঁজাটোৰ আনটো ফালেদি ঘূৰি গৈ ককাকৰ কাষ পালেগৈ। তাই ককাকক আগৰ ঠাইতে বহি থকা পালে। তাই তেতিয়া হাতদুখন পিছফালে মুঠি মাৰি তেওঁৰ সমুখত থিয় হৈ ৰ লাগি ককাকক চাবলৈ ধৰিলে।

ছোৱালীজনীয়ে লৰচৰ নকৰাকৈ সমুখত থিয় হৈ তেওঁলৈ চাই থকা দেখি ককাকে সুধিলে, "তুমি কি কৰিব খোজা?"

"তোমাৰ পঁজাত কি আছে চাবলৈ মন গৈছে," হাইডিয়ে কলে।

"ব'লা তেন্তে," ককাকে কলে আৰু উঠি পঁজাটোলৈ খোজ ললে। পঁজাটোত সোমোৱাৰ আগতে ককাকে ক'লে, "তোমাৰ সাজ-পাৰৰ টোপোলাটো আনা।"

"মোক সেইবোৰ আৰু নালাগে," তাই উত্তৰ দিলে।

বুঢ়াজনে ঘূৰি চাইলৈ তীক্ষ্ণ দৃষ্টিৰে চালে। পঁজাৰ ভিতৰৰ বস্তুবোৰ দেখাৰ প্ৰত্যাশাত তাইৰ ক'লা চকুযোৰ উজলি উঠা তেওঁ দেখিলে।

"এইৰ মূৰত কিউ আছে দেখিছোঁ," তেওঁ নিজকে কলে আৰু মুখ ঘূৰাই সুধিলে, "সেইবোৰ তোমাক আৰু কিয় নালাগে?"

"সেইবোৰ পিন্ধাতকৈ মই বৰং বেগী আৰু লাহী ঠেঙৰ ছাগলীবোৰৰ দৰেহে থাকিম।"

"তেনেকৈ থাকিবা বাৰু, কিন্তু বস্তুখিনি আনা," ককাকে আদেশ দিলে। "সেইবোৰ আলমাৰিটোত থৈ দিব পাৰি।"

হাইডিয়ে আদেশ পালন কৰিলে। বুঢ়াজনে দুৱাৰখন মেলিলে আৰু তেওঁৰ পিছে পিছে হাইডি আহল-বহল কোঠা এটাত সোমাল। সেই কোঠাটো গোটেই পঁজাটো জুৰি আছিল। তাত এখন টেবুল আৰু এখন চকী আছিল; চুক এটাত ককাকৰ বিছনাখন আছিল; আন চুক এটাত জুহালখন আছিল আৰু তাৰ ওপৰত ডাঙৰ কেটলি এটা ওলোমাই থোৱা আছিল। আনটোফালে বেৰত এখন ডাঙৰ দুৱাৰ আছিল। ককাকে গৈ সেইখন খুলিলে। সেয়াই তেওঁৰ আলমাৰিটো। তাত তেওঁৰ কোট-পেণ্ট ওলোমাই থোৱা আছিল; এটা থাকত চোলা, মোজা আৰু অন্যান্য কাপোৰ-কানি জাপি থোৱা আছিল; আন এটা থাকত গিলাচ, পিয়লা, থাল আদি আছিল; আৰু একেবাৰে ওপৰৰ থাকটোত ৰুটি, ধোঁৱাত সেকা মাংস আৰু পনীৰ থোৱা আছিল। সেইখিনিয়েই তেওঁৰ সা-সম্পত্তি; সেইখিনিয়েই তেওঁক লগা বস্তু। তেওঁ সেইটোৰ দুৱাৰখন খোলোঁতেই হাইডিয়ে টোপোলাটো লৈ তালৈ দৌৰি গ'ল আৰু সেইটো ককাকৰ কাপোৰৰ পিছফালে যিমান ভিতৰলৈ পাৰি ঠেলি ভৰালে যাতে সেইটো বিচাৰি পোৱা টান হয়। তাৰ পিছত তাই কোঠাটো মন দি চাই সুধিলে, "ককা, মই ক'ত শুম?"

"য'তে তোমাৰ মন যায়," তেওঁ উত্তৰ দিলে।

কথাষাৰ তাইৰ মনত লাগিল। তাই বিছনাখন পতাৰ ভাল ঠাই বিচাৰি প্ৰতিটো চুক-কোণ ভালকৈ চাবলৈ ধৰিলে। ককাকৰ বিছনাৰ কাষৰ চুকটোত সৰু জখলা এডাল আছিল। সেইডাল ওপৰৰ খেৰ থোৱা চাঙলৈ উঠিবলৈ আছিল। হাইডি জখলাডালেৰে ওপৰলৈ উঠি গ'ল। তাত নতুন সুগন্ধি খেৰৰ দ'ম এটা আছিল আৰু তাৰ পৰা এখন ঘূৰণীয়া খিড়িকিৰে নামনিৰ উপত্যকাখনৰ বহুত দূৰলৈ দেখা পোৱা গৈছিল।

"মই ইয়াতেই শুম," তাই তলত থকা ককাকক কলে, "কি সুন্দৰ! ককা, ওপৰৰ এইখিনি যে কিমান মনোৰম চোৱাহিচোন!"

"মই জানোঁ," তলৰ পৰা উত্তৰটো আহিল।

"মই বিছনাখন পাতি লওঁ," ছোৱালীজনীয়ে কলে আৰু চাঙখনৰ ইফালে-সিফালে লৰা-ঢপৰা কৰি বিছনা পতাত ব্যস্ত হৈ পৰিল। "তুমি কাপোৰ এখন লৈ উঠি আহিবানে?" তাই ককাকক কলে। "মই শুবলৈ হলে বিছনাৰ কাপোৰ এখন পাৰি লব লাগিব।"

"বাৰু, বাৰু," তলৰ পৰা ককাকে উত্তৰ দিলে। তেওঁ আলমাৰিটোলৈ গৈ কিবা বিচাৰিব ধৰিলে আৰু তেওঁৰ জাপি থোৱা চোলাৰ তলৰ পৰা দীঘল, খহটা কাপোৰ এখন টানি উলিয়ালে। সেইখনকেই বিছনা চাদৰ কৰিব লাগিব। সেইখন লৈ ওপৰলৈ গৈ তেওঁ দেখিলে যে ইতিমধ্যে এখন সৰু, পৰিপাটি

খেৰৰ বিছনা পতা হৈ গৈছে; সেইখনৰ এমূৰত গাৰু যেন কৰিবলৈ খেৰ অলপ বেছিকৈ থোৱা আছে; আৰু শুই শুৱেই মূৰণীয়া খিড়িকিখনেৰে পোনে পোনে বাহিৰলৈ দেখাকৈ বিছনাখন পতা হৈছে।

"বৰ সুন্দৰকৈ বিছনাখন পাতিছা," ককাকে ক'লে। "ইয়াৰ পিছত কাপোৰখন; কিন্তু খন্তেক ৰোৱাচোন।" এই বুলি তেওঁ ডাঙৰ এবোজা খেৰ লৈ বিছনাখন ডবল ডাঠ কৰি পেলালে যাতে চাঙৰ টান মজিয়াখন তাইৰ গাত নালাগে। "হ'ল। এতিয়া এইখন পাৰা।"

হাইডিয়ে তৎক্ষণাত সেইখন ধৰিলে, কিন্তু সেইখন বৰ গধুৰ আছিল বাবে তাই ডাঙিব নোৱাৰিলে। কিন্তু তেনে হোৱাই ভালেই হ'ল; খেৰৰ জোঙা আগবোৰ এই মজবুত কাপোৰখনৰ মাজেৰে সৰকি আহিব নোৱাৰে। দুয়ো ধৰাধৰিকৈ সেইখন খেৰৰ ওপৰত পাৰিলে। য'তে সেইখন বিছনাখনতকৈ বেছি দীঘল বা বেছি বহল আছিল, সেই অংশবোৰ হাইডিয়ে ভতালিকৈ খেৰৰ তলত খুচি দিলে। বিছনাখন তেতিয়া দেখিবলৈ বেছি নিকা, বেছি পৰিপাটি হ'ল। কিন্তু সেইখনলৈ চাই হাইডিয়ে কিবা ভাবি থিয় হৈ ৰ'ল।

"ককা, আমি কথা এটা পাহৰিছোঁ," তাই ক'লে।

"কিনো?" ককাকে সুধিলে।

"গাতলোৱাখন; বিছনাচাদৰ আৰু গাতলোৱাখনৰ মাজত সোমাইহে শুব লাগে।"

"হয়নে? কিন্তু মোৰ নাই যদি?" ককাকে সুধিলে।

"নাথাকিলে কোনো কথা নাই," হাইডিয়ে প্ৰবোধ দিয়াদি ক'লে। "সেইখনৰ সলনি আমি আৰু খেৰ ললেই হব।" এইবুলি তাই খেৰৰ দ'মটোলৈ লৰ মাৰিব খোজোতেই ককাকে বাধা দিলে।

"অলপ ৰোৱাচোন," তেওঁ ক'লে আৰু জখলাৰে নামি নিজৰ বিছনাখনলৈ গ'ল। তাৰ পিছত তেওঁ চাঙলৈ ঘূৰি গৈ কাপোৰৰ ডাঙৰ, গধুৰ বস্তা এটা চাঙখনত থ'লে।

"খেৰতকৈ এইখন বেছি ভাল নহ'বনে?" তেওঁ সুধিলে।

হাইডিয়ে তাইৰ গোটেই বল দি বস্তাটোৰ জাপ খুলিবলৈ চেষ্টা কৰিলে কিন্তু তাইৰ সৰু দুহাতেৰে সেইটো লৰাব নোৱাৰিলে। তেতিয়া ককাকে ধৰি দিলে আৰু সেইটো বিছনাখনত পৰা হ'ল। তেতিয়া বিছনাখন দেখাত আগতকৈও বেছি পৰিপাটি আৰু আৰামদায়ক হ'ল। তাইৰ শোৱা ঠাই চোৱাবলৈ চাই প্ৰশংসামুখৰ হৈ তাই ক'লে, "এই গাতলোৱাখন আটকধুনীয়া আৰু গোটেই বিছনাখনেই মনোৰম। আঃ, এইখনত শুব পৰাকৈ এতিয়াই ৰাতি হোৱাহেতেন।"

"মোৰ মতে আমি প্ৰথমতে কিবা খাই লোৱাহে ভাল হ'ব," ককাকে ক'লে।

বিছনাখনত ব্যগ্ৰ হৈ লাগি থাকোতে হাইডিয়ে আন সকলো কথা পাহৰি গৈছিল। কিন্তু খোৱাৰ কথা ওলালত তাই প্ৰচণ্ড ভোক অনুভৱ কৰিলে। সেইদিনা পুৱা ফিকা চাহ একাপ আৰু ৰুটি এচকলৰ বাহিৰে আন একো তাইৰ মুখত পৰা নাছিল। তেনেকৈয়ে দীঘলীয়া ভ্ৰমণ কৰি আহি তাই আল্ম পাইছিল। সেয়ে হাইডিয়ে আন্তৰিকতাৰে মান্তি হৈ ক'লে, "অঁ, ময়ো তাকে ভাবোঁ।"

"দুয়ো একেমত যেতিয়া তললৈ যাওঁ ব'লা," ককাকে ক'লে আৰু ছোৱালীজনীৰ পাছে পাছে খোজ ল'লে। তেওঁ জুহালৰ কাষলৈ গৈ ডাঙৰ কেটলিটো আঁতৰাই থ'লে; শিকলিডালত ওলমি থকা সৰু কেটলিটো আগুৱাই আনিলে; আৰু কাঠৰ তিনিঠেঙীয়া ঘূৰণীয়া টুলখনত বহি দপ্‌দপীয়া জুই একুৰা ধৰিলে। প্ৰায় লগে লগেই কেটলিটোৰ বস্তুখিনি উতলিবলৈ ধৰিলে। ককাকে লোৰ দীঘলীয়া কেৰেপা এডালত ডাঙৰ পনীৰ এডোখৰ লৈ জুইৰ ওপৰত ধৰিলে আৰু সেইটুকুৰা লুটিয়াই লুটিয়াই সেকি সেকি সোণবৰণীয়া কৰি পেলালে। হাইডিয়ে আগ্ৰহেৰে এইবোৰ চাই থাকিল। হঠাতে তাইৰ মনত নতুন চিন্তা এটা খেলাল। তাই জাঁপ মাৰি উঠি আলমাৰিটোলৈ দৌৰি গ'ল আৰু সেইটো আৰু টেবুলৰ মাজত অহা-যোৱা কৰিবলৈ ধৰিলে। ককাকে সেকা পনীৰ টুকুৰা লৈ আহোঁতে হাইডিৰ টেবুলখন সজোৱা হৈ গৈছিল। আলমাৰিটোত কি কি আছে হাইডিয়ে আগতেই মন কৰিছিল আৰু খাওঁতে কি কি লাগে তাকো জানিছিল। সেয়ে তাই ৰুটিখন, থাল দুখন, চুৰি দুখন আনি টেবুলত সজাই থৈছিল। ককাকে পনীৰ ডোখৰ ৰুটিৰ ওপৰত আৰু ভাপ ওলাই থকা কেটলিটো টেবুলত থৈ ক'লে, "মই নকওঁতেই তুমি কামৰ চিন্তা কৰাটো বঢ়িয়া কথা। আমাক কিন্তু আৰু কিবা লাগিব।"

হাইডিয়ে কেটলিটোৰ পৰা লোভ লগাকৈ ওলাই থকা ভাপবোৰলৈ চালে আৰু তৎক্ষণাত আলমাৰিটোলৈ লৰি গ'ল। তাত বাটি মাত্ৰ এটাহে আছিল। হাইডি কিন্তু বিবুধি নহ'ল। সেইটোৰ পিছফালে দুটা গিলাচো আছিল। তাই লগে লগেই গিলাচ দুটা আৰু বাটিটো আনি টেবুলত থ'লে।

"বঢ়িয়া। তুমি নিজৰ বুদ্ধি খটুৱাব জানা। পিছে তুমি বহিবা ক'ত?"

পঁজাটোত চকী এখন মাত্ৰ আছিল আৰু ককাক তাত বহি আছিল। হাইডিয়ে কাঁড়ৰ দৰে বেগেৰে জুহালৰ কাষলৈ গৈ তিনিঠেঙীয়া টুলখন আনি তাতে বহিল।

"বহিলা ঠিকেই কিন্তু টুলখন যে বৰ চাপৰ।" ককাকে ক'লে। "মোৰ

চকীখনত বহিলেও টেবুলখন লগ পোৱাকৈ তুমি ওখ নোহোৱা কিন্তু তোমাৰ বাবে ব্যৱস্থা এটা কৰিব লাগিবই। ঠিক আছে।"

এইবুলি তেওঁ উঠি কেটলিৰ গাখীৰেৰে সৰু বাটিটো ভৰালে আৰু সেইটো চকীখনত থৈ সেইখন তিনিঠেঙীয়া টুলখনৰ কাষলৈ ঠেলি নিলে। সেইখনেই হাইডিৰ টেবুল হ'ল। ককাকে ডাঙৰ এচকল ৰুটি আৰু পনীৰ এডোখৰ চকীখনত থৈ কলে, "খাবলৈ আৰম্ভ কৰা।"

তেওঁ নিজে টেবুলখনৰ এচুকত বহি খাবলৈ আৰম্ভ কৰিলে। হাইডিয়ে বাটিটো দুহাতেৰে ধৰি পিবলৈ আৰম্ভ কৰিলে আৰু এবাৰো নোৰোৱাকৈ পিয়েই থাকিল। তাইৰ দীঘলীয়া ভ্ৰমণকালৰ জমা লাগি থকা পিয়াহ এতিয়া একেলগে লগা যেন হ'ল। গাখীৰখিনি শেষ কৰি দীঘল উশাহ এটা লৈ তাই বাটিটো চকীখনত থলে।

"গাখীৰখিনি ভাল লাগিছেনে?" ককাকে সুধিলে।

"ইমান সোৱাদ গাখীৰ মই আগতে খাই পোৱা নাই", তাই উত্তৰ দিলে।

"তেন্তে আৰু অলপ খোৱা," বুলি কৈ ককাকে বাটিটো চপ্‌চপীয়াকৈ ভৰাই তাইৰ সমুখত থলে। মাখনৰ দৰে কোমল হৈ থকা সেকা পনীৰখিনি ৰুটিত লগাই হাইডিয়ে সন্তোষেৰে খাবলৈ আৰম্ভ কৰিলে। ৰুটি-পনীৰৰ লগত একো ঢোককৈ গাখীৰো খাই তাই বৰ সোৱাদ পালে।

খাই উঠি ককাক বাহিৰৰ ছাগলীৰ চালিঘৰটো থান-থিত লগাবলৈ গ'ল। হাইডিয়ে তেওঁৰ কাম-কাজ একান্তমনে চাবলৈ ধৰিলে। তেওঁ প্ৰথমতে চালিঘৰটো বাঢ়নী এটাৰেৰে সাবি পৰিষ্কাৰ কৰিলে আৰু ছাগলী দুজনী শুবলৈ নতুন খেৰ পাৰি দিলে। তাৰ পিছত তেওঁ কাঠমিস্ত্ৰিৰ কাম কৰা সৰু চালিঘৰটোলৈ গ'ল। তাত তেওঁ কিছুমান ঘূৰণীয়া লাঠি যেন কাঠ কাটিলে; তক্তা এখন জোখাৰে কাটি উলিয়ালে; সেইখনত কেইটামান ফুটা কৰিলে; আৰু সেই ফুটা কেইটাৰে কাটি থোৱা লাঠি কেইডাল ভৰাই দিওঁতেই হঠাতে সেইখন তেওঁৰ নিজৰখনৰ দৰে টুল হৈ পৰিল। মাত্ৰ এইখন তেওঁৰখনতকৈ বেছি ওখ হ'ল। তেওঁৰ কাম দেখি হাইডি বিস্ময়ত হতবাক হ'ল।

"হাইডি, এইয়া কিনো?"

"এইখন ইমান ওখ যেতিয়া এইখন মোৰ বাবে টুল। তুমি নিমিষতে এইখন সাজি উলিয়ালা ককা।" তেতিয়াও বিস্মিত হৈ থকা তাই কলে।

ককাকে নিজকে কলে, "এই দেখিলেই গম পায়। এইৰ চকুযোৰে ঠিকেই কাম কৰে।" তাৰ পাছত তেওঁ পঁজাটোৰ চাৰিওপিনে গৈ য'ত-ত'ত গজাল মাৰিলে; দুৱাৰখনৰ কিবা অলপ মেৰামতি কৰিলে; আৰু হাতুৰি, গজাল, কাঠৰ টুকুৰা লৈ ইফালে-সিফালে গৈ য'ত যেনে মেৰামতি লাগে আৰু

পৰিষ্কাৰ-পৰিচ্ছন্ন কৰিব লাগে কৰিবলৈ ধৰিলে। হাইডিয়ে পাছে পাছে গৈ তেওঁৰ কাম-কাজ মনোযোগেৰে লক্ষ্য কৰিবলৈ ধৰিলে আৰু তেওঁৰ প্ৰতিটো কামতে তাই আগ্ৰহান্বিত হৈ পৰিল।

গধূলি হৈ আহিল। বতাহৰ কোব বাঢ়িবলৈ ধৰিলে আৰু শেহত প্ৰচণ্ড বতাহ এজাকে ফাৰকেইজোপাৰ মূৰৰ ঘন পাতৰ মাজেৰে সুহুৰিয়াবলৈ আৰু কেঁকাবলৈ ধৰিলে। সেই শব্দবোৰ হাইডিৰ কাণত আৰু অন্তৰত বৰ সুৱদী হৈ বাজিল। তেতিয়া তাই সেইকেইজোপাৰ তলত এনেকৈ ডেও দিবলৈ আৰু জঁপিয়াবলৈ ধৰিলে যেন বতাহৰ সেই সংগীতে তাইক তাইৰ জীৱনৰ সৰ্বোত্তম আনন্দ দিছে। ককাকে পঁজাটোৰ দুৱাৰমুখত থিয় হৈ তাইলৈ মন কৰি থাকিল।

তেনেতে এটা তীক্ষ্ণ সুহুৰি শুনা গ'ল। হাইডিয়ে নচা বন্ধ কৰিলে আৰু ককাক পঁজাটোৰ পৰা ওলাই আহিল। ওপৰৰ পৰা এজাক ছাগলীয়ে ডেও দি দি নামি আহিবলৈ ধৰা আৰু সিহঁতৰ মাজত পিটাৰক দেখা গ'ল। আনন্দৰ চিঞৰ এটা মাৰি হাইডি জাকটোৰ মাজলৈ দৌৰি গৈ তাইৰ পুৰাৰ বন্ধুবোৰক এটা এটাকৈ মাত লগাবলৈ ধৰিলে।

পঁজাটো পাই ছাগলীজাক লৰচৰ নকৰাকৈ ৰ'ল আৰু সিহঁতৰ মাজৰ পৰা দুজনী ধুনীয়া ছাগলী ওলাই আহিল। তাৰে এজনী বগী, আনজনী বাদামী। সিহঁত ককাৰ কাষলৈ গৈ তেওঁ মেলি ধৰা হাত দুখন চেলেকিবলৈ ধৰিলে কাৰণ সিহঁতক আদৰিবলৈ তেওঁ হাতদুখনত অলপ অলপ নিমখ লৈ আছিল। তেওঁ সদায় এনে কৰিছিল। বাকীবোৰ ছাগলী লৈ পিটাৰ গুছি গ'ল। হাইডিয়ে প্ৰথমতে এজনীক আৰু পিছত আনজনীক লাহে লাহেকৈ থপৰিয়াই মৰম কৰিবলৈ ধৰিলে। সিহঁতৰ গাৰ এফালে তেনে কৰা হ'লত আনটো ফালেও তেনে কৰিবলৈ তাই সিহঁতৰ কাষেৰে ঘূৰি ললে। সেই অকমানি জীৱ দুটাক পাই তাইৰ ৰঙৰ সীমা নোহোৱা হ'ল।

"ইহঁত আমাৰ নে ককা? দুয়োজনী আমাৰ নে? এতিয়া ইহঁত চালিঘৰটোলৈ যাবনে? ইহঁত আমাৰ লগত সদায় থাকিবনে?" ৰঙীয়াল হাইডিয়ে এটাৰ পাছত এটাকৈ প্ৰশ্ন কৰিবলৈ ধৰিলে।

ছাগলীদুজনীৰ নিমখ চেলেকা হ'লত ককাকে ক'লে, "তোমাৰ সৰু বাটিটো আৰু ৰুটিখন আনাগৈচোন।"

ককাকৰ কথামতে হাইডি পঁজাটোলৈ গৈ সাউৎকৰে উভতি আহিল। ককাকে ছাগলী এজনী দুহাই বাটিটো ভৰালে আৰু ৰুটি এডোখৰ কাটি ক'লে, "এতিয়া বাতিৰ সাজ খাই উঠি শুই থাকাগৈ। ডেটে মাহীয়েৰাই তোমালৈ বুলি যোৱা টোপোলাটোত তোমাৰ শোওঁতে পিন্ধা গাউনটো আৰু আন সাজপাৰ আছে। লাগে যদি লবা। টোপোলাটো আলমাৰিটোৰ তলৰ

থাকত আছে। মই এতিয়া ছাগলীহালক অলপ চোৱাচিতা কৰোগৈ। তোমাৰ ভাল টোপনি আহক।"

"শুভ ৰাত্ৰি, ককা; শুভ— ইহঁতৰ নাম কি কি ককা? নাম দুটা কি?" হাইডিয়ে বুঢ়াজন আৰু ছাগলীদুজনীৰ পিছে পিছে লৰি গৈ সুধিলে। ইতিমধ্যে সিহঁত চালিঘৰটোত সোমাই নেদেখা হৈছিল।

ককাকে তাৰ পৰাই কলে, "বগীজনীৰ নাম স্নেল্লি আৰু বাদামীজনীৰ বেব্লি।"

"শুভ ৰাত্ৰি, স্নেল্লি; শুভ ৰাত্ৰি, বেব্লি," হাইডিয়ে ডাঙৰ মাতেৰে কলে। তাৰ পিছত তাই বেঞ্চখনত বহি কটিডোখৰ আৰু গাখীৰ খাবলৈ ললে। তেনেতে প্ৰচণ্ড বেগেৰে বলা বতাহে তাইক বেঞ্চৰ পৰা উৰুৱাই নিয়ে নিয়ে যেন পাই তাই লৰালৰিকৈ খোৱা শেষ কৰি পঁজাটোত সোমাল আৰু জখলাৰে উঠি বিছনাত পৰিলগৈ। লগে লগেই তাইৰ টোপনি আহিল। তাইৰ টোপনি ইমান ভাল আৰু গাঢ় হ'ল যে তাই যেন কোনোবা ৰাজকুঁৱৰীৰ অত্যন্ত মনোৰম শয্যাতহে শুই আছে।

অলপ পাছতে, আনকি ভালকৈ আন্ধাৰ হোৱাৰ আগতে, ককাকো বিছনাত পৰিলগৈ। কাৰণ অহকালি নিচেই পুৱাই পৰ্বতবোৰৰ পিছেদি বেলি ওলাইছিল আৰু তেওঁ বেলিৰ লগে লগেই উঠিছিল।

সেই ৰাতি বতাহ ইমান কোবেৰে বলিছিল যে বতাহৰ চাপত গোটেই পঁজাটো কঁপিছিল আৰু কেঁচি-বাটামবোৰ কেৰকেৰাইছিল; গভীৰ দুৰ্গতিত আৰ্ত্তনাদ কৰা যেন শব্দেৰে বতাহ চিমনিৰে তললৈ নামিছিল; আৰু বাহিৰত ফাৰকেইজোপাৰ মাজেৰে বতাহ দুৰ্বাৰ গতিৰে বলি মাজে মাজে দুই-এডাল ডাল ভাঙি পেলাইছিল।

মাজৰাতি এবাৰ সাৰ পাই ককাই আধাফুটা মাতেৰে নিজকে কলে, "তাই ভয় খাব পাৰে।"

তেওঁ জখলাৰে উঠি হাইডিৰ বিছনাৰ কাষ পালেগৈ। বাহিৰত জোনবাই খন্তেক উজ্জ্বল হৈ জিলিকি উঠি উৰন্ত মেঘৰ আঁৰত লুকাল আৰু গোটেইখন আন্ধাৰ হৈ উঠিল। অলপ পাছতে উজ্জ্বল জোনাক খিড়িকিখনেৰে আকৌ সোমাই আহি পোনেপোনেই হাইডিৰ বিছনাত পৰিল। গধূৰ গাতলোৱাখনৰ তলত শুই থকা হাইডিৰ গালখন জুইৰ দৰে ৰঙা হৈ আছিল। সৰু, সুগোল হাত এখনত মূৰটো থৈ তাই নিশ্চিন্তমনে, পৰম শান্তিৰে লালকাল হৈ শুই আছিল। তেতিয়া তাই নিশ্চয় কিবা মজাৰ সপোন দেখিছিল কাৰণ তাইৰ মুখমণ্ডলত সুখানুভূতিৰ ভাৱ ফুটি ওলাইছিল। জোনবাই পুনৰায় মেঘৰ আঁৰত লুকাই গোটেইখন আন্ধাৰ কৰি নেপেলোৱালৈকে ককাকে বহুতপৰ মৰম লগাকৈ শুই থকা নাতিনীয়েকজনীলৈ চাই ৰ'ল। তাৰ পিছত তেওঁ নিজৰ বিছনালৈ উভতি আহিল।

তৃতীয় অধ্যায়

ঘাঁহনিত

পিছদিনা পুৱা এটা তীব্ৰ সুহুৰিৰ শব্দত হাইডিয়ে সাৰ পালে; তাই চকু মেলিলে। তেতিয়া ঘূৰণীয়া খিড়িকিখনেৰে সোমাই অহা ৰ'দ বিছনাখনত আৰু কাষৰ খেৰবোৰত পৰিছিল আৰু সেই সকলোবোৰ সোণৰ দৰে জিলিকিবলৈ ধৰিছিল। আচৰিত হৈ তাই ইফালে-সিফালে চালে, কিন্তু তাইনো ক'ত আছে ধৰিব নোৱাৰিলে।

তেনেতে বাহিৰত ককাকৰ গম্‌গমীয়া মাতটো শুনি তাই ক'ৰ পৰা আহিছিল আৰু এতিয়া ক'ত আছে তাইৰ মনত পৰিল। তাই এতিয়া বুঢ়ী উৰ্জেলৰ লগত নহয়, আল্মত ককাকৰ লগতহে আছে। বুঢ়ী উৰ্জেলৰ জাৰ বেছি লাগিছিল কাৰণে তাই পাক্‌ঘৰৰ জুহালৰ কাষত বা তাইৰ কোঠাটোৰ চুলাৰ কাষত বহি থাকিবলৈ ভাল পাইছিল। তাই কালৰী আছিল কাৰণে হাইডিৰ মাত নুশুনিছিল। কিন্তু বুঢ়ীয়ে তাইক চকুৰ আগত ৰাখিব খুজিছিল। সেই কাৰণে হাইডিয়ে দিনৰ দিনটো বুঢ়ীৰ কাষত বহি থাকিবলগীয়া হৈছিল। বাহিৰলৈ গৈ লৰি-ঢাপৰি থাকিব খোজা হাইডিয়ে তেনেকৈ বহি বহি তেনেই ভাগৰি পৰিছিল। সেয়ে তাইৰ নতুন ঘৰত সাৰ পাই তাই অতি উৎফুল্ল হৈ উঠিল। লগে লগে আগদিনাৰ আচহুৱা অভিজ্ঞতাবোৰৰ কথা আৰু আজি আকৌ পেটেন্লি আৰু বেৰ্লিকে ধৰি আকৌ কি কি দেখিব তাইৰ মনত পৰিল।

হাইডিয়ে ততালিকে জাঁপ মাৰি বিছনাৰ পৰা নামিল আৰু কেইমিনিটমানতেই সাজু হৈ আগদিনা পিন্ধা কাপোৰ-কানিখিনি, মানে অকল চেমিজটো পিন্ধি ললে। তাৰ পিছত তাই জখলাৰে নামি দৌৰি পঁজাটোৰ বাহিৰলৈ ওলাল। ছাগলীৰখীয়া পিটাৰে ছাগলীজাকৰে সৈতে ইতিমধ্যে তাত ৰৈ আছিল। আৰু ককাকে জাকটোৰ লগত পঠাই দিবলৈ বুলি পেটেন্লি আৰু বেৰ্লিক চালিঘৰটোৰ পৰা উলিয়াই আনিবলৈ ধৰিছিল। ককাকক আৰু ছাগলী দুজনীক পুৱাৰ সম্ভাষণ জনাবলৈ হাইডি ককাকৰ কাষলৈ লৰি গ'ল।

"হাইডি, তুমিও ঘাঁহনিলৈ যাবলৈ খোজানে?" ককাকে সুধিলে। কথাটো হাইডিৰ ভাল লাগিল আৰু তাই ৰঙতে জঁপিয়াই উঠিল।

"কিন্তু তুমি প্ৰথমতে ধুই-মেলি নিকা হৈ লোৱা। নহলে আকাশত জিলমিলাই থকা বেলিটোৱে তোমাক লেতেৰা দেখিলে উপলুঙা কৰি হাঁহিব। তোমালৈ বস্তুবোৰ যতনাই থোৱা আছে।"

এইবুলি ককাকে দুৱাৰখনৰ সমুখৰ ৰ'দত পানীৰে চপ্‌চপীয়া হৈ থকা ডাঙৰ গামলা এটালৈ আঙুলিয়ালে।

হাইডি সেইটোৰ ওচৰলৈ দৌৰি গৈ পানী থপ্‌থপাই আৰু ভালকৈ ঘঁহি-পিহি চিকুণ হৈ উঠিল। ইতিমধ্যে ককাকে পঁজাটোৰ ভিতৰলৈ গৈ পিটাৰক মাতিলে, "ছাগলী-সেনাপতি, তোৰ হেভাৰ্‌ছেকটো লৈ আহ।" পিটাৰ আচৰিত হ'ল কিন্তু হুকুম মানি তাৰ তাকৰীয়া জলপানখিনি ভৰাই অনা সৰু মোনাটো লৈ পঁজাটোত সোমাল।

"মোনাটো খোল," তেওঁ কলে আৰু সেইটোত এডোখৰ ডাঙৰ ৰুটি আৰু সিমানেই ডাঙৰ পনীৰ এডোখৰ ভৰালে। বিস্ময়ত পিটাৰৰ গোল চকুযোৰ মেল খাই গ'ল। কাৰণ সেই দুবিধৰ প্ৰতিবিধেই সি নিজলৈ অনা গোটেইখিনি বস্তুতকৈ ডেৰগুণ ডাঙৰ আছিল।

"পিটাৰ, এই সৰু বাটিটোও ল," আল্মমামাকে কলে। "ছোৱালীজনীয়ে তোৰ দৰে পোনে পোনে ওহাৰৰ পৰা গাখীৰ চুহি খাবলৈ নাজানে। এই তোৰ লগত যাব আৰু তই উভোতালৈকে তোৰ লগত থাকিব। দুপৰীয়া তই এইক দুবাটি গাখীৰ খীৰাই দিবি। তাই যাতে গৰাৰে পৰি নাযায় সেইটোও তই চাবি। শুনিছনে?"

তেনেতে হাইডি দৌৰি গৈ তাত ওলাল।

"বেলিটোৱে মোক এতিয়া উপলুঙা কৰিবলৈ পাৰিবনে ককা?" তাই সুধিলে। বেলিটোৱে হঁহাৰ ভয়ত গামলাটোৰ কাষত ককাকে থোৱা খহটা গামোছাখনেৰে ডিঙি, মুখ, হাত তাই ইমান জোৰেৰে ঘঁহিছিল যে তাই দেখিবলৈ ডাঙৰ মিছামাছ বিধৰ দৰে ৰঙা হৈ পৰিছিল। তাইৰ ককাকে মিচিকিয়ালে।

"ওহোঁ, বেলিয়ে এতিয়া আৰু তোমাক উপলুঙা কৰিব নোৱাৰে," তেওঁ মানি ললে।

"কিন্তু গধূলি উভতি আহি তুমি আকৌ মাছৰ দৰে গা ধুব লাগিব। কাৰণ দিনটো ছাগলীবোৰৰ লগত দৌৰি ফুৰোঁতে তোমাৰ ভৰি দুখনো লেতেৰা হব। বাৰু, এতিয়া যোঁৱা।"

বাংঢালী হৈ হাইডিয়ে ছাগলীজাকৰ সৈতে আল্মত উঠিবলৈ ললে। ৰাতিৰ বতাহজাকে শেহতীয়া মেঘখিনিও উৰুৱাই নিছিল; গাঢ় নীলা আকাশখনত জিলিকি থকা বেলিটোৰ উজ্জ্বল কিৰণ সেউজীয়া পৰ্বতবোৰত বিয়পি পৰিছিল;

ৰঙীয়াল নীলা আৰু হালধীয়া ফুলবোৰে সিহঁতৰ পিয়লাবোৰ মেলি ধৰিছিল; এঠাইত আলসুৰা প্ৰিমৰোজবোৰ যেন জাকপাতি আছিল; অলপ আঁতৰত জেণ্টিয়ানবোৰে ঠাইডোখৰ তেনেই নীলা কৰি পেলাইছিল; ইফালে-সিফালে কোমলপতীয়া পাহাৰী গোলাপবোৰে ৰ'দত হাঁহি হাঁহি মূৰ দুপিয়াই আছিল। ফুৰ্ত্তিত হাইডিয়ে ফুলবোৰ চাই ইফালে-সিফালে ডেও দি যাবলৈ আৰু কিৰিলিয়াবলৈ ধৰিলে। মূৰ দুপিয়াই থকা ফুলবোৰ দেখি বিমুগ্ধ হৈ পৰা হাইডিয়ে পিটাৰ আৰু ছাগলীবোৰৰ কথা একেবাৰে পাহৰি সিহঁতক পিছপেলাই দৌৰি আগবাঢ়ি গ'ল। ফুলবোৰে সকলোপিনৰ পৰা তাইক ফুচুলাবলৈ ধৰাৰ দৰে, বেলেগ বেলেগ ফালে দূৰে দূৰে থকা ৰঙা, নীলা, হালধীয়া ফুলবোৰৰ এবাৰ ইবিধৰ কাষলৈ, এবাৰ সিবিধৰ ওচৰলৈ, ইপিনে-সিপিনে, অ'লৈ-ত'লৈ তাই দৌৰা-দৌৰি কৰিবলৈ ধৰিলে। আৰু তাই যলৈকে গৈছিল তাৰে পৰাই ফুল তুলি তাইৰ এপ্ৰণখনৰ কোঁচত লৈছিল। তাই ভাবিছিল, ফুলবোৰ নি তাইৰ শোৱা-চাঙত থলে তাইৰ সেই শোৱনি কোঠাটোও এই ঠাইবোৰৰ দৰে অপৰূপ হৈ পৰিব।

সেয়ে হাইডিৰ ওপৰত চকু দিওঁতে পিটাৰে কেউফালে চাবলগীয়া হৈছিল। তাতে ছাগলীবোৰো উশৃংখল হৈ ইপিনে-সিপিনে দৌৰি ফুৰিছিল। পিটাৰৰ ঘূৰণীয়া চকুযোৰ দ্ৰুতগতিৰে ইপিনে-সিপিনে চোৱাত অভ্যস্ত নাছিল কাৰণে সেইযোৰে এতিয়া চঞ্চালিব পৰাতকৈ বেছি কাম কৰিবলগীয়া হ'ল। জাকৰ পৰা আঁতৰি যোৱাবোৰক ঘূৰাই আনিবলৈ সি অনবৰতে সুহুৰিয়াই, চিঞৰি আৰু টোকোন জোকাৰি থাকিবলগীয়া হ'ল।

"হাইডি, তই ক'ত?" পিটাৰে অলপ খঙেৰেই চিঞৰি সুধিলে।

"ইয়াত," নেদেখা কোনোবাখিনিৰ পৰা তাই উত্তৰ দিলে। তাই তেতিয়া সুগন্ধি বনবীয়া ফুলেৰে ঠাহ খাই থকা হাঁফলু এটাৰ আঁৰত বহি আছিল কাৰণে পিটাৰে তাইক দেখা নাছিল। সেই ফুলবোৰৰ গোন্ধত হাঁফলুটোৰ চাৰিওফাল আমোলমোলাই আছিল। হাইডিয়ে এনে মধুৰ গোন্ধ আগতে শুঙি পোৱা নাছিল। তাই ফুলবোৰৰ মাজত বহি দীঘল দীঘল উশাহেৰে সেই সুবাস লৈ আছিল।

"এইপিনে আহ," পিটাৰে তাইক মাতিলে। "আন্মমামাই কৈছে, চাই নাথাকিলে তই গৰাৰে বাগৰি পৰিব পাৰ।"

"গৰা ক'তনো আছে?" বহি বহিয়েই তাই সুধিলে কাৰণ প্ৰতিছাটি সুগন্ধী বতাহে তাইক ক্ৰমাৎ বেছিকৈ সম্মোহিত কৰিবলৈ ধৰিছিল।

"সৌ তাত, ওপৰত। সেইখিনি পাবলৈ এতিয়াও বহুত বাকী। তই এতিয়া আহ। একেবাৰে ওপৰত আকৌ প্ৰকাণ্ড উকহটো বহি কৰ্কশ মাতেৰে মাতি থাকে!"

পিটাৰৰ কথাষাৰে কাম দিলে। হাইডিয়ে তৎক্ষণাত জাঁপ মাৰি উঠি কোঁচৰ ফুলেৰে সৈতে লৰি আহি পিটাৰৰ কাষ পালেহি।

দুয়ো আকৌ একেলগে ওপৰলৈ উঠি থাকোঁতে পিটাৰে কলে, "যথেষ্ট ফুল তুলিলি। তই ইয়াত সদায় থাকিবি দেখোন। আজিয়েই গোটেইবোৰ তুলিলে কালিলৈ তোলে এটাও নৰবচোন।"

তাৰ শেহৰ কথাটোত হাইডি পতিয়ন গ'ল। তাতে ফুল ভৰি থকা তাইৰ কোঁচত নতুন ফুলো লবলৈ ঠায়ো প্ৰায় নাছিলেই। তদুপৰি, কালিলৈকো কিছু এৰিব লাগিবই। সেয়ে তাই পিটাৰৰ লগে লগে বাট বুলিবলৈ ললে। দূৰৰ ঘাঁহনিখনৰ সোৱাদ ঘাঁহ-পাতৰ গোন্ধ পাই ছাগলীবোৰেও ইফালে-সিফালে দৌৰা-দৌৰি কৰিবলৈ এৰি বেগাবেগীকৈ খোজ দিলে।

পিটাৰে সচৰাচৰ ছাগলী চৰাবলৈ নিয়া ঘাঁহনিখন ওখ আৰু থিয় পাহাৰ এখনৰ নামনিত আছিল। পাহাৰখনৰ তলৰ অংশ ফাৰগছ আৰু জোপোহাৰে ভৰা আছিল। সেই অংশৰ ওপৰৰ পৰা পাহাৰখন টকলা আৰু থিয় হৈ সৰগলৈ বুলি উধাইছিল। সেই পাহাৰখনৰ একাষে থিয় গৰা আছিল। ককাকে এই বিষয়ে পিটাৰক ঠিকেই সকীয়াই দিছিল।

ওপৰৰ ঘাঁহনিখন পাই পিটাৰে কান্ধৰ পৰা মোনাটো নমালে। তাত মাজে মাজে প্ৰবল বেগেৰে বতাহ একোছাটি বৈছিল আৰু তেনে বতাহত মোনাটোৰে সৈতে তাৰ অমূল্য জলপানখিনি পৰ্বতৰ তললৈ বাগৰি পৰাৰ আশঙ্কা আছিল। সেই কাৰণে সি মোনাটো বতাহে নোপোৱাকৈ সৰু গাঁত এটাত থলে। তাৰ পিছত সি পৰ্বত বগোৱা ভাগৰ পলাবলৈ ৰ'দ পৰা ঘাঁহত লাংখাই পৰিল।

ইতিমধ্যে হাইডিয়ে এপ্ৰনখন খুলি সেইখনেৰে ফুলবোৰ টানকৈ মেৰিয়াই পিটাৰৰ মোনাটোৰ কাষত থলে। তাৰ পিছত তাই পিটাৰৰ কাষত বহি চাৰিওফালে চাবলৈ ধৰিলে। তাৰ পৰা বহুত তলত ৰ'দ পৰি থকা উপত্যকাখন দেখা গৈছিল। তাইৰ সমুখৰ পাহাৰখন ৰবকৰ বিশাল পথাৰ যেন হৈ ওপৰলৈ গৈ গৈ নীলা আকাশৰ মাজত সোমাইছিল। তাইৰ বাওঁফালে এটা অতি প্ৰকাণ্ড শিলাখণ্ড আছিল। সেইটোৰ দুয়ো কাষেদি টকলা আৰু খাজকটা যেন পৰ্বতৰ থিয় হেলনিখন দুটা সুউচ্চ মিনাৰৰ দৰে আকাশৰ মাজলৈ উঠি গৈছিল আৰু তাইলৈ যেন কৰুণ চকুৰে চাই আছিল। নিগনিৰ দৰে একেবাৰে চুপ্‌চাপ্ হৈ তাই বহি থাকিল। তেতিয়া চৌদিশে গভীৰ, গাঢ় নিস্তব্ধতা বিৰাজ কৰিছিল; আলফুলীয়া ব্লুবেল আৰু উজ্জ্বল, সোণালী পাহাৰী গোলাপবোৰৰ ওপৰেৰে কোমল বতাহ একোছাটি বিৰ্‌বিৰ্‌কৈ বলি আছিল; নাহি ঠাবিৰ ফুলবোৰে সেই বতাহত হালিজালি মূৰ দুপিয়াই আছিল; ভাগৰুৱা পিটাৰৰ

টোপনি আহিছিল আৰু ছাগলীবোৰে জোপোহাবোৰৰ মাজে মাজে চৰি ফুৰিছিল।

বেলিৰ সোণালী ৰ'দ, বিশুদ্ধ বতাহ আৰু ফুলৰ মৃদু সুবাসত হাইডিৰ মন ভৰি গ'ল আৰু চিৰকাল তাতেই থাকিবলৈ তাইৰ অভিলাষ হ'ল। এনেকৈয়ে বহুত সময় পাৰ হ'ল। এই সময়খিনিত তাই পৰ্বতবোৰৰ সুউচ্চ টিংবোৰ চাওঁতে চাওঁতে সেইবোৰ চকু-মুখ থকা যেন আৰু সিহঁতে ঘনিষ্ঠ বন্ধুৰ দৰে তাইলৈ অন্তৰংগতাৰে চাই থকা যেন লগা হ'ল।

তেনেতে, তাই মূৰৰ ওপৰত চেঁচেয়া মাতৰ ডাঙৰ আৰু কৰ্কশ চিয়ঁৰ এটা শুনি ওপৰলৈ চাই এটা বিয়াগোম চৰাই দেখা পালে। সেইটোৱে তাৰ ডাঙৰ ডেউকাদুখন মেলি তাইৰ মূৰৰ ওপৰেৰে বৃত্তাকাৰে ঘূৰোঁতে বৃত্তটো ক্ৰমাগত ডাঙৰ কৰি নিছিল আৰু তাৰ ডাঙৰ চেঁচেয়া মাতেৰে মৰ্মভেদী চিয়ঁৰ মাৰি আছিল।

"পিটাৰ, পিটাৰ, উঠ," তাই তাক জগাবলৈ পাৰেমানে চিয়ঁৰি মাতিলে। "বিয়াগোম উকহটো দেখোন। উঠ, উঠ, চা, চা!"

তাক মতা শুনি পিটাৰ জাপ মাৰি উঠিল আৰু হাইডিৰ দৰে ওপৰলৈ চালে। চৰাইটোৱে তেতিয়া নীলা আকাশখনৰ ক্ৰমাৎ ওপৰলৈ গৈ গৈ শেষত ধূসৰ পৰ্বতবোৰৰ পিছফালেদি অদৃশ্য হৈ গ'ল।

"সেইটো কলৈ গ'ল?!" চৰাইটোলৈ মনপুতি চাই থকা হাইডিয়ে সুধিলে।

"তাৰ বাহলৈ," পিটাৰে উত্তৰ দিলে।

"তাৰ বাহটো তাতনে? ইমান ওপৰত থকা যে কি মজাৰ! পিছে সি ইমান চিয়ঁৰিছিল কিয়?" হাইডিয়ে আকৌ সুধিলে।

"নিচিয়ঁৰি নোৱাৰে কাৰণে," পিটাৰে ব্যাখ্যা কৰিলে।

"ওপৰলৈ গৈ তাৰ বাহটোনো ক'ত চাওঁগৈ ব'ল," হাইডিয়ে প্ৰস্তাৱ দিলে।

"ওহোঁ, ওহোঁ, ওহোঁ," পিটাৰে উচ্ছসিত আবেগেৰে কৈ উঠিল আৰু প্ৰতিটো শব্দত তাৰ আপত্তি প্ৰবলতৰ হ'ল। "তালৈ ছাগলীও উঠিব নোৱাৰে। তাতে পৰ্বতৰ খিয় গৰাৰে তই বাগৰি পৰিব নালাগিব বুলি আম্মামাই কৈছে।"

তেনেতে পিটাৰে সুহুৰিয়াই আৰু চিয়ঁৰি হৈ-চৈ লগালে কিন্তু কাণ্ডটোনো কি হাইডিয়ে ধৰিব নোৱাৰিলে। ছাগলীবোৰে কিন্তু সেই হুলস্থুলীয়া সঙ্কেত নিশ্চয়কৈ বুজি পালে কাৰণ সিহঁত এটা-দুটাকৈ নামি আহি আহি শেষত আকটোৱেই সেউজীয়া হেলনিখনত খিয় হ'লহি। কিছুমানে তাতে তেতিয়াও থকা সুগন্ধি ঠাৰিবোৰ কুটি খাবলৈ আৰম্ভ কৰিলে; কিছুমানে ইফালে-সিফালে

দৌৰা-দৌৰি কৰি থাকিল আৰু কিছুমানে শিঙে শিঙে মৰামৰি কৰি খেলিবলৈ ধৰিলে।

হাইডিয়ে জঁাপ মাৰি উঠি তালৈ গৈ ছাগলীবোৰৰ মাজেৰে দৌৰা-দৌৰি কৰিবলৈ ধৰিলে। সেই সৰু জীৱবোৰে জঁপিয়াই মেলি গোটেইজাকে একেলগে খেলাটো তাই এটা নতুন আৰু বৰ মজাৰ কথা যেন পালে। হাইডি জাকটোৰ গোটেইবোৰৰ লগত এটা-এটাকৈ চিনাকি হ'ল কাৰণ জাকটোৰ প্ৰত্যেকৰে স্বভাৱ-চৰিত্ৰৰ বৈশিষ্ট্য আৰু চাল-চলনৰ নিজস্ব ঢং আছিল।

ইতিমধ্যে পিটাৰে জলপান অনা মোনাটো উলিয়াই আনি ৰুটি আৰু পনীৰখিনি ঘাঁহৰ ওপৰত চাৰি-চুকীয়াকৈ সজালে। পিটাৰে তাৰ নিজৰ বস্তুখিনি চিনি পোৱা কাৰণে ৰুটি আৰু পনীৰৰ সৰু টুকুৰা দুটা তাৰ ফালে থৈ ডাঙৰ টুকুৰা দুটা হাইডিৰ ফালে থলে। সি মোনাৰ পৰা সৰু বাটিটো উলিয়াই সেইটোত শ্চেন্‌লিৰ গাখীৰ খীৰাই সেইটো ৰুটি-পনীৰৰ মাজত থলে। তাৰ পিছত সি হাইডিক মাতিলে। পিছে সি ছাগলীবোৰক মতাতকৈ হাইডিক বেছি সময় মাতিবলগীয়া হ'ল। কাৰণ নতুন সঙ্গীবোৰৰ লগত হাঁহি-মাতি খেলি তাই ইমান মছগুল হৈ পৰিছিল যে আন একো তাই দেখাও নাছিল, শুনাও নাছিল।

পিটাৰে কিন্তু তাৰ কথা শুনোৱাৰ কিটিপটো জানিছিল। সেয়ে সি এইবাৰ এনেকৈ চিঞঁৰি মাতিলে যে ওপৰৰ পৰ্বতবোৰত তাৰ মাতটোৰ প্ৰতিধ্বনি হবলৈ ধৰিলে। ফলত খন্তেকতে হাইডি আহি ওলাল। পিটাৰে সজোৱা টেবুলখন তাই ইমান মোহ-লগা পালে যে ফূৰ্ত্তিত তাই সেইখনৰ চাৰিওফালে নাচিবলৈ আৰম্ভ কৰিলে।

"জঁপিওৱা বন্ধ কৰ; এতিয়া খোৱাৰ সময়," পিটাৰে হুকুম দিলে। "বহ আৰু আৰম্ভ কৰ।"

হাইডি বহিল। "গাখীৰখিনি মোৰেই নে?" তাই সুধিলে। মাজত বাটিটোৰে সৈতে খোৱা বস্তুখিনি চাৰিচুকীয়াকৈ আৰু পৰিপাটিকৈ থোৱা দেখি তাইৰ ভাল লাগিল।

"অঁ। ৰুটি আৰু পনীৰৰ ডাঙৰ দুডোখৰো তোৰেই," পিটাৰে উত্তৰ দিলে। "এই গাখীৰখিনি শেষ হলে আৰু এবাটি চুবেনলিৰ গাখীৰ তোক দিম। তাৰ পিছত মোৰ পাল।"

"তোৰ গাখীৰ ক'ত পাবি?" হাইডিয়ে জানিব খুজিলে।

"মোৰজনীৰ পৰা, মানে, স্নেকেৰ পৰা। খাবলৈ ধৰ," পিটাৰে আকৌ এবাৰ হুকুম দিলে।

হাইডিয়ে গাখীৰ পিবলৈ আৰম্ভ কৰি একেবাৰতেই শেষ কৰিলে। তাই

শুদা বাটিটো থওঁতেই পিটাৰ উঠি গৈ আকৌ ভৰাই আনিলে। হাইডিয়ে তাৰ ভাগৰ ৰুটিডোখৰৰ অলপ বাটিটোত ভাঙি ললে। বাকীডোখৰ ৰুটি পিটাৰৰ ভাগৰ টুকুৰাতকৈ ডাঙৰ আছিল। সেইটুকুৰা আৰু তাইৰ ভাগৰ গোটেই পনীৰখিনি তাই পিটাৰক দি কলে, "হোঁ, খা। মোৰ হ'ল।"

বিস্ময়ত পিটাৰৰ মুখৰ মাত হৰিল আৰু সি ৰ লাগি হাইডিলৈ চাই ৰ'ল। তাৰ জীৱনত সি কেতিয়াও এনে কথা কৈ আৰু আনক এনেকৈ বস্তু দি পোৱা নাছিল। ফলত হাইডিয়ে তাক সেইখিনি প্ৰকৃততে দিছে বুলি বিশ্বাস কৰিবলৈ টান পাই সি অলপ দোধোৰ-মোধোৰ হ'ল। হাইডিয়ে কিন্তু বস্তুখিনি তালৈ আগবঢ়াই দিয়েই থাকিল। তথাপিও সি লবলৈ নোখোজাত তাই সেইখিনি তাৰ আঁঠুৰ ওপৰত থৈ দিলে। তেতিয়াহে তাই সেইখিনি তাক আচলতে দিয়া বুলি সি নিশ্চিত হ'ল। সি বস্তুখিনি লৈ তাইক মূৰ দুপিয়াই ধন্যবাদ জনালে। তাৰ পিছত সি তাৰ ছাগলীৰখীয়া জীৱনৰ আটাইতকৈ তৃপ্তিদায়ক দুপৰীয়াৰ সাজ খালে। ইতিমধ্যে হাইডিয়ে ছাগলীবোৰ চাই থাকিল।

"পিটাৰ, ইহঁতৰ নাম কি কি?" তাই সুধিলে।

ছাগলীবোৰৰ নামবোৰ সি ভালকৈয়ে জানিছিল। সিহঁতৰ নামৰ বাহিৰে সি মনত ৰাখিবলগীয়া আন কথা বেছি নাছিল কাৰণে সিহঁতৰ নামবোৰ তাৰ মুখস্থও আছিল। সেয়ে সি এটাৰ পিছত এটাকৈ প্ৰতিটো ছাগলীকে আঙুলিয়াই দেখুৱাই সিহঁতৰ নামবোৰ সলসলীয়াকৈ কৈ যাবলৈ ধৰিলে। হাইডিয়ে তাৰ ব্যাখ্যাবোৰো মনপুতি শুনা কাৰণে প্ৰতিটোকে তাই বেলেগ বেলেগকৈ চিনি পাবলৈ আৰু সিহঁতক নিজা নিজা নামেৰে মাতিব পৰা হবলৈ তাইক বেছি পৰ নালাগিল। আচলতে সিহঁতক একান্তমনে চালেই সিহঁতৰ প্ৰত্যেকৰে নিজা বৈশিষ্ট্যবোৰ মনত ৰখা টান নাছিল। হাইডিয়ে তাকেই কৰিছিল।

জোৰ থকা শিঙেৰে ডাঙৰটোৰ নাম হ'ল তুৰ্কী। আনবোৰক সি সদায় খুঁচিবলৈ চেষ্টা কৰিছিল। সেইকাৰণে সি কাষলৈ আহিলেই সৰহভাগেই আঁতৰি গৈছিল আৰু সেই উগ্ৰ সঙ্গীটোৰ লগ নলৈছিল। কঁকিলাসজীয়া, খৰতকীয়া আৰু সাহসী ডিষ্টেলফিঙ্ক সৰু হলেও কেৱল সিহে তুৰ্কীক এৰাই নুফুৰিছিল। মাজে মাজে ডিষ্টেলফিঙ্কে তুৰ্কীক খেদি গৈ তাক ওপৰা-ওপৰিকৈ তিনি-চাৰিবাৰ ইমান খৰকৈ আৰু কায়দাৰে খুঁচিছিল যে তুৰ্কী ভেবা লাগি ৰৈছিল। সি ডিষ্টেলফিঙ্কক দ্বিতীয়বাৰ জোকাবলৈ চেষ্টা নকৰিছিল। ডিষ্টেলফিঙ্ক দেখাতো যুঁজাৰু যেন আছিল আৰু তাৰ শিংযোৰ বেচ জোঙা আছিল।

অকমানি, বগীজনীৰ নাম আছিল স্নেহ্নেপলি। তাই সদায় কাবৌ-কোকালি কৰাৰ দৰে ইমান অন্তৰ-পৰশা মাতেৰে বিনাইছিল যে হাইডিয়ে বাৰে বাৰে তাইৰ ওচৰলৈ গৈ তাইৰ মূৰটো দুহাতেৰে সাবটি ধৰি তাইক সান্ত্বনা দিছিল।

এতিয়া তাই শোকাকুল কোমল মাতেৰে আকৌ বিনোৱা শুনি হাইডি লৰালৰিকৈ তাইৰ কাষলৈ গ'ল। তাইৰ ডিঙিটো সাবটি ধৰি তাইৰ মুখ পতিয়াই হাইডিয়ে সুধিলে, "তোৰ কি হৈছে স্নেহোপ্লি? তই এনেকৈ কিয় বিনাব?" অকমানি ছাগলীজনীয়ে আশ্বাৰে হাইডিৰ কাষ চাপি পূৰা চুপচাপ্ হৈ গ'ল।

বহি বহি কটি চোবাই আৰু গাখীৰ পি থাকোঁতে পিটাৰে বৈ বৈ কলে, "বুঢ়ীজনী এইৰ লগত আৰু নাহে কাৰণে এই এনেখন কৰিছে। সিহঁতে পৰহি তাইক বেচি মায়েনফেল্ডলৈ পঠাই দিছে। বুঢ়ী আৰু আল্মলৈ নাহে।"

"বুঢ়ীজনী কোন?" হাইডিয়ে সুধিলে।

"কিয়, এইৰ মাক আকৌ," পিটাৰে সমিধান দিলে।

"এইৰ আইতাক ক'ত?" হাইডিয়ে আকৌ সুধিলে।

"নাই।"

"আৰু ককাক?"

"নাই।"

"দেহিঐ" বুলি হাইডিয়ে স্নেহোপ্লিক আলফুলকৈ আৰু কাষলৈ চপাই আনিলে। "তই আৰু নাকান্দিবি। তোৰ লগত মই সদায়ে আহিম নহয়। তই আৰু অকলশৰীয়া নহয়। তোক কিবা লাগিলে মোৰ কাষলৈ আহিবি।"

স্নেহোপ্লিয়ে সন্তুষ্টিত তাইৰ মূৰটো হাইডিৰ কান্ধত ঘঁহালে আৰু বিনাবলৈ এৰিলে।

জাকটোৰ ভিতৰত সবাতোকৈ ধুনীয়া আৰু চাকচিকুণ আছিল শ্বেনলি আৰু বেবলি। সিহঁতৰ স্বভাৱো বাকীবোৰতকৈ নিসন্দেহে ভাল আছিল। সিহঁতে সাধাৰণতে নিজৰ মতে চৰিছিল আৰু বিশেষকৈ, গোল্‌মলীয়া তুৰ্কীক অৱজ্ঞা কৰি এৰাই ফুৰিছিল।

ছাগলীবোৰ ওপৰৰ জোপোহাবোৰৰ পিনে আকৌ উঠিবলৈ ধৰিলে। প্ৰত্যেকটো নিজৰ নিজৰ মতে উঠিল। কিছুমানে জখে-মখে সকলো বস্তুৰ ওপৰেৰে জঁপিয়াই উঠিল; তুৰ্কীয়ে তাৰ শিঙেৰে অ'ত-ত'ত খুঁচি খুঁচি উঠিল; শ্বেনলি আৰু বেবলিয়ে কিন্তু সংযত হৈ লয়লাসে ধুনীয়াকৈ ওপৰলৈ উঠিছিল আৰু বাটত ভাল জোপোহা পালে তাতে বৈ সেইবোৰ কুটি খাইছিল। হাইডিয়ে হাতদুখন পিছফালে মুঠি মাৰি থিয় হৈ সিহঁত সকলোকে অতি মনোযোগেৰে লক্ষ্য কৰি থাকিল।

ইতিমধ্যে খাঁহত আকৌ বাগৰা পিটাৰক হাইডিয়ে কলে, "পিটাৰ, শ্বেনলি আৰু বেবলিয়েই আটাইতকৈ ধুনীয়া।"

"অঁতো," সি উত্তৰ দিলে। "আল্মমমাই সিহঁতক বুৰুজ মাৰে পা ধুৱায়

আৰু নিমখ খাবলৈ দিয়ে। মামাৰ চালিঘৰটোও সবাতোকৈ ভাল।"

তেনেতে পিটাৰে ঘপ্‌কৰে উঠি দীঘল দীঘল ডেও দি ছাগলীবোৰৰ পিনে চোঁচা ললে। হাইডিয়েও তাৰ পিছে পিছ লৰ ধৰিলে। তাই ভাবিলে, কিবা অঘটন ঘটিছে যেতিয়া তাই পিছ পৰি থোৱা অনুচিত।

ছাগলীবোৰৰ মাজেৰে পিটাৰ পাহাৰখনৰ কাণলৈ দৌৰি গ'ল। সেইখিনিতে পাহাৰখন টকলা আৰু থিয় গৰা হৈ বহুত তললৈ নামি গৈছে। কোনোবাটো আওকণীয়া ছাগলী সেইখিনি পালে সহজেই বাগৰি পৰি হাড়-মূৰ ভাগি শেষ হব পাৰে। পিটাৰে দুঃসাহসী ডিষ্টেলক ডেও দি দি সেইপিনে আগবঢ়া দেখিছিল। পিটাৰ যি মুহূৰ্তত সেইখিনি পালেগৈ ঠিক তেতিয়াই সেই সৰু ছাগলীটো গৰাৰ কাণ পাইছিলগৈ আৰু সি বাগৰি পৰে পৰে হওঁতেই পিটাৰে ডাইভ কৰাদি মাটিত দীঘল দি পৰি থাপ্‌ মাৰি তাৰ ঠেং এখনত জোৰেৰে খামুচি ধৰিলে। ফুৰ্ত্তিত আগুৱাই যোৱাত বাধা দি কোনোবাই তাৰ ঠেঙত ধৰা কাৰণে ডিষ্টেলে খং আৰু বিস্ময়ত বেবাবলৈ আৰু ঠেংখন এৰুৱাবলৈ আঁকোৰগোজ হৈ যুঁজিবলৈ আৰম্ভ কৰিলে। পিটাৰ উঠিব নোৱৰা হ'ল। পিটাৰে চিঞঁৰি মাতিলে, "হাইডি, সহায় কৰহি।"

হাইডি ইতিমধ্যে সেইখিনি পাইছিলগৈ। তাই নিমিষতে সিহঁতৰ অৱস্থাটো লক্ষ্য কৰিলে। তাই তৎক্ষণাত মাটিৰ পৰা এমুঠা সুগন্ধি ঘাঁহ তুলি লৈ ডিষ্টেলৰ নাকৰ আগত ধৰি সান্ত্বনা দি কলে, "ডিষ্টেল অ', অবুজন কিয় হৈছ? চাচোন, তই পৰিব লাগিলে তোৰ হাড়-ছাড় ভাগিব। হাড়ভগা বিষ কিন্তু ভয়ঙ্কৰ।"

ছাগলীটোৱে ততালিকে ঘূৰি হাইডিৰ হাতৰ সুগন্ধি ঘাঁহখিনি আগ্ৰহেৰে খাবলৈ আৰম্ভ কৰিলে। সেই ছেগতে পিটাৰ উঠি থিয় হ'ল আৰু ডিষ্টেলৰ ডিঙিৰ টিলিঙা ওলোমোৱা ৰচিডালত ধৰিলে। হাইডিয়েও সেই ৰচিডালৰ আনটোফালে ধৰিলে। তেনেকৈ দুয়ো মিলি পলৰীয়াটোক শান্তিৰে ঘাঁহ খাই থকা জাকটোৰ মাজলৈ লৈ আহিল।

ডিষ্টেলক নিৰাপদ ঠাইলৈ নি শাস্তি হিচাপে তাক এপিটন দিবলৈ পিটাৰে টোকোনডাল ডাঙি ললে। তাকে দেখি বিপদৰ উমান পাই ডিষ্টেল ভয়তে পিছুহঁহকি গ'ল। হাইডিয়ে কিন্তু ডাঙৰ মাতেৰে কলে, "নামাৰিবি পিটাৰ, ইয়াক নামাৰিবি। ই কিমান ভয় খাইছে চাচোন।"

"ই কোৰ খোৱাৰহে লায়ক," পিটাৰে ভেকাহি মাৰি কলে আৰু কোবাবলৈ উদ্যত হ'ল। তেতিয়া কষ্ট হৈ হাইডিয়ে পিটাৰৰ বাউসিত খামোচ মাৰি ধৰি কলে, "মাৰিব নোৱাৰ। ই দুখ পাব। ইয়াক এৰি দে।"

খঙত জ্বলমলাই থকা ক'লা চকুযোৰেৰে তালৈ চাই হুকুম দিয়া হাইডিলৈ

পিটাৰে আচৰিত হৈ চালে। সি অলপ খেৰো-গেৰোঁ কৰি ডাঙি লোৱা টোকোনডাল তললৈ নমালে।

পিটাৰে হাৰ মানি কলে, "তই যদি কালিলৈও তোৰ পনীৰৰ অকমান দিয় তেন্তে ইয়াক এৰি দিম।" ডিটেলৰ কাৰণে ভয় খোৱাৰ সি অলপ বানচ বিচাৰিলে।

"গোটেইখিনিয়েই তই খাবি; কালিলৈ খাবি; সদায় খাবি," তাৰ চৰ্ত্তত ততালিকে মান্তি হৈ হাইডিয়ে কলে। "আনকি আজিৰ দৰে মোৰ ৰুটিৰ বুজন ভাগ এটাও তোক দিম। তই কিন্তু কেতিয়াও ডিটেলক মাৰিব নোৱাৰ; স্নেহোপ্‌লিকো নোৱাৰ; কোনো ছাগলীকে কেতিয়াও মাৰিব নোৱাৰ।"

"মোৰ কি আহে যায়," পিটাৰে কলে। তাৰ মনত সেইবাবেৰেই সি সম্মতিত শপত খোৱা যেন হ'ল। তাৰ পাছত সি অপৰাধীটোক এৰি দিলে। খুচিত ডিটেলে ওখকৈ জাঁপ এটা মাৰিলে আৰু ডেও দি গৈ জাকটোৰ মাজত সোমাল।

সিহঁতে মন নকৰোঁতেই দিনটো শেষ হৈ আহিল আৰু পৰ্বতবোৰৰ পিছপিনে বেলি মাৰ যাবৰ হ'ল। হাইডিয়ে আকৌ মাটিত বহি গধূলিৰ পোহৰত ব্লুবেল আৰু পাহাৰী-গোলাপবোৰ জিলিকি উঠা চাবলৈ ধৰিলে। ঘাঁহবোৰতো কোনোবাই যেন সোণালী ৰহণ সানি দিলে। ওপৰৰ পৰ্বতখনো যেন চিকমিকাবলৈ আৰম্ভ কৰিলে। হঠাতে তাই জাঁপ মাৰি উঠি আবেগত চিঞৰি কলে, "পিটাৰ, পিটাৰ, জুই লাগিছে! জুই! জুই! গোটেইবোৰ পৰ্বতত জুই লাগিছে! সৌ বিশাল বৰফনিখনতো জুই! আনকি আকাশখনতে দেখোন জুই! ওপৰৰ থিয় গৰাৰ পৰ্বতখনতো জুই! আঃ, চা! চা! জুই লগা বৰফনিখন যে কি সুন্দৰ হৈ পৰিছে! পিটাৰ, উঠি থিয় হৈ চাচোন। জুই গৈ ওপৰৰ উকহটোৰো কাষ পাইছেগৈ। পাথৰবোৰ চা! ফাৰবোৰ চা! সকলোতে জুই!"

"সদায় এনে হয়," পিটাৰে টোকোনডালৰ বাকলি গুচাই গুচাই স্বাভাৱিক সৰলভাৱে কলে। "কিন্তু সেইয়া জুই নহয়।"

"তেন্তে সেইয়া কিনো?" ইফালে-সিফালে দৌৰি দৌৰি সকলোপিনৰ পৰা চাই চাই চাই হাইডিয়ে সুধিলে। জুই লগা সকলোবোৰ ইমান সুন্দৰ হৈ পৰিল যে চাই চাই তাইৰ হেঁপাহ নপলোৱা হ'ল।

"জুই নহলে সেইয়া কি পিটাৰ? সেইয়া কি?" তাই আকৌ সুধিলে।

"নিজে নিজেই এনে হয়," পিটাৰে বুজালে।

"ঐ, চা! চা!" গভীৰ উত্তেজনাত তাই কৈ উঠিল। "হঠাতে সকলোবোৰ দেখোন গুলপীয়া হৈ গ'ল! বৰফবোৰ আৰু ওপৰৰ পৰ্বতৰ ওখ টিংবোৰ চা!

এই পৰ্বতবোৰৰ নাম কি কি পিটাৰ?”

“পৰ্বতৰ নাম নাথাকে,” সি উত্তৰ দিলে।

“আঃ, কিমান সুন্দৰ। গুলপীয়া বৰফবোৰ চাচোন। আৰু আঃ, সৌ শিলাখণ্ডৰ ওপৰতচোন দ'ম দ'ম গোলাপ। আৰে। আৰে। গোলাপবোৰ দেখোন ধোঁৱাবৰণীয়া হ'বলৈ ধৰিছে। যাঃ, সকলো শেষ হ'ল। পিটাৰ, সকলো শেষ হ'ল।” হাইডি থাঁহত বহি পৰিল আৰু অলপ আগৰ অপৰূপ সৌন্দৰ্য্য চিৰকাললৈ লোপ পোৱা বুলি ভাবি তাইৰ মন মৰি গ'ল।

“কাইলৈও ঠিক আজিৰ দৰেই হ'ব,” পিটাৰে ক'লে। “উঠ্। ঘৰলৈ যাবৰ হ'ল।”

পিটাৰে সুহুৰিয়াই ছাগলীবোৰ গোট খুৱালে আৰু সকলো একেলগে ঘৰমুৱা হ'ল।

পিটাৰৰ কাষে কাষে পৰ্বতৰ পৰা নামিবলৈ ধৰোতে তাই খাটাংকৈ আশ্বস্ত হ'বলৈ অতি আগ্ৰহেৰে পিটাৰক সুধিলে, “সদায় এনে হ'বনে? আমি ঘাঁহনিলৈ অহা প্ৰতিদিনেই এনে হ'বনে?”

“প্ৰায়েই,” পিটাৰে উত্তৰ দিলে।

“কিন্তু কাইলৈও আকৌ সঁচাকৈ হ'বনে?” তাই জানিব খুজিলে।

“অঁ, অঁ, কাইলৈও নিশ্চয়কৈ,” পিটাৰে আশ্বাস দিলে।

তেতিয়া হাইডি আকৌ ৰঙীয়াল হৈ পৰিল। দিনটোত তাইৰ ইমানবোৰ নতুন অভিজ্ঞতা হ'ল আৰু ইমানবোৰ কথা তাইৰ মনত খেলাবলৈ ধৰিলে যে ককাকৰ পঁজাটো নোপোৱালৈ আৰু ককাকক নেদেখালৈ তাই একেবাৰেই নিমাত হৈ থাকিল।

ককাক তেতিয়া ফাৰকেইডালৰ তলত বহি আছিল। তাতো তেওঁ বহা ঠাই কৰি লৈছিল। তেওঁ সদায় গধূলি তাত বহি ছাগলী দুজনীলৈ বাট চাইছিল।

হাইডিয়ে পোনছাটেই তেওঁৰ কাষলৈ লৰ ধৰিলে। আৰু তাইৰ পিছে পিছে শ্চেনলি আৰু বেৰ্লিও গ'ল। সিহঁতেও গিৰিহঁতক আৰু ছাগলীঘৰটো চিনি পাইছিল। পিটাৰে হাইডিক চিঞৰি মাত লগালে, “কাইলৈও ওলাবি। শুভ ৰাতি।” হাইডিৰ সঙ্গ তাৰ ভাল লাগিছিল।

হাইডি দৌৰি পিটাৰৰ কাষলৈ গ'ল আৰু তাক কৰমৰ্দন কৰিলে। তাৰ লগত তাই আকৌ যাব বুলি তাক আশ্বাসো দিলে। তাৰ পিছত যাবলৈ ওলোৱা জাকটোৰ মাজত জাঁপ মাৰি সোমাই তাই আকৌ এবাৰ শ্নেহোপ্লিৰ ডিঙিত সাবটি ধৰি গোপনে কোৱাদি ক'লে, “শ্নেহোপ্লি, ভালকৈ শুবি। মনত ৰাখিবি, মই কাইলৈও তোৰ সতে যাম। তই আৰু আগলৈ মন দহি যোৱাৰ দৰে বিনাব নোৱাৰ।”

স্নেহোপ্লি সন্তুষ্ট হোৱা যেন লাগিল। তাই হাইডিৰ মুখলৈ কৃতজ্ঞতাৰে চালে আৰু আনন্দৰ ডেও দি বাকীবোৰৰ পিছ ললে।

হাইডি ফাৰকেইজোপাৰ তললৈ ওভতি আহিল। কিন্তু ককাকৰ কাষ নাপাওঁতেই তাই কৈ উঠিল, "ককা, সেইয়া যে কি সুন্দৰ আছিল। পৰ্বতবোৰত আৰু নীলা-হালধীয়া ফুলবোৰত জুই লাগিছিল। মই তোমালৈ কি আনিছোঁ চোৱা।"

এইবুলি তাই মেৰিয়াই থোৱা এপ্ৰণখন খুলি জোকাৰি দিওঁতে ফুলবোৰ ককাকৰ সমুখত সৰি পৰিল। কিন্তু সৰু সৰু ফুলবোৰ দেখিবলৈ কিখন যে হ'ল। গোটেইবোৰ শুকাই খেৰ যেন হৈছে আৰু এটাও ফুল মেল খাই থকা নাই। হাইডিয়ে সেইবোৰ চিনি নোপোৱা হ'ল।

"ককা, ইহঁতৰ কি হ'ল?" ডাঙৰ খক পাই তাই কৈ উঠিল। "ইহঁত এনে নাছিল দেখোন। এতিয়া কিয় এনে হ'ল?"

"ইহঁতে ৰ'দত মুকলিমূৰীয়া হৈ থাকিবলৈ ভাল পায়। ইহঁত তোমাৰ এপ্ৰণত বন্দী হৈ থাকিব নোখোজে," ককাকে কলে।

"তেন্তে মই আৰু আগলৈ ফুল ঘৰলৈ নানোঁ। কিন্তু ককা, বিয়াগোম উকহটোৱে তেনেকৈ আটাহ পাৰিছিল কিয়?"

"তুমি প্ৰথমতে পানীত সোমোৱা আৰু ময়ো ছাগলীঘৰটোলৈ গৈ গাখীৰ খীৰাই আনোঁগে। তাৰ পিছত দুয়ো একেলগে পঁজাত সোমাই বাতিৰ সাজ খাওঁতে খাওঁতে তোমাক সকলো কম।"

সেয়ে হ'ল। তাই গাখীৰ বাটিৰ সমুখত থকা ককাকৰ কাষৰ তাইৰ ওখ টুলখনত যেতিয়া বহিল, তেতিয়া তাই আকৌ সুধিলে, "বিয়াগোম চৰাইটোৱে কিয় ইমান কৰ্কশ মাতেৰে আটাহ পাৰিছিল ককা?"

"নামনিৰ গাঁওবোৰত কথাৰ মহলা মাৰি পৰস্পৰক নীচ কৰি পেলোৱা মানুহ এচাম আছে। সেইচামক সি তেনেকৈ সিয়াঁৰে। তেনেবোৰক সি ইতিকিং কৰি কয়, "তহঁতে যদি আনৰ পাছত নালাগি প্ৰত্যেককে নিজৰ মতে চলিবলৈ দিয় আৰু মোৰ দৰে যদি ওখ শৃঙ্গত উঠিবলৈ লয়, তেন্তে সকলোৰে মঙ্গল হব।"

ককাকে কথাখিনি ইমান উগ্ৰ হৈ কৈছিল যে হাইডিয়ে উকহটোৰ আটাহ প্ৰবলতৰ হৈ তাইৰ কাণত পৰা যেন পালে।

"পৰ্বতৰ নাম কিয় নাথাকে ককা?"

"সিহঁতৰ নাম আছে," ককাকে উত্তৰ দিলে। "মই চিনি পোৱাকৈ তুমি পৰ্বতবোৰ বৰ্ণনা কৰিব পাৰিলে মই সিহঁতৰ নামবোৰ কব পাৰিম।"

তেতিয়া হাইডিয়ে দুটা সুউচ্চ মিনাৰ থকা যেন পৰ্বতখন তাই দেখাৰ দৰে

বৰ্ণনা কৰিলে। ককাকে সন্তুষ্টিৰে কলে, "চমৎকাৰ, মই চিনি পাইছোঁ। সেইখনৰ নাম ফাল্কনিচ্। তুমি আৰু কোনোখন দেখিছিলানে?"

তেতিয়া হাইডিয়ে বিশাল বৰফনিখন থকা পৰ্বতখনৰ কথা, সেইখনত জুই লগা, পাছত সেইখন গুলপীয়া হৈ পৰা আৰু শেহত সেঁতা আৰু ধূসৰ হৈ পৰাৰ বৰ্ণনা দিলে।

"সেইখনো মই চিনি পাইছো। সেইখন স্কেচাপ্লানা। তেন্তে বাঁহনিত তোমাৰ মজাই হৈছিল, নহয় জানো?"

তেতিয়া হাইডিয়ে ককাকক গোটেই দিনটো যি যি ঘটিছিল আৰু যিবোৰ মনোৰম দৃশ্য তাই দেখিছিল সেই সকলোবোৰৰ কথা কবলৈ ধৰিলে। শেহত তাই গধূলি সকলোতে জুইনো কেনেকৈ লাগিছিল সুধিলে, কাৰণ পিটাৰে সদুত্তৰ দিব পৰা নাছিল।

"জানা, বেলিটোৱেহে কাণ্ডটো কৰে," ককাকে বুজাবলৈ ললে। "গধূলি পৰ্বতবোৰক 'শুভ ৰাতি' বুলি মাত লগাওঁতে বেলিয়ে নিজৰ সবাতোকৈ ধুনীয়া কিৰণবোৰ সিহঁতলৈ পঠায় যাতে পিছদিনা পুৱা বেলি আকৌ নহালৈকে সিহঁতে তেওঁক পাহৰি নাযায়।"

এইবাৰ শুনি হাইডিৰ বৰ ভাল লাগিল। ওপৰৰ বাঁহনিখনলৈ গৈ বেলিয়ে গধূলি পৰ্বতবোৰক সম্ভাষণ জনোৱা আকৌ এবাৰ চাবলৈ এটা নতুন দিন অহালৈ বাট চোৱা তাইৰ বাবে টান হৈ পৰিল। কিন্তু প্ৰথমতে তাই শুব লাগিব। গোটেই নিশাটো খেৰৰ বিছনাখনত তাইৰ গভীৰ টোপনি আহিল। তাই কিন্তু সপোনতো জলমল পৰ্বতবোৰত ৰঙা গোলাপ ফুলি থকা আৰু সেইবোৰৰ মাজে মাজে স্নোহোপ্‌লিয়ে দৌৰি-জঁপিয়াই ফুৰা দেখিলে। ■

চতুৰ্থ অধ্যায়

আইতাৰ তাত

পিছদিনা পুৱাও বেলিটো উজ্জ্বল হৈ ওলাল আৰু ছাগলীজাক লৈ পিটাৰ পালেহি। আগদিনাৰ দৰে সিহঁত আটায়ে ধাঁহনিলৈ গ'ল। এনেকৈয়ে হাইডিৰ দিনবোৰ যাবলৈ ধৰিলে। ঘৰৰ বাহিৰত মুকলি জীৱন কটাই হাইডিৰ বং বাদামী হ'ল, দেহা বলী আৰু স্বাস্থ্যৱান হ'ল আৰু তাই চৰাইৰ দৰে সুখীও হ'ল।

শৰৎকাল পালেহি আৰু পৰ্বতে-কন্দৰে বতাহে বেছি শব্দ কৰি বলিবলৈ আৰম্ভ কৰিলে। সেয়ে এদিন ককাকে কলে, "হাইডি, আজিৰ কোবাল বতাহে তোমাৰ দৰে অকমানিজনীক পাহাৰ-পৰ্বতৰ ওপৰেৰে একেকোবে উৰুৱাই নামনিৰ ভৈয়ামলৈ নিব পাৰিব। সেয়ে আজি তুমি ঘৰতে থাকিব লাগিব।"

সেইদিনা পুৱা কথাটো গম পাই পিটাৰে তাৰ দুৰ্দিন অহা যেন পালে আৰু সি বিমৰ্ষ হৈ পৰিল। আচলতে সি সময় ভালকৈ কটাবলৈ নাজানিছিল। সেয়ে হাইডি নাথাকিলে দিনৰ দিনটো অকলশৰীয়া হৈ সি ক্লান্ত-বিৰক্ত হৈ পৰিছিল; তাৰ দুপৰীয়াৰ উপাদেয় জলপানখিনিও নোহোৱা হৈছিল। তদুপৰি, ছাগলীজাকে হাইডিক পাই পাই তাইক নোপোৱা দিনবোৰত ওপৰলৈ যাবলৈ নুখুজিছিল; সিহঁতে ইফালে সিফালে দৌৰিছিল আৰু আন দিনাতকৈ বিপৰীত স্বভাৱৰ হৈ পৰিছিল।

হাইডিয়ে কিন্তু ঘৰত থাকি আমনি পোৱা নাছিল কাৰণ ঘৰতো তাইৰ ভাল লগা কিবা নহয় কিবা সদায় ওলাইছিল। পিটাৰ আৰু ছাগলীজাকৰ লগত ধাঁহনিলৈ, ফুলবোৰ আৰু উকহটোৰ তালৈ যাবলৈ তাই পছন্দ কৰিলেহেঁতেন আৰু ইমানবোৰ বেলেগ বেলেগ স্বভাৱৰ ছাগলীক লৈ তাত বহুতো মজাৰ কাণ্ড হ'লহেতেন। কিন্তু তথাপিও ককাকৰ কাঠ কলা, হাতুৰি মৰা আদি বাঢ়ৈৰ কাম চায়ো তাই বৰ ৰস পাইছিল। ককাকে ছাগলীৰ গাখীৰৰ পৰা ধুনীয়া, ঘূৰণীয়া পনীৰ কৰিবলৈ ওলোৱাই তাইৰ ভাল লাগিছিল। তেওঁ আস্তিন কোঁচাই খালি দুহাতেৰে ডাঙৰ কেটলিটোত পনীৰ মথা আদি অগতানুগতিক কামবোৰ কৰা চাই তাই বিশেষ ৰং পাইছিল।

কিন্তু প্ৰবল বতাহ বলা দিনবোৰত পঁজাটোৰ পিছফালৰ বুঢ়া ফাৰকেইডালৰ গৰ্জন আৰু দলন-মথনেহে তাইক অতিকৈ আকৰ্ষণ কৰিছিল। তাই যতেই নাথাকক কিয়, অলপ পৰৰ মূৰে মূৰে তাই সেই কেইডালৰ

কাৰণে নগৈ নোৱাৰিছিল। সেই কেইডালৰ মুখৰ পৰা অহা গভীৰ, ৰহস্যপূৰ্ণ শব্দবোৰতকৈ আন একোকেই তাই বেছি চিত্তাকৰ্ষক আৰু বেছি চমকপ্ৰদ বুলি নাভাবিছিল। তাই ফাৰকেইডালৰ তলত থিয় হৈ সেই শব্দবোৰ কাণ পাতি শুনিছিল। প্ৰচণ্ড বতাহৰ গৰ্জন শুনি শুনি আৰু বতাহত দলিত-মথিত গছ কেইজোপালৈ চাই চাই তাইৰ কেতিয়াও আমনি লগা নাছিল।

বেলিৰ তাপ জহকালিতকৈ কমি আহিবলৈ আৰু দিনবোৰ ক্ৰমান্বয়ে বেছি ঠাণ্ডা হৈ আহিবলৈ ধৰিলে। সেয়ে হাইডিয়ে জোতা, মোজা আৰু সৰু কোটটো উলিয়াই ললে। তেনে দিনবোৰত পাতল এখিলা পাত যেনকৈ তাইবো গাৰ মাজেৰে বতাহ বলা যেন তাই পাইছিল। তথাপিও বতাহৰ গৰ্জন শুনিলেই তাই ঘৰত সোমাই থাকিব নোৱৰা হৈছিল আৰু তালৈ বাৰে বাৰে দৌৰি নগৈ নোৱাৰিছিল।

তাৰ পিছত জাৰ পৰিল। তেতিয়া পুৱা আহোঁতে পিটাৰে তাৰ হাত গৰমে ৰাখিবলৈ মুখেৰে সা দিবলৈ ধৰিলে। কিন্তু বেছি দিনলৈ নহয় কাৰণ হঠাতে এৰাতি ৰকৈ বৰফ পৰিল। পিছদিনা বেলি ওলালত গোটেইখন আল্ম বৰফেৰে ঢাক খাই বগা হৈ পৰা দেখা গ'ল আৰু সেউজীয়া ঘাঁহ-পাতৰ চিন-চাব সমূলি নোহোৱা হ'ল।

সিদিনাৰ পৰা ছাগলী লৈ পিটাৰ নহা হ'ল। সেইদিনা দিনতো বৰফ পৰিবলৈ আৰম্ভ কৰিলে আৰু বৰফৰ ডাঙৰ চঁহাবোৰ মুষলধাৰে বৰষুণ পৰাদি পৰিবলৈ ধৰিলে। তাকে দেখি বিস্ময়মুগ্ধ হৈ হাইডিয়ে বাহিৰলৈ চাই ৰ'ল। তাই চাওঁতে চাওঁতে বৰফ দ'ম খাবলৈ ধৰিলে; আৰু দ'মবোৰ ওখ হৈ হৈ খিড়িকিখনৰ কাষ পালেহি; আৰু ক্ৰমাৎ তাতকৈও ওখ হৈয়েই থাকিল আৰু খিড়িকিখনো খুলিব নোৱৰা হ'লগৈ। সিহঁত সৰু পঁজাটোত বন্দী হোৱা যেন হ'ল। এনে কাণ্ডটো দেখি হাইডিয়ে ইমান আমোদ পালে যে তাই ইখন খিড়িকিৰ পৰা সিখনৰ কাষলৈ গৈ ক্ৰমাৎ ওখ হবলৈ ধৰা দ'মবোৰে গোটেই পঁজাটো আৱৰি পেলাব নে নেপেলায় আৰু পেলালে দিনতেই চাকি-বন্তি জ্বলাবলগীয়া হব নেকি চাবলৈ ধৰিলে। সিদিনা কিন্তু পৰিস্থিতি সিমান বেয়া নহ'ল। পিছদিনা ধুমুহা বন্ধ হ'লত ককাকে বেল্‌চাখন লৈ ওলাই গ'ল। তেওঁ সেইখনেৰে বৰফবোৰ বেৰৰ কাষৰ পৰা আতৰাওঁতে পঁজাটোৰ চৌপাশে বৰফৰ পাহাৰ হোৱাদি হ'ল।

তেতিয়া দুৱাৰ-খিড়িকিবোৰ আকৌ খুলিব পৰা হ'ল। সেইটো সৌভাগ্যৰ কথাই হ'ল। সেইদিনা আবেলি ককাক আৰু হাইডিয়ে জুহালৰ কাষত সিহঁতৰ তিনিঠেঙীয়া টুল দুখনত বহি থাকোঁতে কোনোবাই জোৰেৰে দুৱাৰত খুন্দিওৱাৰ আৰু দুৱাৰ-ডলিত গুৰিওৱাৰ শব্দ শুনা গ'ল। অৱশেষত দুৱাৰখন

মেল খালে আৰু পিটাৰক দেখা গ'ল। পিটাৰে অৱশ্যে অসভ্যালি কৰি দুৱাৰ-ডলিত তেনেকৈ শুৰিওৱা নাছিল। তাৰ জোতাত লাগি ধৰা বৰফবোৰ গুচাবলৈহে সি তেনে কৰিছিল। আচলতে, সি প্ৰচণ্ড ধুমুহাৰ লগত যুঁজ কৰিহে আহিবলগীয়া হৈছিল। ফলত দুৰ্যোৰ শীতত ভতালিকে গোটমৰা বৰফৰ লদাবোৰ তাৰ কাপোৰ-কানিয়ে লাগি ধৰি ওলমি আছিল। সি তথাপিও হাৰ মানি উভতি যোৱা নাছিল। পূৰা এসপ্তাহ হাইডিক নেদেখা কাৰণে তাইক যেনেতেনে লগ পাবলৈ সি উৎকণ্ঠ হৈ পৰিছিল।

"শুভ আবেলি," ভিতৰলৈ সোমাবলৈ ধৰোঁতে সি কলে আৰু জুইকুৰাৰ পাৰেমানে কাষ চাপি গ'ল। তাৰ পিছত সি একো নামাতিলে কিন্তু সেইখিনি আহি পোৱাৰ আনন্দত তাৰ মুখ উজলি উঠিল। জুইৰ তাপত পিটাৰৰ কাপোৰ-কানিৰ বৰফবোৰ গলি বাগৰি আহোঁতে সি সৰু জলপ্ৰপাত এটা যেন হৈ পৰিল। আচৰিত হৈ হাইডিয়ে তালৈ চাই ৰ'ল।

"হেৰৌ ছাগলী-সেনাপতি, বা-বতৰা কি?" ককাই সুধিলে। "তোৰ এতিয়া সৈন্য-বাহিনী নাই কাৰণে তই এতিয়া নিশ্চয় চিলট, পেঞ্চিল কামুৰিবলগীয়া হৈছে।"

"ই কিয় চিলট, পেঞ্চিল কামুৰিব লাগে?" কৌতূহলী হাইডিয়ে তপৰাই সুধিলে।

"জাৰকালি ই পঢ়াশালিলৈ যাব লাগে," ককাই ব্যাখ্যা কৰিলে। "পঢ়াশালিত লিখা-পঢ়া শিকিব লাগে কিন্তু সেই কামটো প্ৰায়েই কষ্টকৰ হৈ পৰে। তেতিয়া চিলট, পেঞ্চিল কামুৰিলে অলপ সকাহ পোৱা যায়। নহয় জানো সেনাপতি?"

"অঁ, কথাটো তেনেই," পিটাৰে কলে।

হাইডি সেই বিষয়ে আগ্ৰহী হৈ উঠিল। পিটাৰৰ পঢ়াশালিটোৰ সম্বন্ধে আৰু তাত দেখা, শুনা আৰু ঘটা সকলো বিষয়ে তাই পিটাৰক অসংখ্য প্ৰশ্ন সুধিবলৈ ধৰিলে। পিটাৰে ভাগ লোৱা কথোপকথন মন্দ-গতিৰ হয়। নিজৰ চিন্তাবোৰ কথাৰে প্ৰকাশ কৰি অৰ্থ বুজোৱা পিটাৰৰ বাবে সদায়ে টান কাম। সেই কামটো আজি অস্বাভাৱিক ধৰণে টান হ'ল। সি এটা প্ৰশ্নৰ উত্তৰ কোনোমতে দি উঠে মানে হাইডিয়ে আৰু দুই-তিনিটা অভাৱিত প্ৰশ্ন তাক সোধে। তাতে সেইবোৰৰ উত্তৰত সি কষ্টৰে পূৰা বাক্য একোটা কবলগীয়া হয়। ফলত সিহঁতৰ কথোপকথন খেলি-মেলি হৈ আগবাঢ়িবলৈ ধৰিলে। ইতিমধ্যে সি মূৰৰ পৰা ভৰিলৈকে শুকাল।

এই সময়ছোৱা ককা সম্পূৰ্ণ নীৰৱ হৈ বহি আছিল। কিন্তু মাজে মাজে তেওঁৰ ওঁঠৰ কোণত বিৰিঙা মিচিকনিৰ পৰা তেওঁ কথোপকথনখিনি মন দি শুনি থকা বুলি বুজা গৈছিল।

"সেনাপতি, ইমান পৰে বহুত গুলি খালি যেতিয়া তই গা টঙাবৰ হ'ল। আমাৰ লগত ৰাতিৰ সাঁজ খাবি আহ।"

এইবুলি ককা উঠি গৈ আলমাৰিটোৰ পৰা ৰাতিৰ সাঁজৰ বস্তুবোৰ উলিয়াই আনিলে। হাইডিয়ে টুল দুখন নি টেবুলৰ কাষত থলে। টেবুলৰ কাষৰ বেৰখনত ককাকে আন এখন আসনো লগাই থোৱা আছিল। ককাক এতিয়া অকলশৰীয়া নহয় কাৰণে আৰু হাইডি তেওঁৰ লগে লগে থাকে কাৰণে দুয়ো বহিব পৰাকৈ অ'ত-ত'ত সেইখনৰ দৰে বিভিন্ন ধৰণৰ আসন যতনাই থোৱা আছিল। তিনিও খাবলৈ আৰামেৰে বহিল। তাৰ ভাগৰ ডাঠ ৰুটি চকলৰ ওপৰত আল্মমামাকে সুন্দৰ, শুকান মাংসৰ ডাঙৰ এটুকুৰা থোৱা দেখি পিটাৰৰ চকু দুটা ডাঙৰকৈ মেল খালে। সি বহুতকাল এনে উপাদেয় আহাৰ খোৱা নাছিল। সিহঁতৰ জুতিলগা বস্তুখিনি খোৱা শেষ হওঁতে হওঁতে আন্ধাৰ হবলৈ ধৰিছিল। সেয়ে পিটাৰে ঘৰলৈ বুলি ওলাল। সি আল্মমামাকক আৰু হাইডিক বিদায় সম্ভাষণ জনাই খোজ লৈ দুৱাৰ-ডলি পাই ঘূৰিল আৰু কলে, "অহা ৰবিবাৰে, মানে আজিৰ পৰা সাদিন পিছত মই আকৌ আহিম। হাইডি, মোৰ আইতাই কৈ পঠিয়াইছে যে তেওঁক লগ পাবলৈ তই এসময়ত যাব লাগিব।"

কাৰোবাৰ তালৈ ফুৰিবলৈ যোৱাটো হাইডিৰ বাবে নতুন কথা হলেও সেইটোত তাইৰ থিতাতে মন খালে। সেয়ে পিছদিনা পুৱা তাই ককাকক কোৱা প্ৰথম কথাবাৰ হ'ল, "ককা, আইতা মোলৈ বৈ আছে। মই তেওঁক লগ পাবলৈ এতিয়াই যাব লাগিব।"

তাইক নিৰস্ত কৰিবলৈ ককাকে কলে, "বৰফ বৰকৈ পৰিছে।" কিন্তু আইতাকৰ তালৈ যোৱা কথাটো তাইৰ মূৰত ভালকৈ সোমাইছিল। ফলত তাৰ পিছত তাই দিনে পাঁচ-ছবাৰকৈ ককাকক কৈছিল, "মই আচলতে আজি যাবই লাগিব ককা। আইতাই মোলৈ বাট চাই আছে।"

পিটাৰ অহাৰ পৰা চতুৰ্থ দিনাখন হাড়-কঁপোৱা জাৰ পৰিছিল। ফলত আল্মখন ঢাকি ধৰা বৰফবোৰ অতি টান হৈ পৰিছিল আৰু তাত খোজ দিলেই কেচ্ কেচ্ শব্দ হৈছিল আৰু চুলৈ যেনকৈ ফাট মেলিছিল। সেইদিনাও কিন্তু সুন্দৰ বেলিটোৱে খিড়িকিৰে ভুমুকি মাৰিছিল। টেবুলৰ কাষৰ ওখ টুলখনত বহি দুপৰীয়াৰ সাঁজ খাই থকা হাইডিয়ে সিদিনাও তাইৰ চুটি ভাষণটো আৰম্ভ কৰিলে, "আজি মই সঁচাকৈয়ে যাব লাগিব ককা। নহলে মোলৈ বাট চাই থকা আইতাজনী ভাগৰি পৰিব।"

খাই উঠি ককাক ওপৰৰ চাংখনলৈ গৈ হাইডিৰ বিছনাৰ পৰা ডাঠ ঠেলাখন নমাই আনি কলে, "ব'লা তেন্তে।"

হাইডিৰ ৰঙে নধৰা হ'ল। তাই ককাকৰ পিছে পিছে ডেও দি দি বাহিৰৰ চিকমিকোৱা বৰফৰ জগতখনলৈ ওলাই গ'ল। বুঢ়া ফাৰকেইডাল তেতিয়া অলৰ-অচৰ আৰু একেবাৰে নীৰব; সিহঁতৰ ডাল-ঠাল সকলোতে বৰফ লাগি আছিল আৰু ৰ'দ পৰি গছকেইডাল জিলিকি আৰু চিকমিকাই অপৰূপ হৈ উঠিছিল। তাকে দেখি পুলকত নাচি উঠা হাইডিয়ে ককাকক মাতিলে, "ককা, চোৱাঁহি, চোৱাঁহি। ফাৰকেইডাল আচল সোণ-ৰূপেৰে ভৰি গৈছে।"

ইতিমধ্যে ককাকে কাম কৰা চালিঘৰটোলৈ গৈ শ্লেজখন উলিয়াই আনিলে। সেইখনৰ সোঁদাতিত হেণ্ডেল এডাল লগোৱা আছিল। সেইখনৰ চাপৰ আসনখনত বহি সমুখৰ বৰফ ভৰা মাটিত ভৰি দিব পৰা আছিল আৰু ইখন বা সিখন ভৰি ব্যৱহাৰ কৰি সেইখন যিপিনে মন যায় সেইপিনে নিব পৰা গৈছিল।

হাইডিৰ লগত ফাৰকেইজোপাৰ চাবিওফালে চাই-মেলি ককাক শ্লেজখনত বহিল। তেওঁ হাইডিক কোলাত ললে আৰু তাই ঠাণ্ডা নলগাকৈ আৰামেৰে যাব পৰাকৈ চৈলাখন তাইৰ গাত ভালকৈ মেৰাই দিলে। তেওঁ বাওঁহাতেৰে তাইক কপ্‌কপীয়াকৈ ধৰিলে কাৰণ শ্লেজত উঠি যাওঁতে তেনে নকৰিলে নহয়। তাৰ পিছত তেওঁ সোঁহাতেৰে হেণ্ডেলডালত ধৰি দুয়োভৰি মাটিত থৈ শ্লেজখন ঠেলি চলাই দিলে। লগে লগেই সেইখন ইমান কোঁ-কোঁৱাই তললৈ নামিবলৈ ধৰিলে যে হাইডিয়ে আকাশেদি চৰাই উৰাদি উৰি যোৱা যেন পালে। ফুৰ্তিত তাই কিৰিলিয়াই উঠিল।

হঠাতে শ্লেজখন ছাগলীৰখীয়া পিটাৰৰ জুপুৰিটোৰ সমুখত ৰ'ল। ককাকে হাইডিক মাটিত থিয় কৰাই তাইৰ গাৰ পৰা চৈলাখন সোলোকাই লৈ কলে, "এতিয়া ভিতৰলৈ যোৱা। আন্ধাৰ হোৱাৰ আগতে ওলাই আহি ঘৰমুৱা হবা।" তাৰ পিছত তেওঁ ঘূৰিল আৰু শ্লেজখন চোঁচোৰাই টানি ঘৰলৈ বুলি পৰ্বত বগাবলৈ ললে।

হাইডিয়ে জুপুৰিটোৰ দুৱাৰখন খুলি দেখাত ক'লা হৈ পৰা কোঠা এটা পালে। সেইটোৰ একাষত জুহালখন আৰু বেৰত তাক্ এখনত বাটি দুটামান আছিল। সেইটো পাকঘৰ। কোঠাটোত আন এখন দুৱাৰ দেখি হাইডিয়ে সেইখন খুলি সৰু, বহাকোঠা এটা দেখিলে। ককাকৰ এটা মাত্ৰ ডাঙৰ কোঠা আৰু ওপৰৰ চাংখন থকা পঁজাটোতকৈ এই জুপুৰিটো বেলেগ ধৰণৰ আছিল। এই আওপুৰণি সৰু জুপুৰিটোৰ সকলো বস্তু সৰু, ঠেক আৰু পুৰণিকলীয়া আছিল।

সেই কোঠাটোত সোমাই হাইডিয়ে সমুখতে টেবুল এখন পালে। সেইখনৰ কাষত বহি ভিৰোভা এজনীয়ে চোলা এটা সী আছিল। চোলাটো পিটাৰৰ বুলি হাইডিয়ে তৎক্ষণাত চিনি পালে। কোঠাটোৰ চুকটোত কঁকাল-পৰা আইতা

এজনীয়ে সূতা কাটি আছিল। তেওঁনো কোন হাইডিয়ে ততালিকে গম পালে। তাই পোনেই যঁতৰটোৰ কাষলৈ গৈ মাত লগালে, "শুভদিন আইতা। মই তোমাক লগ পাবলৈ আহিলোঁ। মই আহোঁতে বৰ পলম হ'ল নেকি বাৰু?"

বুঢ়ীজনীয়ে মূৰটো ডাঙিলে আৰু হাইডিয়ে আগবঢ়াই দিয়া হাতখন ধৰিবলৈ খেপিয়ালে। সেইখন পাই তেওঁ কিবা ভাবি-গুণি কিছুপৰ সেইখনত হাত ফুৰাই থাকিল। তাৰ পিছত তেওঁ সুধিলে, "আল্মমামাৰ তাত থকা আইকণজনী তুমিয়েইনে? তুমিয়েই হাইডিনে?"

"অঁ, অঁ। ককাৰ লগত শ্লেজত উঠি আহি এইমাত্র নামিছোঁহি।" হাইডিয়ে ক'লে।

"এনেটো সম্ভৱনে? অৱশ্যে তোমাৰ হাতখন বেচ গৰম হৈ আছে। বৃগিটে, আইকণৰ লগত আল্মমামা স্বয়ং আহিছিলনে?"

টেবুলৰ কাষত বহি চোলা সী থকা পিটাৰৰ মাক বৃগিটেই ইতিমধ্যে উঠি আহিছিল। তাই আইকণজনীক কৌতূহলেৰে মূৰৰ পৰা ভৰিলৈ নিৰীক্ষণ কৰি আছিল। তাই ক'লে, "আল্মমামা স্বয়ং আহিছিল নে নাই মই নাজানোঁ আই। পিছে নহাটোহে সম্ভৱ। অকমানিজনীয়ে কিবা ভুল কৰিছে চাগে।"

হাইডিয়ে তিৰোতাজনীলৈ স্থিৰ দৃষ্টিৰে চালে আৰু ডাঠি ক'লে, "কোনে মোৰ গাটো থৈলাখনেৰে মেৰাই শ্লেজত তুলি আনিছিল মই খাটাংকৈ জানোঁ। তেৱেঁই মোৰ ককা।"

"তেন্তে আল্মমামাৰ বিষয়ে যোৱা জহকালি পিটাৰে কোৱা কথাবাৰ তেনেই অমূলক নাছিল। আমিহে সি ভুল কৰা বুলি ভাবিছিলোঁ", আইতাকে ক'লে। "এনেটো সম্ভৱ বুলি কোনে প্ৰকৃততে বিশ্বাস কৰিলেহেঁতেন? আইকনে আল্মত তিনি সপ্তাহৰ বেছি তিষ্ঠিব নোৱাৰিব বুলি ময়েই ভাবিছিলোঁ। বৃগিটে, আইকণ দেখিবলৈ কেনেকুৱা?"

ইতিমধ্যে বৃগিটেই হাইডিক তন্ন তন্নকৈ চাই লোৱাই তাই ভালকৈ বৰ্ণনা কৰিব পাৰিলে। "এই আডেলহাইডৰ দৰে সুগঢ়ী; টোবিয়াচ আৰু ককাকৰ দৰে এইৰ চকুযোৰ ক'লা আৰু চুলিবোৰ কেঁকোৰা। মোৰ মতে এই মাক-বাপেক দুয়োৰো লেখীয়া হৈছে।"

এইখিনি পৰ হাইডি এনেয়ে বহি থকা নাছিল; কোঠাটোৰ চাৰিওফালে চকু ফুৰাই তাই সকলো লক্ষ্য কৰিছিল। তেনেতে তাই কৈ উঠিল, "আইতা, চোৱাঁচোন, খিড়িকিৰ সৌ পাল্লাখন বতাহত দোল খাই আছে। আইনাখন ভাগেহে। ককা আহি গজাল এটা মাৰি দিলেই এইখন দোল নোখোৱা হ'ব।"

"মোৰ সোণজনী, মই নেদেখোঁ নহয়; শুনোঁহে", আইতাকে ক'লে। 'পাল্লাখনৰ ঘটংঘটঙতকৈও বহুতো বেছি শব্দ মই শুনোঁ। বতাহ মাৰিলেই

জুপুৰিটোৰ সকলো বস্তু কেৰ্কেৰায় আৰু ঘৰ্ঘৰায়। বতাহো সকলোপিনেদি ভিতৰ সোমায়। জুপুৰিটোৰ গোটেইবোৰ বস্তু সোলোক-ঢোলোক। নিশা যেতিয়া বৰফ দূটা ওই থাকে, তেতিয়া জুপুৰিটো ভাগি আমাৰ মূৰত পৰিলে আমি তিনিও মৰি থাকিম বুলি ভয় আৰু আশংকাত মোৰ প্ৰায়ে টোপনি নাহে। জুপুৰিটো মেৰামত কৰিবলৈ আমাৰ কোনো মতা মানুহ নাই, কাৰণ পিটাৰে এইবোৰৰ কোনো আও-ভাও নাপায়।'

"আইতা, পাল্লাখন দুলি থকা তুমি কিয় নেদেখা? চোৱা, সৌখন আকৌ দোল খাইছে। সৌখন, সৌখন।" হাইডিয়ে খিড়িকিখন আঙুলি টোৱাই দেখুৱালে।

"মই একোকে নেদেখোঁ আইকণ, একোকেই নেদেখোঁ। খিড়িকি-চিড়িকি একো নেদেখোঁ," আইতাকে বিষণ্ণ মনে সমিধান দিলে।

"মই যদি বাহিৰলৈ গৈ খিড়িকিখন ভালকৈ খুলি দিওঁ আৰু কোঠাটো বেছি পোহৰ হয়, তেন্তে তুমি দেখিবানে আইতা?"

"নাই, তেতিয়াও নেদেখোঁ। মই দেখা পোৱাকৈ পোহৰ কোনোৱে আনিব নোৱাৰে।"

"কিন্তু ওকূলা বৰফৰ মাজলৈ ওলাই গলে তুমি দেখা পোৱাকৈ পোহৰ নিশ্চয় পাবা। মোৰ লগত ব'লাচোন আইতা, তোমাক দেখুৱাই দিওঁগৈ।" বুঢ়ী আইতাজনীৰ বাবে কতো পোহৰ নাই বুলি অনুভৱ কৰি শোকাকুল হবলৈ আৰম্ভ কৰা হাইডিয়ে আইতাকক বাহিৰলৈ নিবলৈ বুলি তেওঁৰ হাতত ধৰিলেগৈ।

"মোক বহি থাকিবলৈয়ে দিয়া সোণজনী। মোৰ বাবে বৰফতো আন্ধাৰ; দিনৰ পোহৰতো আন্ধাৰ; মই চকুৰে নেদেখোঁ সোণজনী।"

সমস্যাটোৰ সমাধান উলিয়াবলৈ উৎকণ্ঠ হৈ পৰা হাইডিয়ে ক'লে, "আইতা, জহকালি বেলিটো যেতিয়া উত্তপ্ত হৈ ওলায়; যেতিয়া বেলিয়ে 'শুভ ৰাতি' জনাওঁতে পৰ্বতবোৰ জুই-বৰণা হয় আৰু হালধীয়া ফুলবোৰ জলমলাব ধৰে, তেতিয়া তোমাৰ বাবে পোহৰ হ'ব; নহব জানো আইতা?"

"আঃ আইকণ, মই আৰু কাহানিও সেইবোৰ নেদেখোঁ। ওপৰৰ জুই-বৰণা পৰ্বতবোৰ আৰু সোণোৱালী ফুলবোৰ মোৰ বাবে এই ভাৰতত কেতিয়াও উজ্জ্বল নহয়; কদিন কালেও নহয়।"

এইবাৰ শুনি হাইডিয়ে হুৰাওৰাৰে কান্দি উঠিল। বেদনা কাতৰ হাইডিয়ে উচুপি উচুপি কবলৈ ধৰিলে, "কোনে তোমাৰ বাবে পোহৰ আনিবলৈ পাৰিব আইতা? কোনোৱে নোৱাৰেনে? তেনে কোনো একেবাৰে নাইনে?"

আইতাকে হাইডিক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে কিন্তু সোনকালে সকল

নহ'ল। হাইডিয়ে প্ৰায় নাকান্দিছিলেই, কিন্তু এবাৰ আৰম্ভ কৰিলে তাইৰ শোক সহজে উপশম হোৱা অসম্ভৱ যেন আছিল।

হাইডিৰ অতি পুতৌলগা উচুপনিয়ে আইতাকৰ অন্তৰ পৰশিলে আৰু তেওঁ নানা ধৰণে তাইক প্ৰবোধ দিবলৈ চেষ্টা কৰিলে। অৱশেষত তেওঁ ক'লে, "হাইডি, মইনাজনী, শুনাচোন। তোমাক কথা এটা কওঁনে? মানুহে যেতিয়া চকুৰে নেদেখে, তেতিয়া দুই-এষাৰ সৌহাৰ্দ্যৰ কথাই তেওঁক অতিকৈ আনন্দ দিয়ে। তোমাৰ কথা শুনি মোৰ ভাল লাগে। আহাঁ, মোৰ কাষত বহাহি। আলমত তুমিনো কি কৰা আৰু আল্মমামাইনো কি কৰে মোক কোৱাহি। ককাৰাক মই একালত ভালকৈয়ে জানিছিলোঁ। কিন্তু আজি কেইবছৰমান পিটাৰৰ মুখত শুনা কথাখিনিহে মই জানোঁ। তাতে পিটাৰেও কথা বেচি নকয়।"

তেনেতে হাইডিৰ মনত নতুন কথা এটা খেলাল। তাই লৰালৰিকৈ চকুলো মচি আইতাকক সান্ত্বনা দিয়াদি ক'লে, "আইতা, মই ককাক সকলো ভাঙি-পাতি কোৱালৈ ৰোৱাচোন। ককাই কৰিব নোৱৰা কাম নাই। ককাই জুপুৰিটো যেনামত কৰি ভাগি নপৰা কৰি দিব; তোমালৈও পোহৰো আনিব।"

আইতাক মনে মনে থাকিল। হাইডিয়ে তেতিয়া অতি উচ্ছাসেৰে ককাকৰ লগত তাই কেনেকৈ জীৱন নিয়ায়; জহকালিৰ দিনবোৰ তাই ঘাঁহনিত কেনেকৈ কটাইছিল; এতিয়া জাৰকালি সিহঁতৰ দিনবোৰ কেনেকৈ যায়; ককাকে কাঠৰ পৰা সজা বেঞ্চ, টুল, শ্চেন্‌লি আৰু বেৰ্‌লিৰ বাবে ঘাঁহ থোৱা সজুঁলি, জহকালি গা ধুবলৈ কৰা নতুন, ডাঙৰ গামলা, গাখীৰ খাবলৈ কৰা নতুন বাটি আৰু চামুচৰ কথা ক'বলৈ ধৰিলে। তাই আৰু বেছি আগ্ৰহেৰে এটুকুৰা কাঠৰ পৰা ককাকে কি কি ধুনীয়া বস্তুবোৰ কৰে, কেনেকৈ তাই ককাকৰ লগে লগে সকলো চাই-চিতি থাকে আৰু ককাকে কেনেকৈ বস্তুবোৰ টপাটপ্ সাজি উলিয়ায় তাই বৰ্ণাবলৈ ধৰিলে। আইতাকে অতি আগ্ৰহেৰে তাইৰ কথাবোৰ শুনি থাকিল। মাত্ৰ মাজে মাজে তাইৰ কথাৰ মাজতে তেওঁ কৈছিল, "বৃগিটে, শুনিলিনে? এই আল্মমামাৰ কথা কি কৈছে মন কৰিছনে?"

হঠাতে দুৱাৰত কোনোবাই ডাঙৰকৈ ঢকিওৱাৰ শব্দত গল্প বন্ধ হ'ল আৰু গমহ্ গমহকৈ খোজ দি পিটাৰ সোমাই আহিল। সোমায়েই সি হাইডিক দেখি খিতাতে ৰ'ল আৰু বিস্ময়ত তাৰ ঘূৰণীয়া চকুহাল ডাঙৰকৈ মেল খালে। হাইডিয়ে যেতিয়া 'শুভ আবেলি' বুলি তাক সম্ভাষণ জনালে, সৌহাৰ্দ্যৰ দাঁত-নিকটোৱা হাঁহি এটা তাৰ মুখ-মণ্ডলত বিয়পি গ'ল।

"আৰে, ই পঢ়াশালিৰ পৰা উভতিবৰ হলেইনে?" আচৰিত হৈ আইতাকে

ডাঙৰকৈ ক'লে, "মোৰ আবেলিবোৰ বহুত কাল ইমান সোনকালে শেষ হোৱা নাছিল। 'শুভ আবেলি' পিটাৰলি। আজিৰ পাঠ কেনে হ'ল?"

"আগৰ দৰেই," সি উত্তৰ দিলে।

"বাৰু, বাৰু।" আইতাকে মৃদু হুমুনিয়াহ কাঢ়ি উত্তৰ দিলে। "এইবাৰ কিবা অলপ সলনি হ'ব বুলি মই ভাবিছিলোঁ। চাচোন পিটাৰলি, অহা ফেব্ৰুৱাৰিত তোৰ বাৰ বছৰ হ'বই।"

"সলনি কিয় হ'ব লাগে আইতা?" কথাটোত আগ্ৰহী হৈ হাইডিয়ে সুধিলে।

"পিটাৰে কিবা অলপ শিকিব বুলি, মানে, মাত্ৰ পঢ়িব পৰা হ'ব বুলি মই ভাবিছিলোঁ," আইতাকে ক'লে, "ওপৰৰ সৌ তাক্‌খনত সুন্দৰ, সুন্দৰ স্তুতি-গীত থকা মোৰ এখন পুৰণি পুথি আছে। সেইবোৰ স্তুতি-গীত বহুত কাল শুনা নাই কাৰণে মই পাহৰি গৈছোঁ। পিটাৰে পঢ়িব পৰা হলে তাৰে কিছুমান সি মোক পঢ়ি শুনাব পৰা হ'ব বুলি মই ভাবিছিলোঁ। কিন্তু সি একো নিশিকে। তাৰ বাবে এইটো বৰ টান কাম।"

পিটাৰৰ চোলা সী থকা মাক বৃগিটেই মাত দিলে, "আল্মাৰ বাৰুকৈ হৈছে। মই পোহৰৰ ব্যৱস্থা কৰোঁ।"

সেইষাৰ শুনি হাইডিয়ে একেচাবে চকীৰ পৰা জাঁপ মাৰি উঠিল আৰু আইতাকলৈ হাত মেলি দি ক'লে, "'শুভ ৰাত্ৰি', আইতা। আল্মাৰ হৈ আহিছে যেতিয়া মই এতিয়াই ঘৰলৈ যাব লাগিব।" পিটাৰ আৰু তাৰ মাকেও তাইক কৰমৰ্দন কৰিলে আৰু তাইক আগবঢ়াই থবলৈ দুৱাৰমুখলৈ গ'ল। আইতাকে কিন্তু উদ্বেগত কৈ উঠিল, "হাইডি, ৰোৱাঁ। ৰোৱাঁ। তুমি অকলে যাব নোৱাৰা। পিটাৰ তোমাৰ লগত যাবই লাগিব। শুনিছানে? পিটাৰলি, আইকণক সাৱধানে নিবি আৰু পৰিব-চৰিব নিদিবি। তাইক কতো থৰ লাগি ৰবলৈও নিদিবি কাৰণ ৰলে তাই ঠাণ্ডাত জঠৰ হৈ পৰিব পাৰে। শুনিছনে? তাইৰ ডিঙিত গৰম স্কাৰ্ফ আছেনে?"

"মোৰ স্কাৰ্ফেই নাই কিন্তু মই জঠৰো নহওঁ," হাইডিয়ে ডাঙৰকৈ কলে। তাই দুৱাৰখন খুলি ইমান বেগাই ওলাই গ'ল যে পিটাৰে তাইৰ পিছ লোৱা টান হ'ল।

উদ্বিগ্ন হৈ আইতাকে চিঞৰি ক'লে, "তয়েই লৰি যা বৃগিটে, তয়েই লৰি যা। এই নিশা তাই ঠেঁৰেজা লাগিব। মোৰ শালখনকেই লৈ যা। বেগাই দৌৰ।"

বৃগিটেই তাকে কৰিলে। ইপিনে ল'ৰা-ছোৱালীহালে পৰ্বতত কেইখোজমান উঠোঁতেই ওপৰৰ পৰা ককাকক নামি অহা দেখা পালে। খন্তেক পিছতে তেওঁ সিহঁতৰ কাষ পালেহি।

"চাবাচ হাইডি, তুমি কথা ৰাখিলা," ককাকে ক'লে। তেওঁ আগৰ দৰে হাইডিক থৈলাখনেৰে মেৰাই কোলাত তুলি লৈ পৰ্বত বগাবলৈ ললে।

বৃগিটেই ঘটনাটো দেখিলে। পিটাৰৰ লগত উভতি গৈ তাই আইতাকক ঘটনাটো পৰম বিস্ময়েৰে বিবৰি কলে। আইতাকো আচৰিত হ'ল আৰু ক'বলৈ ধৰিলে, "তাইলৈ আল্মমামাৰ ইমান মৰমৰ বাবে ঈশ্বৰক ধন্যবাদ; ঈশ্বৰৰ জয় হ'ক! ঈশ্বৰক ধন্যবাদ; ঈশ্বৰৰ জয় হ'ক! আল্মমামাই তাইক আকৌ ইয়ালৈ আহিবলৈ দিলে হয়! আইকণৰ হিয়াখনো ইমান কোমল! তাই ইমান ৰসালকৈ কথাও পাতে!"

সেইদিনা শুবলৈ যোৱালৈকে আইতাই দোহাৰি আছিল, "মোক সন্তোষ দিব পৰা কিবা এবিধ ভাৰস্তত এতিয়াও আছে। তাই আকৌ আহিব পৰা হ'লে!"

বৃগিটেই তেওঁৰ প্ৰতিটো কথাত সম্মতি জনালে। পিটাৰেও সমৰ্থন জনাই মূৰ দুপিয়ালে। আনন্দত মুখখন বহলকৈ মেলি পিটাৰে ক'লে। "মই বিচুৰ্ত্তি খাবৰ একো নাই।"

ইপিনে থৈলাখনৰে ঢাক খাই থকা হাইডিৰ বক্তব্য বহুত আছিল। কিন্তু আঠজাপ কাপোৰৰ মাজেৰে তাইৰ মাত স্পষ্ট নহ'ল। তাইৰ এটা শব্দও ককাকে বুজি নাপালে। সেয়ে তেওঁ ক'লে, "ঘৰ পাওঁগৈ মানে ৰ'ৰাচোন। ঘৰ পাই সকলো কবা।"

ঘৰত সোমাই তেওঁ হাইডিক কাপোৰৰ জাপৰ পৰা মুকলি কৰি দিওঁতেই তাই ক'লে, "কাইলৈ আমি হাতুৰিটো আৰু ডাঙৰ গজালবোৰ লৈ গৈ আইতাৰ খিড়িকিৰ পাল্লাখন টানকৈ লগাব লাগিব। জুপুৰিটোৰ সকলো বস্তু কেৰ্‌মেৰায় আৰু ঘৰ্ঘৰায় কাৰণে অ'ত-ত'ত গজালো বহুত মাৰিব লাগিব।"

"আমি লগাব লাগিব? কামবোৰ তেনেকৈ কৰিব লাগিব? তোমাক কোনে হুকুম দিছে?" ককাকে সুধিলে।

"আনে কিয় কব লাগে? মই নিজেই জানোঁ," হাইডিয়ে ক'লে। "জুপুৰিটো তেনেই সোলোক-ঢোলোক। বতাহ বলা সময়ত আইতা উদ্বিগ্ন আৰু ভয়ত অত্ৰাহি হৈ থাকে আৰু তেওঁৰ টোপনি নাহে। তেওঁ ভাবে, 'এতিয়া এইটো আমাৰ মূৰত ভাগি পৰিব।' তাৰ উপৰিও, কোনোৱে কাহানিও আইতাক পোহৰ দিব নোৱাৰে। পোহৰ পোৱাৰ দিহা-বুধিও তেওঁ নাজানে। কিন্তু ককা, তুমি পাৰিবা নিশ্চয়। চিৰকাল আন্ধাৰত থাকিবলগীয়া হোৱাটো কিমান দুখৰ ভাবি চোঁৱাচোন। তোমাৰ বাহিৰে আনে তেওঁক সহায়ো কৰিব নোৱাৰে। কাইলৈ আমি যাম। নাযাম জানো ককা?"

হাইডিয়ে ককাকক আকোঁৱালি তেওঁৰ মুখলৈ অসন্দিগ্ধ আগ্ৰহেৰে চাই ৰ'ল। অলপ পৰ তাইলৈ ৰ লাগি চাই থাকি ককাকে ক'লে, "এৰা হাইডি, আইতাৰ জুপুৰিটো আমি মেৰামত কৰিম। কেৰ্‌মেৰোৱা বন্ধ কৰিম। কাইলৈয়ে কৰিম।"

ফূৰ্ত্তিত হাইডিয়ে 'কাইলৈ আমি কৰিম, কাইলৈ আমি কৰিম' বুলি কোঠাটোত ডেও দি ফুৰিবলৈ ধৰিলে।

ককাকে কথা ৰাখিলে। পাছদিনা আবেলি দুয়ো আগৰদৰে স্লেজত উঠি গ'ল। জুপুৰিটোৰ সমুখত হাইডিক নমাই দি ককাকে ক'লে, "তুমি ভিতৰলৈ যোৱা। গধূলি হ'লে ওলাই আহিবা।" তাৰ পিছত তেওঁ থৈলাখন স্লেজত থৈ জুপুৰিটো বাহিৰে বাহিৰে চাবলৈ ধৰিলে।

হাইডিয়ে দুৱাৰখন খুলি কোঠাটোত সোমাওঁতে-নোসোমাওঁতে নিজৰ চুকটোৰ পৰা আইতাকে মাত দিলে, "আইকণ আহিবলৈ ধৰিছে। এইয়া আইকণজনী!" ফূৰ্ত্তিত আইতাকে সূতাডাল এৰি দি আৰু যঁতৰটো ঘূৰোৱা বন্ধ কৰি দুয়োখন হাত হাইডিৰ পিনে মেলি ধৰিলে।

হাইডিয়ে তৎক্ষণাত সৰু, চাপৰ চকীখন তেওঁৰ নিচেই কাষলৈ ঠেলি নি সেইখনত বহিল। আইতাকক কবলৈ আৰু সুধিবলৈ তাইৰ বহুত কথা আছিল। কিন্তু হঠাতে, জুপুৰিটোত প্ৰচণ্ড কোব পৰিবলৈ ধৰিলে। আইতাক এনেকৈ উচাপ খাই উঠিল যে তেওঁৰ হাত লাগি যঁতৰটো বাগৰি পৰে পৰে যেন হ'ল। ভয়তে কঁপি কঁপি আইতাকে কৈ উঠিল, "হায়, হায়। অঘটনটো ঘটিলেই! জুপুৰিটো থান্-বান্ হ'লেই!"

হাইডিয়ে কিন্তু তেওঁৰ বাউসিত দৃঢ়তাৰে ধৰি সান্ত্বনা দি ক'লে, "নহয় আইতা, নহয়। ভয় নাখাবা। সেইয়া ককাই হাতুৰি মৰাৰ শব্দহে। ককাই সকলো ঠিক্-ঠাক্ কৰি দিব। তুমি ভয় আৰু দুশ্চিন্তাত আৰু মৰিব নালাগে।"

"হয়নে? এনেটো সম্ভৱনে? দয়ালু প্ৰভুৱে তেন্তে আমাক সম্পূৰ্ণকৈ পাহৰি যোৱা নাই!" বুঢ়ীগৰাকীয়ে আবেগত ডাঙৰকৈ কৈ উঠিল। "বৃগিটে, কথাষাৰ শুনিছনে? সেয়া আচলতে হাতুৰি মৰা শব্দহে। বৃগিটে, বাহিৰলৈ যাচোন। সেয়া যদি আল্মমামাই হয়, তেন্তে তেওঁক যেনেতেনে ভিতৰলৈ খন্তেকলৈ আহিবলৈ কৰি যাতে মই তেওঁক ধন্যবাদ জনাব পাৰোঁ।"

বৃগিটে বাহিৰলৈ গ'ল। আল্মমামাই তেতিয়া বেৰত নতুন তক্তা এখন লগাই আছিল। তেওঁৰ কাষলৈ গৈ বৃগিটেই ক'লে, "'শুভ আবেলি,' মামা। আয়েও আপোনাক শুভ ইচ্ছা জনাইছে। আমাৰ এনে উপকাৰ কৰা কাৰণে মোৰ আৰু ভিতৰত থকা আইৰ ধন্যবাদ লব। নিশ্চয় আন কোনোৱে আমাৰ এনে উপকাৰ নকৰে। আমি আপোনাক ধন্যবাদ জনাব খোজোঁ কাৰণ নিশ্চয়—"

বুগিটেৰ কথাত বাধা দি বুঢ়াজনে ক'লে, "ইমানেই আঁটিছে। তইঁতে আম্মমামাৰক কি বুলি ভাব মই জানোঁ। উভতি যা। এইটোৰ ক'ত কি কৰিব লাগে মই নিজেই দেখা পাম।"

আম্মমামাৰ ধৰণ-কৰণত এনে কিবা আছিল যে সাধাৰণতে আনে তেওঁৰ বিৰুদ্ধে নগৈছিল। বুগিটেই সুৰ্‌সুৰ্ কৰে ভিতৰ সোমাল।

ককাই জুপুৰিটোৰ চাৰিওপিনে ঘুৰি গজাল-চজাল মাৰি সৰু, ঠেক খট্‌খটিটোৰে উঠি গৈ চাল পালেগৈ আৰু নিয়া গজালখিনি লগাই শেষ কৰিলে। ইতিমধ্যে সাঁজ লাগিল। তেওঁ নামি আহি শ্লেজখন ছাগলীঘৰটোৰ পৰা উলিয়াই আনিছেহে মাত্ৰ, এনেতে হাইডি ওলাই আহিল। আগদিনাৰ দৰে ককাকে তাইক থৈলাখনৰে মেৰাই কোলাত তুলি ললে আৰু শ্লেজখন পিছপিনে চোঁচোৰাই খোজ ললে।

এনেকৈয়ে জাৰকালি পাৰ হ'ল।

বহুতবছৰৰ পিছত অন্ধ আইতাজনীৰ নিৰানন্দ জীৱনলৈ আনন্দ আহিল। এতিয়া তেওঁৰ দিনবোৰ আগৰ দৰে দীঘল আৰু আন্ধাৰ নোহোৱা হ'ল। এতিয়া তেওঁ সদায় আনন্দৰ কিবা এটাৰ আগমনলৈ বাট চাব পৰা হ'ল। এতিয়া নিচেই পুৱাৰে পৰা তেওঁ হাইডিৰ লঘু পদশব্দ শুনিবলৈ উনাই আছিল আৰু তাই দুৱাৰ খুলি নাচিবাগি ভিতৰ সোমালেই সদায় তেওঁ আনন্দত ডাঙৰকৈ কৈছিল, "প্ৰভুক ধন্যবাদ। এই আকৌ আহিল।"

হাইডিয়েও আইতাকৰ কাষত বহি উল্লাসত কল্‌কলাই তাই জনা সকলো বিষয়ে কথা পাতিছিল। ফলত সময় কেনি যায় আইতাকে গম নোপোৱা হৈছিল। এতিয়া তেওঁ আগৰ দৰে 'বুগিটে, দিনটো শেষ হ'বৰ হ'লনে' বুলি নোসোধা হ'ল।

সদায় গধুলি হাইডিয়ে দুৱাৰখন মাৰি যেতিয়া বাহিৰ ওলাইছিল, তেতিয়া আইতাকে কৈছিল, "আবেলিটো তেনেই চুটি হৈছে নহয়নে বুগিটে?" তাই উত্তৰত কৈছিল, "অঁ, দুপৰীয়াৰ সাঁজ খাই উঠা উঠা যেনহে মোৰ লাগি আছে।" আইতাকে তেতিয়া আকৌ কৈছিল, "দয়ালু প্ৰভুৱে মোৰ বাবে যেন আইকণজনীক ভালে ৰাখে আৰু আম্মমামাকো যেন সহৃদয় কৰি ৰাখে। তাই দেখাত ভালে আছে নে বুগিটে?"

বুগিটেও প্ৰতিবাৰেই উত্তৰত কৈছিল, "তাই গুলপীয়া আপেল যেন দেখা হৈছে।"

হাইডিও বুঢ়ী আইতাকজনীৰ প্ৰতি বৰ অনুৰক্ত হৈ পৰিছিল। কোনোৰে, আনকি তাইৰ ককাকেও আইতাকৰ চকুৰ আন্ধাৰ কাহানিও আঁতৰাব নোৱাৰাৰ কথাটো তাইৰ মনত পৰিলেই গভীৰ দুখ-বেদনাত তাই জৰ্জৰিত হৈছিল।

তেতিয়া আইতাকে তাইক আশ্বাস দি কৈছিল যে তাই কাষত থাকিলেই তেওঁৰ যন্ত্ৰণাৰ উপশম হৈছিল। সেয়ে গোটেই জাৰকালি বতৰ ভালে থকা দিনবোৰত শ্লেজখনত উঠি হাইডি জুপুৰিটোলৈ গৈছিল। ককাকেও কোনো ওজৰ-আপত্তি নকৰি তাইৰ লগতে শ্লেজত হাতুৰি আদিও নিছিল। বহুতো আবেলি তেওঁ পিটাৰহঁতৰ জুপুৰিটো মেৰামত কৰি কটাইছিল। তেওঁৰ কামৰ সুফল ফলিল। বতাহ বলিলেই জুপুৰিটো কেৰ্‌মেৰোৱা আৰু ঘৰ্ঘৰোৱা বন্ধ হ'ল। বহুত বছৰৰ পিছত আইতাকে জাৰকালি নিশা ভালকৈ ঘুমটি মাৰিব পৰা হ'ল। সেয়ে আইতাকে সদায় কৈছিল যে আল্মমামাকক তেওঁ আৰু কাহানিও পাহৰি নাযায়। ■

পঞ্চম অধ্যায়

দুজন আগন্তুক অহাৰ ফল

শীতকালটো সোনকালেই শেষ হ'ল। তাতকৈও সোনকালে তাৰ পাছৰটো জহকালিৰ মনোৰম দিনবোৰৰ অন্ত পৰিল আৰু নতুন শীতকালটোও শেষ হবৰ হৈ আহিল। আকাশৰ চৰাইবোৰৰ দৰে ৰঙীয়াল আৰু সন্তুষ্ট হাইডিয়ে তেতিয়া ক্রমবর্দ্ধমান আগ্রহেৰে বসন্তৰ আগমনলৈ বাট চাইছিল। বসন্ত আহিলেই দক্ষিণৰ উষ্ণ বতাহে ফাৰবোৰৰ মাজেৰে বলি বৰফবোৰ খেদি পঠিয়াব; উজ্জ্বল বেলিটোৱে নীলা আৰু হালধীয়া ফুলবোৰক জগাই দিব; আৰু চৰণীয়া ঘাঁহনিত কটোৱা মনোৰম দিনবোৰ আকৌ আহিব। সেইবোৰ হ'ল পৃথিৱীয়ে তাইক দিব পৰা সবাতোকৈ সুখৰ দিন।

হাইডিৰ বয়স আঁঠ বছৰ হ'ল। ইতিমধ্যে ককাকৰ পৰা তাই সকলোৰকমৰ হাতৰ কাম শিকিলে; তাই ছাগলীজাকৰ এজনী যেন হৈ সিহঁতৰ লগত যাব পৰা হ'ল; শ্চেন্‌লি আৰু বেৰ্‌লিয়ে বিশ্বাসী কুকুৰৰ দৰে তাইৰ পিছে পিছে ঘূৰা হ'ল; তাইৰ মাত শুনিলেই সিহঁত দুজনীয়ে ডাঙৰকৈ বেবোৱা হ'ল।

এইবাৰ জহকালি ডৰ্ফলিৰ শিক্ষকজনৰ পৰা বতৰা লৈ পিটাৰ দুবাৰো পঁজাটোলৈ আহিছিল। শিক্ষকজনে কৈ পঠাইছিল যে আল্মমামাকৰ লগত থকা ছোৱালীজনীৰ পাঠাৰম্ভ কৰাৰ বয়স উকলি যোৱা কাৰণে তাইক পঢ়াশালিলৈ পঠোৱা উচিত; দৰাচলতে যোৱা জাৰকালিয়েই তাই পঢ়াশালিলৈ যাবলৈ লাগিছিল। দুয়োবাৰেই আল্মমামাকে কৈ পঠিয়াইছিল যে শিক্ষকজনক কিবা লাগিলে তেওঁ আল্মমামাকক পঁজাটোতে পাব কিন্তু ছোৱালীজনীক পঢ়াশালিলৈ পঠিওৱা নহ'ব। পিটাৰে শিক্ষকজনক উত্তৰটো ঠিকে ঠিকেই দিছিল।

মাৰ্চ মাহৰ বেলিটোৱে যেতিয়া পৰ্বতবোৰৰ হেলনিৰ বৰফবোৰ গলাই পেলালে আৰু উপত্যকাখনৰ সকলোতে স্নোড্ৰপ ফুলবোৰ জাতিষ্কাৰ হৈ ফুলিল; যেতিয়া আল্মৰ ফাৰবোৰে বৰফৰ গধূৰ বোজা জোকাৰি পেলালে আৰু ডালবোৰে ফুৰ্ত্তিত আকৌ হালিব-জালিব ধৰিলে; তেতিয়া হাইডিজনী তিত্‌পখিলী হৈ পৰিল; তাই ৰঙতে লৰি-ঢাপৰি ফুৰিবলৈ ধৰিলে; পঁজাটোৰ পৰা ছাগলীঘৰটোলৈ, সেইটোৰ পৰা ফাৰৰ তললৈ, তাৰপৰা পঁজাটোত বহি থকা ককাকৰ ওচৰলৈ গৈ তাই ফাৰৰ তলৰ সেউজীয়া ঘাঁহবোৰে কোনদিনা কিমান বেছি ঠাই ছাটি ধৰিছে জনালে। সেইবোৰ ভালকৈ চাবলৈ তাই আকৌ

এবাৰৰ ফাৰৰ তললৈ লৰ মাৰিলে। পাতে-ফুলেৰে বিনন্দীয়া জহকালি পৰ্বতলৈ উভতি অহালৈ আৰু গোটেইখন সেউজীয়া হৈ পৰালৈ তাই বৰ নোৱৰা হ'ল।

মাৰ্চ মাহৰ এদিন ৰৌদ্ৰোজ্জ্বল পুৱা হাইডিয়ে এনেকৈ লৰি-ঢাপৰি থাকোঁতে আৰু পঁজাটোৰ দুৱাৰ-ডলিৰে দশমবাৰলৈ জাঁপ মাৰি ওলাব খোজোঁতেই তাই চক্ খাই পঁজাটোত লুটি খাই পৰে যেন হ'ল। কাৰণ হঠাতে তাই সমুখত ক'লা সাজ-পাৰ পিন্ধা বুঢ়া এজনে তাইলৈ অতি আগ্ৰহেৰে চাই থকা তাই দেখিলে। তাই ইমান ভয় খোৱা দেখি বুঢ়াজনে মৰমেৰে ক'লে, "মোক দেখি ভয় নাখাবা। মই ল'ৰা-ছোৱালী ভালহে পাওঁ। চাওঁ, কৰমৰ্দন কৰিবলৈ হাতখন দিয়াচোন। তুমি নিশ্চয় হাইডি। ককাৰা ক'ত?"

"সৌৱা ককাই টেবুলৰ কাষত বহি কাঠৰ গোল-চামুচ সাজি আছে," দুৱাৰখন ভালকৈ খুলি দি দি হাইডিয়ে কলে।

এখেতেই হ'ল ডৰ্ফলিৰ গিৰ্জাটোৰ পেষ্টৰ। বহুত বছৰ আগতে আল্মমামাই এখেতৰ চুবুৰীয়া হৈ উপত্যকাত বাস কৰিছিল। তেতিয়াৰে পৰা দুয়োৰে চিনাকি। তেখেত পঁজাটোত সোমাই কাঠডোখৰৰ ওপৰত হালি কাম কৰি থকা বুঢ়াজনৰ কাষলৈ গৈ ক'লে, "শুভ ৰাতিপুৱা, চুবুৰীয়া।"

আচৰিত হৈ ককাই মূৰ তুলি চালে আৰু মুহূৰ্ত্ততে থিয় হৈ ক'লে, "শুভ ৰাতিপুৱা, পেষ্টৰ।" তাৰ পিছত নিজৰ টুলখন আগবঢ়াই দি তেওঁ ক'লে "পেষ্টৰে কাঠৰ আসনত বহি বেয়া নাপালে ইয়াতে বহে যেন।"

পেষ্টৰ বহিল আৰু খন্তেক পিছত ক'লে, "চুবুৰীয়া, মই আপোনাক বহুত দিন পোৱা নাই।"

"ময়ো আপোনাক পোৱা নাই পেষ্টৰ," উত্তৰ আহিল।

"আপোনাৰ সৈতে আলোচনা এটা কৰিবলৈহে মই আজি আহিছোঁ," পেষ্টৰে আৰম্ভ কৰিলে। "মই কি কথা পাতিবলৈ আহিছোঁ আপুনি ইতিমধ্যে গম পাইছে বুলিয়েই মোৰ ধাৰণা। এই বিষয়ে আপুনি কি পাঙিছে মই জানিব খোজোঁ।"

পেষ্টৰ নীৰৱ হ'ল আৰু দুৱাৰমুখত থিয় হৈ অচিনাকি মানুহজনলৈ তীক্ষ্ণ দৃষ্টিৰে চাই থকা হাইডিলৈ তেওঁ চালে।

"হাইডি, ছাগলীদুজনীৰ তালৈ তুমি যোৱা," ককাকে ক'লে। "সিহঁতলৈ নিমখ অকণো নিব পাৰা। মই নোযোৱালৈ তুমি সিহঁতৰ লগতে থাকিবা।"

হাইডি তত্তালিকে নোহোৱা হ'ল।

"আইকণক যোৱাবেলিয়েই পঢ়াশালিলৈ পঠোৱা উচিত আছিল। এই জাৰকালি তাই পঢ়াশালিলৈ যেনেতেনে যাবই লাগিছিল", পেষ্টৰে ক'লে। "শিক্ষকজনে কথাটো আপোনাৰ কাণ চোৱাইছিল কিন্তু আপুনি উচিত উত্তৰ

দিয়া নাছিল। চুবুৰীয়া, অকণমানিজনীৰ বিষয়ে আপুনি কি কৰাৰ কথা পাঙিছে?"

"এইক মই পঢ়াশালিলৈ পঠিয়াব নোখোজোঁ," ককাকে উত্তৰ দিলে।

কিলাকুটি দুটা টেবুলত থৈ হাত পকাই আৰু মুখত দৃঢ় সিদ্ধান্তৰ ভাব লৈ বহি থকা বুঢ়াজনলৈ পেষ্টৰে আচৰিত হৈ চালে।

"তেন্তে আইকণক আপুনি কেনেকৈ মানুহ কৰাৰ কথা ভাবিছে?" পেষ্টৰে সুধিলে।

"নাই ভবা। ছাগলী আৰু চৰাইৰ লগত থাকি তাই ডাঙৰ হ'ব। সিহঁতৰ লগত তাই ভালে থাকিব। সিহঁতৰ পৰা তাই কুকথাও একো নিশিকে।"

"কিন্তু তাই চৰায়ো নহয়, ছাগলীও নহয়; মানুহহে। সেইবোৰ সঙ্গীৰ পৰা তাই কুকথা নিশিকে সঁচা কিন্তু আন কথাও একো নিশিকে। তাই ইটো-সিটো শিকা উচিত আৰু তাৰ বাবে সময় পালেহি। মই কথাটো আপোনাক এতিয়াই সোঁৱৰাই দি যাওঁ বুলি আহিলোঁ যাতে আপুনি কথাটো বিবেচনা কৰি-মেলি অহা জহকালিলৈ উপযুক্ত ব্যৱস্থা লবলৈ পাৰে। একো নিশিকাকৈ দিন কটোৱা এইটোৱেই যেন তাইৰ শেষ জাৰকালি হয়। অহা জাৰকালি তাই সদায় নিয়মীয়াকৈ পঢ়াশালিলৈ যাবই লাগিব।"

"মই সেইটো নকৰোঁ পেষ্টৰ," ককাই দৃঢ়ভাবে দোহাৰিলে।

"আপোনাৰ অযৌক্তিক আচৰণত আপুনি ইমান আঁকোৰগোজ হৈ লাগি থাকিলে আপোনাক সৈমান কৰোৱাৰ কোনো উপায় নাই বুলি আপুনি তেন্তে সঁচায়ে ভাবেনে?" পেষ্টৰে প্ৰায় খঙেৰেই ক'লে। "আপুনি সংসাৰখনৰ বহুত দেখিছে। নানান্‌টা কথা শিকাৰ বহুত সুযোগ পাইছে। আপোনাৰ শুভবুদ্ধি আছে বুলিয়েই মই বিশ্বাস কৰোঁ চুবুৰীয়া।"

"হয়নে?" ককাই কলে কিন্তু তেওঁৰ মাতৰ পৰা বুজা গ'ল যে তেওঁৰ মনত অলপ আগৰ পৰম শান্তি আৰু নাই। "অহা জাৰকালি আলসুৱা দেহাৰ এজনী অকণমানি ছোৱালীক হিম যেন চেঁচা পুৱা ধুমুহা আৰু তুষাৰপাতৰ মাজেৰে দুঘণ্টাৰ বাট নামি যাবলৈ মই দিম বুলি আপুনি ভাবেনে? ৰাতি তাই উভতাৰ সময়ত যেতিয়া প্ৰায়েই তুমুল ধুমুহা মাৰিব আৰু তেনে পৰিস্থিতিত আমাৰ দৰে বোৰেও য'ত বতাহ আৰু বৰফত বাট হেৰুৱাম, তেতিয়া এই অকণমানিজনীৰ কি হ'ব? এইৰ মাক আডেলহাইডৰ কথা পেষ্টৰে মনত পেলাবনে? তাই স্বপ্নচাৰী আছিল আৰু বেচ ভুগিছিল। তেনে যাতনা ভুঞ্জিবলৈ এই অকণমানিজনীকো বাধ্য কৰোৱা হ'বনে? এই বিষয়ে কোনোবাই মোৰ ওপৰত জবৰদস্তি চলাবলৈ খুজিলে তেওঁক আহিবলৈ কব। দৰ্কাৰ হলে এইক লৈ মই প্ৰতিটো আদালতৰ কাষ চাপিম। তেতিয়া এনে কৰিবলৈ মোক কোনে বাধ্য কৰে চাম।"

"আপুনি ঠিকেই কৈছে চুবুৰীয়া," পেট্ৰৰে অন্তৰঙ্গভাৱে কলে। "আইকণক ইয়াৰ পৰা পঢ়াশালিলৈ পঠোৱা অসম্ভৱ। আইকণ আপোনাৰ যে অতি চেনেহৰ মই গম পাইছোঁ। আপুনি বহুতদিন আগতে কৰিবলগীয়া কামটো এতিয়া এইৰ ভালৰ বাবেই আপুনি কৰক। আপুনি ভৰ্ক্ষিলিলৈ নামি গৈ মানুহৰ সমাজত থাকিবলৈ ল'ক। মানুহ আৰু ঈশ্বৰৰ প্ৰতি ত্যক্ত-বিৰক্ত হৈ ইমান ওপৰত নিসঙ্গ জীৱন আপুনি কিয় নিয়াইছে? ইয়াত আপোনাৰ কিবা হ'লে কোনে আপোনাক সহায় কৰিব? দীঘল জাৰকালিটো এই পঁজাটোত কটাওঁতে আপুনি গোট মাৰি আধা-বৰফ নোহোৱাকৈ কেনেকৈ আছে মই ভাবি পোৱা নাই। এই আলসুৱা আইকণজনীয়েই বা ইয়াত কেনেকৈ টিকি আছে?"

"আপুনি আশ্বস্ত হ'ক পেট্ৰৰ। এইৰ দেহাত কৈশোৰৰ তেজ; তাতে পঁজাটোও ভাল। ভাল খৰি ক'ত পায় আৰু খৰি চপোৱাৰ ভাল সময় কোনখিনি তাকো মই জানোঁ। পেট্ৰৰে অনুগ্ৰহকৈ মোৰ চালিঘৰটোত এভুমুকি মাৰিব পাৰে। তাত দ'মাই থোৱা খৰি জুহালখন গোটেই জাৰকালি জ্বলাই ৰাখিবলৈ যথেষ্ট। পেট্ৰৰে পৰামৰ্শ দিয়াৰ দৰে মোৰ দ্বাৰা ভৈয়ামত থাকিবলৈ লোৱাটো নহ'ব। তাৰ ৰাইজে মোক ঘিণ কৰে; ময়ো সিহঁতক ঘিণ কৰোঁ। গতিকে আমি আঁতৰি থাকিলে দুয়ো পক্ষৰেই মঙ্গল।"

"নহয়, নহয়। এইটো আপোনাৰ বাবে মঙ্গলৰ নহয়," পেট্ৰৰে ঐকান্তিকতাৰে কলে। "সমস্যাটোৰ উহ ক'ত মই জানোঁ। নামনিৰ ৰাইজে আপোনাক ঘিণ কৰে বুলি আপুনি কলেও পৰিস্থিতি আচলতে সিমান বেয়া নহয়। চুবুৰীয়া, মোক বিশ্বাস কৰক। ঈশ্বৰৰ লগত ফেৰ নাপাতি তেখেতৰ পৰা শান্তি বিচাৰক। আপুনি কেতিয়াবা কিবা ভুল কৰিছিল যদি তেখেতৰ কৃপা ভিক্ষা কৰক। তাৰ পিছত ভৈয়ামত থাকিবলৈ লৈ তাৰ ৰাইজে আপোনাক কিমান ভিন চকুৰে চায় বুজ ল'ক। তাত আপুনি সুখী হ'ব পাৰিব চুবুৰীয়া।"

পেট্ৰৰ উঠিল আৰু বুঢ়াজনলৈ হাতখন আগবঢ়াই দি আন্তৰিকভাৱে পুনৰায় কলে, "চুবুৰীয়া, আমি পুৰণি বন্ধু। অহা জাৰকালি আপুনি আমাৰ মাজত থকিবলৈ লব বুলি মই ধৰি লৈছোঁ। আপোনাক বাধ্য কৰিবলগীয়া হ'লে মই বৰ দুখ পাম। মোৰ হাতত ধৰি আপুনি কথা দিয়ক যে ঈশ্বৰ আৰু মানুহৰ প্ৰতি সম্প্ৰীতিৰ ভাব লৈ আপুনি আমাৰ মাজত থাকিবলৈ লব।"

আল্মমামাই পেট্ৰৰৰ হাতখন নিজৰ হাতত ললে কিন্তু দৃঢ়তাৰে আৰু নিশ্চয়কৈ ক'লে, "পেট্ৰৰৰ উদ্দেশ্য সজ কিন্তু তেখেতৰ দিহা মই মানি লব নোৱাৰোঁ। ছোৱালীজনী মই পঢ়াশালিলৈ নপঠাওঁ আৰু ময়ো নামনিত থাকিবলৈ নাযাওঁ। এইয়া মোৰ শেষ ছিদাং কথা।"

“তেন্তে ঈশ্বৰ আপোনাৰ সহায় হ'ক,” পেষ্টৰে কলে আৰু বেজাৰ মনেৰে পঁজাটোৰ পৰা ওলাই ভৈয়ামলৈ নামি গ'ল।

আল্মমামাৰ মন বেয়া হ'ল। আবেলি হাইডিয়ে ‘আইতাৰ তালৈ আজি যামনে’ বুলি সোধোতে তেওঁ চমু উত্তৰ দিলে, ‘আজি নাযাওঁ।’ তাৰ পিছত গোটেই দিনটো তেওঁ নিমাত হৈ ৰ'ল। পিছদিনা পুৱা হাইডিয়ে যেতিয়া ‘ককা, আমি আজি আইতাৰ তালৈ যামনে’ বুলি সুধিলে, তেওঁ চমুকৈ ক'লে, ‘দেখা য'ক।’

সেইদিনা দুপৰীয়াৰ সাঁজ খোৱাৰ বাচনবোৰ আঁতৰোৱাৰ আগতেই দ্বিতীয় আগন্তুক আহি ওলাল। এওঁ হ'ল ডেটে মাহী। তাই মূৰত পাখি লগোৱা সুন্দৰ টুপী এটা পিন্ধিছিল আৰু তাইৰ দীঘল গাউনটোৱে মজিয়াখন সাৰি নিছিল। মজিয়াত পৰি থকা বিভিন্ন বস্তুৱে তাইৰ গাউনটো লেতেৰাহে কৰিছিল।

আল্মমামাই তাইৰ মূৰৰ পৰা ভৰিলৈকে চালে কিন্তু মুখেৰে একো নামাতিলে। ডেটেই অতি বন্ধুত্বপূর্ণ বক্তৃতা এটা নিশ্চয় মনতে ভাবি আহিছিল কিয়নো তাই তৎক্ষণাত তেওঁক প্রশংসা কৰিবলৈ ললে। হাইডি দেখিবলৈ ইমান ভাল হৈছে যে তাই হাইডিক চিনি নোপোৱাই বুলিব লাগে। গতিকে হাইডি যে ককাকৰ লগত ভালেৰে আছে সেইটো জ্বল্‌জ্বল্ পট্‌পট্। তাই অতি ভালকৈ জানে যে অকমানিজনীয়ে তেওঁক নিশ্চিতকৈ অসুবিধাত পেলাইছে। সেইকাৰণে তেওঁক আজৰি দিবলৈ তাই সদায় হাইডিক লৈ যোৱাৰ কথা ভাবিছিল। কিন্তু হাইডিৰ সংস্থানৰ ব্যৱস্থা কৰাৰ কথা তাই দিনে-ৰাতিয়ে ভাবিলেও ইমান দিনে তাই হাইডিৰ বাবে ক'তো ভাল কাম এটা পোৱা নাছিল। আজি তাই আল্মলৈ অহাৰ কাৰণটো হ'ল, হঠাতে অলপতে তাই এনে এটা সুখবৰ পাইছিল যে তাই প্রথমতে সেইটো বিশ্বাস কৰিবলৈকে টান পাইছিল। সেই কামটো পালে হাইডিৰ কপাল ফুলিব। সেয়ে ডেটেই সেই বিষয়ে লগে লগেই বুজ ললে। তাই বন্দবস্তটো পকা কৰি অহা বুলিবই পাৰি। হাইডিৰ দৰে কপাল লাখৰ ভিতৰত এজনীৰো নাই।

“মোৰ গিৰিহঁতৰ অতি সম্পদশালী আত্মীয় এঘৰ আছে। ফ্রাঙ্কফুর্টৰ আটাইতকৈ ধুনীয়া অট্টালিকাটো তেওঁলোকৰেই। তেওঁলোকৰ একেজনী মাত্র জীয়েক। তেওঁ লেঙেৰী আৰু তেওঁৰ স্বাস্থ্যও এনেয়ে ভাল নহয়। সেয়ে তেওঁ চকা-লগোৱা ৰুগীয়া চকীত দিনৰ দিনটো বহি থাকিব লাগে। তেওঁ প্রায় সদায় অকলশৰীয়া কাৰণে ঘৰুৱা শিক্ষক এজনৰ লগত অকলে পঢ়াশুনা কৰিব লাগে। সেইটো তেওঁৰ বাবে বিৰক্তিকৰ হৈ পৰে। সেইকাৰণে তেওঁক পঢ়াত সঙ্গ দিয়াৰ ওপৰিও ঘৰত থাকি তেওঁক দিনটো সঙ্গ দিয়াকৈও লগৰী এজনী তেওঁক লাগে।”

ডেটে থকা ঘৰটোত এই কথাটো শুনাইছিল। তাইৰ গিৰিহঁতনীয়ে সেই অপাহিতাজনীলৈ গভীৰ অনুকম্পা অনুভৱ কৰি সেই সম্বন্ধীয়া ঘৰৰ 'হাউচ কিপাৰ' (মানে ঘৰ চোৱা-চিতা কৰা মহিলা কৰ্মচাৰী) গৰাকীয়ে কোৱাৰ দৰে লগৰী এজনী বিচাৰি উলিয়াবলৈ উৎকণ্ঠ হৈ পৰিছিল। সেই হাউচকিপাৰ গৰাকীয়ে সদায় পোৱা ছোৱালীবিলাকতকৈ বেলেগ ধৰণৰ সৰল আৰু নিষ্পাপ ছোৱালী এজনী বোলে বিচাৰিছিল। সেইবাৰ শুনিয়েই তাই হাইডিৰ কথা ভাবিছিল আৰু তৎক্ষণাত গৈ হাউচকিপাৰ গৰাকীৰ লগত হাইডিৰ বিষয়ে কথা-বতৰা হৈছিল। ফলত তেওঁ হাইডিক মকবল কৰিবলৈ মান্তি হৈছিল। হাইডিৰ কপাল আগলৈ কেনেকৈ ফুলিব পাৰে কোনে জানে? হাইডি তাত থাকি যদি মানুহঘৰৰ প্ৰিয়পাত্ৰ হ'ব পাৰে আৰু কেনেবাকৈ যদি তেওঁলোকৰ একমাত্ৰ জীয়েকজনীৰ কিবা অঘটন ঘটে, তেওঁ ইমান কমীয়া কাৰণে কেতিয়া কি হয় ক'ব নোৱাৰি— আৰু যদি মানুহঘৰে একেবাৰেই নিসন্তান হৈ থাকিব নোখোজে, তেন্তে কাহানিও কল্পনা কৰিব নোৱৰা ভাগ্যই,........"

তেতিয়ালৈ এষাৰো নমতাকৈ শুনি থকা আল্মমামাকে মাজতে বাধা দি ক'লে, "বক্‌বকনি শেষ হ'বনে?"

"বাঃ," ডেটেই মূৰটো জোকাৰ মাৰি ওপৰলৈ তুলি প্ৰত্যুত্তৰ দিলে, "আপুনি এনে ইঙ্গিত দিছে যেন মই পৃথিৱীৰ আটাইতকৈ সাৰশূণ্য কথাবাৰহে কৈছোঁ। কিন্তু এই প্ৰেটিগাউ অঞ্চলত এনে কোনো মানুহ নাই যাক এই খবৰটো দিলে তেওঁ থিতাতেই ঈশ্বৰক ধন্যবাদ নজনাব।"

"যাকে দিবলৈ মন যায় তাকে সেই খবৰটো দেগৈ। মোৰ সেইটোৰ দৰ্কাৰ নাই," আল্মমামাকে ৰুক্ষ উত্তৰ দিলে।

"বেচ্। মামা, আপুনি যদি ইয়াকে ভাবে তেন্তে ময়ো মোৰ মনৰ কথা খুলি কওঁ।" ডেটে জঁকি উঠিল আৰু বন্দুকেৰে গুলিওৰা যেনেকৈ ক'ব ধৰিলে, "এইৰ বয়স আঠ বছৰ হ'লহি। কিন্তু এই এতিয়াও একো নাজানে আৰু একো কৰিবলৈও শিকা নাই। ডৰ্ফলিৰ মানুহমখাই মোক কৈছে যে আপুনি এইক পঢ়াশালিলৈ নপঠায় আৰু গিৰ্জালৈও যাবলৈ নিদিয়ে। এই মোৰ আপোন ভাগিনী। এইৰ প্ৰতি মোৰো দায়িত্ব আছে। হাইডিৰ দৰে সৌভাগ্য যদি কোনো ছোৱালীৰ হয় কিন্তু তাত কোনোবাই বিধি-পথালি দিয়ে, তেন্তে সেই মানুহজন আনৰ কথা সমূলি নশুনা আৰু আনৰ হিত নিচিন্তা মানুহ হ'ব লাগিব। কিন্তু শুনক, মই হাৰ নামানো। গাঁৱৰ বাইজ মোৰ ফলীয়া। ডৰ্ফলিত এনে এখৰ মানুহ নাই যি মোক সহায় নকৰিব আৰু আপোনাৰ বিপক্ষে নাযাব। গতিকে, মামা, আপুনি আদালতত অভিযুক্ত হবলৈ নখুজিলে কথাটো ভালকৈ ভাবি চাওঁক। আদালতত আপুনি শুনিব নোখোজা কথাও শুনাব পাৰে।

অভিযুক্তই সমূলঞ্চে পাহৰি যোৱা কথাও আদালতত খুচৰি উলিওৱা হয়।"

"চুপ্", মামাক গৰ্জি উঠিল আৰু খণ্ডত তেওঁৰ চকুযোৰ দপ্‌দপোৱা জুই যেন হৈ পৰিল। "এইক লৈ ইয়াৰ পৰা ভাগ্। এইক মোৰ সমুখলৈ আৰু কাহানিও নানিবি। তোৰ দৰে পাখি-লগোৱা টুপী পিন্ধা আৰু তই আজি কোৱাৰ দৰে কথা কোৱা হাইডিক মই কেতিয়াও চাবলৈ নোখোজোঁ।"

দীঘল দীঘল খোজেৰে তেওঁ পঁজাটোৰ পৰা ওলাই গ'ল।

হাইডিয়ে ধিকিধিকি জ্বলা যেন ক'লা চকুহালেৰে শত্ৰুলৈ চোৱাদি মাহীয়েকলৈ চাই ক'লে, "তুমি কিয় ককাৰ খং তুলিছা?"

"তেওঁৰ খং সোনকালেই মাৰ যাব। এতিয়া ব'ল", মাহীয়েকে উদগালে। "তোৰ কাপোৰ-কানিবোৰ ক'ত?"

"মই কোনোপধ্যে নাযাওঁ", হাইডিয়ে ক'লে।

"কি ক'লি?" খঙেৰে মাহীয়েকে ক'লে, কিন্তু লগে লগেই সুৰ সলাই অলপ বন্ধুভাৱে, অলপ বিৰক্ত হোৱা যেন দেখুৱাই ক'বলৈ ধৰিলে, "ব'ল, ব'ল। তোৰ কিহত ভাল তই বুজিলেহে। তাত তোৰ কিমান মজা হ'ব তই আন্দাজ কৰিব নোৱাৰ।" এইবুলি ডেটেই আলমাৰিটো খুলি হাইডিৰ বস্তুবোৰ উলিয়াই এটা টোপোলা কৰি বান্ধিলে।

"এতিয়া ব'ল। তোৰ সৰু টুপীটো ল। এইটো বৰ ভাল নহয়, কিন্তু সম্প্ৰতি এইটোৰেই কাম চলিব। এইটো পিন্ধি ল আৰু লৰালৰি কৰ।"

"মই নাযাওঁ," হাইডিয়ে ক'লে।

"ছাগলীবোৰৰ দৰে বুৰ্বক আৰু গোঁৱাৰ নহবিচোন। সিহঁতৰ পৰাই তই নিশ্চয় এইবোৰ শিকিছ। শুন, ককাৰৰ খং উঠিছে। আমি তেওঁৰ সমুখলৈ আহিব নালাগে বুলি এইমাত্ৰ কোৱা তই শুনিছই দেখোন। তই এতিয়া মোৰ লগত যোৱাটোহে তেওঁ বিচাৰে। তই ইয়াত থাকি তেওঁৰ খং বঢ়াব নালাগে। ফ্ৰাঙ্কফুৰ্টখন অতি মনোমোহা। তাত কত কি যে দেখিবি তই কল্পনাই কৰিব নোৱাৰ। তোৰ তাত ভাল নালাগিলে তই উভতি আহিবলৈও পাৰিবি। তেতিয়ালৈ ককাৰৰ খঙো মাৰ যাব।"

"মই পোনছাটেই, আজি ৰাতিয়েই ঘূৰি আহিব পাৰিমনে?"

"আঃ, ব'লচোন। কৈছোঁৱেই দেখোন, তাত তোৰ মন নবহিলে ঘৰলৈ ঘূৰি আহিবি। আমি আজি মায়েনফেল্ডলৈহে যাম। কাইলৈ নিচেই পুৱাই আমি ৰেলত উঠিম। সেইখনতেই উৰি অহাৰ দৰে আহি তই ঘৰ পাবিহি।"

ডেটেই কাপোৰৰ টোপোলাটো হাতত ওলোমাই হাইডিৰ হাতত ধৰি নামিবলৈ ধৰিলে।

ছাগলী চৰোৱা বতৰ অহা নাছিল কাৰণে পিটাৰ তেতিয়াও পঢ়াশালিলৈ

গৈছিল বা যোৱাৰ কথা আছিল। সি কিন্তু মাজে মাজে ছুটী লৈছিল। তাৰ মতে পঢ়া-শুনা কৰা অদৰকাৰী কাম। তাতকৈ দীঘল টোকোন বিচাৰি ঘূৰা-পকা কৰাহে লাভৰ কথা; টোকোনবোৰ তাৰ কামত আহিব। সেয়ে সেইদিনা তাৰ দিনটোৰ পৰিশ্ৰমৰ ফলস্বৰূপে হেজেল গছৰ দীঘল, দীঘল ঠাল এবোজা গোটাই কান্ধত লৈ সিহঁতৰ জুপুৰিটোৰ আনটো ফালৰপৰা সি ঠিক তেতিয়াই আহি আছিল। সি থমকি ৰৈ তাৰ ফালে আহি থকা আকৃতি দুটালৈ তধা লাগি চাই ৰ'ল।

"তই কলৈ যাব?" সি সুধিলে।

"মাহীৰ লগত ফ্ৰাঙ্কফুৰ্টলৈ কোবাকুবিকৈ যাওঁ," হাইডিয়ে উত্তৰ দিলে। "কিন্তু মই প্ৰথমতে আইতাক মাত লগাই আহোঁগে। তেওঁ মোলৈ বাট চাই আছে।"

"ওহোঁ, ওহোঁ। মাত লগোৱা বন্ধ। ইতিমধ্যে বহুত পলম হৈছে," মাহীয়েকে টপৰাই ক'লে আৰু হাত এবাৰ খোজা হাইডিৰ টানকৈ ধৰিলে। "তই ঘূৰি আহোঁতে তেওঁক লগ পাবি। এতিয়া ব'ল।"

ডেটেই হাইডিক এৰি নিদি তাইক চোঁচোৰাই নিয়াদি নিবলৈ ধৰিলে। ডেটেৰ আশঙ্কা হ'ল, হাইডি ভিতৰলৈ গলে আকৌ যাবলৈ নোখোজা হ'ব পাৰে আৰু আইতাকো তাইৰ ফলীয়া হ'ব পাৰে।

পিটাৰ দৌৰি গৈ জুপুৰিটোত সোমাই তাৰ গোটেই বোজাটো টেবুলখনত অতি জোৰেৰে থেকেচা মাৰি থওঁতে ভয়ংকৰ হুলস্থুল লাগি গ'ল আৰু জুপুৰিটো কঁপি উঠিল। ভয়তে আইতাকে যঁতৰটো এৰি একেচাবে জাঁপ মাৰি থিয় হৈ আৰ্তৰাও আৰম্ভ কৰিলে। পিটাৰে তাৰ বেদনা এনেকৈয়ে প্ৰকাশ নকৰি নোৱাৰিলে।

"কি হৈছে? কি হৈছে?" অতি কাতৰ হৈ আইতাকে সুধিলে। টেবুলখনৰ কাষত বহি থকা পিটাৰৰ মাক পোনতে হুলস্থুলত বিভ্ৰান্ত হৈ পৰিল। কিন্তু খন্তেক পাছতে পিটাৰৰ মাকে তেওঁৰ স্বাভাৱিক ধৈৰ্য্যৰে সুধিলে, "কি হৈছে পিটাৰলি? ইমান খং কিয় উঠিছে?"

"কাৰণ তাই হাইডিক লৈ গ'ল," সি ব্যাখ্যা কৰি ক'লে।

"কোনে? কোনে? কলৈ পিটাৰলি, কলৈ?" আকৌ কাতৰ হৈ আইতাকে সুধিলে। কাণ্ডটো কি হৈছে তেওঁ অৱশ্যে লগে লগেই গম পালে। মাত্ৰ অলপ আগতে জীয়েকে আল্মমামাকৰ তালৈ ডেটে গৈ থকা দেখা বুলি তেওঁক কৈছিল। লৰালৰি কৰোঁতে খপজপাই আইতাকে খিড়িকিখন খুলি সানুনয়ে ডাঙৰকৈ ক'লে, "ডেটে, ডেটে, আইকণক আমাৰ পৰা আঁতৰাই নিনিবি। হাইডিক আমাৰ মাজৰ পৰা লৈ নাযাবি।"

দুয়ো যাত্ৰীয়ে তেওঁৰ মাতটো শুনিলে। ডেটেই আইতাকৰ কথাখিনিও নিশ্চয় বুজি পালে। সেয়ে তাই হাইডিৰ হাতখন আৰু টানকৈ ধৰি বিমান

পাৰে সিমান বেগাই লৰিবলৈ খুজিলে। হাইডিয়ে কিন্তু বাধা দি বৈ ক'লে, "মোক আইতাই মাতিছে। মই তালৈ যাব খোজোঁ।"

সেইটো হ'বলৈ নিদিবলৈ তাইক ফুচুলাবলৈ মাহীয়েকে ক'লে যে সিহঁতে খৰধৰ নকৰিলে অতি পলম হৈ যাব; তাতে পিছদিনা পুৱা সিহঁত আৰু দূৰলৈ যাব লাগিব; ফ্ৰাঙ্কফুৰ্টত থাকি তাইৰ ভাল লাগে নে নালাগে আৰু তাই তাত থাকিবলৈ খোজে নে নোখোজে ফ্ৰাঙ্কফুৰ্ট পালেহে তাই গম পাব। তাই উভতিব খুজিলে লগে লগেই উভতিব পাৰিব আৰু আহোঁতে তাই আইতাকলৈ কিবাকিবি আনিবলৈও পাৰিব। সেইবোৰ পালে আইতাকেও ৰং পাব"।

এইবাৰ হাইডিৰ মনত লাগিল। নতুনকৈ আপত্তি নকৰি তাই বেগাই যাবলৈ ললে।

অলপ পাছতে তাই সুধিলে, "আইতালৈ কি আনিব পাৰিম বাৰু?"

"কিবা ভাল বস্তু," মাহীয়েকে ক'লে। "তেওঁ এতিয়া টান, ক'লা ৰুটি চোবাব নোৱাৰা হৈছে। সেয়ে কেইডোখৰমান ভাল, কোমল, বগা ৰোল পালে তেওঁ পছন্দ কৰিব।"

"এৰা," হাইডিয়ে কলে। "নিজৰ ভাগৰ ক'লা ৰুটিখিনি সদায় পিটাৰক দি আইতাই 'মোৰ বাবে এয়া অতি টান' বুলি কোৱা মই নিজেই শুনিছোঁ। সেইকাৰণে আমি বেগাই যাওঁ ব'লা ডেটে মাহী। আমি যদি আজিয়েই ফ্ৰাঙ্কফুৰ্ট পাওঁ তেন্তে বগা ৰোলবোৰ লৈ মই সোনকালেই উভতিব পাৰিম।"

এইবুলি হাইডিয়ে ইমান বেগাই লৰ ধৰিলে যে টোপোলাটো লৈ যোৱা মাহীয়েকে তাইৰ লগত তাল ৰখাই টান হ'ল। হাইডি এনেকৈ যোৱাই ডেটেই কিন্তু এটা কাৰণে বৰ ভাল পালে। সিহঁত তেতিয়া ডৰ্ফলিৰ প্ৰথম ঘৰকেইটা পাবৰ হৈছিল। ডেটেই আশঙ্কা কৰিলে যে তাৰ প্ৰতিটো মানুহে ইটো-সিটো মন্তব্য দিবলৈ আৰু প্ৰশ্ন সুধিবলৈ ধৰিলে হাইডিয়ে মত সলাবও পাৰে। সেয়ে ডেটেয়ো নৰৈ পোনে পোনে দৌৰি গৈ থাকিল। ডৰ্ফলিৰ ৰাইজে দেখিলে যে ছোৱালীজনীয়ে অতি জোৰেৰে ডেটেক টনা কাৰণেহে তাইক সন্তুষ্ট কৰিবলৈ ডেটে কোবেৰে যাবলৈ বাধ্য হৈছে। প্ৰতিখন দুৱাৰ আৰু প্ৰতিখন খিড়িকিৰ পৰা সোধা প্ৰশ্নৰ উত্তৰত তাই মাথোন ক'লে, "মই কেনেকৈ ৰওঁ? এই কিমান খৰধৰ লগাইছে দেখিছইচোন। তাতে আমি বহুত দূৰ যাব লাগিব।"

"তই তাইক লৈ যাবনে?" "তাই আল্মমামাৰ ভয়ত পলাইছেনে?" "তাই তাত এতিয়ালৈ বাচি থকাটোৱে আচৰিত!" "তথাপিও তাইৰ গাল দুখন দেখোন গুলপীয়া।" এনেবোৰ প্ৰশ্ন আৰু মন্তব্য গাঁওখনৰ চাৰিওফালৰপৰা শুনা গ'ল। পলম নকৰাকৈ আৰু কোনো ব্যাখ্যা নিদিয়াকৈ গাঁওখন পাৰ হ'বলৈ পাই, তদুপৰি হাইডিয়ে মুখেৰে একো নামাতি পাৰেমানে বেগাই গৈ থকাই ডেটে আনন্দিত হ'ল।

সিদিনাৰ পৰা আল্মমামা নামি আহি ডৰ্কলি পাৰ হওঁতে তেওঁ আগতকৈও বেছি বদ-মেজাজৰ হোৱা দেখা গ'ল। তেওঁ পিঠিত পনীৰৰ পাচিটো আৰু হাতত প্ৰকাণ্ড টোকোনডাল লৈ কাকো মাতবোল নকৰাকৈ যাঁওতে, ডাঠ শোটোৰা-শোটোৰ কপালেৰে তেওঁ দেখিবলৈ অতি ভয়ংকৰ হৈ পৰিছিল। সেয়ে ডৰ্কলিৰ তিৰোতাবোৰে সৰু ল'ৰা-ছোৱালীবোৰক সকীয়াই দি কৈছিল, "সাৱধান! আল্মমামাৰ কাষলৈ নাযাবি। মৰিবি।"

ডৰ্কলিৰ বাইজৰ লগত আল্মমামাৰ কোনো লেন্‌দেন নাছিল। সেই গাঁওখনৰ মাজেৰে তেওঁ উপত্যকাৰ বহুত দূৰলৈ নামি গৈছিল। তাত তেওঁ পনীৰ বেচি তেওঁক লগা কটি আৰু মাংস কিনিছিল। তেওঁ ডৰ্কলিৰ মাজেৰে যাওঁতে গএগ্রাই তেওঁৰ পাছফালে জুম বান্ধি তেওঁৰ কথাই আলচ কৰিছিল। আল্মমামাক দিনৌ বেছি হিংস্ৰ হ'বলৈ ধৰা, বাইজৰ সম্ভাৰণৰো তেওঁ কোনো প্ৰত্যুত্তৰ নিদিয়া আদি তেওঁৰ ইটো-সিটো আচহুৱা আচৰণৰ কথা সিহঁতৰ প্ৰত্যেকেই জানিছিল। হাইডিয়ে কোবাকুবিকৈ যোৱা দেখি বুঢ়াটোৱে তাইক ধৰিবলৈ পিছে পিছে খেদি অহা বুলি তাই ভয়তহে তেনেকৈ পলোৱা বুলি সিহঁতে ভাবিছিল। সেইকাৰণে আইকণজনী পলাব পৰাটো অতি সৌভাগ্যৰ কথা বুলি সিহঁত একমত হৈছিল।

তেতিয়া ককাৰ হৈ মাত মতা একমাত্ৰ মানুহ আছিল অন্ধ আইতাজনী। যেতিয়া গএগ্রাই কটনা কটাৰ কাম দিবলৈ বা সূতা নিবলৈ তেওঁৰ তালৈ গৈছিল, তেতিয়া তেওঁ সকলোকে আল্মমামাকে আইকণজনীক কিমান মৰম কৰিছিল; তাইৰ বাবে তেওঁ কিমান কষ্ট কৰিছিল; আল্মমামাকে তেওঁৰ আৰু তেওঁৰ জীয়েকৰ বাবে কি কি কৰিছিল; কেনেকৈ তেওঁলোকৰ জুপুৰিটো মেৰামত কৰি আল্মমামাকে বহুতো আবেলি কটাইছিল আৰু আল্মমামাক নথকা হলে ইমানদিনে যে জুপুৰিটো তেওঁৰ মূৰত নিশ্চয় ভাগি পৰিলহেঁতেন বিবৰি কৈছিল। এইবোৰ কথা গাঁওখনতো সদৰি হৈছিল। গাঁৱৰ সৰহভাগ মানুহৰ মতে কিন্তু আলৰ বুঢ়ীজনীয়ে কাণেৰে ভালকৈ নুশুনে আৰু চকুৰে একেবাৰেই নেদেখে কাৰণে আচল কথাটোৰ উহ পোৱা নাছিল।

আল্মমামা পিটাৰহঁতৰ জুপুৰিটোলৈও নোযোৱা হ'ল। সেই জুপুৰিটোত বহুতকাল কোনোৱে হাত লগোৱা নাছিল। সেই কাৰণে আল্মমামাই সেইটো সুন্দৰকৈ মেৰামত কৰি দিয়া উত্তম কথা হ'ল।

অন্ধ আইতাৰ দিনবোৰ এতিয়া আকৌ হুমুনিয়াহেৰে আৱৰা হোৱা হ'ল। এতিয়া তেওঁ দিনৌ দুখ কৰি কৈছিল, "হায়, আইকণজনীৰ লগত আমাৰ সকলো সুখ-শান্তি নোহোৱা হ'ল। মোৰ দিনবোৰ আকৌ আগৰদৰে শুদা, শুদা হ'ল। মই মৰাৰ আগতে হাইডিৰ মাতটো আকৌ এবাৰ শুনি যাব পৰা হলে।"

ষষ্ঠ অধ্যায়
হাইডিৰ নতুন জীৱন

জেচেমান ডাঙৰীয়াৰ ফ্রাঙ্কফুর্টৰ অট্টালিকাটোত তেওঁৰ অকমানি জীয়েক ক্লাৰাই চকালগোৱা ৰুগীয়া চকীখনত আৰামেৰে আওজি বহি আছিল। ৰাতি শোৱাৰ বাহিৰে দিনৰ দিনটো তাই এইখনতেই বহি কটাবলগীয়া হৈছিল আৰু চকীখন ঠেলি তাইক ইটো-সিটো কোঠালৈ নিয়া হৈছিল। অট্টালিকাটোৰ ওপৰ-মহলাৰ ডাঙৰ খোৱা-কোঠাটোৰ কাষৰ পুথিভঁৰাল নামৰ কোঠাটোত তাই এতিয়া আছিল। সেইটোত সিঁচৰতি হৈ থকা আৰামী আচবাব আৰু বস্তু-বাহানিৰ পৰা সেইটো এসময়ত প্রকৃততে বৈঠকখানা আছিল বুলি গম পোৱা গৈছিল। তাত থকা কিতাপৰ ডাঙৰ আৰু সুন্দৰ আলমাৰিটোৰ পৰাহে সেইটোৰ নাম পুথিভঁৰাল হৈছিল। সেইটোতেই ক্লাৰাই পঢ়া-শুনা কৰিছিল।

ক্লাৰাৰ মুখখন ক্ষীণ আৰু শেঁতা, আৰু চকুযোৰ নীলা, নম্র আৰু কোমল আছিল। এতিয়া তাইৰ চকুযোৰ দেৱালৰ ঘড়ীটোত নিবদ্ধ হৈ আছিল আৰু ঘড়ীটোৰ কাটা নুঘুৰেহে নুঘুৰে যেন তাইৰ লাগিছিল। ক্লাৰা এনেয়ে অধৈর্য্য নাছিল কিন্তু এতিয়া তাই অস্বস্তিৰে সুধিলে, "কুমাৰী ৰোটেনমায়াৰ, তেওঁলোক আহি পাবৰ হোৱা নাইনে?"

কুমাৰী ৰোটেনমায়াৰে সৰু চকীখনত সম্পূর্ণ পোন হৈ বহি বেজীৰ কাম কৰি আছিল। তেওঁ আচহুৱা চাদৰ-যেন এখনৰ তলত ডিঙিত বুটাম লগোৱা হলৌ চোলা যেন এটা আৰু মূৰত মন্দিৰৰ আকৃতিৰ ওখ টুপী এটা পিন্ধি আছিল। এই সাজেৰে তেওঁ অতি গহীন-গম্ভীৰ দেখা হৈ পৰিছিল। জেচেমান ডাঙৰীয়া কামত সততে ঘৰৰ পৰা আঁতৰি থাকিব লগীয়া হৈছিল। কেইবাবছৰো আগতে ক্লাৰাৰ মাক ঢুকোৱাৰ পৰা এৱঁেই 'হাউছ কিপাৰ' হিচাবে ঘৰখনৰ সকলো কথা চোৱা-চিতা কৰিছিল। অৱশ্যে জেচেমান ডাঙৰীয়াই ঘৰখনৰ তত্ত্বাৱধান লোৱাৰ ভাৰ কুমাৰী ৰোটেনমায়াৰক দিওঁতে এটা চর্ত্ত বান্ধি দিছিল। সেইটো হ'ল, সকলো কামতে ক্লাৰাৰ মতামত ল'ব লাগিব আৰু ক্লাৰাই বেয়া পোৱা কোনো কাম কৰিব নালাগিব।

ক্লাৰাই অধৈর্য্য হৈ যেতিয়া প্রত্যাশিত আলহীজনী আহি পাবৰ হোৱা নাইনে বুলি দ্বিতীয়বাৰ সুধিছিল, তেতিয়া ডেটেই হাইডিৰ হাতত ধৰি অট্টালিকাটোৰ প্রবেশ-পথৰ দুৱাৰখনৰ সম্মুখ পাইছিল। তেনেতেই বাগী এখনৰ পৰা কচোৱান য়োহানক জাঁপ মাৰি নমা দেখি ডেটেই তাক সুধিলে, "কুমাৰী ৰোটেনমায়াৰক লগ পাবলৈ এতিয়া পলম হৈছে নেকি বাৰু?"

"এইটো মোৰ কাম নহয়," য়োহানে গৰ্‌গৰাই ক'লে, "টিলিঙাটো বজাই ভিতৰৰ কৰিডৰত থকা চেবাষ্টিয়ানক মাত।"

ডেটেই তাকে কৰিলে। তেতিয়া ডাঙৰ বুটাম লগোৱা কোট পিন্ধা আৰু বুটামবোৰৰ দৰে ডাঙৰ, ঘূৰণীয়া চকুৰ 'বাটলাৰ' (প্ৰধান লিগিৰা) চেবাষ্টিয়ানে ওপৰ-মহলাৰ পৰা নামি আহি দুৱাৰখন খুলিলে।

"অতি পলম হলেও মই এতিয়া কুমাৰী ৰোটেনমায়াৰক দেখা কৰিব পাৰিমনে?" ডেটেই সুধিলে।

"এইটো মোৰ কাম নহয়," বাটলাৰটোৱে উত্তৰ দিলে, "আনটো টিলিঙা বজাই টিনেটে বোলা লিগিৰীজনীক মাত।" এইবুলি কৈ আন একো খবৰ নিদিয়াকৈ বাটলাৰ ভিতৰ সোমালগৈ।

ডেটেই আকৌ টিলিঙা বজালে। এইবাৰ মূৰৰ সোঁমাজত থকথকীয়া বগা টুপী পিন্ধা টিনেটে নামৰ লিগিৰিজনী আহিল। তাইৰ মুখত আনক তাচ্ছিল্য কৰাৰ ভাব এটা আছিল। তললৈ নানামি খট্‌খটিৰ ওপৰৰ পৰাই তাই অৱজ্ঞাৰে সুধিলে, "তইঁতক কি লাগে?"

ডেটেই তাইৰ অনুৰোধ দোহাৰিলে। টিনেটে ভিতৰ সোমাল। খন্তেক পিছতে উভতি আহি খট্‌খটিৰ ওপৰৰ পৰাই তাই ক'লে, "তইঁতলৈ বাট চাই আছে।"

ডেটে আৰু হাইডি খট্‌খটিৰে ওপৰলৈ উঠি টিনেটেৰ পিছে পিছে পুথিভঁৰাললৈ গ'ল। ডেটেই কোঠাটোত সোমাই দুৱাৰৰ কাষতে সসম্ভ্ৰমে থিয় হৈ ৰ'ল। তাই কিন্তু তেতিয়াও হাইডিৰ হাতত জোৰকৈ ধৰি থাকিল কাৰণ এনেকুৱা আচহুৱা পৰিবেশত হাইডিয়ে অদ্ভুত কিবা কৰি পেলাবও পাৰে।

কুমাৰী ৰোটেনমায়াৰ লাহে-ধীৰে থিয় হ'ল। ঘৰৰ জীয়ৰীজনীৰ লগৰী হবলৈ আহি ওলোৱা ছোৱালীজনীক পৰীক্ষা কৰিবলৈ তেওঁ অলপ ওচৰলৈ গ'ল। হাইডিক দেখি তেওঁ সন্তুষ্ট হোৱা যেন নালাগিল। হাইডিয়ে সাধাৰণ কপাহী ফ্ৰক এটা আৰু মূৰত তাইৰ থেতেলা খোৱা খেৰৰ টুপীটো পিন্ধি আছিল। সেই টুপীটোৰ তলৰ পৰা হাইডিৰ নিৰ্জু চকুহালে ভুমুকিয়াইছিল আৰু কুমাৰী ৰোটেন্‌মায়াৰৰ অদ্ভুত টুপীটোলৈ প্ৰকাশ্য বিস্ময়ত চাই আছিল।

ছোৱালীজনীক অলপ পৰ সন্ধানী চকুৰে চাই লৈ কুমাৰী ৰোটেন্‌মায়াৰে সুধিলে, "তোমাৰ নাম কি?"

তেওঁলৈ একেবাহে চাই থকা হাইডিয়ে বিংবিঙোৱা মাতেৰে স্পষ্ট উত্তৰ দিলে, "হাইডি।"

"কি! কি! এইটো নিশ্চয় খ্ৰীষ্টান নাম নহয়। তুমি খ্ৰীষ্টান ধৰ্মত দীক্ষা লোৱা নাইনে?" কুমাৰী ৰোটেন্‌মায়াৰে সুধিলে।

"মই নাজানোঁ," হাইডিয়ে উত্তৰ দিলে।

"কি যে উত্তৰ।" মূৰটো জোকাৰি মহিলাগৰাকীয়ে ডাঙৰকৈ ক'লে, "ডেটে, এইজনী বুৰ্বক নে উদ্ধত?"

"আইদেৱে অনুমতি দিলে এই অতি অনভিজ্ঞ ছোৱালীজনীৰ হৈ ময়েই এবাৰ ক'ব খোজোঁ," ডেটেই ক'লে। তাই আনে নেদেখাকৈ হাইডিৰ অশোভনীয় উত্তৰটোৰ বাবে তাইক গেঁজা এটা মাৰিলে। "এই বুৰ্বকো নহয়, উদ্ধতো নহয়। এইৰ তেনে স্বভাৱ নাই। এই যি ভাবে তাকে কয় মাত্ৰ। জীৱনত এই প্ৰথমবাৰলৈ এই সম্ভ্ৰান্ত ডাঙৰীয়া এগৰাকীৰ ঘৰলৈ আহিছে। তাতে এই এতিয়াও শিষ্টাচাৰৰ ভূ-ভা পোৱা নাই। এই নতুন কথা শিকিবলৈ ইচ্ছুক আৰু সোনকালে শিকেও। আইদেৱে যদি অনুগ্ৰহকৈ অলপ সময় দিয়ে। এইক দীক্ষা দিওঁতে মোৰ মৃতা বাইদেউ তথা এইৰ মাকৰ নামেৰে এইক দিয়া নামটো হ'ল আডেলহাইড।"

"এৰা, এই নামটো উচ্চাৰণ কৰিব পাৰি," কুমাৰী ৰোটেন্‌মায়াৰে মন্তব্য দিলে। "কিন্তু ডেটে, মোৰ মতে এই বয়স চাই চকুত পৰা বিধৰ। কুমাৰী ক্লাৰাৰ লগৰীজনী তেওঁৰ বয়সীয়াই হ'ব লাগিব বুলি মই তোমাক কৈছিলোঁ। কাৰণ তেতিয়াহে লগৰীজনীয়ে তেওঁৰ পঢ়িবলৈ আৰু বিশেষকৈ তেওঁৰ চিন্তা-ভাৱনাবো ভাগ লবলৈ পাৰিব। কুমাৰী ক্লাৰাৰ এতিয়া বাৰ বছৰ হৈছে। এই ছোৱালীজনীৰ বয়স কিমান?"

"আইদেৱে যদি মোক কবলৈ অনুমতি দিয়ে," ডেটেই আকৌ আৰম্ভ কৰিলে। "এইৰ বয়স কিমান মই সঠিককৈ মনত পেলাব পৰা নাই। এই বয়স নিশ্চয় বাৰ বছৰতকৈ অলপ কম কিন্তু বেছি কম নহয়। সঠিককৈ কব নোৱাৰিলেও, এইৰ বয়স দহ বছৰমান বা প্ৰায় তেনেই যেন মোৰ লাগিছে।"

"মোৰ বয়স আঠ বছৰ বুলি ককাই কৈছিল," হাইডিয়ে ব্যাখ্যা কৰিলে। লগে লগে মাহীয়েকে তাইক পুনৰায় গেঁজা এটা মাৰিলে, কিন্তু মাহীয়েকে তেনে কৰাৰ কোনো কাৰণ নেদেখি তাই অকণো অপ্ৰস্তুত নহ'ল।

"কি? মাত্ৰ আঠ বছৰ।" কুমাৰী ৰোটেন্‌মায়াৰে বিৰক্তিত ডাঙৰকৈ কৈ উঠিল। "চাৰিবছৰে সৰু। তাৰ মানে? হেৰা, তুমি কি কি শিকিছা? কোনবোৰ কিতাপ পঢ়িছা?"

"এখনো পঢ়া নাই," হাইডিয়ে ক'লে।

"হায় প্ৰভু ঈশ্বৰ। তুমি পঢ়িব নাজানা? সঁচায়ে নাজানা!" গভীৰ আতঙ্কত কুমাৰী ৰোটেন্‌মায়াৰে কৈ উঠিল। "তুমি পঢ়িব নজনাটো সম্ভৱনে? তুমি কি শিকিছা তেন্তে?"

"একো শিকা নাই," হাইডিয়ে সম্পূৰ্ণ সঁচা মাতিলে।

নিজকে শান্ত কৰিবলৈ কেইমিনিটমান বৈ কুমাৰী ৰোটেন্‌মায়াৰে ক'লে, "ডেটে, আমাৰ চুক্তি এনে নাছিল। কি সাহত এই জীৱটোক তুমি ইয়ালৈ আনিছা?"

ডেটে কিন্তু অলপ-ধতুৰা নাছিল। তাই উছাহেৰে উত্তৰ দিলে, "আইদেউৰ অনুমতি লৈ মই জনাব খোজোঁ যে আইদেৱে যেনে ছোৱালী বিচাৰিছিল বুলি মই বুজিছিলোঁ, এই ঠিক তেনেই। আইদেৱে কৈছিল যে নগৰীজনী আন ছোৱালীবোৰৰ দৰে নহৈ সম্পূৰ্ণ বেলেগ ধৰণৰ হ'ব লাগিব। সেয়ে মই এইজনীক আনিছোঁ। আমাৰ ডাঙৰ ছোৱালীবোৰৰ বিশেষত্ব একো নাথাকে। মোৰ মতে আইদেৱে দিয়া বিৱৰণৰ লগত এইজনী সাক্ষাৎ মিলি যায়। মোৰ যোৱাৰ সময় হ'ল। মোৰ গিৰিহঁতনী মই অহাৰ প্ৰত্যাশাত বৈ আছে। তেখেতে অনুমতি দিলে মই নিশ্চয়কৈ আহি এই কেনেকৈ কি কৰিছে খা-খবৰ লৈ থাকিম।"

এইবুলি ডেটেই তেওঁক অভিবাদন জনাই দুৱাৰেৰে ওলাই খটখটিৰে যিমান পাৰে বেগাই লৰি নামি গ'ল। বিস্ময়ত কুমাৰী ৰোটেন্‌মায়াৰ খন্তেকলৈ ঠৰ লাগিলেও তেওঁ প্ৰায় লগে লগেই ডেটেৰ পিছে পিছে লৰ ধৰিলে। তেওঁৰ মনত খেলাল যে মাহীয়েকে ছোৱালীজনীক থৈ যাবলৈ আহিছে আৰু তাইক কাৰ্য্যতঃ গতালেই। এইক ৰাখিব লাগিবই যেতিয়া তেওঁ মাহীয়েকৰ লগত আৰু দুটামান কথা পাতিবলৈ ইচ্ছা কৰিলে।

হাইডিয়ে প্ৰথমতে আহি থিয় হোৱা ঠাইখিনিতে তেতিয়াও থিয় হৈ আছিল। ইমানপৰে চকীত বহি ক্লাৰাই ঘটনাটো নীৰৱে চাই আছিল। এতিয়া তেওঁ হাইডিক হাত-বাউল দি মাতি ক'লে, "ইয়ালৈ আহাঁচোন।"

হাইডি ক্লাৰাৰ চকীৰ কাষলৈ গ'ল।

"তোমাক হাইডি বুলিলে ভাল পাবানে আডেলহাইড বুলিলে?" ক্লাৰাই সুধিলে।

"মোৰ নাম হাইডিহে, আন নহয়," তাই উত্তৰ দিলে।

"তেন্তে মই তোমাক সেইটো নামেৰেই মাতিম," ক্লাৰাই ক'লে। "তোমাৰ এই নামটো মোৰ পছন্দ হৈছে। পিছে এনে নাম মই আগতে কেতিয়াও শুনা নাছিলোঁ। তোমাৰ দৰে ছোৱালীও মই আগতে দেখা নাছিলোঁ। তোমাৰ চুলি সদায় এনে চুটি আৰু কেঁকোৰানে?"

"অঁ, এনেকুৱাই," হাইডিয়ে উত্তৰ দিলে।

"ফ্ৰাঙ্কফুৰ্টলৈ তুমি আহিব খুজিছিলানে?" ক্লাৰাই আকৌ সুধিলে।

"ওহোঁ, মই কাইলৈয়ে ঘৰলৈ উভতিম আৰু যাওঁতে আইতালৈ কিছুমান বগা ৰোল লৈ যাম," হাইডিয়ে ব্যাখ্যা কৰিলে।

"তুমিও ভাল আঁকবী," ক্লাৰাই কৈ উঠিল। "মোৰ লগত থাকিবলৈ আৰু পঢ়িবলৈহে তেওঁলোকে তোমাক ফ্ৰাঙ্কফুৰ্টলৈ আনিছে। তুমি পঢ়িবলৈ একো নজনা যেতিয়া বৰ মজা হ'ব। এতিয়াৰ পৰা পঢ়াৰ সময়ছোৱা একেবাৰেই নতুন ধৰণৰ হ'ব। এই সময়ছোৱা প্ৰায়ে বৰ ক্লান্তিকৰ হৈ পৰে কাৰণে পঢ়াৰ সময়খিনি মোৰ নাযায় নাযায় যেন লাগে। জানা, শিক্ষকজন পুৱা দহবজাত আহি পঢ়াবলৈ আৰম্ভ কৰে। তেওঁৰ লগত মই দুই বজালৈ পঢ়িব লাগে। এই সময়ছোৱা ইমান দীঘল। শিক্ষকজনে প্ৰায়ে চকুৰ আগত কিতাপখন নধৰিলে হঠাতে আখৰ মনিব নোৱৰা হোৱা যেনকৈ কিতাপখন মুখৰ আগত ধৰে। আচলতে তেওঁ সেইখনৰ আঁৰত লুকাই বৰকৈ হাঁমিয়ায়হে। মাজে-সময়ে আমি পঢ়া কথাই তেওঁক অতি বিচলিত কৰা যেন দেখুৱাই কুমাৰী ৰোটেন্‌মায়াৰে ডাঙৰ ৰুমালখনেৰে গোটেই মুখখন ঢাকি লয়। কিন্তু মই ঠিক জানোঁ যে তেৱোঁ তেনেকৈ হাঁমিয়ায়হে মাত্ৰ। তেতিয়া মোৰো হাঁমিয়াবলৈ খুব মন যায়। কিন্তু মই হাঁমিটো গিলি থওঁ। কাৰণ মই এবাৰ মাত্ৰ হাঁমিয়ালেই মই মূৰ্ছা যাম বুলি কৈ কুমাৰী ৰোটেন্‌মায়াৰে মোক কড়্মাছৰ তেলৰ বটলটো আনি খাবলৈ দিয়ে। কড়্মাছৰ তেল যেন খাবলৈ বেয়া বস্তু পৃথিৱীত আৰু নাই। সেয়ে মই হাঁমিবোৰ দমন কৰাই পছন্দ কৰোঁ। এতিয়া তুমি পঢ়িবলৈ শিকোঁতে মই চাই থাকিব পাৰিম বাবে মোৰ ভাগৰ কম লাগিব।"

পঢ়িবলৈ শিকিব লাগিব বুলি শুনি হাইডিয়ে কিবা ভাবি-গুণি অবিশ্বাসত মূৰটো জোকাৰিলে।

"মূৰ জোকাৰিলে নহব হাইডি; তুমি পঢ়িবলৈ শিকিবই লাগিব; সকলোৱে শিকিব লাগে। শিক্ষকজন বৰ ভাল। তেওঁ কেতিয়াও খং নকৰে। তেওঁ তোমাক সকলো কথা বুজাই দিব। পিছে এটা কথা। তেওঁ কিবা বুজাওঁতে একো বুজি নাপালেও তুমি একো নামাতি মনে মনে থাকিবা। নহলে তেওঁ ইমান বেছিকৈ বুজাব যে তুমি আগতকৈ কমহে বুজি পাবা। অৱশ্যে তুমি অলপ জনা হোৱাৰ পিছত শিক্ষকজনেনো কি বুজাব খুজিছিল নিজেই গম পাবা।"

তেনেতে কুমাৰী ৰোটেনমায়াৰ উভতি আহি কোঠাটোত সোমাল। তেওঁ ডেটেক নাপাই দেখ্‌দেখকৈ বৰ চিন্তিত হ'ল। এই ছোৱালীজনী তেওঁলোকৰ চুক্তিমতে কিয় যথাযথ হোৱা নাই সেইটো ডেটেক কোৱা নহ'ল। ছোৱালীজনীক আনিবলৈ তেৱেঁই ডেটেক প্ৰস্তাৱ দিছিল কাৰণে তাইক এতিয়া ঘূৰাই পঠিয়াবলৈ উপায় নোহোৱা হ'ল। সেয়ে তেওঁ আৰু বেছি চিন্তিত হৈ পৰিল।

তেওঁ উত্তেজিত হৈ খোৱা-কোঠাটোলৈ গ'ল আৰু তাৰ পৰা পঢ়া কোঠাটোলৈ ঘূৰি আহিল। আহিয়েই তেওঁ উভতি আকৌ চেবাষ্টিয়ানৰ কাষলৈ

গ'ল। সি দুপৰীয়াৰ সাঁজৰ বাবে খোৱা টেবুলখনত থাল-বাটি আদি সজাই কৰবাত কিবা খুঁত বৈ গ'ল নেকি পৰীক্ষা কৰি চাবলৈ সেইবোৰৰ ওপৰেদি তেতিয়া একান্তমনে চকু ফুৰাই আছিল।

"তোৰ গভীৰ চিন্তাবোৰ কাইলৈ কৰিবি। এতিয়া আমি খাবলৈ আহিব পৰা কৰ।" এইবুলি তাক কৈ কুমাৰী বোটেন্‌মায়াৰে টিনেটেক এনে অশিষ্ট সুৰেৰে মাতিলে যে তাই আন দিনাতকৈও লাহে-ধীৰে আহি মুখত এনে ঠাট্টাৰ ভাব লৈ থিয় হ'ল যে কুমাৰী বোটেন্‌মায়াৰেও তাইক ডবিয়াবলৈ সাহ নকৰিলে। ফলত তেওঁৰ বিৰক্তি আৰু বাঢ়িল।

"টিনেটে, অকমানি আগন্তুকজনীৰ কোঠাটো ঠিক কৰিবৰ হ'ল। কামটো হৈছেই প্ৰায়। আচবাবখিনিৰহে ধূলি গুচাবলৈ আছে।"

"কামৰ লায়ক কাম" বুলি ইতিকিং কৰাদি কৈ টিনেটে কোঠাটোৰ পৰা ওলাই গ'ল।

ইপিনে চেবাষ্টিয়ানৰ বৰ খং উঠিছিল। কিন্তু কুমাৰী বোটেন্‌মায়াৰৰ আগত মনৰ ভাব কথাৰে প্ৰকাশ কৰিবলৈ তাৰ সাহ নহ'ল। সি গৈ পঢ়া-কোঠাৰ ডবল-দুৱাৰখনকেই সশব্দে মেলিলে। তাকে কৰি সি সম্পূৰ্ণ শান্ত হৈ ক্লাৰাৰ চকীখন ঠেলি আনিবলৈ বুলি পঢ়া-কোঠাটোত সোমাল। চকীখনৰ পিছফালে থকা হেণ্ডেলডাল সি ঠিক কৰি লবলৈ ধৰোঁতে হাইডি গৈ তাৰ সমুখত থিয় হ'ল। তাই তালৈ স্থিৰ চাৱনিৰে চাবলৈ ধৰিলে। সেইটো চেবাষ্টিয়ানৰ চকুত পৰিলত সি গৰ্‌গৰাই উঠিল, "মোলৈ এনেকৈ চাবলৈ কিটো আছে?" কুমাৰী বোটেন্‌মায়াৰক দেখা হ'লে সি অৱশ্যে এনেকৈ গৰ্‌গৰাই নকলেহেঁতেন।

হাইডিয়ে কথাষাৰৰ উত্তৰ দিওঁতে দিওঁতে কুমাৰী বোটেন্‌মায়াৰ তাত ওলালহি আৰু তেওঁ হাইডিয়ে কোৱা শুনিলে, "আপুনি দেখিবলৈ ঠিক ছাগলীৰখীয়া পিটাৰৰ দৰে।"

কুমাৰী বোটেন্‌মায়াৰ আতঙ্কিত হৈ উঠিল। "এইটো সম্ভৱনে?" তেওঁ অনুচ্চ মাতেৰে ভোৰভোৰালে। "এইজনীয়ে বাটলাৰটোক আপুনি বুলিছে। এইৰ চিন্তা-ভাৱনা তেনেই অপৰিপক্ক।"

চেবাষ্টিয়ানে ক্লাৰাৰ চকীখন ঠেলি নি ক্লাৰাক খোৱা-টেবুলখনৰ কাষত বহুৱালে। কুমাৰী বোটেন্‌মায়াৰ ক্লাৰাৰ কাষত বহিল। তেওঁ হাইডিক বিপৰীত কালে বহিবলৈ ইঙ্গিত দিলে। খাবলৈ আৰু আন কোনো নথকাত তিনিও দূৰে দূৰে বহিল আৰু চেবাষ্টিয়ানে পৰিবেশন কৰিবলৈ যথেষ্ট ঠাই পালে।

হাইডিৰ থালখনৰ কাষত ধুনীয়া, বগা বোল এটা আছিল। সেইটোলৈ তাই অতি হেঁপাহেৰে চালে। চেবাষ্টিয়ানক পিটাৰ যেন লগা কাৰণে তাৰ ওপৰত হাইডিৰ পূৰা আস্থা হ'ল। সেয়ে সি কাষলৈ অহালৈ তাই নিগনিৰ দৰে

চুপ্‌চাপ বহি ৰ'ল। যেতিয়া সি তাইৰ কাষলৈ আহি ভজা মাছৰ থালখন আগবঢ়াই দিলে, তেতিয়া তাই ৰোলডোখৰ দেখুৱাই তাক সুধিলে, "সৌডোখৰ লওঁনে?"

চেবাষ্টিয়ানে মূৰ দুপিয়ালে। এই আচৰিত প্ৰশ্নটো শুনি কুমাৰী ৰোটেন্‌মায়াৰৰ কেনে প্ৰতিক্ৰিয়া হয় জানিবলৈ সি তেওঁলৈ কেৰাহিকৈ চালে। নিমিষতে হাইডিয়ে বগা ৰোলটো জেপত ভৰালে। তাকে দেখি চেবাষ্টিয়ানৰ হাঁহি উঠে উঠে হ'ল কিন্তু তেনেকৈ হঁহা নিষিদ্ধ কাৰণে সি হাঁহি দমাওঁতে তাৰ মুখখন কিবা কিবা দেখা হ'ল। সি নিশব্দে হাইডিৰ কাষত থিয় হৈ ৰ'ল। সি থালখনৰপৰা মাছ ল'বলৈ হাইডিক কবলৈ সাহ নকৰিলে। ইপিনে হাইডিয়ে একো নোকোৱালৈকে সি আঁতৰি যাব নোৱৰাও হ'ল। সি তেনেকৈ ৰৈ থকা দেখি হাইডি আচৰিত হৈ তালৈ অলপ পৰ চাই থাকিল। তাৰ পিছত তাই তাক সুধিলে, "ভজা মাছো খাব লাগিবনে?"

চেবাষ্টিয়ানে মূৰ দুপিয়ালে। হাইডিয়ে নিৰুদ্বেগ চিতে নিজৰ থালখনলৈ চাই ক'লে, "অলপ দিয়ক তেন্তে।"

চেবাষ্টিয়ান বৰ চিন্তাগ্ৰস্ত হৈ পৰা যেন দেখা গ'ল আৰু তাৰ হাতৰ থালখন কঁপি কঁপি পৰিবৰ উপক্ৰম হ'ল।

চেবাষ্টিয়ানৰ প্ৰতি ৰুক্ষ হৈ চাই কুমাৰী ৰোটেন্‌মায়াৰে ক'লে, "থালখন টেবুলত থৈ গুচি যা। অলপ পাছত ঘূৰি আহিবি।"

চেবাষ্টিয়ান খিতাতে আঁতৰি গ'ল।

"আডেলহাইড, তোমাক শিষ্টাচাৰৰ কিছু জ্ঞান দিদিলে নহব দেখিছোঁ," হতাশাৰ হুমুনিয়াহ কাঢ়ি কুমাৰী ৰোটেন্‌মায়াৰে ক'লে, "প্ৰথমতে খোৱা-সময়ৰ শিষ্টাচাৰকেই তোমাক শিকাওঁ।"

তেওঁ খোৱা-টেবুলত বহি কি কি কৰিব লাগিব আৰু নালাগিব স্পষ্টকৈ আৰু যথাযথকৈ ব্যাখ্যা কৰিবলৈ ধৰিলে। তেওঁ আৰু ক'লে, "মই তোমাক এটা কথা বিশেষকৈ সকীয়াই দিব খোজোঁ। খোৱা-টেবুলত বহি চেবাষ্টিয়ানৰ সৈতে কথা পতা মানা। অৱশ্যে তাক হুকুম দিবলগীয়া থাকিলে বা কিবা প্ৰয়োজনীয় প্ৰশ্ন সুধিব লগীয়া হলে তাক কব পাৰিবা।" তাৰ পিছত তেওঁ ঘৰখনৰ মানুহবোৰৰ কাক কেনেকৈ হাইডিয়ে সম্বোধন কৰিব লাগিব কৈ-মেলি শেহত ক'লে, "ক্লাৰাক তুমি কি বুলি মাতিব লাগিব ক্লাৰাই কব।"

"ক্লাৰা বুলিয়েই অৱশ্যে," সৰু অপাহিতাজনীয়ে টপৰাই ক'লে।

তাৰ পাছত কুমাৰী ৰোটেন্‌মায়াৰে হাইডিক পুৱা সাৰ পাই আৰু ৰাতি শুবলৈ যাওঁতে কি কৰিব লাগে, কোঠালিবোৰত কেনেকৈ সোমাব-ওলাব

লাগে, দুৱাৰবোৰ কেনেকৈ খুলিব-জপাব লাগে, সাধাৰণতে কেনেকুৱা শৃংখলা মানি চলিব লাগে আদি বিষয়ে হাজাৰটা নীতি-নির্দেশনা দিবলৈ ধৰিলে।

সেইদিনা দোক্‌মোকালিতে উঠি দীঘলীয়া বাট ভ্ৰমণ কৰি আহি ফ্ৰাঙ্কফুর্ট পোৱা হাইডিক ইতিমধ্যে টোপনিয়ে হেঁচা মাৰি ধৰিলে। তাই চকীখনত আওজি টোপনিত লালকাল হ'ল। কুমাৰী ৰোটেন্‌মায়াৰে নীতি-নির্দেশনা সামৰি শেহত ক'লে, "এইবোৰ ভালকৈ গমি-পিতি চাবা। প্ৰতিটো কথা বুজিলানে?"

"হাইডি অথনিয়েই টোপনি গ'ল", খুব মজা পোৱাদি ক্লাৰাই ক'লে। ৰাতিৰ সাঁজ খোৱাৰ দীঘলীয়া সময়খিনি ইমান সোনকালে কাহানিও শেষ হোৱা নাছিল যেন ক্লাৰাৰ লাগিল।

"এইজনীৰ লেখীয়া এজনী মই জীৱনত দেখা নাই", বুলি অতি বিৰক্তিৰে কুমাৰী ৰোটেন্‌মায়াৰে ডাঙৰকৈ কৈ উঠিল। তেওঁ খঙতে টিলিঙাটো ইমান জোৰকৈ বজালে যে চেবাষ্টিয়ান আৰু টিনেটে হুলস্থূল হৈ দৌৰি আহিল। ইমান হুলস্থূলতো কিন্তু হাইডিৰ টোপনি নাভাগিল। তাইক জগাবলৈ বহুত চেষ্টা কৰাৰ পিছতহে তাইৰ অলপ হুচ আহিল। তেতিয়া তাইক প্ৰথমতে পঢ়া-কোঠাটোৰ মাজেৰে, তাৰ পিছত ক্লাৰাৰ কোঠাটোৰে আৰু শেহত কুমাৰী ৰোটেন্‌মায়াৰৰ কোঠাটোৰ সিফালে তাইৰ বাবে সাজু কৰি থোৱা শোৱনি-কোঠাটোলৈ লৈ যোৱা হ'ল। ■

সপ্তম অধ্যায়

কুমাৰী ৰোটেন্‌মায়াৰৰ এটা দিন অস্বস্তিত গ'ল

পিছদিনা ফ্রাঙ্কফুৰ্টত প্ৰথম পুৱা সাৰ পাই দেখা দৃশ্যটো হাইডিৰ বোধগম্য নহ'ল। তাই জোৰেৰে চকু দুটা মোহাৰি আকৌ এবাৰ চাবিওফালে চকু ফুৰালে কিন্তু বস্তু একেবোৰকেই দেখিলে। ডাঙৰ কোঠা এটাৰ ওখ, ডাঙৰ বিছনা এখনত তাই বহি আছে; কোঠাটোৰ বেলিৰ পোহৰ সোমোৱা পিনে দীঘল, দীঘল শুকুলা পৰ্দা ওলোমাই থোৱা আছে; সেইবোৰৰ কাষত ফুলাম কাপোৰেৰে সজোৱা দুখন চকী আছে; সেই দুখনৰ কাষত একে ধৰণৰ ফুলাম কাপোৰেৰে সজোৱা চোফা এখন আছে; সেইখনৰ সমুখত এখন গোল টেবুল আছে; কোঠাটোৰ চুক এটাত হাত-মুখ ধোৱাৰ ব্যৱস্থা থকা মেজ এখন আছে আৰু তাত তাই কাহানিও নেদেখা বয়-বস্তু কেতবোৰ আছে।

তেনেতে চাঁত কৰে তাই ফ্রাঙ্কফুৰ্টত থকা বুলি তাইৰ মনত পৰিল। লগে লগে তাই আগদিনা ঘটা কাণ্ডবোৰ সুঁৱৰিবলৈ ধৰিলে আৰু শেহত কুমাৰী ৰোটেন্‌মায়াৰে দিয়া নীতি-নিৰ্দেশনাৰ তাই শুনাখিনি তাই স্পষ্টকৈ সুমৰিলে।

হাইডি বিছনাৰ পৰা জাঁপ মাৰি নামিল আৰু হাত-মুখ ধুই কাপোৰ-কানি সলালে। লগে লগে বাহিৰৰ আকাশ আৰু মাটি চাবলৈ তাইৰ মন গ'ল। সেয়ে তাই এবাৰ ইখন, এবাৰ সিখন খিড়িকিৰ কাষলৈ লৰি গ'ল; তাই দীঘল দীঘল পৰ্দাৰ আঁৰৰ সজাত বন্দী হৈ পৰা যেন পালে। তাই দীঘল, গধুৰ পৰ্দাবোৰ একাষৰীয়া কৰিব নোৱাৰি সেইবোৰৰ তলেৰে সৰকি খিড়িকিৰ কাষ পালে। কিন্তু সেই খিড়িকিখনো বেছ ওখ কাৰণে বাহিৰলৈ দেখা পোৱাকৈ তাইৰ মূৰটো গড়িলাৰ ওপৰ নাপালেগৈ। সেয়ে তাই চাবলৈ হেঁপাহ কৰা বস্তুবোৰৰ একো নেদেখিলে। তাই এখন খিড়িকিৰ পৰা আন এখনলৈ লৰি গ'ল আৰু সেইখনৰ পৰা আগৰখনলৈ ঘূৰি আহিল কিন্তু বাৰে বাৰে তাই একেবোৰ বস্তুকেই দেখিলে : ঘৰৰ দেৱালবোৰ আৰু খিড়িকিবোৰ; কেৱল দেৱালবোৰ আৰু খিড়িকিবোৰ।

হাইডি বিমোৰ হ'ল। তেতিয়া ৰাতি পুৱাইছিলহে মাথোন। আল্মত দোকমোকালিতে উঠা তাইৰ অভ্যাস আছিল আৰু উঠিয়েই তাই তৎক্ষণাত বাহিৰলৈ লৰ ধৰিছিল। বাহিৰ পাই আকাশখন নীলা হৈয়েই আছে নে; বেলি ওলাইছেনে; কাৰ কেইজোপাই গুণগুণাবলৈ আৰম্ভ কৰিছেনে; নীলা ফুলবোৰে সাৰ পাই চকু মেলিছেনে আদি তাই মন কৰিছিল। তাই ফ্রাঙ্কফুৰ্টতো দেৱাল

আৰু খিড়িকিৰ বাহিৰে চাবলগীয়া আন বস্তু নিশ্চয় আছে বুলি ভাবিলে। তাই নিসন্দেহে অনুভৱ কৰিলে যে দেৱাল আৰু খিড়িকিবোৰৰ তলত সেউজীয়া ঘাঁহ ভৰা মাটি আৰু পৰ্বতৰ হেলনিত গলিৰ ধৰা বৰফৰ শেহতীয়াখিনি তাই দেখা পাব। তাই সেইবোৰ চাবলৈ উত্ৰাৱল হৈ উঠিল। ধুনীয়া, চিক্‌মিকোৱা সজাত প্ৰথমবাৰলৈ বন্দী হোৱা পখীয়ে যেনেকৈ পুনৰ স্বাধীনতা পোৱাৰ আশাৰে সজাটোৰ মাৰিবোৰৰ মাজেৰে সৰকি বাহিৰলৈ উৰি যাবলৈ বুলি ছট্‌ফটাই এডাল মাৰিৰ কাষৰ পৰা আন এডাললৈ উৰি গৈ প্ৰতিডাল মাৰিয়েই পৰীক্ষা কৰি চায়, তেনেকৈ হাইডিয়ে প্ৰতিখন খিড়িকি খুলিবলৈ চেষ্টা কৰি ইখনৰ পাছত সিখনলৈ লৰি যাবলৈ ধৰিলে।

কিন্তু খিড়িকিবোৰ তাই যিমান টনা-আজোঁৱা নকৰক আৰু খিড়িকিৰ পাল্লাৰ তলেদি আঙুলি সুমুৱাই দিবলৈ যিমানেই চেষ্টা নকৰক কিয়, সেই খিড়িকিবোৰ কপ্‌কপীয়া হৈ বন্ধ হৈয়েই থাকিল। অলপ পাছতে তাই সকলো চেষ্টা বৃথা বুলি গম পাই তাই খিড়িকি খুলিবলৈ চেষ্টা কৰিবলৈ এৰি দিলে। আগদিনা আবেলি অট্টালিকাটোৰ সমুখেৰে আঁহোতে শিল পাৰি থোৱা বাটেৰে খোজ কঢ়া তাইৰ মনত পৰিল। সেইকাৰণে অট্টালিকাটোৰ বাহিৰলৈ গৈ ঘূৰি সেইটোৰ পাছফালে ওলাই ঘাঁহ-পাত নেদেখালেকে গৈ থাকিলে কথাটো কেনে হ'ব তাই ভাবিবলৈ ধৰিলে। তেনেতে কোঠাটোৰ দুৱাৰত টোকৰ এটা পৰিল আৰু টিনেটেই দুৱাৰৰ ফাঁকেৰে মূৰটো সুমুৱাই চমুকৈ ক'লে, "প্ৰাতঃ ভোজন সাজু!"

এইবাৰেৰে যে তাইক বাতিপুৱাৰ সাঁজ খাবলৈহে মতা হৈছে সেইটো হাইডিয়ে বুজি নাপালে। বৰং টিনেটৰ মুখৰ তাচ্ছিল্যৰ ভাৱটো দেখি তাই অনুমান কৰিলে যে টিনেটৰ কাষ নাচাপিবলৈহে যেন তাইক সাৱধান কৰি দিয়া হৈছে। গতিকে তাই যি বুজিলে তাকেই কৰিলে। তাই টেবুলখনৰ তলৰ পৰা ভৰি-থোৱা সৰু টুলখন উলিয়াই লৈ চুক এটাত বহিল আৰু নতুন ঘটনা কিবা ঘটালৈ বাট চাবলৈ ধৰিলে।

অলপ পাছতে হাইডিয়ে কোনোবা খৰ্‌খৰকৈ অহাৰ শব্দ শুনিলে আৰু কুমাৰী ৰোটেন্মায়াৰ বিৰক্তিৰে আহি তাইৰ কোঠাত সোমাল। তেওঁ ক'লে, "তোমাক কিহে পাইছে আডেলহাইড? প্ৰাতঃভোজন মানে কি তাকো নাজানানে? তৎক্ষণাত আহঁা!"

তাই এইবাৰ বুজি পাই লগে লগেই তেওঁৰ পাছ ল'লে।

ক্লাৰা কিছুসময় খোৱা-টেবুলত বহি আছিল। তাই হাইডিক বন্ধুভাৱে সম্ভাষণ জনালে। আজিও বহুত মজাৰ ঘটনা ঘটিব বুলি ক্লাৰাই আশা কৰিছিল কাৰণে তাইৰ মুখখন আজি আন দিনাতকৈ প্ৰসন্ন দেখা গ'ল। কিন্তু হাইডিয়ে

আজি ৰুটি-মাখন আদি শুদ্ধ আদব-কায়দাৰে খালে আৰু কোনো গোলমাল নোহোৱাকৈ প্ৰাতঃভোজন পৰ্ব শেষ হ'ল। তেতিয়া ক্লাৰাক পঢ়া-কোঠাটোলৈ লৈ যোৱা হ'ল। শিক্ষকজন আহি নাপায়মানে হাইডিক ক্লাৰাৰ লগত থাকিবলৈ কুমাৰী ৰোটেন্‌মায়াৰে নিৰ্দেশ দিলে।

সিহঁত দুজনী অকলশৰীয়া হওঁতেই হাইডিয়ে ক্লাৰাক সুধিলে, "ইয়াৰ পৰা বাহিৰলৈ আৰু তলৰ মাটিলৈ কেনেকৈ চাব পাৰি?"

আচহুৱা প্ৰশ্নটো শুনি ৰং পোৱা ক্লাৰাই ক'লে, "আমি খিড়িকি খুলি বাহিৰলৈ চাওঁ।"

"কিন্তু খিড়িকিবোৰ খুলিব নোৱাৰি দেখোন!" বিমৰ্ষ হৈ হাইডিয়ে ক'লে।

"অঁ", ক্লাৰাই উত্তৰ দিলে, "তুমি খুলিব নোৱৰা আৰু ময়ো তোমাক সহায় কৰিব নোৱাৰোঁ। তুমি চেবাষ্টিয়ানক ক'লে সি খিড়িকি এখন খুলি দিব।"

বন্ধ খিড়িকিৰ শোৱনি-কোঠাটো তাইৰ জেলখানা যেন লাগিছিল। সেই কাৰণে খিড়িকি খুলিব পাৰি বুলি আৰু খোলা খিড়িকিৰে বাহিৰলৈ চাবলৈ পাব বুলি জানি হাইডি আশ্বস্ত হ'ল।

তেনেতে ক্লাৰাই তাইক আল্মৰ ঘৰখনৰ কথা সুধিলে। তেতিয়া হাইডিয়ে ফুৰ্ত্তিৰে সিহঁতৰ পঁজাটো, ছাগলীবোৰ আৰু চৰণীয়া যাঁহনিখনৰ কথা আৰু তাইৰ ভাল লগা আনবোৰ বিষয়ে ক্লাৰাক বিবৰি কৰলৈ ধৰিলে।

ইতিমধ্যে শিক্ষকজন আহি পালে। কুমাৰী ৰোটেন্‌মায়াৰে আজি শিক্ষকজনক আনদিনাৰ দৰে পোনেই পঢ়া-কোঠালৈ লৈ নগ'ল। শিক্ষকজনৰ সৈতে নিজে প্ৰথমতে কথা হ'বলৈ বুলি কুমাৰী ৰোটেন্‌মায়াৰে তেওঁক খোৱা-কোঠাটোলৈ মাতি নি শিক্ষকজনৰ মুখামুখিকৈ বহিল। তাৰ পিছত অতি উত্তেজিত হৈ তেওঁ হাইডিক লৈ কেনে অস্বস্তিকৰ অৱস্থাত পৰিছে কৰলৈ ধৰিলে।

কিছুমান দিন আগতে তেতিয়া পেৰিছত থকা জেচেমান ডাঙৰীয়ালৈ কুমাৰী ৰোটেন্‌মায়াৰে লিখিছিল যে তেখেতৰ জীয়েকে বহুতদিনৰ পৰাই ঘৰত এজনী লগৰী থকাটো বিচাৰিছিল; তেওঁৰ নিজৰ মতেও এনে লগৰী এজনী থাকিলে ক্লাৰাই পঢ়া-শুনাত উদগনি পাব আৰু দিনটোৰ বাকী সময়ছোৱাও ভালেৰে কটাব পাৰিব। (আচলতে এই বন্দবস্তটো কুমাৰী ৰোটেন্‌মায়াৰৰ নিজৰ বাবেও আকৰ্ষণীয় আছিল। বেমাৰী ছোৱালীজনীৰ মনোৰঞ্জন কৰাটো তেওঁৰেই কাম আছিল আৰু এই কামটো তেওঁ প্ৰায়েই আহুকলীয়া পাইছিল। সেয়ে তেওঁ ভাবিছিল যে ক্লাৰাৰ লগৰী এজনী থাকিলে তেওঁ সেই বাবটোৰ পৰা অব্যাহতি পাব।) উত্তৰত জেচেমান ডাঙৰীয়াই জীয়েকৰ ইচ্ছা এটা চৰ্ত্তভহে পূৰণ কৰিবলৈ সম্মত বুলি লিখিছিল। সেই

চৰ্তটো হ'ল, ক্লাবাব লগবীজনীক সকলো ক্ষেত্ৰতে ক্লাবাব সমকক্ষ বুলি ধৰিব লাগিব যাতে তেখেতৰ ঘৰত কোনো শিশুৱে যন্ত্ৰণা ভুগিব নালাগে। কুমাৰী বোটেন্‌মায়াৰে শিক্ষকজনক কলে যে জেচেমান ডাঙৰীয়াৰ শেহৰ কথাখাৰ সম্পূৰ্ণ অপ্ৰয়োজনীয়, কাৰণ শিশুক যন্ত্ৰণা দিবলৈ কোনেনো বিচাৰে?

তাৰ পিছত কুমাৰী বোটেন্‌মায়াৰে নতুন ছোৱালীজনীক লৈ তেওঁ কিয় একেবাৰেই হতাশ হৈ পৰিছে আৰু তাই আহি পোৱাৰ পৰা তাই কৰা অদ্ভুত কামবোৰৰ কথা শিক্ষকজনক ক'বলৈ ধৰিলে। তেওঁ আৰু কলে যে তাইক প্ৰতিটো বিষয়ে আৰম্ভণিৰ পৰাই প্ৰশিক্ষণ দিবলগীয়া হোৱাৰ দৰে শিক্ষকজনেও তাইক বৰ্ণমালাৰ পৰা পঢ়ুৱাবলৈ আৰম্ভ কৰিব লাগিব। কুমাৰী বোটেন্‌মায়াৰৰ মতে এই দুৰ্ভাগ্যজনক পৰিস্থিতিৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায় হ'ল, ইমান বেলেগ মানৰ দুজনী ছাত্ৰীক একেলগে পঢ়াব নোৱাৰি বুলি আৰু পঢ়ালেও বেছি জনাজনীৰ ডাঙৰ ক্ষতি হ'ব বুলি শিক্ষকজনে ক'ব লাগিব। শিক্ষকজনৰ এনে অভিমত পালেহে জেচেমান ডাঙৰীয়াই এই ব্যৱস্থাটোৰ অন্ত পেলোৱা উচিত বুলি মানি ল'ব আৰু ছোৱালীজনীক তাইৰ ঘৰলৈ ওভোতাই পঠিয়াবলৈ অনুমতি দিব। ছোৱালীজনী আহি পোৱা বুলি খবৰ গিৰিহঁতজনে জনাৰ পিছত তেখেতৰ বিনানুমতিত হাইডিক ঘূৰাই পঠাবলৈ কুমাৰী বোটেন্‌মায়াৰে সাহ কৰা নাছিল।

শিক্ষকজন কিন্তু অতি বিবেচক মানুহ আছিল আৰু তেওঁ একপাক্ষিক অভিমত কেতিয়াও নিদিছিল।

সেয়ে তেওঁ কুমাৰী বোটেন্‌মায়াৰক আশ্বাস দি বিবিধ কথা কৈ শেহত নিজৰ মত জনালে। তেওঁৰ মতে ছোৱালীজনী এটা বিষয়ত পিছপৰা হলেও আন কিছুমান ক্ষেত্ৰত আগবঢ়া হ'ব পাৰে। গতিকে সুচিন্তিত পাঠ্যক্ৰমৰে পঢ়ুৱালে তাইৰ সুষম প্ৰগতি হ'ব পাৰে। শিক্ষকজনে তেওঁক সমৰ্থনতো নকৰেই বৰং তাইক বৰ্ণমালাৰ পৰা পঢ়াবলৈ ইচ্ছুক বুলি কুমাৰী বোটেন্‌মায়াৰে যেতিয়া বুজিলে, তেতিয়া তেওঁ পঢ়া-কোঠাৰ দুৱাৰখন লগে লগে জপালে। তেওঁ নিজে বাহিৰতে ব'ল কাৰণ বৰ্ণমালাখন তেওঁৰ বাবে আতংকজনক কথা আছিল।

জেচেমান ডাঙৰীয়াই ক্লাবাৰ লগবীজনীক তেখেতৰ নিজৰ জীয়েকৰ তুল্য বুলি গণ্য কৰিবলৈ কৈছিল। এই হুকুম বিশেষকৈ লগুৱা-লিগিৰীৰ ক্ষেত্ৰত মানিবই লাগিব। সেই কাৰণে কুমাৰী বোটেন্‌মায়াৰে খোৱা-কোঠাত পায়চাৰি কৰি কৰি লগুৱা-লিকচোঁহঁতে আডেলহাইডক কি বুলি সম্বোধন কৰা উচিত ভাবিবলৈ ধৰিলে। তেওঁ কিন্তু সমস্যাটো শান্তিৰে ভাবিবলৈ বেছি সময় নাপালে; হঠাতে পঢ়া-কোঠাত কিবা পৰি চুৰমাৰ হোৱাৰ ভয়ংকৰ শব্দ আৰু

সহায় বিচাৰি চেৰাষ্টিয়ানক মতা তেওঁ শুনিলে। লগে লগেই পঢ়া-কোঠালৈ তেওঁ ভোঁ-ভোঁৱাই সোমাই গ'ল। মজিয়াত কিতাপ, বহী, দোৱাত, কলম আদি সকলো দ'ম লাগি আছে; দ'মটোৰ ওপৰত টেবুল-চাদৰখন আৰু সেইখনৰ তলেদি ওলোৱা চিয়াঁহিৰ সোঁত এটা কোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ বব ধৰিছে। কোঠাটোত কিন্তু হাইডি নাই।

"কি কাণ্ড এইখন!" উত্তেজনাত হাত মোহাৰি মোহাৰি কুমাৰী ৰোটেন্‌মায়াৰে কৈ উঠিল। "টেবুল-চাদৰ, সঁজুলিৰ বাকছ, কিতাপ-চিতাপ চিয়াঁহিৰে তেক্-তেকীয়া। নাভূত-নাশ্রুত কাণ্ড। ইয়াৰ মূলতে নিশ্চয় হতচিৰিজনীয়েই।"

শিক্ষকজনে সম্পূর্ণ নিৰাশ মনে ধ্বংসলীলাখন চাই চাই সেইটো অতি উৎকণ্ঠাজনক কথা বুলি গ্রহণ কৰিছিল। ক্লাৰাই কিন্তু অস্বাভাৱিক ঘটনাটো আৰু তাৰ ফলাফল দেখি খুব মজা পাইছিল। তাই কাণ্ডটোৰ সহজ ব্যাখ্যা দি ক'লে, "হাইডিয়েই কাণ্ডটো কৰা হয়, কিন্তু তাই ইচ্ছা কৰি কৰা নাই। তাই উধাতু খাই বাহিৰলৈ লৰ ধৰোঁতে টেবুল-চাদৰখন টান খালে আৰু সেইখনৰ লগতে বস্তুবোৰো মজিয়াত পৰিল। বাটেৰে কেইবাখনো বাগী এখনৰ পিছত এখনকৈ গৈ আছিল। তাকে চাবলৈয়ে তাই হুৰমুৰকৈ লৰ ধৰিছিল। বেচেৰীয়ে জীৱনত বাগী কিজানি দেখাই নাই।"

"শিক্ষক ডাঙৰীয়া। মই আগতেই নকৈছিলোঁনে? তাই সাধাৰণ কথাবোৰো নাজানে। পঢ়াৰ সময়ত থিৰ হৈ বহি শিক্ষকৰ কথা শুনিব লাগে বোলা জ্ঞানখিনিও তাইৰ নাই। কিন্তু হতভাগীজনী ক'ত? তাই পলাল যদি জেচেমান ডাঙৰীয়াই মোক কি বুলিব?" কুমাৰী ৰোটেন্‌মায়াৰে এইবুলি কৈয়েই সাউৎকৰে ওলাই খটখটিৰে তললৈ দৌৰি নামি গ'ল। তলৰ খোলা দুৱাৰখনৰ সন্মুখত বৈ হাইডিয়ে বিমোৰ হৈ বাটটোৰ এবাৰ ইমূৰে এবাৰ সিমূৰে চাই আছিল।

"এইবোৰ কি কাণ্ড। কি হৈছে তোমাৰ। তুমি কিয় পলাব খুজিছা?" কুমাৰী ৰোটেন্‌মায়াৰে অকমানিজনীক হুমিয়াই সুধিলে।

"মই ফাৰগছৰ গর্জন শুনিছিলোঁ। কিন্তু গছবোৰ ক'ত নাজানোঁ। গর্জনোচোন নুশুনা হলোঁ।" বাগীৰ ঘৰ্ঘৰণি নোহাৰা হোৱা পিনে ভাবলেশহীন হৈ চাই চাই হাইডিয়ে কলে। আচলতে বাগীবোৰৰ চকাৰ ঘৰ্ঘৰণি ফাৰৰ মাজত বতাহৰ গর্জন যেন হৈ তাইৰ কাণত বাজিছিল। সেয়ে আনন্দত উত্রাৱল হৈ সেই শব্দ খেদি তাই হুৰমুৰকৈ তললৈ দৌৰিছিল।

"ফাৰ গছ। আমি জংঘলত আছোঁনে? কি যে ধাৰণা। ব'লা, তোমাৰ কীর্ত্তি চাবাগৈ।"

কুমাৰী ৰোটেন্‌মায়াৰৰ পাছে পাছে হাইডি ওপৰ তললৈ গ'ল। ফাৰ গছৰ

গৰ্জন শুনিবলৈ আনন্দমনে কোনেবে লব ধৰৌতে কিহবাত টান লগা বুলি তাই গম পোৱা নাছিল। সেই কাৰণে বিজুৰ ক্ষয়-ক্ষতি হোৱা দেখি তাই অতি আচৰিত হ'ল।

কুমাৰী বোটেন্মায়াৰে মজিয়াৰে আঙুলিয়াই ক'লে, "এইবাৰ যি কৰিলা কৰিলা। দ্বিতীয়বাৰ নকৰা যেন। পঢ়াৰ সময়ত তুমি থিয়েৰে বহি শিক্ষকৰ কথা মনপুতি শুনিব লাগিব। তুমি নিজে এনে কৰিব নোৱাৰিলে তোমাক চকীত বান্ধি থবলৈ মই বাধ্য হ'ম। বুজিছানে?"

"হয়। মই এতিয়া থিৰ হৈ বহিম", হাইডিয়ে উত্তৰ দিলে। পঢ়াৰ সময়ত কেনে আচৰণ কৰিব লাগে তাই তেতিয়াহে বুজি পালে।

কোঠাটো চাফ-চিকুণ কৰিবলৈ চেবাষ্টিয়ান আৰু টিনেটে আহি ওলাল। সিদিনা আৰু পঢ়া নহব কাৰণে শিক্ষকজন গুচি গ'ল। সিদিনা হাঁমিয়াবলৈ কোনো সুযোগ নোলাল।

সদায় আবেলি ৰুগীয়া ক্লাৰাই বহুতপৰ জিৰাইছিল। সেইখিনি সময় হাইডিয়ে নিজৰ মতে কটাব পাৰিব বুলি সেইদিনা পুৱা কুমাৰী বোটেন্মায়াৰে হাইডিক বুজাই দিছিল। দুপৰীয়াৰ সাঁজ খাই ক্লাৰাই চকালগোৱা চকীখনত জিৰাবলৈ ললে আৰু কুমাৰী বোটেন্মায়াৰ নিজৰ কোঠালৈ গ'ল। এই সময়খিনি নিজাকৈ পাই হাইডিয়ে ভাল পালে। তাই পাণ্ডি থকা কাম এটা কৰিবলৈ উদগ্ৰীৱ হৈ পৰিছিল। কিন্তু তাকে কৰিবলৈ এজনৰ সহায় লাগে। এই বিষয়ে তাই যাক লগ পাবলৈ খুজিলে, সেইজনে তাই নেদেখৌতে পাৰ হৈ যাব নোৱৰাকৈ তাই খোৱা-কোঠাৰ সমুখৰ ডাঙৰ হল-ঘৰটোৰ মাজত থিয় হৈ ৰ'ল। ঠিকেই; অলপ পাছতে চেবাষ্টিয়ানে পাকঘৰৰ পৰা ডাঙৰ ট্ৰে এখনত ৰূপৰ বাচন-বৰ্তন কিছুমান খোৱা-কোঠাৰ আলমাৰিটোত থবলৈ বুলি খটখটিৰে উঠি আহিল। সি খট্খটিটোৰ শেহৰ ঢাপ পাওঁতে হাইডি তাৰ সমুখত থিয় হ'লগৈ আৰু ক'লে, "তোমাক কিবা এটা সোধোঁনে?"

সি কষ্ট হৈ থকা যেন লক্ষ্য কৰি হাইডিয়ে দলিচাখনত চিঁয়াহি পৰা কাণ্ডটোৰ বাবেই সি খং খাই থকা বুলি ভাবিলে। সেয়ে তাক আশ্বস্ত কৰিবলৈ তাই লগতে ক'লে, "কথাটো কিন্তু পুৱাৰ দৰে বেয়া নহয়।"

সেইবাৰ শুনি চেবাষ্টিয়ানে সশব্দে হাঁহি উঠিল। নিজৰ কথাবাৰত হাস্যকৰ একো নেদেখি হাইডিয়ে আচৰিত হৈ তালৈ চালে।

"বাৰু মাম্জেল, সোধক", সি ক'লে।

অলপ বিৰক্ত হৈ হাইডিয়ে ক'লে, "মোৰ নাম মাম্জেল নহয়, হাইডিহে।"

"কথাটো হয়। কিন্তু আপোনাক মাম্জেল বুলি সম্বোধন কৰিবলৈ কুমাৰী বোটেন্মায়াৰে কৈছে।"

কুমাৰী ৰোটেন্‌মায়াৰৰ কথামতে ঘৰখন চলে বুলি হাইডিয়ে ইতিমধ্যে গম পাইছিল। সেয়ে তাই নম্ৰভাৱে ক'লে, "হয়নে? সেই বুলিয়েই মাতিবা তেন্তে।" লগতে হুমুনিয়াহ কাঢ়ি তাই ক'লে, "মোৰ এতিয়া তিনিটা নাম হ'ল।"

খোৱা-কোঠাত সোমাই ৰূপৰ বস্তুখিনি আলমাৰিটোত সজাই থৈ থৈ চেবাষ্টিয়ানে সুধিলে, "অকণমানি মামজেলে কি সুধিব খুজিছিল?"

"খিড়িকিবোৰ তোমালোকে কেনেকৈ খোলা চেবাষ্টিয়ান?"

সি কোঠাটোৰ ডাঙৰ খিড়িকি এখন বহলকৈ খুলি ক'লে, "এনেকৈ।"

হাইডি খিড়িকিখনৰ কাষলৈ গ'ল কিন্তু তাই খিড়িকিৰ গড়িলাৰ সমান ওখ কাৰণে একো দেখা নাপালে। তেতিয়া চেবাষ্টিয়ানে কাঠৰ ওখ টুল এখন নি খিড়িকিখনৰ কাষত থৈ ক'লে, "এইয়া, মামজেলে এতিয়া বাহিৰলৈ চাব পাৰিব আৰু তলৰ বস্তুবোৰো দেখা পাব।"

হাইডি মহানন্দে টুলখনত উঠিলগৈ। খিড়িকিৰে বাহিৰলৈ চোৱাৰ তাইৰ অতি হেঁপাহৰ কামটো কৰাৰ সুযোগ তাই অৱশেষত পালে। কিন্তু বাহিৰলৈ ভুমুকি মাৰিয়েই তাই হতাশ মনেৰে খিড়িকিৰ পৰা মুৰটো ঘূৰাই আনিলে।

"শিল-পাৰি-থোৱা বাটটোৰ বাহিৰে আৰু একো নাই!" তাই অতি কৰুণ মাতেৰে ক'লে, "ঘৰটোৰ একেবাৰে সিটো ফালে ঘূৰি গলে কি দেখা পায় চেবাষ্টিয়ান?"

"একেবোৰকেই," সি উত্তৰ দিলে।

"গোটেইখন উপত্যকা চাব খুজিলে তোমালোক কলৈ যোৱা?" তাই সুধিলে।

"তাকে কৰিবলৈ সৌ সোণালী চূড়া থকা গিৰ্জাটোৰ মিনাৰৰ দৰে কোনোবাটো গিৰ্জাৰ ওখ মিনাৰত উঠিব লাগিব। তেনে মিনাৰৰ মূধৰ পৰা দূৰ-দূৰণিলৈ দেখা পাব।"

কথাষাৰ শুনিয়েই হাইডিয়ে লৰালৰিকৈ টুলৰ পৰা নামিল আৰু দৌৰি দুৱাৰেৰে বাহিৰ ওলাই খট্‌খটিৰে নামি বাটত ওলালগৈ। বাট পাইহে তাই কামটো তাই ভবাৰ দৰে সহজ নহয় বুলি গম পালে। খিড়িকিৰে সোণালী চূড়া থকা গিৰ্জাৰ মিনাৰটো দেখি তাই বাটটো পাৰ হলেই ঠিক গিৰ্জাটোৰ সমুখতে ওলাবগৈ বুলি ভাবিছিল। এতিয়া তাই গোটেই বাটটোৰে গৈ গৈ গিৰ্জাটোতো নাপালেই, মিনাৰটোও নেদেখাহে হ'ল। তাই এটা বাট এৰি আন এটা বাটেৰে গ'ল; সেইটো এৰি বেলেগ এটা বাটেৰে গ'ল; এনেকৈ বেলেগ বেলেগ বাটেৰে গৈ গৈও তাই মিনাৰটো দেখা নাপালে। তেতিয়া বাটটোৰে বহুত মানুহে অহা-যোৱা কৰি আছিল। কিন্তু তেওঁলোক ব্যতিব্যস্ত হৈ থকা যেন দেখি তাইৰ সৈতে কথা পাতিবলৈ তেওঁলোকৰ আহৰি নাই বুলি তাই

ভাবিলে। শেহত তাই কাষৰ বাট এটাৰ চুকত ল'ৰা এটা থিয় হৈ থকা দেখিলে। তাৰ কান্ধত লঘু অৰ্গেন এটা ওলোমোৱা আছিল আৰু সি হাতত অদ্ভুত জন্তু এটা লৈ আছিল। তাৰ কাষলৈ দৌৰি গৈ হাইডিয়ে সুধিলে, "ওপৰত সোণালী চূড়া থকা গিৰ্জাটো কেনি জাননে?"

"নাজানোঁ," ল'ৰাটোৱে উত্তৰ দিলে।

"তেন্তে কোনে মোক ক'ব পাৰিব?" হাইডিয়ে আকৌ সুধিলে।

"নাজানোঁ।"

"তইনো ওখ মিনাৰ থকা আন কোনো গিৰ্জা চিনি নাপাৱনে?"

"এটা নিশ্চয়কৈ চিনি পাওঁ।"

"সেইটো মোক দেখুৱাই দেনা।"

"মোক কি বানচ দিবি?" ল'ৰাটোৱে উত্তৰ দিলে আৰু তাইৰ সমুখত হাত এখন মেলি ধৰিলে।

হাইডিয়ে তাইৰ জেপ খুচৰি এখন সৰু ধুনীয়া কাৰ্ড পাই উলিয়াই আনিলে। সেইখনত ৰঙা গোলাপৰ মালা এডালৰ ছবি আছিল। সেইখন দিবলৈ তাইৰ সত যোৱা নাছিল কাৰণে তাই সেইখনলৈ অলপ পৰ চাই ৰ'ল। সিদিনা পুৱাহে মাত্ৰ ক্লাৰাই তাইক সেইখন দিছিল। কিন্তু মিনাৰবোৰ পৰা পৰ্বতৰ সেউজীয়া হেলনিবোৰৰ ওপৰেদি ভৈয়ামলৈ চোৱাটো? তাই মন বান্ধিলে। তাই কাৰ্ডখন তাৰ আগত খন্তেক ডাঙি ধৰি সুধিলে, "ঐ, এইখন লবিনে?"

ল'ৰাটোৱে হাতখন কোঁচাই নিলে আৰু অসম্মতিত মূৰ জোকাৰিলে। হাইডিয়ে আনন্দ মনেৰেই কাৰ্ডখন জেপত ভৰাই সুধিলে, "তই কি লবি তেন্তে?"

"পইচা", সি উত্তৰ দিলে।

"মোৰ কৃটাকড়ি এটাও নাই কিন্তু ক্লাৰাৰ আছে। তাই মোক তাৰে অলপ দিব। তোক কিমান লাগিব?"

"চাৰি পেনি।"

"পাবি বাৰু। এতিয়া ব'ল।"

দুয়ো দীঘল বাট এটাৰে যাবলৈ ধৰিলে। যাঁওতে যাঁওতে সি পিঠিত কিনো ওলোমাই লৈছে হাইডিয়ে সুধিলে। তাৰ পিঠিৰ কাপোৰখনৰ তলত এটা সৰু অৰ্গেন থকা বুলি আৰু সেইটোৰ হেঁতাডাল ঘূৰালেই অপূৰ্ব সঙ্গীত বাজিবলৈ ধৰে বুলি সি ব্যাখ্যা কৰিবলৈ ধৰিলে। হঠাতে সিহঁতে ওখ মিনাৰ থকা পুৰণি গিৰ্জা এটাৰ সমুখ পালে। ল'ৰাটোৱে কৈ ক'লে, "সৌটো।"

গিৰ্জাটোৰদৰ দুৱাৰখন বন্ধ দেখি তাই তাক সুধিলে, "ভিতৰলৈ কেনেকৈ যাওঁ?"

"নাজানোঁ", সি উত্তৰ দিলে।

"ঘৰত চেবাষ্টিয়ানক মতাৰ দৰে ইয়াতো টিলিঙা বজাব লাগিবনে?"

"নাজানোঁ।"

আচলতে হাইডিয়ে দুৱাৰখনত টিলিঙা এটা দেখিছিল। এতিয়া তাই সেইটো গাৰ জোৰেৰে বজাই দিলে।

"মই ওপৰলৈ গলে তই ইয়াতে ৰব লাগিব। ঘৰলৈ উভতি যোৱা বাট মই নিচিনোঁ। তই দেখুৱাই দিব লাগিব।"

"বানচ কি পাম?"

"তোক কি লাগিব?"

"আৰু চাবি পেনি।"

এনেতে ভিতৰফালে চাবিৰে পুৰণা তলা এটা খোলাৰ শব্দ হ'ল আৰু দুৱাৰখন কেৰ্‌মেৰাই মেল খালে। সেইখনেদি এজন বুঢ়া মানুহ ওলাই আহিল। তেওঁ গির্জাটোৰ চকিদাৰ। ল'ৰা-ছোৱালীহালক দেখি তেওঁ প্ৰথমতে আচৰিত হ'ল কিন্তু পিছত সিহঁতলৈ খঙেৰে চাই ক'লে, "কি সাহত তহঁতে মই নামি আহিবলৈ টিলিঙা বজাইছ? টিলিঙাটোৰ তলত কি লিখা আছে পঢ়িব নাজাননে? লিখা আছে, "মিনাৰত উঠিব খোজা সকলৰ কাৰণেহে।"

ল'ৰাটোৱে নিশব্দে হাইডিলৈ আঙুলিয়াই দিলে।

"মই মিনাৰত উঠিব খোজোঁ", হাইডিয়ে ক'লে। "তই ওপৰলৈ গৈ কি কৰিবি?" চকিদাৰজনে সুধিলে, "তোক কোনোবাই পঠাইছে নেকি?"

"ওহোঁ," হাইডিয়ে উত্তৰত ক'লে, "তললৈ চাব পৰাকৈ মই সেইটোত উঠিব খোজোঁ।"

"ঘৰলৈ যাগৈ। মোৰ লগত চুপতি মাৰিবলৈ দ্বিতীয়বাৰ আহিলে ভাল মজাপালি পাবি।" চকিদাৰজন ঘূৰি দুৱাৰখন মাৰিবলৈ ওলাওঁতেই হাইডিয়ে তেওঁৰ কোটটোৰ তলৰ পিনে ধৰি সানুনয়ে কলে, "মাত্ৰ এইবাৰ।"

বুঢ়াজনে ঘূৰি চালে। হাইডিৰ চকুহালে অতি কাতৰ প্ৰাৰ্থনাৰে তেওঁলৈ চোৱা দেখি তেওঁ মত সলালে। তেওঁ ছোৱালীজনীৰ হাতত ধৰি মৰমেৰে কলে, "যাবলৈ তোৰ ইমান হাবিয়াস যেতিয়া মোৰ লগত ব'ল।"

ল'ৰাটো দুৱাৰখনৰ সমুখৰ শিলৰ খট্‌খটিৰ ঢাপ এটাত বহিল। ওপৰলৈ যাবলৈ ইচ্ছুক নহয় বুলি সি ইঙ্গিতেৰে জনালে।

চকিদাৰজনৰ হাতত ধৰি হাইডিয়ে মিনাৰটোৰ খলপাবোৰেৰে ওপৰলৈ উঠিবলৈ ধৰিলে। খলপা বহুত আছিল আৰু সেইবোৰ ক্ৰমাৎ ঠেক হবলৈ ধৰিছিল। শেহত অতি ঠেক খলপা এটাত উঠোঁতেই দুয়ো মিনাৰটোৰ মূধ পালে। তাৰ খিড়িকিবোৰ ওখ কাৰণে চকিদাৰজনে হাইডিক ডাঙি ধৰি কলে,

"অঁ, এতিয়া তললৈ চা।"

হাইডিয়ে তললৈ চাই কেৱল ঘৰৰ চাল, চিমনিৰ চুঙা আৰু গির্জাৰ মিনাৰৰ সাগৰ এখনহে দেখিলে। তাই লগে লগে মুৰ ঘূৰাই হতাশাৰ বেদনাত কলে, "মই ভবাৰ দৰে তিলমানো নহয়।"

"নকৈছিলোঁনে?" চকীদাৰজনে মাত দিলে। "তোৰ দৰে অকমানিজনীয়ে প্ৰাকৃতিক দৃশ্যৰ কি মোল বুজিবি? বাৰু, এতিয়া নাম। গির্জাৰ দুৱাৰৰ টিলিঙা দুপৰীয়া পুনৰায় নবজাবি।"

বুঢ়াজনে হাইডিক নমাই মজিয়াত থিয় কৰালে। তেওঁ হাইডিৰ আগে আগে ঠেক খট্‌খটিটোৰে নামিবলৈ ধৰিলে। খট্‌খটিটোৰ খলপাবোৰ বহল হবলৈ ধৰা খিনিতেই বাওঁহাতে দুৱাৰ এখন আছিল। সেইখনেই চকীদাৰ থকা কোঠাটোৰ দুৱাৰ আছিল। হেলনীয়া চাল এখন দি কোঠাটোৰ মজিয়াখন আগবঢ়োৱা আছিল। সেইখিনিতে ডাঙৰ বাকচ এটা আছিল। বাকচটোৰ সমূখতে ধূসৰ ৰঙৰ ডাঙৰ মেকুৰী এজনী বহি গেঙেৰিয়াই আছিল। খট্‌খটিৰে অহা-যোৱা কৰা মানুহবোৰে তাইৰ পোৱালিবোৰক আমনি নকৰিবলৈ সাৱধান কৰি দিবলৈ তাই তেনেকৈ গেঙেৰিয়াইছিল। তাইক দেখি হাইডি আচৰিত হৈ ৰৈ গ'ল কাৰণ ইমান ডাঙৰ মেকুৰী তাই আগতে দেখা নাছিল। সেই পুৰণি মিনাৰটোত অসংখ্য নিগনি আছিল। সেয়ে দিনৌ ছটামানকৈ নিগনি পোৱালি ধৰা তাইৰ বাবে টান কাম নাছিল।

হাইডি আচৰিত হোৱা দেখি বুঢ়াজনে কলে, "পোৱালিবোৰ চাহি। মই আছোঁ যেতিয়া এই তোক একো নকৰে।"

বাকচটোৰ কাষলৈ গৈ হাইডিয়ে আনন্দত কিৰিলিয়াই উঠিল। "আয়ে দেহি। ইমান ধুনীয়া পোৱালি। কি যে বদমাছ।" তাই ভাবাবেগত বাৰে বাৰে কলে।

পোৱালিবোৰ ভালকৈ চাবলৈ তাই বাকচটোৰ ইফালে-সিফালে গ'ল। তাত সাত-আঠটামান পোৱালিয়ে চুঁচৰি, জঁপিয়াই, দবৰা-দবৰি কৰি থকা দেখি তাই মুগ্ধ হৈ চাবলৈ ধৰিলে। হাইডিয়ে ফুর্তিত নচা দেখি সন্তুষ্ট হৈ চকিদাৰজনে সুধিলে, "তোক এটা লাগিব নেকি?"

"মোৰ নিজাকৈ নে? সদায় ৰাখিবলৈনে?" উত্তেজিত হৈ পৰা হাইডিয়ে সুধিলে। তাইৰ কপাল ইমান ফুলিব পাৰে বুলি তাই বিশ্বাস কৰিবলৈ টান পালে।

পোৱালিবোৰৰ অনিষ্ট নকৰাকৈ ইমান সহজে আঁতৰ কৰিব পৰাৰ সুযোগ দেখি বুঢ়াজনে কলে, "অঁ, নিশ্চয়। লাগিলে এটাতকৈ বেছিও নিব পাৰ। ৰকত ঠাই থাকিলে আটাইকিটা নিব পাৰ।"

হাইডি বাংচালী হৈ পৰিল। প্ৰকাণ্ড অট্টালিকাটোত ঠাইৰ নাটনি নহয়। এই ধুনীয়া জীৱবোৰ পালে ক্লাৰা কম আচৰিত হ'বনে? তাই কম ভাল পাবনে?

"ইহঁতক নো এতিয়া কেনেকৈ নিওঁ?" এইবুলি সুধি তাই দুটামান পোৱালি তুলি লব খোজোঁতেই ডাঙৰ মেকুৰিজনীয়ে তাইৰ হাতত জঁপ মাৰি উঠি ইমান হিংস্ৰ হৈ গেঙেৰিয়ালে যে হাইডি ভয়তে পিছুৱাই গ'ল।

মেকুৰিজনীক শান্ত কৰিবলৈ তাইৰ মূৰত বুঢ়াজনে লাহে লাহে থপৰিয়ালে। বহুত বছৰ দুয়ো মিনাৰটোত একেলগে থকাৰ কাৰণে সিহঁত বন্ধু যেন আছিল। বুঢ়াজনে ক'লে, "ময়েই দি আহিমগৈ বাৰু। কিন্তু ক'ত দিমগৈ?"

"জেচেমান ডাঙৰীয়াৰ হাউলিটোত দিবগৈ," হাইডিয়ে ক'লে। "সেইটোৰ সমুখৰ দুৱাৰখনত মুখত আঙঠি লৈ থকা কুকুৰ এটাৰ সোণালী মূৰ লগোৱা আছে।"

ইমান বিতং বৰ্ণনাৰ কিন্তু প্ৰয়োজন নাছিল। তেওঁ এই গিৰ্জাটোত বহুত কাল থকা কাৰণে দূৰ-দূৰণিৰো প্ৰতিঘৰ মানুহকে চিনি পাইছিল। তদুপৰি, চেবাষ্টিয়ান তেওঁৰ পুৰণি চিনাকি আছিল।

"হাউলিটো মই চিনি পাওঁ," তেওঁ ক'লে। "কিন্তু কালৈ নিম? কাক মই লগ ধৰিমগৈ? তই জেচেমান পৰিয়ালৰ নহয়, নহয় জানো?"

"নহওঁ। মেকুৰী পোৱালিবোৰ পালে ক্লাৰাই কিন্তু বৰ বং পাব।"

চকিদাৰজন খটখটিৰে তললৈ নামি যাবলৈ ওলাল কিন্তু সেই ফুৰ্ত্তিবাজ পোৱালিবোৰক এৰি যাবলৈ হাইডিৰ মন নোযোৱা হ'ল। "মই যদি এতিয়া এটা বা দুটা নিব পাৰিলোঁহেঁতেন। এটা ক্লাৰাৰ বাবে; এটা মোৰ বাবে। লওঁনে?"

"অলপ ৰ," চকিদাৰজনে ক'লে। তেওঁ মাকজনীক সাৱধানে নিজৰ কোঠালৈ নি আলমাৰিটোত ভৰাই দুৱাৰখন মাৰি ওলাই আহিল। "অঁ, এতিয়া দুটা পোৱালি ল।"

হাইডিৰ চকুদুটা আনন্দত উজলি উঠিল। তাই এটা বগা পোৱালি আৰু আনটো বগা-হালধীয়া পটী থকা ললে। তাই এটা তাইৰ সোঁ-জেপত আৰু বাকীটো বাওঁ-জেপত ভৰালে। তাৰ পিছত দুয়ো তললৈ নামি গ'ল।

ল'ৰাটো তেতিয়াও বাহিৰৰ খটখটিত বহি আছিল। হাইডি ওলোৱাৰ পিছত চকিদাৰজনে গিৰ্জাৰ দুৱাৰখন বন্ধ কৰিলে। তাই ল'ৰাটোক সুধিলে, "জেচেমান ডাঙৰীয়াৰ ঘৰলৈ যোৱা বাট কোনটো?"

"নাজানোঁ," সি উত্তৰ দিলে।

তেতিয়া হাইডিয়ে যিমান পাৰে সিমান ভালকৈ অট্টালিকাটোৰ সমুখৰ দুৱাৰখন, খিড়িকিবোৰ আৰু খটখটিৰ বৰ্ণনা দিবলৈ ধৰিলে। ল'ৰাটোৱে এইবোৰৰ একো ধৰিব নোৱাৰিলে।

হাইডিয়ে তেতিয়া কলে, "বুজিছু, ঘৰটোৰ খিড়িকি এখনেৰে চালে ধূসৰ ৰঙৰ প্ৰকাণ্ড ঘৰ এটা দেখি আৰু সেইটোৰ চালখন এনেকুৱা।" হাইডিয়ে হাতেৰে শূণ্যতে চালখন আঁকি দেখুৱালে।

তাকে শুনি ল'ৰাটো জাঁপ মাৰি উঠিল। এনেকুৱা চিন এটা পালেই সি বাট উলিয়াব পাৰে। সি লৰিবলৈ আৰম্ভ কৰিলে। তাৰ পিছে পিছে হাইডিয়েও লৰ ধৰিলে। অলপ পিছতে সিহঁত গৈ পিতলৰ ডাঙৰ আঙঠি লগোৱা দুৱাৰখনৰ সমুখ পালেগৈ। হাইডিয়ে টিলিঙাটো বজালে। লগে লগে চেবাষ্টিয়ান ওলালহি। তাইক দেখিয়েই সি খৰখেদাকৈ কলে, "জল্দি, জল্দি।"

হাইডি ওপৰলৈ লৰিবলৈ সাজু হ'ল। বাহিৰত হতাশ হৈ ৰৈ থকা ল'ৰাটোলৈ মন নকৰাকৈ চেবাষ্টিয়ানে দুৱাৰখন জপাই আকৌ কলে, "মামজেল্, জল্দি কৰক। পোনে পোনে খোৱা-কোঠালৈ যাওক। কুমাৰী ৰোটেন্মায়াৰ বাৰুদ থাকি থোৱা বন্দুক যেন হৈ আছে। অকমানি মামজেলক এনেকৈ ঘৰ এৰি যাবলৈ কিহেনো বাধ্য কৰিছিল?"

হাইডি খোৱা-কোঠাটোত সোমালগৈ। কুমাৰী ৰোটেন্মায়াৰে তাইলৈ নাচালেই। ক্লাৰায়ো একো নামাতিলে। কোঠাটোত অস্বস্তিকৰ নীৰৱতা বিৰাজমান হ'ল। চেবাষ্টিয়ানে হাইডিৰ চকীখন ঠিক কৰি দিলে। তাৰ বহাৰ পিছত কুমাৰী ৰোটেন্মায়াৰে কোদোৱা মুখেৰে গহীন মাতেৰে আৰম্ভ কৰিলে, "মই পাছত তোমাৰ সতে কথা হম। এতিয়া মাত্ৰ এষাৰ কৈ থওঁ। তোমাৰ আচৰণ নিতান্তই অশোভনীয়। অনুমতি নোলোৱাকৈ আৰু ঘৰৰ বাকীবোৰে সমূলি একো নজনাকৈ বাজলৈ গৈ ইমান পৰ অনাই-বনাই ফুৰা কাৰণে তুমি শাস্তি পাবৰ যোগ্য। মই এনে কুকাণ্ডৰ কথা আজিলৈ শুনা নাছিলোঁ।"

"মেওঁ," উত্তৰত হাইডিয়ে কোৱা যেন লাগিল।

কুমাৰী ৰোটেন্মায়াৰ টিক্‌চিবিক্‌চি উঠিল। "আডেলহাইড," তেওঁৰ মাতটো ডাঙৰ হৈ গ'ল। "এনে আচৰণৰ পাছত আকৌ দুষ্টালি কৰিবলৈ সাহ কৰিছানে? মই কৈ থওঁ, তুমি সাৱধান হোৱা উচিত।"

"মই যোৱা—" হাইডিয়ে ব্যাখ্যা আৰম্ভ কৰিলে, "মেওঁ, মেওঁ।"

চেবাষ্টিয়ানে থালখন টেবুলত থৈ হৰমুৰকৈ বাহিৰ হৈ গ'ল।

"যথেষ্ট হৈছে।" কুমাৰী ৰোটেন্মায়াৰে হাইডিক কিবা হুকুম দিব খুজিলে কিন্তু গভীৰ উত্তেজনাত তেওঁৰ মাত নোলোৱা হ'ল।

"উঠা, বাহিৰ হোৱা।"

হাইডিয়ে বৰ ভয় খালে আৰু থিয় হ'ল কিন্তু আকৌ এবাৰ ব্যাখ্যা কৰিবলৈ খুজি কলে, "আচলতে মই— মেওঁ। মেওঁ। মেওঁ।"

"ছিঃ হাইডি," তাইক ভৰ্ৎসনা কৰি এইবাৰ ক্লাৰাই মাত দিলে। "কুমাৰী ৰোটেন্‌মায়াৰৰ ইমান খং উঠা দেখাৰ পিছতো মেঁও, মেঁও কিয় কৰিছা?"

অৱশেষত হাইডিয়ে বাধা নোপোৱাকৈ নিজৰ কথা কোৱাৰ সুযোগ পালে। "মই কৰা নাই। মেকুৰী পোৱালি দুটাইহে কৰিছে।"

"কি? কি? মেকুৰী? মেকুৰী পোৱালি?" কুমাৰী ৰোটেন্‌মায়াৰ ডেডাউৰি পাৰি উঠিল। "চেবাষ্টিয়ান, টিনেটে, বীভচ জন্তুকেইটা বিচাৰি উলিয়াই তৎক্ষণাত লৈ যা।" এইবুলি কৈয়েই তেওঁ নিৰাপদ হবলৈ হুৰমুৰকৈ পঢ়া-কোঠাত সোমালগৈ আৰু কোঠা দুটাৰ মাজৰ দুৱাৰখন কপ্‌কপীয়াকৈ মাৰিলে। তেওঁৰ মানত মেকুৰী হ'ল পৃথিবীৰ সবাতোকৈ ভয়ংকৰ জীৱ।

ইমানপৰে চেবাষ্টিয়ানে দুৱাৰৰ বাহিৰত বৈ হাঁহি আছিল। সি কোঠাটোত সোমাবলৈ প্ৰথমতে হাঁহি বন্ধ কৰিব লাগিব। হাইডিক খোৱা-বস্তু দি থাকোঁতে তাইৰ জেপৰ পৰা মেকুৰী পোৱালি এটাৰ অকমানি মূৰ এটা ওলাই থকা সি দেখিছিল। সেয়ে প্ৰথমবাৰ মেঁও শুনিয়েই সি থালখন টেবুলত থৈ বাহিৰ পোৱালৈকেহে কোনো মতে হাঁহি দমাই ৰাখিব পাৰিছিল। আতঙ্কিত মহিলা গৰাকীৰ সহায় বিচৰা আৰ্ত্তনাদ শুনাৰ পিছতহে সি পুনৰায় গহীন হৈ খোৱা-কোঠাটোত সোমাব পৰা হ'ল।

তেতিয়া কোঠাটো সম্পূৰ্ণ শান্ত আৰু নিস্তব্ধ; মেকুৰী পোৱালি দুটা ক্লাৰাৰ কোলাত; তাইৰ কাষত হাইডিয়ে আঁঠুকাঢ়ি আছে আৰু দুয়োজনীয়ে অকমানি, আলফুলীয়া পোৱালিহালৰ লগত অতি আনন্দৰে খেলিব ধৰিছে।

কোঠাটোত সি সোমাওঁতেই ক্লাৰাই কলে, "চেবাষ্টিয়ান, তুমি আমাক সহায় নকৰিলেই নহয়। কুমাৰী ৰোটেন্‌মায়াৰে নেদেখা কোনোবাখিনিত তুমি ইহঁতৰ বাবে বিছনা এখন কৰিব লাগিব। তেওঁ মেকুৰীক ভয় কৰে কাৰণে ইহঁত দুটাক বিদায় কৰিব খুজিব। পিছে আমি এই লাঠুৱা দুটাক ৰাখিব খোজোঁ। তেওঁ নাথাকোঁতে আমি ইহঁতক উলিয়াই আনিম। ক'ত থবা বাৰু ইহঁতক?"

"কুমাৰী ক্লাৰা, মই ইহঁতৰ যত্ন লম," স্বেচ্ছাৰে চেবাষ্টিয়ানে কলে। "মই পাচি এটাত ইহঁতৰ বাবে ধুনীয়া বিছনা এখন কৰি ভয়পাদুৰা আইদেউগৰাকী কেতিয়াও নোযোৱা ঠাই এটুকুৰাত ইহঁতক থম।"

চেবাষ্টিয়ানে নিজৰ কাম কৰি থাকোঁতে নিজে নিজে খুক্‌খুকাই হাঁহি থাকিল। সি আন্দাজ কৰিলে যে এই কাণ্ডটোৰ তিমান্তেই নিশ্চয় শেষ নহয়। কুমাৰী ৰোটেনমায়াৰে অলপ দুৰ্ভোগ ভোগা চাবলৈ সি অকণো বেয়া পোৱা নাছিল।

পাছত প্ৰায় শুবৰ সময় হোৱাত, কুমাৰী ৰোটেন্‌মায়াৰে দুৱাৰখন অকমানকৈ খুলি ফাঁকটোৰে সুধিলে, "যীশুচ্‌ জীৱকেইটা বিদায় কৰা হ'লনে?"

"হৈছে আইদেউ, হৈছে," চেবাষ্টিয়ানে উত্তৰ দিলে। এই প্ৰশ্নটো আশা কৰিয়েই সি কোঠাটোত ইটো-সিটো কৰি ব্যস্ত হৈ আছিল। লগেলগেই সি ক্লাৰাৰ কোলাৰ পৰা পোৱালি দুটা লৈ নিশব্দে ওলাই গ'ল।

হাইডিয়ে নিজৰ অজানিতে কুমাৰী ৰোটেন্‌মায়াৰৰ মনত সৃষ্টি কৰা বিৰক্তি, খং আৰু ত্ৰাসৰ প্ৰবল অনুভূতিত কুমাৰী ৰোটেন্‌মায়াৰে সেই ৰাতি অতি বিবশ হৈ পৰা যেন পালে। সেইকাৰণে হাইডিক বিশেষ ধৰণে ভৰ্ৎসনা কৰিবলগীয়া কামটো তেওঁ পিছদিনালৈ স্থগিত ৰাখিলে আৰু চুপ্‌চাপ শুবলৈ গ'ল। আনহাতে, পোৱালি দুটা সুন্দৰ বিছনা এখনত শুই থকা বুলি জানি ক্লাৰা আৰু হাইডিয়ে পৰম শান্তিৰে বিছনাত পৰিলগৈ।

অষ্টম অধ্যায়
অট্টালিকাত হুলস্থূল

পিছদিনা পুৱা চেবাষ্টিয়ানে সমুখৰ দুৱাৰখন খুলি শিক্ষকজনক পঢ়া-কোঠালৈ নিছেহে মাত্র, তেনেতে কোনোবাই দুৱাৰৰ টিলিঙাটো অতি জোৰেৰে বজালে। তাকে শুনি চেবাষ্টিয়ানে ভাবিলে, 'স্বয়ং জেচেমান ডাঙৰীয়াৰ বাহিৰে আন কোনোৱে এনেকৈ নবজায়। তেখেতেই হঠাতে আহিল চাগে।' সেয়ে সি খট্‌খটিৰে হুৰমূৰকৈ নামি গ'ল।

সি টান মাৰি দুৱাৰখন খুলিয়েই পিঠিত বাকচ-অৰ্গেন লোৱা সৰু, জলহু ল'ৰা এটাহে সমুখত দেখিলে।

"কিয় টিলিঙা বজাইছ?" চেবাষ্টিয়ানে তাক সুধিলে। "দুৱাৰৰ টিলিঙা বজাবলৈ শিকাম ৰবি। ইয়াত তোৰ কি কাম আছে?"

"মই ক্লাৰাক লগ পাব লাগে," সি উত্তৰ দিলে।

"জলহু বান্দৰ। আমাৰ দৰে 'কুমাৰী ক্লাৰা' বুলি কবলৈও নাজাননে? কুমাৰী ক্লাৰাৰ লগত তোৰ কি কাম আছে?"

"তাই মোক আঠ পেনি দিব লাগে," ল'ৰাটোৱে ব্যাখ্যা কৰিলে।

"তই নিশ্চয় বলিয়া। বাৰু, কুমাৰী ক্লাৰা নামৰ কোনোবা ইয়াত থাকে বুলি কেনেকৈ জানিলি?"

"মই কালি তাইক বাট দেখুৱাই নিছিলোঁ। সেইবাবে চাৰি পেনি। ঘূৰি আহোঁতেও বাট দেখুৱাই দিছিলোঁ। সেয়ে আৰু চাৰি পেনি।"

"তই গোকাট মিছা মাতিছ। কুমাৰী ক্লাৰা কেতিয়াও ওলাই নাযায়। তেওঁ যাবলৈ নোৱাৰেও। তোক এশিকনি দিয়াৰ আগতে তই ইয়াৰ পৰা পলা।"

ল'ৰাটোৱে কিন্তু ভয় নাখালে। সি স্থিৰ হৈ থিয় দি ৰ'ল আৰু শান্ত মাতেৰে কলে, "কিন্তু মই তাইক বাটত লগ পাইছিলোঁ। তাই দেখিবলৈ কেনেকুৱা তাকো কব পাৰোঁ। তাইৰ চুলি ক'লা, চুটি আৰু কেঁকোৰা; চকুহাল ক'লা; সাজটো বাদামী ৰঙৰ; আৰু তাই কথা কোৱাৰ ধৰণ আমাতকৈ বেলেগ।"

'অ', চেবাষ্টিয়ানে নিশব্দে খুক্‌খুকাই হাঁহি ভাবিলে। 'এইয়া চোন আমাৰ অকমানি মামজেল। তেওঁ বা আৰু কি দুষ্টালিখন কৰি আহিছে।'

সি ল'ৰাটোক ভিতৰলৈ টানি নি কলে, "তই ঠিকেই কৈছ। মোৰ লগত ৰ'ল। মই আহি নমতালৈকে তই দুৱাৰৰ বাহিৰত বৈ থাকিবি। মই তোক কোঠাটোত সোমাবলৈ দিলেই গীত এটা বজাবি। কুমাৰী ক্লাৰাই ভাল পাব।"

দুয়ো ওপৰলৈ উঠিল। পঢ়া-কোঠাটো পাই চেবাষ্টিয়ানে দুৱাৰত টুকুৰিয়ালে। তাক ভিতৰলৈ মতাত সি সোমাই কলে, "কুমাৰী ক্লাৰাক লগ কৰিবলৈ ল'ৰা এটা আহিছে।"

এই অপ্রত্যাশিত ঘটনাটোত ক্লাৰাই বৰ ফূৰ্ত্তি পালে। তাই কলে, "সি পোনেই আহক। চাৰ, ল'ৰাটোৱে মোক কিবা কবলৈ আহিছে যেতিয়া সি ভিতৰলৈ নাহিব জানো?" শিক্ষকগৰাকী মান্তি হ'ল।

খন্তেক পাছতে ল'ৰাটো পঢ়া-কোঠাত সোমাল আৰু সোমায়েই সি পোৱা নিৰ্দেশ অনুযায়ী অৰ্গেনটো বজাবলৈ ধৰিলে।

এ, বি, চি, ডি শিকোৱা শুনাৰ বিৰক্তিৰ পৰা হাত সাৰিবলৈ কুমাৰী ৰোটেন্‌মায়াৰে তেতিয়া খোৱা-কোঠাটোত ইটো-সিটো কৰি ব্যস্ত হৈ আছিল। তেনেতে তেওঁ কাম এৰি কাণ পাতি শুনিবলৈ ললে। গীতটো বাটৰ পৰা আহিছেনে? কিন্তু ইমান কাষত যে? পঢ়া-কোঠাৰ পৰা লঘু অৰ্গেণৰ মাত কেনেকৈ আহিব? তথাপিও— এৰা, হয়েই। তেওঁ দীঘল খোৱা-কোঠাটোৰ পৰা ভোঁ-ভোঁৱাই গৈ পঢ়া-কোঠাৰ দুৱাৰখন খুলিলে। তাত, তাত— তেওঁ বিশ্বাস কৰিবলৈ টান পালে— কোঠাটোৰ মাজত থিয় হৈ অৰ্গেনবাদক জলহু ল'ৰা এটাই মনপুতি তাৰ যন্ত্রটো বজাই আছে; ক্লাৰা আৰু হাইডিয়ে ফূৰ্ত্তিত উজ্জ্বল মুখেৰে গীত শুনি আছে; শিক্ষকজনে কিবা কবলৈ খুজিও যেন কব পৰা নাই।

"বন্ধ কৰ, তৎক্ষণাত বন্ধ কৰ," কুমাৰী ৰোটেন্‌মায়াৰে কোঠাটোত সোমায়েই হুকুম দিলে। কিন্তু অৰ্গেনৰ শব্দত তেওঁৰ মাত শুনাই নগ'ল। জুলিপকি তেওঁ ল'ৰাটোৰ পিনে চোঁচা লওঁতেই তেওঁ দুভৰিৰ মাজত কিবা এটা লগা যেন পালে। তেওঁ মজিয়ালৈ চাই দেখিলে, ক'লা, বীভচ্ছ কাছ এটাই তেওঁৰ স্কাৰ্টৰ তলত চুঁচৰিব ধৰিছে। তেওঁ থিতাতে ওপৰলৈ জাঁপ মাৰিলে (এনে জাঁপ তেওঁ বহুতকাল মৰা নাছিল) আৰু লগে লগে যিমান ডাঙৰকৈ পাৰে আটাহ পাৰি উঠিল, "চেবাষ্টিয়ান, চেবাষ্টিয়ান।"

অৰ্গেনবাদক পলকতে ৰ'ল, কাৰণ এইবাৰ তেওঁৰ মাত অৰ্গেনৰ শব্দতকৈ ডাঙৰ হ'ল। বাহিৰত বৈ থকা চেবাষ্টিয়ানে আধা-খোলা দুৱাৰৰ ফাঁকেৰে কুমাৰী ৰোটেন্‌মায়াৰে মৰা জাঁপটো দেখি হাঁহিত ভাঁজ খালে। কিছুপৰ পিছত সি কোনোমতে হাঁহি দমাই ভিতৰ সোমাল। কুমাৰী ৰোটেন্‌মায়াৰ ধুপ কৰে চকী এখনত বহি পৰিল।

"ল'ৰাটো আৰু সেইটোক খেদ চেবাষ্টিয়ান, তৎক্ষণাত দুয়োকে খেদ," তেওঁ চিঞৰি হুকুম দিলে। চেবাষ্টিয়ানে ততালিকে হুকুম পালন কৰিলে। সি ল'ৰাটোক উলিয়াই নিবলৈ ধৰোঁতেই ল'ৰাটোৱে সাউৎকৰে তাৰ কাছটো বুটলি

ললে। চেবাষ্টিয়ানে ল'ৰাটোক লৈ যাওঁতে যাওঁতে তাৰ হাতত কিবা গুজি দি কলে, "আঠ পেনি ক্লাৰাৰ পৰা, আঠ পেনি গীতৰ বাবে। চাবাচ্।" তাৰ পিছত সি বাটৰ সমুখৰ ঘাই দুৱাৰখন বন্ধ কৰিলে।

পঢ়া-কোঠাটোলৈ শান্তি পুনৰ ঘূৰি আহিল। পাঠ আকৌ আৰম্ভ হ'ল। তেওঁ তাত থাকিলে এনে ভয়ংকৰ বিভ্ৰাট পুনৰায় নঘটিব বুলি ভাবি কুমাৰী ৰোটেন্‌মায়াৰ এইবাৰ পঢ়া-কোঠাটোত গোঁজ পুতি বহিল। তেওঁ পাঠৰ শেহত ঘটনাটোৰ তদন্ত কৰি দোষীয়ে কাহানিও পাহৰি নোযোৱা ধৰণৰ শাস্তি বিহিব বুলি ঠিৰাং কৰিলে।

কিন্তু অলপ পাছতে দুৱাৰত আকৌ কোনোবাই টুকৰিয়ালে আৰু চেবাষ্টিয়ান সোমাই আহিল। মানুহ এজনে ডাঙৰ এপাচি কিবা দি সেইয়া কুমাৰী ক্লাৰাৰ হাতত তৎক্ষণাত গতাবলৈ কোৱা বুলি সি জনালে।

ক্লাৰাই আচৰিত হৈ সুধিলে, "মোলৈ পঠাইছে?" বস্তুটোনো কি জানিবলৈ উৎসুক হৈ কলে, "বস্তুটোনো কি তৎক্ষণাত চাই লওঁ।"

চেবাষ্টিয়ান গৈ ঢাকি-ঢুকি থোৱা পাচি এটা আনি মজিয়াত থৈ ততালিকে ওলাই গ'ল।

"মোৰ মতে তুমি পাঠ শেষ কৰি লৈ পাচিটো খোলাই ভাল হব," কুমাৰী ৰোটেন্‌মায়াৰে মন্তব্য প্ৰকাশ কৰিলে।

বস্তুটো কি অনুমান কৰিব নোৱাৰি ক্লাৰাই পাচিটোলৈ সতৃষ্ণ নয়নে চালে।

ব্যাকৰণৰ শব্দৰূপ কৰি থাকোঁতে মাজতে এবাৰ পঢ়া এৰি ক্লাৰাই কলে, "চাৰ, পাচিটোতনো কি আছে এবাৰ ভুমুকিয়াই চাই লৈ আকৌ পঢ়িমনে?"

"এহাতে মই এনে কৰাৰ পক্ষপাতী কিন্তু আনহাতে এনে কৰাৰ বিৰোধীও," শিক্ষকজনে কবলৈ আৰম্ভ কৰিলে। "কাৰণ তোমাৰ সমস্ত মনোযোগ যদি বস্তুটোলৈ গৈছে—"

তেওঁৰ কথা শেষ নহ'ল। পাচিটোৰ ঢাকনীখন টানকৈ বন্ধা নাছিল কাৰণে হঠাতে তাৰ পৰা এটা, দুটা, তিনিটা, তাৰ পিছত একেলগে দুটা, তাৰ পিছত আৰু কেইটামান মেকুৰী পোৱালি জাঁপ মাৰি ওলাই আহিল। সিহঁতে কোঠাটোৰ যেনিতেনি ইমান বেগেৰে দৌৰা-দৌৰি কৰিবলৈ ধৰিলে যে কোঠাটো মেকুৰি পোৱালিৰে ভৰি যোৱা যেন লগা হ'ল। সিহঁত শিক্ষকজনৰ বুট-জোতাত জাঁপ মাৰি উঠিল; তেওঁৰ পেণ্টত কামুৰি ধৰিলে; কুমাৰী ৰোটেন্‌মায়াৰৰ স্কাৰ্ট বগাই ওপৰলৈ উঠিল; কেইটামানে ক্লাৰাৰ চকীত জাঁপ মাৰি উঠি চকীখনত আঁচুৰিলে, খেপিয়ালে; মেওঁ, মেওঁ কৰিবলৈ ধৰিলে;— কোঠাটোত ঘমঘণ্ট লাগি গ'ল।

ক্লাৰা মুগ্ধ হৈ কৈ উঠিল, "আয়ে, অকমানিহঁত ইমান ধুনীয়া। কি ফুৰ্ত্তিত

ইহঁতে জঁপিয়াইছে। আঃ হাইডি, এইফালে চোৰাচোন, সৌফালে চোৱা, আৰু সৌটোযে।"

ইপিনে হাইডিয়ে ফূৰ্তিত সিহঁতৰ পিছে পিছে কোঠাটোৰ চুকে-কোণে লৰি-ঢাপৰি ফুৰিবলৈ ধৰিলে। শিক্ষকজনে পঢ়াই থাকিব নোৱৰা হৈ টেবুলৰ কাষত থিয় হৈ এবাৰ ইথন ভৰি ডাঙি, এবাৰ সিথন ভৰি ডাঙি সিহঁতৰ উৎপাতৰ পৰা সাৰিবলৈ যত্ন কৰিবলৈ ধৰিলে। কুমাৰী ৰোটেন্‌মায়াৰ প্ৰথমতে আতংকত নিৰ্বাক হৈ গৈছিল কিন্তু অলপ তন্তি লৈ তেওঁ "চেবাষ্টিয়ান, টিনেটে, চেবাষ্টিয়ান, টিনেটে" বুলি যিমান ডাঙৰকৈ পাৰে আৰ্তনাদ কৰি উঠিল। গোটেইজাক পোৱালিয়ে একেলগে জাঁপ মাৰি তেওঁৰ গাত উঠিব পাৰে বুলি তেওঁ ভয়তে চকীৰ পৰা নামিবলৈও সাহ নকৰা হ'ল।

কুমাৰী ৰোটেন্‌মায়াৰে বাৰে বাৰে সহায় বিচাৰি মতা শুনি অৱশেষত চেবাষ্টিয়ান আৰু টিনেটে আহি ওলাল। সিহঁতে পোৱালিবোৰ ধৰি ধৰি পাচিটোত ভৰালে। তাৰ পিছত আগদিনাৰ দুটালৈ কৰা বিছনালৈ এই কেইটাকো লৈ গ'ল।

আজিও পঢ়াৰ সময়ত কোনোৱে হামিয়াবলৈ সুযোগ নাপালে। পুৱাৰ উত্তেজনাৰ পৰা যথেষ্ট সকাহ পাই কুমাৰী ৰোটেন্‌মায়াৰে সেইদিনা গধূলি চেবাষ্টিয়ান আৰু টিনেটেক পঢ়া-কোঠালৈ মাতি আনি পুৱাৰ সেই লজ্জাকৰ ঘটনাটোৰ পূৰ্ণ তদন্ত আৰম্ভ কৰিলে। ফলত হাইডিৰ আগদিনাৰ অভিযানেই গোটেই বিপৰ্য্যয়ৰ মূল বুলি ওলাই পৰিল। তেওঁ চেবাষ্টিয়ান আৰু টিনেটেক ওলাই যাবলৈ ইঙ্গিত দিলে। তাৰ পিছত তেওঁ ক্লাৰাৰ চকীৰ কাষত নীৰৱে থিয় হৈ থকা হাইডিলৈ চালে। কিন্তু তাই কিবা দোষ কৰা বুলি হাইডিৰ মনত নেখেলালেই।

"আডেলহাইড!" কুমাৰী ৰোটেন্‌মায়াৰে কঠোৰ মাতেৰে আৰম্ভ কৰিলে। "তোমাৰ দৰে বৰ্ব্বৰক সভ্য কৰিব পৰা এটাই মাত্ৰ শাস্তি আছে। জেঠী আৰু নিগনিৰে ভৰা মাটিৰ তলৰ আন্ধাৰ চেলাৰটোত (মানে, কোঠাটোত) তোমাক থলে তুমি আগলৈ এনে কুকাণ্ড কৰিবলৈ সাহ কৰানে দেখা যাব।"

আল্মৰ পঁজাটোত লাগি থকা যিটো কোঠাক ককাকে চেলাৰ বুলিছিল তাত তেওঁ এঁৰা গাখীৰ আৰু পনীৰ থৈছিল। তাত জেঠী আৰু নিগনি নাছিল। সেইটো আন্ধাৰো নাছিল। সেইটো দেখিলেই ভাল লগা আৰু আকৰ্ষণীয়হে আছিল। গতিকে আগতে কেতিয়াও মাটিৰ তলৰ ভয়াবহ চেলাৰ নেদেখা হাইডিয়ে শান্ত আৰু কৌতূহলী হৈ তাইৰ শাস্তিৰ কথা শুনিলে।

ক্লাৰাই কিন্তু এই শাস্তিৰ বিৰুদ্ধে প্ৰবল আপত্তি কৰি কলে, "নহয়, কুমাৰী ৰোটেন্‌মায়াৰ, নহয়। দেউতা অহালৈ তুমি বাট চাব লাগিব; তেখেত

সোনকালে পাবহি বুলি লিখিছেই। মই দেউতাক সকলো নিশ্চয়কৈ জনাম। তেতিয়া তেখেতে হাইডিৰ বিষয়ে কি ব্যৱস্থা লব লাগে জনাব।”

কুমাৰী ৰোটেন্‌মায়াৰে এই প্ৰস্তাৱটোৰ বিৰোধিতা কৰিবলৈ সাহ নকৰিলে। তেওঁ উঠি অলপ বিৰক্তিৰে কলে, “সেয়ে হওক ক্লাৰা, সেয়ে হওক। পিছে ময়ো কথাটো তেখেতৰ কাণ ছোৱাম।”

তেওঁ কোঠাটোৰ পৰা ওলাই গ'ল।

সিদিনাৰ পৰা দুই-তিনিদিনমান শান্তিৰে গ'ল। কুমাৰী ৰোটেন্‌মায়াৰে কিন্তু মনৰ শান্তি ঘূৰাই নাপালে। হাইডিক লৈ তেওঁৰ আশাভঙ্গ হোৱা কথাটোৱে তেওঁৰ মনত সততে খচ্‌খচাবলৈ ধৰিলে। সেই সৰু ছোৱালীজনী অহাৰে পৰা ঘৰখনত যি খেলিমেলি লাগিছে সেই খেলিমেলিৰ কেতিয়াও অন্ত নপৰিব যেন তেওঁৰ লাগিল।

হাইডিক পাই ক্লাৰা কিন্তু পূৰা সন্তুষ্ট। তাইৰ দিনবোৰ এতিয়া আগৰ দৰে বিষণ্ন নোহোৱা হ'ল। হাইডি থকাই পঢ়াৰ সময়ছোৱাও সোনকালে শেষ হোৱা যেন লগা হ'ল।

বৰ্ণমালাখনে কিন্তু হাইডিক বিমোৰ কৰিছিল। শিক্ষকজনে যেতিয়া আখৰবোৰ লিখি তাইক বুজাইছিল আৰু বুজাত সহায় কৰিবলৈ কোনোবাটো আখৰ সৰু শিশুৰ লগত আৰু কোনোবাটো চৰাইৰ ঠোঁটৰ লগত তুলনা কৰিছিল, তেতিয়া হাইডিয়ে আনন্দত কৈ উঠিছিল, এইটো ছাগলী, এইটো চিলনী। শিক্ষকজনৰ বৰ্ণনাই তাইৰ মনত অসংখ্য চিন্তাৰ উদ্রেক কৰিছিল; বৰ্ণমালাৰ আখৰবোৰ কিন্তু তাইৰ মগজুত যেন কোনোমতে নোসোমাইছিল।

গধূলিৰ পিনে ক্লাৰাৰ কাষত বহি হাইডিয়ে আল্মৰ বিষয়ে আৰু আল্মত তাইৰ জীৱনৰ বিষয়ে কথা পাতিছিল। সেইবোৰ কথা পাতোঁতে পাতোঁতে তালৈ উভতি যাবলৈ তাইৰ হেঁপাহ ইমান উদগ্ৰ হৈ পৰিছিল যে তাই গভীৰ ভাবাবেগত কৈ উঠিছিল, “মই এতিয়া ঘৰলৈ উভতি যাবই লাগে। কাইলৈ মই ঠিক যাবই লাগিব।”

হাইডিৰ ভাবাবেগে এনে সংকটময় অৱস্থা পালে ক্লাৰাই তাইক বুজাই-বৰাই শান্ত কৰিছিল; দেউতাক অহালৈ তাই ৰব লাগিব বুলি আৰু তেতিয়া কি হয় দেখা যাব বুলি কৈছিল।

এটা আনন্দকৰ চিন্তাই হাইডিক গুপুতে সুখী কৰা কাৰণে ক্লাৰাৰ এনেবোৰ বুজনিত তাই মন পতিয়াইছিল আৰু তুষ্টও হৈছিল। সেই চিন্তাটো হ'ল, তাই তাত থাকেমানে আইতাকলৈ দিনৌ দুটাকৈ বোল গোটাব পাৰিব। দিনৌ দুপৰীয়াৰ আৰু ৰাতিৰ সাঁজৰ লগত তাইৰ থালৰ কাষত সুন্দৰ, বগা বোল এটাকৈ থোৱা আছিল। সেয়া দেখিলে টান, ক'লা কটি চোবাব নোৱৰা

আইতাকে খাবলৈ এটা বোলো নোপোৱাৰ কথা তাইৰ মনত পৰিছিল আৰু বোলবোৰ খাবলৈ তাইৰ ৰুচি নোহোৱা হৈছিল। সেই বোলবোৰ তাই আইতাকলৈ নিবলৈ বুলি সাউংকৰে জেপত ভৰাইছিল।

দুপৰীয়াৰ সাঁজ খাই উঠি হাইডিয়ে দিনৌ অতি দীঘল দুঘণ্টা নিজৰ কোঠাত অকলশৰে শান্ত হৈ বহি থাকিবলগীয়া হৈছিল। আল্মত তাই মন গলেই ঘৰৰ বাহিৰলৈ দৌৰি ওলাইছিল কিন্তু ফ্ৰাঙ্কফুৰ্টত তেনে কৰিবলৈ তাইক মানা কৰা হৈছিল। সেই হুকুমটো বুজি পোৱাৰ পাছত তাই আৰু ঘৰৰ বাহিৰ নহৈছিল। কুমাৰী ৰোটেন্‌মায়াৰে বাৰণ কৰা বাবে তাই খোৱা-কোঠাত চেবাষ্টিয়ানৰ লগত কথা পাতিবলৈও নোৱৰা হৈছিল। টিনেটেই হাইডিক অৱজ্ঞাৰ চকুৰে চাইছিল আৰু সদায় তাইক উপলুঙা কৰি হাঁহিছিল। টিনেটেৰ ভাব-ভঙ্গী ভালকৈ বুজি পোৱা কাৰণে হাইডিয়ে তাইক এৰাই ফুৰিছিল আৰু তাইৰ লগত কথা পতাৰ কল্পনাও কৰা নাছিল। সেয়ে হাইডিয়ে তাইৰ শোৱনি-কোঠাত অকলশৰে বহি আল্মখন আকৌ কেনেকৈ সেউজীয়া হ'বলৈ ধৰিছে; হালধীয়া ফুলবোৰ কেনেকৈ ৰ'দত জিলিকিবলৈ ধৰিছে; তাৰ বৰফ, পৰ্বত, বিশাল উপত্যকা আদি কিমান উজ্জ্বল হৈছে ভাবিবলৈ ধৰিছিল। তেনে সময়ত আল্মলৈ ঘূৰি যাবলৈ তাই প্ৰায়ে ইমান আবেগাকুল হৈ পৰিছিল যে ফ্ৰাঙ্কফুৰ্টত তাইৰ জীৱন তাই অসহনীয় হৈ পৰা যেন পাইছিল। তদুপৰি, তাইৰ মন গলেই আল্মলৈ উভতিব পাৰিব বুলি মাহীয়েকে কৈছিল।

তাই তেনে এটা দিনতেই সাঁচি থোৱা বোলবোৰ খৰখৰকৈ তাইৰ ৰঙা শালখনত বান্ধি আৰু মূৰত খেৰৰ পুৰণি টুপীটো পিন্ধি ঘৰ বুলি ৰাওনা হ'ল। কিন্তু তাই দুৱাৰমুখতে ফুৰি-চাকি উভতি অহা কুমাৰী ৰোটেন্‌মায়াৰৰ মুখামুখি হ'ল। তেওঁ ৰ'ল আৰু ভাবলেশহীন বিস্ময়ত হাইডিৰ মূৰৰ পৰা ভৰিলৈ চালে। তেওঁৰ চকু তাইৰ অতি ৰঙা শালখনত পৰোঁতে হঠাৎকাৰে তেওঁৰ কথা ওলাল। "এইটো কিহৰ অভিযান? মতলব কি তোমাৰ? এনেকৈ অনাই-বনাই ফুৰিবলৈ মই হাক দিয়া নাছিলোঁনে? তথাপিও তুমি পুনৰায় ওলাইছা; তাতে আকৌ অঘৰী সাজি।"

ভয় খাই হাইডিয়ে কলে, "মই অনাই-বনাই ফুৰিবলৈ ওলোৱা নাই। মই মাত্ৰ ঘৰলৈ যাবলৈ খোজোঁ।"

"কি? কি? ঘৰলৈ? তুমি ঘৰ বুলি ওলাইছা?" জলা-কলা হৈ কুমাৰী ৰোটেন্‌মায়াৰে হাতদুখন মোহাৰিবলৈ ধৰিলে। "পলাব খুজিছা? জেচেমান ডাঙৰীয়াই কথাটো জানিলে! এইটো ঘৰৰ পৰা পলাবা? তেখেতে যেন এইবাৰ নুশুনে! তেখেতৰ ঘৰৰ কিহে তোমাক গুজা নাই? তুমি যেনে ব্যৱহাৰৰ যোগ্য তাতকৈ ভাল ব্যৱহাৰ ইয়াত পোৱা নাইনে? তোমাক আৰু

কিবা লাগেনে? তোমাৰ জীৱনত কেতিয়াবা এনে ঘৰ, এনে টেবুল, লগুৱা-লিগিৰীৰ এনে সেৱা পাইছানে? কোৱাঁ।"

"নাই পোৱা," হাইডিয়ে উত্তৰ দিলে।

"নাই পোৱা বুলি ময়ো ভালকৈ জানোঁ," মহিলাগৰাকীয়ে গভীৰ উত্তেজনাত কৈ থাকিল। "ইয়াত তোমাৰ একোৰেই অভাৱ নাই; একোৰেই নাই। তুমি কি আৰামত আছা নিজেই নাজানা। তোমাৰ দৰে অশলাগী ছোৱালীৰ কথা মই কাহানিও শুনা নাছিলোঁ।"

তেতিয়াই হাইডিৰ সঞ্চিত বেদনাবোৰ পাৰ ভাঙি ওলাই আহিল। "হয়, মই ঘৰলৈ বুলিয়েই ওলাইছোঁ। মই ঘৰৰ পৰা অহা ইমান দিন হ'ল কাৰণে শ্নেহোপ্‌লিয়ে নিশ্চয় মোৰ কাৰণে অনবৰতে কান্দি আছে; আইতাই মোলৈ নিশ্চয় বাট চাই আছে; পিটাৰে পনীৰৰ ভাগ নাপাই ডিষ্টেলফিঙ্কক মৰিয়াবলৈ ধৰিছে। বেলিয়ে প্ৰকাণ্ড পৰ্বতবোৰক গধূলিৰ সোণালী সম্ভাষণ জনোৱা ইয়াত দেখা পাবলৈ নাই। সেই বিয়াগোম উকহটোৱে ফ্ৰাঙ্কফুৰ্টৰ ওপৰেৰে উৰিলে সি আৰু বেছি আটাহ পাৰিলেহেঁতেন; কাৰণ ইয়াত ঠাহ খাই থকা মানুহবোৰে ইটোৱে-সিটোক বজ্জাত কৰি তোলে, কিন্তু পৰ্বতলৈ গলে সিহঁতৰ উপকাৰ হলেও তালৈ নাযায়।"

"হে ঈশ্বৰ, এইজনী আচল বলিয়া," কুমাৰী ৰোটেন্‌মায়াৰে কৈ উঠিল আৰু বিপদৰ আশঙ্কাত খট্‌খটিৰে ওপৰলৈ লৰ মাৰোঁতেই তললৈ নামি আহিবলৈ ধৰা চেবাষ্টিয়ানৰ গাত জোৰেৰে খুন্দা খালে।

মূৰত ভালকৈ খুন্দা খোৱা ঠাইখিনি পিহি পিহি তেওঁ চেবাষ্টিয়ানক আদেশ দিলে, "এই হতভাগীক তৎক্ষণাত ওপৰলৈ লৈ আহ।"

"হয়। হয়। মই ভালেই আছোঁ। ধন্যবাদ," চেবাষ্টিয়ানে কলে কিয়নো সি তেওঁতকৈ বেছি জোৰেৰে খুন্দা খাইছিল।

হাইডিয়ে তেতিয়াও জ্বলন্ত চকুৰে আৰু প্ৰৱল আবেগত কঁপি কঁপি একে ঠাইতেই থিয় দি আছিল।

চেবাষ্টিয়ানে তাইক জোকোৱাৰ দৰে কলে, "বোলোঁ এইবাৰ বা কি পাঙিছে?" কিন্তু হাইডিয়ে লৰচৰ্ নকৰা দেখি সি তাইৰ কান্ধত মৰমেৰে লাহেকৈ থপৰিয়াই সান্ত্বনা দিয়াদি কলে, "ওহোঁ, ওহোঁ। অকমানি মামজেলে এইবোৰ কথা গা পাতি লব নালাগে। বং মনেৰে থকাটোহে উত্তম উপায়। চাওক, তেওঁ এইমাত্ৰ খুন্দিয়াই মোৰ মূৰটো প্ৰায় ভাঙিছিলেই। কিন্তু ভয় খাবলগীয়াকৈ নহয় দেই। আৰে, এতিয়াও একে ঠাইতে ৰৈ আছে দেখোন। ওপৰলৈ যাওঁ ব'লক। তেওঁৰ হুকুম।"

হাইডিয়ে তেতিয়া আন দিনাৰ দৰে নুঠি অতি লাহে লাহে আৰু নিশব্দে

ওপৰ-তলালৈ উঠিল। তাকে দেখি চেবাষ্টিয়ানৰ তাইলৈ পুতৌ উপজিল। সি তাইৰ পিছফালে থিয় হৈ উৎসাহ দিয়াদি কলে, "আপুনি হাৰ মানিব নালাগিব। দুখত ভাঙি পৰিব নালাগিব। এনেবোৰ কথাত সাহসী হব লাগিব। আন ছোৱালীয়ে দিনৌ ডজনবাৰ কান্দে। কিন্তু আমাৰ অকমানি মামজেলে অহাৰ পৰা এবাৰো কন্দা নাই বুলি আটায়ে জানে। মেকুৰী পোৱালিবোৰো ওপৰ-মহলাত ফুৰ্ত্তিৰে আছে। সিহঁতে বলিয়াৰ দৰে মজিয়াত জঁপিয়াই ফুৰে। আইদেউ ঘৰত নাথাকোঁতে আমি একেলগে সিহঁতক চাবলৈ যামনে?"

সম্মতিত হাইডিয়ে মূৰটো অকমান দুপিয়ালে কিন্তু তাকো অতি বেজাৰেৰে। তাইৰ দুখৰস্থাই তাৰ অন্তৰ চুলেগৈ। নিজৰ কোঠালৈ নীৰৱে, সন্তৰ্পণে যোৱা হাইডিলৈ সি মৰমেৰে চাই ৰ'ল।

সেইদিনা ৰাতি খোৱা-টেবুলত কুমাৰী ৰোটেন্‌মায়াৰে এইবোৰ কথা নুলিয়ালে। কিন্তু তেওঁ বৈ বৈ হাইডিলৈ তীক্ষ্ণ চাৱনিৰে এনে একলেখীয়াকৈ চাইছিল যে তাই যেন হঠাতে কিবা নোহোৱা-নোপজা কাণ্ড কৰি পেলাব পাৰে। হাইডিয়ে মুখত একো নিদিয়াকৈ আৰু নিগনিৰ দৰে লৰচৰ নকৰাকৈ চুপচাপ্ বহি ৰ'ল। তাই অৱশ্যে বোলটো সাউৎকৰে জেপত ভৰালে।

পিছদিনা পুৱা শিক্ষকজন আহিলত কুমাৰী ৰোটেন্‌মায়াৰে তেওঁক খোৱা-কোঠাটোলৈ আহিবলৈ আনে নেদেখাকৈ ইঙ্গিতেৰে জনালে। তাৰ পিছত তেওঁ শিক্ষকজনৰ আগত হাইডিক লৈ তেওঁৰ উদ্বেগ আৰু অশান্তিৰ কথা উলিয়ালে। আগদিনা হাইডিয়ে কেনেকৈ পলাবলৈ চেষ্টা কৰিছিল তেওঁ কলে আৰু তাই কোৱা অদ্ভুত কথাবোৰৰ যিখিনি তেওঁৰ মনত আছিল তাকো দোহাৰিলে। তেওঁ আশঙ্কা কৰিলে যে জলবায়ুৰ পৰিবৰ্তন, নতুন ধৰণৰ জীৱন-যাত্ৰা আৰু নতুন, নতুন অভিজ্ঞতাৰ হেঁচাত ছোৱালীজনী কিজানি বলিয়াই হ'ল।

শিক্ষকজনে কুমাৰী ৰোটেন্‌মায়াৰক শান্ত কৰিলে। তেওঁ কলে যে হাইডি হওঁতে নিশ্চয় অলপ বেলেগ হয় কিন্তু তাই বলিয়া নহয়। সেয়ে তাইৰ লগত উচিত ব্যৱহাৰ কৰি তেওঁ (শিক্ষকজনে) তাইক অলপ অলপকৈ লক্ষ্যৰ ফালে লৈ যাবলৈ পাৰিব। কামটো অৱশ্যে বেচ টান হব, কাৰণ তেতিয়ালৈ তাইক বৰ্ণমালাখনকেই শিকাই উঠিব পৰা নাই; আৰু আখৰবোৰৰ গঢ়-পিটিৰ কোনো ধাৰণাই তাইৰ নাই যেন লাগে।

কুমাৰী ৰোটেন্‌মায়াৰ অলপ শান্ত হ'ল। তেওঁ শিক্ষকজনক নিজৰ কামলৈ যাবলৈ দিলে।

হাইডিয়ে পলাবলৈ খোজোঁতে তাই পিন্ধা অধলা সাজপাৰৰ কথা সেইদিনা আবেলি কুমাৰী ৰোটেন্‌মায়াৰৰ মনত পৰিল। সেই কাৰণে জেচেমান ভাণ্ডৰীয়া অাহি ওলোৱাৰ আগতে ক্লাৰাৰ সাজপাৰ কিছুমান তেওঁ হাইডিৰ আলমাৰিটোত

থবলৈ সিদ্ধান্ত ললে। তেওঁ এই বিষয়ে ক্লাৰাৰ লগত পৰামৰ্শ কৰোতে ক্লাৰায়ো প্ৰস্তাৱটোত সম্মতি জনালে। তাই হাইডিক পিন্ধা কেইযোৰমান সাজ-পাৰৰ লগতে টুপী কেইটামান আৰু খনদিয়েক ভাল বিছনাচাদৰ আদি দিয়াৰ ইচ্ছাও প্ৰকাশ কৰিলে। সেয়ে কুমাৰী ৰোটেন্‌মায়াৰে হাইডিৰ আল্‌মাৰিটোত তাইৰ কি কি বস্তু আছে চাবলৈ আৰু তাৰ কোনবিধ ৰাখি কোনবিধ পেলাব লাগিব ঠিক কৰিবলৈ হাইডিৰ কোঠাটোলৈ গ'ল। খন্তেক পাছতে চকুৰে-মুখে অতি ঘিণ-ঘিণ ভাব লৈ তেওঁ উভতি আহিল।

"আডেলহাইড, মই কি যে আৱিষ্কাৰ নকৰিলোঁ!" তেওঁ কলে। "এনে কাণ্ড মই জনমত দেখা নাছিলোঁ। তোমাৰ আল্‌মাৰিটো কাপোৰ থবলৈ। অথচ সেইটোৰ তলৰ খলপাত কি পালোঁ? সৰু ৰোলৰ দ'ম এটা। ক্লাৰা, কাপোৰৰ আল্‌মাৰিত ৰুটি! এদ'ম ৰ'ল তাত সাঁচি থোৱা আছে।"

তেওঁ খোৱা কোঠাত থকা টিনেটেক কলে, "টিনেটে, আডেলহাইডৰ আল্‌মাৰিটোত থকা গোটেইখিনি বাহী ৰোল আৰু টেবুলত থকা খেৰৰ শোটোৰা টুপীটো নি পেলাই দেগৈ।"

"নিনিবা, নিনিবা," হাইডিয়ে তীক্ষ্ণ কণ্ঠেৰে চিয়ঁৰি উঠিল। "টুপীটো মোক লাগেই আৰু ৰোলবোৰ আইতাৰ বাবে।" তাই টিনেটেৰ পিনে চোঁচা লবলৈ খোজোঁতেই কুমাৰী ৰোটেন্‌মায়াৰে তাইক খাপ মাৰি জোৰেৰে ধৰি কলে, "ইয়াতে থাকা। সেই আবৰ্জনাবোৰ সেইবোৰৰ যোগ্য ঠাইত পেলোৱা হব।"

আশাহত হাইডিয়ে তেতিয়া ক্লাৰাৰ চকীৰ কাষত বাগৰি পৰি হুৰাওৰাৰে কান্দিবলৈ আৰম্ভ কৰিলে। তাইৰ কান্দোন ক্ৰমাৎ ডাঙৰ আৰু বেছি শোকাকুল হবলৈ ধৰিলে। মাজে মাজে তাই উচুপি উচুপি বেদনাসনা মাতেৰে কবলৈ ধৰিলে, "হায়, হায়! সেইবোৰ আইতাৰ বাবে আছিল। আইতাই ৰোলবোৰ আৰু খাবলৈ নাপায়। সেইবোৰ নোহোৱা হ'ল যেতিয়া আইতাই আৰু খাবলৈ নাপায়।"

হাইডিৰ অন্তৰখন যেন ভাগিবৰ উপক্ৰম হ'ল। কুমাৰী ৰোটেন্‌মায়াৰ লৰি ওলাই গ'ল। হাইডিৰ বেদনাহত দুৰৱস্থা দেখি ক্লাৰা শঙ্কিত আৰু বিবুধি হ'ল।

"হাইডি, হাইডি, এনেকৈ নাকান্দিবা," ক্লাৰাই তাইক খাটনি ধৰিলে। "মোৰ কথা শুনাচোন। তুমি ইমান চিন্তিত হব নালাগে। শুনা, মই কথা দিছোঁ, তুমি ঘৰলৈ যোৱাৰ সময়ত ইমানখিনি ৰোল, নহয়, তুমি সাঁচি থোৱাতকৈও বেছি ৰোল মই তোমাক দিম। সেইবোৰ তাজা আৰু কোমল হব। কিন্তু তুমি সাঁচি থোৱা বাহীবোৰ টান হব; ইতিমধ্যে টান হৈছেই। হাইডি, উঠা, নাকান্দিবা।"

বহুতপৰৰ মূৰতহে হাইডিয়ে উচুপনি বন্ধ কৰিব পাৰিলে। তাই ক্লাৰাৰ সান্ত্বনা দিয়া কথাবোৰ বুজি পালে আৰু সেইবোৰ তাইৰ মনত লাগিল। নহলে

তাইৰ কান্দোন বন্ধ নহ'লহেঁতেন। কিন্তু তাইৰ আশা সম্পৰ্কে আশ্বস্ত হ'বলৈ খুজি তাই উচুপনিৰ মাজে মাজে ক্লাৰাক সুধিবলৈ ধৰিলে, "আইতাৰ বাবে মই যিমান সাঁচিছিলোঁ সিমানেই বগা বোল তুমি দিবানে?"

ক্লাৰায়ো বাৰে বাৰে উত্তৰ দিছিল, "এৰা, দিম; মই নিশ্চয়কৈ দিম; বৰং বেছিহে দিম। গতিকে তুমি আকৌ ৰঙীয়াল হোৱা হাইডি।"

সেইদিনা ৰাতিৰ সাঁজ খাবলৈ আহোঁতে হাইডিৰ চকুযোৰ কান্দোনত ৰঙা পৰি আছিল। টেবুলত তাইৰ ভাগৰ বোলটো দেখিয়েই তাইৰ উচুপনি পুনৰ আৰম্ভ হ'ল। কিন্তু খোৱা-টেবুলত শিষ্টাচাৰ মানি চলিব লাগে বুলি বুজি পাই তাই ততালিকে উচুপনি বন্ধ কৰিলে।

চেবাষ্টিয়ানে খোৱা-বস্তু দিবলৈ যেতিয়াই হাইডিৰ কাষলৈ আহিছিল, তেতিয়াই সি অঙ্গী-ভঙ্গীৰে তাইক কিবা বুজাবলৈ খুজিছিল। সি প্ৰথমতে নিজৰ মূৰটো চুই তাৰ পিছত হাইডিৰ মূৰটোলৈ আঙুলিয়াইছিল। লগতে সি মূৰ দুপিয়াই চকু পিৰিকিয়াই যেন কবলৈ খুজিছিল, "শান্ত হ'ক মামজেল। মই সকলো খবৰ ৰাখিছোঁ আৰু চব্ ঠিকঠাক কৰিছোঁ।"

অলপ পাছত হাইডি নিজৰ কোঠালৈ গ'ল। শুবলৈ ওলাই তাই বিছনাচাদৰখনৰ তলত তাইৰ খেৰৰ সৰু, শোটোৰা টুপীটো পালে। তাই মহাফূৰ্ত্তিত সেইটো টান মাৰি উলিয়ালে। তাই আনন্দৰ কোবত লাৰোঁতে-চাৰোঁতে সেইটো আৰু বেছি শোটোৰা হ'ল। তাৰপিছত তাই সেইটো ৰুমাল এখনত বান্ধি আলমাৰিটোৰ একেবাৰে ভিতৰৰ কোঠাটোত লুকুৱাই থলে। আচলতে সেইটো বিছনা-চাদৰখনৰ তলত চেবাষ্টিয়ানে লুকুৱাই থৈছিল। কুমাৰী ৰোটেন্মায়াৰে টিনেটেক মাতোঁতে সিও খোৱা কোঠাটোত আছিল। সি হাইডিৰ শোকাকুল কান্দোনো শুনিছিল। সেয়ে সি টিনেটেৰ পাছে পাছে গৈছিল। তাই বোলৰ দ'মটোৰ ওপৰত টুপীটো থৈ ওলাই আহোঁতে সি টুপীটো থাপ মাৰি লৈ কৈছিল, "মই এইটোৰ ব্যৱস্থা কৰিম।" সেইটো বচাবলৈ পাৰি সি ৰব ৰং পাইছিল। খোৱা-টেবুলত হাইডিক সান্ত্বনা দিবলৈ সি অঙ্গী-ভঙ্গীৰে ইয়াকেই কবলৈ খুজিছিল। ■

নৱম অধ্যায়

জেচেমান ডাঙৰীয়াই অদ্ভুত কাণ্ডৰ কথা শুনিলে

ইয়াৰ কেইদিনমান পাছত অট্টালিকাটোত ঘমঘণ্ট লাগিল আৰু খট্‌খটিৰে বেগাই উঠা-নমা কৰাৰ ধুম উঠিল। তেতিয়া ঘৰটোৰ গিৰিহঁত জেচেমান ডাঙৰীয়া বিদেশৰ পৰা উভতি আহি পাইছিল মাত্র। প্রতিবাৰেই ঘৰলৈ আহোঁতে তেখেতে ঢেৰ সুন্দৰ, সুন্দৰ বস্তু আনিছিল। চেবাষ্টিয়ান আৰু টিনেটেই বস্তুৰে ভৰা বাগীখনৰ পৰা টালি-টোপোলাবোৰ নমোৱাত ব্যস্ত হৈ পৰিল।

জেচেমান ডাঙৰীয়াই প্রথমতে জীয়েকক মাত লগাবলৈ গ'ল। তেতিয়া বেলা ভাটি দিছিল আৰু সেইখিনি সময়ত ক্লাৰা আৰু হাইডি সদায় একেলগে আছিল। সেয়ে তেখেতে হাইডিক ক্লাৰাৰ কাষত বহি থকা পালে। ক্লাৰাই বাপেকক অতি দৰদেৰে সম্ভাষণ জনালে কাৰণ তাই বাপেকক বৰ ভাল পাইছিল। বাপেকেও তেওঁৰ অকমানি ক্লাৰাক সমানেই মৰম-চেনেহ কৰিছিল। ইতিমধ্যে হাইডি কোঠাটোৰ চুক এটাত থিয় হৈছিলগৈ। তাইলৈ হাতখন মেলি ধৰি তেখেতে মৰমেৰে কলে, "আৰু এৱেঁই আমাৰ অকমানি চুইচ্ ছোৱালীজনী নহয়নে? ইয়ালৈ আহি মোৰ লগত কৰমর্দন কৰাহিচোন। বেচ্। তুমি আৰু ক্লাৰা বন্ধু হৈ পৰিছানে? তোমালোকে কাজিয়া কৰি, খণ্ডাখণ্ডি কৰি, পিছত কান্দি-কাটি মিল হৈ অলপ পাছতে আকৌ সেই একেখন খেলেই আৰম্ভ নকৰানে?"

"নকৰোঁ। ক্লাৰা মোৰ প্রতি সদায় মৰমিয়াল," হাইডিয়ে উত্তৰ দিলে।

"হাইডিয়ে কেতিয়াও কাজিয়া কৰিবলৈ খোজা নাই দেউতা," ক্লাৰাই টপৰাই যোগ কৰিলে।

"ভাল কথা। এইবাৰ শুনি মই আনন্দিত," তেখেতে কলে আৰু বহাৰ পৰা উঠিল। "ক্লেৰচেন, দুপৰীয়াৰ সাঁজ খাবলৈ তুমি মোক অলপ আহৰি দিয়া। আজি দিনটো মই একো খোৱা নাই। তাৰ পিছত মই আহিলে কি কি আনিছোঁ চাবা।"

খোৱা-কোঠাত কুমাৰী ৰোটেনমায়াৰে তেখেতৰ দুপৰীয়াৰ সাঁজ যতনোৱা চাই-চিতি আছিল। জেচেমান ডাঙৰীয়া খোৱা-টেবুলত বহাৰ পিছত কুমাৰী ৰোটেন্‌মায়াৰ তেখেতৰ বিপৰীত ফালৰ চকীখনত বহিল। তেওঁ মুখখন পূৰাকৈ ওন্দোলাই আছিল। তাকে দেখি ঘৰটোৰ গিৰিহঁতে তেওঁক কলে, "কুমাৰী

ৰোটেন্‌মায়াৰ, মই একো বুজা নাই। মই যুৱি আছি তোমাৰ চকু-মুখত মোৰ কিসদৰ আশঙ্কাহে দেখিছোঁ। কথাটো কি? ক্লাৰা দেখোন প্ৰাণ-চঞ্চল হৈয়েই আছে।”

“জেচেমান ডাঙৰীয়া,” মহিলা গৰাকীয়ে গভীৰ ঐকান্তিকতাৰে আৰম্ভ কৰিলে। “ক্লাৰাৰ মনতো অশান্তি। আমি ভাল ঠগন খালো।”

লাহে-ধীৰে কফিত শোহা মাৰি তেখেতে সুধিলে, “কেনেকৈ?”

“জেচেমান ডাঙৰীয়া, ক্লাৰাৰ বাবে ঘৰত থকাকৈ লগৰী এজনী অনাৰ সিদ্ধান্তৰ কথা আপুনি জানেই। ক্লাৰাৰ লগৰী হিচাবে সম্ভ্ৰান্ত পৰিৱেশৰ ভাল ছোৱালী এজনী আপুনি বিশেষকৈ বিচাৰিব বুলি মই জানোঁ। সেয়ে মই সৰু চুইচ্‌ ছোৱালী এজনীৰ কথা ভাবিছিলোঁ। সেইজনী মই কিতাপত পঢ়াৰ দৰে হব বুলি আৰু, কিতাপৰ ভাষাত কবলৈ গলে, বিশুদ্ধ পৰ্বতীয়া বতাহত লালিত-পালিত হোৱা আৰু জীৱনত কাহানিও মাটি গছকি নোপোৱা ধৰণৰ হব বুলি আশা কৰিছিলোঁ।”

“মোৰ মতে,” জেচেমান ডাঙৰীয়াই কলে, “চুইচ শিশুৱেও লৰচৰ কৰিবলৈ হলে মাটিত ভৰি পেলাব লাগিব। নহলে সিহঁতৰ ভৰিৰ ঠাইত পাখিহে থাকিলহেঁতেন।”

“আঃ জেচেমান ডাঙৰীয়া, মোৰ কথাৰ আচল অৰ্থ আপুনি বুজিছেই,” কুমাৰী ৰোটেনমায়াৰে কৈ গ'ল। “মই প্ৰদূষণহীন পৰ্বতীয়া অঞ্চলৰ তেনেকোৰ মানুহৰ কথা কৈছোঁ যি আমাৰ কাষেৰে আদৰ্শ বতাহৰ দৰে পাৰ হৈ যায়।”

“কিন্তু কুমাৰী ৰোটেনমায়াৰ, ক্লেৰচেনে আদৰ্শ বতাহেৰে কি কৰিব?”

“নহয় জেচেমান ডাঙৰীয়া, মই ৰহইচ কৰা নাই। মোৰ মতে কথাটো আপুনি ভবাতকৈ বহুত বেছি গুৰুত্বপূৰ্ণ। মই বিষম ঠগন, আচলতে অতি ভয়ংকৰ ঠগন খালোঁ।”

“কিন্তু ইমান ভয়ংকৰ ভাবেনে? মোৰ দেখোন ছোৱালীজনী ভয়ংকৰ যেন লগা নাই,” জেচেমান ডাঙৰীয়াই শান্ত হৈ উত্তৰ দিলে।

“জেচেমান ডাঙৰীয়াই এটা কথা, মাত্ৰ এটা কথা জানিলেই হব। আপোনাৰ অনুপস্থিতিত এই হতভাগীয়ে কেনে জীৱ-জন্তুৰে আৰু মানুহেৰে আপোনাৰ ঘৰখন ভৰাই পেলাইছিল আপুনি জনা উচিত। শিক্ষক গৰাকীয়েও এই বিষয়ে আপোনাক কব পাৰিব।”

“জীৱ-জন্তুৰে? এইবাৰৰ অৰ্থ কি কুমাৰী ৰোটেন্‌মায়াৰ?”

“এইটো বুজাৰ অতীত। এটা বিশেষ দৃষ্টিভঙ্গী গ্ৰহণ নকৰিলে হতভাগীজনীৰ কোনো আচৰণেই বোধগম্য নহয়। সেই বিশেষ দৃষ্টিভঙ্গীটো হ'ল, মাজে মাজে তাইৰ মূৰৰ বিকৃতি ঘটে।”

তেতিয়ালৈ জেচেমান ডাঙৰীয়াই কুমাৰী বোটেনমায়াৰৰ কথাত গুৰুত্ব দিয়া নাছিল। কিন্তু 'মূৰৰ বিকৃতি'। ক্লাৰাৰ ওপৰত ইয়াৰ বিষম ফল হ'ব পাৰে। তেখেতে কুমাৰী বোটেনমায়াৰলৈ তীক্ষ্ণ চাৱনিৰে এনেকৈ চালে যেন তেওঁ স্বয়ং সেই বেমাৰত ভোগা নাই বুলি তেখেত আশ্বস্ত হ'ব খোজে। ঠিক তেতিয়াই দুৱাৰখন মেল খালে আৰু শিক্ষকজন সোমাই আহিল।

"এইয়া শিক্ষক ডাঙৰীয়া ওলালহিয়েই। এওঁ আমাক কথাটো ভাঙি-পাতি কব," জেচেমান ডাঙৰীয়াই কলে। "আহক, আহক, মোৰ কাষতে বহক" বুলি তেখেতে কৰমৰ্দন কৰিবলৈ হাতখন আগবঢ়াই দিলে।

"কুমাৰী বোটেনমায়াৰ, শিক্ষক ডাঙৰীয়াই মোৰ লগত ক'লা কফি একাপ খাব।" কুমাৰী বোটেনমায়াৰ ওলাই গ'ল। "বহক, বহক। লৌকিকতাত ধৰি থাকিব নালাগে। শিক্ষক ডাঙৰীয়া, কথা এটা কবনে? মোৰ জীজনীৰ সঙ্গী হবলৈ অনা ছোৱালীজনীক আপুনি পঢ়ায়। তাইৰ গোলমালটো কি কওকচোন। তাই ঘৰলৈ জীৱ-জন্তু অনাৰ ৰহস্যটোনো কি? তাইৰ বোলে মাজে মাজে মূৰৰ বিকৃতি ঘটে?"

শিক্ষকজনে প্ৰথমতে জেচেমান ডাঙৰীয়া নিৰাপদে ঘূৰি অহা কাৰণে সন্তোষ প্ৰকাশ কৰিলে আৰু তেখেতক ঘৰটোলৈ স্বাগতম জনালে। জেচেমান ডাঙৰীয়াই তেওঁক তেখেতে সোধা প্ৰশ্ন দুটা সম্পৰ্কেহে তেওঁৰ মতামত জনাবলৈ কলে। সেয়ে শিক্ষকজনে তেওঁৰ আওপকীয়া ধৰণে আৰম্ভ কৰিলে। "মই যদি অকমানি ছোৱালীজনীৰ চৰিত্ৰৰ বিষয়ে মোৰ মতামত জনাবলগীয়া হওঁ, তেন্তে মই পোনপ্ৰথমে এটা বিশিষ্ট কথালৈ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। প্ৰথমতে, ছোৱালীজনীৰ পঢ়া-শুনা আগতে কম-বেছি পৰিমাণে আওহেলা কৰা কাৰণে বা অলপ ভালকৈ কৰলৈ হলে, তাইক শিক্ষাদানৰ প্ৰণালী নিখুঁত নোহোৱা কাৰণে, তাইৰ বিকাশ ব্যাহত হোৱাটো হয়। কিন্তু ইয়াৰ বিপৰীতে তাইৰ ভাল গুণবোৰে নিসন্দেহে আল্মত কটোৱা দীঘলীয়া কালছোৱাৰ সুপ্ৰভাৱৰ কথা সূচায়। আল্মত কোনোবাই বাস কৰাৰ এটা নিৰ্দিষ্ট সময়সীমা অতিক্ৰম নকৰিলে, তেনে অভিজ্ঞতাৰ নিশংসয়ে এটা ভাল দিশ—"

শিক্ষকজনক বাধা দি জেচেমান ডাঙৰীয়াই কলে, "প্ৰিয় শিক্ষক ডাঙৰীয়া, আপুনি অবাবতে নিজকে ইমান কষ্ট দিছে। মোক মাত্ৰ কওক, ছোৱালীজনীয়ে জীৱ-জন্তুবোৰ ঘৰলৈ আনি আপোনাক শঙ্কিত কৰিছেনে ? এইজনী মোৰ জীয়ৰীৰ সঙ্গী হোৱাটো আপুনি কেনে দেখে ?"

"কোনো ধৰণে ছোৱালীজনীৰ অনিষ্ট কৰিবলৈ মোৰ মন নাই," শিক্ষকজনে আৰম্ভ কৰিলে। "এহাতে, তাই ফ্ৰাঙ্কফুৰ্টলৈ অহাৰ আগতে কম-বেছি পৰিমাণে শিষ্টাচাৰ-বৰ্জিত পৰিবেশত ডাঙৰ-দীঘল হোৱা কাৰণে

যদিও তাই কিছুমান সামাজিক ৰীতি-নীতি সম্পৰ্কে অনভিজ্ঞ, তথাপি তাই ইয়ালৈ অহাটোৱেই..."

"শিক্ষক ডাঙৰীয়া, মোক মাফ কৰিব। আপুনি আৰু কষ্ট নকৰিলেও হ'ব। মই জী-জনীৰ খা-খবৰ লবলৈ যাওঁ।" তেখেতে লৰালৰিকৈ কোঠাটোৰ পৰা ওলাই গ'ল আৰু ঘূৰি নাহিল।

পঢ়া-কোঠা পাই তেখেত জীয়েকৰ কাষত বহিলগৈ। হাইডি উঠি থিয় হ'ল। জেচেমান ডাঙৰীয়াই তাইলৈ ঘূৰি চাই কলে, "ছাইকণ, শুনাচোন। তুমি মোলৈ হেৰি আনাগৈ, খন্তেক ৰবা, হেৰি মানে..."

জেচেমান ডাঙৰীয়াই তেখেতক কি লাগে ঠিককৈ নাজানিছিল। আচলতে, অলপ সময়ৰ কাৰণে হাইডিক তাৰ পৰা আঁতৰাই পঠিয়াবলৈহে তেখেতে চেলু বিচাৰিছিল। "হেৰি আনাগৈ; ৰবা, ৰবা, মোৰ বাবে এগিলাছ পানী আনাগৈ।"

"তাজা পানীনে ?" হাইডিয়ে সুধিলে।

"ৰবা, ৰবা, একদম তাজা পানী," জেচেমান ডাঙৰীয়াই উত্তৰ দিলে।

হাইডি ওলাই গ'ল।

"মৰমৰ ক্লেৰচেন," তেখেতে কথা আৰম্ভ কৰি নিজৰ চকীখন ক্লাৰাৰ আৰু কাষলৈ চপাই নিলে। জীয়েকৰ হাতখন নিজৰ হাতত লৈ তেখেতে সুধিলে, "তুমি জঁট নলগোৱাকৈ আৰু স্পষ্টকৈ তোমাৰ বান্ধৱীয়ে ঘৰলৈ কি কি জন্তু-জানোৱাৰ আনিছিল আৰু কুমাৰী ৰোটেনমায়াৰে তাইৰ মূৰৰ বিকৃতি হোৱা বুলি কিয় ভাবে কোৱাচোন। কবলৈ পাৰিবানে ?"

ক্লাৰাই পাৰিলে কিয়নো মাননীয়া মহিলাগৰাকীয়ে আতঙ্কিত হৈ হাইডিৰ সিদিনাৰ সন্দেহজনক কথাবোৰ তাইকো কৈছিল। কিন্তু ক্লাৰাৰ বাবে সেইবোৰৰ অৰ্থ স্পষ্ট। তাই দেউতাকক প্ৰথমে মেকুৰী পোৱালিবোৰ আৰু কাছটোৰ কথা কলে। তাৰ পিছত হাইডিৰ যিবোৰ কথা শুনি কুমাৰী ৰোটেনমায়াৰ স্তম্ভিত হৈছিল সেইবোৰ বৰ্ণালে। জেচেমান ডাঙৰীয়াই প্ৰাণখুলি হাঁহি উঠিল।

"তেন্তে ক্লেৰচেন, তাইক ঘৰলৈ ওভোতাই পঠিয়াবলৈ তুমি নোখোজা? তাইৰ সঙ্গই তোমাক আমুৱরা নাই?"

"ওহোঁ, ওহোঁ, দেউতা, তেনে নকৰিবা" ক্লাৰাই সানুনয়ে কলে। "দেউতা, হাইডি অহাৰ পৰা সদায় কিবা নহয় কিবা ঘটেই। সেয়ে সময় কেনেকৈ যায় কব নোৱাৰোঁ। তাই অহাৰ আগতে এনে নহৈছিল; তেতিয়া ক'তো একো নঘটিছিল। হাইডিয়ে মোক কত কি যে গল্প কয়।"

"বাৰু ক্লেৰচেন, সেয়ে হ'ব। এইয়া আমাৰ অকমানি বান্ধৱীজনী আহি

ওলালেই।" হাইডিয়ে পানী গিলাছ আগবঢ়াই দিওঁতে তেখেতে সুধিলে, "মৌলৈ চেঁচা, তাজা পানী পালানে?"

"হয়, কুঁৱাৰ পৰা এইমাত্র অনা পানী," হাইডিয়ে উত্তৰ দিলে।

"হাইডি, কুঁৱাটোলৈ তুমি নিজে দৌৰি গৈছিলানে?" ক্লাৰাই সুধিলে।

"অঁ। পানীখিনি পূৰাপূৰি তাজা। মই পিছে বহুতদূৰ যাবলগীয়া হ'ল। প্ৰথমটোত মানুহ ঠাহ খাই আছিল। গোটেই বাটটো গৈ দ্বিতীয় কুঁৱাটো পালোঁ। তাতো সমানেই ভীৰ। তেতিয়া মই আন এটা বাটলৈ গৈ তাতহে পানী পালোঁ। তাৰ বগাচুলীয়া ভদ্ৰলোক গৰাকীয়ে জেচেমান ডাঙৰীয়ালৈ তেখেতৰ সম্ভাষণ জনাইছে," হাইডিয়ে কলে।

"বাঃ, তোমাৰ অভিযান সফল তেন্তে !" জেচেমান ডাঙৰীয়াই হাঁহি কলে। "পিছে সেই ভদ্ৰলোকগৰাকীনো কোন ?"

"তেখেত কুঁৱাটোৰ কাষেৰে গৈ আছিল। তেনেতে তেখেত ৰ'ল আৰু মোক কলে, 'তোমাৰ হাতত গিলাছ এটা আছে যেতিয়া মোক পানী অলপ খুৱাবানে ? তুমি বাৰু পানী কালৈ নিবলৈ আহিছা ?' মই কলোঁ, 'জেচেমান ডাঙৰীয়ালৈ।' তেতিয়া তেখেতে ডাঙৰকৈ হাঁহিলে আৰু আপোনাক তেখেতৰ সম্ভাষণ জনাবলৈ মোক কলে। লগতে তেখেতে আৰু কলে, 'জেচেমান ডাঙৰীয়াই এইয়া খাই ভাল পোৱা উচিত।'

"এখেত কোন হব পাৰে ? ভদ্ৰলোকগৰাকী দেখিবলৈ কেনেকুৱা ?" জেচেমান ডাঙৰীয়াই সুধিলে।

"তেখেতে মনোৰমকৈ হাঁহিছিল। তেখেতৰ ডিঙিত সোণৰ ডাঙৰ হাৰ এডাল আছিল আৰু ৰঙা বাখৰ লগোৱা সোণালী কিবা এটা তাত ওলোমোৱা আছিল। তেখেতৰ লাখুটিডালৰ মূৰটো ঘোঁৰাৰ মূৰ যেন।"

"সেয়া ডাক্তৰ," "মোৰ পুৰণি বন্ধু ডাক্তৰেই," ক্লাৰা আৰু দেউতাকে একেলগে কৈ উঠিল। তেখেতৰ বন্ধুজনৰ কথা ভাবি আৰু ডাক্তৰে তেখেতৰ পানী খোৱাৰ নতুন কায়দাটোৰ বিষয়ে কি ভাবিব পাৰে অনুমান কৰি জেচেমান ডাঙৰীয়াই নিজে নিজে মিচিকিয়াবলৈ ধৰিলে।

সেইদিনা গধূলি তেখেতে আৰু কুমাৰী ৰোটেন্‌মায়াৰে খোৱা-কোঠাত গৃহস্থালি সংক্ৰান্ত বিভিন্ন কথা আলোচনা কৰি আছিল। কথা-প্ৰসঙ্গত তেখেতে কুমাৰী ৰোটেন্‌মায়াৰক জনালে যে তেওঁৰ মতে জীয়েকৰ সঙ্গীজনী মূৰৰ বিকৃতি নোহোৱা স্বাভাৱিক ছোৱালী; তদুপৰি তেখেতৰ জীয়েকে আন ছোৱালীবোৰতকৈ তাইৰ সঙ্গ বেছি মধুৰ আৰু বেছি মজাৰ পাইছে; সেই কাৰণে ছোৱালীজনী ঘৰতেই থাকিব।

তেখেতে ন দি কলে, "ছোৱালীজনীৰ লগত মৰমেৰে ব্যৱহাৰ কৰা হব বুলি মই আশা কৰোঁ। তাইৰ আচহুৱা আচৰণবোৰ আমি পাপ বুলি গণ্য কৰিব

নালাগিব। তুমি যদি তাইক অকলে চম্ভালিবলৈ টান পোৱা তেন্তে অলপতে বহুমূলীয়া সহায় পাবা। ইয়াত দীঘলীয়াকৈ থকাকৈ মা আহি অলপতে ওলাব। তুমিতো জানাই, মানুহ যি ধৰণৰেই নহওক, মাই সকলোকে চম্ভালি লব পাৰে।"

"হয় জেচেমান ডাঙৰীয়া, মই সেইটো জানোঁ," মহিলাগৰাকীয়ে উত্তৰ দিলে, কিন্তু সহায় পাব বুলি জানিলতো তেওঁ সকাহ পোৱা যেন দেখা নগ'ল।

জেচেমান ডাঙৰীয়া ঘৰত কম সময়হে থাকিব পাৰিলে। দুসপ্তাহ পিছতেই ব্যৱসায়ৰ কামত তেখেত পেৰিছলৈ উভতিবলগীয়া হ'ল। তেখেত্ৰ অকমানি জীয়েকজনীয়ে দেউতাকক এৰি দিবলৈ নোখোজা কাৰণে কেইদিনমানতেই তাঁইৰ আইতাক আহি ওলাব বুলি প্ৰতিশ্ৰুতি দি তেখেতে ক্লাৰাক সান্ত্বনা দিলে।

জেচেমান ডাঙৰীয়াই ঘৰ এৰিছেহে মাথোন, তেনেতে চিঠি এখন আহিল। সেইখনত আইতাক শ্ৰীমতী জেচেমানে জনাইছিল যে তেখেতে হোলষ্টাইনত তেখেত থকা পুৰণি পামখনৰ পৰা ইতিমধ্যে যাত্ৰা কৰিছেই। তেখেতে পিছদিনা এটা বিশেষ সময়ত আহি পোৱাৰ কথা। সেয়ে তেখেতৰ বাবে ৰেল ষ্টেচনলৈ বাগীখন পঠোৱা হয় যেন।

খবৰটো পাই ক্লাৰা অতি উৎফুল্ল হৈ উঠিল। সেইদিনা গধূলি ক্লাৰাই আইতাকৰ বিষয়ে কোৱা কথাবোৰ শুনি শুনি শেহত হাইডিয়েও তেখেতক 'আইতা' বুলিবলৈ ল'লে। এইটো কথা কুমাৰী ৰোটেন্‌মায়াৰে পছন্দ নকৰি তাইলৈ আপত্তিসূচক চাৱনিৰে চালে। হাইডি কিন্তু সেই চাৱনিত অকণো আচৰিত নহ'ল কাৰণ তাইৰ সকলো কথাতে তেওঁৰ সদায় আপত্তি।

পাছত হাইডি শোৱা-কোঠালৈ বুলি ওলাওঁতে কুমাৰী ৰোটেন্‌মায়াৰে তাইক অকলে নিজৰ কোঠালৈ মাতি নিলে। তেওঁ লগে লগে তাইক বুজাই দিলে যে তাই শ্ৰীমতী জেচেমানক কোনোপধ্যে যেন 'আইতা' বুলি সম্বোধন নকৰে; তেখেতক যেন 'সদাশয়া আইচুদেও'হে বোলে।

হাইডিয়ে তেওঁলৈ অলপ হেহোঁ-নেহোঁকৈ চোৱা দেখি তেওঁ সুধিলে, "বুজিলানে?" কথাটো কৈয়েই কুমাৰী ৰোটেন্‌মায়াৰে অতি কঠোৰ চকুৰে তাইলৈ চালে। ফলত তাই 'সদাশয়া আইচুদেও' মানে কি নুবুজিলেও সেই বিষয়ে কোনো ব্যাখ্যা নিবিচাৰিলে। ■

দশম অধ্যায়

আন এগৰাকী আইতা

পিছদিনা গধূলি জেচেমান পৰিয়ালৰ অট্টালিকাটোত উখল-মাখল লগা আৰু সকলোৱে অতি আগ্ৰহেৰে কোনোবা এগৰাকী অহালৈ বৈ থকা দেখা গ'ল। আগন্তুক মহিলাগৰাকীৰ ঘৰখনত প্ৰতিপত্তি থকা বুলি আৰু তেখেতক সকলোৱে গভীৰ শ্ৰদ্ধা কৰে বুলি দেখ্ দেখ্‌কৈ ওলাই পৰিল। টিনেটেই মূৰত এটা নতুন, বগা টুপী পিন্ধিলে। চেবাষ্টিয়ানে কেইবাখনো ভৰি-থোৱা টুল যোগাৰ কৰি অ'ত-ত'ত থলে যাতে তেখেতে যতেই নবহক কিয়, ভৰি থবলৈ তেনে একোখন টুল যেন থিতাতে পায়। ঘৰখনত দ্বিতীয় গিৰিহঁত এগৰাকী আহি পাবৰ হ'লেও কুমাৰী ৰোটেন্‌মায়াৰে তেওঁৰ কৰ্ত্তৃত্বৰ অন্ত পৰা নাই বুলি দেখুৱাবলৈহে যেন অতি পোন হৈ সকলো খুটি-নাটি পৰিদৰ্শন কৰি ফুৰিবলৈ ধৰিলে।

বাগীখন পদূলি পালেহি। চেবাষ্টিয়ান আৰু টিনেটেই খট্‌খটিৰে হুৰমুৰকৈ তললৈ লৰ ধৰিলে। শ্ৰীমতী জেচেমানক অভ্যৰ্থনা কৰিবলৈ নিজে নগলে নহয় কাৰণে কুমাৰী ৰোটেন্‌মায়াৰে লাহে-ধীৰে সিহঁতৰ পাছে পাছে গ'ল। আইতাকে প্ৰথমতে ক্লাৰাৰ কোঠালৈ গৈ তাইক অকলশৰে লগ পাবলৈ বিচাৰিব। সেইকাৰণে হাইডিক তাইৰ নিজৰ কোঠাটোত থাকিবলৈ আৰু তাইক মাতি নপঠোৱালৈকে নোলাবলৈ কোৱা হ'ল। হাইডিয়ে নিজৰ কোঠাটোৰ চুক এটাত বহি শ্ৰীমতী জেচেমানক সম্বোধন কৰিবলগীয়া পদটো মুখস্থ কৰিবলৈ ধৰিলে। তাই বেছি পৰ ৰবলগীয়া নহ'ল। টিনেটেই দুৱাৰখনেৰে মূৰটো অকমান ভিতৰলৈ সুমুৱাই আনদিনাৰ দৰে তীক্ষ্ণ কণ্ঠেৰে কলে, "পুথিভঁৰাললৈ যোৱাঁ।"

আইতাকক সম্বোধন কৰিবলগীয়া পদটো সম্পৰ্কে কুমাৰী ৰোটেন্‌মায়াৰৰ পৰা ব্যাখ্যা বিচাৰিবলৈ হাইডিয়ে সাহ কৰা নাছিল। তেতিয়ালৈকে তাই মানুহৰ নামৰ লগত ডাঙৰীয়া, শ্ৰীমতী, কুমাৰী যোগ দি মতাহে শুনিছিল। সেয়ে তাই কুমাৰী ৰোটেন্‌মায়াৰে কিবা ভুল কৰা বুলি ধৰি ললে। তাই গৈ পঢ়া-কোঠাৰ দুৱাৰখন খোলোঁতেই আইতাকে মৰমৰ মাতেৰে কলে, "এইয়া আমাৰ অকমানিজনী ! মোৰ ওচৰলৈ আহাচোন। তোমাক ভালকৈ চাই লওঁ।"

হাইডি তেখেতৰ কাষলৈ গৈ তাইৰ পৰিষ্কাৰ মাতেৰে কলে, "শুভদিন, সদাশয়া আইচুদেও।"

"ভালেই বুলিছা," আইতাকে হাঁহি হাঁহি কলে। "যদিও তুমি কাৰোবাক এনেকৈ মাত লগোৱানে ? আনকি এইষাৰ শুনিছিলানে ?"

"নাই শুনা। তাত কাৰো 'সদাশয়া আইচুদেও' নাম নাথাকে।"

"ইয়াতো কাৰো তেনে নাম নাই," আইতাকে চেনেহেৰে আলফুলকৈ থপৰিয়ালে। "এইটো সাধাৰণ কথা। সৰু ল'ৰা-ছোৱালীৰ বাবে মই আইতা। তুমিও মোক এইটো নামেৰেই মাতিবা। কথাটো তোমাৰ মনত থাকিব, নহয় জানো ?"

"হয়, থাকিব," হাইডিয়ে আশ্বাৰে কলে। "মই আগতে সদায় সেই বুলিয়েই উল্লেখ কৰিছিলোঁ।"

ফূর্ত্তিত মূৰ দুপিয়াই আইতাকে কলে, "বেচ, এতিয়া তুমি বুজিলা।" তেওঁ হাইডিলৈ মনোযোগ দি চাবলৈ ধৰিলে আৰু বৈ বৈ মূৰ দুপিয়ালে। হাইডিয়েও তেখেতৰ চকুযুৰিলৈ মন পুতি চাওঁতে সেইযোৰৰ মৰমিয়াল ভাবটোৰ বাবে তাই স্বচ্ছন্দ হৈ পৰিল আৰু আইতাকলৈ কিছু পৰ চাই ৰ'ল। আইতাকৰ চুলিবোৰ বগা আৰু ধুনীয়া; মূৰত মোহ লগাকৈ কাৰুকার্য্য থকা লেচ এডাল আছিল আৰু টুপীটোৰ পৰা দুগছ বহল সূতা আন্দোলিত হৈ থকাই তাই তেখেতৰ চাৰিওকাষে ৰিব্ ৰিব্ বতাহ বলি থকা যেন পাইছিল। হাইডিৰ এইটো আচৰিত কথা যেন লাগিল।

"তোমাৰ নাম কি আইকণ ?" আইতাকে সুধিলে।

"মোৰ নাম মাত্ৰ হাইডি; কিন্তু মোক আডেলহাইড বুলি নামাতিলে নহলে মই তেতিয়াও সঁহাৰি দিম।" হাইডি দোধোৰ-মোধোৰ হ'ল আৰু তাইৰ নিজকে অপৰাধী যেন লাগিল; কাৰণ আডেলহাইড নামটো তাইৰ নিজৰ নাম যেন নলগা বাবে কুমাৰী ৰোটেন্মায়াৰে হঠাতে সেই নামেৰে মাতিলে মাজে-সময়ে তাই সঁহাৰি নিদিছিল। তাই উত্তৰটো দি থাকোঁতেই তেওঁ আহি কোঠাটোত সোমাল।

কুমাৰী ৰোটেন্মায়াৰে মাজতে মাত দিলে, "শ্ৰীমতী জেচেমানে নিশ্চয় মানি লব যে লগুৱা-লিগিৰীহঁতৰ কথা ভাবি সিহঁতে সহজে উচ্চাৰণ কৰিব পৰা নাম এটা বাচি লবলৈ মই বাধ্য হৈছিলোঁ।"

"প্ৰিয় ৰোটেন্মায়াৰ," শ্ৰীমতী জেচেমানে কলে, "কাৰোবাৰ নাম যদি হাইডি আৰু তাই সেইটোকেই নিজৰ নাম বুলি জানে, তেন্তে সেইটোৱেই তাইৰ নাম হওক। মই তাইক সেই নামেৰেই মাতিম।"

বুঢ়ী মহিলাগৰাকীয়ে সদায় তেওঁক মাত্ৰ ৰোটেন্মায়াৰ বুলি মতা কাৰণে কুমাৰী ৰোটেন্মায়াৰে আমনি পাইছিল। কিন্তু আইতাকৰ নিজৰ কথাহে সকলোতে চলিছিল কাৰণে তেওঁ এই বিষয়ে কৰিবলৈ একো নাছিল। তদুপৰি

মহিলাগৰাকীৰ পাঁচোটা ইন্দ্ৰিয় সুস্থ আৰু চোকা হৈ থকা কাৰণে ঘৰখনত ক'ত কি হৈছে তেখেতে উমান পাইছিল।

পিছদিনা আবেলি খোৱাৰ পিছত ক্লাৰাই নিৰ্দিষ্ট সময়খিনি জিৰাওঁতে আইতাকে তাইৰ কাষৰ আৰামী চকীখনত বহি চকু মুদিছিল। কিন্তু প্ৰায় লগে লগেই তেখেতৰ টোপনি ভাগিলত তেখেত জাঁপ মাৰি উঠিল আৰু খোৱা-কোঠালৈ গ'ল। তাত কোনো নাছিল। 'ৰোটেন্‌মায়াৰে শুইছে' বুলি আইতাই নিজকে কলে আৰু তেওঁৰ কোঠালৈ গৈ দুৱাৰত জোৰেৰে টুকুৰিয়ালে। অলপ পিছতে কুমাৰী ৰোটেন্‌মায়াৰে দুৱাৰ মেলি অপ্ৰত্যাশিত ঘটনাটোত শঙ্কিত হৈ পিছুৱাই গ'ল।

"এই সময়খিনি ছোৱালীজনী ক'ত থাকে আৰু কি কৰে মই জানিব খোজোঁ," শ্ৰীমতী জেচেমানে কলে।

"তাই নিজৰ কোঠাত বহি থাকে। তাইৰ কিবা কৰাৰ অকমানো ইচ্ছা থাকিলে তাই কিবা উপযোগী কামত নিজকে ব্যস্ত কৰি ৰাখিব পাৰিলেহেঁতেন," কুমাৰী ৰোটেন্‌মায়াৰে উত্তৰ দিলে। "সেইজনীয়ে প্ৰায়েই কেনে অদ্ভুত পৰিকল্পনা কৰে আৰু সেইয়া কামতো পৰিণত কৰে শ্ৰীমতী জেচেমানে জনা উচিত। পিচে মই সেইবোৰ ভদ্ৰ সমাজত উচ্চাৰণ কৰিব নোৱাৰোঁ।"

"তোমাক মই ডাঠি কওঁ যে এই অকমানিজনীৰ দৰে কোঠাটোত অকলশৰীয়া হৈ বহি থাকিবলগীয়া হলে ময়ো তাকেই কৰিলোঁহেঁতেন। মোৰ তেনে বাৰে ভচহু কথাও তুমি ভদ্ৰ সমাজত উলিয়াবলৈ টান পালাহেঁতেন। বাৰু, ছোৱালীজনীক তাইৰ কোঠাটোৰ পৰা উলিয়াই মোৰটোলৈ লৈ আহিবা। মই অনা দুখনমান বঢ়িয়া কিতাপ তাইক দিব খোজোঁ।।"

"মুস্কিল তাতেই," হাত মোহাৰি কুমাৰী ৰোটেন্‌মায়াৰে কলে। "কিতাপেৰে তাই কি কৰিব ? ইমানদিনে তাই বৰ্ণমালাখনো শিকা নাই। আচলতে পঢ়া-শুনা সংক্ৰান্ত একো ধাৰণাই এই জীৱটোৰ মূৰত নোসোমায়। শিক্ষক মহোদয়ে এই বিষয়ে আপোনাক বিতংকৈ কব পাৰিব। এই উৎকৃষ্ট মানুহজনৰ দেৱদূতৰ দৰে ধৈৰ্য্য নোহোৱা হলে তেওঁ কেতিয়াবাই এইক শিকাবলৈ বাদ দিলেহেঁতেন।"

"বৰ আচৰিত কথা। তাইক দেখোন বৰ্ণমালাখনো শিকিব নোৱাৰা ছোৱালী যেন নালাগে," শ্ৰীমতী জেচেমানে কলে। "বাৰু, তাইক লৈ আহাগৈ। প্ৰথমতে কিতাপৰ ছবিয়েই চাওক।"

কুমাৰী ৰোটেন্‌মায়াৰে আৰু কিবা কবলৈ উৎসুক হৈছিল, কিন্তু শ্ৰীমতী জেচেমানে ইতিমধ্যে ঘূৰি নিজৰ কোঠালৈ খোজ লৈছিল। হাইডিৰ মূৰ্খামিৰ

কথা শুনি তেখেত বৰ আচৰিত হ'ল আৰু কথাটো অনুসন্ধান কৰিবলৈ ঠিৰাং কৰিলে। এই বিষয়ে তেখেতে শিক্ষকজনৰ মতামত লবলৈ নুখুজিলে। শিক্ষকজন সৎ চৰিত্ৰৰ কাৰণে তেখেতে তেওঁক আন্তৰিকতাৰে সমাদৰ কৰিছিল। তেওঁক লগ পালেই তেখেতে বিশেষ সৌহাৰ্দ্যৰে মাত দিছিল কিন্তু লগে লগে আঁতৰিও গৈছিল। শিক্ষকজনৰ কথা কোৱাৰ আওপকীয়া ধৰণে তেখেতক আমনি দিয়া কাৰণে তেখেতে তেওঁক এৰাই চলিছিল।

হাইডি আইতাকৰ কোঠাটোত সোমাল। তেখেতে অনা ডাঙৰ কিতাপবোৰত ফুৰ্ত্তিৰ ছবিবোৰ দেখি হাইডিৰ চকু বহলকৈ মেল খালে। তেনেতে আইতাকে পাত এখিলা লুটিয়াওঁতেই হাইডিয়ে চিঞৰি উঠিল। প্ৰথমতে ৰঙতে উজলি উঠা চকুৰে তাই ছবিখন চাইছিল কিন্তু হঠাতে উজ্জল মণি যেন চকুলোৰে তাইৰ দুচকু ভৰি গ'ল। তাই অন্তৰখন ভাগি যোৱাৰ দৰে উচুপিবলৈ ধৰিলে। আইতাকে ছবিখনলৈ চালে। সেইখন এখন ধুনীয়া ঘাঁহনিৰ ছবি আছিল। চৰিবলৈ নিয়া জন্তুবোৰে ঘাঁহ আৰু সেউজীয়া জোপোহাবোৰৰ পাত খাই আছিল। ঘাঁহনিখনৰ সোঁমাজত ছাগলীৰখীয়া এটাই তাৰ দীঘল টোকোনডালত ভিৰ দি সুখী জীৱবোৰলৈ চাই আছিল। তেতিয়া দিগন্তত মাৰ যাবলৈ ওলোৱা বেলিটোৱে সকলোতে সোণালী ৰহণ বিলাই দিছিল।

আইতাকে হাইডিৰ হাতখন নিজৰ হাতত ললে।

"আইকণ," তেখেতে মৰমেৰে কলে। "নাকান্দিবা, নাকান্দিবা। ছবিখনে তোমাক কিহবাৰ কথা সোঁৱৰাই দিছে, নহয়নে ? এইখন ছবিৰ বিষয়ে এটা বৰ সুন্দৰ সাধু আছে। আজি আবেলি মই তোমালোকক এই সুন্দৰ সাধুটো ক'ম। এইখনত এইটোতকৈও বেছি মনোৰম সাধু আৰু কেইটামান আছে। সেইবোৰ বাৰে বাৰে পঢ়িব পাৰি। ৰবা, আমি এতিয়া কথা পাতো আহাঁ। চকু দুটা মচি লোৱাঁ। মোৰ সমুখত থিয় হোৱাঁ যাতে মই তোমাক ভালকৈ দেখা পাওঁ। বেচ, বেচ, এতিয়া আমি আকৌ সুখী।"

কিন্তু কিছুপৰ পাছতহে হাইডিৰ উচুপনি বন্ধ হ'ল। তাইক স্বাভাৱিক হবলৈ আইতাকে সময় দিলে। তাইক উদগনি দিবলৈ তেখেতে মাজে-সময়ে মাথোন কৈছিল, "এইয়া বঢ়িয়া কথা। আমি এতিয়া আকৌ সুখী।"

অৱশেষত তেখেতে যেতিয়া ছোৱালীজনী সুস্থিৰ হোৱা দেখিলে, তেতিয়া তেখেতে কলে, "তুমি মোক দুটামান কথা কোৱাচোন। শিক্ষকজনৰ লগত পঢ়া সময়খিনি তুমি কেনেকৈ কটোৱা ? তুমি ভালকৈ পঢ়া-শুনা কৰিছানে ? তুমি কিবা শিকিলানে ?"

"ওহোঁ, একো শিকা নাই," হুমুনিয়াহ কাঢ়ি তাই কলে। "কিন্তু শিকিব নোৱাৰি বুলি মই আগতেই জানিছিলোঁ।"

"কি শিকিব নোৱাৰি হাইডি ? তুমি কি কব খুজিছা ?"

"মানুহে পঢ়িব নোৱাৰে। এইটো বৰ টান কাম।"

"তোমাৰো যে কথা ! এই খবৰটোনো ক'ত পালা ?"

"পিটাৰে কৈছিল। সি কথাটো জানে। সি চেষ্টা কৰিয়েই আছে কিন্তু তথাপিও সি একো শিকা নাই। পঢ়াতো অতি টান কাম।"

"পিটাৰ এটা একলেখীয়া ল'ৰা। পিছে হাইডি শুনা। পিটাৰৰ কথা সদায় সত্য বুলি ধৰি নলবা। তুমি নিজে চেষ্টা কৰিব লাগিব। তুমি নিশ্চয় শিক্ষকজনৰ কথা মনপূতি শুনা নাই আৰু আখৰবোৰতো মন দিয়া নাই।"

অৱশ্যম্ভাৱী কথা এটা মানি লোৱাৰ সুৰেৰে তাই কলে, "মন দিলেও কামত নাহে।"

"হাইডি, মই তোমাক কথা এটা কওঁ। আচলতে তুমি পিটাৰৰ কথাত বিশ্বাস কৰা কাৰণেহে ইমানদিনে পঢ়িবলৈ শিকা নাই। কিন্তু এতিয়া তুমি মোক বিশ্বাস কৰিব লাগিব। মই তোমাক আন্তৰিকতাৰে সঁচা কথা এটা কওঁ। তোমাৰ দৰে কিন্তু পিটাৰৰ দৰে নোহোৱা বহুত ল'ৰা-ছোৱালীৰ দৰে তুমিও সোনকালেই পঢ়িবলৈ শিকিবা। তুমি পঢ়িব পৰা হ'লে তোমাৰ কি হব তুমি জনা উচিত। তুমি সুন্দৰ, সেউজীয়া ঘাঁহনিডৰাত ছাগলীৰখীয়াটো দেখিছাই। তুমি পঢ়িব পৰা হলে সেই কিতাপখন তোমাৰ নিজা হব। তেতিয়া তোমাক আনে নোকোৱাকৈয়ে সিনো ভেড়া আৰু ছাগলীবোৰ লৈ কি কৰি আছে; তাৰ জীৱনত লেখত লবলগীয়া আন কি কি ঘটনা ঘটিছে; এই গোটেইবোৰ কথা তুমি নিজেই পঢ়ি লব পাৰিবা। হাইডি, তুমি সাধুটো জানিবলৈ ভাল পাবা, নাপাবা জানো ?"

হাইডিয়ে আইতাকৰ কথাবোৰ গভীৰ আগ্ৰহেৰে শুনি আছিল। তাই এতিয়া চিক্‌মিক্ চকুৰে দীঘলকৈ উশাহ লৈ কলে, "আঃ, মই এতিয়াই পঢ়িব পৰা হলে।"

"হাইডি, মই কৈছোঁ চাবা। তুমি পঢ়িব পৰা হবলৈ বেছি সময় নালাগে। আমি এতিয়া ক্লাৰাৰ খবৰ লওঁগৈ ব'লা। আমি বঢ়িয়া কিতাপবোৰো লগতে লওঁ।" আইতাকে হাইডিৰ হাতত ধৰিলে আৰু দুয়ো গৈ পঢ়া-কোঠাত সোমাল।

হাইডিয়ে যিদিনা ঘৰলৈ বুলি ওলাই কুমাৰী ৰোটেন্‌মায়াৰৰ মুখতে পৰিছিল, সেইদিনা তেওঁ তাইক ককৰ্থনা কৰি কৈছিল যে তেনেকৈ পলাবলৈ ওলাই তাই নিজকে দুষ্ট আৰু অপলাগী বুলি প্ৰমাণ কৰিছিল। তেওঁ আৰু কৈছিল যে জেচেমান ডাঙৰীয়াই কথাটো নজনাই ভাল। এই কথাখিনি শুনাৰে পৰা তাইৰ এটা ডাঙৰ পৰিবৰ্তন হ'ল। মাহীয়েকে কোৱাৰ দৰে তাইৰ যেতিয়াই মন যায়

তেতিয়াই তাই ঘৰলৈ যাব নোৱাৰে বুলি তাই উপলব্ধি কৰিলে; তাই ফ্ৰাঙ্কফুৰ্টতে বহুতকাল থাকিব লাগিব; আনকি মৰালৈকে কিজানি থাকিব লাগিব। তাই আৰু উপলব্ধি কৰিলে যে জেচেমান ডাঙৰীয়া ঘৰলৈ আহি তাই গুচি যাবলৈ ওলোৱা বুলি জানিলে তাইক অতি অশলাগী বুলি ভাবিব। তাই আৰু অনুমান কৰিলে যে তাইৰ ঘৰলৈ যোৱাৰ হেঁপাহৰ কথা কলে ক্লাৰা আৰু আইতাকেও তাইক তেনে বুলিয়েই ভাবিব; আনকি আইতাক কুমাৰী ৰোটেন্মায়াৰৰ দৰে কষ্টও হব পাৰে। সেইকাৰণে তাইৰ ঘৰলৈ উভতি যোৱাৰ হেঁপাহৰ কথা তাই কাকো কব নোৱাৰা হ'ল।

কিন্তু তাইৰ অন্তৰৰ বেদনাৰ বোজাটো ক্ৰমাৎ বেছি গধুৰ হ'বলৈ ধৰিলে; তাইৰ ভোক নোহোৱা হ'ল; প্ৰতিদিনাই তাই অলপ বেছিকৈ শেঁতা পৰি আহিবলৈ ধৰিলে। নিশা কোঠাটোত তাই অকলশৰীয়া আৰু চৌদিশ নিজম হৈ পৰোঁতে সিহঁতৰ পঁজাটো, আল্মথন, ফুলবোৰ, বেলিৰ পোহৰ আদি সঁচাসঁচি ঘটনাৰ দৰে তাই চকুৰ আগত দেখা হ'ল। সেয়ে বহুত ৰাতিলৈকে তাই উজাগৰে থকা হ'ল। অৱশেষত তাইৰ টোপনি আহোঁতে তাই সপোনতো ফাল্কনিচৰ ৰঙা বোল লগা গৰাবোৰ আৰু স্কেচাপ্লানাৰ জুই লগা বৰফনিখন দেখা হ'ল। সেয়ে পুৱা সাৰ পাই ৰংমনেৰে পঁজাটোৰ বাজলৈ বুলি দৌৰিবলৈ ওলাওঁতেই তাই ঘৰৰ পৰা বহুত নিলগৰ ফ্ৰাঙ্কফুৰ্টৰ ডাঙৰ বিছনাখনত তাই নিজকে পোৱা হ'ল; ঘৰলৈ তাই যাবলৈ নোৱৰা হ'ল। তেতিয়া হাইডিয়ে গাৰুটোত মূৰ গুজি আনে নুশুনাকৈ নিশব্দে উচুপিবলৈ ধৰা হ'ল।

হাইডিৰ অসুখী মনৰ কথা আইতাকৰ চকুত নপৰা নহয়। নিজে নিজে তাইৰ পৰিবৰ্তন হৈ হতাশাৰ উপশম হয় নেকি চাবলৈ তেখেত কেইদিনমান ৰ'ল। কিন্তু তেখেতে তাইক একে হৈ থকা পালে আৰু প্ৰায় প্ৰতি ৰাতিপুৱা তাইৰ ৰাতিৰ কান্দোনৰ চিন তেখেতে দেখিলে। সেয়ে এদিন তেখেতে হাইডিক নিজৰ কোঠালৈ মাতি নি অতি মৰমেৰে কলে, "হাইডি, কথাটো কি মোক কোৱাচোন। কিহবাই তোমাক বৰ দুখ দিছে নেকি ?"

তাই অশলাগী বুলি গম পালে ইমান মৰমিয়াল আইতাকজনীও তাইৰ প্ৰতি সহৃদয় হৈ নাথাকিব বুলি আশঙ্কা কৰি তাই কলে, "মই আপোনাক কব নোৱাৰোঁ।"

"নোৱাৰা ? ক্লাৰাক কবলৈ পাৰিবানে ?"

"ওহোঁ, কাকো কব নোৱাৰোঁ।" কথাষাৰ খাটাংকৈ কলেও তাইক অতি অসুখী দেখা হ'ল আৰু তাইলৈ আইতাকৰ পুতৌ ওপজিল।

"এধানিজনী, ওচৰলৈ আঁহাচোন। তোমাক কথা এষাৰ কওঁ। আমাৰ দুখৰ কথা যেতিয়া আমি কাকো কব নোৱাৰা হওঁ, তেতিয়া আমি সৰগত থকা

ঈশ্বৰক কওঁ আৰু তেওঁৰ সহায় প্ৰাৰ্থনা কৰোঁ। কিয়নো ঈশ্বৰেহে আমাৰ সকলো দুখ দূৰ কৰিব পাৰে। কথাষাৰ বুজিলা, নহয় জানো ? ৰাতি শুবৰ পৰত তুমি সদায় সৰগত থকা ঈশ্বৰক প্ৰাৰ্থনা কৰানে ? তেওঁৰ দয়াৰ কাৰণে তেওঁক ধন্যবাদ জনোৱানে ? তোমাক বিপদ-বিঘিনিৰ পৰা ৰক্ষা কৰিবলৈ তেওঁক কোৱানে ?"

"ওহোঁ, মই কেতিয়াও তেনে নকৰোঁ," ছোৱালীজনীয়ে উত্তৰ দিলে।

"তুমি তেন্তে কেতিয়াও প্ৰাৰ্থনা কৰা নাইনে? প্ৰাৰ্থনানো কি তুমি নাজানানে ?"

"মোৰ প্ৰথমজনী আইতাৰ লগত মই প্ৰাৰ্থনা কৰিছিলোঁ। সেয়া বহুত দিন আগৰ কথা। এতিয়া মই সকলো পাহৰি গৈছোঁ।"

"হাইডি, আচলতে কোনে তোমাক সহায় কৰিব পাৰে নজনা কাৰণেহে তুমি ইমান অসুখী হৈছা। তোমাৰ অন্তৰ যেতিয়া কিহবাই বেদনা আৰু হতাশাৰে ভৰাই দিয়ে, আৰু কোনোৱে তোমাক সহায় কৰিব নোৱাৰে, তেতিয়া তোমাৰ যেতিয়াই মন যায় তেতিয়াই তুমি দয়ালু প্ৰভুৰ কাষ চাপিব পাৰা; তেওঁক সকলো কথা খুলি কব পাৰা আৰু তোমাক সহায় কৰিবলৈ তেওঁক কাকুতি কৰিব পাৰা। এইটো কিমান ভাল কথা ভাবি চোৱাচোন। জানানে, তেওঁ তোমাক সদায় সহায় কৰিব আৰু পুনৰায় সুখী কৰি তুলিব।"

হাইডিৰ চকুত পুলকৰ বেঙণি দেখা গ'ল। "ঈশ্বৰক প্ৰতিটো কথাই, সকলো কথাই কব পাৰিনে ?"

"সকলো কথাই হাইডি, সকলো কথাই।"

আইতাকে ধৰি থকা হাতখন মোকলাই তাই টপৰাই সুধিলে, "মই যাওঁনে ?"

"যোৱা, নিশ্চয়কৈ যোৱা," আইতাকে উত্তৰ দিলে। হাইডিয়ে লগে লগে দৌৰি তাইৰ কোঠালৈ গ'ল। তাত তাই ভৰি-থোৱা টুলখনত বহি হাত যোৰ কৰি ঈশ্বৰক তাইৰ মনত খুপ খাই থকা সকলো কথা কলে আৰু তাইৰ অন্তৰৰ সকলো দুখ-বেদনা উজাৰি জনালে; শেহত তাইক সহায় কৰিবলৈ আৰু তাইক ঘৰলৈ, ককাকৰ তালৈ পঠিয়াই দিবলৈ আন্তৰিকভাৱে জৰুৰী প্ৰাৰ্থনা কৰিলে।

সিদিনাৰ পৰা এসপ্তাহমান পিছত শিক্ষকজনে গুৰুত্বপূৰ্ণ কিবা এবাৰ কৰলৈ বুলি শ্ৰীমতী জেচেমানক লগ পাবলৈ বিচাৰিলে। তেওঁক আইতাৰ কোঠালৈ লৈ যোৱা হ'ল। আইতাকে কৰমৰ্দন কৰিবলৈ তেওঁলৈ হাতখন নম্ৰভাৱে আগবঢ়াই দিলে। "প্ৰিয় শিক্ষক ডাঙৰীয়া, তোমাক লগ পাই ভাল লাগিল। মোৰ ওচৰত বহাহি।" তেখেতে চকী এখন তেওঁলৈ আগবঢ়াই দিলে। "পিছে কিয়নো আহিলা ? কিবা অপ্ৰিয় কথা নে কিবা অভিযোগ ?"

"তাৰ বিপৰীতহে, সদাশয়া আইচুদেও," শিক্ষকজনে আৰম্ভ কৰিলে। "মই আশা এৰি দিয়া ঘটনা এটাহে ঘটিছে। আগৰ কথাবোৰ জনা যি কোনো মানুহে গোটেই কথাটো গমি চালে নিশ্চয় খাটাংকৈ কব যে অতি আচৰিত ধৰণে যিটো সম্পূৰ্ণ অসম্ভৱ কাণ্ড এতিয়া বাস্তৱিকতে সংঘটিত হৈছে; যিটো কাণ্ড সকলো স্থায়ী ধ্যান-ধাৰণাৰ বিপৰীতে গৈছে..."

মাজতে বাধা দি শ্ৰীমতী জেচেমানে সুধিলে, "শিক্ষক ডাঙৰীয়া, অকমানি হাইডিয়ে কেনেবাকৈ পঢ়িব পৰা হ'ল নেকি ?"

বিস্ময়ত হতবাক হৈ শিক্ষকজনে তেখেতলৈ ৰ লাগি চাই ৰ'ল।

অৱশেষত শিক্ষকজনে কলে, "এইটো প্ৰকৃততে অতি চমকপ্ৰদ ঘটনা। মই সম্পূৰ্ণকৈ ব্যাখ্যা কৰি কষ্ট কৰি পঢ়াওঁতেও তাই ইমানদিনে বৰ্ণমালাখনকেই শিকা নাছিল। কিন্তু, কবলৈ গ'লে, তাইক আৰু একো নপঢ়াওঁ বুলি মই সিদ্ধান্ত লোৱাৰ অতি কম সময়ৰ ভিতৰতে, যেন ৰাতিটোৰ ভিতৰতে, তাই পঢ়িবলৈ শিকি পেলালে; তাই তৎক্ষণাত শব্দবোৰ সম্পূৰ্ণ শুদ্ধকৈ পঢ়িব পৰা হ'ল। নতুন শিকাৰুৱে কাচিৎহে এনে কৰিব পাৰে। মই নকওঁতেই সদাশয়া আইচুদেৱে হাইডিয়ে পঢ়িব পৰা হোৱা বুলি ধৰিব পৰাটো মোৰ চকুত সমানেই অলৌকিক কাণ্ড।"

"মানুহৰ জীৱনত বহুতো অলৌকিক ঘটনা ঘটে," শ্ৰীমতী জেচেমানে সন্তুষ্টিত মিচিকিয়াই কলে। ভাগ্যক্ৰমে দুটা কথাৰ, ছাত্ৰীজনীৰ শিকিবলৈ নতুন উদ্যম আৰু শিক্ষাদানৰ নতুন প্ৰণালীৰ সুসমাহাৰ হ'ল চাগে। এই দুয়োটাই ভাল কথা শিক্ষক ডাঙৰীয়া। আইকণে পঢ়া-শুনাত ভাল কৰাই আমি আনন্দিত হোৱাৰ লগতে তাই আগলৈ আৰু ভাল কৰক বুলি আমি কামনা কৰোঁহঁক।"

শিক্ষকজনক দুৱাৰলৈ আগবঢ়াই দি এই শুভ খবৰটোৰ সত্যতা সম্পৰ্কে নিসন্দেহ হ'বলৈ তেখেত ততাতৈয়াকৈ পঢ়া-কোঠালৈ গ'ল। কথাটো হয়। ক্লাৰাৰ চকীৰ কাষত বহি হাইডিয়ে সাধু এটা পঢ়ি আছিল; তাইৰ সমুখত মেল খোৱা নতুন জগত এখনত তাই সোমাবলৈ ধৰিছিল; সেইখনৰ আৱিষ্কাৰে তাইৰ আগ্ৰহ ক্ৰমাৎ বঢ়াবলৈ ধৰিছিল; ক'লা আখৰবোৰৰ মাজৰ পৰা তেজ-মঙহৰ মানুহবোৰ আৰু বাস্তৱ বস্তুবোৰ ওলাই আহি যেন ঘটনাবোৰত ভাগ লবলৈ ধৰিছিল।

সেইদিনা খোৱা-টেবুলত বহোঁতে হাইডিয়ে ধুনীয়া, ধুনীয়া ছবি থকা ডাঙৰ কিতাপখন তাইৰ থালখনত থোৱা পালে। তাই প্ৰশ্নসূচক চাৱনিৰে আইতাকলৈ চাওঁতে তেখেতে মূৰ দুপিয়াই মৰমেৰে কলে, "এৰা, এৰা, এতিয়াৰ পৰা এইখন তোমাৰেই হ'ল।"

"সদায় মোৰেইনে ? মই ঘৰলৈ গলেওনে ?" পুলকত ৰঙা-চিঙা পৰি তাই সুধিলে।

"এৰা, চিৰকাললৈ তোমাৰ," আইতাকে তাইক ভৰসা দি কলে। "কাইলৈ আমি এইখন পঢ়িবলৈ আৰম্ভ কৰিম।"

"কিন্তু হাইডি, তুমি ঘৰলৈ যাবলৈ নোলাবা," ক্লাৰাই মাত দিলে। "আইতা গুছি গ'লে তুমি মোৰ লগত থাকিব লাগিব।"

সেইদিনা ৰাতি শোৱাৰ আগতে হাইডিয়ে নিজৰ কোঠাত ধুনীয়া কিতাপখন নাচাই নোৱাৰিলে। সিদিনাৰ পৰা কিতাপখনৰ ছবিবোৰ সংক্ৰান্ত সাধুবোৰ বাৰে বাৰে পঢ়াৰ সমান ৰং তাই আন একোতেই নোপোৱা হ'ল। গধূলি পৰত আইতাকে কৈছিল, "এতিয়া হাইডিয়ে আমাক পঢ়ি শুনাব।" এইষাৰে তাইক পুলকিত কৰিছিল, কিয়নো তাই সলসলীয়াকৈ পঢ়িব পৰা হ'ল। ডাঙৰকৈ পঢ়োতে সাধুবোৰ তাইৰ বেছি মনোৰম লগা হ'ল; সেইবোৰ বেছি ভালকৈ বুজি পোৱা হ'ল। আইতাকে তাইক সাধুবোৰৰ বহুত কথা বুজাই দিছিল আৰু সেইবোৰৰ বিষয়ে অন্যান্য আনুষঙ্গিক কথাও বহুত কৈছিল। কিতাপখনৰ অসংখ্য ছবিৰ ভিতৰত সেউজীয়া ঘাঁহনিখনত ভেড়া আৰু ছাগলীজাকৰ মাজত টোকোনডালত ভিৰ দি তৃপ্ত মনেৰে থিয় হৈ থকা ছাগলীৰখীয়াৰ ছবিখন তাই বাৰে বাৰে চাবলৈ ভাল পাইছিল। ছাগলীৰখীয়াটো তেতিয়াও দেউতাকৰ ঘৰতে ৰংমনেৰে আছিল আৰু ফুৰ্ত্তিবাজ ভেড়া আৰু ছাগলীবোৰ চৰাইছিল। তাৰ পিছৰ ছবিখনত সি কেনেকৈ দেউতাকৰ ঘৰৰ পৰা ওলাই গৈ আচহুৱা ঠাই এখনত গাহৰিৰখীয়া হ'লগৈ আৰু খাবলৈ ভুঁচিৰ বাহিৰে আন একো নাপাই সি কেনেকৈ তেনেই ক্ষীণাল অঁকা আছিল। এই ছবিখনত বেলিৰ পোহৰ সোণালী নাছিল আৰু মাটিবোৰো দেখাত ধূসৰ আৰু নিৰাশাজনক আছিল। এই সাধুটোত আৰু এখন ছবি আছিল। এইখনত ফটা-ছিটা চোলা পিন্ধি, দুৰ্বল, ৰুগীয়া আৰু হতোদ্যম হৈ সি ঘৰলৈ উভতি আহিছিল; আৰু সেই অনুতপ্ত পুতেকটোক আঁকোৱাল মাৰি লবলৈ বুঢ়া দেউতাকে ঘৰৰ পৰা ওলাই দুহাত মেলি তাৰ পিনে লৰি যোৱা দেখা গৈছিল।

এইটো হাইডিৰ সবাতোকৈ প্ৰিয় সাধু আছিল। এইটো তাই বাৰে বাৰে, মনে মনে আৰু ডাঙৰ ডাঙৰকৈও পঢ়িছিল। এই সাধুটোৰ আইতাকে দিয়া ব্যাখ্যাবোৰ তাইৰ কেতিয়াও আমনি লগা নাছিল। সেইখনত আৰু বহুত সুন্দৰ, সুন্দৰ সাধু আছিল। সেইবোৰ পঢ়োঁতে আৰু ছবিবোৰ চাওঁতে হাইডিৰ দিনবোৰ খৰখৰকৈ পাৰ হবলৈ ধৰিলে। আইতাৰো হোলষ্টাইনলৈ উভতি যাবৰ সময় হৈ আহিল। ■

একাদশ অধ্যায়

হাইডিৰ কিছুমানত উন্নতি, কিছুমানত দুৰৱস্থা

সদায় আবেলি ক্লাৰাই শোৱা সময়ছোৱাত কুমাৰী ৰোটেন্‌মায়াৰেও জিৰণি লবলৈ বুলি ৰহস্যজনক ভাৱে নোহোৱা হৈছিল। আইতাকে কিন্তু ক্লাৰাৰ কাষত পাঁচ মিনিটমান বহি থাকি উঠি গৈছিল। তেখেতে তেতিয়া হাইডিক নিজৰ কোঠালৈ মাতি আনি তাইৰ লগত কথা পাতিছিল; তাইক ব্যস্ত কৰি ৰাখিছিল আৰু বিভিন্ন ধৰণে তাইৰ মনোৰঞ্জন কৰিছিল। আইতাৰ বহুতো সৰু, সৰু, ধুনীয়া পুতলা আৰু উজ্জ্বল ৰঙৰ সুন্দৰ কাপোৰৰ বহুত টুকুৰা আছিল। তেখেতে সেইবোৰেৰে পুতলাবোৰৰ সাজ-পাৰ আৰু এপ্ৰণ কৰিবলৈ হাইডিক শিকাইছিল। তাই নিজৰ অজানিতে তেনেকৈয়ে কাপোৰ সীবলৈ শিকিছিল। তাই পঢ়িব পৰা হোৱা কাৰণে তাইৰ কিতাপখনৰ সাধুবোৰ ডাঙৰ ডাঙৰকৈ আইতাকক পঢ়ি শুনাইছিল। এইটো কামে তাইক সবাতোকৈ বেছি আনন্দ দিছিল। তাই সাধুবোৰ যিমানেই বেছি পঢ়িছিল, সেইবোৰ তাইৰ সিমানেই বেছি ভাল লাগিছিল। সাধুৰ মানুহবোৰ আৰু সিহঁতৰ অভিজ্ঞতাৰ লগত তাই ইমান আগ্ৰহেৰে জড়িত হৈ পৰিছিল যে সিহঁতক তাইৰ আপোন-আপোন যেন লাগিছিল। সিহঁতৰ সঙ্গও তাইৰ ক্ৰমাৎ বেছি ভাল লগা হৈ আহিছিল। কিন্তু তথাপিও তাই পূৰ্বাকৈ সুখী হোৱা যেন নালাগিছিল আৰু তাইৰ চকুত আগৰ দৰে ফুৰ্ত্তিৰ চিক্‌মিকনি দেখা নগৈছিল।

আইতা ফ্ৰাঙ্কফুৰ্টত থকাৰ শেহৰ সপ্তাহটো পালেহি। তাৰে এদিন আবেলি ক্লাৰা শুই থাকোতে আইতাকে হাইডিক নিজৰ কোঠালৈ মাতি পঠিয়ালে। তাই ডাঙৰ কিতাপখন কাষলতিত লৈ আহি কোঠাটোত সোমাল। আইতাকে তাইক নিজৰ কাষলৈ হাত-বাউল দি মাতি নি কিতাপখন একাষৰীয়াকৈ থৈ তাইক কলে, "আইকণ, তুমি কিয় সুখী নোহোৱা মোক কোৱাচোন। তোমাৰ অন্তৰত আগৰ বেদনাবোৰ আছেইনে ?"

"হয়," হাইডিয়ে মূৰ দুপিয়াই কলে।

"তুমি দয়ালু ঈশ্বৰক এই বিষয়ে কৈছিলানে ?"

"হয়।"

"তোমাৰ অসুখ-অশান্তি আঁতৰ কৰিবলৈ আৰু তোমাক পুনৰ সুখী কৰিবলৈ তুমি নিতৌ প্ৰাৰ্থনা কৰানে ?"

"ওহোঁ, আজিকালি নকৰোঁ।"

"এইটো কি কথা হাইডি ? এইয়া কি শুনিছোঁ ? আজিকালি প্ৰাৰ্থনা নকৰা কেলেই ?"

"তাৰে কাম নহয়। ঈশ্বৰে মোৰ কথা নুশুনিলে। মই ভাবোঁ," হাইডিয়ে উত্তেজিত হৈ কলে, "মই ভাবোঁ যে ফ্ৰাঙ্কফুৰ্টৰ ইমানবোৰ মানুহে ৰাতি একেলগে প্ৰাৰ্থনা কৰিলে ঈশ্বৰে সকলোৰে কথাত মন দিব নোৱাৰে। সেয়ে তেওঁ মোৰ প্ৰাৰ্থনা নিশ্চয় শুনা নাই।"

"হাইডি, তেনে হোৱা বুলি কেনেকৈ জানিলা ?"

"মই কেইবা সপ্তাহো দিনৌ একে প্ৰাৰ্থনাকেই কৰিছিলোঁ। কিন্তু ঈশ্বৰে সঁহাৰি নিদিলে।"

"এইটো আচল কথা নহয় হাইডি," আইতাকে কলে। "ঈশ্বৰৰ কথা এনেকৈ ভাবিবলৈও নাপায়। তেওঁ আমাৰ সকলোৰে পিতৃ। আমাৰ কাৰণে কি ভাল আমি নিজে নাজানিলেও তেওঁ সদায় জানে। তেওঁৰ পৰা আমি বিচৰা বস্তুটো আমাৰ কাৰণে ভাল নহলে তেওঁ নিদিয়ে। কিন্তু আমি যদি তেওঁক ঐকান্তিকতাৰে প্ৰাৰ্থনা কৰি থাকোঁ, তেওঁৰ প্ৰতি যদি বিশ্বাস নেহেৰুৱাওঁ, তেওঁৰ পৰা যদি আঁতৰি নাযাওঁ, তেন্তে তেওঁ আমাৰ বাবে বেছি ভাল বস্তুবিধ আমাক দিয়ে। তুমি তেওঁক খোজা বস্তুটো সম্প্ৰতি তোমাৰ বাবে মঙ্গলৰ নহয়। ঈশ্বৰে তোমাৰ প্ৰাৰ্থনা নিশ্চয় শুনিছিল। ঈশ্বৰ ঈশ্বৰেই; তেওঁ আমাৰ দৰে মানুহ নহয়। তেওঁ একে সময়তে সকলোকে দেখে আৰু সকলোৰে প্ৰাৰ্থনা শুনে। তোমাৰ কিহত ভাল তেওঁ জানে কাৰণে তোমাৰ প্ৰাৰ্থনা শুনি তেওঁ ভাবিছিল, 'এৰা, হাইডিয়ে বিচৰা বস্তুটো পাব কিন্তু সেইটো তাইৰ মঙ্গলৰ বাবে নোহোৱালৈকে নাপায়। সেইটো ঠিক সময়ত পালেহে তাই সুখী হব পাৰিব। তাই বিচৰা বস্তুটো মই যদি তাইক এতিয়াই দি দিওঁ কিন্তু আগলৈ যেতিয়া তাই গম পাব যে তাইৰ কামনা মতে মই তাইক বস্তুটো লগে লগে নিদিয়া হলেই ভাল আছিল, তেতিয়া তাই কান্দি-কাটি কব, 'হায়, মই তেতিয়া ভবাৰ দৰে বস্তুটো মোৰ ভালৰ বাবে নাছিল। মই তেতিয়া সেইটো বিচাৰিলেও দয়ালু ঈশ্বৰে নিদিয়াহেঁতেন।" যেতিয়া ঈশ্বৰে তুমি তেওঁক সঁচাকৈয়ে বিশ্বাস কৰা নে নকৰা, তুমি তেওঁৰ কাষলৈ সদায় যোৱা নে নোযোৱা, তোমাক কিবা লগা হ'লে তুমি তেওঁক প্ৰাৰ্থনা কৰা নে নকৰা চাই আছিল, তেতিয়া তুমি তেওঁৰ পৰা আঁতৰি আহিলা, প্ৰাৰ্থনা নকৰা হ'লা আৰু তেওঁক পাহৰি গ'লা।

"কিন্তু শুনা। কোনোবাই যদি এনে কৰে আৰু সেইজনৰ প্ৰাৰ্থনা ঈশ্বৰৰ কাণত নপৰে, তেতিয়া ঈশ্বৰেও তেওঁক পাহৰি যায়। ঈশ্বৰেও সেইজনক যেনি মন যায় যাবলৈ এৰি দিয়ে। সেইজনে যেতিয়া বিপদত পৰি কয়, 'মোক

সহায় কৰোঁতা কোনো নাই,' তেতিয়া তেওঁলৈ আমাৰ পুতৌ নুপজে। বৰং, আমি কওঁ, 'ঈশ্বৰ তোমাৰ সহায় হ'লহেঁতেন, কিন্তু তুমি তেওঁৰ পৰা আঁতৰি আছিলা।' হাইডি, তুমি এনে হোৱাটো বিচাৰানে ? নে তুমি এতিয়াই দয়ালু ঈশ্বৰৰ কাষ চাপি তেওঁক পাহৰি যোৱা কাৰণে ক্ষমা খুজিবা, তাৰ পিছত দিনৌ প্ৰাৰ্থনা কৰিবলৈ লবা, আৰু তেওঁত বিশ্বাস ৰাখিবা যাতে তেওঁ তোমাৰ মঙ্গল কৰে আৰু তোমাৰ অন্তৰ পুনৰ সুখেৰে ভৰাই দিয়ে।"

হাইডিয়ে কথাবোৰ মনপুতি শুনি আছিল। আইতাকৰ ওপৰত তাইৰ সম্পূৰ্ণ আস্থা থকা কাৰণে আইতাকৰ প্ৰতিটো শব্দই তাইৰ মৰ্ম স্পৰ্শ কৰিছিল।

তাই খেদ কৰি কলে, "মই এতিয়াই গৈ মোক ক্ষমা কৰিবলৈ দয়ালু ঈশ্বৰক খাটোগৈ। মই আৰু কেতিয়াও তেওঁক পাহৰি নাযাওঁ।"

"এইয়াহে ভাল ছোৱালীৰ কথা। মাত্ৰ তুমি বিশ্বাস নেৰিবা। উপযুক্ত সময়ত ঈশ্বৰে তোমাক সহায় কৰিব," আইতাকে উদগনি দি কলে। হাইডি লগে লগে নিজৰ কোঠালৈ লৰি গ'ল। তাই অনুতপ্ত হৈ আন্তৰিকতাৰে দয়ালু ঈশ্বৰক প্ৰাৰ্থনা কৰিলে; তাইক পাহৰি নাযাবলৈ আৰু পুনৰায় তাইৰ ওপৰত চকু দিবলৈ কাকূতি কৰিলে।

আইতাক যোৱাৰ দিনটো পালেহি। সেইটো ক্লাৰা আৰু হাইডিৰ বাবে বৰ দুখৰ দিন আছিল। কিন্তু আইতাকে সেইদিনা সিহঁতক এনেকৈ ব্যস্ত কৰি ৰাখিলে যে সিহঁতে সেইটো দুখৰ দিন হওকছাৰি উৎসৱৰ দিন যেনহে পালে। কিন্তু আইতাকৰ বাগীখন যোৱাৰ পিছত সিহঁতে ঘৰটো শুদা, শুদা যেন আৰু উৎসৱৰ অন্তত নিজম-নিটাল হৈ পৰা যেন পালে। দিনটোৰ বাকীছোৱা সময় ক্লাৰা আৰু হাইডি বিমোৰ হৈ বহি ৰ'ল আৰু আগলৈ কি হব কল্পনা কৰিব নোৱৰা হ'ল।

পিছদিনা আবেলি পঢ়াৰ শেহত ক্লাৰা আৰু হাইডিয়ে একেলগে থাকোঁতে হাইডিয়ে তাইৰ কিতাপখন আনিলেগৈ। তাই কলে, "মই নিতৌ আবেলি এইখনৰ পৰা তোমাক পঢ়ি শুনাম। তুমি ভাল পাবানে ?"

ক্লাৰাই সন্মতি জনালে আৰু হাইডিয়ে লৰালৰিকৈ পঢ়িবলৈ আৰম্ভ কৰিলে। সেই সাধুটো এজনী মৰোঁ মৰোঁ হোৱা আইতাকৰ বিষয়ে আছিল। হাইডিয়ে সাধুটো আৰম্ভ কৰিছিলহে মাত্ৰ, তেনেতে তাই ডাঙৰকৈ চিঞৰি কান্দি উঠিল, "হায়, হায়, মোৰ আইতাজনী ঢুকাল।" হাইডিয়ে যিহকে পঢ়িছিল তাকে সঁচা ঘটনা বুলি ভাবিছিল। সেইকাৰণে তাই আন্মৰ আইতাকজনী ঢুকোৱাৰ বাহিৰে আন একো বিকল্প ভাবিব নোৱাৰিলে। হাইডিৰ কান্দোন ক্ৰমাৎ ডাঙৰ হবলৈ ধৰিলে, "আইতা ঢুকাল যেতিয়া মই আৰু লগ নাপামগৈ। আইতাৰ আৰু বগা, কোমল বোল খোৱা নহ'ল।"

ক্লাৰাই সাধুটোৰ আইতাজনী আল্মৰজনী নহয়, একেবাৰে বেলেগ এজনীহে বুলি তাইক বুজাবলৈ চেষ্টা কৰিলে। উত্তেজিত হৈ পৰা হাইডিয়ে বহুত পৰ পিছতহে তাইৰ বুজাৰ ভুলটো গম পালে। কিন্তু তথাপিও তাই নিজকে প্ৰবোধ দিব নোৱাৰিলে। তাইৰ মনত খেলাল যে তাই আল্মৰ পৰা ইমান দূৰত থাকোঁতে তাইৰ আইতাকো আচলতে ঢুকাই থাকিব পাৰে; তাইৰ ককাকো সিফলীয়া হ'ব পাৰে; বহুতকাল পিছত তাই ঘৰলৈ গ'লে তাই কিজানি আল্মখন নিজম আৰু প্ৰাণহীন হৈ পৰা পাব; তাইৰ মৰমৰ মানুহবোৰৰ কাকো লগ নাপাব; তাই তাত একেবাৰেই অকলশৰীয়া হৈ পৰিব। সেয়ে তাই অন্তৰখন ভাগি যোৱা যেন বেদনাত কান্দিয়েই থাকিল।

ইতিমধ্যে কুমাৰী ৰোটেনমায়াৰে কোঠাটোলৈ সোমাই আহি হাইডিৰ ভুল ভাঙিবলৈ ক্লাৰাই বুজনি দি থকা শুনিলে। তথাপিও তাইৰ ফেঁকুৰণি বন্ধ নোহোৱা দেখি তেওঁ অধৈৰ্য্য হৈ পৰিল। তেওঁ সিহঁতৰ কাষলৈ গৈ খাটাংকৈ কলে, "আডেলহাইড, তোমাৰ ফাল্টু চিঞৰ-বাখৰ বহুত শুনিলোঁ। তোমাক সাৱধান কৰি দিওঁ। সাধুবোৰ পঢ়িবলৈ লৈ এনে হুৱা-দুৱা লগালে মই তোমাৰ কিতাপখন লৈ যাম আৰু কেতিয়াও ঘূৰাই নিদিওঁ।"

এই সৰ্কীয়নিৰ ফল ফলিল। হাইডি ভয়ত শেঁতা পৰি গ'ল। কিতাপখন তাইৰ আটাইতকৈ মূল্যবান সম্পত্তি। সেইখন হেৰুওৱাৰ ভয়ত তাই খৰধৰকৈ চকুলো মচিলে আৰু তাইৰ উচুপনিৰ শব্দ আনে নুশুনা কৰিবলৈ তাই গাৰ জোৰেৰে উচুপনিবোৰ যেন গিলি থলে আৰু সোপা দি বন্ধ কৰিলে। কান্দোন বন্ধ কৰাৰ তাই এটা সফল কায়দা পালে। তাৰ পিছত তাই যিহকে নপঢ়ক কিয়, তাই আৰু নাকান্দিলে। কিন্তু মাজে মাজে তাই নিজকে নিয়ন্ত্ৰণ কৰিবলৈ আৰু ডাঙৰকৈ নাকান্দিবলৈ ইমান জোৰ কৰিবলগীয়া হ'ল যে তেনে সময়ত অতি আচৰিত হৈ ক্লাৰাই প্ৰায়ে কৈছিল, "হাইডি, তোমাৰ দৰে ইমান ভয়াবহ মুখ মই আগতে দেখা নাছিলোঁ!"

কিন্তু ভয়াবহ মুখেও শব্দ নকৰে কাৰণে কুমাৰী ৰোটেনমায়াৰ আৰু কষ্ট হোৱা নাছিল। হাইডিয়ে দুৰ্দম বেদনাবোৰ এনেকৈ নিয়ন্ত্ৰণ কৰাই তাইৰ দিনবোৰ দেখাত শান্তিৰে পাৰ হ'ব ধৰিলে। কিন্তু হাইডিৰ ভোক নোহোৱা হ'ল; তাই অতিপাত ক্ষীণাল আৰু শেঁতা পৰিল; অতি উপাদেয় বস্তুবোৰো তাই খাব নোৱৰা হ'ল। হাইডিৰ এনে দুৰৱস্থা চাবলৈ চেবাষ্টিয়ানৰ সন্ত নোযোৱা হ'ল। সেই কাৰণে খোৱা টেবুলত হাইডিলৈ খোৱা বস্তুবোৰ আগবঢ়াই দিওঁতে সি ফুচফুচাই তাইক উদগাইছিল, "এইবিধ বেচ সোৱাদ। ইয়াৰ অলপ খাওক মামজেল্। ইমান কম নহয়। পূৰা এচামুচ লওক। আৰু এচামুচ।" কিন্তু তাৰ পিতৃ-সুলভ উপদেশো কামত নহা হ'ল। তাই প্ৰায়

একোকেই নোখোৱা হ'ল। বাতি তাই শুবলৈ বুলি গাৰুত মূৰ থলেই নিমিষতে আন্ধাৰ ঘৰখন তাইৰ চকুৰ আগত ভাহিছিল আৰু গৃহকাতৰা হৈ তাই আনে নুশুনাকৈ গাৰুটোত মূৰ গুজি কান্দিবলৈ ধৰিছিল।

বহুতদিন এনেকৈয়ে গ'ল। তাত থাকি কেতিয়া জহকালি, কেতিয়া জাৰকালি তাই ধৰিব নোৱৰা হ'ল। জেচেমান ডাঙৰীয়াৰ অট্টালিকাৰ পৰা কেৱল দেৱালবোৰ আৰু খিড়িকিবোৰহে দেখা গৈছিল। সেইবোৰ জাৰে-জহে একেই আছিল। মাজে-সময়ে কেতিয়াবা ক্লাৰাই গাটো বিশেষকৈ ভাল পালে আৰু তাইক বাগীৰে ফুৰাবলৈ নিব পৰা হলে তায়ো ক্লাৰাৰ লগত ঘৰৰ বাহিৰলৈ ওলাব পাৰিছিল। কিন্তু ক্লাৰাই বেছি দূৰলৈ যাব নোৱাৰিছিল কাৰণে এনে ভ্ৰমণো অতি চুটি আছিল। সিহঁতে চহৰখনৰ দেৱালবোৰ আৰু বাটবোৰ অতিক্ৰমি উপকণ্ঠ অঞ্চল পোৱাৰ বহুত আগতেই উভতি আহিছিল। সিহঁতে চহৰখনৰ সুন্দৰ, বহল আলিবোৰ, বহুত ঘৰ আৰু বহুত মানুহ দেখিছিল কিন্তু ঘাঁহ, ফুল, ফাৰগছ আৰু পৰ্বতৰ একোকেই নেদেখিছিল। সেয়ে আল্পত দেখি দেখি অভ্যস্ত হোৱা বস্তুবোৰ চাবলৈ তাইৰ আকাংক্ষা দিনৌ তীব্ৰতৰ হবলৈ ধৰিছিল। শেহত এনে হ'ল যে সেই বস্তুবোৰ সূচোৱা যি কোনো শব্দ শুনিলেই তাইৰ অন্তৰত হাহাকাৰৰ সৃষ্টি হৈছিল। তেনে অৱস্থাত তাই নিজক নিয়ন্ত্ৰণ কৰিবলৈ সৰ্বশক্তি প্ৰয়োগ কৰিবলগীয়া হৈছিল।

এনেকৈয়ে শৰৎকাল আৰু শীতকাল শেষ হ'ল। তেতিয়া বিপৰীত ফালৰ ঘৰবোৰৰ দেৱালবোৰ ৰ'দত চিকমিকোৱা দেখি হাইডি নিশ্চিত হ'ল যে পিটাৰে ছাগলীজাক চৰাবলৈ পুনৰ আল্মলৈ নিয়াৰ, সোণালী পাহাৰী-গোলাপবোৰ ৰ'দত জিলমিলোৱাৰ আৰু সদায় গধূলি পৰ্বতবোৰত জুই লগাৰ সময় হৈ আহিল। তেনে সময়ত তাইৰ নিসঙ্গ কোঠাটোৰ এচুকত বহি তাই দুহাতেৰে চকু দুটা ঢাকি ধৰিছিল যাতে বিপৰীত ফালৰ দেৱালবোৰত পৰা ৰ'দ তাই নেদেখে। ক্লাৰাই নমতালৈকে তেনেকৈ অলৰ-অচৰ হৈ বহি তাইক পুনৰ মাৰিবলৈ ধৰা গৃহকাতৰতাৰ সৈতে তাই নিশব্দে যুঁজিবলৈ ধৰিছিল। ■

দ্বাদশ অধ্যায়

অট্টালিকাত ভূত

কেইদিনমানৰ পৰা তেওঁ অট্টালিকাটোত ঘূৰোঁতে-পকোঁতে কুমাৰী ৰটেন্‌মায়াৰক প্ৰায়ে নীৰৱ আৰু চিন্তামগ্ন দেখা গৈছিল। সন্ধিয়া হোৱাৰ পিছত এটা কোঠাৰ পৰা আন এটালৈ বা ডাঙৰ সভা ঘৰটোৰে যাবলগীয়া হ'লে তেওঁ নিজৰ আশে-পাশে আৰু চুক-কোণবোৰ বিশেষকৈ লক্ষ্য কৰি গৈছিল আৰু মাজে মাজে মূৰ ঘূৰাই পিছপিনে এনে ক্ষিপ্ৰ চাৱনিৰে চাইছিল যেন কিহবাই হাতত সাৱে ভৰিত সাৱে আৰু লুকাই আহি তেওঁৰ কাপোৰত ধৰি টানিব। তেওঁ অকলশৰে মাত্ৰ শোৱনি-কোঠাকেইটালৈহে গৈছিল। অট্টালিকাটোৰ ওপৰমহলাত আলহীৰ বাবে ধুনীয়াকৈ সজোৱা কোঠাবোৰ আছিল। তলৰ মহলাত ডাঙৰ আৰু ৰহস্যময় সভাঘৰ এটা আছিল। সেই সভাঘৰটোত খোজ পেলালেই ৰজনজনাই যোৱা আছিল। সেইটোৰ দেৱালৰ পৰা আগৰদিনীয়া সাজপাৰ পিন্ধা চিনেটৰসকলে তেওঁলোকৰ ডাঙৰ ডাঙৰ চকুৰ স্থিৰ, কঠোৰ চাৱনিৰে তললৈ চাই আছিল। কুমাৰী ৰোটেন্‌মায়াৰে কিবা কামত এই মহলাদুটালৈ যাবলগীয়া হলে তেওঁ কিবা বস্তু ওপৰলৈ বা তললৈ নিবলগীয়া আছে বুলি ফাকতি কৰিছিল আৰু টিনেটেক মাতি তাইক লগত লৈ গৈছিল। টিনেটেয়েও ঠিক তাকেই কৰিছিল। ওপৰৰ বা তলৰ মহলাত কিবা কৰিবলগীয়া থাকিলে তাই চেবাষ্টিয়ানক মাতি তাই অকলে বলে নোৱৰা কিবা আনিবলগীয়া হব পাৰে কাৰণে সি তাইৰ লগত যাব লাগিব বুলি কৈছিল। আচৰিত কথা, চেবাষ্টিয়ানেও ঠিক তাকেই কৰিছিল। অট্টালিকাটোৰ দূৰৰ অংশবোৰলৈ তাক কামত পঠিয়ালে সি য়োহানক মাতি তাক লগত লৈছিল নহলে তাৰ পৰা আনিবলগীয়া কিবা সি অকলে আনিবলৈ নোৱাৰেই বা। আচলতে, কঢ়িয়াবলৈ একো নাথাকিলেও আৰু প্ৰত্যেকে অকলে যাবলৈ পাৰিলেও, এটাই আনটোৰ লগত স্বেচ্ছাৰে গৈছিল। কাৰণ লগত যোৱাটোৱেও জানিছিল যে সোনকালে সিও আনটোৰ সহায় লব লাগিব। ওপৰমহলাত এইবোৰ হৈ থাকোতে অট্টালিকাটোত বহুত বছৰ কাম কৰা ৰান্ধনীজনীয়ে তলৰ-তলাৰ পাকঘৰৰ চৰু-তকৰ মাজত গভীৰ চিন্তাত থিয় হৈ মূৰটো জোকাৰি জোকাৰি হুমুনিয়াহ কাঢ়ি কৈছিল, "এইবোৰ চাবলৈহে জীয়াই আছোঁনে ?"

কিছুমান দিনৰ পৰা ঘৰটোত কিছুমান আচহুৱা আৰু উদ্ভট ঘটনা ঘটি আছিল। নিতৌ পুৱা লগুৱা-লিগিৰীহঁতে তলৰ-তলালৈ নামি আহোঁতে ঘৰটোৰ

বাটৰ মুখৰ ঘাই দুৱাৰখন সম্পূৰ্ণ মেল খাই থকা পাইছিল। কিন্তু এনে হোৱাৰ কাৰণ ব্যাখ্যা কৰিব পৰা কাকো ওচৰে-পাজৰে পোৱা নগৈছিল। এনে হোৱাৰ প্ৰথম কেইদিনমান কোনোবা চোৰে ৰাতি দুৱাৰখন খুলি সোমাই বস্তু-বাহানি লৈ পলোৱা বুলি আশঙ্কা কৰি ঘৰটোৰ প্ৰতিটো কোঠা তন্নতন্নকৈ চোৱা হৈছিল। কিন্তু ঘৰটোৰ এপদ বস্তুও নোহোৱা হোৱা নাছিল।

ৰাতি দুৱাৰখনত দুটাকৈ তলা লগোৱাৰ ওপৰিও কাঠৰ ডাং এডালো লগোৱা হ'ল, কিন্তু তাৰে একো নহ'ল; দুৱাৰখন খোলা অৱস্থাতেই পোৱা গ'ল। উত্তেজিত লগুৱাইতে যিমান পুৰাই তললৈ নামি নাহক কিয়, দুৱাৰখন সদায় মেল খাই থকাই পাইছিল। কিন্তু তেতিয়াও ওচৰ-পাজৰৰ সকলো টোপনিত লালকাল দি আছিল আৰু চুবুৰিটোৰ বাকীবোৰ ঘৰৰ দুৱাৰ-খিড়িকিবোৰ কপ্‌কপীয়াকৈ বন্ধ কৰা আছিল।

অৱশেষত কুমাৰী ৰোটেনমায়াৰৰ এবাৰ নোৱাৰা অনুৰোধত চেবাষ্টিয়ান আৰু য়োহানে কিনো ঘটে চাবলৈ তলৰ-মহলাৰ ঘাই দুৱাৰখনৰ কাষত থকা সভাঘৰটোৰ সংলগ্ন সৰু কোঠা এটাত ৰাতিটো খপিবলৈ সাহস গোটালে। কুমাৰী ৰোটেনমায়াৰে জেচেমান ডাঙৰীয়াৰ অস্ত্ৰ-পাতিৰ কিছু আনিও চেবাষ্টিয়ানৰ হাতত দিলে।

মানুহ দুটা নিৰ্দিষ্ট গধূলি কোঠাটোত বহিল। প্ৰথমতে সিহঁতে মেল মৰাত লাগিল কিন্তু লাহে লাহে সিহঁতৰ টোপনি ধৰা যেন পালে। তেতিয়া দুয়ো চকীত আউজি বহি চুপচাপ হ'ল। চহৰখনৰ ঘণ্টাঘৰত ৰাতি ১২টাৰ কোব পৰিলত চেবাষ্টিয়ানৰ সাহ বাঢ়িল আৰু সি য়োহানক মাতিলে। তাক জগোৱা কিন্তু সহজ নহল। চেবাষ্টিয়ানে তাক মাতিলেই সি মূৰটো চকীখনৰ ইকাতিৰ পৰা সিকাতি কৰি শুইছিল। এইবোৰ কৰোঁতে চেবাষ্টিয়ানে ভালকৈ সাৰ পালে আৰু সি শব্দবোৰ আগ্ৰহেৰে উনাবলৈ চেষ্টা কৰিলে।

তেতিয়া নিজম মাজনিশা। আলিবাটতো কোনো শব্দ-চব্দ নাই। চেবাষ্টিয়ানৰ টোপনি নাহিল। সেই গভীৰ নিস্তব্ধতা চেবাষ্টিয়ানৰ অস্বাভাৱিক কিবা কিবা যেন লাগিল। সি সৰু মাতেৰে য়োহানক মাতিবলৈ আৰু মাজে মাজে তাক লাহেকৈ জোকাৰি দিবলৈ ধৰিলে। অৱশেষত ঘণ্টাঘৰত এক বজাৰ কোব পৰিলত য়োহানৰ টোপনি ভাগিল আৰু সি বিছনাত নুশুই চকীত বহি থকাৰ কাৰণটো তাৰ মনত পৰিল। হঠাতে সি বৰমতালি দেখুৱাই ডাঙৰকৈ মাত দিলে, "চেবাষ্টিয়ান, বাহিৰলৈ গৈ কাণ্ডটো কি চাওঁ ব'ল। তই ভয় খাব নালাগে। মোৰ পিছে পিছে আহ।"

আগতে অলপকৈ খুলি থোৱা কোঠাটোৰ দুৱাৰখন বহলকৈ মেলি লৈ য়োহান বাহিৰ ওলাল। লগে লগেই বাটৰ মুখৰ মেল খাই থকা ঘাই

দুৱাৰখনেৰে অহা তীব্ৰ বতাহ্ এছাটিয়ে য়োহানে হাতত লৈ থকা মমডাল নুমুৱাই দিলে। সি ঘূৰি হুৰমুৰকৈ কোঠাটোত সোমাবলৈ খোজোঁতেই তাৰ পিছফালে থিয় হৈ থকা চেবাষ্টিয়ান খুন্দা খাই কোঠাটোৰ ভিতৰত বাগৰি পৰে পৰে যেন হ'ল। য়োহানে তাক চোঁচোৰাই ভিতৰলৈ নি দুৱাৰখন মাৰি অতি উত্তেজনাত থক্‌মক্‌কৈ তলাটো মাৰিলে। তাৰ পিছত সি তাৰ দিয়াছলাইৰ বাহটো উলিয়াই মমডাল আকৌ জ্বলালে। বিশাল কান্ধৰ য়োহানৰ পিছফালে থিয় হৈ থকা কাৰণে চেবাষ্টিয়ানৰ গাত বতাহ ছাটি লগা নাছিল। সেয়ে কিনো ঘটনা ঘটিল সি গম পোৱা নাছিল। এতিয়া মমডালৰ পোহৰত দুয়ো পৰস্পৰক দেখা পাওঁতে চেবাষ্টিয়ানে য়োহান মৰা মানুহৰ দৰে শেঁতা পৰা আৰু ভয়তে ঠক্ ঠক্ কৰে কঁপিব ধৰা দেখি সিও ভয়তে চিঞৰি উঠিল।

"কথাটো কি ? বাহিৰত কি দেখিলি ?" চেবাষ্টিয়ানে উদ্বিগ্ন হৈ সুধিলে।

"দুৱাৰখন পূৰা মেল খাই আছিল," য়োহানে সেহাই কলে। "আৰু খট্‌খটিত বগা কিবা এটা। চেবাষ্টিয়ান, সেইটো খট্‌খটিৰে ওপৰলৈ উঠিল, নেদেখা হ'ল, নাইকিয়া হ'ল।"

আতংকত চেবাষ্টিয়ানৰ পিঠিৰে চেঁচা কঁপনি এটা বৈ গ'ল। দুয়ো তেতিয়া গাতে গা লগাই বহিল আৰু পুৱা আলিবাটেৰে মানুহ অহা-যোৱা নকৰালৈকে অকণো লৰচৰ নকৰাকৈ তেনেকৈ বহি থাকিল। তাৰ পিছতহে দুয়ো একেলগে বাহিৰলৈ ওলাল; মেল খাই থকা দুৱাৰখন মাৰিলে আৰু কুমাৰী ৰোটেন্‌মায়াৰক সিহঁতৰ অভিজ্ঞতাৰ কথা কবলৈ ওপৰ-মহলালৈ গ'ল। কিবা অঘটন ঘটাৰ প্ৰত্যাশাত গোটেই ৰাতিটো তেওঁ চকুৰ টিপ্ মাৰিবলৈ নহ'ল কাৰণে তেৱোঁ কথা পাতিবলৈ সাজু হৈ আছিল। ৰাতি ঘটা কাণ্ডটোৰ কথা শুনিয়েই তেওঁ জেচেমান ডাঙৰীয়ালৈ চিঠি এখন লিখিলে। এনে ধৰণৰ চিঠি তেখেতে আগতে কেতিয়াও পোৱা নাছিল। কুমাৰী ৰোটেন্‌মায়াৰে সেইখনত তেওঁৰ আঙুলিবোৰ আতংকত জঠৰ হৈ পৰা বুলি জনালে। আগতে কাহানিও নুশুনা কাণ্ডবোৰ ঘটি আছে কাৰণে তেখেত তৎক্ষণাত ঘৰলৈ আহিব লাগে বুলিও লিখিলে। তাৰ পিছত তেওঁ কাণ্ডবোৰ জনালে : সদায় পুৱা খাই দুৱাৰখন পূৰাকৈ মেল খাই থাকে; ফলত ঘৰখনৰ সকলোৱে নিৰাপত্তাৰ অভাৱ অনুভৱ কৰিছে; তদুপৰি এনে ৰহস্যজনক কাণ্ড-কাৰখানাৰ অতি ভয়াবহ পৰিণতি হোৱাৰ আশঙ্কাও নোহোৱা নহয়।

জেচেমান ডাঙৰীয়াই লগে লগে উত্তৰ দিলে। ব্যৱসায়ৰ স্বাৰ্থত তেখেত থিতাতে ঘৰলৈ যোৱা অসম্ভৱ; ভূতৰ কাহিনীটো বৰ আচৰিত যদিও সেইটোৰ উৎপাত ইতিমধ্যে নোহোৱা হোৱা বুলি তেখেতে আশা কৰিলে। কিন্তু

ভূতটোৱে যদি আৰু কিবা গোলমাল কৰে তেনেহলে কুমাৰী বোটেন্‌মায়াৰে যেন শ্ৰীমতী জেচেমানলৈ কথাটো জনাই লিখে আৰু তেওঁলোকক সহায় কৰিবলৈ ফ্ৰাঙ্কফুৰ্টলৈ আহিবলৈ তেখেতক যেন অনুৰোধ কৰে। তেখেতৰ মাকে অনতিপলমে ভূতবোৰক নিশ্চয় এনে খেদন দিব যে সিহঁতে ঘৰখনত গোলমাল কৰিবলৈ দুনাই আৰু নাহে।

জেচেমান ডাঙৰীয়াৰ চিঠিৰ সুৰত কুমাৰী বোটেন্‌মায়াৰ তুষ্ট নহ'ল, কিয়নো তেখেতৰ ওপৰত কাণ্ডটোৰ প্ৰভাৱ নপৰা যেনেই লাগিল। তেওঁ তৎক্ষণাৎ শ্ৰীমতী চেচেমানলৈ চিঠি এখন লিখিলে কিন্তু তেখেতেও কুমাৰী বোটেন্‌মায়াৰক সন্তোষ দিব নোৱাৰিলে। বৰং তেখেতে উত্তৰত কেতবোৰ কঢ়া মন্তব্যহে দিলে। বোটেন্‌মায়াৰে ভূত দেখা কাৰণে তেখেতে হোলষ্টাইনৰ পৰা ফ্ৰাঙ্কফুৰ্টলৈ ভ্ৰমণ কৰাটো যুক্তিযুক্ত হ'ব নোৱাৰে। জেচেমান পৰিয়ালৰ অট্টালিকাত ভূত কাহানিও দেখা নগৈছিল; এতিয়া যদি কোনোবা ভূতে তাত টিঘিল্‌ঘিলাইছে তেন্তে সেইটো কোনোবা জীয়া মানুহহে। গতিকে তাৰ লগত বোটেন্‌মায়াৰ বুজাবুজিলৈ অহা উচিত। সেইটো কৰিব নোৱাৰিলে তেওঁ নৈশ চকীদাৰৰ সহায় বিচৰা উচিত হ'ব।

কিন্তু আতংকত দিন নকটাবলৈ কুমাৰী বোটেন্‌মায়াৰ দৃঢ়সংকল্প হ'ল। তেওঁ নিজক সহায় কৰাৰ উপায়ো জানিছিল। তেতিয়ালৈকে তেওঁ ছোৱালীহঁতক ভূত ওলোৱাৰ কথা কোৱা নাছিল; কলে জানোচা সিহঁতে দিনে-ৰাতিয়ে খন্তেকলৈও অকলে থাকিবলৈ ভয় কৰে। সেয়ে হলে তেওঁৰহে জঞ্জাল বাঢ়িব। শ্ৰীমতী জেচেমানৰ চিঠি পঢ়ি তেওঁ পোনচাটেই সিহঁত বহি থকা পঢ়া-কোঠাটোলৈ গ'ল আৰু ফুচ্‌ফুচাই সিহঁতক ৰাতি ৰাতি অদ্ভুত কিবা এটা ওলোৱাৰ কথা কলে। লগে লগে ক্লাৰাই চিঞৰি উঠিল আৰু কলে যে তাই এখন্তকো অকলে থাকিব নোৱাৰে; দেউতাক উভতি আহিব লাগিব; ৰাতি কুমাৰী বোটেন্‌মায়াৰ তাইৰ কোঠাত শুব লাগিব; হাইডিও অকলে থাকিব নালাগে, কাৰণ ভূতটো তাইৰ কোঠালৈ গৈ তাইৰো অনিষ্ট কৰিব পাৰে। ক্লাৰাই তাইৰ ইচ্ছা জনাই কলে যে গোটেই ৰাতিটো লেম্পটো জ্বলাই থৈ সিহঁত তিনিও একে কোঠাতে শুব; টিনেটে ওচৰৰ কোঠাটোত শুব; য়োহান আৰু চেবাষ্টিয়ান সভাঘৰটোত থাকিব আৰু ভূতটো খট্‌খটিবে ওপৰলৈ উঠিলে সিহঁতে চিঞৰ-বাখৰ লগাই সেইটোক ভয় খুৱাই খেদি পঠিয়াব।

ক্লাৰা অতি উত্তেজিত হৈ পৰিল। কুমাৰী বোটেন্‌মায়াৰে অতি কষ্টৰেহে তাইক শান্ত কৰিব পাৰিলে। তেওঁ তাইৰ দেউতাকলৈ তৎক্ষণাৎ লিখিব বুলি আৰু ৰাতি তেওঁ ক্লাৰাৰ কোঠাত শুব বুলি আশ্বাস দিলে। তেওঁ আৰু কলে যে সিহঁত তিনিও এটা কোঠাত শুবলৈ নোৱাৰে কিন্তু আডেলহাইডে ভয় খালে

তাইৰ কোঠাত টিনেটেই বিছনা পাতিব পাৰে। ভূতৰ কথা আগতে শুনা নাছিল কাৰণে হাইডিয়ে ভূততকৈ টিনেটেক বেছি ভয় কৰিছিল। সেয়ে তাই জোৰ দি কলে যে তাই ভয় নাখায় কাৰণে নিজৰ কোঠাত অকলেই শুব।

কুমাৰী ৰোটেন্‌মায়াৰে তেতিয়াই কোবাকুবিকৈ তেওঁৰ টেবুলখনলৈ গৈ জেচেমান ডাঙৰীয়ালৈ চিঠি লিখিবলৈ বহিল। তেওঁ লিখিলে যে সদায় ৰাতি ৰাতি ঘটি থকা ৰহস্যজনক ঘটনাবোৰে তেখেতৰ জীয়েকৰ আলসুৱা স্বাস্থ্যৰ ওপৰত এনে কুপ্ৰভাৱ পেলাইছে যে আগলৈ ইয়াৰ ফল বিষম হ'ব পাৰে বুলি আশঙ্কা কৰিব পাৰি। এনে ক্ষেত্ৰত হঠাতে মৃগীৰোগ আৰু কম্পন ৰোগ হোৱাৰ উদাহৰণো নোহোৱা নহয়। গতিকে ঘৰটোৰ পৰা আতংক দূৰ নকৰিলে তেখেতৰ জীয়েকৰ তেনে দুৰ্ভাগ্য হ'ব পাৰে।

চিঠিখনৰ আশানুৰূপ ফল হ'ল। দুদিন পিছতে জেচেমান ডাঙৰীয়া আহি অট্টালিকাটোৰ দুৱাৰমুখত থিয় হ'ল। তেখেতে বাটৰ মুখৰ ঘাই দুৱাৰখনৰ টিলিঙাটো ইমান উগ্ৰতাৰে বজালে যে অট্টালিকাটোৰ সকলো হুলস্থূল হৈ ওলাই আহি ইটোৱে সিটোৰ মুখ চোৱা-চুই কৰিবলৈ ধৰিলে। সকলোৰে মনত একেটাই চিন্তা ঃ ভূতটোৰ ধৃষ্টতা ইমান বাঢ়িছে যে সি আজি দিনে-পোহৰেই তাৰ দুষ্কৰ্ম কৰিবলৈ ওলাইছেহি! চেবাষ্টিয়ানে ওপৰতলাৰ খিড়ীকিৰ পাল্লা এখন অলপ খুলি ভুমুকিয়াবলৈ খোজোঁতেই টিলিঙাটো আকৌ বাজিল। এইবাৰ সেইটো ইমান খাটাংকৈ বাজিল যে মানুহৰ বাদে আন কাৰো হাতে সেইটো বজোৱা নাই বুলি সকলো নিঃসন্দেহ হ'ল।

সেইখননো কাৰ হাত চেবাষ্টিয়ানে গম পালে। সি কোঠাটোৰ মাজেৰে হুৰমূৰকৈ দৌৰি গৈ খট্‌খটি পাওঁতে তলমুৱা হৈ বাগৰি তল পালেগৈ। কিন্তু তলত সি দুভৰিত থিয় হ'ব পাৰিলে আৰু দুৱাৰখন জোৰেৰে খুলি দিলে। জেচেমান ডাঙৰীয়াই তাৰ লগত কথা পাতিবলৈ নৰৈ পোনছাটেই জীয়েকৰ কোঠাত ওলালগৈ। হঠাতে বাপেকক দেখি ক্লাৰাই আনন্দত চিঞৰি উঠিল। তেখেতে জীয়েকক ৰঙিয়াল হৈ আৰু দেখাত আগৰদৰেই হৈ থকা পালত তেতিয়ালৈকে কঠোৰ হৈ থকা তেখেতৰ মুখখন কুমলিল। জীয়েকে নিজমুখে আগৰদৰেই ভালে থকা বুলি কোৱা শুনি তেখেতৰ মুখৰ ভাৱ ক্ৰমাৎ বেছি আমোদিত হৈ আহিবলৈ ধৰিলে। তেখেত হঠাতে আহি ওলোৱা কাৰণে তাই নথৈ আনন্দিত বুলি আৰু তেখেতক আহিবলৈ বাধ্য কৰোৱা বাবে ভূতটোৰ ওচৰত তাই কৃতজ্ঞ বুলিও ক্লাৰাই জনালে।

"ভূতটোৱে আৰু কি কি কাৰছাজি কৰিছে কুমাৰী ৰোটেনমায়াৰ?" মুখৰ কোণত কৌতুকৰ ভাৱ বিৰিঙিয়াই তেখেতে সুধিলে।

"জেচেমান ডাঙৰীয়া," মহিলাগৰাকীয়ে গহীনাই উত্তৰ দিলে, "এইটো হঁহা কথা নহয়। মই নিশ্চিত যে কাইলৈ জেচেমান ডাঙৰীয়াই এইটো যথেষ্ট গহীন কথা বুলি নিজেই উপলব্ধি কৰিব। এতিয়ালৈকে ঘটি থকা কথাবোৰে ইঙ্গিত দিয়ে যে আগতে কাহানিবা এই ঘৰটোত কিবা সাংঘাটিক কাণ্ড হৈছিল। সেইয়া গুপুতে ৰখাৰেই ফল এতিয়া ফলিব ধৰিছে।"

"সেই বিষয়ে মই একো নাজানোঁ," জেচেমান ডাঙৰীয়াই মন্তব্য দিলে। "কিন্তু মোৰ অতি সম্মানীয় পূৰ্বপুৰুষসকলৰ বিষয়ে তোমাৰ মনত কোনো সন্দেহ নাৰাখিবলৈ তোমাক অনুৰোধ কৰোঁ। এতিয়া চেবাষ্টিয়ানক খোৱা-কোঠালৈ পঠিয়াই দিয়াগৈ। মই তাৰ লগত অকলে কথা পাতিব খোজোঁ।"

তেখেত খোৱা-কোঠালৈ গ'ল আৰু চেবাষ্টিয়ানো আহি ভুমুকি মাৰিলে। কুমাৰী ৰোটেনমায়াৰ আৰু চেবাষ্টিয়ান অন্তৰঙ্গ বন্ধু নাছিল কাৰণে তেখেতে কিবা সন্দেহ কৰিছিল। "চেবাষ্টিয়ান, এই পিনে আহাঁ," লগুৱাটোক তেখেতে হাত-বাউল দি মাতিলে। "মোক এটা কথা কোৱাঁচোন। কুমাৰী ৰোটেনমায়াৰক অলপ জোকাবলৈ বুলি তুমিয়েই ভূতৰ ভাও লোৱা নাইনে? কোৱাঁ।"

"নহয় ডাঙৰীয়া, মোৰে শপত। এনে কথা অনুগ্ৰহকৈ নাভাবে যেন। এই বিষয়ে মই নিজেই অকণো স্বস্তিত থাকিব পৰা নাই," চেবাষ্টিয়ানে সম্পূৰ্ণ অকপটে কথাখিনি কলে।

'বেচ্। কথা সেয়ে হলে তোমাক আৰু সাহসী যোহানক কাইলৈ দিনৰ পোহৰত ভূতটোৰ চেহেৰা কেনে দেখুৱাম। অতি লাজৰ কথা চেবাষ্টিয়ান। তোমাৰ দৰে বলী ডেকা এটাই ভূতৰ ভয়ত পলাই ফুৰিছা। সি যি কি নহওক, তুমি এতিয়াই মোৰ পুৰণি বন্ধু ডাক্তৰ ক্লাচেনৰ তালৈ গৈ মোৰ সম্ভাষণ জনাবা আৰু আজি ৰাতি ৯ বজাত তেখেতক যেনেতেনে ইয়ালৈ আহিবলৈ কবা, তেখেতৰ বিশেষ পৰামৰ্শ এটা লবলৈহে মই পেৰিছৰ পৰা অহা বুলি কবা। কথাটো গহীন কাৰণে আজি ৰাতি তেখেতে ইয়াতে মোৰ লগত থাকিব লাগিব বুলিও জনাবা। তেখেতে এই বিষয়ে যেনে ব্যৱস্থা লাগে কৰি আহে যেন। চেবাষ্টিয়ান, বুজিলানে?"

"ভাল। জেচেমান ডাঙৰীয়াই কোৱামতেই মই কৰিম বুলি তেখেত নিশ্চিন্ত হব পাৰে।"

চেবাষ্টিয়ান কোঠাটোৰ পৰা ওলাই গ'লত অকমানি জীয়েকৰ ভূতৰ ভয় ভাঙিবলৈ তেখেত তাইৰ কোঠালৈ গ'ল। এৰা, ভূতৰ আচল ৰূপটো সিদিনাই তেখেতে উদঙাই দেখুৱাব।

ঠিক ৰাতি ৯ বজাত ডাক্তৰ ওলালহি। তেতিয়া ছোৱালী দুজনী শুইছে আৰু কুমাৰী ৰোটেন্‌মায়াৰো নিজৰ কোঠালৈ গৈছে। ডাক্তৰৰ চুলি পকিলেও

তেখেতৰ মুখখন তেজাল আৰু তিৰ্‌বিৰাই থকা চকুযোৰ উজ্জ্বল আৰু মৰমিয়াল আছিল। তেখেত চিন্তান্বিত হৈ আছিলেও বন্ধুৰেকে সম্ভাষণ জনাওঁতে ডাক্তৰে ফূৰ্ত্তিত সশব্দে হাঁহি উঠিল। ৰোগীৰ কান্ধত মৃদু থপৰিয়াই তেখেতে কলে, "হেৰা বান্ধৈ! ডাক্তৰে ৰাতি ৰখিবলগীয়া ৰোগী হিচাবে তুমি যথেষ্ট ৰঙিয়াল দেখোন!"

"ধৈৰ্য্য ধৰা প্ৰিয় ডাক্তৰ," জেচেমান ডাঙৰীয়াই কলে। "তুমি ৰাতি খপিবলগীয়াটোক আমি ধৰা পেলোৱাৰ পাছত অতি বেয়া অৱস্থাত পাবা।"

"কি! ঘৰটোত ৰোগী এটা আছে আৰু তাক ধৰা পেলাব লাগিব?"

"তাতকৈও সাংঘাতিক ডাক্তৰ, তাতকৈও সাংঘাতিক। ভূত ওলাইছে। এই ঘৰটো বোলে দেওলগা।"

ডাক্তৰে ঢেক্‌ঢেকাই হাঁহি উঠিল।

"কাণ্ড এটা হৈছে ডাক্তৰ," জেচেমান ডাঙৰীয়াই কলে। "কিন্তু বান্ধৱী ৰোটেনমায়াৰে এই অৱস্থাটো উপভোগ কৰিব নোৱৰাটো পৰিতাপৰ কথা। তেওঁৰ মতে মোৰ পূৰ্বপুৰুষৰ কোনোবাজনে তেখেতৰ কিবা ভয়ংকৰ অপৰাধৰ প্ৰায়শ্চিত্ত কৰিবলৈ নিশাচৰ হৈছেহি।"

হাঁহি হাঁহিয়েই ডাক্তৰে সুধিলে, "এই কথাটো তেওঁ আৱিষ্কাৰ কৰিলে কেনেকৈ?"

তেতিয়া জেচেমান ডাঙৰীয়াই ডাক্তৰক গোটেই ঘটনাটো বিবৰি কলে। তেখেতে আৰু কলে যে যি কোনো পৰিস্থিতি চম্ভালিবলৈ তেখেতসকল সাজু হব লাগিব। সেয়ে তেখেতসকলে য'ত ৰাতি খপিব তাত গুলি ভৰাই ৰিভলভাৰ দুটা থোৱা আছে। তেখেতৰ মতে দুটা কথা হব পাৰে। প্ৰথমতে, ঘৰৰ লগুৱাহঁতৰ কোনো বন্ধুৰেকে ঘৰৰ গিৰিহঁত নথকাত ঘৰ-ঘৰোৱাহঁক ভয় খুৱাবলৈ এনে অবাঞ্চনীয় ৰগৰ কৰিব পাৰে। কাণ্ডটো এইটোৱেই হলে ৰিভলভাৰৰ ফাঁকা আৱাজ কৰি ভূতটোক অলপ ভয় খুৱালে বেয়া নহব।

নতুবা এইটো কোনোবা চোৰৰ বুদ্ধিও হব পাৰে। ঘৰখনৰ মানুহবোৰ ভূত ওলোৱা বুলি সন্ত্ৰস্ত হলে আগলৈ সিহঁতে নিৰাপদে কামফেৰা কৰিব পাৰিব, কাৰণ ভূতৰ ভয়ত কোনো ওলাই নাহিব। ভূতটো এনে হলেও ভাল অস্ত্ৰ এবিধ কামত আহিব।

এইদৰে কথা পাতি পাতি তেখেতসকল তলৰ যিটো কোঠাত চেবাষ্টিয়ান আৰু য়োহানে পৰ দিছিল তালৈ গ'ল। কোঠাটোৰ টেবুলখনত দুটা ৰিভলভাৰ আৰু সেইখনৰ মাজত দুডাল মমবাতিৰ গছা থোৱা আছিল। প্ৰতিডাল গছাত তিনিডালকৈ মমবাতি জ্বলি আছিল। কাৰণ জেচেমান ডাঙৰীয়াই অস্পষ্ট পোহৰত ভূতলৈ বাট চাব খোজা নাছিল।

তেখেতসকলে কোঠাটোৰ দুৱাৰখন কাণি-দূৰবীকৈ মেলি থলে। নহলে সভাঘৰটোত বেছি পোহৰ পৰিব আৰু তেতিয়া ভূতটো ভয়তে নাহিবও পাৰে। তাৰ পিছত দুয়ো বন্ধুৱে আৰামী চকী দুখনত স্বচ্ছন্দে বহি, মাজে মাজে কিবাকিবি অলপ খাই-মেলি বিভিন্ন বিষয়ে আড্ডা মাৰিবলৈ ধৰিলে। ফলত তেওঁলোকে সময় কেনেকৈ গ'ল গম নাপাওঁতেই বাৰ বজাৰ ঘণ্টা পৰিল।

"ভূতটোৱে আমাক চোৰাংকৈ চাই গৈছে আৰু আজি নাহে," ডাক্তৰে কলে।

"ধৈৰ্য্য ধৰা। এক বজাত আহিবও পাৰে," বন্ধুৱেকে উত্তৰ দিলে।

দুয়ো আকৌ মেল মাৰিবলৈ ললে। এক বজাৰ ঘণ্টাৰ কোব পৰিল। চৌদিশ সম্পূৰ্ণ নিজম। আলিবাটটো কোনো শব্দ নাই। হঠাতে ডাক্তৰে আঙুলি এটা ওঁঠত লগাই কলে, "জেচেমান, চুপ্। কিবা শব্দ এটা শুনা নাইনে?"

দুয়ো উনালে। দুৱাৰ-ডাংডাল সযতনে খোলাৰ স্পষ্ট শব্দ, তলাত দুবাৰ চাবি ঘূৰোৱাৰ আৰু দুৱাৰখন খোলাৰ শব্দ তেখেতসকলৰ কাণত পৰিল। জেচেমান ডাঙৰীয়াই ৰিভলভাৰলৈ হাত মেলিলে।

"তুমি ভয় খোৱা নাইতো?" থিয় হবলৈ ধৰা ডাক্তৰে ফুচ্‌ফুচাই সুধিলে।

"সাৱধানৰ মৰণ নাই," জেচেমান ডাঙৰীয়াই ফুচ্‌ফুচাই উত্তৰ দিলে। বাওঁহাতে মমবাতিৰ গছাডাল আৰু সোঁহাতে ৰিভলভাৰটো লৈ ডাক্তৰে খোজ দিলে। জেচেমান ডাঙৰীয়াও তেখেতৰ দৰে সুসজ্জিত হৈ পিছে পিছে গ'ল।

সম্পূৰ্ণকৈ খোলা দুৱাৰখনেৰে শেঁতা জোনাক ভিতৰলৈ আহি দুৱাৰ-ডলিত নিশ্চল হৈ ৰৈ থকা বগা মূৰ্ত্তিটোত পৰিল।

"সেইয়া কোন?" ডাক্তৰৰ গৰ্জনত গোটেই সভাঘৰটো ৰজনজনাই গ'ল। লগে লগে দুয়ো পোহৰ আৰু ৰিভলভাৰ লৈ মূৰ্ত্তিটোৰ পিনে আগবাঢ়িল।

মূৰ্ত্তিটো ঘূৰিল আৰু লাহেকৈ চিঞৰ এটা মাৰিলে।

শুদা ভৰিৰে, ৰাতি পিন্ধা বগা গাউনটো পিন্ধি সেইজনী হাইডি। উজ্জ্বল পোহৰ আৰু ৰিভলভাৰ দেখি তেনেই বিবুধি হৈ বতাহত কুঁহিপাত কঁপাদি তাই মূৰৰ পৰা ভৰিলৈ কঁপিবলৈ ধৰিলে।

দুয়ো বন্ধুৱে পৰম বিস্ময়ত পৰস্পৰৰ মুখলৈ চালে। "জেচেমান, এইজনী তোমালৈ পানী অনা আইকণজনী যেন পাইছোঁ?" ডাক্তৰে সুধিলে।

"আইকণ, কথাটো কি?" জেচেমান ডাঙৰীয়াই সুধিলে। "তললৈ কিয় নামি আহিছা? তুমি কি কৰিব খুজিছা?"

ভয়ত বৰফৰ দৰে বগা হৈ হাইডি তাতে থিয় হৈ ৰ'ল আৰু শুনা-নুশুনা মাতেৰে কলে, "মই নাজানোঁ।"

তেতিয়া ডাক্তৰ আগুৱাই আহিল। "জেচেমান, এইটো মোৰ এলেকাৰ কথা। মই প্ৰথমতে অকমানিজনীক এইৰ নিজা ঠাইলৈ লৈ যাওঁ। তুমি আৰামী চকীখনত বহি মোলৈ অপেক্ষা কৰাগৈ।"

ডাক্তৰে মজিয়াত বিভলভাৰটো থৈ বাপেকে জীয়েকৰ হাতত ধৰাৰ দৰে কঁপি থকা ছোৱালীজনীৰ হাতত ধৰি খটখটিৰে ওপৰলৈ উঠিল। উঠি থাকোঁতে তেখেতে মৰমেৰে কলে, "ভয় নাখাবা আইকণ, ভয় নাখাবা। মাত্ৰ শান্ত হোৱা। কাৰো একো অনিষ্ট হোৱা নাই। গতিকে চিন্তা কৰিবলৈও একো নাই।"

হাইডিৰ কোঠাটো পাই ডাক্তৰে গছাডাল টেবুলখনত থলে আৰু হাইডিক আলফুলকৈ ডাঙি বিছনাখনত শুৱাই দি কম্বলেৰে ভালকৈ ঢাকি দিলে। তেখেত বিছনাৰ কাষৰ চকী এখনত বহিল আৰু হাইডি শান্ত হোৱালৈ আৰু তাইৰ দেহৰ কঁপনি বন্ধ হোৱালৈ বাট চালে। তাৰ পিছত তাইৰ হাত এখন নিজৰ হাতত লৈ তাইৰ যন্ত্ৰণা উপশম কৰিব পৰা সুৰত কলে, "এইয়া, সকলো থানথিত লাগিল। বাৰু, তুমি কলৈ বুলি ওলাইছিলা কোৱাঁচোন?"

"মই কেনিও যাবলৈ খোজা নাছিলোঁ," হাইডিয়ে জোৰ দি কলে। "তললৈ মই নিজেও যোৱা নাই। হঠাতে দেখোন মই তাত।"

"বেচ। তুমি ৰাতি কিবা সপোন দেখিছিলানে নাই জানানে? স্পষ্টকৈ কিবা দেখিছিলা আৰু শুনিছিলানে?"

"হয়। নিতৌ নিশা মই সপোন দেখোঁ আৰু সদায় একেটাই দেখোঁ। মই আকৌ ককাৰ লগত থকা দেখোঁ আৰু পঁজাৰ বাহিৰত ফাৰগছৰ সোঁ-সোঁৱনি শুনোঁ। মোৰ মনত খেলায় 'এতিয়া আকাশত উজ্জ্বল তৰাবোৰে জিলমিলাই আছে।' মই কোবেৰে দৌৰি গৈ পঁজাটোৰ দুৱাৰ খুলি কি যে মনোৰম দৃশ্যবোৰ দেখোঁ। কিন্তু সাৰ পাই দেখোঁ মই ফ্ৰাঙ্কফুৰ্টতেই।" হাইডিয়ে তাইৰ ডিঙিত লাগি ধৰা কান্দোনৰ লদাটো যেন গিলিবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

"হুঁ। তোমাৰ কেতিয়াবা ক'ৰবাত বিষাইছিলনে? মূৰত বা পিঠিৰ ক'ৰবাত?" ডাক্তৰে সুধিলে।

"ওহোঁ। মাত্ৰ মোৰ এইখিনিত প্ৰকাণ্ড শিল এটাইহে অনবৰত হেঁচি থকা যেন লাগে," বুকুখন দেখুৱাই তাই কলে।

"হুঁ। যেন তুমি কিবা খাইছা কিন্তু পিছত বস্তুখিনি ওকালি পেলাবলৈ মন গৈছে, তেনেনে?"

"ওহোঁ। তেনে নহয়। কিন্তু ইমান গধুৰ যে মই যেন চিঞৰি কান্দিম।"

"বুজিলোঁ। তেতিয়া তুমি চিঞৰি কান্দানে?"

"ওহোঁ। মই নাকান্দোঁ। কান্দিবলৈ মোৰ সাহ নাই। কুমাৰী ৰোটেনমায়াৰে তেনে কৰিবলৈ মানা কৰিছে।"

"তেন্তে তুমি কান্দোনখিনি সেইবাৰলৈ গিলি পেলোৱা, নহয় জানো? কাওটোয়ে আৰু! পিছে, ফ্ৰাঙ্কফুৰ্ট তোমাৰ ভাল লাগে, নালাগেনে বাৰু?"

"লাগে," হাইডিয়ে উত্তৰটো এনেকৈ সেহাই দিলে যে তাই ঠিক বিপৰীত কথাটোহে কোৱা যেন লাগিল।

"হুঁ! ককাবাৰ লগত তুমি ক'ত আছিলা?"

"সদায় আল্মত"।

"তাত আমোদজনক বিশেষ একো নাই। তাত থাকিবলৈ বেছি ভাল নহয়। বৰং সেইখন নিৰানন্দৰহে, নহয় জানো?"

"নহয়, নহয়। আল্মখন যে কি সুন্দৰ। তাত থাকিবলৈ যে কি মজাৰ।"

হাইডিয়ে আৰু কবলৈ নোৱাৰিলে। পূৰণি দিনৰ সোঁৱৰণি, খন্তেক আগৰ উত্তেজনা আৰু বহুত দিন হেঁচা মাৰি থোৱা কান্দোনে তাইক অভিভূত কৰি পেলালে। তাইৰ চকু ফাটি যেন চকুলোৰ নৈ বৈ আহিল। তাইৰ উচ্চস্বৰৰ প্ৰচণ্ড কান্দোনত তাই ভাঙি পৰিল।

ডাক্তৰ থিয় হ'ল। তেখেতে হাইডিৰ মূৰটো গাৰুটোত আলফুলকৈ থৈ কলে, "কান্দা, সোণজনী, কান্দা। কান্দিলে ক্ষতি নাই। তাৰ পিছত শুই থাকিবা। সুখেৰে শুবা। কাইলৈ সকলো ঠিক হৈ যাব।"

ডাক্তৰ তললৈ নামি গ'ল।

তেখেতসকলে বাতি খপা কোঠাটো পাই ডাক্তৰে আৰামী-চকীখন টানি লৈ সখিয়েকৰ মুখামুখিকৈ বহিল। তেখেতে কাওটো বুজাই কবলৈ ধৰিলে আৰু জেচেমান ডাঙৰীয়াই ঔৎসুকতাৰে শুনিবলৈ ধৰিলে।

"জেচেমান, প্ৰথম কথা, তোমাৰ আশ্ৰিতাজনী স্বপ্নচাৰী। নিজে অকণো নজনাকৈ প্ৰতি নিশা তাই ভূতৰ দৰে দুৱাৰখন খুলি লগুৱা-লিগিৰীহঁতক ভয়ত পেপুৱা লগাইছে। দ্বিতীয় কথা, ঘৰলৈ উভতি যোৱাৰ তীব্ৰ হাবিয়াসে তাইক ক্ষয় নিয়াবলৈ ধৰিছে; তাই ইতিমধ্যে এটা সৰু জঁকা যেন হৈছে আৰু সোনকালেই আচল জঁকা হৈ পৰিব। তাইৰ বাবে আমি তৎক্ষণাত ব্যৱস্থা লব লাগিব। প্ৰথমটো অশুভ কথাৰ (স্বপ্নচাৰী হোৱাৰ) আৰু তাইৰ অতি উগ্ৰ স্নায়বিক উত্তেজনা নিবাময়ৰ ব্যৱস্থা মাত্ৰ এটাই; যথা, ছোৱালীজনীৰ জন্মস্থানৰ পৰ্বতীয়া বতাহৰ মাজলৈ তাইক ওভোতাই পঠিওৱা। দ্বিতীয় অশুভ কথাটোৰ (গৃহকাতৰতাৰ বাবে জঁকা হোৱাটোৰ) দৰৱো এটাই। সেইটো আগৰটোৰ লগত একেই। সেয়ে মোৰ উপদেশ, তাইক কাইলৈয়ে ঘৰলৈ পঠিয়াই দিয়া।"

জেচেমান ডাঙৰীয়া চকীৰ পৰা উঠিল। প্ৰবল উত্তেজনাত তেখেতে কোঠাটোত পায়চাৰি কৰিবলৈ ধৰিলে। পিছত তেখেতে কলে, "এজনী

স্বপ্নচাৰী। ৰুগীয়া। গৃহকাতৰা। মোৰ ঘৰত ক্ষয় হবলৈ ধৰা। এই গোটেইবোৰ হৈছে মোৰ ঘৰত। অথচ কোনোৱে মন কৰা নাই। বা জনা নাই। আৰু ডাক্তৰ, তোমাৰ ব্যৱস্থা মতে মোৰ ঘৰলৈ অহা তেজাল আৰু সুস্বাস্থ্যৰ ছোৱালীজনীক অতি অসুখীয়া আৰু জঁকা এটা যেন কৰি তাইৰ ককাকৰ তালৈ মই পঠিয়ামনে? ওহোঁ, ডাক্তৰ, তুমি সেইটো আশা নকৰিবা। মই তেনে কৰিবলৈ নোৱাৰোঁ। মই তেনে কেতিয়াও নকৰোঁ। তুমি তাইৰ তত্ত্বাৱধান লোৱা; চিকিৎসা কৰা; তুমি যি ভাল দেখা তাকে কৰা; কিন্তু তাইক সুস্থ-সবল কৰি তোলা। তাৰ পিছতহে তাই যাবলৈ খুজিলে মই তাইক ওভোতাই পঠিয়াম। কিন্তু প্ৰথমতে তুমি তাইক সহায় কৰা।"

"জেচেমান," ডাক্তৰে আন্তৰিকতাৰে কলে। "তুমি কি কৰিব খুজিছা এবাৰ টলকি চোৱা। ডাক্তৰি বড়ি আৰু চূৰ্ণ খুৱাই ভাল কৰিব পৰা ৰোগ তাইৰ হোৱা নাই। তাই আলসুৱা দেহাৰ নহয়। তাই অভ্যস্ত হোৱা পৰ্বতৰ বলকাৰী বতাহৰ মাজলৈ তাইক তুমি যদি এতিয়াই পঠিয়াই দিয়া, তাই নিজে নিজে সম্পূৰ্ণ সুস্থ হৈ উঠিব। যদি নপঠোৱা,— পিছত কোনো ধৰণৰ ডাক্তৰি সহায়ৰ অতীত হোৱা অৱস্থাত তাইক ককাকৰ ওচৰলৈ পঠিয়াবলৈ ভাল পাবানে? নে তুমি তাইক কেতিয়াও ওভোতাই পঠিয়াবলৈ নোখোজা? কোনটো?"

বিস্ময়ত জেচেমান ডাঙৰীয়া নিথৰ হৈ থিয় হ'ল।

"ডাক্তৰ, এয়েই যদি তোমাৰ ব্যৱস্থা-পত্ৰ হয়, তেন্তে উপায় এটাই; এই মুহূৰ্ত্তে তোমাৰ ব্যৱস্থা কাৰ্য্যান্বিত কৰিব লাগিব।"

এইবুলি জেচেমান ডাঙৰীয়াই ডাক্তৰৰ হাতখনত ধৰিলে আৰু দুয়ো পায়চাৰি কৰি কৰি বিষয়টোৰ বিতং আলোচনা কৰিবলৈ ললে। তেখেতসকলৰ কথোপকথনত বহুত সময় পাৰ হ'ল। ডাক্তৰো ঘৰলৈ যাবলৈ ওলাল। এইবাৰ ঘৰৰ গিৰিহঁতজনে খোলা দুৱাৰখনেৰে পুৱাৰ উজ্জ্বল পোহৰ ভিতৰত সোমাল।

ত্ৰয়োদশ অধ্যায়
আল্মলৈ ওভতনি

অতি উত্তেজিত হৈ পৰা জেচেমান ডাঙৰীয়া খট্‌খটিৰে ওপৰলৈ উঠিল আৰু দৃঢ় খোজেৰে কুমাৰী ৰোটেন্‌মায়াৰৰ শোৱনি-কোঠাটোলৈ গ'ল। তেখেতে কোঠাটোৰ দুৱাৰখনত ইমান জোৰেৰে খট্‌খটালে যে কুমাৰী ৰোটেন্‌মায়াৰে সাৰ পাই আতংকত চিঞৰি উঠিল। তেনেতে তেওঁ বাহিৰত জেচেমান ডাঙৰীয়াই কোৱা শুনিলে, "অনুগ্ৰহকৈ খোৱা-কোঠাটোলৈ লৰালৰিকৈ আহিবা। এটা ভ্ৰমণৰ বাবে তৎক্ষণাত বন্দবস্ত কৰিব লাগে।"

কুমাৰী ৰোটেন্‌মায়াৰে ঘড়ীটো চালে। পুৱা চাৰে চাৰিটাহে মাত্ৰ বাজিছে। জীৱনত তেওঁ ইমান পুৱাই কেতিয়াও উঠা নাছিল। কাণ্ডটো কি? কৌতুহল আৰু উদ্বিগ্ন আশঙ্কাত তেওঁৰ চিন্তাত খেলিমেলি লাগিল। তেওঁ পিন্ধি থকা সাজযোৰ বিচাৰি কোঠাটো চলাথ কৰাই তেওঁ ওলাওঁতে পলম হবলৈ ধৰিলে।

ইতিমধ্যে জেচেমান ডাঙৰীয়াই সভাঘৰটো পাৰ হৈ গৈ লগুৱাইতক মাতিবলৈ থকা সুকীয়া সুকীয়া টিলিঙাবোৰ জোৰেৰে বজালে। সেই শব্দত সিহঁতৰ নিজা নিজা কোঠাত প্ৰতিটো লগুৱাই আতঙ্কত জাঁপ মাৰি বিছনাৰ পৰা নামিল আৰু খৰধৰকৈ কাপোৰ পিন্ধিবলৈ ললে। সিহঁত সকলোৰে মনত একেটা কথাই খেলালে, ভূতটোৱে গিৰিহঁতক ধৰিছে আৰু তেখেতে সিহঁতৰ সহায় বিচাৰিছে।

লগুৱাহঁত এটা এটাকৈ খট্‌খটিৰে নামি আহিল আৰু সিহঁতৰ প্ৰতিটোকে আগৰটোতকৈও বেছি আতঙ্কিত হোৱা দেখা গ'ল। কিন্তু সিহঁতে যেতিয়া তজবজীয়া গিৰিহঁতগৰাকীক বংমনেৰে সভাঘৰটোত পায়চাৰি কৰি থকা পালে আৰু তেখেতক ভূতে ধৰাৰ চিন-মোকাম একেবাৰেই নেদেখিলে, সিহঁত বিচূৰ্ত্তি হৈ তেখেতৰ সমুখত থিয় হ'ল।

তেখেতে য়োহানক যাত্ৰাৰ বাবে বাগীখন সাজু কৰি দুৱাৰমুখলৈ আনিবলৈ লগে লগে পঠিয়ালে। তেখেতে টিনেটেক হাইডিক জগাই তাইক যাত্ৰাৰ কাৰণে সাজু কৰিবলৈ কলে। হাইডিৰ মাহীয়েকে কাম কৰা ঘৰটোলৈ গৈ মাহীয়েকজনীক লগতে লৈ আহিবলৈ তেখেতে চেবাষ্টিয়ানক আদেশ দিলে। ইতিমধ্যে কাপোৰ-কানি পিন্ধি কুমাৰী ৰোটেন্‌মায়াৰ ওলালহি। তেওঁৰ সাজপাৰ ঠিকেই পিন্ধিছিল কিন্তু ওখ টুপীটোহে বেঁকাকৈ পিন্ধা কাৰণে দূৰৰ পৰা তেওঁৰ মুখখন পিছপিনে থকা যেন লাগিছিল। জেচেমান ডাঙৰীয়াই তেওঁৰ

সাজপাৰৰ বিভূতি অসময়ত উঠিবলগীয়া হোৱা কাৰণে হোৱা বুলি ধৰি লৈ মহিলা গৰাকীক কামৰ নিৰ্দেশ দিলে। তেওঁ তৎক্ষণাৎ ট্ৰাঙ্ক এটা যোগাৰ কৰিব লাগে আৰু চুইচ্ ছোৱালীজনীৰ (জেচেমান ডাঙৰীয়াই হাইডি নামটো আচহুৱা পোৱা কাৰণে তাইৰ কথা সাধাৰণতে এনেকৈয়ে উল্লেখ কৰিছিল।) বয়-বস্তুবোৰ আৰু লগতে ক্লাৰাৰ সাজপাৰৰ কিছুমান আৰু তাই লগত নিবলগীয়া সকলো বস্তু সেই ট্ৰাঙ্কটোত ভৰাব লাগে। কিন্তু তেওঁ ইটো-সিটো কথা ভাবি সময় নকটাই কামটো তৎক্ষণাত সমাধা কৰিব লাগে।

বিস্ময়ত ভৰিত শিপা গজাৰ দৰে নিশ্চল হৈ কুমাৰী ৰোটেন্‌মায়াৰে জেচেমান ডাঙৰীয়ালৈ চালে। তেওঁ আশা কৰিছিল যে তেওঁক বিশ্বাসত লৈ গিৰিহঁতগৰাকীয়ে আগনিশা ভূত দেখা তেখেতৰ ভয়াবহ অভিজ্ঞতাৰ কথা তেওঁক কব। পুৱাৰ সুস্পষ্ট পোহৰত সেইবোৰ শুনি তেওঁৰো বেয়া নালাগিব। তাৰ সলনি তেখেতে তেওঁক এটা সাধাৰণ কিন্তু অসুবিধাজনক কাম কৰিবলৈহে দিছে। কিন্তু তেওঁৰ বিস্ময়ৰ শাম নাকাটিল আৰু জেচেমান ডাঙৰীয়াৰ পৰা কিবা শুনাৰ আশাত নিৰ্বাক হৈ তাতে থিয় দি ৰ'ল।

কিন্তু আন কোনো ব্যাখ্যা দিয়াৰ স্পৃহা জেচেমান ডাঙৰীয়াৰ নাছিল। তেখেতে মহিলাগৰাকীক থিয় হৈ থকাতেই এৰি জীয়েকৰ কোঠালৈ গ'ল।

তেখেতে ভবাৰ দৰেই ঘৰখনৰ অগতানুগতিক হুলস্থুলত ক্লাৰাই সাৰ পাই শব্দবোৰ উনাই আছিল আৰু কাণ্ডটোনো কি হব পাৰে ভাবি-গুনি আছিল।

দেউতাক গৈ তাইৰ বিছনাখনত বহিল আৰু ভূতটোনো আচলতে কি তাইক কলে। তেখেতে আৰু কলে যে ডাক্তৰৰ মতে হাইডিৰ শাৰীৰিক অৱস্থা অত্যন্ত বেয়া; তাইৰ নিশা অনাই-বনাই ফুৰাটো ক্ৰমাৎ বাঢ়িব; আনকি তাই ঘৰৰ চালতো উঠিবগৈ পাৰে; তেনে হব লাগিলে সৰ্বনশীয়া কথা হব। এনে ক্ষেত্ৰত তেখেতে তাইৰ দায়িত্ব লোৱা অসম্ভৱ। সেই কাৰণে তাইক তৎক্ষণাতে ঘৰলৈ উভোতাই পঠিয়াব লাগিব। এনে নকৰিলেই নহয় কাৰণে ক্লাৰাই এই ব্যৱস্থাটো মানি লবই লাগিব।

খবৰটো শুনি ক্লাৰা বিস্মিত আৰু বিমৰ্ষ হ'ল। প্ৰথমতে তাই হাইডিক নপঠোৱাকৈ সমস্যাটো সমাধান কৰাৰ আন কিবা উপায় উলিওৱাৰ কথা দেউতাকক কলে। কিন্তু জেচেমান ডাঙৰীয়াই নিজৰ সিদ্ধান্ত নলৰালে। বৰং তেখেতে প্ৰতিশ্ৰুতি দিলে যে ক্লাৰাই যদি এতিয়া কথাটো মানি লয় আৰু শোকাকুল নহয়, তেন্তে অহা জহকালি তেখেতে ক্লাৰাক হাইডিহঁতৰ চুইজাৰলেণ্ডলৈ লৈ যাব। ক্লাৰাই নিৰুপায় হৈ এই বন্দবস্তটো মানি ললে। ট্ৰাঙ্কটো তাইৰ কোঠালৈ আনি হাইডিৰ বস্তুবোৰ ভৰোৱাৰ ব্যৱস্থা কৰিবলৈ তাই কলে যাতে হাইডিয়ে ভাল পোৱা বস্তু কেতবোৰ তায়ো তাত ভৰাই দিব

পাৰে। দেউতাকে বিনাদ্বিধাই তাইৰ সেই প্ৰস্তাৱটো মানি ললে আৰু আনকি হাইডিক ধুনীয়া সাজ এটা দিবলৈ জীয়েকক কলে।

ইতিমধ্যে ডেটে মাহীয়েক আহি বৰ আশাৰে দুৱাৰমুখত থিয় হ'ল। তাই ভাবিলে ইমান অস্বাভাৱিক সময়ত মাতিছে যেতিয়া হাইডিৰ বাবে অসাধাৰণ ভাল কিবা ঘটিছে। জেচেমান ডাঙৰীয়াই তাইক লগ ধৰিলেগৈ। তেখেতে হাইডিৰ অৱস্থাটো বৰ্ণনা কৰি মাহীয়েকক তেতিয়াই, তৎক্ষণাত ছোৱালীজনীক ঘৰলৈ ওভোতাই নিবলৈ কলে। এনে খবৰ আশা নকৰা মাহীয়েকজনী অতি হতাশ হৈ পৰা দেখা গ'ল। আল্মমামাকে 'মোৰ সমুখলৈ আৰু কাহানিও নাহিবি' বুলি তাইক কোৱা শেহৰ কথাখিনি তাইৰ স্পষ্টকৈ মনত আছিল। এবাৰ ছোৱালীজনীক ককাকৰ তাত থৈ পিছত লৈ আহি এতিয়া আকৌ থবলৈ যোৱাটো সমীচিন নহব বুলি তাই ভাবিলে। গতিকে তাই কথাটো আৰু বেছি নাভাবি অতি নিষ্ঠাৰে যেনকৈ কলে যে দুৰ্ভাগ্যবশতঃ তাই সেইদিনাই যাত্ৰা কৰা কোনোমতে সম্ভৱ নহয়; পিছৰ দিনা তেনে সম্ভাৱনা আৰু কম; তাৰ পিছৰ দিনাও তাই কৰিবলগীয়া কাম অলেখ আছে কাৰণে সেইদিনা তাই যোৱা একেবাৰেই অসম্ভৱ; তাৰ পিছতো তাই যাব পৰাকৈ অৱস্থাৰ চাগৈ উন্নতি নহব।

জেচেমান ডাঙৰীয়াই মাহীয়েকৰ ফাকতি বুজি পালে। তেখেতে তাইক আৰু একো নোকোৱাকৈ বিদায় কৰিলে। তাৰ পিছত তেখেতে চেবাষ্টিয়ানক মতাই আনি ভ্ৰমণত ওলাবলৈ তাক তৎক্ষণাত সাজু হবলৈ কলে। সি সিদিনাই আইকণক লৈ গৈ বাজেল পাবগৈ আৰু পাচদিনা তাৰপৰা গৈ তাইক ঘৰত থৈ সি লগে লগে উভতিব পাৰিব। জেচেমান ডাঙৰীয়াই তাইৰ ককাকলৈ লিখা চিঠিখনত সকলো ব্যাখ্যা কৰিব যেতিয়া সি তাইৰ ককাকক একো নকলেও হব।

শেহত জেচেমান ডাঙৰীয়াই কলে, "চেবাষ্টিয়ান, এটা কাম অতি গুৰুত্বপূৰ্ণ। তুমি এই কামটো অতি সাৱধানে কৰাটো মই বিচাৰোঁ। বাজেলত মোৰ চিনাকি হোটেল এটা আছে। মোৰ এই কাৰ্ডখনত সেইটোৰ নাম লিখি দিছোঁ। মোৰ কাৰ্ডখন দেখুৱালে সিহঁতে ছোৱালীজনীৰ বাবে ভাল কোঠা এটা দিব। তুমি নিজৰ বাবে কিবা এটা বন্দবস্ত কৰিবা। প্ৰথমতে তুমি তাইৰ কোঠাটোলৈ গৈ খিড়িকীবোৰ ইমান কপ্‌কপীয়াকৈ মাৰিবা যাতে অতি জোৰ নলগালে সেইবোৰ খুলিব নোৱাৰি। ছোৱালজনী শোৱাৰ পাছত কোঠাটোৰ দুৱাৰখনো বাহিৰৰ পৰা বন্ধ কৰিবা। ছোৱালীজনীয়ে নিশা অনাই-বনাই ফুৰে। তাত তাই কোঠাটোৰ পৰা ওলাই আচহুৱা ঘৰ এটাৰ ঘাই দুৱাৰখন খুলিবলৈ গলে সৰ্বনাশ হব পাৰে। বুজিলানে?"

“অ’ সেয়াহে তেন্তে। সেয়াহে তেন্তে!” ভূতৰ ৰহস্যটো তেতিয়াহে বুজি অতি আচৰিত হৈ চেবাষ্টিয়ানে ডাঙৰকৈ কৈ উঠিল।

“এৰা, কথাটো সেয়াই। তুমি এটা কাপুৰুষ। য়োহানক ক’বা, সিও একেই। তোমালোক জাকেই হাঁহিয়াতৰ পাত্ৰ।” এইবুলি কৈ তেখেত পঢ়া-কোঠালৈ গৈ আন্মমামালৈ চিঠিখন লিখিবলৈ বহিল।

চেবাষ্টিয়ানে বিস্ময়-চকিত হৈ কোঠাটোৰ মাজত থিয় হৈ থাকি বাৰে বাৰে দোহাৰিব ধৰিলে, ‘কাপুৰুষ যোহানে মোক খুন্দিয়াই কোঠাটোত সুমুৱালেও মই ওলাই গৈ অকমানি বগা মূৰ্ত্তিটোৰ পিছ লোৱা হ’লে! মই নিশ্চিতকৈ তাকে কৰিব লাগিছিল।’

এতিয়া দিনৰ উজ্জ্বল পোহৰত অন্ধকাৰ কোঠাটোৰ চুক-কোণবোৰ উদ্ভাসিত হোৱা কাৰণে তাৰ সাহ বাঢ়িছিল।

টিনেটে আহি হাইডিক জগাই তাইৰ কাপোৰ-কানি আলমাৰিটোৰ পৰা উলিয়াই হাইডিক ধুনীয়া ফ্ৰক এটা পিন্ধাই একো নোকোৱাকৈ গুছি গৈছিল। টিনেটেই হাইডিৰ দৰে অজ্ঞ ছোৱালীক হেয়জ্ঞান কৰি সিহঁতৰ লগত কথা নাপাতিছিল। সেয়ে ঘৰখনত লগা হুলস্থূলৰ কোনো উম্-ঘাম নোপোৱা হাইডিয়ে নিজৰ কোঠাটোত চুপ্চাপ্ বহি আছিল।

চিঠিখন লৈ জেচেমান ডাঙৰীয়া খোৱা-কোঠালৈ গ’ল। প্ৰাতঃভোজনৰ বস্তুবোৰ ইতিমধ্যে তাত যতনাই থোৱা আছিল। তেখেতে সুধিলে, “আইকণ ক’ত?”

হাইডিক মতা হ’ল। তাই তেখেতক প্ৰাতঃসম্ভাষণ জনাওঁতে তেখেতে তাইৰ মুখলৈ জিজ্ঞাসু দৃষ্টিৰে চালে। “এধানমানি, এই বিষয়ে তুমি কি কোৱা?”

তাই আচৰিত হৈ তেখেতৰ মুখলৈ চালে।

“অ’, তুমি এতিয়াও গমেই পোৱা নাই হ’বলা?” জেচেমান ডাঙৰীয়াই হাঁহি কলে। “তুমি আজি ঘৰলৈ যাবাগৈ। এতিয়াই।”

“ঘৰলৈ?” দুৰ্বল মাতেৰে হাইডিয়ে দোহাৰিলে আৰু বৰফৰ দৰে বগা পৰি গ’ল। খন্তেকলৈ তাইৰ উশাহ বন্ধ হৈ যোৱা যেন হ’ল।

“এই বিষয়ে তুমি একো জানিব নোখোজানে?” জেচেমান ডাঙৰীয়াই হাঁহিয়েই সুধিলে।

‘হয়, খোজোঁ,” তাই উশাহ লব পৰা হ’ল আৰু তেনেই ৰঙা পৰি গ’ল।

“বেচ, বেচ্” জেচেমান ডাঙৰীয়াই উৎসাহ দি কলে। তেখেত নিজে এখন চকীত বহি তাইকো বহিবলৈ ইঙ্গিত দিলে। “এতিয়া পেট ভৰাই খাই লোৱা। তাৰ পিছত বাগীত উঠি যোৱাগৈ।”

তেখেতৰ কথা মানি তাই খাবলৈ যিমানেই জোৰকৈ চেষ্টা নকৰক কিয়, তাই এগৰাহো গিলিব নোৱাৰিলে। অতিমাত্ৰা উত্তেজনাত তাই সাৰেই আছে নে সপোনেই দেখিছে, নে যোৱা কেইৰাতিৰ দৰে হঠাতে সাৰ পাই ৰাতি পিন্ধা গাউনটো পিন্ধি অট্টালিকাটোৰ দুৱাৰমুখত নিজকে থিয় হৈ থকা পাব তাই ধৰিব নোৱৰা হ'ল।

ঠিক তেনেতে কুমাৰী ৰোটেন্‌মায়াৰ কোঠাটোত সোমোৱা দেখি জেচেমান ডাঙৰীয়াই তেওঁক কলে, "আইকণে খাবলৈ নোৱাৰিলে; নোৱাৰেও অৱশ্যে। সেয়ে চেবাষ্টিয়ানে দুপৰীয়াৰ আহাৰ যথেষ্ট পৰিমাণে নিব লাগিব।" তাৰ পিছত হাইডিৰ পিনে ঘূৰি তেখেতে মৰমেৰে কলে, "বাগীখন আহে মানে ক্লাৰাৰ লগত থাকাঁগৈচোন।"

হাইডিয়ে তাকে কৰাৰ কথা ভাবি আছিল বাবে তাই দৌৰি ওলাই গ'ল। ক্লাৰাৰ কোঠাটোৰ মাজত বিৰাট ট্ৰাঙ্ক এটা আছিল আৰু সেইটোৰ ঢাকনীখন তেতিয়াও পুৰা খোলা আছিল। "হাইডি, আহাঁ, আহাঁ। তোমাৰ কাৰণে মই কি কি ভৰাইছোঁ চোৱাঁহিচোন," ক্লাৰাই তাইক মাতিলে। "আহাঁ; তোমাৰ ভাল লাগিছেনে?" এইবুলি ক্লাৰাই তাইক বহুতো বস্তু দেখুৱালে, সাজপাৰ, এপ্ৰণ, অন্তৰ্বাস, চিলাই কৰা সঁজুলি—"আৰু এইয়া চোৱাঁ," বুলি বিজয়ৰ উল্লাসেৰে তাই পাচি এটা ডাঙি ধৰিলে। হাইডিয়ে পাচিটোৰ ভিতৰলৈ ভুমুকিয়াই ফুৰ্তিত ওপৰলৈ জাঁপ মাৰিলে। তাত আইতাকৰ বাবে বাৰটা ধুনীয়া, বগা, ঘূৰণীয়া, ৰোল আছিল।

আনন্দত ছোৱালীদুজনীয়ে সিহঁতৰ এৰা-এৰি হোৱাৰ সময় অহাৰ কথা পাহৰি গৈছিল। গতিকে 'বাগীখন সাজু' বুলি কোৱা শুনোঁতে বিদায়ৰ পৰৰ শোক অনুভৱ কৰিবলৈ দুয়ো আহৰি নাপালে।

হাইডি দৌৰি তাইৰ কোঠালৈ গ'ল। আইতাকে দিয়া সুন্দৰ কিতাপখন নিশ্চয় তেতিয়াও তাতেই আছিল। সেইখন ভৰাবলৈ আনে পোৱা নাছিল। সেইখন দিনে-ৰাতি তাই এৰি থাকিবলৈ নোৱাৰিছিল কাৰণে সেইখন সদায় তাইৰ গাৰুৰ তলত থৈছিল। সেইখন লৈ তাই ৰোলৰ পাচিটোৰ ওপৰত থলে। তাৰ পিছত তাই আলমাৰিটো খুলি ট্ৰাঙ্কত ভৰাবলৈ কিবা বৈ গ'ল নেকি চালে। এৰা, সেই পুৰণি ৰঙা শালখন তেতিয়াও তাতেই আছিল। কুমাৰী ৰোটেন্‌মায়াৰে সেইখন ভৰোৱাৰ যোগ্য বুলি ভবা নাছিল। হাইডিয়ে সেইখনেৰে আৰু কিবা এটা মেৰাই পাচিটোৰ ওপৰত থলে। ফলত ৰঙা টোপোলাটো সহজতে চকুত পৰা হৈ থাকিল। তাৰ পিছত তাই ধুনীয়া টুপীটো পিন্ধি কোঠাটোৰ পৰা ওলাই গ'ল।

ছোৱালীদুজনীয়ে খৰখৰকৈ পৰস্পৰক বিদায় সম্ভাষণ জনাবলগীয়া হ'ল

কাৰণ, হাইডিক বাগীত তুলি দিবলৈ তললৈ লৈ যাবলৈ জেচেমান ডাঙৰীয়া ইতিমধ্যেই ক্লাৰাৰ কোঠাত সোমাইছিল। হাইডিক বিদায় সম্ভাষণ জনাবলৈ কুমাৰী ৰোটেন্‌মায়াৰ খট্‌খটিৰ মূধত থিয় হৈ আছিল। তেওঁ অদ্ভুত, ৰঙা টোপোলাটো দেখি সেইটো পাচিটোৰ পৰা তৎক্ষণাত থাপ মাৰি তুলি লৈ মজিয়াত পেলাই দিলে। তেতিয়াও হাইডিৰ দোষ ধৰি তেওঁ কলে, "ওহোঁ, আডেল্‌হাইড, এনেবোৰ বস্তু লৈ তুমি এইখন ঘৰৰ পৰা যাবলৈ নোৱৰা।"

সেইবাৰ শুনি হাইডিয়ে ৰঙা টোপোলাটো তুলি লবলৈ সাহ নকৰিলে। কিন্তু তাই ঘৰখনৰ গিৰিহঁতগৰাকীলৈ এনে কাতৰ অনুনয়ৰ চাৱনিৰে চালে যেন কোনোবাই তাইৰ সবাতোকৈ মূল্যবান সম্পত্তিখিনিহে কাঢ়ি লৈ গ'ল।

"ওহোঁ, ওহোঁ," তেখেতে দৃঢ়তাৰে কলে। "আইকণে যি ভাল পায় তাকে ঘৰলৈ নিয়ক। কুমাৰী ৰোটেন্‌মায়াৰ, তাই মেকুৰী পোৱালী আৰু কাছ নিলেও আমি উত্তেজিত হব নালাগিব।"

হাইডিয়ে সাউৎকৈ টোপোলাটো মজিয়াৰ পৰা তুলি ললে। আনন্দ আৰু কৃতজ্ঞতাত তাইৰ চকুযোৰ জল্‌মলাই উঠিল। হাইডি গৈ বাগীখনৰ কাষ পাওঁতে জেচেমান ডাঙৰীয়াই তাইৰ লগত কৰমৰ্দন কৰিলে। তেখেতে বন্ধুভাৱে তেখেতৰ আৰু ক্লাৰাৰ কথা মনত ৰাখিবলৈ তাইক কলে। তেখেতে তাইৰ শুভ যাত্ৰাও কামনা কৰিলে। তাইলৈ তেখেতৰ মৰমৰ বাবে হাইডিয়ে তেখেতক অতি সুন্দৰকৈ ধন্যবাদ জনালে। শেহত তাই কলে, "অনুগ্ৰহকৈ ডাক্তৰ ডাঙৰীয়াক মোৰ হাজাৰটা বিদায় সম্ভাষণ আৰু অসংখ্য ধন্যবাদ জনায় যেন।" কাৰণ আগদিনা ৰাতি তেখেতে তাইক 'কাইলৈ সকলো ঠিক হৈ যাব' বুলি কোৱা তাইৰ মনত আছিল। সেইবাৰ ফলিয়ালে যেতিয়া উভতনিৰ মূলতে তেখেতেই বুলি হাইডিয়ে ধৰি লৈছিল।

তাইক বাগীত তুলি দিয়া হ'ল; ট্ৰাঙ্ক আৰু পাচিটোও থোৱা হ'ল; চেবাষ্টিয়ানো বহিলগৈ। জেচেমান ডাঙৰীয়াই "তোমাৰ যাত্ৰা আনন্দৰ হওক" বুলি আকৌ এবাৰ মৰমেৰে শুভকামনা জনালে। বাগীখন এৰি দিলে।

কিছুপৰ পিছত কোলাত পাচিটো সাৱধানে লৈ হাইডি ৰেলত বহিল। পাচিটোত আইতাকৰ বাবে মহামূল্যৰ বগা ৰোলবোৰ আছিল কাৰণে সেইটো তাই খন্তেকলৈও হাতৰ পৰা নমাই থবলৈ খোজা নাছিল। তাই মাজে মাজে ৰোলবোৰ সস্নেহে চাই তাইৰ চকুযোৰক তৃপ্তি দিছিল। ৰেলত তাই কেইবাঘন্টাও নিগনিৰ দৰে একেবাৰেই নীৰৱ হৈ বহি ৰ'ল। তাই তেতিয়াহে উপলব্ধি কৰিলে যে তাই অৱশেষত ঘৰলৈ, আল্মত থকা ককাক, আইতাক আৰু ছাগলীৰখীয়া পিটাৰৰ কাষলৈ ওলাইছে। ঘৰলৈ গৈ দেখা পাব বুলি তাই ভবা মানুহবোৰ আৰু দৃশ্যবোৰ এটাৰ পিছত এটাকৈ তাইৰ চকুৰ আগত

ভাহিবলৈ ধৰিলে; ইমানদিনৰ পাছত সেইবোৰ তেতিয়া দেখিবলৈ কেনে হ'ব তাই কল্পনা কৰিবলৈ ধৰিলে; নতুন, নতুন চিন্তা তাইৰ মনত খেলাবলৈ ধৰিলে। হঠাতে তাই উদ্বিগ্ন হৈ চেবাষ্টিয়ানক সুধিলে, "চেবাষ্টিয়ান, আল্মৰ আইতা ঢুকোৱা নাই বুলি তুমি সঠিককৈ জানানে?"

"নাই, ঢুকোৱা নাই," তাইক আশ্বস্ত কৰিবলৈ চেবাষ্টিয়ানে ক'লে। "তেনে নোহোৱাটোৱেই আমি আশা কৰিছোঁ। তেওঁ নিশ্চয় জীয়াই আছে।"

তেতিয়া হাইডি পুনৰায় নিজৰ চিন্তাত মগ্ন হ'ল। কিন্তু মাজে মাজে তাই পাচিটোত ভুমুকি মাৰিয়েই থাকিল। তাইৰ আটাইতকৈ ডাঙৰ আকাঙ্খা আছিল আইতাকৰ টেবুলত গোটেইকেইটা ৰোল একেলগে থোৱাটো। কিছুপৰ পিছত তাই আকৌ ক'লে, "চেবাষ্টিয়ান, আইতা জীয়াই থকা বুলি একদম নিশ্চয়কৈ যদি জানিলোঁহেঁতেন!"

"এৰা, এৰা", কলমটিয়াই থকা চেবাষ্টিয়ানে ক'লে। "তেওঁ জীয়াই আছে; তেওঁ জীয়াই নথকাৰ কোনো কাৰণ নাই।"

অলপ পিছতে হাইডিৰো টোপনি আহিল। আগৰাতিৰ হুলস্থুল আৰু পুৱাৰ ব্যতিব্যস্ততাৰ বাবে এতিয়া তাইৰ টোপনি আহিল। সেয়ে চেবাষ্টিয়ানে হাতত ধৰি জোকাৰি "উঠা, উঠা, বাজেল পালোঁহি" বুলি কওঁতেহে তাই সাৰ পালে।

পিচদিনা এখন বেলেগ ৰেলেৰে সিহঁত মেইৱাফল্টাও গ'ল। হাইডিয়ে চেবাষ্টিয়ানক পাচিটো লবলৈ নিদি নিজৰ কোলাতে ৰাখিলে। আজি ঘণ্টাই ঘণ্টাই তাইৰ ব্যগ্ৰতা বেছি ঘন হবলৈ ধৰিলে। সেয়ে তাই আজি একেবাৰেই কথা নাপাতিলে। মায়েনফেল্ডত ৰেলৰ পৰা নমা-চমাৰ কথা তাইৰ মুৰত নেখেলাওঁতেই তাই হঠাতে 'মায়েনফেল্ড, মায়েনফেল্ড' বুলি চিঞৰা শুনিলে। তাই বহাৰপৰা জাঁপ মাৰি উঠিল। চেবাষ্টিয়ানেও তাকে কৰিলে কাৰণ সিও আচৰিত হৈছিল। ট্ৰাঙ্কটো লৈ সিহঁত ৰেলৰ বাহিৰত থিয় হ'ল আৰু উকি এটা মাৰি ৰেলখন আকৌ চলিবলৈ ধৰিলে। চেবাষ্টিয়ানে যাবলৈ ধৰা ৰেলখনলৈ বৰ হেঁপাহেৰে চালে। এই আধা-জঙ্গলী দেশখনত খোজ কাঢ়ি আৰু শেহত পৰ্বত বগাই কষ্ট কৰা আৰু বিপদ মাতি অনাতকৈ ৰেলেৰে ভ্ৰমণ কৰাই সি পছন্দ কৰিছিল। সেয়ে তাৰ পৰা ডৰ্ফলিলৈ যাব পৰা আটাইতকৈ নিৰাপদ বাটটোৰ বিষয়ে পৰামৰ্শ কৰিবলৈ সি সাৱধানে চাৰিওপিনে চালে। এনেতে সি ষ্টেচনটোৰ পৰা অলপ আঁতৰত ক্ষীণ ঘোঁৰা এটা বন্ধা থকা সৰু চাৰিচকীয়া গাড়ী এখন দেখিলে। বিশাল কান্ধৰ মানহু এজনে ৰেলৰ পৰা নমোৱা ডাঙৰ থৈলা কিছুমান সেইখনত লাদি আছিল। চেবাষ্টিয়ান তেওঁৰ কাষলৈ গৈ বাটটোৰ কথা সুধিলে।

"ইয়াৰ সকলো বাটেই নিৰাপদ", তেওঁ চুটি উত্তৰ দিলে।

তেতিয়া চেবাষ্টিয়ানে তেওঁক পৰ্বতৰ থিয় গৰাৰে বাগৰি নপৰাকৈ যাব পৰা বাটৰ কথা আৰু ডৰ্ফলিলৈ ট্ৰাঙ্কটো নিয়াৰ উপায়ৰ কথা সুধিলে। মানুহটোৱে ট্ৰাঙ্কটোলৈ চাই সেইটোৰ আয়তন অনুমান কৰিলে। তাৰ পিছত তেওঁ কলে যে তেওঁ নিজে ডৰ্ফলিলৈ যাব যেতিয়া ট্ৰাঙ্কটো বৰ গধুৰ নহলে তেওঁৰ গাড়ীতেই লৈ যাব পাৰিব। তেতিয়া দুয়ো কথা-বতৰা পাতি ঠিৰাং কৰিলে যে মানুহজনে ছোৱালীজনীক আৰু ট্ৰাঙ্কটো ডৰ্ফলিলৈ নিব আৰু তেওঁ ছোৱালীজনীক সেইদিনা আবেলি কাৰোবাৰ লগত আল্মলৈ পঠিয়াই দিব।

সিহঁতে দৰাদৰি কৰি থকা কথাবোৰ হাইডিয়ে মনোযোগেৰে শুনি আছিল। সেয়ে তাই ক'লে, "ডৰ্ফলিৰ পৰা আল্মলৈ যোৱা বাট মই চিনি পাওঁ। মই অকলে যাবলৈ পাৰিম।" পৰ্বত বগোৱাৰ সম্ভাৱনাৰপৰা হঠাতে ৰক্ষা পাই চেবাষ্টিয়ানৰ মনৰ গধুৰ বোজা এটা যেন নামিল। সি হাইডিক ইঙ্গিতেৰে একাষৰীয়াকৈ মাতি নি এটা গধুৰ পেকেট আৰু ককাকলৈ লিখা চিঠি এখন দিলে। সি তাইক বুজাই কলে যে পেকেটটো জেচেমান ডাঙৰীয়াই তাইক দিয়া উপহাৰ। সেইটো তাই পাচিটোৰ তলিত ৰোলবোৰৰ তলত ভালকৈ ভৰাই লয় যেন। সেইটো যাতে নেহেৰায় সেই বিষয়ে তাই অতি সাৱধান হ'ব লাগিব। হেৰালে জেচেমান ডাঙৰীয়াই মাৰাত্মক খং কৰিব আৰু গোটেই জীৱনতে সেই কথাটো নাপাহৰিব। অকমানি মামজেলে এইযাৰ কথা নিশ্চয় মনত ৰাখিব।

"মই কোনোপধ্যে নেহেৰুৱাওঁ", হাইডিয়ে ভাৰসা দি সমিধান দিলে আৰু বস্তু দুটা পাচিটোৰ তলিত থলে। ট্ৰাঙ্কটো গাড়ীত তোলা হ'ল। চেবাষ্টিয়ানে হাইডিক পাচিটোৰ সৈতে দাঙি ওখ চিটটোত বহুৱালে। তাৰ পিছত সি বিদায় জনাবলৈ কৰমৰ্দন কৰিলে। কচোৱানজন কাষত থকা কাৰণে সি নানা ধৰণৰ আকাৰে-ইঙ্গিতে পাচিৰ বস্তুবোৰত চকু দিয়াৰ কথা হাইডিক আকৌ সোঁৱৰাই দিলে। আচলতে হাইডিৰ যাত্ৰাৰ শেহলৈকে সি তাইৰ লগত যাব লাগিছিল বুলি জনা কাৰণে সি অলপ বেছি সতৰ্ক হৈছিল। কচোৱানজন জাঁপ মাৰি উঠি হাইডিৰ কাষৰ চিটটোত বহিল আৰু গাড়ীখন পৰ্বতমুৱা হৈ যাত্ৰা কৰিলে। এটা ভয়াবহ কামৰ পৰা ৰক্ষা পোৱাৰ ফূৰ্তিত চেবাষ্টিয়ানে ষ্টেচনত বহি ঘূৰি যোৱা ৰেলখনলৈ অপেক্ষা কৰিবলৈ ধৰিলে।

কচোৱানজন ডৰ্ফলিৰ কটিৱালা আছিল। তেওঁ ষ্টেচনৰ পৰা ময়দাৰ বস্তা লৈ ঘৰমুৱা হৈছিল। তেওঁ হাইডিক আগতে দেখা নাছিল কিন্তু ডৰ্ফলিৰ সকলোৰে দৰে আল্মমামাকৰ তাত থকা অকণমানিজনীৰ কথা জানিছিল। তদুপৰি তেওঁ হাইডিৰ বাপেক-মাকক চিনি পাইছিল কাৰণে এইজনীয়েই সেই

বহু-আলোচিত ছোৱালীজনী বুলি তেওঁ তৎক্ষণাত আন্দাজ কৰিলে। অকণমানিজনী ইমান সোনকালে কিয় ঘৰলৈ উভতিল জানিবলৈ তেওঁ কৌতূহলী হ'ল। তেওঁ গৈ থাকোঁতে হাইডিৰ লগত কথা পাতিবলৈ আৰম্ভ কৰিলে। গাড়ীৰ ঘৰ্ঘৰণি তল পেলাই তেওঁ চিঞৰি সুধিলে, "আল্মৰ ওপৰত তোমাৰ ককাৰা আল্মমামাৰ তাত থকা অকণমানিজনী তুমিয়েই নোহোৱানে?"

"ময়েই।"

"ইমান সোনকালে ইমান দূৰৰ পৰা যে উভতিলা, তাত ভাল কৰিব নোৱাৰিলা নেকি?"

"ওহোঁ, কথা সেইটো নহয়। ফ্ৰাঙ্কফুৰ্টত মোতকৈ বেছি ভালকৈ কোনো থাকিব নোৱাৰে।"

"তেন্তে উভতিছা কিয়?"

"জেচেমান ডাঙৰীয়াই মোক আহিবলৈ অনুমতি দিয়া কাৰণেহে আহিলোঁ। নহলে নাহিলোঁহেঁতেন।"

"বাঃ। তোমাক 'অনুমতি' দিয়া কাৰণেহে অহা বুলিলা যে, তুমি তাত থকাটো পছন্দ নকৰিলা কিয়?"

"কাৰণ পৃথিৱীৰ আন যি কোনো ঠাইত থকাতকৈ আল্মত ককাৰ ঘৰত মই হাজাৰ গুণ বেছিবাৰ থাকিম।"

"সেইখিনি পোৱাৰ পিছত তোমাৰ কিজানি মত সলনি হ'ব,' ৰুটিৱালাই ভোৰভোৰালে। "কিন্তু মোৰ সন্দেহ", ৰুটিৱালাই নিজকে ক'লে, "তাৰ অৱস্থাটো তাই নাজানিবও পাৰে।" তাৰ পিছত ৰুটিৱালাই সুহুৰিয়াবলৈ আৰম্ভ কৰিলে আৰু আন কথা নাপাতিলে।

হাইডিয়ে চৌদিশে চালে আৰু উত্তেজনাত তাই ভিতৰে ভিতৰে কঁপিবলৈ ধৰিলে। বাটৰ কাষৰ গছবোৰ তাই চিনি পালে। ওপৰৰ ফাহ্নিচৰ ওখ ওখ টিংবোৰে তলমূৰা হৈ তাইলৈ চাই পুৰণি, ঘনিষ্ঠ বন্ধুৰ দৰে তাইক আদৰণি জনোৱা যেন তাই পালে। উত্তৰত তায়ো সম্ভাষণ জনালে। প্ৰতিখোজ আগবঢ়াৰ লগে লগে তাইৰ প্ৰত্যাশা প্ৰৱলতৰ হবলৈ ধৰিলে আৰু গাড়ীখনৰ পৰা জঁপিয়াই নামি পাৰে মানে বেগাই আল্মলৈ লৰি যাবলৈ তাইৰ মন গ'ল। তাই অৱশ্যে চুপচাপ্ হৈ লৰচৰ নকৰাকৈ বহি থাকিল। তাইৰ দেহাটো কিন্তু কঁপিবলৈ ধৰিলে।

সিহঁত ডৰ্ফলিত সোমাওঁতে ঘন্টাত আবেলি পাঁচটা বজাৰ কোব পৰিল। ৰুটিৱালাৰ গাড়ীত ছোৱালীজনী আৰু ট্ৰাঙ্কটো দেখি তাত বৈ থকা তিৰোতা আৰু ল'ৰাৰ জুমটোৱে খন্তেকতে গাড়ীখন আগুৰি ধৰিলে। ওচৰ-পাজৰৰ ঘৰৰ মানুহবোৰো তালৈ ওলাই আহিল। সিহঁত কৰপৰা আহিল আৰু কলৈ যাব প্ৰত্যেকেই জানিব খুজিলে।

ৰুটিৱালাই হাইডিক নমালত তাই লৰালৰিকৈ তেওঁক ক'লে, "ধন্যবাদ। ককা আহি ট্ৰাঙ্কটো লৈ যাব।" এইবুলি তাই লৰিবলৈ খোঁজোতেই জুমটোৱে সকলোপিনৰ পৰা তাইক ভালকৈ ঘেৰি ধৰিলে। সিহঁতৰ প্ৰত্যেকেই তাইক বেলেগ বেলেগ কিবা সোধা কাৰণে হুলস্থুল লাগি গ'ল। কিন্তু জুমটোৰ মাজেৰে ওলাই যাবলৈ উদ্বিগ্ন হৈ হাইডিয়ে ইমান হেঁচা-ঠেলা লগালে যে জুমটোৱে অনিচ্ছা স্বত্বেও তাইক বাট এৰি দিলে। মানুহবোৰে তেতিয়া পৰস্পৰক কলে, "তাই কিমান ভয় খাইছে দেখিছানে? ভয় খোৱাৰ কাৰণো আছে আকৌ।"

তাৰ পিছত জুমটোৱে কোৱাকুই আৰম্ভ কৰিলে ঃ যোৱা গোটেই বছৰটো আল্মমামা আগতকৈ বেয়া হ'ল; কাৰো লগত কথা এষাৰো নপতা হ'ল; কোনোবা তেওঁৰ আগত পৰিলে তেওঁ এনে মূৰ্ত্তি ধৰা হ'ল যেন তেওঁ তাক মাৰিয়েই পেলাব; ছোৱালীজনীয়ে এইবোৰ গম পালে নিশ্চয় ড্ৰেগনৰ ঠাইলৈ দৌৰি নগ'লহেঁতেন। সেইখিনিতে ৰুটিৱালাই সিহঁতৰ কথাত বাধা দিলে। তেওঁ কলে যে এই বিষয়ে বাকী সকলোতকৈ তেওঁ বেছি জানে। ৰহস্যজনক কথা কোৱাৰ সুৰত তেওঁ কলে যে ভদ্ৰলোক এজনে তাইক মায়েনফেল্ড পৰ্য্যন্ত আগবঢ়াই থৈ গৈছে; সেইজনে তাইৰ পৰা অতি মৰম-চেনেহেৰে বিদায় লৈছে; সেইজনে কোনো দৰাদৰি নকৰি ৰুটিৱালাই বিচৰা ভাড়াখিনি লগে লগে দি দিয়াই নহয়, ফাও অলপো লগাই দিছে; তাতোকৈও ডাঙৰ কথা, তেওঁ নিশ্চিত যে ছোৱালীজনী তাত ভালেৰেই আছিল; কিন্তু ককাকৰ ওচৰলৈ ঘূৰি আহিবলৈ তাই উত্ৰাৱল হৈ উঠিছিল। এইবোৰ খবৰে সকলোকে আশ্চৰ্য্যচকিত কৰিলে। ডৰ্ফলিৰ সকলোতে কথাবোৰ লগে লগে বাষ্ট্ৰ হৈ গ'ল। সেইদিনা গধূলি ডৰ্ফলিত এনে এটা ঘৰ নাছিল য'ত হাইডিয়ে লাহ-বিলাহৰ জীৱন নেওচি ককাকৰ লগত থাকিবলৈ অহা কথাটোৰ পুনৰাবৃত্তি হোৱা নাছিল।

হাইডিয়ে ডৰ্ফলিৰ পৰা যিমান পাৰে সিমান বেগাই দৌৰি পৰ্বতত উঠিবলৈ ধৰিলে। তাই নিয়া পাচিটো তাইৰ বাবে গধুৰ আছিল। তাই যিমানেই ওপৰলৈ উঠিল, বাটটো ক্ৰমাৎ বেছি থিয়, বেছি গৰা হবলৈ ধৰিলে। সেয়ে তাই মাজে মাজে হঠাতে বৈ দম লবলগীয়া হ'ল। তাইৰ কিন্তু এটাই চিন্তা ঃ 'আইতাই নিজৰ চুকটোত বহি সূতা কাটি থকা পামনে? ইতিমধ্যে ঢুকাই থকা নাইতো?'

আল্মৰ দ' ঠাইখিনিত থকা জুপুৰিটো তাইৰ চকুত পৰিলত তাইৰ বুকু ধপ্‌ধপাবলৈ আৰম্ভ কৰিলে। তাই আৰু বেগাই লৰ ধৰিলে আৰু তাইৰ বুকুৰ ধপ্‌ধপনিও বাঢ়িবলৈ ধৰিলে। অৱশেষত তাই সেইখিনি পালেগৈ। কিন্তু তাই

ইমান কঁপিছিল যে তাই দুৱাৰখন খুলিব নোৱৰা যেন হ'ল— কিন্তু পাৰিলে। হাইডিয়ে সৰু কোঠাটোৰ মাজলৈ দৌৰি গৈ ৰ'ল; দম নোহোৱা হৈ, মাত নোলোৱা হৈ তাই তাতে থিয় দি ৰ'ল।

"হে ভগৱান," চুকটোৰ পৰা মাত এটা শুনা গ'ল। "আমাৰ হাইডিজনীয়েও এনেকৈ লৰি আহিছিল। জীয়াই থাকোঁতে মই তাইক আকৌ এবাৰ পোৱা হলে। সেইয়া কোন?"

"মই আইতা, এইয়া সঁচাকৈয়ে মই," হাইডিয়ে আবেগত কৈ উঠিল। লগে লগে তাই চুকটোলৈ লৰি গৈ আইতাকৰ কোলাত বহিল। তেওঁৰ বাউসি আৰু হাতত ধৰি, আইতাকৰ গা ঘঁহাই বহি আনন্দত তাই মাতিব নোৱৰা হ'ল। আইতাকো পোনতে আবেগত ইমান বিহ্বল হ'ল যে তেওঁৰ মুখেৰেও এটাও শব্দ নোলাল। তেওঁ হাতেৰে হাইডিৰ কেঁকোৰা চুলিখিনি লিৰিকি-বিদাৰি বাৰে বাৰে কবলৈ ধৰিলে, "অঁ, অঁ, এইয়া তাইৰে চুলি। এইয়া তাইৰে মাত। হে প্ৰভু, মোৰ প্ৰাৰ্থনা আপুনি পূৰ্ণ কৰিলে।" পুলকত তেওঁৰ অন্ধ দুচকুৰ পৰা নিগৰি পৰা দুটোপ চকুলো হাইডিৰ হাতত পৰিল।

"হাইডি, তুমি ইয়াতনে? সঁচাকৈয়ে ইয়াতনে?"

"অঁ, অঁ, সঁচাকৈয়ে মই আইতা, ময়েই" হাইডিয়ে আইতাকক পুনৰ ভাৰসা দি কলে। "নাকান্দিবা আইতা, মই ইয়াত থাকিম বুলিয়েই আহিছোঁ। মই সদায় তোমাৰ ইয়ালৈ আহিম। মই আৰু কাহানিও আল্পৰ পৰা আঁতৰি নাযাওঁ। তুমি আৰু বহুদিনলৈ টান ৰুটি খাব নালাগে। চোৱাঁ আইতা, চোৱাঁচোন।" এইবুলি হাইডিয়ে পাচিটো খুলি এটা এটাকৈ বাৰটা ৰোল আইতাকৰ কোলাত থলে।

এটাৰ পিছত এটাকৈ ৰোলবোৰ দি থাকোঁতে আইতাকে কবলৈ আৰম্ভ কৰিলে, "তুমি মোলৈ যে কি আশীৰ্বাদ লৈ আহিছা। কিন্তু সবাতোকৈ ডাঙৰ আশীৰ্বাদ আইকণ তুমি নিজেই।" এইবুলি তেওঁ হাইডিৰ কেঁকোৰা চুলিবোৰ চুই আৰু তাইৰ গৰম হৈ পৰা গালত টুকুৰিয়াই মৰম কৰি আকৌ ক'লে, "তুমি কিবা এবাৰ কোৱা সোণজনী যাতে তোমাৰ মাত মই আকৌ এবাৰ শুনোঁ।"

তাই আঁতৰত থাকোঁতে আইতাক ঢুকাই থাকিব পাৰে বুলি, তেওঁ বগা ৰোল আৰু খাবলৈ নাপাব বুলি আৰু তায়ো কাহানিও তেওঁৰ ওচৰলৈ অহাৰ থল নাথাকিব বুলি ভাবি তাই কেনেকৈ যমৰ যাতনা ভুগিছিল তাই আইতাকক কলে। তেনেতে পিটাৰৰ মাক সোমাই আহি বিস্ময়ত মুহূৰ্তলৈ থৰ লাগিল। খন্তেক পাছতেই তেওঁ মাত দিলে, "আৰে, এইজনী হাইডিচোন। এইটো কেনেকৈ সম্ভৱ হ'ল?"

হাইডি উঠি বুঢ়িটেৰে কৰমৰ্দন কৰিলে। হাইডিৰ চেহেৰা দেখি বুঢ়িটে ৰব

আচৰিত হ'ল। তাই হাইডিৰ চাৰিওফালে ঘূৰি চাই কলে, "আইতা, হাইডিয়ে ইমান ধুনীয়া এসাজ পিন্ধি আহিছে আৰু দেখিবলৈ যে কি সুন্দৰ হৈছে! তুমি মাথোন এবাৰ দেখা হ'লে! মই এইক চিনিয়েই পোৱা নাছিলোঁ। টেবুলত থোৱা সৌ পাখি লগোৱা সৰু টুপীটোও তোমাৰেইনে? পিন্ধাচোন। তোমাক কেনে দেখি চাওঁ।"

"ওহোঁ, নিপিন্ধোঁ", হাইডিয়ে ছিদাংকৈ ক'লে। "মোক আৰু এইটো নালাগে। মোৰ নিজাটো আছেই।"

এইবুলি হাইডিয়ে টোপোলা খুলি তাইৰ পুৰণা টুপিটো উলিয়ালে। সেইটো ভ্ৰমণৰ কালছোৱাত আগতকৈও শোট-মোট খোৱা হৈ পৰিছিল। তাই কিন্তু সেই বিষয়ে মূৰ নঘমালে। তাই সিবাৰ ককাকৰ তাৰ পৰা আহোঁতে ককাকে মাহীয়েকক তাইৰ পাখি লগোৱা টুপিটো পিন্ধি তেওঁৰ তালৈ নাযাবলৈ কোৱাতো তাইৰ মনত আছিল। তাই ককাকৰ পঁজালৈ উভতি যাব বুলি সদায় ভবা কাৰণেই তাই পুৰণি টুপিটো ইমান সযতনে ৰাখিছিল। বৃগিটেই কিন্তু তাইক বুৰ্বকামি নকৰিবলৈ ক'লে। নতুন টুপিটো চালে চকু ৰোৱা। তাই নিজে পিন্ধিব নুখুজিলেও ডৰ্ফলিৰ শিক্ষকৰ জীয়েকক বেচিলে ভাল দাম পাব বুলি বৃগিটেই কলে। হাইডি কিন্তু তাইৰ কথাৰ পৰা নলৰিল। তাই টুপিটো আলফুলকৈ নি আইতাকৰ পিছ পিনে কাৰো চকুত নপৰা চুকটোত থলে। তাৰ পিছত হাইডিয়ে তাইৰ সুন্দৰ সাজটো খুলিলে; ৰঙা স্কাৰ্ফখন তাই কঁকালৰ তলৰ অন্তৰ্বাসৰ ওপৰত মেৰাই ললে; আৰু খালী বাউসিৰে থিয় হ'ল। তাই আইতাকৰ হাতত ধৰি ক'লে, "এতিয়া মই ককাৰ তালৈ যাওঁ। কাইলৈ আকৌ আহিম। শুভ ৰাত্ৰি আইতা!"

"এৰা, আকৌ আহিবা হাইডি; কাইলৈ পুৱা আকৌ আহিবা," আইতাকে কলে। হাইডিৰ হাতখন নিজৰ দুহাতত লৈ তেওঁ পিটিকি দিবলৈ ধৰিলে আৰু তাইক এৰি দিবলৈ তেওঁৰ সত নোযোৱা হ'ল।

"তোমাৰ ইমান ধুনীয়া সাজপাৰ কিয় খুলিলা?" আচৰিত হৈ বৃগিটেই সুধিলে।

"মই বৰং এনেকৈয়ে ককাৰ তালৈ যাম। নহলে ককাই মোক চিনি নাপাবও পাৰে। সেইয়া পিন্ধি থাকোতে তুমিয়েই দেখোন মোক প্ৰায় চিনি পোৱা নাছিলা।"

বৃগিটে হাইডিৰ লগত দুৱাৰমুখলৈ গ'ল আৰু ফুচ্‌ফুচাই ক'লে, "সেই সাজপাৰখিনি তুমি ৰাখিবা। তেওঁ তোমাক চিনি পাব। কিন্তু তুমি সাৱধান হৈ চলিবা। পিটাৰলিয়ে কোৱামতে আল্মমামা আজিকালি অতি ৰুষ্ট হৈ থাকে আৰু শব্দ এটাও উচ্চাৰণ নকৰে।"

হাইডিয়ে 'শুভ ৰাত্ৰি' জনাই হাতত পাচিটো ওলোমাই আকৌ পৰ্বত বগাবলৈ আৰম্ভ কৰিলে। আম্মৰ সেউজীয়া ঘাঁহনিবোৰত তেতিয়া বিয়লিৰ বেলিটো জল্‌মলাই আছিল। অদূৰত স্কেচাপ্লানাৰ টিকমিকাই থকা বৰফৰ পথাৰখন তাইৰ চকুত পৰিল।

তাই ওপৰলৈ গৈ থাকোঁতে ওখ টিংবোৰ তাইৰ পিছফালে পৰা কাৰণে তাই কেইখোজমানৰ মূৰে মূৰে বৈ ঘূৰি চৌদিশে চাইছিল। তেনেতেই ৰঙা কিৰণ এচেৰেঙা তাইৰ ভৰিৰ কাষৰ ঘাঁহত পৰিল। তাই ঘূৰিল। এই দৃশ্যটোৰ অপৰূপ সৌন্দৰ্য্য তাই পাহৰি গৈছিল আৰু সপোনতো এই ৰূপ কাহানিও দেখা নাছিল। তেতিয়া ফাল্কনিচৰ শিলাময় টিংবোৰ জ্বলন্ত জুই যেন হৈ আকাশলৈ উঠি গৈছিল; বহুত ওপৰত গোলাপী আভাৰ মেঘবোৰ এনি-তেনি ভাহি আছিল; আম্মৰ সকলোবোৰ ঘাঁহনি সোণোৱালী হৈ পৰিছিল আৰু বিভিন্ন উচ্চতাৰ পৰা জিলিকিবলৈ ধৰিছিল; নামনিৰ সুদূৰ-বিস্তৃত উপত্যকাখন সোণোৱালী ভাপত যেন সাঁতুৰি আছিল।

চৌপাশৰ এই ঐশ্বৰ্য্যমণ্ডিত পৰিবেশৰ মাজত থিয় হোৱা হাইডিৰ আনন্দৰ আৰু আবেগ-বিহ্বলতাৰ চকুলো তাইৰ দুগালেদি বাগৰি আহিল। নিজৰ অজানিতেই তাই হাতযোৰ কৰি ওপৰৰ স্বৰ্গলৈ চালে আৰু তাইক ঘৰলৈ উভোতাই অনা কাৰণে ভগৱানক ডাঙৰ ডাঙৰকৈ ধন্যবাদ জনালে। এই সকলোবোৰ এতিয়াও মহিমামণ্ডিত হৈ, আনকি তাই ভবাতকৈও বেছি মহিমামণ্ডিত হৈ আছে। এইবোৰ আকৌ তাইৰেই হ'ল। সেই মহিমামণ্ডিত পৰিবেশত তাই ইমান তৃপ্ত হ'ল আৰু নিজকে ইমান ঐশ্বৰ্যময়ী হোৱা বুলি ভাবিলে যে ভগৱানক তাইৰ মনৰ জোখাৰে ধন্যবাদ জনাবলৈ তাই শব্দ বিচাৰি নোপোৱা হ'ল।

চৌদিশৰ পোহৰ ম্লান হৈ আহিবলৈ নধৰালৈকে তাই তাৰ পৰা গুচি আহিব নোৱাৰিলে। তাৰ পিছত তাই ইমান বেগাই ওপৰলৈ লৰ ধৰিলে যে অলপ পাছতে পঁজাটোৰ চালৰ ওপৰৰ ফাৰগছ কেইজোপাৰ ডালবোৰ তাইৰ চকুত পৰিল। তাৰ পিছত চালখন, তাৰ পিছত গোটেই পঁজাটো আৰু শেহত সেইটোৰ কাষৰ বেঞ্চত পাইপ হুপি থকা ককাক তাইৰ চকুত পৰিল। গধূলিৰ বতাহত পঁজাটোৰ ওপৰৰ ডালবোৰ হালিজালি আৰু সোঁ-সোঁৱাই আছিল। তাই আৰু বেগাই লৰ ধৰিলে। ককাকে কোন আহিব ধৰিছে গম পোৱাৰ আগতেই তাই হুৰমুৰকৈ তেওঁৰ কাষলৈ গৈ পাচিটো মাটিত পেলাই দি বুঢ়াজনক সাবটি ধৰিলে। তেওঁক লগ পোৱাৰ প্ৰবল উত্তেজনাত তাই 'ককা, ককা, ককা,' বুলি কোৱাৰ বাহিৰে আন একো কৰলৈ নোৱৰা হ'ল।

ককাকো নিৰ্বাক হৈ গ'ল। বহুত বছৰৰ মূৰত তেওঁৰ দুচকু সেমেকি

উঠিল আৰু তেওঁ হাতেৰে চকু মচিবলৈ বাধ্য হ'ল। তাৰ পিছত তেওঁ লাহেকৈ ডিঙিৰ পৰা তাইৰ হাতদুখন এৰুৱাই তাইক নিজৰ আঁঠুত বহুৱাই লৈ তাইলৈ খন্তেকলৈ চালে। "তেন্তে তুমি ঘূৰি আহিলা হাইডি?" তেওঁ তেতিয়াহে কলে। "কি হ'ল? তোমাক বিশেষ একো ভাল দেখা নাই দেখোন। তোমাক তেওঁলোকে পঠাই দিলেনে?"

"ওহোঁ। তেনে নহয় ককা," হাইডিয়ে ততালিকে আৰু ছিদাংকৈ কলে। "কথাটো তেনে বুলি তুমি নাভাবিবা। ক্লাৰা, আইতা, জেচেমান ডাঙৰীয়া, তেওঁলোক আটায়ে ভাল মানুহ। কিন্তু জানা ককা, মইহে ইয়াৰ ঘৰলৈ আৰু তোমাৰ ওচৰলৈ নহাকৈ ৰব নোৱাৰা হলোঁ। তাত মাজে মাজে কিহবাই টেটুত চেপি ধৰা যেন, মোৰ উশাহ-নিশাহ বন্ধ হৈ যাব যেন লাগিছিল; কিন্তু মই তেওঁলোকক এইবোৰ একো কোৱা নাছিলোঁ কাৰণ সেইটো অশলাগীৰ কথা হলহেঁতেন। তাৰ পিছত হঠাতে যোৱাকালি নিচেই পুৱা জেচেমান ডাঙৰীয়াই মোক মাতি পঠালে। কিন্তু মোৰ মনে ধৰে, এইটোৰ মূলতে ডাক্তৰেই আছিল। কিন্তু ৰ'বা, এইবোৰ কথা কিজানি চিঠিখনত লিখাই আছে—" এইবুলি তাই জাঁপমাৰি নামিল আৰু পাচিটোৰ তলিৰ পৰা চিঠিখন আৰু পেকেটটো নি ককাকৰ হাতত দিলে।

"এইটো তোমাৰেই" বুলি কৈ তেওঁ পেকেটটো কাষতে বেঞ্চখনত থলে। তাৰ পিছত তেওঁ চিঠিখন পঢ়িবলৈ ললে। সেইখন পঢ়ি উঠি তেওঁ জেপত ভৰাই থলে।

"তুমি এতিয়াও মোৰ লগত গাখীৰ খাব পৰা হৈ আছানে?" তেওঁ হাইডিৰ হাতত ধৰি পঁজাটোলৈ যাওঁতে যাওঁতে সুধিলে। "তোমাৰ ধনখিনিও লোৱা। তাৰে বিছনা এখন আৰু দুই-তিনিবছৰ যোৱাকৈ সাজ-পাৰ কিনিব পাৰিবা।"

"এইখিনি মোক আচলতে নালাগে ককা," হাইডিয়ে জনালে। "মোৰ ধুনীয়া বিছনাখন আছেই। ক্লাৰাই ট্ৰাঙ্কটোত যিমান সাজপাৰ ভৰাই দিছে, মোক আৰু কেতিয়াও সাজপাৰ নালাগিবই চাগে।"

"লোৱাঁ, লোৱাঁ। আলমাৰিটোত ভৰাই থোৱাঁ। আগলৈ কেতিয়াবা কামত লগাব পাৰিবা।"

হাইডিয়ে মানি ললে আৰু ককাকৰ পাছে পাছে জঁপিয়াই-মেলি গৈ পঁজাটোত সোমাল। স্ফূৰ্তিত তাই প্ৰতিটো চুক-কোণলৈ দৌবিলে আৰু খট্‌খটিৰে ওপৰলৈ উঠিল। হঠাতে তাই ৰ'ল আৰু চিন্তিত হৈ তললৈ চাই কলে, "ককা, মোৰ বিছনাখন নাইচোন?"

"অলপতে আন এখন পাবা," তলৰ পৰা কোৱা শুনা গ'ল। "তুমি উভতিবা বুলি মই নাজানিছিলোঁ নহয়। এতিয়া গাখীৰ খোৱাঁহি।"

হাইডি নামি আহি তাইৰ আগৰ ঠাইত ওখ টুলখনত বহিল। তাই দুহাতেৰে সৰু বাটিটো ধৰি ইমান আগ্ৰহেৰে পি খালে যেন তাই ইমান সোৱাদ বস্তু কেতিয়াও মুখত দি পোৱা নাই। সেইখিনি শেষ কৰি বাটিটো থৈ দীঘলকৈ উশাহ লৈ তাই কলে, "আমাৰ গাখীৰখিনিৰ দৰে সোৱাদ বস্তু পৃথিৱীতেই নাই।"

এনেতে বাহিৰত তীক্ষ্ণ, উচ্চস্বৰৰ সুহুৰি এটা বাজি উঠিল। লগে লগে হাইডিয়ে বিজুলী বেগেৰে বাহিৰলৈ লৰ মাৰিলে। তাই ছাগলীজাকক ওপৰৰ পৰা ডেও দি, জঁপিয়াই নামি আহিবলৈ ধৰা আৰু সিহঁতৰ মাজত পিটাৰক দেখিলে।

হাইডিক দেখি পিটাৰৰ ভৰিত শিপা গজাৰ দৰে সি ঠাইতে থৰ লাগি নিশব্দে তাইলৈ চাই ৰ'ল।

"শুভ গধূলি' পিটাৰ," বুলি তাক সম্ভাষণ জনাই তাই ছাগলীজাকৰ মাজলৈ দৌৰি গ'ল। "শ্চেনলি, বেবলি, তহঁতে মোক চিনি পাইছনে?"

ছাগলীবোৰে তাইৰ মাতটো নিশ্চয় চিনি পালে। সিহঁতে মূৰবোৰ তাইৰ গাত ঘঁহি আদৰ কৰিবলৈ ধৰিলে আৰু বঙতে বলিয়াৰ দৰে বেবাবলৈ ধৰিলে। হাইডিয়ে সিহঁতক এটা এটাকৈ নাম ধৰি মাতিলে। সিহঁতে বিভ্ৰান্ত হোৱা বনৰীয়া জন্তুৰ দৰে দৌৰি আহি তাইক ঘেৰি ধৰিলে। অধৈৰ্য্য ডিষ্টেলফিঙ্কে ওপৰলৈ জঁপিয়াই দুজনী ছাগলী পাৰ হৈ আহিল। ভয়াতুৰ শ্নেহোপলিয়ে ডাঙৰ তুৰ্কীক জোৰেৰে খুন্দা মাৰি একাষৰীয়া কৰিলে। শ্নেহোপলিৰ সাহ দেখি তুৰ্কী বৰ আচৰিত হ'ল। সি কোন দেখুৱাবলৈ তাৰ ডাড়িকোছা ওপৰলৈ ডাঙি ধৰিলে।

তাইৰ পুৰণি সঙ্গীবোৰক আকৌ পাই হাইডিৰ স্ফূৰ্তিৰ শেষ নোহোৱা হ'ল। তাই মৰমিয়াল অকমানি স্নেহোপ্‌লিক হাতেৰে সাৱটি ধৰিলে আৰু উগ্র ডিষ্টেলফিঙ্কক মৃদুকৈ থপৰিয়ালে। তাইলৈ স্নেহ আৰু আস্থা থকা ছাগলীবোৰে তাইক ইফালে-সিফালে ঠেলি, খুন্দিয়াই নিওঁতে তাই পিটাৰৰ প্ৰায় ওচৰ পালেগৈ। সি তেতিয়াও একে ঠাইতেই বৈ আছিল।

"পিটাৰ, এইপিনে আহ। মোক 'শুভ গধূলি' বুলি সম্ভাষণ জনা," হাইডিয়ে তাক মাত দি কলে।

"তই সঁচায়ে আহিলিনে?" বিস্ময়ত হতবাক হোৱা পিটাৰৰ শেহত কোনোমতে মাত এষাৰ ওলাল। সি আগুৱাই আহি কিছুপৰৰ পৰা হাইডিয়ে আগবঢ়াই থোৱা হাতখন ধৰিলে। আগতে সদায় গধূলি ঘূৰি আহোঁতে সোধাৰ দৰে আজিও সি সুধিলে, "কাইলৈ মোৰ লগত আকৌ ওলাবিনে?"

"ওহোঁ, কাইলৈ নাযাওঁ, পৰহিলৈ যাব পাৰোঁ। কাইলৈ আইতাক লগ পামগৈ।"

"তই অহাই ভাল হ'ল," সি কলে আৰু অতি আনন্দত তাৰ বিভিন্ন ধৰণৰ উদ্ভট মুখভঙ্গী দেখা গ'ল। তাৰ পিছত সি ঘৰমুৱা হবলৈ ওলাল। কিন্তু ছাগলীজাকৰ লগত আগতে সি এনে দিগদাৰি কেতিয়াও পোৱা নাছিল। সিহঁতক ফুচুলাই আৰু ভয় খুৱাই অৱশেষত সি জাকটোক তাৰ কাষত গোট খুৱাব পাৰিলে। হাইডিয়েও এখন হাত শ্চেন্‌লিৰ আৰু আনখন বেৰ্‌লিৰ ডিঙিত দি শুচি আছিল। তেনেতে জাকটোৱে হঠাতে একেমত হৈহে জানিবা সিহঁত তিনিটাৰ পিনে লৰ ধৰিলে। হাইডিয়ে ছাগলী দুজনী লৈ চালিখনত সোমাই দুৱাৰ বন্ধ কৰিবলৈ বাধ্য হ'ল। তাই তাকে নকৰিলে পিটাৰে তাৰ পৰা জাকটোক কেতিয়াও লৈ যাবলৈ নোৱাৰিলেহেঁতেন।

ঘূৰি আহি ঘৰ পাই তাই ইতিমধ্যে বিছনাখন পাতি থোৱা পালে। তাত খেৰবোৰ ওখকৈ জপা আছিল আৰু নতুন কাৰণে সেইবোৰ সুগন্ধি হৈ আছিল। খেৰবোৰৰ ওপৰত ককাকে পৰিষ্কাৰ বিছনাচাদৰ এখনো সাৱধানে পাৰি থৈছিল। হাইডিয়ে মহানন্দে সেইখনত বাগৰ দিলে আৰু ভাগৰ পলোৱা গাঢ় টোপনিত লালকাল হ'ল। যোৱা গোটেই বছৰটো তাইৰ এনে টোপনি অহা নাছিল।

ৰাতি ককাক দহবাৰমান উঠিল, জখলাৰে ওপৰলৈ গ'ল আৰু তাই ভালকৈ শুই আছে নে অস্থিৰ হৈ পৰিছে গম ললে। তাৰ পিছত তেওঁ খিড়িকীখনলৈ চালে। আগতে সেইখনৰে হাইডিৰ বিছনাত জোনাক পৰিছিল। এতিয়া আৰু সেইটো হবলৈ দিব নোৱাৰি। খিড়িকীখনত তেওঁ গুজি থোৱা খেৰবোৰ ঠিকেই আছে নে নাই তেওঁ চালে। হাইডি শুয়েই থাকিল। তাইৰ গভীৰ, আকলুৱা আকাঙ্ক্ষা পূৰ্ণ হোৱা কাৰণে তাইৰ সপোন দেখি দেখি অনোৱা-ৰনোৱা বন্ধ হ'ল। তাই গধূলিৰ উজ্জ্বল পোহৰত পৰ্বতবোৰ আকৌ দেখিলে; ফাৰগছৰ সোঁ-সোঁৱনি আকৌ শুনিলে; তাই আকৌ আল্পৰ আপোন ঘৰখন পালেহি। ■

চতুৰ্দশ অধ্যায়
গির্জাৰ ৰবিবৰীয়া ঘণ্টাৰ সুৰ

যাৰ কেইজোপাৰ হালিজালি থকা ডালবোৰৰ তলত হাইডি ককাক অহালৈ বৈ আছিল। তেওঁ তাইক আইতাকৰ তাত থৈ ডৰ্ফলিৰ পৰা ট্ৰাঙ্কটো আনিবলৈ যাব। আইতাকক আকৌ লগ পাবলৈ আৰু বগা বোলবোৰ খাই তেওঁ কেনে পাইছে জানিবলৈ তাই অধৈৰ্য্য হৈ পৰিছিল। তথাপিও তাত বৈ থাকি তাইৰ আমনি লগা নাছিল। কাৰণ তাইৰ মূৰৰ ওপৰৰ থলুৱা ফাৰবোৰৰ হুমুনিয়াহৰ সুৰ শুনি শুনি তাইৰ আমুৱা নাছিল আৰু সেউজীয়া ঘাঁহনি আৰু সোণোৱালী ফুলবোৰৰ সুবাস আৰু উজ্জ্বল সৌন্দৰ্য তাই পূৰাকৈ উপভোগ কৰিছিল।

ককাক পঁজাটোৰ পৰা ওলাল। পঁজাটোৰ চাৰিওফালে এবাৰ চকুফুৰাই তেওঁ সন্তুষ্টিৰে কলে, "বাচ, যাওঁ ব'লা।"

আজি শনিবাৰ। এই দিনটোতেই তেওঁ পঁজাটোৰ, চালি দুখনৰ আৰু চাৰিওকাষৰ সকলো বস্তু চাফ্-চিকুণ আৰু ঠিক্‌ঠাক্ কৰাৰ নিয়ম কৰি লৈছিল। আজি আবেলি হাইডিৰ লগত নামনিলৈ যাব কাৰণে সেই কামটো তেওঁ আগবেলাই কৰি অঁতালে আৰু ঘৰে-বাহিৰে সকলো চিকুণ, সুশৃঙ্খল আৰু তেওঁৰ পছন্দৰ হ'ল।

আইতাকৰ জুপুৰিৰ আগত দুয়ো এৰা-এৰি হ'ল। হাইডি দৌৰি গৈ ভিতৰ সোমাল। আইতাকে তাইৰ খোজৰ শব্দ আগতেই শুনিছিল। তাই সোমাওঁতেই তেওঁ মাত দিলে, "সোণজনী আহিলানে? আকৌ আহিলানে?"

তেওঁ হাইডিৰ হাতখন লৈ টানকৈ ধৰিলে কাৰণ তাইক আকৌ তেওঁৰ পৰা লৈ যাব পাৰে বোলা আশঙ্কা তেওঁৰ তেতিয়াও দূৰ হোৱা নাছিল। তাৰ পিছত তেওঁ বোল খাই কেনে পাইছে জনাবলগীয়া হ'ল। তেওঁ সেইবোৰ অতি বলকাৰক বুলি আৰু সেয়া খাই আজিহে তেওঁৰ গাত বল পোৱা যেন লাগিছে বুলি কলে; কাৰণ, বহুত কালৰ পৰাই তেওঁ বোলে এনে বল পোৱা নাছিল। পিটাৰৰ মাকে কলে, বোলবোৰ সোনকালে শেষ হৈ যাব বুলি চিন্তিত হৈ আইতাকে আগদিনা আৰু সেইদিনাৰ ভিতৰত মাত্ৰ এটা বোলহে বোলে খাইছে। গতিকে তেনেকৈ তেওঁ আচলতে বল বেছি পাব নোৱাৰে। দিনে এখনকৈ খালে এইখিনিৰে আকৌ এসপ্তাহমানহে যাব। হাইডিয়ে বৃগিটেৰ কথা মনপুতি শুনি থাকিল আৰু কিবা ভাবি-গুণি অলপ পৰ ৰ'ল। তেনেতে তাই সেইটো সমস্যা সমাধানৰ উপায় এটা পালে।

"আইতা, মই কি কৰিব লাগিব গম পালোঁ," তাই ব্যগ্ৰ আনন্দত কলে। "মই ক্লাৰালৈ এখন চিঠি লিখিম। মোৰ আলমাৰিটোত মই বোলৰ ডাঙৰ এদ'ম জমাইছিলোঁ। সেইবোৰ মোৰ পৰা লৈ যাওঁতে ক্লাৰাই মোক তাৰ ডবল দিব বুলি কৈছিল। তাই দিবও।"

"দেহি ঐ," বৃগিটেই কলে। "কথাটো ভালেই কিন্তু ভাবি চোৱা, সেইবোৰো খায় মানে টান হবগৈ। মাজে-সময়ে আমাৰ দুই-এটা অধিক পেনি থকা হলে। ডৰ্ফলিৰ ৰুটিৱালাই এনে বোল কৰে। কিন্তু ক'লা ৰুটিৰ দাম দিবলৈকে মোৰ নোজোৰে যেন।"

সেইষাৰ শুনি হাইডিৰ মুখমণ্ডলত আনন্দৰ উজ্জ্বল পোহৰ বিয়পি পৰিল। "আইতা, মোৰ এতিয়া অসংখ্য পেনি আছে," তাই বিজয়ৰ উল্লাসত কলে আৰু ফূৰ্তিত জঁপিয়াব ধৰিলে। "সেইয়া কি কামত লগাম মই এতিয়া জানিলোঁ। এতিয়াৰ পৰা দিনৌ তুমি একোটাকৈ নতুন বোল পাবা; ৰবিবাৰে পাবা দুটাকৈ। পিটাৰে ডৰ্ফলিৰ পৰা লৈ আহিবগৈ।"

"নহয় মইনা, নহয়," আইতাকে আপত্তি কৰি কলে। "এইটো হব নোৱাৰে। তেখেতসকলে সেই ধনখিনি তোমাক এই কাৰণে দিয়া নাছিল। সেইখিনি তুমি ককাৰাক গতোৱা উচিত। তাৰে তুমি কি কৰা ভাল হব তেৱেঁই তোমাক কব।"

হাইডিৰ আনন্দত কিন্তু বাধা নপৰিল। তাই কথা কৈ কৈ কোঠাটোৰ চাৰিওপিনে ডেও দি, জঁপিয়াই থাকিল। তাই আবেগেৰে বাৰে বাৰে কবলৈ ধৰিলে, "এতিয়া দিনৌ এটাকৈ বোল খাবলৈ পালে আইতা গা টঙাই আকৌ বলী হব। আৰু আইতা ঔ," নতুন আনন্দৰ উৎসাহত তাইৰ মাতটো ডাঙৰ হ'ল। "তুমি ভালকৈ গা কৰিলে তুমি আচলতে আকৌ পোহৰ পাবা; তুমি দুৰ্বল কাৰণেহে কিজানি তোমাৰ এনে দুৰৱস্থা।"

আইতাকে একো নামাতিলে। আইজনীৰ ফূৰ্ত্তি নষ্ট কৰিবলৈ তেওঁৰ ইচ্ছা নগ'ল।

তেনেকৈ ডেও দি থাকোঁতে আইতাকৰ প্ৰাৰ্থনাৰ গীতৰ পুথিখন তাইৰ চকুত পৰিল। লগে লগে নতুন আনন্দৰ কথা এটা তাইৰ মুৰত খেলাল।

"আইতা, মই এতিয়া ভালকৈ পঢ়িব পাৰোঁ। তোমাৰ পুৰণি পুথিখনৰ স্তুতি-গীত এটা পঢ়িমনে?"

"অঁ, অঁ," আনন্দত অভিভূত হৈ আইতাকে কলে। "তুমি সঁচাকৈয়ে পাৰিবানে? তুমি পাৰিবানে?"

বহুত বছৰ নোচোৱা-নেমেলা কাৰণে ধূলি-মাকতিৰে ভৰি থকা পুথিখন হাইডিয়ে চকী এখনত উঠি নমাই আনিলে; ধূলি-মাকতিবোৰ মচি সেইখন

পৰিষ্কাৰ কৰি ল'লে আৰু আইতাকৰ কাষৰ তাইৰ টুলখনত বহি কোনটো স্তুতি পঢ়িব সুধিলে।

"তোমাৰ যিটোৱেই ভাল লাগে আইজনী, তোমাৰ যিটোৱেই ভাল লাগে।" আইতাকে যঁতৰটো অলপ আঁতৰলৈ ঠেলি দিলে আৰু অধীৰ প্ৰত্যাশাৰে বহি ৰ'ল।

হাইডিয়ে পাতবোৰ লুটিয়াই লুটিয়াই অ'ত-ত'ত দুই এশাৰীকৈ পঢ়িবলৈ ধৰিলে।

"এইটো বেলিৰ বিষয়ে। এইটোকেই তোমাক পঢ়ি শুনাওঁ আইতা।" হাইডিয়ে আৰম্ভ কৰিলে আৰু পঢ়োঁতে পঢ়োঁতে তায়ো বেছি উৎসুক আৰু আগ্ৰহী হ'বলৈ ধৰিলে।

"নিশাৰ আন্ধাৰ ফালি নীল গগনত
বিতোপন সূৰুয ওলায়,
পুবালীৰ উষ্ণ আৰু মিঠা পৰশত
পৃথিৱীয়ে উঠে সাৰ পাই।
ৰঙ, ৰূপ, ৰসে ভৰা বিনন্দীয়া ধৰাখনি
দয়াময় ঈশ্বৰৰে দান,
সৰু-বৰ সকলোৱে তেওঁৰে কৰুণা লভি
অহৰ্নিশে গায় স্তুতি-গান।
গছ, লতা, পশু, নৰ মৰতৰ প্ৰাণীসৱে
খন্তেকলৈ আহে আৰু যায়,
সৰগৰ ভগৱান অমৰণ, অভগন
তেওঁৰ কৰুণাৰ অন্ত নাই।
শোকে-ভয়ে হেঁচা মাৰি যদিও আমাৰ
হিয়া-মন বিচলিত কৰে,
তথাপিও তেখেতৰ কৰুণা কৃপাই
কদাপিও ভকতক নেৰে।
আয়ুকাল অন্ত হ'লে মৰতৰ মোহ এৰি
প্ৰভুৰ আশ্ৰয় লাভ কৰিম যেতিয়া,
তেখেতৰ কৰুণাত বিগলিত আতমাই
প্ৰকৃত সুখৰ মৰ্ম বুজিব তেতিয়া,
সেই মহা আনন্দৰ দিনটোৰ বাবে
পৰম শান্তিৰে বৈ আছোঁ যে এতিয়া।"

আইতাকে হাতযোৰকৈ লৰচৰ নকৰাকৈ বহি আছিল আৰু তেওঁৰ

দুগালেৰে চকুলো বৈ আছিল। তথাপিও তেওঁৰ মুখত হাইডিয়ে কাহানিও নেদেখা অবৰ্ণনীয় আনন্দৰ ভাব ফুটি উঠিছিল। স্তুতিটো পঢ়া হ'লত হাইডি ৰওঁতে আইতাকে সানুনয়ে ক'লে, "আকৌ এবাৰ মাত্ৰ হাইডি, মাত্ৰ এবাৰ মোক শুনিবলৈ দিয়া ঃ

"আয়ুকাল অন্ত হলে মৰতৰ মোহ এৰি
প্ৰভুৰ আশ্ৰয় লাভ কৰিম যেতিয়া;
তেখেতৰ কৰুণাত বিগলিত আতমাই
প্ৰকৃত সুখৰ মৰ্ম বুজিব তেতিয়া;
সেই মহা আনন্দৰ দিনটোৰ বাবে
পৰম শান্তিৰে বৈ আছোঁ যে এতিয়া।"

হাইডিয়ে আকৌ আৰম্ভ কৰি সাগ্ৰহী আনন্দত পঢ়ি গ'ল। এইবাৰ শেষ হ'লত আইতাকে ক'লে, "হাইডি ঐ, এইটোৱেই মোক পোহৰ দিছে। তুমি যে মোৰ ইমান উপকাৰ কৰিলা হাইডি!"

আইতাকে স্তুতিটোৰ অময়া কথাবোৰ বাৰে বাৰে আওৰাবলৈ ধৰিলে। হাইডি আনন্দত আপ্লুত হৈ আইতাকলৈ চাই থাকিল। তাই আগতে কেতিয়াও আইতাকক এনে দেখা নাছিল। তেওঁৰ মুখৰ পৰা আগৰ দুখ আৰু হতাশাৰ ভাববোৰ নোহোৱা হৈ গৈছিল। তাৰ ঠাইত ভগবানৰ কৰুণাৰ আৰু কৃপাৰ পৰশ পাই যেন তেওঁৰ মুখত পৰম সুখৰ আৰু গভীৰ কৃতজ্ঞতাৰ ভাব বিৰিঙি উঠিছিল।

এনেতে খিড়িকীখনত কোনোবাই টুকুৰিয়ালে। ককাকে বাহিৰৰ পৰা তাইক হাতবাউল দি মতা হাইডিয়ে দেখিলে। পিছদিনা আকৌ আহিব বুলি, পিটাৰৰ লগত ঘাঁহনিলৈ গলেও আগবেলাহে যাব বুলি আইতাকক আশ্বাস দি হাইডি ওলাই আহিল। আইতাকৰ বাবে পোহৰ আনিব পৰাটো তাইৰ আটাইতকৈ আনন্দৰ কথা, আনকি ৰ'দ-ভৰা ঘাঁহনিত ফুল আৰু ছাগলীৰ মাজত কটোৱাতকৈও বহুত বেছি আনন্দৰ কথা আছিল।

বুঢ়ীটোৱেই হাইডিৰ ধুনীয়া সাজটো আৰু পাখিলগোৱা টুপিটো দিবলৈ তাইৰ পিছে পিছে দৌৰি বাহিৰলৈ ওলাই আহিল। ককাকে তাইক ইতিমধ্যে চিনি পাইছে কাৰণে হাইডিয়ে সাজটো ললে। তাই কিন্তু টুপিটো কোনোপধ্যে নললে। তাই সেইটো আৰু কেতিয়াও নিপিন্ধে কাৰণে বুঢ়ীটোৱেই সেইটো ৰাখক বুলিহে তাই কলে।

হাইডি যেন অভিজ্ঞতাৰে ভৰি আছিল। তাইৰ অন্তৰ বঢ়ীয়াল কৰি তোলা কথাবোৰ তাই তৎক্ষণাত ককাকক কবলৈ আৰম্ভ নকৰি নোৱাৰিলে ঃ আইতাকৰ ধন-বিত অলপ থকা হলে নিতৌ নামনিৰ ভৰ্কলিৰ পৰা আইতাকলৈ

বগা ৰোল আনিব পৰা গ'লহেঁতেন; হঠাতে আইতাকৰ বাবে ইমান পোহৰ হ'ল আৰু তেওঁ দেখিবলৈ ইমান ভাল হ'ল। এনেকৈ কৈ কৈ শেহ হ'লত হাইডি আদিৰ কথাটোলৈ ওভতি আহি গভীৰ আগ্ৰহেৰে ক'লে, "আইতা ইচ্ছুক নহলেও তুমি মোক মোৰ গোটেইখিনি ধন নিশ্চয়কৈ দিবা। তাৰ পৰা মই পিটাৰক দিনৌ এটা ৰোলৰ বাবে আৰু দেওবাৰে দুটাৰ বাবে দামখিনি দিম।"

"কিন্তু হাইডি, তোমাৰ খাটখন?" ককাকে সুধিলে। "এখন আচল খাট লোৱা তোমাৰ বাবে ভাল হ'ব। তাৰ পাছতো ৰুটিৰ বাবে বহুত ৰ'ব।"

হাইডিয়ে কিন্তু ককাকক শান্তিৰে থাকিবলৈ নিদিলে। ফ্ৰাঙ্কফুৰ্টৰ গাৰু থকা বিছনাতকৈ খেৰৰ বিছনাখনতহে তাইৰ বেছি ভালকৈ টোপনি আহে, তাই ককাকক আশ্বস্ত কৰি কলে। তাই ককাকক ইমান খটখটাবলৈ লাগিল আৰু বাৰে বাৰে খাটিব ধৰিলে যে শেহত ককাকে ক'লে, "সেইখিনি তোমাৰ। তাৰে যি ভাল লাগে তাকে কৰা। এইখিনিৰে আইতাৰলৈ আৰু বহুত বছৰলৈ ৰোল কিনিব পাৰিবা।"

হাইডি আনন্দত চিঞৰি উঠিল। "এতিয়া আইতাই ক'লা, টান ৰুটি আৰু খাব নালাগে। ককা, আমাৰ জীৱন দেখোন আগৰ দিনবোৰতকৈ এতিয়া বহুত বেছি মনোমোহা হৈ পৰিছে।"

তাই ককাকৰ হাতত ধৰি ডেও দি দি আকাশৰ চৰাইৰ দৰে ফুৰ্তিত কলকলাই যাবলৈ ধৰিলে। হঠাতে তাই অতি গহীন হৈ পৰিল আৰু ক'লে, "মই একান্তমনে বিচৰাটো দয়ালু ভগৱানে যদি মোক খিতাতে দি দিলেহেঁতেন, তেতিয়া একোৱেই এতিয়াৰ দৰে নহলহেঁতেন। তেতিয়া আইতালৈ কেইখনমান ৰোল মাত্ৰ লৈ মই ঘৰ পালোঁহিহেঁতেন। স্তুতি শুনি ইমান ভালপোৱা আইতাক মই পঢ়ি শুনাবলৈ নোৱাৰিলোঁহেঁতেন। দয়ালু ভগৱানে মোতকৈ বহুত বেছি ভালকৈ তেতিয়াই কথাটো গমি-পিটি চাইছিল আৰু মোৰ ভালৰ বাবে কি কৰা উচিত হব ভাবি উলিয়াইছিল। ফ্ৰাঙ্কফুৰ্টৰ আইতাই মোক এইবুলি কৈছিল আৰু কথাষাৰ ফলিয়াইছেও। আঃ, মই যিটো বস্তু পাবলৈ লালায়িত হৈছিলোঁ আৰু প্ৰাৰ্থনা কৰিছিলোঁ, সেইটো ভগৱানে লগে লগে নিদিয়া কাৰণে এতিয়া মোৰ কিযে ভাল লাগিছে। আইতাই কোৱাৰ দৰে মই এতিয়া সদায় ভগৱানক প্ৰাৰ্থনা কৰিম; ভগৱানক সদায় ধন্যবাদ জনাম; তেওঁ যদি মোৰ প্ৰাৰ্থনা মতে কাম নকৰে, তেন্তে মই নিশঙ্কচিত্তে ভাবিম যে কথাটো নিশ্চয় ফ্ৰাঙ্কফুৰ্টত হোৱাৰ দৰেই হ'ব; দয়ালু ভগৱানে মোৰ বাবে বেছি ভাল কিবা ভাবি থৈছে। আমি সদায় প্ৰাৰ্থনা কৰিম, নকৰিম নে ককা? তেওঁক আমি কাহানিও পাহৰি নাযাওঁ যাতে তেৰোঁ আমাক নাপাহৰে।"

"যদি কোনোবাই পাহৰে?" ককাকে অস্পষ্ট মাতেৰে প্ৰশ্ন তুলিলে।

"অ', সেয়া তেওঁৰ কাৰণে ভাল নহ'ব কাৰণ দয়ালু ভগৱানেও তেওঁক পাহৰি যাব; তেওঁক আঁতৰি যাবলৈ এৰি দিব; তেওঁ যদি বিপদত পৰি অভিযোগ কৰে, তেতিয়া তেওঁক কোনোৱে পুতৌ নকৰে; বৰং সকলোৱে কব, "দয়ালু ঈশ্বৰে তেওঁক সহায় কৰিবলৈ পাৰিলেহেঁতেন কিন্তু তেৱেঁই প্ৰথমতে ভগৱানক এৰি গৈছিল, সেয়ে দয়ালু ভগৱানেও তেওঁক ত্যাগ কৰিছে।"

"কথাটো সঁচা হাইডি। কিন্তু তুমি জানিলা কেনেকৈ?"

"ফ্ৰাঙ্কফুৰ্টৰ আইতাৰ পৰা। এই বিষয়ে তেখেতে মোক সকলো কথা কৈছে।"

ককাক অলপ পৰ মনে মনে থাকিল। তাৰ পিছত নিজৰ চিন্তাৰ আঁত ধৰি তেওঁ নিজকে কলে, "যদি কথাটো এনেকুৱাই, তেন্তে এনেকুৱাই হওক। কোনো ভগৱানৰ ওচৰলৈ উভতি যাব নোৱাৰে। ভগৱানে যাক পাহৰে, একেবাৰেই পাহৰি যায়।"

"নহয় ককা, তেনে নহয়। উভতি যাব পাৰি। আইতাৰ পৰা মই এইষাৰো শিকিছোঁ। মোৰ কিতাপখনৰ সুন্দৰ সাধুটোতো ইয়াকেই লিখা আছে। তুমি সেই সাধুটোৰ কথা নাজানা কিজানি। আমি ঘৰ প্ৰায় পালোঁহি। সেই সাধুটো কিমান বঢ়িয়া চাবাচোন।"

ঘৰ পোৱাৰ আগ্ৰহত তাই শেহৰ বাটচোৱা ক্ৰমাৎ বেগেৰে যাবলৈ আৰম্ভ কৰিলে। সিহঁতে ওপৰ ডোখৰ পাওঁতে নাপাওঁতে হাইডিয়ে ককাকৰ হাতখন এৰাই দৌৰি গৈ পঁজাটোত সোমালগৈ। গোটেই ট্ৰাঙ্কটো তেওঁৰ বাবে গধুৰ হোৱা বাবে ককাকে আধা বস্তু পাচি এটাত ভৰাই আনিছিল। তেওঁ পাচিটো এতিয়া পিঠিৰ পৰা নমাই বেঞ্চখনত বহি চিন্তাত বিভোৰ হ'ল। হাইডিয়ে ডাঙৰ কিতাপখন কাষলতিত লৈ দৌৰি পঁজাটোৰ পৰা ওলাই আহিল।

"ককা, তুমি ইতিমধ্যে ইয়াত বহি ভালেই কৰিলা," হাইডিয়ে একে জাপে ককাকৰ কাষ পালে। আচলতে সেই সাধুটো তাই বাৰে বাৰে পঢ়া কাৰণে কিতাপখন নিজে নিজে সেইখিনিতে মেল খালে। তেতিয়া হাইডিয়ে অতি দৰদেৰে পুতেকজনৰ সাধুটো পঢ়িবলৈ ললে। 'পুতেকটোৱে ঘৰত বাপেকৰ পথাৰত বাপেকৰ গৰু আৰু ভেড়া চৰাই ভালেৰেই আছিল। সি হলৌ চোলাটো পিন্ধি তাৰ ছাগলীৰখীয়াৰ টোকোনডালত ভিৰ দি গৰু, ভেড়াৰ মাজত থিয় হৈ বেলি মাৰ যোৱা চাবলৈ পাৰিছিল।'

'কিন্তু হঠাতে নিজেই গিৰিহঁত হবলৈ তাৰ মন গ'ল। সি বাপেকৰ পৰা তাৰ ভাগৰ সম্পত্তিখিনি বিচাৰিলে। সেইয়া লৈ সি ঘৰৰ পৰা ওলাই গ'ল। কিন্তু উচ্ছৃংখল জীৱন নিয়াই সি সম্পত্তিখিনি সোনকালেই সাং কৰিলে। হাত

শুদা হ'লত সি খেতিয়ক এঘৰত কামত সোমাল। তাৰ বাপেকৰ থকাৰ দৰে সেইঘৰৰ ভাল গৰু-ভেড়া নাছিল; গাহৰিহে আছিল। সেইবোৰৰ যত্ন লোৱাই তাৰ কাম হ'ল। তাত পিন্ধিবলৈ তাৰ মাত্ৰ ফটা-ছিটা কাপোৰ-কানি আছিল আৰু গাহৰিক খাবলৈ দিয়া ভুঁচিৰ অলপমান তাৰ ভাগতো পৰিছিল।'

'তেতিয়া সি বাপেকৰ ঘৰত কিমান ভালকৈ আছিল, তালৈ বাপেকৰ কিমান মৰম-চেনেহ আছিল আৰু বাপেকৰ প্ৰতি সি কেনেকৈ অকৃতজ্ঞৰ দৰে আচৰণ কৰিছিল— এনেবোৰ চিন্তা তাৰ মনলৈ আহিবলৈ ধৰিলে। সি অনুতাপ আৰু গৃহকাতৰতাত কান্দিবলৈ ধৰিলে। সি তেতিয়া ভাবিলে, 'মই দেউতাৰ ওচৰলৈ গৈ মোক ক্ষমা কৰিবলৈ খাটিম। মই আৰু কম যে মই তেওঁৰ পুতেক হবলৈ যোগ্য নহওঁ। সেয়ে মোক তেওঁৰ বন্ধা হিচাবে ৰাখিবলৈ মই তেওঁক খাটনি ধৰিম।'

'সি বাপেকৰ ঘৰৰ পৰা দূৰত থাকোঁতেই বাপেকে তাক দেখা পালে আৰু দৌৰি বাহিৰলৈ ওলাই আহিল—'

পঢ়া সেইখিনিতে বন্ধ কৰি হাইডি ৰ'ল। "তাৰ পিছত কি হ'ল বুলি তুমি ভাবা ককা? দেউতাকে খং কৰি 'মই তোক নকৈছিলোঁনে' বুলি কৈছিল বুলি ভাবানে? কি হ'ল শুনা বাৰু।"

'দেউতাকে তাক দেখিলে আৰু তালৈ তেওঁৰ পুতৌ উপজিল। তেওঁ দৌৰি গৈ তাক সাৱটি ধৰি চুমা খালে। তেতিয়া সি বাপেকক ক'লে, 'দেউতা, মই ভগৱানৰ চকুত পাপ কৰিছোঁ। তোমাৰ চকুতো কৰিছোঁ। তোমাৰ ল'ৰা বোলাবলৈ মই যোগ্য নহওঁ।'

'দেউতাকে কিন্তু লগুৱাইতক ক'লে, 'আটাইতকৈ ভাল সাজ-পাৰ আনি ইয়াক পিন্ধোৱা; আঙুলিত এটা আঙঠি আৰু ভৰিত জোতাও পিন্ধোৱা, আটাইতকৈ নোদোকা পোৱালিটো আনি মাৰা, আমি খাই-বৈ ৰং-ৰহইচ কৰিম। মোৰ ল'ৰাটো ঢুকাইছিল, সি এতিয়া জী উঠিছে; সি হেৰাইছিল, এতিয়া তাক পোৱা গৈছে।' তাৰ পিছত ঘৰখনত আমোদ-প্ৰমোদ আৰম্ভ হ'ল।'

সাধুটো শুনি ককাক উৎফুল্ল আৰু চমকিত হৈ পৰিব বুলি হাইডিয়ে আশা কৰিছিল। ককাক কিন্তু চুপ্‌চাপ্ বহি থাকিল। "এইটো সুন্দৰ সাধু নহয়নে ককা?" তাই সুধিলে।

"অঁ হাইডি, সুন্দৰ সাধু," ককাকে কলে। কিন্তু তেওঁৰ মুখখন ইমান গহীন হৈ পৰিছিল যে হাইডিয়েও নীৰব হৈ কিতাপখনৰ ছবি চাবলৈ ধৰিলে। এবাৰ তাই কিতাপখন ককাকৰ সমুখত থৈ ক'লে, "চোৱা, সি কিমান সুখী হৈছে" আৰু ছবি এখন আঙুলিয়াই দেখুৱালে। সেইখনত পুতেকটোৱে নতুন কাপোৰ-কানি পিন্ধি বাপেকৰ কাষত থিয় হৈ আছিল; তেওঁ তাক পুতেক বুলি গ্ৰহণ কৰিছিল।

কেইঘণ্টামান পাছত হাইডি টোপনিত লালকাল দি থাকোঁতে ককাকে সৰু জখলাখনেৰে ওপৰলৈ গ'ল। তেওঁ হাইডিৰ গাত পোহৰ পৰাকৈ লেমটো তাইৰ বিছনাৰ কাষত থলে। তাই প্ৰাৰ্থনা কৰিবলৈ পাহৰি যোৱা নাছিল কাৰণে হাতযোৰকৈ শুই আছিল। তাইৰ গোলাপী গালৰ শান্তি আৰু পবিত্ৰ বিশ্বাসৰ অভিব্যক্তিয়ে নিশ্চয় ককাকৰ মৰ্ম স্পৰ্শ কৰিলে। তেওঁ অকণো লৰচৰ নকৰাকৈ বহুত পৰ তাইলৈ একেথিৰে চাই তাত থিয় হৈ ৰ'ল। তাৰ পিছত তেওঁ হাতযোৰ কৰি মূৰ দোঁৱাই আধাফুটা মাতেৰে ক'লে, "পিতা, মই স্বৰ্গৰ চকুত পাপ কৰিছোঁ; তোমাৰ চকুতো কৰিছোঁ। মই তোমাৰ পুত্ৰ বোলাবলৈ যোগ্য নহওঁ।" আৰু তেওঁৰ চকুলোৰ ঢল নামি আহিল।

পিছদিনা নিচেই পুৱাতে আল্মমামাই পৰ্জাটোৰ বাহিৰত থিয় হৈ উজ্জ্বল হৈ পৰা চকুৰে চৌপাশে চালে। সেই ৰবিবাৰৰ পুৱাটো যেন পৰ্বতে-ভৈয়ামে জলমলাব, চিকমিকাব ধৰিছে। নামনিৰ গিৰ্জাৰ সোনকালে বজোৱা ঘণ্টাবোৰ বাজি উঠিল। ফাৰ কেইজোপাত চৰাইবোৰে পুৱাৰ সংগীত আৰম্ভ কৰিলে।

তেওঁ পৰ্জাত সোমালগৈ। তেওঁ তলৰ পৰাই মাত দিলে, "হাইডি, উঠা; বেলি ওলাল। ভাল সাজপাৰ পিন্ধি লোৱা। আমি গিৰ্জালৈ যাম।"

হাইডিয়ে অনতিপলমে সাৰ পালে। ককাকে এনেকৈ মতা একেবাৰেই নতুন কথা। তাই লৰালৰি কৰিব লাগে বুলি গম পালে। তাই খন্তেক পাছতে ফ্ৰাঙ্কফুৰ্টৰ পৰা অনা বঢ়িয়া এসাজ পিন্ধি তললৈ দৌৰি নামি নাহিল। কিন্তু তাই ককাকৰ সমুখত থিয় হৈ অতি আচৰিত হৈ তেওঁলৈ চাই ৰ'ল। "ককা", অৱশেষত তাইৰ কথা ওলাল, "আগতে কেতিয়াও মই তোমাক এনে দেখা নাছিলোঁ। ৰূপালী বুটাম লগোৱা এই কোটটোও তুমি আগতে পিন্ধা নাছিলা। আঃ, তোমাৰ দেওবৰীয়া সুন্দৰ কোটটোৰে তুমি কি যে দেখনিয়াৰ হৈ পৰিছা।"

বুঢ়াজনে সন্তুষ্টিৰে মিচিকিয়াই তাইলৈ চালে আৰু ক'লে, "তোমাৰ সাজে তোমাকো তুলি ধৰিছে। এতিয়া ব'লা।" তেওঁ হাইডিৰ হাতত ধৰিলে আৰু দুয়ো তেনেকৈ উপত্যকা বুলি নামিবলৈ আৰম্ভ কৰিলে।

তেতিয়া সকলোপিনৰ পৰা গিৰ্জাৰ সুৰীয়া ঘণ্টাবোৰ বাজি আছিল। তেওঁলোক ওচৰ চাপি যোৱাৰ লগে লগে শব্দবোৰো ক্ৰমাৎ ডাঙৰ আৰু সুমধুৰ হবলৈ ধৰিছিল। তাকে শুনি হাইডিয়ে মুগ্ধ হৈ কলে, "ককা, শুনিছানে? খুব ডাঙৰ উৎসৱ যেন লগা হৈছে।"

ডৰ্ফলিৰ বাইজে ইতিমধ্যে গিৰ্জাত আসন লৈছিলগৈ আৰু হাইডিহঁত গৈ পাওঁতে স্তুতি-গীত আৰম্ভ হৈ গৈছিল। দুয়ো গিৰ্জাটোৰ একেবাৰে শেহৰ বেঞ্চখনত বহিলগৈ। কিন্তু তেওঁলোকৰ কাষত বহাজনে স্তুতি-গীত চলি

থাকোঁতেই তেওঁৰ সিফালৰজনক কিলাকুটিৰে গেঁজা মাৰি ফুচ্‌ফুচাই ক'লে, "দেখিছানে? আল্মমামা ইয়াত।" সেইজনে তেওঁৰ কাষৰজনক মৃদু গেঁজা মাৰি কথাটো জনালে। তেনেকৈ অনতিপলমে গোটেই গির্জাটোত ফুচ্‌ফুচনি শুনা গ'ল, 'আল্মমামা, আল্মমামা।' মহিলাবিলাকৰ প্ৰায় আটায়ে মূৰ ঘূৰাই তেওঁলৈ নাচাই নোৱাৰিলে। ফলত গীত গাওঁতে বেছিভাগেই পিছ পৰি গ'ল। আৰু গীতৰ নায়কজনে সেইটো বেসুৰা হৈ নপৰিবলৈ চেষ্টা কৰোতে অতি দিগ্‌দাৰি পালে।

যেতিয়া পাদুৰি চাহাবে তেওঁৰ ভাষণ দিবলৈ আৰম্ভ কৰিলে, তেতিয়া সকলোৱে তেওঁৰ কথা মন দি শুনিলে। কাৰণ তেওঁৰ ভাষণত ভগৱানক অতি আবেগেৰে প্ৰশংসা কৰা আৰু ধন্যবাদ জনোৱা হৈছিল আৰু সকলো অভিভূত হৈ গৈছিল; সকলোৰে মনত যেন মহান আনন্দৰ ভাৱ সঞ্চাৰ হৈছিল।

প্ৰাৰ্থনা-সভা শেষ হ'লত হাইডিৰ হাতত ধৰি আল্মমামা বাহিৰলৈ ওলাল আৰু পেট্টৰৰ ঘৰলৈ বুলি খোজ ললে। তেওঁৰ লগতে গির্জাৰ পৰা ওলোৱা আৰু আগৰে পৰা তাত বৈ থকা সকলোৱে তেওঁলৈ তধা লাগি চাই ৰ'ল। তাৰে সৰহভাগে তেওঁ পেট্টৰৰ ঘৰত সোমায় নে নোসোমায় চাবলৈ তেওঁক অনুসৰণ কৰিলে। হয়, তেওঁ সোমালগৈ। তেতিয়া বাইজে বিভিন্ন থুপত ভাগ হৈ আল্মমামাক গির্জালৈ অহাৰ অভূতপূৰ্ব ঘটনাটো মহা উত্তেজনাৰে আলোচনা কৰিবলৈ ধৰিলে। আল্মমামাকে পেট্টৰৰ তাৰপৰা কাজিয়া কৰি ঘৃণাৰে ওলাই আহে নে তেখেতৰ লগত শান্তি স্থাপন কৰি ঘূৰি আহে গম লবলৈ তেওঁলোকে কৌতূহলেৰে পেট্টৰৰ ঘৰৰ ওপৰত চকু ৰাখিলে। আল্মমামা গির্জালৈ কিয় আহিছে আৰু এনেকৈ অহাৰ আচল তাৎপৰ্য্য নজনা কাৰণেই অৱশ্যে তেওঁলোকে তেনেখন কৰিছিল। কিন্তু তেওঁলোকৰ ইতিমধ্যে আল্মমামাৰ প্ৰতি নিজৰ মতৰ পৰিবৰ্তন উপলব্ধি কৰিছিল। তাৰে এজনে আন এজনক ক'লে, "মানুহে কোৱাৰ দৰে আল্মমামা সিমান বেয়া নহবও পাৰে। আইজনীৰ হাতখন তেওঁ কিমান আলফুলকৈ ধৰিছিল দেখিছিলাই নহয়।" সিজনে তেতিয়া ক'লে, "মই তাকেই সদায় কৈ আহিছোঁ। আল্মমামা হাড়ে হাড়ে চয়তান হোৱা হলে তেওঁ পেট্টৰৰ তালৈ নগ'লহেঁতেন; তালৈ যাবলৈ ভয় খালেহেঁতেন।" কটিৱালাটোৱে মাত দিলে, "ময়েই প্ৰথমতে সেইযাৰ কোৱা নাছিলোঁনে? সৰু ছোৱালী এজনীয়ে ভালকৈ খাবলৈ-ববলৈ পোৱাৰ উপৰিও বাকী সকলো ভালেই পাওঁতে তাই সেইবোৰ নেওচি পাপী, হিংস্ৰ আৰু তাই মনে-প্ৰাণে ভয় কৰা ককাকৰ ঘৰলৈ উভতি আহিলহেঁতেননে?"

এনেকৈ আল্মমামাকৰ প্ৰতি সদ্ভাৱৰ সৃষ্টি হৈ সেই ভাৱ ক্ৰমাৎ গাঢ় হবলৈ

ধৰিলে। তিৰোতাবোৰো কাষ চাপি আহিল। সিহঁত ছাগলীৰখীয়া পিটাৰ আৰু তাৰ আইতাকৰ পৰা আল্মমামাৰ বিষয়ে শুনা কথাবোৰে আল্মমামাকক বাইজৰ ধাৰণাতকৈ সম্পূৰ্ণ বেলেগ ধৰণৰ মানুহ বুলি সূচাইছিল। এতিয়া হঠাতে এনে হ'ল যে তাত সমবেত ৰাইজে বহুতদিন অনুপস্থিত থকা কোনোবা বন্ধু এজনকহে স্বাগতম জনাবলৈ যেন তাত ৰৈ আছে।

ইতিমধ্যে আল্মমামাই গৈ পেষ্টৰৰ পঢ়া-কোঠাৰ দুৱাৰত টুকুৰিয়ালে। পেষ্টৰ ওলাই আহিল। আগন্তুকক দেখি তেওঁ আচৰিত হব লাগিছিল। কিন্তু তেনে নহে তেওঁ আল্মমামাক এনেকৈ সম্ভাষণ জনালে যেন তেখেতে আগন্তুকলৈহে বাট চাই আছিল। গিৰ্জালৈ আল্মমামাৰ অপ্ৰত্যাশিত আগমন তেওঁৰ চকুত নপৰাকৈ থকা নাছিল। তেখেতে বুঢ়াজনৰ হাতখন জোৰেৰে ধৰি আন্তৰিকতাৰে কৰমৰ্দন কৰিলে। আল্মমামাকে তেওঁৰ পৰা এনে বন্ধুত্বপূৰ্ণ সম্ভাষণ পাব বুলি আশা কৰা নাছিল। সেয়ে তেওঁ নীৰৱে থিয় হৈ ৰ'ল আৰু প্ৰথমে তেওঁৰ কথা নোলালেই। কিন্তু অলপ পিছতে তেওঁ নিজকে সংযত কৰি লৈ কলে, "আল্মত মই পেষ্টৰ ডাঙৰীয়াক কোৱা কথাখিনি পাহৰি যাবলৈ আৰু তেখেতৰ সদুপদেশ মই গোঁৱাৰৰ দৰে অৱজ্ঞা কৰাই মোলৈ বেয়া ভাৱ নাৰাখিবলৈ পেষ্টৰ ডাঙৰীয়াক অনুৰোধ জনাবলৈ আহিছোঁ। তেতিয়া পেষ্টৰ ডাঙৰীয়াই কোৱা কথাখিনিহে শুদ্ধ আছিল। মই ভুল কৰিছিলোঁ। মই এতিয়া তেখেতৰ পৰামৰ্শ মানি অহা জাৰকালি ডৰ্ফলিত থাকিবলৈ লম। আলসুৱা দেহাৰ এইজনীৰ বাবে আল্মৰ কঠোৰ শীত ভাল নহয়। ইয়াৰ ৰাইজে মই বিশ্বাসযোগ্য মানুহ নহওঁ বুলি মোক সন্দেহৰ চকুৰে চালেও, মই তাতকৈ বেছি প্ৰত্যাশা কৰিব নোৱাৰোঁ। পেষ্টৰ ডাঙৰীয়াই নিশ্চয় মোক তেনে চকুৰে নাচাব।"

পেষ্টৰৰ বন্ধুত্বপূৰ্ণ চকুহাল আনন্দত জল্‌মলাই উঠিল। তেখেতে বুঢ়াজনৰ হাতখন আকৌ এবাৰ লৈ দুহাতেৰে মৃদু হেঁচা দি আবেগত কলে, "চুবুৰীয়া, আপুনি মোৰ ইয়ালৈ অহাৰ আগতে আচল গিৰ্জাটোলৈ গৈছিল বুলি জানি মই আনন্দিত। আপুনি নামি আহি আমাৰ মাজত থাকিবলৈ ললে আপুনি খেদ কৰিবলগীয়া নহব। ভাল বন্ধু আৰু চুবুৰীয়া হিচাবে আপুনি মোৰ ঘৰত সদায় সমাদৰ পাব। আপোনাৰ সতে জাৰকালিৰ গধূলিবোৰ আনন্দেৰে কটাব পাৰিম বুলি মই আশা কৰোঁ। আপোনাৰ সঙ্গ মোৰ মনোমত আৰু মূল্যবান। আইজনীৰ বাবেও আমি ভাল লগৰী বিচাৰি উলিয়াম।" পেষ্টৰে এইবুলি হাইডিৰ কেঁকোৰা চুলিত হাত বুলালে। তাইৰ হাতত ধৰি ককাকৰ সঙ্গ দি পেষ্টৰ দুৱাৰমুখলৈ ওলাই আহিল। দুৱাৰ পাৰ হৈ তেওঁ দুয়োজন আলহীক বিদায় সম্ভাষণ জনালে।

বাহিৰত বৈ থকা ৰাইজে লক্ষ্য কৰিলে, পেষ্টৰে অতি ঘনিষ্ঠ বন্ধুৰ দৰে আল্মমামাক কৰমৰ্দন কৰিছে। আল্মমামাৰ পৰা বিদায় লবলগীয়া হোৱাই তেওঁ দুখিত হৈ পৰা যেনো দেখা গ'ল। পেষ্টৰৰ দুৱাৰখন বন্ধ হোৱাৰ লগে লগে গোটেই জুমটোৱে আল্মমামাৰ কাষলৈ হেঁচা-ঠেলাকৈ আগুৱাই গ'ল। তেওঁলোকৰ প্ৰত্যেকেই আল্মমামাকক কৰমৰ্দন কৰাত প্ৰথম স্থান লবলৈ হেতা-ওপৰা লগালে। তেওঁৰ ফালে একেলগে আগবঢ়োৱা ইমানবোৰ হাতৰ কোনখন প্ৰথমতে ধৰিব আল্মমামাই ঠাৱৰ কৰিব নোৱাৰিলে।

কোনোবা এজনে কলে, "মোৰ ভাল লাগিছে; আপুনি আমাৰ মাজলৈ ওভতি অহা কাৰণে মোৰ বৰ ভাল লাগিছে।" আন এজনে কলে, "মামা, আপোনাৰ সতে কথা পাতিবলৈ মই বহুত দিনৰে পৰা আশা পালি আছোঁ।" এনে ধৰণৰ মন্তব্য চাৰিওপিনৰ পৰা শুনা গ'ল। তেওঁলোকৰ এনে বন্ধুত্বপূৰ্ণ সম্ভাষণৰ উত্তৰত আল্মমামাকে যেতিয়া তেওঁ ডৰ্ফলিত থাকিবলৈ ইচ্ছা কৰা বুলি আৰু অহা জাৰকালি চা-চিনাকিৰ সজত কটাব বুলি কলে, তেতিয়া ৰাইজৰ ইমান প্ৰবল আনন্দ-উল্লাস দেখা গ'ল যেন আল্মমামা ডৰ্ফলিৰ সবাতোকৈ প্ৰিয় মানুহ; তেওঁ নোহোৱাত তাৰ ৰাইজৰ ভাত থকা-মেলাই যেন কষ্টকৰ হৈছে। তাৰ পিছত গঞা ৰাইজৰ বেছিভাগে আল্মমামা আৰু হাইডিক আল্মৰ বহুত ওপৰলৈ আগবঢ়াই দিলে। তাতো বিদায় লবৰ সময়ত আল্মমামাকে আগলৈ নামনিলৈ আহোঁতে তেওঁলোকৰ প্ৰত্যেকৰে ঘৰত এপাক মাৰিব বুলি প্ৰতিশ্ৰুতি দিবলগীয়া হ'ল। শেহত ৰাইজ পৰ্বতৰ নামনিমুৱা হবলৈ ঘূৰিলত বুঢ়াজনে স্থিৰ দৃষ্টিৰে বহুতপৰ তেওঁলোকলৈ চাই ৰ'ল। তেতিয়া তেওঁৰ দেহাৰ ভিতৰৰ পৰা বেলিৰ কিৰণ ওলোৱাৰ দৰে তেওঁৰ মুখ-মণ্ডলত উষ্ণ পোহৰ বিয়পি গ'ল।

হাইডিয়ে ককাকলৈ থিৰ হৈ চাই ৰ'ল আৰু কলে, "ককা, তোমাক আজিৰ দৰে ধুনীয়া মই আগতে কাহানিও দেখা নাছিলোঁ।"

"হয়নে?" ককাকে মিচিকিয়াই হাঁহিলে। "হাইডি, ৰাইজৰ লগত মোৰ সম্প্ৰীতি হোৱাই আৰু ভগবান আৰু মানুহৰ লগত মোৰ শান্তিৰ সম্পৰ্ক স্থাপিত হোৱাই মই সুখী। এনে হোৱা ভাল। তোমাক আল্মলৈ পঠাই ভগবানে মোক কৃপা কৰিছে।"

ছাগলীৰখীয়া পিটাৰৰ জুপুৰিৰ আগ পাওঁতে ককাই পোনছাটেই দুৱাৰখন খুলি ভিতৰলৈ সোমাই গ'ল। "শুভ দিন, আইতা," তেওঁ সম্ভাষণ জনালে। "শাৰদীয় বতাহ বলাৰ আগতে জুপুৰিটো অলপ মেৰামত কৰিব লাগিব যেন পাইছোঁ।"

"আৰে, এইয়া আল্মমামাচোন!" বিস্ময় আৰু সন্তোষত আইতাকে আবেগেৰে কলে। "ভাগ্যে এই সুদিনটো দেখা পাবলৈ মই জীয়াই আছোঁ।

আমাক কৰা সহায়ৰ বাবে তোমাক সহস্ৰ ধন্যবাদ মামা। ইয়াৰ বাবে ভগবানে তোমাৰ মঙ্গল কৰক, তোমাৰ মঙ্গল কৰক।" এইবুলি আইতাই তেওঁৰ কঁপি থকা হাতখন আগবঢ়াই দিলে। আম্মমামাই আন্তৰিকতাৰে কৰমৰ্দন কৰিলে। আইতাই তেওঁৰ হাতখন ধৰি থাকিয়েই কলে, "মামা, তোমাক আৰু এটা ভিক্ষা খুজিবলৈ মোৰ অন্তৰখনে কৈ আছে। মই কেতিয়াবা তোমাৰ অনিষ্ট কৰিছিলোঁ যদি সেইটোৰ শাস্তি হিচাবে মই নমৰোঁ মানে হাইডিক মোৰ পৰা আকৌ আঁতৰি যাবলৈ নিদিবা। মোৰ বাবে এইজনীৰ কি যে মোল তুমি নাজানা মামা।" এইবুলি আইতাই ইতিমধ্যে তেওঁৰ কাষলৈ অহা হাইডিক টানকৈ আঁকোৱালি ললে।

"ভয় নাখাবা আইতা," ককাই সান্ত্বনা দি কলে। "তাইক পঠিয়াই দি তোমাৰ লগতে মই নিজেও আৰু পুনৰায় দণ্ড নুভুগোঁ। ভগবানে কৰিলে আমি আটায়ে আৰু বহুতদিনলৈ একেলগে থাকিম।"

তেতিয়া বৃগিটেই আম্মমামাকক কিবা ৰহস্যময় কথা কবলৈ খোজাৰ দৰে চুক এটালৈ মাতি নি পাখিলগোৱা টুপিটো দেখুৱালে। সেইটোৰ কাহিনীটোও তাই বৰ্ণালে। তাই আৰু কলে যে অকমানি এজনীৰ পৰা এনে বস্তু এটা লবলৈ তাই স্বভাৱতেই ভাল নাপায়।

ককাক কিন্তু হাইডিৰ প্ৰতি প্ৰসন্ন হোৱাহে দেখা গ'ল। তেওঁ কলে, "টুপিটো তাইৰ। তাই যদি সেইটো আৰু কেতিয়াও পিন্ধিব নোখোজে, সেয়ে হওক। আৰু তাই যদি তোমাক দিছেই তুমিয়েই ৰাখাঁ।"

এই অপ্ৰত্যাশিত সিদ্ধান্তত বৃগিটে নথৈ আনন্দিত হ'ল।

"এইটো বৰ দামী টুপি। এবাৰ মাত্ৰ চোৱাঁ," এইবুলি ফুৰ্তিত বৃগিটেই টুপিটো ওপৰলৈ ডাঙি ধৰিলে। "এই হাইডিজনীয়ে ফ্ৰাঙ্কফুৰ্টৰ পৰা কি কি যে আশীৰ্বাদ অনা নাই! পিটাৰলিকো অলপ সময়ৰ বাবে ফ্ৰাঙ্কফুৰ্টলৈ পঠোৱাৰ কথা মই প্ৰায়ে ভাবোঁ। কথাটো কেনে দেখে মামা?"

মামাকৰ চকু দুটা ফুত্তিত তিৰ্বিৰাবলে। তেওঁৰ মতে তেনে কৰিলে পিটাৰৰ কোনো অনিষ্ট নহয় কিন্তু সি ভাল ছেগ এটা অহালৈ বাট চাব লাগিব।

ঠিক তেনেতেই আলোচিত ব্যক্তিজনে দুৱাৰেৰে সোমাবলৈ খোজোঁতেই, কিবা কাৰণে সি উধাতু খাই আহিছিল চাগৈ, দুৱাৰখনতে মূৰটোৰে ইমান প্ৰচণ্ড জোৰে খুন্দিয়ালে যে গোটেই জুপুৰিটো কেৰ্‌মেৰাই উঠিল। কোঁপাই-জোপাই, দম নোহোৱা হৈ সি কোঠাটোৰ মাজতে থিয় হৈ ৰ'ল। তাৰ হাতত এখন চিঠি। এটা নোহোৱা-নোপজা ঘটনা; হাইডিৰ নামত অহা চিঠি। ডৰ্ফলিৰ পোষ্টমাষ্টৰে সেইখন তাৰ হাতত দিছিল। সিহঁত সকলোৱে অতি প্ৰত্যাশাৰে টেবুলখনৰ চাৰিওকাৰে বহিল। হাইডিয়ে চিঠিখন খুলিলে আৰু

সলসলীয়াকৈ পঢ়িবলৈ ধৰিলে। সেইখন ক্লাৰাৰ চিঠি। সেইখনত তাই হাইডি শুচি অহাৰ পিছৰে পৰা সিহঁতৰ ঘৰখন একেবাৰেই নিমাওমাও হৈ পৰা বুলি লিখিছে আৰু সেই অৱস্থাটো বোলে তাইৰ বাবে অসহ্য হৈ উঠিছে। তাই বোলে দেউতাকক খাটোঁতে খাটোঁতে তেখেতে তাইক লৈ অহা শৰৎকালি ৰাগাৎচলৈ আহিবলৈ সন্মত হৈছে। সিহঁতৰ লগত বোলে আইতাকো আহিব। তেখেতে বোলে আল্মত ককাক আৰু হাইডিক লগ পাবলৈ উৎসুক হৈ আছে। তদুপৰি, ক্লাৰাৰ আইতাকে হাইডিক জনাবলৈ কৈছে যে হাইডিয়ে আল্মৰ আইতাকলৈ ৰোল কিনাৰ বন্দবস্ত কৰি উত্তম কামেই কৰিছে। তেনে ৰোলবোৰ শুকানে শুকানে খালে জুতি নালাগে কাৰণে তেখেতে আইতাকলৈ কফি অলপ ইতিমধ্যে পঠিয়াইছে। আইতাকে আৰু কৈছে যে তেখেত আল্মলৈ আহিলে হাইডিয়ে তেখেতক আল্মৰ আইতাকৰ তালৈও নিব লাগিব।

এই খবৰবোৰে আটাইকেইটাকেই ৰঙীয়াল কৰিলে, বিস্মিতয়ো কৰিলে। তেখেতসকল অহা লৈ আটাইকেইটাৰ একে ধৰণৰ প্ৰত্যাশাই হ'ল। সেই কাৰণে সিহঁতে প্ৰশ্ন সুধিবলৈ আৰু কথা পাতিবলৈ ইমান বিষয় ওলাল যে সিহঁত কথাত মজি থাকোঁতে কিমান সময় গ'ল আন নালাগে, ককায়ো লক্ষ্য নকৰিলে। আহিব ধৰা দিনবোৰৰ সম্ভাব্য পৰিস্থিতিক লৈ তেওঁলোক অতি সন্তুষ্ট হৈ পৰিছিল। তাতকৈও বেছি আনন্দ অৱশ্যে এতিয়া আটায়ে একগোট হৈ পৰা কাৰণে পাইছিল। শেহত আইতাকে কলে, "পুৰণি বন্ধু এজনে তাহানিৰ দৰে আজি আহি সৌহাৰ্দ্যৰ হাত আগবঢোৱাটোহে আটাইতকৈ ভাল কথা হৈছে। মৰমৰ বস্তুবোৰ আকৌ বিচাৰি পালে সকলোৰে অন্তৰ পৰিতৃপ্ত হয়। মামা, তুমি সোনকালেই আকৌ আহিবা, নহয় জানো? আইকণ কাইলৈয়ে কিন্তু।"

তেনেকুৱাই হব বুলি আইতাকক কথা দিয়া হ'ল। যাবৰ সময় হ'ল। ককা আৰু হাইডি আল্মত উঠিবলৈ ললে। কাষৰ আৰু নিলগৰ গিৰ্জাৰ ঘণ্টাৰ স্পষ্ট শব্দই তেওঁলোকক অথনি নামনিলৈ আহ্বান কৰাৰ দৰে, এতিয়া নামনিৰ পৰা অহা আবেলিৰ ঘণ্টাৰ শান্ত সুৰ তেওঁলোকৰ লগে লগে ওপৰৰ ৰ'দ-ঘাই পঁজাটোলৈ গ'ল। পঁজাটো তেতিয়া আবেলিৰ কিৰণত জলমলাই আছিল। ■

হাইডি প্ৰথম খণ্ড

সমাপ্ত

হাইডি

দ্বিতীয় খণ্ড

হাইডিৰ শিক্ষা কামত আহিল

পঞ্চদশ অধ্যায়

ভ্ৰমণৰ প্ৰস্তুতি

হাইডিক তাইৰ পৰ্বতীয়া ঘৰলৈ ঘূৰাই পঠিওৱাৰ সিদ্ধান্ত লোৱা শ্ৰুমিয়াল ডাক্তৰগৰাকীয়ে ফ্ৰাঙ্কফুৰ্টৰ বহল আলিবাটটোৰে জেচেমান ডাঙৰীয়াৰ ঘৰমুৱা হৈছিল। চেপ্তেম্বৰ মাহৰ সেই ৰ'দভৰা পুৱাটো ইমান উজ্জ্বল আৰু মধুৰ আছিল যে সকলোৰে বাবে সেই পৰিবেশ ৰং-ৰহইচৰ হব যেন লাগিছিল। ডাক্তৰগৰাকীয়ে কিন্তু তলমুৱা হৈ বাটত পাৰি থোৱা বগা শিলবোৰহে চাই চাই গৈছিল; মূৰৰ ওপৰৰ নীলা আকাশখনলৈ তেখেতৰ চকু যোৱা নাছিল। তেওঁৰ মুখত আগতে কেতিয়াও নথকা বিষাদৰ ভাব দেখা গৈছিল। যোৱা বসন্তকালতকৈ তেখেতৰ চুলিবোৰো বেছিকৈ পকিছিল।

ডাক্তৰৰ পৰিবাৰ ঢুকোৱাৰ পিছত তেখেতৰ একমাত্ৰ জীয়েকজনী তেখেতৰ অতি ঘনিষ্ঠ হৈ পৰিছিল। তায়েই তেখেতৰ জীৱনৰ আনন্দৰ একমাত্ৰ উৎস যেন হৈ পৰিছিল। কেইমাহমান আগতে তেখেতৰ জীয়েকজনী ঢুকাইছিল।তেতিয়াৰ পৰা ডাক্তৰ আৰু আগৰ দৰে ৰঙীয়াল হব নোৱাৰা হ'ল।

টিলিঙাৰ শব্দ শুনি চেবাষ্টিয়ানে বিনয়েৰে দুৱাৰখন খুলি দিলে। অভ্যাগতক দেখি সি ঘৰখনৰ বিশ্বস্ত লগুৱা হোৱাৰ বিভিন্ন ইঙ্গিতো দিলে। ডাক্তৰ ঘৰখনৰ গিৰিহঁতৰ আৰু তেখেতৰ জীয়েকৰ সৰ্বোত্তম বান্ধৱ হোৱাই নহয়, সকলোলৈকে থকা তেখেতৰ মৰমৰ বাবে গোটেই ঘৰোৱাহৰে তেখেতলৈ সদিচ্ছা আছিল।

"সকলো আগৰ দৰেই আছেনে?" ডাক্তৰে স্বাভাৱিক বন্ধুত্বপূৰ্ণ মাতেৰে সুধিলে আৰু খটখটিৰে ওপৰলৈ খোজ ললে। চেবাষ্টিয়ান পাচে পাচে গ'ল। ডাক্তৰে দেখা নাপালেও তেখেতলৈ তাৰ বিশ্বস্ততাৰ বিভিন্ন ইঙ্গিত চেবাষ্টিয়ানে দিলে।

"তুমি অহাই ভাল হ'ল ডাক্তৰ," সখিয়েক জেচেমান ডাঙৰীয়াই মাত দিলে। "চুইজাৰলেণ্ডলৈ যোৱাৰ কথাটো আমি আজি আকৌ এবাৰ গহীনাই বিচাৰ কৰিব লাগিব। ক্লাৰা আগতকৈ ভাল হোৱা যেন লাগিছে। তথাপিও তুমি তাইৰ সম্পৰ্কে আগৰ সিদ্ধান্তটো বাহাল ৰাখিবলৈ খোজানে? ইয়াৰ উত্তৰটো মই তোমাৰ পৰা জানিব খোজোঁ।"

"প্ৰিয় জেচেমান, তোমাৰ কি হৈছে বাৰু?" ডাক্তৰে সখিয়েকৰ কাষত বহি উত্তৰ দিলে। "তোমাৰ মাৰা ইয়াত থকা হলে তেখেতৰ বাবে

সমস্যাটোৰ সমাধান সহজ, সৰল হলহেঁতেন। তোমাক মই একেটা উত্তৰেহে দি আছোঁ। তথাপিও তুমি অবুজন হৈ আজিৰ ভিতৰতে এই তৃতীয়বাৰলৈ মোক মাতি পঠাইছা।"

"এৰা, ঠিকেই কৈছা। কথাটোৱে তোমাক অধৈৰ্য্য কৰি পেলালেও তুমি এটা কথা বুজা উচিত প্ৰিয় বন্ধু," এইখিনিতে জেচেমান ডাঙৰীয়াই অনুৰোধ কৰা দি তেখেতৰ হাত এখন ডাক্তৰৰ কান্ধত থলে, আৰু ক'লে "মই সম্পূৰ্ণ আন্তৰিকতাৰে ছোৱালীজনীক দি অহা প্ৰতিশ্ৰুতি ভঙ্গ কৰিবলৈ বিষম টান পাইছোঁ। মোৰ সেই প্ৰতিশ্ৰুতিয়ে যোৱা কেইমাহে অহৰ্নিশে তাইক সুখী কৰি ৰাখিছে। সোনকালে চুইজাৰলেগুলৈ যাবলৈ পোৱাৰ আৰু আল্মলৈ গৈ বান্ধৱী হাইডিক লগ পোৱাৰ আশাত তাই যোৱা কেইমাহৰ যন্ত্ৰণা ধৈৰ্য্যৰে সহ্য কৰিছে। তাই ইমান জীয়াতু ভুগাৰ পিছত এতিয়া মই এবাৰ কথাৰে তাইৰ ইমান দিনৰ আশা-আকাংক্ষা চূৰমাৰ কৰি পেলামনে? এনে কৰা মোৰ বাবে প্ৰায় অসম্ভৱ।"

"জেচেমান, এনে হবই লাগিব," ডাক্তৰে ডাঠি কলে। বন্ধুৱেক নীৰৱ আৰু হতাশ হৈ বহি থকা দেখি অলপ পাছতে ডাক্তৰে কবলৈ ধৰিলে, ' 'অৱস্থাটো এবাৰ টলকি চোৱা। এইবাৰ জহকালিৰ দৰে বহুত বছৰ ক্লাৰাই ইমান বেছিকৈ ভোগা নাছিল। সেয়ে নিসন্দেহ কথাটো হ'ল, এনে পৰিস্থিতিত তাই দীঘলীয়া ভ্ৰমণ কৰাৰ ফল বিষম হব পাৰে। এইটো চেপ্তেম্বৰ মাহ। ওপৰৰ আল্মত এতিয়াও বতৰ কিজানি ভাল, কিন্তু তাত ইতিমধ্যে নিশ্চয় বেচ জাৰ পৰিছে। ইতিমধ্যে দিনবোৰ চুটি হবলৈ ধৰিছে। পৰ্বতৰ ওপৰত ক্লাৰাই ৰাতি কটাব নোৱাৰে। পৰ্বতীয়া বাটছোৱা তাইক চকীত বহুৱাই নিব লাগিব কাৰণে ৰাগাৎচৰ পৰা তালৈ যাওঁতে কেইবাঘণ্টাও লাগিব। গতিকে আল্মত তাইৰ দিনটোত দুঘণ্টামানকৈও থকা নহব। মুঠতে জেচেমান, এই যাত্ৰা বন্ধ। মই তোমাৰ লগত ভিতৰলৈ যাওঁ ব'লা। ক্লাৰাৰ লগত এই বিষয়ে ময়েই কথা হম। তাই অবুজন নহয়। মোৰ পৰিকল্পনাৰ কথাও মই তাইক কম। অহা মে মাহত তাই প্ৰথমতে ৰাগাৎচলৈ যাব আৰু তাত ইচ্ছামতে গা ধুব। পৰ্বতৰ ওপৰত বতৰ যেতিয়া উষ্ণ আৰু মধুৰ হব, তেতিয়া তাইক পৰ্বতলৈ মাজে মাজে লৈ যাব পৰা যাব। তেতিয়ালৈ তাই বলী আৰু সতেজ হৈও পৰিব। সেই কাৰণে এনে পৰ্বতীয়া অভিযানত এতিয়া যোৱাতকৈ তেতিয়া গলে তাই বহুত বেছি ভালকৈ উপভোগ কৰিব পাৰিব। আৰু জেচেমান, তুমি যদি জীয়েৰা সুস্থ হৈ উঠাৰ কণমানো আশা ৰাখিব খোজা, তেন্তে আমি অতি যত্নেৰে আৰু অতি সাৱধানে তাইৰ চিকিৎসাৰ ব্যৱস্থা কৰিব লাগিব।"

ইমানপৰে জেচেমান ডাঙৰীয়াই ডাক্তৰৰ কথা নীৰৱে শুনি আছিল। বেজাৰ

মনেৰে ডাক্তৰৰ কথা মানি লবলৈ বাধ্য হোৱাৰ ভাব তেখেতৰ মুখত ফুটি ওলাইছিল। ডাক্তৰৰ কথা শেষ হ'লতেই তেওঁ জাঁপ মাৰি উঠিল। তেখেতে আবেগেৰে সুধিলে, "ডাক্তৰ, ক্লাৰাৰ অৱস্থাৰ উন্নতি হব বুলি তুমি আচলতে আশা কৰা নে নকৰা মোক অকপটে কবানে?"

ডাক্তৰে কান্ধ জোকাৰিলে আৰু মৃদুস্বৰে কলে, "তেনেই অলপ। কিন্তু বান্ধ, মোৰ অৱস্থাটো খন্তেক ভাবি চোৱাচোন। তুমি আঁতৰত থাকিলে তোমাৰ চেনেহী জীয়ৰীয়ে তোমালৈ বাট চাই নাথাকেনে? তুমি উভতি আহিলে তাই ৰতীয়াল হৈ নপৰেনে? তেনে দৰদী জীয়ৰী এজনী তোমাৰ নাইনে? তুমি উৰুঙা ঘৰ এটালৈ উভতি আহি অকলশৰে খাবলৈ বহিব নালাগে। তোমাৰ জীয়ৰীজনী ঘৰত ভালেই আছে। আন ল'ৰা-ছোৱালীয়ে উপভোগ কৰা বহুতো বস্তু তাইৰ বাবে নহয়, কিন্তু আন কিছুমান কথাত তাই আনতকৈ সৌভাগ্যৱতী। ওহোঁ জেচেমান, তুমি অতিমাত্ৰ পুতৌৰ পাত্ৰ নোহোৱা। তোমালোক একেলগে থকা সৌভাগ্য তোমাৰ আছে। কিন্তু মোৰ নিসঙ্গ গৃহস্থালিৰ কথা ভাবাচোন।"

জেচেমান ডাঙৰীয়াই দীঘল খোজেৰে কোঠাটোত পায়চাৰি কৰিবলৈ আৰম্ভ কৰিলে। কোনো কথাত অতিকৈ মগ্ন হলে এনে কৰাই তেখেতৰ অভ্যাস। এবাৰ হঠাতে তেখেত সখিয়েকৰ সমুখত থিয় হ'ল আৰু তেখেতৰ দুয়ো কান্ধত লাহে লাহে থপৰিয়ালে। "ডাক্তৰ, এটা কথা মোৰ মনত খেলাইছে। তোমাৰ এনে দুৰৱস্থা মই চাই থাকিব নোৱাৰোঁ। তুমি আৰু আগৰ দৰে হৈ থকা নাই। তুমি লেটাৰ দৰে নিজকে বন্দী কৰি ৰাখিলে নহব; তুমি লেটাৰ অলপ বাহিৰলৈ ওলাব লাগিব। কিন্তু কেনেকৈ ওলাবা জানানে? তুমি ভ্ৰমণত ওলোৱা আৰু আমাৰ হৈ শিশু হাইডিক লগ পোৱাগৈ।"

প্ৰস্তাৱটো শুনি ডাক্তৰ বৰ আচৰিত হ'ল। তেখেতে নিশ্চয় আপত্তি কৰিলেহেঁতেন কিন্তু জেচেমান ডাঙৰীয়াই তেখেতক তেনে কৰিবলৈ সময়কে নিদিলে। সেই নতুন চিন্তাটোৱে জেচেমান ডাঙৰীয়াক ইমান আনন্দ দিলে আৰু তেওঁৰ মনটো ইমান জুৰি বহিল যে তেওঁ সখিয়েকৰ হাতত ধৰি তেখেতক টানি নিয়াদি নি জীয়েকৰ কোঠাত সোমালগৈ।

ডাক্তৰ ক্লাৰাৰ বন্ধু যেন আছিল আৰু ডাক্তৰক দেখিলেই ৰুগীয়া ক্লাৰাৰ ভাল লাগিছিল। তাইক পালেই তেখেতে আকৰ্ষণীয় আৰু মনোৰঞ্জক গল্প কৈছিল। তেখেতে আজিকালি তেনে কৰিব নোৱৰাৰ কাৰণ তাই ভালকৈয়ে জানিছিল। সেয়ে তাই ভাবিছিল, "মই তেখেতক পুনৰ সুখী কৰিব পৰা হলে!"

তাই ডাক্তৰলৈ হাতখন আগবঢ়াই দিলে আৰু তেখেত গৈ তাইৰ কাষত বহিল। জেচেমান ডাঙৰীয়াৰো নিজৰ চকীখন ক্লাৰাৰ কাষ চপাই নি বহিল।

ক্লাৰাৰ হাতখন তেখেতে নিজৰ হাতত লৈ চুইজাৰলেণ্ড ভ্ৰমণৰ কথা পাতিবলৈ আৰম্ভ কৰিলে। সেই ভ্ৰমণৰ কল্পনা কৰি তেখেত নিজেও পুলকিত বুলিও কলে। কিন্তু সেই ভ্ৰমণ সম্প্ৰতি বাতিল কৰা গুৰুত্বপূৰ্ণ কথাটো তেখেতে ক্ষিপ্ৰতাৰে উল্লেখহে মাথোন কৰিলে; কাৰণ সেইযাৰ শুনিলেই তাইৰ নিশ্চয়কৈ চকুলো বব আৰু সেই চকুলোৱে তেখেতক বিচলিত কৰিব। তেখেতে লগে লগেই নতুন প্ৰস্তাৱটোৰ কথা উলিয়ালে আৰু দঢ়াই কলে যে এই প্ৰস্তাৱটোৱে তাইৰ প্ৰিয় বন্ধু ডাক্তৰবো ডাঙৰ উপকাৰ কৰিব।

তাই কান্দিলে বাপেকে আঘাত পায় বুলি জনা কাৰণে ক্লাৰাই নাকান্দিবলৈ পাৰেমানে যত্ন কৰিলে, কিন্তু তথাপিও তাইৰ চকুলো ওলাল; তাইৰ নীলা চকুযোৰ যেন সেইবোৰত সাঁতুৰিব ধৰিলে। জহকালিৰ দীঘল দিনবোৰত যেতিয়া তাই অকলশৰে যন্ত্ৰণা ভুগিছিল, তেতিয়া হাইডিহঁতৰ তালৈ ফুৰিবলৈ যোৱাৰ কল্পনাইহে মাত্ৰ তাইক আনন্দ আৰু সান্ত্বনা দিছিল। সেয়ে তাইৰ কান্দোন বন্ধ কৰা উজু নহ'ল। তৰ্ক কৰা তাইৰ স্বভাৱ নাছিল। তাই ভালকৈয়ে জানিছিল যে সেই ভ্ৰমণ তাইৰ বাবে অনিষ্টকাৰী হ'ব কাৰণেহে দেউতাক অমান্তি হৈছে; গতিকে সেইয়া বাতিল কৰা উচিতেই হৈছে। তাই জোৰেৰে উচুপনি দমালে আৰু আন্মলৈ ভ্ৰমণ কৰা আশাৰ যিকণ ৰ'ল তাতেই আশ্ৰয় বিচাৰিলে।

তাই প্ৰিয়বন্ধুজনাৰ হাতখন ধৰি মৃদুকৈ থপৰিয়ালে আৰু সানুনয়ে কলে, "ডাক্তৰ ডাঙৰীয়া, আপুনি হাইডিৰ তালৈ যাব, নাযাব জানো? উভতি আহি মোক তাৰ সকলো কথা কব; হাইডিয়ে, তাইৰ ককাকে, পিটাৰে আৰু ছাগলীবোৰে কি কৰি আছে মোক জনাব। সিহঁত আটায়ে মোৰ ইমান চিনাকি। হাইডিলৈ মই কি কি পঠাম মই ভাবি থৈছোঁ। আইতালৈকো অলপ কিবা পঠাম। আপুনি এইবোৰ লৈ যাব। ডাক্তৰ, অনুগ্ৰহ কৈ আপুনি তালৈ যাওক। আপুনি যায় যদি আপুনি যিমান খাবলৈ কয় সিমান কডলিভাৰ তেল মই আচলতে খাম।"

তাইৰ এইযাৰ শপতে প্ৰস্তাৱটো খাটাং কৰিলে নে নাই জনাৰ উপায় নাই, কিন্তু কৰিছিল চাগে। ডাক্তৰে মিচিকিয়াই হাঁহি কলে, "ক্লেৰচেন, তেন্তে মই যাবই লাগিব; কাৰণ তেতিয়াহে তোমাৰ দেউতাৰাই আৰু মই বিচৰাৰ দৰে তুমি শকত আৰু বলী হবা। কেতিয়া যাব লাগিবনো? সেইটোও তুমি ঠিৰাং কৰি থৈছানে?"

"অঁ, কাইলে পুৱাই," ক্লাৰাই উত্তৰ দিলে।

"এৰা, ক্লাৰাই ঠিকেই কৈছে," তাইৰ দেউতাকে মাত দিলে। "এতিয়া বেলি উজ্জ্বল আৰু আকাশ নীলা। গতিকে সময় নষ্ট কৰাৰ কথা নাই। আল্মত

এনে সুন্দৰ দিন এটা উপভোগ নকৰা লজ্জাকৰ কথা।"

ডাক্তৰে নাহাঁহি নোৱাৰিলে। "জেচেমান, যি দেখিছোঁ মই ইতিমধ্যে আগ্ম গৈ নোপোৱা কাৰণে তোমালোকে মোক এইবাৰ ক্ষমা কৰিবা। গতিকে মই পলোৱাই ভাল।"

ক্লাৰাই কিন্তু ডাক্তৰক টানকৈ ধৰি থাকিল। প্ৰথমতে, তাইৰ হাইডিলৈ পঠাবলগীয়া বতৰা বহুত আছিল। তদুপৰি, ডাক্তৰে তাত মন কৰিবলগীয়া বহুত কথা তাই সোঁৱৰাই দিলে। যাতে তেখেতে উভতি আহি সেইবোৰৰ বিষয়ে কবলৈ পাৰে। হাইডিলৈ পঠাবলগীয়া বস্তুবোৰ তেখেতৰ তালৈ পিছত পঠিয়াই দিয়া হব, কাৰণ কুমাৰী ৰোটেন্‌মায়াৰে সেইবোৰ বন্ধাত-ভৰোৱাত সহায় কৰিব লাগিব। আন দিনাৰ দৰে তেওঁ ফুৰিবলৈ ওলাই যোৱা বাবে অনতিপলমে ওভোতাৰ আশা নাই।

ডাক্তৰে তাইৰ নিৰ্দেশনাবোৰ পালন কৰিব বুলি, যাত্ৰা যিমান সোনকালে পাৰে আৰম্ভ কৰিব বুলি আৰু উভতি আহি তেখেতে দেখা আৰু কৰা সকলো কথা তাইক কব বুলি প্ৰতিশ্ৰুতি দিলে।

লগুৱা-লিকচৌহঁত সিহঁতক কোৱাৰ বহুত আগতে ঘৰখনত ক'ত কি হব ধৰিছে জনাত আচৰিত ভাবে টেঙৰ। চেবাষ্টিয়ান আৰু টিনেটে এই ক্ষেত্ৰত কিজানি অতি টেঙৰ। চেবাষ্টিয়ান খট্‌খটিৰে ডাক্তৰৰ পিচে পিচে নামি যাওঁতে টিনেটে গৈ ক্লাৰাৰ কোঠাত সোমাল।

ক্লাৰাই তাইক কেইদিনমান আগৰে পৰা সাজু কৰি থোৱা বাকচ এটা দেখুৱাই কলে, "আমি কফিৰ লগত খোৱাৰ দৰে টাট্‌কা আৰু ভাল কেকেৰে এইটো ভৰাই আনাগৈ।" টিনেটেই সেইটোৰ এচুকত অৱজ্ঞাৰে ধৰি হাতত ওলোমাই ললে। কোঠাটোৰ পৰা ওলাই দুৱাৰখন মাৰি তাই ধৃষ্টতাৰে কলে, "কামৰ লায়ক কামহে।"

চেবাষ্টিয়ানে তাৰ স্বাভাৱিক বিনয়েৰে বাটৰ সমুখৰ দুৱাৰখন খুলি দি মূৰ দোঁৱাই কলে, "ডাক্তৰ ডাঙৰীয়াই অনুগ্ৰহকৈ অকমানি মাম্‌জেলক মোৰ সম্ভাষণ জনায় যেন।"

"চেবাষ্টিয়ান," ডাক্তৰে সৌজন্যতাৰে সুধিলে। "মই তালৈ যাম বুলি তুমি ইমান সোনকালে গম পালাইনে?"

চেবাষ্টিয়ান অপ্ৰস্তুত হ'ল। "মই নহয়— আচলতে— ঘটনাটো সঠিককৈ নাজানোঁ অৱশ্যে; বৰ, মোৰ মনত পৰিছে— মই খোৱা কোঠাৰে এতিয়াই যাওঁতে অকমানি মাম্‌জেলৰ নামটো উল্লেখ কৰা শুনিছিলোঁ; সাধাৰণতে আমি এটা চিন্তাৰ লগত আন এটা চিন্তা জোৰা লগাওঁ আৰু সেয়ে— মানে তেনেকৈয়ে—"

"বুজিছোঁ, বুজিছোঁ," ডাক্তৰে হাঁহি কলে। "গতিকে যাৰ বেছি চিন্তা সি বেছি জানেও। এতিয়া আহোঁ চেবাষ্টিয়ান। তোমাৰ বতৰা মই দিম'গে।"

এইবুলি কৈ দুৱাৰখন পাৰ হব খোজোঁতেই ডাক্তৰে বাধা পালে। বতাহ জোৰেৰে বলি থকা কাৰণে কুমাৰী ৰোটেন্‌মায়াৰে ফুৰা বন্ধ কৰি উভতি আহিবলগীয়া হ'ল। তেওঁ আহি ঠিক তেতিয়াই দুৱাৰখনেৰে সোমাবলৈ ধৰিছিল। তেনেতে বতাহে তেওঁৰ গাত মেৰাই লোৱা ডাঙৰ শ্বালখন ফুলাই দিলে। তেওঁ দেখিবলৈ অবিকল পালতৰা নাৱত যোৱাৰ দৰে হ'ল। নিমিষতে ডাক্তৰ পিছুৱাই গ'ল। এই মানুহগৰাকীৰ প্ৰতি কুমাৰী ৰোটেন্‌মায়াৰৰ আচৰণ সদায় সম্ভ্ৰম আৰু সৌজন্যমূলক আছিল। তেখেতলৈ বিশেষ সৌজন্য দেখুৱাই কুমাৰী ৰোটেন্‌মায়াৰো পিছুৱাই গ'ল। অলপপৰ তেওঁলোকে মূৰ দোঁৱাই ইজনে সিজনক বাট এৰি দি তাতে ৰ'ল। তেনেতে প্ৰবল বতাহ এজাকে তৰা পালখনে সৈতে কুমাৰী ৰোটেন্‌মায়াৰক ঠেলি নি ডাক্তৰৰ গাত খুন্দা খুৱায় যেন হ'ল। ডাক্তৰে কোনোমতেহে এফলীয়া হবলৈ পাৰিলে। সেয়ে বতাহে ডাক্তৰক পাৰ কৰাই কুমাৰী ৰোটেন্‌মায়াৰক অলপ দূৰলৈ ঠেলি নিলে। সেইকাৰণে ঘৰখনৰ বন্ধুগৰাকীক সম্ভাষণ জনাবলৈ তেওঁ ঘূৰিবলগীয়া হ'ল। এই অদ্ভূত ঘটনাটোৱে কুমাৰী ৰোটেন্‌মায়াৰক কিছু পৰিমাণে অপ্ৰস্তুতো কৰিলে। কিন্তু সোনকালেই ডাক্তৰে তেওঁৰ উত্তেজিত মেজাজ শাম কটাবলৈ আৰু মন জুৰাবলৈ পাৰিলে। তাৰ পিছত তেখেতে তেওঁক প্ৰস্তাৱিত ভ্ৰমণৰ কথাটো জনালে। লগতে কুমাৰী ৰোটেন্‌মায়াৰৰ মনত লগাকৈ অনুৰোধ কৰি কলে যে কুমাৰী ৰোটেন্‌মায়াৰেহে বস্তুবোৰ ঠিক্‌ঠাক কৰিবলৈ জানে কাৰণে হাইডিলৈ নিবলগীয়া বস্তুবোৰ তেওঁ সাজু কৰে যেন। তাৰ পিছত ডাক্তৰ ঘৰমুৱা হ'ল।

হাইডিলৈ ইমানগাল বস্তু পঠিয়াবলৈ কুমাৰী ৰোটেন্‌মায়াৰক মান্তি কৰাবলৈ তাই যুঁজ এখন কৰিব লাগিব বুলি ক্লাৰাই আশঙ্কা কৰিছিল। সুখৰ কথা, এইবাৰ তাইৰ অনুমান ভুল হ'ল। কুমাৰী ৰোটেন্‌মায়াৰ অস্বাভাৱিক ধৰণে ভাল মেজাজত আছিল। তেওঁ ডাঙৰ টেবুলখনৰ সকলো বস্তু আঁতৰাই পৰিষ্কাৰ কৰি ললে আৰু ক্লাৰাই গোট খুওৱা সকলোবোৰ বস্তু আনি তাত মেলি ললে। সেইবোৰ বন্ধা-ভৰোৱা ক্লাৰাই চাই থাকিব পৰাকৈ তেওঁ কৰিছিল। বস্তুবোৰ বিভিন্ন গঢ়ৰ হোৱা কাৰণে এইটো সহজ কাম নাছিল। প্ৰথমতে হ'ল মূৰ ঢকা আবৰণে সৈতে থকা গৰম হুলোচোলা এটা। অহা জাৰকালি হাইডিয়ে আইতাকৰ তালৈ যাওঁতে এইটো পিন্ধিব। তেতিয়া আৰু তাই গোট মাৰি বৰফ নহবলৈ ককাকে তাইক বস্তাৰে মেৰাই অনালৈ বাট চাই থাকিব নালাগিব। তাৰ পিছত বুঢ়ী আইতাকৰ বাবে এখন ডাঠ, গৰম শ্বাল আছিল। তাৰ পিছত

কেকৰ ডাঙৰ বাকছটো আছিল। কফিৰ লগত আইতাকে সদায় বোলছে খাই থাকিব নালাগে, সেই কাৰণে আইতাকে কফিৰ লগত মাজে মাজে খাবলৈ এই কেকবোৰ দিয়া হৈছিল। তাত এটা প্ৰকাণ্ড চচেজো আছিল। প্ৰথমতে তাই সেইটো পিটাৰক দিব বুলি ভাবিছিল; কাৰণ সি জীৱনত কটি আৰু চিজৰ বাহিৰে আন একো খাই পোৱা নাই। কিন্তু তাই পিছত মত সলালে। পিটাৰে যদি মনৰ আনন্দত একেবাৰতে নিজেই গোটেইটো খাই পেলায়? সেয়ে চচেজটো তাই মাক বুগিটেলৈ পঠালে। মাকে প্ৰথমতে নিজলৈ আৰু আইতাকলৈ সেইটোৰ ডাঙৰ এভাগ ৰাখিব; বাকী ভাগৰ অংশ অংশকৈ পিটাৰক যেন বেলেগ বেলেগ দিনা দিয়ে। তাৰ পিছত আছিল ধঁপাতৰ সৰু পেকেটটো। আবেলি আবেলি পঁজাটোৰ সমুখত বহি পাইপ হুপিবলৈ ভালপোৱা ককাকৰ বাবে সেইখিনি আছিল। শেহত আছিল বহুতো ৰহস্যজনক সৰু-সৰু টোপোলা-টাপলি আৰু বাকছ। ক্লাৰাই সেইবোৰ হাইডিৰ বাবে গোটাই বৰ ৰং পাইছিল, কাৰণ সেইবোৰ পাই হাইডি বাৰে বাৰে বিস্মিত হৈ পৰিব।

অৱশেষত কামটো শেষ হ'ল আৰু গহীন, গহীন দেখা ডাঙৰ বোজা এটা যাত্ৰাৰ বাবে সাজু কৰি মজিয়াত থোৱা হ'ল। সেইটোলৈ চাই কুমাৰী ৰোটেন্মায়াৰ বস্তু ভৰোৱা কলা সম্পৰ্কে চিন্তামগ্ন হ'ল। সেইটো পোৱা হাইডিৰ পুলকিত মাত আৰু ফূৰ্ত্তিভৰা জঁপবোৰ ক্লাৰাৰ চকুৰ আগত ভাহি উঠিল। ক্লাৰাই আনন্দমুগ্ধ হৈ পাৰ্চেলটোলৈ চাই ৰ'ল।

চেবাষ্টিয়ান আহি ডাক্তৰৰ ঘৰত ভেতিয়াই দি আহিবলৈ বুলি বোজাটো কান্ধত তুলি ললে। ■

ষষ্ঠদশ অধ্যায়
আল্মৰ এজন আলহী

ফেঁহুজালিৰ পোহৰত পৰ্বতবোৰ জিলিকিব ধৰিছিল আৰু ফাৰগছবোৰৰ মাজেৰে বতাহ জোৰেৰে বলি সিহঁতৰ বুঢ়া ডালবোৰ কোবেৰে আন্দোলিত কৰি দিছিল। তাৰে শব্দই হাইডিক জগালে; তাই চকু মেলিলে। বতাহৰ এনে হো-হোৱনিয়ে হাইডিৰ অন্তৰবো অন্তৰখন জোকাৰি দিছিল আৰু সেই প্ৰকাণ্ড ডালবোৰৰ তললৈ দৌৰি যাবই লাগিব বুলি তাইক উদগাইছিল। তাই একেজাপে বিছনাৰ পৰা নামিল আৰু পৰিপাটিকৈ কাপোৰ পিন্ধিবলৈও তাইৰ তৎ নোহোৱা হ'ল। কিন্তু ভালকৈ নিপিন্ধিলেও নহয়; তাই ভালকৈয়ে জানে যে মানুহ সদায় চাফ-চিকুন আৰু পৰিপাটি হৈ থাকিব লাগে।

তাৰ পিছত তাই জখলাডালেৰে নামি আহোঁতে ককাকৰ বিছনাখন ইতিমধ্যে খালী হৈ থকা দেখিলে। তাই দৌৰি বাহিৰ ওলাল। আনদিনাৰ দৰে আজি পুৱাও ককাকে পঁজাটোৰ সমুখত থিয় হৈ আকাশলৈ আৰু চৌদিশলৈ চাই দিনটোৰ বতৰ কেনে হব অনুমান কৰি আছিল।

তেতিয়া ৰঙচুৱা মেঘবোৰ আকাশত ভাহি আছিল; আকাশখন ক্ৰমাৎ বেছি নীলা হবলৈ ধৰিছিল; পৰ্বত আৰু ঘাঁহনিবোৰ উজ্জ্বল, সোণালী হৈ পৰিছিল; কাৰণ পুৱাৰ বেলিটোৱে তেতিয়াই ওখ পৰ্বতবোৰৰ ওপৰেদি দেখা দিছিল।

"আয়ে, ইমান ধুনীয়া! ইমান ধুনীয়া! শুভ ৰাতিপুৱা ককা," হাইডিয়ে ডেও দি আহোঁতে আহোঁতে মাত দিলে।

"অ', তুমি সাৰ পালাই?" উত্তৰত ককাকে সুধিলে আৰু পুৱাৰ সম্ভাষণ জনাবলৈ হাতখন আগবঢ়াই দিলে।

তাৰ পাছত তাই ফাৰগছৰ তললৈ লৰ ধৰিলে। বতাহৰ হো-হোৱনি শুনি শুনি তাই হালিজালি থকা ডালবোৰৰ তলত নাচিবলৈ ধৰিলে। মাজে মাজে হঠাতে জোৰেৰে বলা নতুন একোছাটি বতাহে গছবোৰৰ চূড়াত হো-হোৱনি প্ৰবলতৰ কৰা শুনি তাই আনন্দত অলপ বেছিকৈ কিৰিলিয়াই আৰু জাঁপবোৰ আৰু অলপ ওখকৈ মাৰিবলৈ ধৰিলে।

ককাকে ইতিমধ্যে ছাগলীৰ চালিখনলৈ গৈ ছাগলী দুজনী খীৰালে। তাৰ পিছত তেওঁ সিহঁতক বুৰুজ মাৰি আৰু ধুৱাই পৰ্বতৰ ওপৰলৈ চৰাবলৈ নিবলৈ সাজু কৰি উলিয়াই আনিলে। বন্ধুহালক দেখিয়েই হাইডি লৰি সিহঁতৰ কাষলৈ গ'ল আৰু দুয়োৰো ডিঙিত সাবটি ধৰি আদৰেৰে সম্ভাষণ জনালে।

সিহঁতেও আনন্দৰে আৰু আন্থাৰে বে বে কৈ প্ৰতি-সম্ভাষণ জনালে। প্ৰতিজনীয়ে আকৌ হাইডিক মৰমৰ প্ৰমাণ দিবলৈ উদ্বিগ্ন হৈ তাইৰ কান্ধৰ ওচৰলৈ ক্ৰমাৎ বেছিকৈ চেপি আহিবলৈ ধৰিলে। ফলত দুফালৰ পৰা দুয়োবো হেঁচাত তাই চেপেটা হোৱা যেন হ'ল। হাইডিয়ে কিন্তু ভয় নাখালে। তজবজীয়া বেব্‌লিয়ে যেতিয়া তাইক শিঙেৰে খুন্দিয়াই মূৰেৰে জোৰেৰে হেঁচিব ধৰিলে, তেতিয়া হাইডিয়ে কলে, "বেব্‌লি, এনেকৈ নহয়। তই দেখোন ডাঙৰ তুৰ্কীৰ দৰে হেঁচিচ।" সেইষাৰ শুনি বেব্‌লিয়ে মূৰটো আঁতৰাই অলপ পিছুৱাই গ'ল। তেতিয়া শ্চেন্‌লিয়ে ডিঙিটো ওপৰমুৱা কৰি নিজৰ বিষয়ে উচ্চ ধাৰণা লৈ বেবালে। সেই বেবনিৰ পৰা বুজা গ'ল যে তাই মনে মনে ভাবিছে, 'মোৰ আচৰণ ডাঙৰ তুৰ্কীৰ দৰে বুলি কোনোৱে অপবাদ দিব নোৱাৰে।' বৰফ যেন বগী শ্চেন্‌লি দেখাতো বেব্‌লিতকৈ বেছি ভব্যগব্য আছিল।

এনেতে অলপ তলৰ পৰা পিটাৰৰ সুহুৰি শুনা গ'ল। তজবজীয়া ছাগলীজাকে ডেও দি দি পৰ্বত বগাই সেইখিনি পালেহি। খৰতকীয়া ডিষ্টেলফিঙ্ক প্ৰথমতে ওলালহি। খন্তেকতে সিহঁতে হাইডিক ঘেৰি ধৰিলে আৰু ডাঙৰ বেবনিৰে সম্ভাষণ জনালে। সিহঁতে তাইক ইফালৰ পৰা সিফাললৈ ঠেলাঠেলি কৰিবলৈ ধৰিলে। হাইডিয়ে বাকীবোৰক ঠেলি ভয়াতুৰ শ্নেহোপ্‌লিৰ পিনে বাট উলিয়াই যাবলৈ ধৰিলে। কাৰণ তাই হাইডিৰ পিনে আহিব খুজিলেই ডাঙৰবোৰে তাইক ঠেলি পিছুৱাই দিছিল।

পিটাৰ আহি ওলাল। হাইডিক কিবা এষাৰ কবলৈ সি তাইৰ কাষত ঠাই উলিয়াবলগীয়া হ'ল। সি তেতিয়া তাৰ শেহৰ চক খুওৱা সুৰেৰে সুহুৰিয়ালে। সুহুৰিটো শুনি ছাগলীজাক ঘাঁহনিমুৱা হৈ অলপ আগবাঢ়িল। পিটাৰ তেতিয়া আগুৱাই আহি হাইডিৰ সমুখত থিয় হ'ল।

"তই আজি মোৰ লগত আকৌ আহিব পাৰ," খিংখিঙাই সি সুধিলে।

"নোৱাৰোঁ পিটাৰ," হাইডিয়ে উত্তৰ দিলে। "ফ্ৰাঙ্কফুৰ্টৰ তেওঁলোক আহি পাবৰ হৈছে। মই ঘৰত থাকিব লাগিব।"

"এইষাৰ তই ইতিমধ্যে কেইবাবাৰো কৈছ," গোৰ্‌গোৰাই পিটাৰে ক'লে।

"কিন্তু কথাটো সঁচা আৰু তেওঁলোক আহি নাপায়মানে সঁচা হৈয়েই থাকিব," হাইডিয়ে ক'লে। "মোক লগ পাবলৈকে তেওঁলোক ফ্ৰাঙ্কফুৰ্টৰ পৰা আহিব যেতিয়া, মই ঘৰত যে থাকিব লাগিব নাজাননে? পিটাৰ, এই সাধাৰণ কথাটোও তই নুবুজনে?"

"তেওঁলোকে আল্মমামাক পাব দেখোন," প্ৰায় গেঙেৰিওৱাৰ দৰে পিটাৰে ক'লে।

এনেতে পঁজাটোৰ পৰা আল্মমামাৰ গল্‌গলীয়া মাত শুনা গ'ল। "আজি সৈন্যবাহিনী কিয় আগবঢ়া নাই? দোষ সেনাপতিৰ নে চিপাহীহঁতৰ?"

চকুৰ পচাৰতে পিটাৰ ঘূৰিল আৰু টোকোনডাল সোঁ-সোঁৱাই ঘূৰালে। সেইটো সংকেত বুজি ছাগলীজাকে যাত্রা আৰম্ভ কৰি পর্বতৰ ওপৰলৈ ভিৰাই লৰ ধৰিলে। পিটাৰেও সিহঁতৰ পাছ ললে।

হাইডিয়ে আল্মলৈ ঘূৰি অহাৰ পৰা তাই আগতে নভবা কথা কিছুমান এতিয়া তাইৰ প্রায়েই মনত পৰা হ'ল। সদায় পুৱা তাই বিছনাখন পৰিপাটি কৰি পাৰিবলৈ যত্ন কৰিছিল। তাৰ পিছত পঁজাটোত লৰি-ঢাপৰি চাই-চিতি চকী-টুলবোৰ নিজৰ নিজৰ ঠাইত থৈছিল। অ'ত-ত'ত পৰি বা ওলমি থকা কিবা দেখিলে সেয়া নি আলমাৰিটোত চিজিল লগাই থৈছিল। তাৰ পিছত তাই কাপোৰ এটুকুৰা লৈ টুল এখনত উঠি টেবুলখন পূৰা চক্‌চকীয়া নোহোৱালৈকে ঘঁহিছিল। ককাক যেতিয়া ভিতৰলৈ আকৌ আহিছিল, তেতিয়া তেওঁ চাৰিওফালে চাই সন্তুষ্ট হৈ কৈছিল, "এতিয়া আমাৰ ইয়াত সদায় ৰবিবাৰ যেন। হাইডি বিদেশলৈ যোৱা অথলে যোৱা নাই।"

আজিও পিটাৰ যোৱাৰ পাছত হাইডিয়ে ককাকৰ লগত পুৱাৰ সাঁজ খালে। খাই উঠি তাই কামত লাগিল। কিন্তু আজি তাইৰ কাম শেষ নহয় নহয় যেন হ'ল। তেতিয়া বাহিৰত সুন্দৰ ৰাতিপুৱা আৰু প্রতি মুহূৰ্ত্ততে বাহিৰৰ কিবা নহয় কিবাই তাইৰ কামত ব্যাঘাত জন্মাইছিল। এইয়া খিড়িকিৰে ৰ'দৰ জিলিঙনি হাঁহি-মাতি সোমাই আহি তাইক যেন এনেকৈ ক'লে, "বাহিৰলৈ ব'লা হাইডি, বাহিৰলৈ ব'লা।" তাই ভিতৰত আৰু থাকিব নোৱৰা হৈ দৌৰি বাজলৈ ওলাল। পুৱাৰ বেলিৰ তিৰ্‌বিৰ্‌ কিৰণ তেতিয়া পঁজাটোৰ চাৰিওকাষে পৰিছিল; সেই কিৰণত পর্বতবোৰ জিল্‌মিলাই উঠিছিল; পর্বতৰ গৰাৰ মাটিবোৰ সোণালী আৰু শুকান দেখা গৈছিল। সেয়ে তাই ঠাইতে বহি অলপপৰ চাৰিওফালে নাচাই নোৱৰা হ'ল। অলপ পাছতে হঠাতে তিনিঠেঙীয়া টুলখন তেতিয়াও পঁজাটোৰ মাজতে আছে বুলি আৰু পুৱাৰ সাঁজ খোৱা টেবুলখনো চাফা কৰা হোৱা নাই বুলি তাইৰ মনত পৰিল।

ততালিকে তাই জাঁপ মাৰি উঠি পঁজাটোলৈ লৰ ধৰিলে। কিন্তু অলপ পাছতেই ফাৰকেইজোপাৰ মাজেৰে বতাহে ইমান জোৰেৰে হো-হোৱাই উঠিল যে হাইডিয়ে তাইৰ প্রতি অঙ্গতে যেন সেইয়া অনুভৱ কৰিলে। তাই দৌৰি ওলাই গ'ল। তেতিয়া তাইৰ মূৰৰ ওপৰত আটাইবোৰ ডাল ইফালে-সিফালে হালিজালি আৰু আন্দোলিত হৈ আছিল। তাই সিহঁতৰ ছেৱে-ছেৱে অলপ নাচিবলৈ বাধ্য হ'ল। ককাকে ইতিমধ্যে কাম কৰা চালিখনত বহুত কিবাকিবি কৰি আছিল। তেওঁ মাজে মাজে ওলাই আহি নাচিবাগি থকা হাইডিক চাই মিচিকিয়াই উভতি গৈছিল।

এবাৰ এনেকৈ তেওঁ চালিখনত সোমাবলৈ খুজিছেহে মাত্ৰ, তেনেতে হাইডিৰ উচ্চকণ্ঠৰ চিঞৰ শুনা গ'ল, "ককা, ককা, আহঁা, আহঁা।"

হাইডিৰ কিবা হোৱা বুলি আশংকা কৰি খৰখৰকৈ ওলাই আহি তেওঁ হাইডিক গৰাটোৰ পিনে ঢাপলি মেলা দেখিলে। যাওঁতে যাওঁতে তাই চিঞৰি কৈ গৈছিল, "তেওঁলোক আহিছে; তেওঁলোক আহিছে; ডাক্তৰ প্ৰথমতে।"

হাইডি তাইৰ পুৰণা বন্ধুৰ কাষলৈ কোবেৰে লৰি গ'ল। ডাক্তৰেও সম্ভাষণ জনাবলৈ তাইলৈ হাতখন আগবঢ়াই দিলে। ওচৰ পাই তেখেতৰ হাতখন আবেগেৰে লৈ পৰম ফূৰ্তিত তাই ক'লে, "শুভ ৰাতিপুৱা, ডাক্তৰ ডাঙৰীয়া। মোৰ সহস্ৰ ধন্যবাদ লব।"

"শুভ ৰাতিপুৱা হাইডি। কিন্তু ইমান ধন্যবাদ কিয়?"

"মই ককাৰ ইয়ালৈ উভতিব পৰা কাৰণে", হাইডিয়ে ব্যাখ্যা কৰিলে।

ডাক্তৰৰ মুখখন ৰ'দ পৰাৰ দৰে উজলি উঠিল। তেখেতে আলমত এনে আদৰণি আশা কৰা নাছিল। পৰ্বতখন বগাওঁতে বগাওঁতে তেখেতৰ নিজকে বৰ নিসঙ্গ, নিসঙ্গ যেন লাগিছিল আৰু তেওঁ নিজৰ চিন্তাত ডুব গৈছিল। কেউপিনৰ শোভা ৰাশিলৈ তেখেতৰ এবাৰো চকু যোৱা নাছিল। সেই শোভা ক্ৰমাৎ বেছি সুন্দৰ হৈ পৰাও তেখেতে মন কৰা নাছিল। তেখেতে আশঙ্কা কৰিছিল যে তেখেতক বেছিকৈ নোপোৱা শিশু হাইডিয়ে তেখেতক কিজানি

পাহৰিয়েই গৈছে। তেখেতে আৰু ভাবিছিল যে হাইডিহঁতে আশা কৰি থকা বন্ধুবৰ্গক লগত ননাই সিহঁত হতাশ হ'ব আৰু তেখেতক স্বাগতম নজনাব।

তাৰ সলনি হাইডিৰ চকুযোৰ দেখোন অকৃত্ৰিম আনন্দ, গভীৰ কৃতজ্ঞতা আৰু মৰম-চেনেহত জলমল্। তাইচোন তেখেতৰ হাতখন এৰি দিয়াই নাই।

পিতৃসুলভ কোমলতাৰে অকণমানিজনীৰ হাতত ধৰি অতি বন্ধুতাপূৰ্ণ মাতেৰে তেখেতে ক'লে, "হেৰা হাইডি, মোক এতিয়া ককাৰাৰ তালৈ লৈ ব'লা। তোমালোকৰ ঘৰটোও দেখুওৱা।"

হাইডি কিন্তু ঠাইতে থিয় হৈ ৰ'ল। আচৰিত আৰু সংশয়গ্ৰস্ত হৈ তাই পৰ্বতৰ তলৰ পিনে চাবলৈ ধৰিলে। তাৰ পিছত তাই সুধিলে, "ক্লাৰা আৰু আইতা ক'ত?"

"ৰবা। তোমাক নকৈ নোৱৰা কথাষাৰে আমি দুয়োকো দুখ দিব," ডাক্তৰে ক'লে। "মই অকলে আহিছোঁ হাইডি। ক্লাৰাৰ টান অসুখ গৈছে কাৰণে তাই আহিব নোৱাৰিলে। সেয়ে আইতাৰাও নাহিল। কিন্তু বসন্তকালি দিনবোৰ যেতিয়া আকৌ উষ্ণ আৰু দীঘল হ'ব, তেতিয়া তেওঁলোক নিশ্চয় আহিব।"

হাইডি বৰ বিমৰ্ষ হ'ল। তাই যিটো ঘটনা হবই বুলি ভাবিছিল, সেইটো আচম্বিতে অসম্ভৱ হৈ পৰা কথাটো তাই উপলব্ধি কৰিবলৈ টান পোৱা যেন হৈ অলপ পৰ তাতে তভক মাৰি ৰ'ল। ডাক্তৰ নীৰৱে তাইৰ সমুখত থিয় দি থাকিল। তেতিয়া ওপৰৰ ফাৰগছৰ মাজেৰে বলা বতাহৰ শব্দৰ বাহিৰে চৌদিশ নিজম আছিল। তেনেতে হঠাতে তাই তললৈ কিয় দৌৰি আহিছিল হাইডিৰ মনত পৰিল; আৰু ডাক্তৰ তাতেই। তাইৰ মূৰ ডাঙি তেখেতলৈ চালে।

তাইলৈ তলমুৰা হৈ চোৱা ডাক্তৰৰ চকুযোৰত তাই আগতে কেতিয়াও নেদেখা ধৰণৰ বিষাদৰ ভাৱ দেখিলে। তেখেতে ফ্ৰাঙ্কফুৰ্টত তাইলৈ এনেদৰে কেতিয়াও চোৱা নাছিল। কথাটোৱে তাইৰ অন্তৰ পৰশিলে। কোনো মানুহ শোকাতুৰ হোৱা তাই সহিব নোৱাৰিছিল; ডাক্তৰৰ দৰে ভাল মানুহৰ কথাই নাই। তাই ভাবিলে, ক্লাৰা আৰু আইতা তেখেতৰ লগত আহিবলৈ নোৱৰাই নিশ্চয় তেখেত ইমান শোকাকুল। তেখেতক সান্ত্বনা দিবলৈ তাই ততালিকে এটা উপায় পাঙিলে।

"ইয়ালৈ বসন্তকাল আকৌ আহিবলৈ আচলতে বেছি পলম নাই। তেওঁলোক তেতিয়া নিশ্চয় আহিব।" তেখেতক সান্ত্বনা দিবলৈ হাইডিয়ে ক'লে, "আমাৰ ইয়াত সময় খৰকৈ যায়। তেতিয়া তেওঁলোক বেছি দিনো থাকিব পাৰিব। ক্লাৰাই সেইটোহে বেছি ভাল পাব। এতিয়া ওপৰলৈ ককাৰ তালৈ যাওঁ ব'লক।"

প্ৰিয় বন্ধুজনৰ হাতত ধৰি হাইডি পঁজাটোলৈ উঠিল। ডাক্তৰক সুখী কৰিবলৈ তাই ইমান বেছি উদ্বিগ্ন হৈছিল যে তাই তেখেতক আশ্বাস দি আকৌ ক'লে যে জহকালিৰ দীঘল দিনবোৰ সোনকালে আহি পাবহি আৰু মাজৰ সময়ছোৱা গম নাপাওঁতেই শেষ হ'ব। এনেকৈ তাই নিজেও সান্ত্বনা লভিলে। সেয়ে তাই ৰাংঢালী হৈয়েই ককাকক ক'লে, "তেওঁলোক নাহিল কিন্তু অলপতে ওলাবহি।"

ককাকৰ বাবে ডাক্তৰ অচিনাকি নাছিল কাৰণ তাইৰ বন্ধু ডাক্তৰৰ বিষয়ে হাইডিয়ে ককাকক বহুত কথা কৈছিল। বুঢ়াজনে আলহীলৈ হাতখন আগবঢ়াই দিলে আৰু তেখেতক আন্তৰিকতাৰে স্বাগতম জনালে। তাৰ পিছত দুয়ো পঁজাৰ সমুখৰ বেঞ্চখনত বহিল। তেওঁলোকে তাত হাইডিৰ বাবেও ঠাই অকণ ৰাখিলে আৰু ডাক্তৰে তেখেতৰ কাষত বহিবলৈ হাইডিক হাতৰ ঠাৰেৰে মাতিলে। তাৰ পিছত ডাক্তৰে জেচেমান ডাঙৰীয়াই কেনেকৈ তেখেতক আল্মলৈ আহিবলৈ উদগাইছিল; কিছুদিনৰ পৰা তেখেতৰ গাটো ভালে নথকাই কেনেকৈ তেখেতে নিজেও ইয়ালৈ অহাটো ভাল হ'ব বুলি ভাবিছিল আদি কথাবোৰ বৰ্ণাবলৈ ধৰিলে। তাৰ পিছত তেখেতে হাইডিৰ কাণত ফুচ্‌ফুচাই ফ্ৰাঙ্কফুৰ্টৰ পৰা তেখেতৰ লগত অনা বস্তুবোৰ পৰ্বত বগাই সোনকালে পাবহি বুলি আৰু সেইবোৰে তাইক বুঢ়া ডাক্তৰে দিব পৰাতকৈ বেছি আনন্দ দিব বুলি ক'লে। সেই বস্তুবোৰনো কি জানিবলৈ হাইডি বৰ সাগ্ৰহী হৈ উঠিল।

ডাক্তৰক ৰাতিটো আৰামত ৰাখিব পৰাকৈ ককাৰ পঁজাটোত সা-সুবিধা নাছিল। সেয়ে ককাই ৰাতিটো আল্মত কটাবলৈ ডাক্তৰক নিমন্ত্ৰণ কৰিব নোৱাৰিলে। কিন্তু শৰতৰ সেই সুন্দৰ দিনবোৰত গোটেই দিনটো আল্মত কটাবলৈ বা অন্ততঃ দিনৌ একোবাৰ তালৈ আহিবলৈ ককাই ডাক্তৰক ক'লে। ককাই তেখেতক দূৰৰ ৰাগাংচ নামৰ চহৰখনত থকাতকৈ নামনিৰ ডৰ্ফলিৰ গাঁৱলীয়া চৰাইখানাটোৰ কোঠা এটা লৈ থাকিবলৈ পৰামৰ্শ দিলে। সেইটো চৌখিন নহলেও আটোম-টোকাৰি বুলি ককাই তেখেতক জনালে। তাত থাকিলেহে ডাক্তৰ সদায় পুৱা আল্মলৈ আহিবলৈ পাৰিব। ককাৰ মতে তাকে কৰিলে তেখেতৰ উপকাৰ হ'ব। তদুপৰি, ডাক্তৰ ডাঙৰীয়াই আল্মৰ আৰু ওপৰলৈ যেতিয়াই যাব খোজে তেতিয়াই ককাই আনন্দেৰে তেখেতক সঙ্গ দিব। এই পৰিকল্পনাটো ডাক্তৰৰ বৰ ভাল লাগিল আৰু তেখেতে সেইমতে কৰিবলৈ ঠিৰাং কৰিলে।

ইতিমধ্যে বেলি দুপৰ হৈছিল। বতাহ বলা কেতিয়াবাই বন্ধ হৈছিল আৰু ফাৰ কেইজোপা কেতিয়াবাই অলৰ হৈ পৰিছিল। পঁজাটো বহুত উচ্চতাত থকা স্বত্বেও তেতিয়াও তাৰ পৰিবেশ মৃদু আৰু মধুৰ হৈ আছিল। তেতিয়া

ৰ'দ পৰি থকা বেঞ্চখনৰ চাৰিওকাষে গা জুৰ পৰাকৈ শীতল আছিল।

আল্মমামা উঠি পঁজাটোলৈ গ'ল আৰু টেবুল এখন লৈ লগে লগেই ওলাই আহিল। সেইখন তেওঁ বেঞ্চখনৰ সমুখত থলে। "হাইডি, খাবলৈ যি যি লাগে আনাঁচোন," তেওঁ হাইডিক ক'লে। তাৰ পিছত তেওঁ ডাক্তৰক ক'লে, "আমাৰ খোৱা-বোৱা অতি সাধাৰণ কিন্তু আমাৰ দৰে খোৱা-কোঠা পৃথিৱীতেই নাই। ডাক্তৰ ডাঙৰীয়াই ইয়াৰেই পূৰ্ণ সুযোগ ল'ব লাগিব।"

নামনিৰ ৰ'দে ধুওৱা উপত্যকাখনলৈ চাই ডাক্তৰে ক'লে, "ময়ো তাকে ভাবোঁ। ইয়াত সকলো খাদ্যই নিশ্চয় সোৱাদ লাগিব। আপোনাৰ নিমন্ত্ৰণ মই গ্ৰহণ কৰিলোঁ।"

ডাক্তৰক আলহী সুধিবলৈ পাই হাইডি অতি আনন্দিত হ'ল। তাই ব্যস্ত হৈ জলৰ দৰে লৰি-ঢাপৰি আলমাৰিটোত পোৱা বস্তুবোৰ উলিয়াই আনিলে। ইতিমধ্যে ককাই ৰন্ধাবঢ়া কৰিলে আৰু ভাপ ওলাই থকা এজগ গাখীৰ আৰু সেঁকোতে চিক্‌মিক্ সোণালী ৰঙৰ হোৱা চিজ লৈ ওলাই আহিল। আল্মৰ বিশুদ্ধ বতাহত তেওঁ নিজে শুকুৱাই থোৱা ৰঙচুৱা সোৱাদ মাংসখিনি ককাই সুন্দৰকৈ চকল-চকলকৈ কাটি উলিয়ালে। আজিৰ দৰে সোৱাদ আহাৰ ডাক্তৰে সেই গোটেই বছৰটোত এসাঁজো খোৱা নাছিল।

"হয়, আমাৰ ক্লাৰা ইয়ালৈ আহিবই লাগিব", ডাক্তৰে ক'লে। "তাই ইয়াত নতুন বল পাব। আজি মোৰ হোৱাৰ দৰে তাইৰো যদি খাবলৈ ৰুচি হয় সদায়েই ক্ষীণ আৰু দুৰ্বল ছোৱালীজনীও নোদোকা আৰু বলী হৈ পৰিব।"

তেনেতে কোনোবা এটাই পিঠিত বোজা এটা লৈ নামনিৰ পৰা পৰ্বত বগাই আহিল। পঁজাটো পাই সি বোজাটো নমাই মাটিত থলে আৰু তাজা, পৰ্বতীয়া বতাহত দীঘল দীঘলকৈ উশাহ ললে।

ডাক্তৰে উঠোতে উঠোতে ক'লে, "মোৰ লগত ফ্ৰাঙ্কফুৰ্টৰ পৰা অহা বস্তুবোৰ এইয়াই।" হাইডিক লৈ তেওঁ বোজাটোৰ কাষলৈ গ'ল আৰু সেইটো খুলিবলৈ ললে। বোজাটো বান্ধি অনা ডাঠ কাপোৰখন গুচাই তেখেতে ক'লে, "আইজনী, এইটো তুমিয়েই খুলি তোমাৰ সম্পত্তিবোৰ উলিয়াই লোৱাঁ।" এইবুলি তেখেত অলপ পিছুৱাই আহিল।

হাইডিয়ে তাকে কৰিলে আৰু সকলোবোৰ বস্তু একেলগে ওলাই পৰিল। হাইডিয়ে সেইবোৰলৈ একেথৰে চাই থাকোতে বিস্ময়ত হাইডিৰ চকু ডাঙৰ হৈ গ'ল। তেনেতে ডাক্তৰ আকৌ আগুৱাই গৈ ডাঙৰ বাকছটোৰ ঢাকোনখন খুলি ক'লে, "আইতাৰাই ককিৰ লগত খাবলৈ এয়া কি চোৱাচোন।" হাইডিয়ে ফুৰ্ত্তিত কৈ উঠিল, "বাঃ বাঃ, অৱশেষত আইতাই কেক কিছুমান খাবলৈ পাব।"

তাই কেকৰ বাকছটোৰ চাৰিওকাষে নাচিলে, আৰু বস্তুবোৰ আকৌ বান্ধি থৈ আইতাকৰ তালৈ যাবলৈ উদগ্ৰীৱ হৈ উঠিল। ককাকে তাইক কথা দিলে যে গধূলিৰ পিনে ডাক্তৰৰ লগত তেওঁলোক তললৈ নামি যাওঁতে আইতাকলৈ বস্তুখিনি লৈ যাব। তেনেতে হাইডিয়ে ধঁপাতৰ টুপলিটো পাই সেইটো তৎক্ষণাত নি ককাকক দিলে। সেইটো পাই তেওঁৰ বৰ ভাল লাগিল। তেওঁ লগে লগে সেইটোৰ ধঁপাতেৰে পাইপটো ভঁৰাই ললে। তাৰ পিছত বয়সস্থ দুজনে বেঞ্চখনত বহি পাইপ হুপি হুপি নানান ধৰণৰ কথা পাতিবলৈ ধৰিলে। ইপিনে হাইডিয়ে বস্তুবোৰৰ ইপদৰ পাছত সিপদ চাই লৰা-ঢপৰা কৰি থাকিল।

হঠাতে তাই বেঞ্চখনৰ কাষলৈ আহি আলহী গৰাকীৰ সমুখত থিয় হ'ল। তেওঁলোকে কথাৰ মাজত অলপ ৰওঁতে তাই গহীনাই ক'লে, "ডাক্তৰ ডাঙৰীয়াই আহি দিয়াতকৈ বেছি আনন্দ এই বস্তুবোৰে মোক দিব পৰা নাই।"

তেওঁলোক দুয়ো অলপ নাহাঁহি নোৱাৰিলে। ডাক্তৰে ক'লে যে তেখেতে অৱশ্যে কথাটো তেনেকৈ নাভাবিলেহেঁতেন।

পৰ্বতৰ পিছেদি বেলি মাৰ গ'ল। ডৰ্ফলিত থকা ঠাইৰ বন্দবস্ত কৰিবলৈ আলহীগৰাকী উঠিল। ককাই কেকৰ বাকছটো, প্ৰকাণ্ড চচেজটো আৰু শালখন ললে। ডাক্তৰে হাইডিৰ হাতত ধৰিলে। তিনিও ছাগলীৰখীয়া পিটাৰৰ জুপুৰিটোলৈ বুলি নামি গ'ল। সেইখিনি পাই তেওঁলোকে হাইডিক এৰিলে। ককাক ডাক্তৰৰ লগত ডৰ্ফলিলৈ গৈ ঘূৰি নহালৈকে হাইডি আইতাকৰ লগত থকাৰ বন্দবস্ত হ'ল।

ডাক্তৰে বিদায় সম্ভাষণ জনাই কৰমৰ্দন কৰিবলৈ হাতখন দিলে। তেতিয়া হাইডিয়ে তেওঁক সুধিলে, "কাইলৈ ছাগলীবোৰৰ লগত চৰণীয়া পথাৰলৈ যাবলৈ ভাল পাবনে?"

তাই জনাত সেয়াই আটাইতকৈ মনোৰম ঠাই আছিল।

"নিশ্চয় যাম হাইডি," ডাক্তৰে উত্তৰ দিলে। "আমি একেলগে যাম।" তাৰ পিছত তেওঁলোকে যাবলৈ আৰম্ভ কৰিলে আৰু হাইডি আইতাকৰ জুপুৰিটোত সোমাল। ককাকে বস্তুখিনি পঁজাটোৰ দুৱাৰমুখত থৈছিল। সেয়ে তাই প্ৰথমতে কেকৰ বাকছটো চোঁচৰাই ভিতৰলৈ নিলে। তাৰ পিছত তাই বাহিৰলৈ ওলাই গৈ চচেজটো নিলে আৰু শেহৰবাৰ শালখন নিলে। বস্তুবোৰ আইতাকৰ যিমান কাষলৈ নিব পাৰি নি তাই থলে যাতে আইতাকে সেইবোৰ চুই কি বস্তু গম পায়। শালখন তাই আইতাকৰ কোলাত থলে।

"এই গোটেইবোৰ ফ্ৰাঙ্কফুৰ্টৰ পৰা ক্লাৰা আৰু আইতাই পঠোৱা," হাইডিয়ে আবেগেৰে কলে। বিস্ময়ৰ প্ৰকোপত বিমূঢ় হোৱা বুঢ়িটেই নিশ্চল হৈ ৰ'ল; গধূৰ বস্তুবোৰ হাইডিয়ে কোনোমতে চোঁচোৰাই চোঁচোৰাই নি আইতাক আৰু

তাইৰ সমুখৰ টেবুলত থোৱা তাই তথা লাগি চাই থাকিল। আইতাকৰো বিস্ময়ৰ সীমা নোহোৱা হ'ল।

"আইতা, কেক্‌বোৰ পাই তোমাৰ অতি ভাল লাগিছে, নহয় জানো? এইবোৰ কিমান কোমল চোৱাচোন," তাই আবেগেৰে বাবে বাবে কলে। "অঁ, অঁ, হাইডি," আইতাকে উত্তৰ দিলে। "তেওঁলোক যে ইমান ভাল মানুহ!" তাৰ পাছত নৰম আৰু উষ্ণ শ্বালখনত আলফুলকৈ হাত বুলাই তেওঁ কলে, "অতি ঠাণ্ডা জাৰকালিৰ বাবে এইখন অত্যুৎকৃষ্ট। জীৱনত এনে অত্যুৎকৃষ্ট বস্তু এপদ পাম বুলি সপোনতো ভবা নাছিলোঁ।"

আইতাকে কেক্‌বোৰতকৈ ধোঁৱাবৰণীয়া শ্বালখন পাই বেছি আনন্দ পোৱা কাৰণে হাইডি বৰ আচৰিত হ'ল। টেবুলত থোৱা প্ৰকাণ্ড চচেজটোৰ সমুখত বৃগিটে তেতিয়াও থিয় হৈ সেইটোলৈ ভক্তিভাৱেৰে চাই আছিল। তাই জীৱনত এনে দৈত্যকাৰ চচেজ দেখা নাছিল। সেইটো তাইৰেই হোৱা বুলি আৰু তায়েই সেইটো কটা-মিলা কৰা সম্ভৱপৰ বুলি তাইৰ বিশ্বাসেই হোৱা নাছিল। তাই মূৰটো জোকাৰি ভয়ে ভয়ে কলে, "প্ৰথমতে আল্মমামাক এইটো কিহৰ বাবে সুধিব লাগিব।"

থেৰোগেৰো নকৰাকৈ হাইডিয়ে কলে, "এইটো খাবলৈহে; আন একোৰে বাবে নহয়।"

তেনেতে পিটাৰ উজুটি খাই ঘৰত সোমাল। "আল্মমামা মোৰ পাচে পাচে আহি আছে। হাইডি নিশ্চয়—" তাৰ কথা তাতে বন্ধ হ'ল। কাৰণ টেবুলখনত থকা চচেজটোত তাৰ চকু পৰোঁতে সি ইমান অভিভূত হ'ল যে তাৰ মুখৰ মাত হৰিল। হাইডিয়ে ইতিমধ্যে কোন আহিব ধৰিছে গম পাই বিদায় লবলৈ লৰালৰিকৈ তাইৰ হাতখন আইতাকৰ পিনে আগবঢ়াই দিলে।

আজিকালি আল্মমামা সেইপিনে গ'লে জুপুৰিটোত সোমাই আইতাকক মাত এষাৰ নিদিয়াকৈ নগৈছিল। আইতায়ো তেওঁৰ খোজৰ শব্দ পালেই আনন্দিত হৈছিল কাৰণ ককাই তেওঁক দুই-এষাৰ ভৰসা দিয়া কথা নিশ্চিতকৈ কৈছিল। পুৱা বেলিৰ লগে লগে উঠা হাইডিৰ বাবে আজি শুবলৈ পলমেই হৈছিল। তাইৰ ককাকে কলে, "এইৰ শুবৰ হৈছে।" তেওঁ একে-কথীয়া মানুহ কাৰণে খোলা দুৱাৰখনেৰে আইতাকক 'শুভ-ৰাত্ৰি' বুলি ডাঙৰকৈ সম্ভাষণ জনালে আৰু তেওঁৰ কাষলৈ লৰি অহা হাইডিৰ হাতত ধৰিলে। তাৰ পিছত দুয়ো চকু টিপিয়াই থকা তৰাবোৰৰ তলে তলে ওপৰৰ শান্তিময় পঁজাটোলৈ যাবলৈ ধৰিলে। ■

সপ্তদশ অধ্যায়

হাইডিয়ে ডাক্তৰক সান্ত্বনা দিলে

পিছদিনা নিচেই পুৱাই পিটাৰ আৰু তাৰ ছাগলীজাকৰ লগত ডাক্তৰে ডৰ্ফলিৰ পৰা পৰ্বতত উঠিবলৈ ধৰিছিল। ডাক্তৰে বন্ধুভাৱে ছাগলীৰখীয়া ল'ৰাটোৰ লগত কথা পাতিবলৈ কেইবাবাৰো চেষ্টা কৰিছিল কিন্তু তেখেতৰ ইঙ্গিতবহ প্ৰশ্নবোৰৰ অতি চুটি উত্তৰহে পাইছিল। পিটাৰ সহজতে কথোপকথনত লাগিব পৰা মানুহ নাছিল। সেয়ে গোটেই দলটো নীৰৱে গৈ আম্মৰ পঁজাটো পালেগৈ। তাত ছাগলী দুজনী লৈ হাইডি ৰৈ আছিল। নতুন বেলিটোৰ পৰ্বতত পৰা কিৰণৰ দৰে তিনিও সতেজ আৰু ৰঙীয়াল হৈ আছিল।

"আহিবিনে?" পিটাৰে সুধিলে। নিতৌ পুৱা সি এইষাৰ প্ৰশ্ন সোধাৰ দৰে বা হুকুম দিয়াৰ দৰে কৈছিল।

"নিশ্চয় যাম, কিন্তু ডাক্তৰো আমাৰ লগত গলেহে," হাইডিয়ে উত্তৰ দিলে।

পিটাৰে সন্দিগ্ধ চকুৰে ভদ্ৰলোকজনলৈ চালে।

তেনেতে দুপৰীয়াৰ খোৱাৰ জোলোঙাটো লৈ ককা ওলাই আহিল। তেওঁ প্ৰথমতে গভীৰ শ্ৰদ্ধাৰে ডাক্তৰক প্ৰাতঃসম্ভাষণ জনালে আৰু জোলোঙাটো নি পিটাৰৰ কান্ধত ওলোমাই দিলে। ককাই তাত শুকোৱা মাংসৰ ডাঙৰ এডোখৰ দিয়া কাৰণে সেইটো আন দিনাতকৈ গধুৰ আছিল। তেওঁ ভাবিছিল যে ডাক্তৰে চৰণীয়া ঘাঁহনিখন ভাল পালে ইহঁতৰ লগতে দুপৰীয়াৰ সাঁজ উপভোগ কৰিবলৈ পাৰিব। জোলোঙাটোত আনদিনাতকৈ বেলেগ কিবা থকা বুলি পিটাৰে আন্দাজ কৰিলে। সন্তুষ্টিত সি দাঁত ছেলাই হাঁহোতে তাৰ মুখখন ইকাণৰ পৰা সিকাণলৈ মেল খালে।

পৰ্বতৰ ওপৰলৈ যাত্ৰা আৰম্ভ হ'ল। হাইডিক ছাগলীজাকে একেবাৰে ঘেৰি ধৰিলে। সিহঁতৰ প্ৰতিটোৱে তাইৰ কাষে কাষে যাবলৈ খোজাই সিহঁতৰ মাজত ঠেলা ঠেলি লাগি গ'ল। ফলত বাহিৰলৈ ওলাবলৈ তাই সিহঁতৰ লগত ঠেলা ঠেলি কৰিলেও কিছুসময় সিহঁতৰ মাজতে বন্দী হোৱাদি থাকিবলগীয়া হ'ল। তেতিয়া তাই লৰচৰ নকৰাকৈ থিয় হৈ কলে, "তহঁত যাগৈ। মোক ঠেলিবলৈ আৰু খুন্দিয়াবলৈ বাৰে বাৰে ঘূৰি নাহিবি। মই অলপ পৰ ডাক্তৰৰ লগত যাব লাগিব।"

তেতিয়াও তাইৰ লগে লগে থকা শ্লেহোপ্‌লিৰ পিঠিত হাইডিয়ে মৰমেৰে থপৰিয়াই তাইৰ কথা শুনিবলৈ দঢ়াই কলে। তাৰ পিছত তাই জাকটোৰ পৰা ওলাই ডাক্তৰ‌ৰ কাষলৈ দৌৰি গ'ল। ডাক্তৰে লগে লগে তাইৰ হাতত ধৰিলে আৰু এৰি নিদিলে। হাইডিক কথা কোৱাবলৈ ডাক্তৰে দিগ্‌দাৰ নাপালে। তাই তৎক্ষণাত কল্‌কলাবলৈ আৰম্ভ কৰিলে। ছাগলীবোৰৰ কাণ্ড-কাৰখানাৰ বিষয়ে, তাৰ ফুল, শিলনি আৰু চৰাইবোৰৰ বিষয়ে ডাক্তৰক কবলৈ তাইৰ ইমান কথা আছিল যে সিহঁতে গম নাপাওঁতেই চৰণীয়া পথাৰখন পালেগৈ।

গোটেই বাট ডোখৰ পিটাৰে ডাক্তৰলৈ এনে কুটিলভাবে চাইছিল যে সেয়া দেখিলে ডাক্তৰ সঁচা-সঁচিকৈ আতংকিত হ'লহেঁতেন। ভাগ্যে তেখেতে সেয়া দেখা নাছিল।

যাত্ৰা শেষ হ'লত হাইডিয়ে তাইৰ মৰমিয়াল বন্ধুজনক আটাইতকৈ সুন্দৰ ঠাইখিনিলৈ লৈ গ'ল। তালৈ তাই সদায় গৈছিল। সেইখিনি পাই তাই তাত বহি কেউপিনে চাবলৈ ধৰিলে। সেইডোখৰেই তাইৰ প্ৰিয় ঠাই আছিল।

ডাক্তৰ তাইৰ কাষতে ৰ'দ-ঘাই ঘাঁহনিৰ মাটিত বহি পৰিল। তেতিয়া শৰতৰ সোণালী বেলিৰ পোহৰ পৰ্বতত আৰু দূৰৰ সেউজী সমতলত জিলিকিবলৈ ধৰিছিল। তলৰ সকলোবোৰ চৰণীয়া পথাৰৰ পৰা অহা ছাগলীবোৰৰ টিলিঙাৰ সুন্দৰ আৰু মনোৰম শব্দই যেন বিস্তীৰ্ণ এলেকাটোত মধুৰ শান্তি বিৰাজমান বুলি জনাই দিছিল। ওপৰৰ বৰফনিখনৰ অ'ত-ত'ত সোণালী কিৰণ তিৰ্‌বিৰাই, চিক্‌মিকাই উঠিছিল; ধূসৰ ফাল্কনিচৰ শিলাময় মিনাৰটো ৰাজকীয় মহিমাৰে গাঢ় নীলা আকাশৰ মাজলৈ সোমাই গৈছিল; পুৱাৰ মৃদু, মিঠা বতাহ বিৰ্‌বিৰ্‌কৈ পৰ্বতৰ ওপৰেৰে বলি আছিল আৰু জহকালিৰ জাক্‌জাক্ ফুলৰ বাকীবোৰা তাকৰীয়া ব্লুবেল ফুলবোৰ আলফুলকৈ লৰাই দিছিল; ফুলবোৰেও ৰ'দৰ উষ্ণ আমেজ পোৱাৰ আনন্দত মূৰ দুপিয়াবলৈ ধৰিছিল। তেতিয়া বিয়াগোম উকহটোৱে ওপৰত বহল বৃত্তাকাৰে উৰি আছিল কিন্তু আজি সি কৰ্কশ আটাহ্ পৰা নাছিল। সি ডেউকা দুখন বহলকৈ মেলি শান্তিৰে আৰু অনায়াসে নীলা আকাশত ভাহি আছিল।

হাইডিয়ে প্ৰথমতে এপিনে আৰু তাৰ পিছত আনপিনে চালে। মূৰ দুপিয়াই থকা ৰঙীয়াল ফুলবোৰ, নীলা আকাশখন, বেলিৰ ফুৰ্তিময় কিৰণবোৰ, আকাশৰ সুখী চৰাইটো— এই গোটেইবোৰেই ইমান ধুনীয়া, আঃ, ইমান ধুনীয়া! খুচিত হাইডিৰ চকু তিৰ্‌বিৰাই উঠিল। তাইৰ বন্ধুজনে ইমান সৌন্দৰ্য্যৰ ভু-ভা পাইছে নে নাই গম লবলৈ বুলি তাই তেখেতৰ পিনে চালে। তেতিয়ালৈ ডাক্তৰে নিজৰ চিন্তাত বিভোৰ হৈ নিশব্দে ইফালে-সিফালে এনেয়ে চাই আছিল। ছোৱালীজনীৰ তিৰ্‌বিৰ্ চকুযোৰত তেখেতৰ চকু পৰাত তেখেতে

কলে, "অ' হাইডি, ঠাইখিনি সুন্দৰ। কিন্তু এটা কথা। কোনোবাই শোকাকুল অন্তৰ লৈ ইয়ালৈ আহিলে, এই অপাৰ সৌন্দৰ্য্য উপভোগ কৰিব পৰাকৈ তেওঁক কেনেকৈ সুস্থ কৰিবা?"

"ওহোঁ, ওহোঁ," ৰংমনেৰে হাইডিয়ে কলে। "ইয়াত কাৰো অন্তৰ শোকাকুল নহয়; ফ্ৰাঙ্কফুৰ্টতহে হয়।"

ডাক্তৰৰ মুখত মিচিকনি এটা ওলাই থিতাতে নোহোৱা হ'ল। তেখেতে কলে, "হাইডি, ফ্ৰাঙ্কফুৰ্টৰ পৰা যদি কোনোবাই সকলো শোক ইয়ালৈ লৈ আহে? তেনেজনক সহায় কৰিব পৰা কিহবাৰ উৱাদিহ জানানে?"

"মানুহজনে কি কৰিব লাগে নাজানিলে ঈশ্বৰক গোটেইখিনি কথা খুলি কব লাগিব," দ্বিধাহীন বিশ্বাসেৰে হাইডিয়ে কলে।

"কথাষাৰ হওঁতে হয় মইনাজনী," ডাক্তৰে মন্তব্য দিলে। "কিন্তু সেই শোকানল ঈশ্বৰেই দান হলে তেওঁকনো কি খুলি কবা?"

এনে পৰিস্থিতিত কি কৰা ভাল তাই ভাবিবলগীয়া হ'ল। তাই অৱশ্যে একেবাৰেই নিশ্চিত যে মানুহৰ প্ৰতিটো দুখত ঈশ্বৰে সহায় কৰে। তাই নিজৰ অভিজ্ঞতাৰ পৰা উত্তৰটো বিচাৰিবলৈ ধৰিলে।

অলপ পাছত তাই আত্ম-প্ৰত্যয়েৰে কলে, "তেতিয়া মানুহজনে বাট চাব লাগিব। তেওঁ এনেকৈ ভাবিব লাগিব, 'দয়ালু ঈশ্বৰে এনে দুখ-যাতনাৰ পৰাও মই আগলৈ পাবলগীয়া কিবা আনন্দৰ কথা নিশ্চয় জানে। সেয়ে মই অলপ অপেক্ষা কৰিব লাগিব আৰু ঈশ্বৰক পাহৰি যাব নালাগিব।' তাৰ পিছত হঠাতে কাণ্ডটো ঘটিব। তেতিয়া মানুহজনে ঠিক গম পাব যে দয়ালু ঈশ্বৰে সকলো সময়তে তেওঁৰ কেৱল হিত চিন্তাহে কৰিছিল। এনে হবগৈ বুলি আৰম্ভণিতে নজনা কাৰণেহে তেওঁ অনবৰত দুখ-যাতনাখিনি দেখিছিল; সেই দুখ-যাতনাৰ কেতিয়াও ওৰ নপৰে বুলিও তেওঁ ভাবিছিল।"

"তোমাৰ ঈশ্বৰ-পৰায়ণতা ইমান সুন্দৰ। এইটো কাহানিও নেৰিবা হাইডি," ডাক্তৰে কলে। তেখেতে কিছুপৰ বিশাল শিলাময় পৰ্বতখনলৈ আৰু তলৰ সেউজীয়া, ৰ'দ-ভৰা উপত্যকালৈ চাই ৰ'ল। তাৰ পাছত তেখেতে কলে, "চকুত ডাঠ ঢাকনি লৈ বহি থাকিলে ইয়াৰ চৌপাশৰ সৌন্দৰ্য্যৰাশি তুমি উপভোগ কৰিব নোৱাৰা। তেতিয়া তোমাৰ অন্তৰ দুখিত হব; সৌন্দৰ্য্যৰ এনে পোহৰৰ মাজত বাবে বুলি দুগুণ দুখিত হব। বুজিলানে?"

হাইডিৰ সুখী অন্তৰেৰে দুখৰ কাড় এপাত যেন সৰকি গ'ল। চকুৰ ডাঠ ঢাকনিৰ কথাত তাইৰ আইতাকলৈ মনত পৰিল। তেওঁ উজ্জ্বল বেলিটো আৰু আকাশৰ অপাৰ সৌন্দৰ্য্য কেতিয়াও নেদেখে। এই কথাটো মনত পৰিলেই হাইডি সদায় বেদনাহত হৈ পৰিছিল। তাইৰ আনন্দৰ মাজতে হঠাতে বিষাদে

উক দিয়াত তাই কিছুপৰ সম্পূৰ্ণ নিমাত হৈ ৰ'ল। তাৰ পাছত তাই নিষ্ঠাৰে ক'লে, "হয়, মই সেইটো বুজি পাওঁ। মই কিন্তু কথা এটা জানোঁ। তেনে অৱস্থাত তুমি আইতাৰ স্তুতিবোৰ গাব লাগিব। সেইবোৰে তোমাক অকণ পোহৰ দেখুৱাব; কিজানি তুমি সুখী হৈ পৰিব পৰাকৈয়ে পোহৰ দেখুৱাব। আইতাই এইবুলি কৈছিল।"

"কি স্তুতি হাইডি?" ডাক্তৰে সুধিলে।

"মই এটাই স্তুতি জানোঁ। সেইটোত বেলিৰ আৰু সুন্দৰ বাগিচা এখনৰ কথা আছে। আন এটা দীঘল স্তুতিৰ আইতাই ভাল পোৱা ছেদ কেইটাও জানোঁ। সেইকেইটা আইতাক সদায় তিনিবাৰকৈ পঢ়ি দিব লাগে," হাইডিয়ে উত্তৰ দিলে।

"সেই ছেদ কেইটা গোৱাচোন। শুনিবলৈ বৰ মন গৈছে," ডাক্তৰে কলে আৰু কাণ পাতি শুনিবলৈ ডাক্তৰ পোন হৈ বহিল।

হাইডিয়ে হাতযোৰ কৰিলে আৰু নিজৰ চিন্তাবোৰ থান্থিত লগাই ললে। "যিটো অংশই ঈশ্বৰলৈ বিশ্বাস ঘূৰাই আনে বুলি আইতাই কয়, সেই অংশটো গামনে?"

ডাক্তৰে মূৰ দুপিয়াই সম্মতি জনালে। তেতিয়া হাইডিয়ে আৰম্ভ কৰিলে,

সৰ্বজ্ঞানী ভগবানে সদায় তোমাক
জীৱনত বাট দেখুৱায়;
তেখেতে তোমাক দিয়া মৰমৰ বস্তুবোৰে
সদায়েই মঙ্গল সূচায়;
তোমাৰ ভালৰ বাবে তেওঁ ভাবি-গুণি
লগামতে ইটো-সিটো দিয়ে;
ভকতৰ আশা পূৰি ভয় আৰু সন্দেহৰ
তেনেকৈয়ে নিৰসন কৰে।
কেতিয়াবা ভগবানে তোমাৰ অশান্তি যদি
ততালিকে আঁতৰ নকৰে;
কেতিয়াবা তেওঁ যদি তোমাৰ আত্মাৰ বাট
লগে লগে পোহৰ নকৰে;
তোমাৰ অন্তৰ যদি বেদনাত ভাগি পৰা
তেওঁৰ যদি চকুত নপৰে;
হতাশাত কণামুনা তুমি হৈ পৰিলেও
তেওঁ যদি সান্ত্বনা নিদিয়ে;

তোমাৰ ঈশ্বৰ ভক্তি এনে অৱস্থাতো যদি
অলৰ-অটল হৈ ৰয়;
তুমি আশা নকৰোঁতে তোমাৰ গধুৰ বোজা
ভগবানে নিজে ডাঙি লয়।
তোমাৰ দীঘল দুখ-যাতনাৰ উপযুক্ত খেচাৰত পাবা;
তেখেতৰ কৰুণাৰ সোণৰ মুকুট যেন তুমিহে পিন্ধিবা।

হাইডি হঠাতে বৈ গ'ল কাৰণ ডাক্তৰে শুনি আছে নে নাই তাই ঠাওৰাব নোৱাৰিলে। তেখেতে হাতেৰে চকুদুটা ঢাকি লৰচৰ নকৰাকৈ বহি আছিল। তাই তেখেতৰ টোপনি অহা বুলি ভাবিলে। তেখেতে যদি সাৰ পাই শুনিবলৈ আকৌ ইচ্ছা কৰে তেন্তে তাই স্তুতিটো পুনৰায় গাব বুলিও ঠিবাং কৰিলে। তেতিয়া চৌদিশ নিজম, নিটাল। ডাক্তৰ মনে মনে আছিল কিন্তু তেখেতে টোপনিওৱা নাছিল। স্তুতিটোৱে তেওঁক বহুত আগৰ দিনবোৰৰ কথা সোঁৱৰাই দিছিল। তেখেতে যেন সৰু ল'ৰা এটা হৈ তেখেতৰ চেনেহী মাকৰ চকীখনৰ কাষত থিয় হৈ আছিল; মাকে হাতেৰে ল'ৰাটোৰ ডিঙিত সাবটি ধৰি এতিয়া হাইডিয়ে গোৱা স্তুতিটো গাইছিল। এই স্তুতিটো ইমান কাল তেখেতে শুনা নাছিল। এতিয়া তেখেতে মাকৰ মাত আকৌ শুনিলে; মাকৰ নম্ৰ চকুযোৰে তেখেতলৈ মৰমেৰে চাই থকা আকৌ দেখিলে; স্তুতিটো শেষ হোৱাৰ পিছতো মাকৰ মৰমসনা মাতে কৈ থকা আন কথা তেখেতে আকৌ শুনিলে। সেই মাত-কথাবোৰ শুনি শুনি তেখেত মুগ্ধ হ'ল; তেখেতৰ মন বহুতকাল আগৰ তেখেতৰ ল'ৰালিৰ দিনবোৰলৈ উভতি গ'ল।সেয়ে তেখেতে হাতেৰে মুখখন ঢাকি, চকু মুদি, লৰচৰ নকৰাকৈ নীৰৱে বহুত সময় বহি ৰ'ল। অৱশেষত তেখেতে যেতিয়া চকু মেলিলে তেতিয়া হাইডিয়ে বিস্ময়-বিমূঢ় হৈ তেখেতলৈ চাই থকা দেখিলে। তেখেতে হাইডিৰ হাতখন নিজৰ হাতত ললে।

"হাইডি, তোমাৰ স্তুতিটো অপূৰ্ব," তেখেতে কলে। তেখেতৰ মাতটো আগতকৈ ৰঙীয়াল যেন শুনা গ'ল। "আমি ইয়ালৈ আৰু এদিন আহিম। সেইদিনা তুমি এই স্তুতিটো আকৌ এবাৰ গাব লাগিব।"

ইপিনে এইবোৰ ঘটি থাকোঁতে সিপিনে পিটাৰে নিজৰ বিৰক্তি প্ৰকাশ কৰিবলৈ যথেষ্ট উপায় উলিয়ালে। হাইডি তাৰ লগত কেইবাদিনো ইয়ালৈ অহা নাছিল। আজি যি বা আহিল, বুঢ়া ভদ্ৰলোকজনেহে তাইৰ কাষত গোটেইখিনি সময় বহি কটালে। সি হাইডিৰ কাষলৈ যাবলৈকে নাপালে। সি দুশ্চিন্তাগ্ৰস্ত হ'ল। অসন্দিগ্ধ বুঢ়া ভদ্ৰলোকজনৰ পিছফালৰ অলপ দূৰৰ তেখেতে নেদেখা ওখ ঠাই এডোখৰলৈ গৈ সি থিয় হল। প্ৰথমতে সি এখন হাত মুঠি মাৰি

বুঢ়াজনক ভুকুওৱাৰ দৰে কৰিবলৈ ধৰিলে। অলপ পাছতে বাকীখন হাতো মুঠি মাৰি সি দুয়োখনেৰে তেখেতক ভুকুওৱাৰ দৰে কৰিবলৈ ধৰিলে। হাইডি ডাক্তৰৰ ওচৰত যিমানেই বেছি সময় বহি ৰ'ল, পিটাৰৰ সিমানেই খং বাঢ়িল; সি হাতদুখন সিমানেই বেছি ওপৰলৈ তুলি বলিয়াৰ দৰে ক্রমাৎ বেছিকৈ ভয় লগা ধৰণে শূণ্যতে ডাক্তৰক ভুকুৱাবলৈ ধৰিলে।

বেলি গৈ গৈ আকাশৰ যিখিনি পালে দুপৰীয়াৰ সাঁজ খাবৰ হয়, বেলি ইতিমধ্যে সেইখিনি পালেগৈ। পিটাৰে এইটো কথা ভালকৈয়ে জানিছিল। হঠাতে সি আটাহ পাৰি বাকী দুজনক কলে, "আমি খাবৰ হৈছে।"

হাইডি উঠিল। ডাক্তৰে বহি থকা ঠাইতে খাব পৰাকৈ তাই জোলোঙাটো আনিবলৈ ওলাল। ডাক্তৰে কিন্তু তেখেতৰ ভোক লগা নাই বুলি আৰু মাত্র গাখীৰ এবাটি হলেই হব বুলি কলে। তেখেতে আৰু কলে যে খাই উঠি তেখেতে অলপ আগুৱাই যাব আৰু ওপৰলৈও উঠিব। তাকে শুনি হাইডিৰ মনত খেলাল, তাইৰো দেখোন ভোক লগা নাই; এবাটি গাখীৰ পালেই তাইৰো হব আৰু খাই উঠি তাই ডাক্তৰক ওপৰৰ শেলুৱৈয়ে ধৰা প্রকাণ্ড শিলটোলৈ নিব। সেইটোৰ কাযতেই সুগন্ধি তৃণ-লতা গজিছিল আৰু তাৰ পৰাই ডিষ্টেলফিঙ্কে তললৈ প্রায় জাঁপ মাৰিছিলেই। হাইডি লৰি গৈ পিটাৰক গোটেইখিনি কথা বুজাই কলে। তাই তাক শ্চেন্‌লিৰ পৰা ডাক্তৰলৈ এবাটি আৰু তাইলৈ এবাটি গাখীৰ আনিবলৈ কলে। প্রথমতে পিটাৰ স্তম্ভিত হৈ তাইক কিছুপৰ চাই ৰ'ল। তাৰ পিছত সি সুধিলে, "জোলোঙাটোত থকাবোৰ কোনে খাব?"

"তয়ে খাব পাৰ," হাইডিয়ে উত্তৰ দিলে। "কিন্তু প্রথমতে গাখীৰ লৈ আহ; তৎক্ষণাত।"

পিটাৰে চকুৰ আগত জোলোঙাটো দেখিবলৈ ধৰিলে। সেইটোত কি কি আছে নাজানিলেও সেই গোটেইবোৰ এতিয়া তাৰেই হ'ল। তেতিয়া গাখীৰ খীৰাই অনাৰ দৰে ইমান ততাতৈয়াকৈ সি কোনো কাম কম্মিন কালেও কৰি পোৱা নাছিল। হাইডিহঁতৰ খোৱা হলতেই সি জোলোঙাটো মেলি ভিতৰলৈ চালে। তাত উৎকৃষ্ট মাংস ডোখৰ দেখিলত তাৰ দেহা কঁপিবলৈ ধৰিলে। সেইটুকুৰা সঁচাকৈয়ে জোলোঙাত থকা বুলি নিশ্চিত হবলৈ সি আকৌ এবাৰ জোলোঙাটোৰ ভিতৰলৈ ভুমুকিয়ালে। তাৰ পিছত সেই মজাৰ উপহাৰবিধ উলিয়াবলৈ সি জোলোঙাত হাতখন ভৰালে। কিন্তু আচম্বিতে তাৰ হাতখন কোঁচ খাই আহিল আৰু সেই টুকুৰাত হাত দিবলৈ তাৰ সাহ নোহোৱা হ'ল। ডাক্তৰৰ পাছফালে থিয় হৈ তেখেতক ভুকুওৱাৰ ভঙ্গি দিয়াৰ কথা তাৰ মনত পৰিল। সেই ভদ্রলোকজনেই তেখেতৰ গোটেইখিনি চমৎকাৰ আহাৰ তাক

খাবলৈ দিছে। সেই বেয়া কামটোৰ বাবে সি এতিয়া সুন্দৰ উপহাৰখিনি উপভোগ কৰিবলৈ নোৱাৰা হ'ল। হঠাতে সি জাঁপ মাৰি উঠিল আৰু অলপ আগতে ডাক্তৰক ভুকুওৱা ঠাইখিনিলৈ লৰি গ'ল। সেইখিনি পাই সি হাতদুখন ওপৰলৈ তুলি মুঠি নামাৰি আঙুলিবোৰ বহলকৈ মেলি থিয় হৈ ৰ'ল। সি ভাবিলে যে অলপ আগতে মুঠিমৰা হাতেৰে সি আচলতে ডাক্তৰক ভুকুৱাবলৈ নোখোজাৰ এইটোৱেই প্ৰমাণ। সি পৰাচিত হোৱা যেন নোপোৱালৈকে তেনেকৈ থিয় হৈ ৰ'ল। তাৰ পিছত দীঘল দীঘল জাঁপ মাৰি সি জোলোঙাটোৰ ওচৰ পালেগৈ। বিবেকৰ তাড়নাৰ পৰা তেনেকৈ মুক্তি পাই সি চমৎকাৰ আহাৰখিনি পৰম তৃপ্তিৰে খাবলৈ ধৰিলে।

ডাক্তৰ আৰু হাইডি বহুতপৰ একেলগে ফুৰিচাকি থাকিল। দুয়ো দুয়োৰো সঙ্গ ভাল পালে। তাৰ পিছত এবাৰ ডাক্তৰে তেখেতৰ উভতিবৰ হ'ল বুলি গম পালে। ছোৱালীজনীয়ে ছাগলীবোৰৰ লগত আৰু কিছুপৰ থাকিবলৈ ভাল পাব বুলি তেখেতে ধৰি ললে। হাইডিয়ে কিন্তু তেনেকৈ ভবা নাছিল কাৰণ তাই তেনে কৰিলে ডাক্তৰে গোটেই পৰ্বতীয়া বাটডোখৰ অকলশৰে যাব লাগিব। তাই ডাক্তৰৰ লগত ককাকৰ পঁজাটোলৈ আৰু লাগিলে তললৈ নামিও যাব। সেয়ে প্ৰিয় বন্ধুজনৰ হাতত ধৰি তাই ঘৰলৈ উভতিবলৈ ধৰিলে। তাই গোটেই বাটডোখৰ তেখেতক বহুত কথা কলে, বহুত বস্তু দেখুৱালে, ছাগলীবোৰে ঘাঁহ খাই আটাইতকৈ ভাল পোৱা ঠাইবোৰ, জহকালি উজ্জ্বল, হালধীয়া বনৰীয়া গোলাপ, ৰঙা চেন্টুৰি আৰু অন্যান্য ফুলেৰে ভৰি থকা ঠাইবোৰ দেখুৱালে। ককাকৰ পৰা শিকি তাই এতিয়া সেইবোৰৰ নামো কব পাৰিলে।

অৱশেষত ডাক্তৰে তেখেতৰ যাবৰ হ'ল বুলি কলে। দুয়ো দুয়োকো বিদায়ৰ সম্ভাষণ জনালে। ডাক্তৰ পৰ্বতেৰে নামি যাওঁতে যাওঁতে বৈ বৈ পাছলৈ চাইছিল আৰু হাইডিয়ে একে ঠাইতে থিয় দি তেখেতলৈ স্থিৰ দৃষ্টিৰে চাই হাত জোকাৰি থকা দেখিছিল। তেখেত ঘৰ এৰি বাহিৰলৈ গলে তেখেতৰ নিজৰ অকমানি জীয়েকজনীয়েও ঠিক তাকেই কৰিছিল।

সেইটো শৰতৰ ফৰকাল মাহ আছিল। নিতৌ পুৱা ডাক্তৰ আল্মলৈ আহিছিল আৰু আল্মৰ ওপৰলৈও মজাৰ অভিযানত ওলাইছিল। আল্মমামাৰ লগত তেখেতে প্ৰায়ে বহুত ওপৰৰ থিয় গৰা থকা শিলনিখনলৈ গৈছিল। তাতেই ৰ'দ-বৰষুণত ক্ষয়-ক্ষতি হোৱা বুঢ়া ফাৰগছবোৰ আছিল। বিয়াগোম উকহটোৰ বাহ নিশ্চয় তাৰেই ওচৰে-পাজৰে আছিল। কাৰণ সি প্ৰায়েই মানুহ দুজনৰ মূৰৰ ওপৰেদি কৰ্কশ আৰু ডাঙৰ মাতেৰে চেঁচেঁয়াই, ভোঁ-ভোঁৱাই উৰিছিল।

ডাক্তৰে তেখেতৰ সহচৰৰ সঙ্গ বৰ ভাল পাইছিল। আল্মমামাৰ বিষয়ে তেখেতৰ বিস্ময় ক্ৰমাৎ বাঢ়িছিল। আল্মমামাই সেই পৰ্বতখনৰ সকলো উদ্ভিদ ভালকৈ চিনি পাইছিল; সেইবোৰ কিহৰ কিহৰ কাৰণে উপকাৰী তাকো ভালকৈ জানিছিল। আল্মমামাই ক'লা ফাৰগছবোৰত, সুগন্ধি গুটিৰ দেৱদাৰু গছত, বুঢ়া গছবোৰৰ শিপাৰ মাজে মাজে গজা শোটোৰা-শোটোৰ শেলুৱৈবোৰত, বেছি ওপৰৰ সাৰুৱা পৰ্বতীয়া মাটিত তেতিয়াও বাঢ়ি থকা সৰু, আলসুৱা উদ্ভিদ আৰু নম্ৰ ফুলবোৰত ভাল আৰু মূল্যৱান ঔষধি বিচাৰি পাইছিল।

পৰ্বতত পোৱা সৰু-বৰ সকলো জীৱজন্তুৰে জীৱন আৰু স্বভাৱ-চৰিত্ৰৰ লগত বুঢ়াজন সমানেই পৰিচিত আছিল। পৰ্বতৰ গাঁতত আৰু গুহাত থকা, আনকি সুউচ্চ ফাৰগছৰ ঠাল-ঠেঙুলিত থকা সৰু জীৱবোৰৰ স্বভাৱ-চৰিত্ৰৰ বিষয়েও বহুতো আমোদজনক কথা তেওঁ ডাক্তৰক কৈছিল।

আল্মত তেখেতৰ সময়নো কেনেকৈ পাৰ হয় ডাক্তৰে গম নাপাইছিল। গধূলি বিদায় লবলৈ আল্মমামাৰ কৰমৰ্দন কৰোঁতে তেখেতে প্ৰায়ে কৈছিল, "প্ৰিয় বন্ধু, আপোনাৰ পৰা নতুন কথা নিশিকাকৈ মই এদিনো যাব পৰা নাই।"

মাজে মাজে, সাধাৰণতে বেছি ভাল বতৰৰ দিনবোৰত ডাক্তৰে হাইডিৰ লগত ঘাঁহনিলৈ যোৱা পছন্দ কৰিছিল। তেনে দিনত দুয়ো গৈ প্ৰথমদিনা বহা গৰাটোৰ কাষৰ সুন্দৰ ঠাইখিনিত বহিছিল। তেতিয়া হাইডিয়ে স্তুতিবোৰ পুনৰায় গাবলগীয়া হৈছিল। পিটাৰেও প্ৰায়ে তেওঁলোকৰ পিছফালে আছুতীয়াকৈ বহিছিল। সি এতিয়া একেবাৰেই শান্তিপ্ৰিয় হৈ পৰিছিল আৰু ডাক্তৰক ভুকুওৱাৰ ভঙ্গী নিদিছিল।

এনেকৈয়ে মনোৰম চেপ্তেম্বৰ মাহটো পাৰ হ'ল। তেনেতে এদিন পুৱা আনদিনাতকৈ অলপ কম ৰঙীয়াল হৈ ডাক্তৰ আহি ওলাল। তেখেতে সেইদিনাই আল্মত তেখেতৰ শেষদিন বুলি কলে কাৰণ তেখেত ফ্ৰাঙ্কফুৰ্টলৈ ঘূৰি নগলেই নহয়। আল্মখন তেখেতৰ আপোন ঘৰ যেন হৈ পৰাত ঘূৰি যাবলগীয়া হৈ তেখেত দুখিত হৈ পৰিছিল। সেই বতৰাটোৱে আল্মমামাকো বেজাৰ দিলে কাৰণ তেৰোঁ ডাক্তৰৰ সঙ্গ বিশেষকৈ ভালপোৱা হৈছিল। নিজৰ প্ৰিয় বন্ধুজনক সদায় লগ পোৱাত অভ্যস্ত হৈ পৰা হাইডিয়ে হঠাতে এনেকৈ তাইৰ আনন্দৰ ওৰ পৰাটো তাইৰ বোধগম্য হোৱা নাছিল। বিস্ময়-বিমূঢ় হৈ তাই প্ৰশ্ন সোধা যেনেকৈ তেখেতলৈ চালে। কিন্তু আচল কথা সেয়াই। ডাক্তৰে তাইৰ ককাকৰ পৰা বিদায় ললে আৰু তেখেতক অকমান দূৰলৈ তাই আগবঢ়াই দিবলৈ পাৰিব নেকি সুধিলে। তাইৰ হাতখন তেখেতৰ হাতত দি

তাই পৰ্বতৰ পৰা নামিবলৈ ললে। কিন্তু ডাক্তৰ সঁচাকৈয়ে যাবগৈ বুলি তাই তেতিয়াও যেন সম্পূৰ্ণকৈ উপলব্ধি কৰিব পৰা আছিল।

অলপ পাছত ডাক্তৰ থমকি ৰ'ল। হাইডি যথেষ্ট দূৰ অহা কাৰণে তাই পঁজালৈ উভতিবৰ হ'ল বুলি তেখেতে কলে। তাইৰ কেঁকোৰা চুলিখিনিত দুই-তিনিবাৰ হাতফুৰাই দি তেখেতে কলে, "এতিয়া মই যাবই লাগে হাইডি। তোমাক যদি মোৰ লগত নি ফ্ৰাঙ্কফুৰ্টত ৰাখিব পাৰিলোঁহেঁতেন।"

ফ্ৰাঙ্কফুৰ্টৰ ছবিখন— তাৰ অসংখ্য খেপাখেপি ঘৰ, শিলপৰা বাটবোৰ, কুমাৰী ৰোটেন্‌মায়াৰ আৰু টিনেটে— তাইৰ চকুৰ আগত ভাহি উঠিল। তাই অলপ ভয় ভয়কৈ কলে, "আপুনি বৰং আমাৰ মাজলৈ ঘূৰি আহিলে ভাল হব কিজানি।"

"এৰা, সেইটোৱেই কিজানি ভাল হ'ব। বিদায় হাইডি," ডাক্তৰে স্নেহেৰে কলে আৰু তাইলৈ হাতখন আগবঢ়াই দিলে। নিজৰ হাতখন ডাক্তৰৰ হাতত থৈ হাইডিয়ে ওপৰমূৱা হৈ বিদায়ী বন্ধুলৈ চালে। তাইলৈ চাই থকা মৰমিয়াল চকুযোৰ ইতিমধ্যে চকুলোৰে ভৰি গৈছিল। তেতিয়াই ডাক্তৰে খপহকৈ ঘূৰি নামনিলৈ বেগাই যাবলৈ ধৰিলে।

হাইডিয়ে লৰচৰ নকৰাকৈ কিছুপৰ সেইখিনিতে থিয় হৈ ৰ'ল। তেখেতৰ মৰমিয়াল চকুযোৰ আৰু তাত ভৰি পৰা চকুলোৱে তাইৰ অন্তৰত আঘাত কৰিলে। হঠাতে তাই ডাঙৰ ডাঙৰকৈ উচুপিবলৈ আৰম্ভ কৰিলে আৰু ক্ষিপ্ৰতাৰে নেদেখা হৈ অহা ডাক্তৰৰ ওচৰলৈ পাৰেমানে বেগাই লৰ ধৰিলে। উচুপনিৰ মাজে মাজে তাই ৰিঙিয়াই মাতি গ'ল, "ডাক্তৰ ডাঙৰীয়া, ডাক্তৰ ডাঙৰীয়া।"

তেখেত ঘূৰি নিশ্চল লৈ ৰ'ল।

ছোৱালীজনী তেখেতৰ কাষ পালেগৈ। তাই ফেকুৰি ফেকুৰি কথা কওঁতে তাইৰ দুগালেদি লোতক বাগৰি গ'ল। "মই সঁচাকৈয়ে আপোনাৰ সতে ফ্ৰাঙ্কফুৰ্টলৈ এতিয়াই যাম আৰু আপুনি যেতিয়ালৈ কয় তেতিয়ালৈ থাকিম। মই লৰালৰিকৈ গৈ ককাক কৈ আহোঁগৈ।"

উত্তেজিত হৈ পৰা ছোৱালীজনীক ডাক্তৰে আদৰ কৰি হাত বুলাই নিচুকালে।

"নহয় মোৰ মৰমৰ হাইডি, এতিয়া নহয়," ডাক্তৰে অতি মৰমেৰে কলে। "তুমি ফাৰগছৰ তলত আৰু কিছুদিন থাকিব লাগিব। মোৰ লগত তুমি এতিয়া গলে তুমি আকৌ বেমাৰত পৰিব পাৰা। কিন্তু ৰবা। তোমাক কথা এটা সোধোঁ। মই যদি কেতিয়াবা বেমাৰত পৰি অকলশৰীয়া হওঁ, তেতিয়া তুমি মোৰ তালৈ গৈ মোৰ লগত থাকিবানে? তেনে অৱস্থাত মোক ভাল

পোৱা আৰু মোৰ যত্ন লোৱা কোনোবা এজনী আছে বুলি মই ভাবিব পাৰোঁনে?"

"অঁ, অঁ, তেনে অৱস্থাত মই আপোনাৰ তালৈ নিশ্চয় যাম; খবৰ পোৱা দিনাই যাম। মই আপোনাকো ককাৰ দৰেই ভাল পাওঁ," হাইডিয়ে উচুপি উচুপিয়েই খাটাংকৈ কলে।

ডাক্তৰে তেতিয়া তাইৰ হাতত আকৌ মৃদু হেঁচা এটা মাৰি খৰ্‌খৰ্‌কৈ নিজৰ বাট ললে। হাইডিয়ে কিন্তু তাতে থিয় দি বৈ একে-লেথাৰিয়ে হাত জোকাৰিবলৈ ধৰিলে। বেগাবেগিকৈ যোৱা বন্ধুজন গৈ গৈ বিন্দু এটা যেন হোৱালৈকে তাই হাত জোকাৰিয়েই থাকিল। ডাক্তৰে শেষৰ বাৰলৈ ঘূৰি হাতজোকাৰি থকা হাইডিক আৰু ৰ'দ পৰি থকা পৰ্বতবোৰ দেখি নিজকে মৃদুস্বৰে কলে, "পৰ্বতত বাস কৰা ভাল; দেহা আৰু আত্মা তাত নিৰোগী হয়; জীৱন পুনৰায় সুখৰ হয়।" ■

অষ্টাদশ অধ্যায়
ডৰ্কলিত জাৰকালি

সেই জাৰকালি আল্মৰ পঁজাটোৰ চাৰিওফালে বৰফ এনেকৈ পৰিল যে খিড়িকীৰ তলৰ বেৰবোৰ নেদেখা হ'লত পঁজাটোৰ ভেঁটি খিড়িকীৰ সমান ওখ যেন লগা হ'ল। পঁজাটোৰ দুৱাৰখনো বৰফেৰে ঢাক খাই একেবাৰেই নেদেখা হ'ল। আল্মমামা তাত থকা হলে পিটাৰে নিতৌ পুৱা কৰা কামবোৰ তেৱোঁ কৰিব লাগিলহেঁতেন। নিতৌ পুৱা পিটাৰে সৰু খিড়িকীখনেৰে সৰকি গৈ তললৈ জাঁপমাৰি বাহিৰলৈ ওলাইছিল। যিদিনা ৰাতি-পৰা বৰফ টান নহৈছিল, সিদিনা কোমল হৈ থকা বৰফত সি বাৰুকৈ পোত গৈছিল। তাৰ পৰা বাজ ওলাবলৈ সি হাত, ভৰি আৰু মূৰেৰে ঠেলি-হেঁচি যুঁজিবলগীয়া হৈছিল। সি বাজ হলে মাকে খিড়িকীৰে তাক ডাঙৰ বাঢ়নীটাৰ দিছিল। সেইটাৰেৰে সি তাৰ সমুখৰ বৰফবোৰ ঠেলি আৰু চোঁচোৰাই আঁতৰ কৰি কৰি দুৱাৰখনলৈ বাট উলিয়াই লৈছিল। তাৰ পিছৰ কামফেৰা কষ্টকৰ আছিল। কাৰণ দুৱাৰৰ সমুখৰ বৰফৰ দ'মটো খান্দি আঁতৰাব লাগে। যদি নাঁতৰায়, তেন্তে দুটা কথা হয়। বৰফ কোমল হৈ থাকিলে দুৱাৰখন খুলিলেই দ'মটো পাকঘৰৰ ভিতৰত পৰি পয়মাল লাগে। আনহাতে, বৰফবোৰ শিলযেন টান হলে, সেইবোৰ কাটি-খান্দি দুৱাৰখন মুকলি কৰি লোৱা অসম্ভৱ হৈ পৰে। তেনে অৱস্থাত খিড়িকীৰে জঁপিয়াই একমাত্ৰ পিটাৰহে ঘৰৰ বাহিৰ হব পাৰে; বাকীবোৰ একেবাৰে গৃহবন্দী হৈ পৰে।

বৰফ শিল যেন টান হলে অৱশ্যে পিটাৰৰ বহুতো সুবিধা হৈছিল। সি ডৰ্কলিলৈ যাবলৈ খুজিলে খিড়িকীখনেৰে সৰকি, জাঁপমাৰি বাহিৰৰ টান বৰফনিৰ মসৃণ উপৰিভাগত থিয় হৈছিল। তেতিয়া তাৰ মাকে খিড়িকীখনেৰে তাৰ শ্লেজখন ঠেলি বাহিৰলৈ উলিয়াই দিছিল। সেইখনত বহি সি যেনি মন যায় গলেই হৈছিল। গোটেই আল্মখনেই তেতিয়া এখন প্ৰকাণ্ড হেলনীয়া বৰফনি হৈ পৰা কাৰণে সি যেনিয়েই নাযাওক কিয়, নামনিৰ ডৰ্কলি পাইছিলগৈ।

আল্মমামাই নিজৰ কথা ৰাখিলে। সেই জাৰকালি তেওঁ আল্মত নৰখালে। প্ৰথমবাৰ বৰফ পৰাৰ লগে লগে তেওঁ পঁজাটো আৰু চালি দুখন বন্ধ কৰি হাইডিক আৰু ছাগলী দুজনীক লৈ ডৰ্কলিলৈ নামি গ'ল। তাৰ গিৰ্জাটোৰ আৰু পাদুৰিচাহাবৰ বাসগৃহৰ কাষত এটা আহল-বহল ঘৰ আছিল। একালত এইটো

এটা ডাঙৰ হাউলি আছিল। এতিয়া জীৰ্ণ-শীৰ্ণ হলেও এইটোৰ বহুত অংশতে পূৰণি হাউলিটোৰ গৰিমাৰ চিন দেখা গৈছিল। এসময়ত বীৰ যোদ্ধা এজনে ইয়াত বাস কৰিছিল। তেওঁ স্পেইনৰ যুদ্ধলৈ গৈছিল আৰু বহুতো বীৰত্বৰ কাম কৰিছিল। তেওঁ অলেখ সা-সম্পত্তিও গোটাইছিল। তেওঁ ডৰ্ফলিলৈ ঘূৰি আহি নিজে থাকিবলৈ তেওঁ অৰ্জা ধন-বিতেৰে এই চমৎকাৰ হাউলিটো সাজিছিল। তেওঁ কিন্তু ইয়াত বেছিদিন নাথাকিল। বহুত বছৰ বাহিৰৰ হুলস্থুলীয়া পৰিবেশত কটাই ডৰ্ফলিৰ শান্তিময় জীৱন তেওঁৰ অসহ্য হ'ল। তেওঁ আকৌ গুচি গ'ল আৰু ঘূৰি নাহিল। বহুত বছৰ পিছত তেওঁ সঁচাকৈয়ে ঢুকোৱা বুলি জনা-জনি হোৱাৰ পিছত নামনিৰ ভৈয়ামত থকা তেওঁৰ দূৰ-সম্পৰ্কীয় মানুহ এজনে ঘৰটো ললে। ইতিমধ্যে হাউলিটো জহি-খহি গৈছিলেই। নতুন মালিকজনে কিন্তু সেইটো ঠিক্ঠাক কৰি লব নুখুজিলে। গতিকে সেইটোৰ বাবে বেচি ভাড়া দিব নোখোজা মানুহহে তাত থাকিবলৈ ললে। হাউলিটোৰ কোনো অংশ ভাগি পৰিলে তেওঁলোকে সেই অংশ সেইভাগে থাকিবলৈ দিলে।

তেতিয়াৰ পৰা বহুত দিন হ'ল। আল্মমামাই যেতিয়া কিশোৰ পুতেক টোবিয়াচক লৈ উভতি আহিছিল, তেওঁ এই ভগা-ছিগা ঘৰটোতেই থাকিবলৈ লৈছিল। তেওঁ এইটো এৰাৰ পৰা ঘৰটো প্ৰায় শুদা হৈয়ে আছিল। কাৰণ এইটোৰ ফুটাবোৰ, ডাঙৰ ফাটবোৰ মেৰামত কৰিবলৈ আৰু নতুনকৈ ভগা-ছিগা বন্ধ কৰিবলৈ নিজে কাম নজনা মানুহ এইটোত থকা অসম্ভৱ আছিল। ডৰ্ফলিৰ জাৰকালি দীঘলীয়া আৰু অতিশয় চেঁচা। ভগা-ছিগা ঘৰটোৰ চাৰিওফালেদি চেঁচা বতাহ কোঠাবোৰত সোমাই চাকি-বন্তিবোৰ নুমাই দিছিল; এইটোত থকা দুখীয়া মানুহবোৰ জাৰত ঠক্ঠকাই কঁপিছিল। আল্মমামাই কিন্তু মেৰামতিৰ কাম জানিছিল। জাৰকালি ডৰ্ফলিত থাকিব বুলি থিৰাং কৰাৰ লগে লগে তেওঁ এই পূৰণি ঘৰটো আকৌ ভাড়াত ললে। গোটেই শৰৎকালি তেওঁ মাজে সময়ে আহি তেওঁৰ মনে ধৰা মতে ঘৰটো মেৰামত কৰিছিল। অক্টোবৰৰ মাজমানৰ পৰা তেওঁ হাইডিক লৈ তাত থাকিবলৈ ললে।

ঘৰটোৰ পিছফালেদি সোমালে প্ৰথমতে দুৱাৰ নথকা মুকলি কোঠা এটা পায়। এইটোৰ এফালৰ দেৱালখন পূৰাকৈ আৰু আনফালৰ খন আধা ভাগি পৰিছিল। আধাভগাখনৰ ওপৰেদি এখন ধেনুভিৰীয়া খিড়িকী দেখা গৈছিল। সেইখনত এখনো আইনা নাছিল। সেইবোৰৰ ফাঁকেৰে আইভিলতা সোমাই সেইখন মেৰাই ধৰিছিল আৰু চালখনতো বগাইছিলগৈ। চালখনৰ বেছি অংশ ভাগে আছিল। সেইখনো ধেনুভিৰীয়া আকাৰৰ আছিল। এই কোঠাটো দেখিলেই একালত ঘৰুৱা-গিৰ্জা আছিল বুলি গম পোৱা গৈছিল। দুৱাৰ নথকা

এই গির্জাটোৰ সিমূৰত ডাঙৰ হলঘৰ এটা পায়। এইটোৰ মজিয়াৰ অ'ত-ত'ত এতিয়াও সুন্দৰ টালি দেখা গৈছিল। সেইবোৰৰ ফাঁকেৰে ঘাঁহ ডাঠকৈ গজিছিল। এইটোৰ দেৱালবোৰৰ আধামানহে বৈছিল আৰু চালখনবো ডাঙৰ অংশ কেতবোৰ খহি পৰিছিল। দুটা ডাঙৰ স্তম্ভ থকা কাৰণেহে গোটেইখন চাল ভাগি নপৰাকৈ আছিল। এতিয়াৰ অৱস্থাত তলত থকা মানুহৰ মূৰত চালখন যি কোনো মুহূৰ্ত্তত ভাগি পৰিব পাৰে যেন লাগিছিল।

এই ডাঙৰ হলঘৰটোৰ মাজেৰে কাঠৰ বেৰ এখন দি আন্ধমামাই সৰু কোঠা এটা কৰি উলিয়াইছিল। তেওঁ সেইটোৰ মজিয়াত ডাঠকৈ খেৰ পাৰি দিছিল কাৰণ তাতেই ছাগলী দুজনী থাকিব।

হলঘৰটোৰ পৰা কেইবাটাও সুৰুঙ্গীয়া পথ আছিল। সেইবোৰৰ চাল নাছিল বাবে আকাশ দেখা গৈছিল; ঠায়ে ঠায়ে বেৰ নোহোৱা হোৱা অংশৰে বাহিৰৰ আলিবাট আৰু পথাৰো দেখা গৈছিল। ঘৰটোৰ সমুখৰ পিনৰ গধুৰ ঘাই-দুৱাৰখন ওক কাঠেৰে সজা আছিল। সেইখন চৌকাঠত এতিয়াও ভালকৈ লগোৱা আছিল। তাতেই এটা আহল-বহল কোঠা আছিল। সেইটো এতিয়াও ভাল অৱস্থাত আছিল। সেইটোৰ চাৰিওফালৰ দেৱালবোৰো ভালে আছিল। সেইটোৰ দেৱালত লগোৱা ক'লা কাঠৰ পেনেলবোৰো ভালে আছিল আৰু সেইবোৰৰ মাজত ফাঁক নাছিল। কোঠাটোৰ এটা চুকত প্ৰকাণ্ড জুহাল এটা আছিল। সেইটো গৈ চিলিঙত লাগে লাগে যেন হৈছিল। জুহালটোৰ গাত লগোৱা বগা টালিবোৰত ডাঙৰ, নীলা চিত্ৰ অঁকা আছিল। চিত্ৰবোৰৰ কিছুমানত ওখ ওখ গছেৰে ঘেৰা দুৰ্গ আৰু সেই গছবোৰৰ তলেৰে চিকাৰী এজনে কুকুৰবোৰ লৈ যোৱা দেখা গৈছিল। আন এখন টালিত বিশাল ওক গছ এডালৰ তলত এটা শান্তিময় হ্ৰদ আৰু মাছমৰীয়া এজনে সেইটোৰ পাৰত থিয় হৈ বৰশীডাল হ্ৰদটোৰ মাজলৈ দলিওৱা অঁকা আছিল। টালিত অঁকা চিত্ৰবোৰ বহি বহি চাব পৰাকৈ জুহালৰ চাৰিওকাষে এখন বেঞ্চ পতা আছিল। এই কোঠাটোত হাইডিৰ তৎক্ষণাত মন খালে। ককাকৰ লগত কোঠাটোত সোমায়েই তাই লৰি গৈ বেঞ্চখনত বহি চিত্ৰবোৰ চাবলৈ ধৰিলে। সেইবোৰ চাই চাই বেঞ্চখনেৰে গৈ গৈ তাই জুহালৰ পিছফাল পাওঁতে নতুন বস্তু এটাই তাইৰ দৃষ্টি পূৰাকৈ আকৰ্ষণ কৰিলে। জুহাল আৰু দেৱালৰ মাজৰ যথেষ্ট ঠাইখিনিত কাঠৰ চাৰিখন তক্তাৰে ঘেৰি আপেল থবলৈ চাৰিচুকীয়া ডুলি যেন কৰি থোৱা আছিল। এতিয়া তাত আপেল নাছিল। আন্ধত তাইৰ বিছনাখনৰ দৰে সাক্ষাৎ একে বিছনা এখন তাত পৰা আছিল : ডাঠকৈ পৰা খেৰৰ ওপৰত বিছনা-চাদৰ এখন আৰু গাত লবলৈ বস্তা এটা। হাইডিয়ে চিঞৰি উঠিল, "ককা, এইটো মোৰ শোৱনি-কোঠা। আঃ, কি যে সুন্দৰ। তুমি ক'ত শুবা ককা?"

"তুমি বৰফৰ দৰে গোট নামাৰিবলৈ হলে তোমাৰ বিছনাখন জুহালৰ কাষত হ'ব লাগিব," তাইৰ ককাকে ক'লে। "মোৰখন চোৱাহি।"

ডাঙৰ কোঠাটোৰে ডেও দি দি হাইডি ককাকৰ পিছে পিছে গ'ল। ককাকে কোঠাটোৰ আনটো ফালৰ দুৱাৰ এখন খুলিলে। সেইখনৰ সিটোফালে সৰু কোঠা এটাত তেওঁৰ বিছনাখন পৰা আছিল। আহল-বহল কোঠাটোত আন এখন দুৱাৰ আছিল। সেইখন খুলি হাইডি বিস্ময়ত তধা লাগি ৰ'ল। কাৰণ পাকঘৰৰ কাৰণে তেনে প্ৰকাণ্ড কোঠা তাই জীৱনত দেখা নাছিল। এইটো মেৰামত কৰোঁতে ককাকে বহুত কাম কৰিবলগীয়া হৈছিল। কিন্তু এতিয়াও বহুতো কৰিবলৈ বাকী আছিল। কোঠাটোৰ চাৰিওফালৰ দেৱালবোৰত বহুত ফুটা আৰু ফাঁক আছিল। ককাকে সেইবোৰত গজাল মাৰি তক্তা লগাই বাটোঁতে দেৱালবোৰ সৰু সৰু আলমাৰিৰে ভৰি থকা যেন লাগিছিল। তথাপি এতিয়াও বাটিবলৈ বাকী থকা ফুটা আৰু ফাঁকেৰে ভিতৰলৈ বতাহ আহি আছিল। সেই কোঠাটোৰ পুৰণা ডাঙৰ দুৱাৰখন ককাই গজাল আৰু তাৰেৰে মেৰামত কৰা বাবে সেইখন এতিয়া বন্ধ কৰিব পৰা হ'ল। এইটো বৰ ভাল কথা হ'ল। কাৰণ সেইপিনেই ঘৰটোৰ আটাইতকৈ ধ্বংস হোৱা অংশটো আছিল আৰু তাত জেঠী, গুবৰুৱা আদিয়ে থাকিবলৈ লৈছিল।

নতুন ঘৰটো হাইডিৰ বৰ ভাল লাগিল। তাই ঘৰটোৰ প্ৰতিটো চুক-কোণকে ধৰি সকলো তন্ন তন্নকৈ চাই লোৱা কাৰণে ঘৰটোৰ বিষয়ে সকলো কথা জনা হ'ল। হাইডিহঁতে তাত কেনেকৈ কটাইছে চাবলৈ পিটাৰ পাছদিনাই আহি ওলাওঁতে হাইডিয়ে তাক স্বচ্ছন্দে ঘৰটোৰ সকলোবোৰ দেখুৱাব পাৰিলে। সিহঁতৰ নতুন ঘৰটোৰ গোটেইবোৰ চমক্‌প্ৰদ বস্তু খৰচি মাৰি নোচোৱালৈকে হাইডিয়ে তাক শান্তি দিয়া নাছিল।

প্ৰকাণ্ড জুহালটোৰ পিছপিনৰ চুকটোৰ বিছনাখনত হাইডিয়ে লালকাল দি শুলে। কিন্তু পুৱা সাৰ পায়েই তাই পৰ্বতত থকা যেন পালে আৰু ফাৰবোৰৰ গৰ্জন নুশুনি ভাবিলে, ডালবোৰত ডাঠ, গধুৰ বৰফ পৰি সেইবোৰ হলাই পেলাইছে চাগৈ। আচল কথাটো নো কি জানিবলৈ হলে তাই তৎক্ষণাত পঁজাটোৰ দুৱাৰখন খুলি বাহিৰলৈ ওলাব লাগিব বুলি তাই ভাবিলে। সেয়ে প্ৰথমৰ পিনে পুৱা পুৱা তাই ইফালে-সিফালে বহুতপৰ চোৱাৰ পিছতহে তাই ক'ত আছে তাইৰ মনত পৰিছিল। আৰু যেতিয়াই পৰ্বতীয়া পঁজাটোত নাই বুলি তাই উপলব্ধি কৰিছিল, তেতিয়াই তাই কিহবাই তাইৰ টেটু চেপি উশাহ বন্ধ কৰা যেন আৰু বুকুত হেঁচি ধৰা যেন পাইছিল। কিন্তু তাই যেতিয়া বাহিৰত ককাকে ছাগলী দুজনীক কিবা কোৱা আৰু সিহঁতে ৰংমনেৰে ডাঙৰকৈ বেবাই তাইক "হাইডি, খৰধৰ কৰা, ওলাই আহা" বুলি

মতা যেন পাইছিল, তেতিয়া তাই অনুভৱ কৰিছিল, সি যি কি নহওঁক, তাই নিজৰ ঘৰখনতেই আছে। তেতিয়া তাই বং মনেৰে বিছনাৰ পৰা জাঁপ মাৰি নামি লৰালৰিকৈ ছাগলী দুজনীৰ কোঠাটোলৈ ওলাই গৈছিল।

ডৰ্ফলিলৈ অহাৰ চতুৰ্থ দিনা হাইডিয়ে ককাকক কলে, "আইতা ইমান দিনে অকলশৰে আছে। আজি মই আচলতে আইতাৰ তালৈ যাবই লাগে।" তাইৰ কথাত ককাক কিন্তু মান্তি নহ'ল। তেওঁ কলে, "আজি নহয়। কাইলৈও নহয়। আল্ম ছফুট বৰফত পোত গৈ আছে। বৰফ পৰিয়েই আছে। মজবুত দেহাৰ পিটাৰো এনে অৱস্থাত কোনোমতেহে আহে। তোমাৰ দৰে অকমানিজনীক বৰফে পোনছাটেই পুতি পেলালে আমি আৰু তোমাক বিচাৰি নাপাম। সেয়ে বৰফ গোট মাৰি টান হোৱালৈ ৰোৱাঁ। তেতিয়া বৰফৰ টান খোলাটোৰে সহজে খোজ কাঢ়ি যাবলৈ পাৰিবা।"

এনেকৈ ৰবলগীয়া হোৱাই প্ৰথমতে হাইডিৰ মনোকষ্ট হৈছিল। কিন্তু আজিকালি নতুন ঘৰত কাম ইমান বাঢ়িছিল যে তাই গম নাপাওঁতেই এটা দিন শেষ হৈ নতুন এটা দিনৰ আৰম্ভ হৈছিল।

আজিকালি সদায় পুৱা আৰু ভাটিবেলা হাইডি পঢ়াশালিলৈ গৈছিল। তাই গোটেইবোৰ পাঠ শীঘ্ৰেই আয়ত্ব কৰিব পাৰিছিল। তাই পঢ়াশালিত পিটাৰক প্ৰায় নেদেখিছিলেই, কাৰণ সি কাচিংহে আহিছিল। নিৰীহ শিক্ষকজনে মাজে মাজে মাত্ৰ কৈছিল, "পিটাৰ আজিও উপস্থিত নহৱ যেন লাগিছে। ইয়ালৈ আহিলে তাৰ উপকাৰ হ'ব। পিছে সিহঁতৰ তাত বৰফ বৰকৈ পৰিছে কাৰণে সি কিজানি আহিব পৰা নাই।"

কিন্তু পঢ়াশালিৰ সময়ৰ পিছত গধূলিৰ পিনে পিটাৰে ঘৰৰ পৰা ওলাই হাইডিক লগ পাবলৈ আহিছিল।

কেইদিনমান পিছত বেলি আকৌ ওলাল আৰু বৰফেৰে বগা হৈ থকা পৃথিৱীত বেলিৰ কিৰণ পৰিল। কিন্তু সিদিনা বেলিয়ে অতি সোনকালেই পৰ্বতবোৰৰ পিছপিনে লুকালগৈ; যেন জহকালিৰ সেউজ আৰু ফুলবোৰৰ বাহাৰ নেদেখি বেলি অসন্তুষ্ট হৈছে। গধূলি জোনটো উজ্জ্বল আৰু ডাঙৰ হৈ ওলাল আৰু গোটেই ৰাতিটো বিশাল বৰফৰ পথাৰত জিলমিলাই থাকিল। পিছদিনা পুৱা পৰ্বতৰ শৃঙ্গৰ পৰা পাদদেশলৈ গোটেইবোৰ পৰ্বত স্ফটিকৰ দৰে চিকমিকাবলৈ আৰু তিৰবিৰাবলৈ ধৰিলে। পিটাৰে আনদিনাৰ দৰে জাঁপ মাৰি বাহিৰলৈ ওলাওঁতে সি আশা নকৰা কাণ্ড এটা ঘটিল। আনদিনাৰ দৰে সি বৰফত নোসোমাল; সি আচৰিত ধৰণে টান হৈ পৰা বৰফত থেকেচাহে খালে আৰু সি টলকিব পৰাৰ আগতেই খালি স্লেজৰ দৰে নামনিৰ পিনে কিছুদূৰ পিছলি গ'ল। সি অতি বিস্মিত হৈ পৰিল আৰু চেষ্টা কৰি কৰি কোনোমতে

ৰ'ল আৰু থিয় হ'ল। এনে কাণ্ড বৰফ টান হলেহে সম্ভৱ। সেয়ে বৰফ কিমান টান হৈছে প্ৰমাণ চাবলৈ সি তাৰ সৰ্বশক্তিৰে বৰফত গেৰোৱাৰে গোব মাৰি চালে। কিন্তু সি এচিকটা বৰফো এৰুৱাব নোৱাৰিলে। গোটেই পৰ্বতখনত বৰফ শিল যেন টান হৈ পৰিছে। তাৰ ভাল লাগিল কাৰণ হাইডি সিহঁতৰ তালৈ আকৌ আহিবলৈ হলে বৰফ এনে অৱস্থাৰেই হব লাগিব। সি লৰালৰিকৈ ঘৰলৈ উভতিল। মাকে সেইমাত্ৰ টেবুলত তালৈ থোৱা গাখীৰখিনি সি থিতাতে গিলিলে আৰু তাৰ ভাগৰ ৰুটি টুকুৰা জেপত ভৰাই লৈ কলে, "মই পঢ়াশালিলৈ যাবই লাগিব।"

মাকে কলে, "অঁ, যা, মন দি পঢ়িবি।"

দুৱাৰৰ সমুখৰ বৰফৰ দ'মটো শিল যেন হোৱা কাৰণে সিহঁত আকৌ গৃহবন্দী হোৱাদি হ'ল। পিটাৰ খিড়িকীৰে সৰকিহে বাজ হ'ল। সি তাৰ সৰু স্লেজখন উলিয়াই আনি তাত বহিল আৰু সি গুলিৰ দৰে বেগেৰে তললৈ নামিবলৈ ধৰিলে।

ডৰ্ফলি পাবৰ হলত পিটাৰে মন কৰিলে যে বিজুলী বেগেৰে চলা স্লেজখন তাত হঠাতে ৰাখিলে সি আৰু স্লেজখন দুয়ো জখম হব। সেয়ে সি পোনে পোনে আৰু নামনিৰ পিনে গৈ থাকিল। সি তেনেকৈ গৈ গৈ সমতল পাওঁতে স্লেজখন আপোনা-আপুনি ৰ'ল। সি উঠি থিয় হৈ চাৰিওপিনে চালে। সি ইমান কোবেৰে নামিছিল যে সি মায়েনফেল্ডা পাছ পেলাই থৈ আহিল। তেতিয়া সি গমি চালে যে সি পঢ়াশালি আৰু নাপায়গৈ কাৰণ পঢ়াশালিখন কিছুসময় আগতেই বহিছিল আৰু সি ঘূৰি গৈ পাবলৈ প্ৰায় এঘণ্টাই লাগিব। অৱশ্যে ডৰ্ফলিলৈ উভতি যাবলৈ তাৰ হাতত বহুত সময় আছে। সি তাকে কৰিলে। সি হাইডিহঁতৰ ঘৰ পাওঁতে হাইডি ঠিক তেতিয়াই পঢ়াশালিৰ পৰা আহি ককাকৰ লগত দুপৰীয়াৰ সাঁজ খাবলৈ বহিছিল মাত্ৰ। পিটাৰ ভিতৰলৈ সোমাই গ'ল। আজি সি নিৰ্দিষ্ট কথা এটা কবলৈ আহিছিল। তাৰ বাবে সেইটো ডাঙৰ কথা আছিল। সেইকাৰণে সি তৎক্ষণাত সেইটো নকৈ নোৱাৰিলে।

"সেইটো হ'ল," কোঠাটোৰ মাজত নিশ্চল হৈ থিয় দি সি কলে।

"কি হ'ল সেনাপতি? কথাটো যুদ্ধৰ কথা যেন লাগিছে দেখোন," ককাকে সুধিলে।

"টান খোলাটো," পিটাৰে উত্তৰ দিলে।

পিটাৰৰ ভাৱ প্ৰকাশৰ গঢ়-গতি জনা হাইডিয়ে ফুৰ্তিত ডাঙৰকৈ কৈ উঠিল, "কি মজা! মই এতিয়া আইতাক লগ পাবলৈ যাব পাৰিম।" কিন্তু হঠাতে তাক নিন্দা কৰি তাই যোগ কৰিলে, "তেন্তে তই পঢ়াশালিলৈ নাহিলি

কিয়? তই শ্লেজত আৰামেৰেই আহিব পাৰিলিহেঁতেন।" হাইডিৰ মতে পঢ়াশালিলৈ যাব পৰা অৱস্থাত নোযোৱাকৈ থকাটো উচিত নহয়।

"শ্লেজ বহুত দূৰ পালেগৈ; সময় নহ'ল," পিটাৰে উত্তৰ দিলে।

"তাকেই পলোৱা বোলে। যিবোৰে তেনে কৰে সিহঁতক কাণ চেপা দিয়া হয়," আল্মমামাই কলে। "শুনিছনে?"

শঙ্কাত সি কাণ দুখন ঢকাকৈ টুপিটো তললৈ টানি ললে। কাৰণ আল্মমামাৰ দৰে আন কাকো সি পৃথিবীত ইমান শ্ৰদ্ধা নকৰিছিল।

"তোৰ দৰে নেতা এজনে এনেকৈ পলোৱা দুগুণ লাজৰ কথা," ককাই কবলৈ ধৰিলে। "তোৰ ছাগলীবোৰৰ কোনোবাজনী ইফালে, কোনোবাজনী সিফালে দৌৰিলে, সিহঁতে তোৰ পিছ লব নুখুজিলে আৰু সিহঁতৰ বাবে যি ভাল সিহঁতে সেইটো কৰিবলৈ নুখুজিলে তই কি কৰিবি?"

"কোবাম," সি জানি-বুজি উত্তৰটো দিলে।

"কোনোবা লৰাই অবাধ্য ছাগলীৰ দৰে কাম কৰা বাবে তাক দুই-এচাট লগালে তই কি বুলিবি?"

"যেনে কুকুৰ তেনে টাঙোন," উত্তৰ আহিল।

"বেচ্। এতিয়া শুন, ইয়াৰ পিছত যিদিনা তই পঢ়াশালিত থাকিবলগীয়া সময়ত শ্লেজখনেৰে পঢ়াশালি পাৰ হৈ যাব, সেইদিনা মোৰ ইয়ালৈ আহি তই যেনে টাঙোনৰ লায়েক তেনে লৈ যাবি।"

তেতিয়াহে পিটাৰে আল্মমামাই আগতে সোধা প্ৰশ্নবোৰৰ মানে বুজিলে; পঢ়াশালিৰ পৰা পলোৱা ল'ৰাক তেওঁ অবাধ্য ছাগলী বুলি ভাবে। এই সাদৃশ্যটো তাৰ মনত লাগিল। তেনে অৱস্থাত ছাগলীক শাস্তি দিবলৈ আল্মমামাই কি ব্যৱহাৰ কৰে গম লবলৈ চিন্তিত মনেৰে সি কোঠাটোৰ চুক-কোণবোৰলৈ চালে।

তেনেতে মামাকে তাক ফুৰ্ত্তিৰে মাত দিলে, "এতিয়া আহ। আমাৰ লগত খাহি। খাই উঠি হাইডি তোৰ সতে যাব পাৰিব। তই যদি তাইক গধূলি ওভোতাই আন, তেন্তে তোৰ ৰাতিৰ সাঁজো ইয়াতেই খাবি।"

ঘটনাটোৰ এনে অপ্ৰত্যাশিত পৰিবৰ্তনত পিটাৰ অতি আনন্দিত হ'ল আৰু তাৰ মুখৰ মাংসপেশীবোৰ সকলোৰকমে ভাঁজ খালে। কথাষাৰ তৎক্ষণাত মানি লৈ সি হাইডিৰ কাষত বহিলগৈ। হাইডিয়ে ইতিমধ্যে অলপ খাইছিল কিন্তু আইতাকক লগ পাবলৈ যোৱাৰ আনন্দত তাই আৰু গিলিব নোৱৰা হ'ল। তাইৰ থালত থকা ডাঙৰ আলুটো আৰু সেকা পনীৰখিনি তাই পিটাৰক দিলে। সিপিনৰ পৰা আল্মমামায়ো তাৰ থালখন ভৰাই দিলে। ফলত তাৰ সমুখত এখন পাহাৰ হোৱাদি হ'ল। সেইখনৰ লগত যুঁজিবলৈ তাৰ সাহসৰ অভাৱ

হোৱা নাছিল। ইতিমধ্যে হাইডিয়ে আলমাৰিটোলৈ দৌৰি গৈ ক্লাৰাই দিয়া মূৰ ঢাকি লব পৰা হলৌ কোটটো উলিয়াই আনিলে। এতিয়া তাই এই সাঁজ গৰম কাপোৰেৰে মূৰটোও ঢাকি লব পৰা হ'ল। তাৰ পিছত তাই পিটাৰৰ কাষত থিয় হ'লগৈ। সি শেষৰ গৰাহ গিলোঁতেই তাই কলে, "এতিয়া ব'ল।"

সিহঁতে যাত্ৰা আৰম্ভ কৰিলে। স্নেনলি আৰু বেৰ্লিৰ বিষয়ে পিটাৰক কবলৈ হাইডিৰ বহুতো কথা জমা হৈ আছিল। সিহঁতে নতুন গোহালিটোত প্ৰথম দিনা মুখত একোকে দিয়া নাছিল আৰু দিনৰ দিনটো তলমূৰা হৈ এবাৰো নেবেবোৱাকৈ আছিল। সিহঁতৰ কি হৈছে বুলি তাই ককাকক সুধিছিল। ককাকে তেতিয়া কৈছিল যে ফ্ৰাঙ্কফুৰ্টত তাইৰ যেনে লাগিছিল, সিহঁতৰো তেনে লাগিছে; সিহঁতেও জীৱনত আল্পৰ পৰা আগতে কেতিয়াও নামি অহা নাছিল। হাইডিয়ে নিজৰ কথাষাৰো যোগ কৰিলে, "পিটাৰ, সেইয়া যে কি দুৰ্ভোগ তই এবাৰ জনা উচিত।"

সিহঁতৰ যাত্ৰা প্ৰায় শেষ হবৰ হ'ল কিন্তু পিটাৰে তেতিয়ালৈ সি সাধাৰণতে কৰাৰ দৰে এবাৰো মুখেৰে মতা নাছিল। সি নিজৰ কিবা গভীৰ চিন্তাত মগ্ন হৈ থাকোঁতে হাইডিৰ কথা ভালকৈ শুনাই নাছিল। সিহঁতৰ জুপুৰিটো পালত সি ৰ'ল আৰু বিৰক্তিৰে যেনেকৈ কলে, "আম্মমামাৰ কোব খোৱাতকৈ মই বৰং পঢ়াশালিলৈয়ে যাম।"

হাইডিও একেমত হ'ল আৰু তাৰ সঙ্কল্পটো সমৰ্থন কৰিলে।

ভিতৰৰ কোঠাটোত পিটাৰৰ মাক বুগিটেই অকলে কাপোৰ বাতি আছিল। তাই কলে যে আইতাকৰ বাবে জাৰ অসহ্য হোৱাত তেওঁ পাটী লৈছে; তাতে তেওঁৰ গাও ভাল নহয়। হাইডিৰ বাবে এইটো নতুন কথা। তেতিয়ালৈকে তাই আইতাকক সদায় নিজৰ চুকটোত বহি থকা পাইছিল। তাই লৰি গৈ আইতাকৰ কোঠাটোত সোমাল। তাত মাত্ৰ পাতল বিছনা-চাদৰ এখন পৰা ঠেক বিছনাখনত গাত ধূসৰ ৰঙৰ শালখন লৈ আইতাক শুই আছিল। হাইডি ভিতৰলৈ অহা শুনিয়েই তেওঁ কলে, "ভগৱানক ধন্যবাদ।" গোটেই শৰৎকালি তেওঁৰ মূৰত এটা গুপুত দুশ্চিন্তা আছিল। সেই দুশ্চিন্তাই এতিয়াও, বিশেষকৈ হাইডি বেছিদিন নহাকৈ থকা দিনবোৰত তেওঁৰ লগ এৰা নিদিছিল। পিটাৰৰ মুখৰ পৰা ফ্ৰাঙ্কফুৰ্টৰ আচহুৰা আলহী এজন অহাৰ, সিহঁতৰ লগত তেখেতে দিনৌ চৰণীয়া পথাৰলৈ যোৱাৰ আৰু তেখেতে হাইডিৰ লগত সদায় কথা-বতৰা পতাৰ গল্প শুনি শুনি আইতা নিশ্চিত হৈছিল যে তেখেতে হাইডিক নিবলৈহে আহিছিল। অৱশেষত তেখেত অকলে ওভতি যোৱাৰ পাছত আইতাৰ আশঙ্কা হ'ল, তেখেতে হাইডিক নিবলৈ আন কাৰোবাক পঠিয়াই দিব চাগে। হাইডিয়ে আইতাকৰ বিছনাৰ কাষলৈ গৈ উদ্বিগ্ন হৈ সুধিলে, "আইতা, তোমাৰ অসুখ টান নে?"

"নহয় সোণজনী," বুঢ়ী গৰাকীয়ে হাইডিৰ মুখত চেনেহেৰে হাত বুলাই তাইক সান্ত্বনা দিবলৈ কলে। "অলপ ঠেঁটুৰে লাগিছে মাত্ৰ।"

"জহকালি আহিলেই তুমি তেন্তে ভাল হৈ পৰিবানে?" হাইডিয়ে আগ্ৰহেৰে সুধিলে।

"অঁ, অঁ। ভগৱানে কৰিলে তাতোকৈ আগতে আকৌ কটনা কাটিব পৰা হম। মই আজিয়েই চেষ্টা কৰিম বুলি ভাবিছিলোঁ। কাইলৈ নিশ্চয় পাৰিম।" হাইডি শঙ্কিত হৈ পৰা দেখি আইতাকে কলে।

হাইডিয়ে আইতাকক বেমাৰত শুই থকা আগতে কেতিয়াও দেখা নাছিল কাৰণে তাই দুশ্চিন্তাগ্ৰস্ত হৈ পৰিছিল। আইতাকৰ কথা শুনি তাইৰ মন ফৰকাল হ'ল। তাই আচৰিত হৈ অলপপৰ তেওঁলৈ চাই কলে, "আইতা, ফ্ৰাঙ্কফুৰ্টত মানুহে ফুৰিবলৈ ওলাওঁতেহে শাল লয়। বিছনাত শুই থাকোঁতে শাল লোৱা উচিত বুলি তুমি ভাবানে?"

"ঠাণ্ডাত মই বৰফৰ দৰে গোট মাৰি নাযাবলৈ শ্বালখন বিছনাতে লৈছোঁ মইনা। বিছনাত লোৰাখন জেলাইলাই কাৰণে শ্বালখন লৈ বৰ ভাল লাগিছে।"

"পিচে আইতা," হাইডিয়ে আকৌ কলে, "তোমাৰ মূৰটো গাটোৰ ওপৰত নাথাকি ডিঙিৰ পৰা তলমুৱাহে দেখোন হৈছে। বিছনা এনে হোৱা উচিত নহয়।"

"মই জানোঁ আইকণ। অৱস্থাটো মই ভালকৈয়ে অনুভৱ কৰিছোঁ," আইতাকে কলে। মূৰৰ তলত থকা পাতল কাঠ এচটাৰ দৰে হৈ পৰা গাৰুটো থবলৈ ভাল ঠাই এটুকুৰা বিচাৰি তেওঁ খেপিয়াবলৈ ধৰিলে। "এই গাৰুটো নতুনতেই শকত নাছিল। তাতে মই ইমান বছৰ শোওঁতে শোওঁতে এইটো একেবাৰে চেপেটা হৈ গৈছে।"

"ছেঃ, মই ফ্ৰাঙ্কফুৰ্টত থাকোঁতে ক্লাৰাক কৈ মোৰ বিছনাখন যদি ঘৰলৈ আনিলোঁহেঁতেন!" হাইডিয়ে খেদ কৰি কলে। "সেইখনত তিনিটা ডাঙৰ আৰু ডাঠ গাৰু এটাৰ ওপৰত এটাকৈ থোৱা আছিল। সেইকেইটা ওখ কাৰণে মোৰ মূৰটো সদায় বিছনাত বাগৰি পৰিছিল। কিন্তু গাৰু নোলোৱাকৈ শোৱা উচিত নহয় কাৰণে মই মূৰটো আকৌ গাৰুত তুলি লৈছিলোঁ। তেনেকৈ থাকোঁতে মোৰ টোপনি নাহিছিলেই। তুমি তেনে গাৰুত শুব পাৰিলাহেঁতেন নে আইতা?"

"নিশ্চয়কৈ পাৰিলোঁহেঁতেন। তেনে গাৰু পালে মোৰ গাটো গৰম হ'লহেঁতেন আৰু উশাহ লবলৈও উজু হ'লহেঁতেন।" এইবুলি কৈ আইতাকে সাৱধানে মূৰটো ওপৰলৈ তুলিলে, যেন মূৰ থবলৈ ওখ ঠাই এটুকুৰাহে তেওঁ বিচাৰিছে। "পিছে আমি এইবোৰ কথা আৰু নাপাতোঁ দেই। মই দিনৌ খোৱা সুন্দৰ ৰোলবোৰ, এই চিকুণ গৰম শ্বালখন, তুমি আহি আছা, —আন ৰুগীয়া বুঢ়া-বুঢ়ীৰ নথকা এই বস্তুবোৰৰ বাবে মই ভগৱানৰ ওচৰত কৃতজ্ঞ। হাইডি, আজি কিবা পঢ়ি শুনাবানে?"

হাইডিয়ে দৌৰি গৈ স্তুতিগীতৰ পুৰণা পুথিখন লৈ আহিল। তাই সেইখনৰ মনোমোহা গীতবোৰ এটা এটাকৈ পঢ়িবলৈ ধৰিলে। সেইবোৰ এতিয়া তাই বুজি পোৱাই নহয়, তাই সেইবোৰ পঢ়িও ভাল পাইছিল। তাতে ইমান ভালপোৱা স্তুতিবোৰ তাই নিজেও কেইবাদিনো শুনা নাছিল।

ইপিনে আইতাকে হাতযোৰকৈ শুনোঁতে শুনোঁতে তেওঁৰ অলপ আগৰ দুশ্চিন্তাগ্ৰস্ত মুখখনত সুখৰ মিচিকনি বিৰিঙিল, যেন তেওঁৰ কপালহে ফুলিল।

হঠাতে হাইডি ৰ'ল। "আইতা, তুমি ইতিমধ্যে ভাল পালাইনে?"

"এৰা আইজনী, বহুত ভাল পাইছোঁ। তুমি পঢ়াই মোৰ বৰ উপকাৰ হ'ল। শেষলৈকে পঢ়িবানে সোণজনী।"

হাইডিয়ে স্তুতিবোৰ পঢ়ি পঢ়ি শেহৰ এইখিনি পালে :

"আয়ুকাল অন্তহলে মৰতৰ মোহ এৰি
প্ৰভুৰ আশ্ৰয় লাভ কৰিম যেতিয়া;
তেখেতৰ কৰুণাত বিগলিত আতমাই
প্ৰকৃত সুখৰ মৰ্ম বুজিব তেতিয়া;
সেই মহা আনন্দৰ দিনটোৰ বাবে
পৰম শান্তিৰে ৰৈ আছোঁ যে এতিয়া।"

আইতাই শেহৰ এই কথাখিনি বাৰে বাৰে আওৰাবলৈ ধৰিলে আৰু তেওঁৰ মুখত ঈশ্বৰৰ প্ৰতি আনন্দ-উজ্জ্বল আত্মাৰ ভাব প্ৰকাশিত হ'ল। সেইয়া দেখি হাইডি অতি সন্তুষ্ট হ'ল। ফ্ৰাঙ্কফুৰ্টৰ পৰা তাই উভতি অহা আনন্দৰ ৰৌদ্ৰোজ্জ্বল দিনটোৰ কথা তাইৰ চকুৰ আগত ভাহি উঠিল। তাই ফুৰ্ত্তিৰে কলে, "ঘৰলৈ আহিলে কেনে লাগে মই জানোঁ আইতা।"

আইতাকে কথাষাৰ ঠিকেই শুনিলে কিন্তু উত্তৰ একো নিদিলে। তেওঁৰ মুখৰ যিটো ভাব দেখি হাইডি উৎফুল্ল হৈছিল সেইটো তেওঁৰ মুখত থাকিলেই।

অলপ পাছতে হাইডিয়ে কলে, "আইতা, আন্ধাৰ নামি আহিছে। মই উভতিবৰ হ'ল। তুমি আকৌ সুখী হোৱা দেখি মোৰ বৰ ভাল লাগিছে।"

আইতাকে তাইৰ হাতখন কিছুপৰ ধৰি থাকিল। তাৰ পিছত তেওঁ কলে, "অঁ, মই আকৌ সুখী হৈছোঁ। মই ইয়াত পৰি থাকিব লাগিলেও এতিয়া কোনো খেদ নাই। দিনৰ পিছত দিন অকলশৰে পৰি থকাৰ, আন কোনো মানুহৰ মাত এষাৰো নুশুনাৰ আৰু একোকে দেখা নোপোৱাৰ, আনকি বেলিৰ এছেৰেঙা কিৰণো নেদেখাৰ বেদনা নিজে নুভুগিলে বুজিব নোৱাৰি সোণ। তেনে অৱস্থাত মানুহৰ মনত অতি নিৰানন্দ কথাবোৰহে খেলায়; আন্ধাৰ আৰু কেতিয়াও নপলাব যেন লাগে; এনে বেদনা আৰু এখন্তেকলৈ সহ্য কৰাও অসম্ভৱ হৈ পৰা যেন হয়। কিন্তু তুমি পঢ়ি শুনোৱা কথাবোৰ শুনিলে মোৰ অন্তৰখন পোহৰ হৈ পৰা যেন লাগে; মই আকৌ সুখী হওঁ।"

এইবুলি কৈ আইতাকে হাইডিৰ হাতখন এৰি দিলে। হাইডিয়ে তেতিয়া আইতাকৰ পৰা বিদায় লৈ আনটো কোঠালৈ দৌৰি গৈ পিটাৰক উলিয়াই আনিলে। ইতিমধ্যে পলম হলেই আৰু আকাশত জোন ওলাল। কিন্তু বগা বৰফত জোনাক পৰি জিলমিলাই দিনৰ পোহৰ হোৱাদি হ'ল। পিটাৰে তাৰ শ্লেজখন ঠিক কৰি ললে। সি আগৰ পিনে আৰু হাইডি তাৰ পাছফালে বহিল। শ্লেজখন ইমান বেগাই আল্পৰ পৰা নামিবলৈ ধৰিলে যে সিহঁত দুটা আকাশেৰে উৰি যোৱা চৰাই এহালৰ দৰে হ'ল।

সেইৰাতি ডাঠকৈ খেৰজপা তাইৰ সুন্দৰ বিছনাখনত শুই শুই তাই আইতাকৰ কথা ভাবিবলৈ ধৰিলে। কি কষ্টৰে যে তেওঁৰ মূৰটো বিছনাত পৰি থাকে! আইতাকৰ গোটেইবোৰ কথা আৰু স্তুতিবোৰে তেওঁৰ হিয়া পোহৰায় বুলি তেওঁ কোৱা তাইৰ মনত পৰিল। স্তুতিবোৰ দিনৌ শুনিলে আইতাক সকলো সময়তে সুখী হৈ থাকিব বুলি তাইৰ মনত খেলাল। কিন্তু আজিকালি সপ্তাহত এবাৰকৈ নালাগে পষেকত এবাৰকৈও তাইৰ তালৈ যোৱা হৈ নুঠিবও পাৰে। তাইৰ বেজাৰ লাগিল। আইতাকে স্তুতিবোৰ দিনৌ শুনাৰ কিবা বুধি উলিয়াব পাৰি নেকি তাই চিন্তিবলৈ ধৰিলে। হঠাতে উপায় এটা পাই তাইৰ ইমান ভাল লাগিল যে সেইটো মতে কাম কৰিবলৈ তাই উচপিচাই উঠিল; তাইৰ ৰাতিটো নুপুৱায় নুপুৱায় যেন লাগিল। এনেতে তাই বিছনাত পোন হৈ বহিল। আইতাকৰ চিন্তাত বিভোৰ হৈ থাকোঁতে তাই গধূলি প্ৰাৰ্থনা কৰিবলৈ পাহৰি গৈছিল। তাই আগলৈ এনে ভুল আৰু নকৰে বুলি শপত খালে।

তাৰ পাছত তাই অন্তৰ উজাৰি তাইৰ বাবে, ককাক আৰু আইতাকৰ বাবে প্ৰাৰ্থনা জনাই কোমল খেৰৰ বিছনাখনত বাগৰ দিলে। ৰাতি নুপুৱালৈকে তাই গাঢ় টোপনিত লালকাল হ'ল। ■

উনবিংশ অধ্যায়

জাৰকালিৰ শেহছোৱা

তাৰ পিছৰ পৰা পিটাৰ পঢ়াশালিলৈ ঠিক সময়ত অহা হ'ল। সি তাৰ মোনাত দুপৰীয়াৰ আহাৰ আনিছিল কাৰণ সেইটোৱেই নিয়ম আছিল। দুপৰীয়া ডৰ্ফলিৰ ল'ৰা-ছোৱালীবোৰ ঘৰলৈ গলে, দূৰৰ পৰা অহা ছাত্ৰ-ছাত্ৰীবোৰে দীঘল ডেস্কবোৰত বহি, বেঞ্চত দৃঢ়তাৰে ভৰি থৈ, ঘৰৰ পৰা অনা খোৱা-বস্তুখিনি কোলাত মেলি লৈছিল। এক বজাত পঢ়াশালি পুনৰ নবহালৈকে সিহঁতে খাই-বৈ মজা কৰিব পাৰিছিল। পিটাৰে দিনটো পঢ়াশালিত কটাই ছুটীৰ পিচত হাইডিক লগ পাবলৈ আল্মমামাৰ তালৈ গৈছিল।

পিটাৰে ডাঙৰ কোঠাটোত সোমাওঁতেই হাইডিয়ে তাক লগ পাবলৈ লৰি গ'ল। তালৈকে তাই বাট চাই আছিল। "পিটাৰ, মই কথা এটা জানোঁ," তাই কলে।

"ক," সি উত্তৰ দিলে।

"তই পঢ়িবলৈ শিকিবই লাগিব," তাই বতৰাটো দিলে।

"বৃথা চেষ্টা," উত্তৰটো আহিল।

"পিটাৰ, তোৰ কথা মই মানি নলওঁ," হাইডিয়ে আগ্ৰহেৰে কলে। "মোৰ মতে অলপ সময়তে তই পৰা হবি।"

"নোৱাৰোঁ," পিটাৰে মন্তব্য দিলে।

"এনে কথা কোনোৱে বিশ্বাস নকৰে; ময়ো নকৰোঁ,"তাই দৃঢ়তাৰে কলে। "ফ্ৰাঙ্কফুৰ্টৰ আইতাই এইষাৰ অসত্য বুলি জানিছিল আৰু এনে কথাত পতিয়ন যোৱা অনুচিত বুলি মোক কৈছিল।"

এইটো খবৰ পাই পিটাৰ চকিত হ'ল।

"তোক ময়েই শিকাম; কেনেকৈ শিকাব লাগে মই ভালকৈয়ে জানোঁ। তই এইবাৰ এবাৰতে শিকিবই লাগিব। তাৰ পিছত তই দিনৌ এটা বা দুটাকৈ আইতাৰক স্তুতি-গীত পঢ়ি শুনাব লাগিব।"

"পঢ়ি নুশুনাওঁ," পিটাৰে আপত্তিত ভোৰভোৰালে।

হাইডিৰ নিজৰ মন খোৱা এই শুদ্ধ আৰু ভাল কামটো কৰিবলৈ আপত্তি কৰা পিটাৰৰ আঁকোৰ-গোজালি দেখি হাইডিৰ খং উঠিল। তাই তাৰ সন্মুখত থিয় হৈ চকু পকাই ভাবুকি দি কলে, "তই কেতিয়াও পঢ়িবলৈ নিশিকিলে তোৰ কি হব শুন। তোৰ মাৰে তই অলপ জনা-বুজা হবলৈ তোক

ফ্ৰাঙ্কফুৰ্টলৈ পঠোৱাৰ কথা ইতিমধ্যে দুবাৰ কৈছেই। তাৰ ল'ৰাবোৰৰ পঢ়াশালিটো মই দেখিছোঁ। ক্লাৰাৰ লগত বাগীৰে যাওঁতে তাই সেই প্ৰকাণ্ড, ভয়ঙ্কৰ ঘৰটো মোক দেখুৱাই দিছিল। অকল ল'ৰাইহে যে তাত পঢ়ে এনে নহয়; ডাঙৰ, মদ্‌গজবোৰেও তাত পঢ়ে। এইটো মই নিজ চকুৰে দেখিছোঁ। আমাৰ ইয়াৰ দৰে মাত্ৰ এজন মৰমিয়াল শিক্ষকে তাত পঢ়ায় বুলি নাভাবিবি। শিক্ষকবোৰ দলে দলে তালৈ যায়। তেওঁলোক সকলোৱে গিৰ্জালৈ যোৱাৰ দৰে একে ক'লা সাজ পিন্ধে আৰু মূৰত লয় ইমান ওখ ক'লা টুপী।" এইখিনিতে টুপীবোৰ মজিয়াৰ পৰা কিমান ওখ হব তাই হাতেৰে দেখুৱালে।

পিটাৰ ভয়ত পেপুৱা লাগিল।

"তই তাত সকলো মাষ্টৰৰ লগত পঢ়িব লাগিব," হাইডিয়ে আগ্ৰহেৰে কৈ গ'ল। "তোৰ পঢ়াৰ পাল আহিলে তই একেবাৰেই পঢ়িব নোৱাৰিলে বা আখৰবোৰেই ভুল কৰিলে মাষ্টৰবোৰে তোক কেনেকৈ পেংলাই কৰে চাবি। সেইয়া টিনেটেতকৈও জঘন্য। টিনেটেই পেংলাই কৰা মানে কি তই জানিব লাগিছিল।"

"মই শিকিম তেন্তে," আধা দুখত আধা উৎকণ্ঠাত সি কলে।

লগেলগে হাইডি শান্ত হ'ল। "ঠিক কৈছ। আমি আৰম্ভ কৰোঁ," তাই ফূৰ্ত্তিত কৈ উঠিল। নিয়াৰিকৈ কাম কৰাত অভ্যস্ত হাইডিয়ে তাক টেবুললৈ নিলে আৰু পঢ়াত দৰকাৰী যতনখিনি যুগুতাই ললে।

ক্লাৰাই পঠোৱা বস্তুবোৰৰ লগত হাইডিৰ ভাল লগা এখন সৰু কিতাপ আছিল। পিটাৰক পঢ়াবলৈ সেইখন ভাল হব বুলি আগ ৰাতি তাই ভাবি থৈছিল। এইখন পদ্যত লিখা বৰ্ণ-মালাৰ কিতাপ আছিল।

দুয়ো টেবুলত বহিল আৰু দুয়োৰো মূৰ কিতাপখনৰ ওপৰত হালি পৰিল। পাঠ আৰম্ভ হ'ল।

কিতাপখনৰ প্ৰথম বাক্যটো শুদ্ধকৈ আৰু খোকোজা নলগাকৈ পঢ়িব পৰা হব লাগিব বুলি হাইডিয়ে জোৰ দিলে। সেয়ে পিটাৰে বাক্যটো জোটাই জোটাই বাৰে বাৰে পঢ়িবলগীয়া হ'ল।

শেহত তাই কলে, "তই এতিয়াও ভালকৈ পঢ়িব পৰা হোৱা নাই। মই এতিয়া বাৰে বাৰে পঢ়ি দিম। কথাটো বুজি পালে তই ভালকৈ পঢ়িব পৰা হবি।" এইবুলি হাইডিয়ে পঢ়িবলৈ আৰম্ভ কৰিলে;

"এ, বি, চি শিকা নকৰি আপত্তি,
নহলে হেড্‌মাষ্টৰে পঠিয়াব মাতি।"

"কোনোপধ্যে নাযাওঁ, "পিটাৰে খঙেৰে কলে।

"কলৈ?" হাইডিয়ে সুধিলে।

"হেডমাষ্টৰৰ তালৈ," উত্তৰ আহিল।

"তেন্তে আখৰ তিনিটা শিকি ল, শিকিলে যাব নালাগে," হাইডিয়ে ব্যাখ্যা কৰিলে।

এইবাৰ পিটাৰে আকৌ আৰম্ভ কৰি আখৰ তিনিটা উৰাই-ঘূৰাই পঢ়িবলৈ ধৰিলে। অৱশেষত হাইডিয়ে কলে, "বেচ্ এই তিনিটা পঢ়িব পৰা হলি।"

পদ্যটোৰ কথাখিনিৰ তেনে পৰিণাম দেখি বাকীবোৰ পাঠৰ বাবে পিটাৰক প্ৰস্তুত কৰি লোৱা ভাল হব বুলি হাইডিয়ে ভাবিলে। "ৰবি, বাকীখিনিও মই পঢ়ি শুনাওঁ," তাই কলে। "তেতিয়া পিছৰ কথাবোৰৰ আওভাও পাবি।" এইবুলি তাই স্পষ্টকৈ আৰু গোট গোটকৈ পঢ়িবলৈ আৰম্ভ কৰিলে :

"ডি, ই, এফ্, জি ভালকৈ শিকিব লাগিব,
নতুবা প্ৰচণ্ড কোব পিঠিত পৰিব।
এইচ, আই, জে, কে যদি মনত নাৰাখা,
সেইকোব তুমি বোপা আজিয়েই পাবা।
এল, এম্ শিকি লোৱা নাই বৰ লেঠা,
এতিয়াই শিকি ললে নাপাবা যে ব্যথা।
এন্, ও, পি, কিউ মনত নাৰাখিলে,
বিধিৰ লিখন কেৱে খণ্ডাব নোৱাৰে।
আৰ, এচ, টিৰে যুঁজি জয়লাভ কৰি,
চৰ, ভুকু নোখোৱাকৈ যাব পাৰা সাৰি।"

পিটাৰৰ সাৰ-সুৰ নাপাই হাইডি ৰ'ল আৰু সিনো কি কৰি আছে বুজ লবলৈ তালৈ চালে।

তাই দেখিলে যে এই ভাবুকি আৰু ৰহস্যময় বিভীষিকাবোৰে তাক ইমান অভিভূত কৰিছে যে আতংকত একেবাৰে নিথৰ হৈ সি তাইলৈ চাই আছে।

এইটো দৃশ্যাই হাইডিৰ কোমল অন্তৰ স্পৰ্শ কৰিলে। তাক সান্ত্বনা দিবলৈ তাই কলে, "পিটাৰ, তই ভয় খাব নালাগে। তই সদায় আবেলি আহিবি মাত্ৰ। তই আজি শিকাৰ দৰে যদি শিক, সোনকালেই গোটেইবোৰ আখৰ চিনি পোৱা হবি। তেতিয়া কোনো বিপদতো নপৰ। কিন্তু তই সদায় আহিব লাগিব; পঢ়াশালিলৈ মাজে সময়ে অহাৰ দৰে আহিলে নহব; বৰফ পৰিলেও তোৰ একো অনিষ্ট নহয়।"

ভয়ত শান্ত-শিষ্ট আৰু বাধ্য হৈ পৰা পিটাৰে তাকে কৰিব বুলি কথা দিলে। তাৰ পিছত সি ঘৰমুৱা হ'ল।

হাইডিৰ হুকুম নেপেলাই পিটাৰে সদায় আবেলি তাইৰ লগত বাকীবোৰ আখৰো আগ্ৰহেৰে শিকিবলৈ ললে। পদ্যটোও সি ভালকৈ বুজি পোৱা হ'ল।

পিটাৰে পঢ়া সময়ত পাইপ হুপি হুপি ককাই প্ৰায়েই কোঠাটোত বহি আছিল। তেওঁ সন্তুষ্টিৰে সিহঁতৰ এই অনুশীলন মন কৰিছিল। প্ৰায়েই তেওঁৰ ওঁঠৰ কোণ দুটাত এনেকৈ ভাঁজ লাগিছিল যেন তেওঁ কোনোমতেহে হাঁহি চম্ভালিব পাৰিছে।

এনেখন মহাযুদ্ধৰ পাছত পিটাৰক বৈ তাতে ৰাতিৰ সাঁজ খাই যাবলৈ আন্মমামাই কৈছিল। সেইদিনাৰ পদ্যবোৰে তাক দিয়া যন্ত্ৰণা সহাৰ এইয়া ৰসাল পুৰস্কাৰ আছিল।

এনেকৈয়ে জাৰকালিৰ দিনবোৰ যাবলৈ ধৰিলে। পিটাৰ নিয়মমতে আহিছিল আৰু আখৰবোৰো চিনি পোৱা হৈছিল। সি পিছে সদায় পদবোৰৰ লগত যুঁজিবলগীয়া হৈছিল। সিহঁতে 'ইউ' আখৰটো পাওঁতে হাইডিয়ে পদটো পঢ়িলেঃ

"ইউ আৰু ভিৰ চিন যিটোৱে পাহৰে,
জয়াল ঠাইলৈ সি যাবলগীয়াত পৰে।"

পিটাৰে গৰগৰালে, "বাৰু। মই যাব লাগেনে চা।"

সি আখৰ দুটা ভালকৈ জনা হ'ল। কিন্তু সি পঢ়ি থাকোঁতে তাক দেখি এনে লাগিছিল যেন কোনোবাই মনে মনে আহি তাক ডিঙিত ধৰি সি যাবলৈ নোখোজা ঠাইলৈ টানি নিব বুলি সি আশংকা কৰিছিল।

পিছদিনা গধূলি হাইডিয়ে পঢ়া পদটো এনে আছিল :

"ডবলিউৰ পাকবোৰ মনত নৰলে,
তোমাৰ পিঠিত লাঠি ব্যস্ত হব হলে।"

সেইয়া শুনি পিটাৰে চাৰিওপিনে চাই অৱজ্ঞাৰে কলে, "এডালো নাই।"

"আছে; ককাৰ পেৰাটোত কি আছে জাননে?" হাইডিয়ে সুধিলে। "তোৰ হাতখনৰ সমান শকত, ঘূৰণীয়া লাঠি এডাল। সেইডাল উলিয়াই লৈ ককাই কব, 'লাঠিডাল দেখিছনে? এইডালে তোক আমনি দিব।'"

পিটাৰে আন্মমামাৰ হেজেল গছৰ ঠানিৰ লাঠিডালৰ কথা জানিছিল। সি লৰালৰিকৈ 'ডবলিউ' আখৰটোৰ ওপৰত হালি শিকাত লাগিল। পিছদিনাৰ পদ্যাংশটো এনে আছিল :

'এক্স আখৰটো পাহৰিবি,
ৰাতিৰ সাঁজ খাবলৈ নাপাবি।'

পিটাৰে আলমাৰিটোৰ ৰুটি আৰু পনীৰ থকা অংশটোলৈ তদন্ত কৰাদি চাই খেংখেঙাই কলে, "এক্স আখৰটো পাহৰিম বুলি তোক কোনে কলে?"

"এইটো নাপাহৰ যদি আজি আৰু এটা আখৰ শিকিব পাৰো," হাইডিয়ে পৰামৰ্শ দিলে। "তেতিয়া কাইলৈ শিকিবলৈ মাত্ৰ এটা আখৰ বাকী ৰব।"

পিটাৰ মান্তি নহ'ল কিন্তু হাইডিয়ে পঢ়িলেই :

" 'ৱাই' আখৰটো তুমি আজি নপঢ়িলে,

কি কৰিবা বাপু সংসাৰে জোকালে?"

এইষাৰ শুনি মূৰত ওখ ক'লা টুপী পিন্ধা আৰু মুখত ঠাট্টা-মস্কৰাৰ হাঁহি লাগি থকা ফ্ৰাঙ্কফুৰ্টৰ শিক্ষকবোৰৰ ছবিখন তাৰ চকুৰ আগত ভাহি উঠিল। সি 'ৱাই' আখৰটো শিকিবলৈ তৎক্ষণাত লাগি গ'ল। সি চকু মুদিও আখৰটোৰ আকাৰ মনত পেলাব পৰা নোহোৱালৈকে মনপুতি শিকাত লাগি থাকিল।

শিকিবলৈ মাত্ৰ এটা আখৰহে বাকী থকাই পিছদিনা গৰ্বৰ ভাব লৈ পিটাৰ আহি ওলাল। যেতিয়া হাইডিয়ে পদ্যাংশটো পঢ়িলে,

" 'জেড'টো শিকিবলৈ কৰা লৰালৰি,

নহলে হটেনটটৰ দেশলৈ নিব ধৰি।"

সেইয়া শুনি পিটাৰে পেংলাই কৰি কলে, "সিহঁত ক'ত থাকে কোনে জানে?"

"ককাই জানে," হাইডিয়ে জোৰ দি কলে। "ৰ, সিহঁত ক'ত থাকে মই এতিয়াই সুধি আহোঁ। ককা পেষ্টৰৰ তাত আছে।" এইবুলি জাঁপ মাৰি উঠি হাইডি গৈ দুৱাৰৰ বাজ ওলাওঁতেই পিটাৰে আশংকাত চিঞৰি কলে, "ৰ, ৰ।" কাৰণ সি কল্পনাত দেখিলে যে 'জেড' আখৰটো সি আচলতে এতিয়াও নজনা কাৰণে পেষ্টৰ আৰু ককাই তাক ধৰি নি হটেনটটৰ দেশলৈ চালান দিছে। তাৰ বিপদাকুল আৰ্তস্বৰ শুনি হাইডি থিতাতে ৰ'ল।

"তোৰ কি হৈছে?" আচৰিত হৈ তাই সুধিলে।

"একো হোৱা নাই। তই ঘূৰি আহ। মই আখৰটো শিকিমেই।" পিটাৰে বকৰাৰ দৰে কলে।

হটেনটটহঁত কত থাকে হাইডিয়ে নিজেই নাজানিছিল। সেইকাৰণে ককাকক সুধি আহিবলৈ বুলি তাই ঘূৰিল। কিন্তু পিটাৰে ইমান উৎকণ্ঠ হৈ তাইক মাতিলে যে তাই সেই ইচ্ছাটো বাদ দি উভতি আহিল। তাইক যাবলৈ নিদিয়াৰ শাস্তি সি খাবলগীয়া হ'ল। জেড্ আখৰটো তাৰ চিৰকাললৈ মনত থকা নোহোৱালৈকে সি বাৰে বাৰে পঢ়িবলগীয়া হ'ল। তাৰ পিছত হাইডিয়ে তাক শব্দাংশ শিকাবলৈও ললে। ফলত সেইদিনা আবেলি সি ইমান শিকিলে যে তাৰ পঢ়া বহুত আগবাঢ়িল।

এনেকৈয়ে দিনৰ পাছত দিন যাবলৈ ধৰিলে।

ইতিমধ্যে বৰফৰ শিল যেন খোলাবোৰ ঢিলা হবলৈ ধৰিলে আৰু নতুন বৰফো সদায় পৰি থকা হ'ল। ফলত একে-লেঠাৰিয়ে দীঘল তিনি সপ্তাহ হাইডি আইতাকৰ তালৈ যাবলৈ নোৱাৰিলে। সেয়ে পিটাৰক স্তুতিবোৰ পঢ়িবলৈ

পৰা কৰি তুলিবলৈ তাই বেছি আগ্ৰহান্বিত হ'ল। এদিন গধূলি হাইডিহঁতৰ তাৰ পৰা উভতি সি দৌৰি গৈ কোঠাটোত সোমায়ে কলে, "মই পাৰোঁ।"

"কি পাৰনো পিটাৰলি?" অতি আশাৰে মাকে সুধিলে।

"পঢ়িবলৈ," সি উত্তৰ দিলে।

"এইটো সম্ভৱনে? আই, শুনিছেনে?" মাক বৃগিটেই কলে।

আইতাকে শুনিছিল আৰু কাণ্ডটো কেনেকৈ ঘটিল তেওঁ অনুমান কৰিবলৈ চেষ্টা কৰিলে।

"মই এতিয়া আইতাক স্তুতিগীত এটা পঢ়ি শুনাবই লাগিব। হাইডিয়ে কৈছে," পিটাৰে কলে।

বৃগিটেই লৰালৰিকৈ পুথিখন আনি দিলে। কেইবাদিনো স্তুতিগীত নুশুনা আইতাকো আনন্দিত হ'ল। পিটাৰে টেবুলত বহি পঢ়িবলৈ আৰম্ভ কৰিলে। মাকে তাৰ কাষত বহি শুনিবলৈ ধৰিলে আৰু প্ৰতিটো পদ শেষ হোৱাৰ পিছত মন্তব্য দিবলৈ ধৰিলে, "এনে হ'ব বুলি কোনেনো ভাবিছিল!"

আইতাকেও মন দি শুনিছিল কিন্তু মতামত একো দিয়া নাছিল।

এই ঘটনাটোৰ পাছদিনা পঢ়াশালিত পাঠ পঢ়াৰ ঘন্টা আছিল। পিটাৰৰ পাল আহিলত শিক্ষকজনে কলে, "আন দিনাৰ দৰে তোমাক আজিও বাদ দি যাম নে আকৌ এবাৰ পঢ়িবলৈ, নহয়, তোমাক পাঠ পঢ়িবলৈ নকওঁ, আকৌ এবাৰ পাঠটোৰ শাৰী এটা ঘেঁহাবলৈ চেষ্টা কৰি চাবা?"

পিটাৰে আৰম্ভ কৰিলে আৰু অকণো নোৰোৱাকৈ এশাৰী এশাৰীকৈ তিনিশাৰী পঢ়িলে।

শিক্ষকজনে নিজৰ কিতাপখন একাষৰীয়াকৈ থৈ বিস্ময়ত হতবাক হৈ পিটাৰলৈ এনেকৈ চালে যেন এনে কাণ্ড তেওঁ জীৱনত দেখা নাই। অৱশেষত তেওঁ কলে, "পিটাৰ, তোমাৰ অলৌকিক পৰিৱৰ্ত্তন হৈছে। মই ইমানকাল অতি ধৈৰ্য্যৰে তোমাক পঢ়োৱা স্বত্বেও তুমি বৰ্ণমালাখনো শিকা নাছিলা। এতিয়া মই অনিচ্ছা হলেও তোমাক শিকাবলৈ চেষ্টা কৰা পণ্ডশ্ৰম বুলি ভাবোঁতে তুমি আখৰবোৰ মাত্ৰ নহয়, পাঠবোৰো শুদ্ধকৈ আৰু স্পষ্টকৈ পঢ়িব পৰা হ'লা। পিটাৰ, আজিৰ যুগত এনে অলৌকিক কাণ্ড কোনে ঘটাবলৈ সমৰ্থ হ'ল?"

"হাইডিয়ে," পিটাৰে উত্তৰ দিলে।

অত্যন্ত আচৰিত হৈ শিক্ষকজনে হাইডিলৈ চাই দেখিলে, তাই নিজৰ ঠাইত স্বাভাৱিক সৰলতাৰে বহি আছে আৰু দেখাত তাইৰ চেহেৰাত বিস্ময়কৰ একো নাই। শিক্ষকজনে কবলৈ ধৰিলে, "পিটাৰ, তোমাৰ ইটো-সিটো পৰিৱৰ্ত্তন মোৰ চকুত নপৰা নহয় অৱশ্যে। আগতে তুমি প্ৰায়ে গোটেই সপ্তাহটো,

কেতিয়াবা একেবাহে কেইবাসপ্তাহো পঢ়াশালিলৈ নাহিছিলা। সম্প্ৰতি এদিনো খতি নকৰা হৈছা। তোমাৰ এনে সুপৰিবৰ্ত্তন কেনে সম্ভৱ কৰিলে?"

"আল্মমামাই," উত্তৰ আহিল।

ক্ৰমবৰ্দ্ধমান বিস্ময়ত শিক্ষকজনে পিটাৰৰ পৰা হাইডিলৈ আৰু হাইডিৰ পৰা পুনৰ পিটাৰলৈ চালে। "আমি আকৌ এবাৰ চেষ্টা কৰিমনে পিটাৰ?" শিক্ষকজনে সাৱধানে সুধিলে। পিটাৰে আকৌ তিনিশাৰী পঢ়ি তাৰ জ্ঞানৰ প্ৰমাণ দিবলগীয়া হ'ল। সি পঢ়িব পৰা হোৱাটো সত্য ঘটনা।

পঢ়াশালি ছুটী হ'লতেই এই আচৰিত কাণ্ডটোৰ বিষয়ে আৰু গাওঁখনত আল্মমামা আৰু হাইডিৰ সুপ্ৰভাৱৰ কথা জনাবলৈ শিক্ষকজন লবালৰিকৈ পেষ্টৰৰ কাষলৈ গ'ল।

এতিয়া সদায় গধূলি পিটাৰে আইতাকক একোটাকৈ স্তুতিগীত পঢ়ি শুনাবলৈ ললে। ইয়ালৈকেহে মাত্ৰ সি হাইডিৰ কথা ৰাখিল। সি দ্বিতীয় এটা কেতিয়াও নপঢ়িছিল; আইতাকেও দ্বিতীয় এটা পঢ়িবলৈ তাক কেতিয়াও কোৱা নাছিল।

মাক বৃগিটেই পিটাৰ পঢ়িব পৰা হোৱাই এটা বিস্ময়কৰ কাণ্ড হোৱা যেন পাইছিল। বহুতো গধূলি পঢ়া শেষ কৰি সি বিছনাত বাগৰ দিওঁতে, তাই আইতাক কৈছিল যে পিটাৰলিয়ে ইমান সুন্দৰকৈ পঢ়িব পৰা হোৱাতেই আমি অঁতি-সন্তুষ্ট হৈ থাকিলে নচলিব। আগলৈ সি কিমান ডাঙৰ মানুহ হয় কোনে জানে?

উত্তৰত আইতাকে কৈছিল, "কিবা এবিধ শিকিব পৰাই তাৰ বাবে ভাল হৈছে। কিন্তু দয়ালু ঈশ্বৰে শৰৎকাল সোনকালে অনালেহে মই অতি সুখী হম। তেতিয়া হাইডি ইয়ালৈ আকৌ আহিবলৈ পৰা হব। তাই পঢ়িলে সম্পূৰ্ণ বেলেগ স্তুতি পঢ়া যেন লাগে। পিটাৰে পঢ়িলে স্তুতিবোৰৰ কিছুমান কথা প্ৰায়েই এৰি যায়। ফলত সেইবোৰ মনত পেলাবলৈ চেষ্টা কৰোঁতে চিন্তাৰ আঁতডাল হেৰাই যায়। ই পঢ়িলে হাইডিয়ে পঢ়াৰ নিচিনা কথাবোৰে মোৰ অন্তৰ চুই যাব নোৱাৰে।"

আচল কথাটো হ'ল, পঢ়া কামটো উজু কৰিবলৈ পিটাৰে পঢ়োঁতে নিজা ব্যৱস্থা কৰি লৈছিল। পঢ়ি যাওঁতে দীঘল বা টান শব্দ পালে সেইবোৰ নপঢ়ি সি এৰি গৈছিল। সি ভাবিছিল, 'শাৰীটোত শব্দ তিনিটাই থাকিল নে চাৰিটাই থাকিল তাতে আইতাৰ কি আহে যায়?'

এনে কায়দাৰ ফলত পিটাৰে পঢ়া স্তুতি-গীতবোৰত বিশেষ্য শব্দ প্ৰায় নোহোৱা হৈ পৰিছিল। ■

বিংশ অধ্যায়

দূৰণিৰ বন্ধুৰ খবৰ

মে' মাহ পালেহি। পৰ্বতৰ পৰা পানীবে ওপচি পৰা জুৰিবোৰ কোবেৰে তললৈ নামিবলৈ ধৰিলে; বেলিৰ উজ্জ্বল কিৰণ পৰ্বতবোৰত আকৌ পৰিবলৈ ধৰিলে; সেইবোৰ আকৌ সেউজীয়া হবলৈ ধৰিলে, শেহৰ বৰফখিনিও গলিল; বেলিৰ কিৰণৰ আহ্বানত আগতীয়া অকমানি ফুলবোৰে সাৰ পালে আৰু উজ্জ্বল চকুৰে নতুন ঘাঁহৰ মাজেৰে ভুমুকি মাৰিলে। বসন্তৰ ৰঙীয়াল বতাহে ফাৰগছৰ মাজেৰে বলি বুঢ়া, ক'লা গুটিবোৰ জোকাৰি সৰালে যাতে উজ্জ্বল, কোমল, সেউজীয়া নতুন গুটিবোৰে দেখা দি গছডাল নতুন ঐশ্বৰ্য্যৰে সজাব পাৰে। ওপৰত উকহটোৱে নীলা আকাশত তাৰ ডেউকা মেলিলে। আল্মৰ পঁজাটোৰ চাৰিওকাষৰ মাটিত বেলিৰ সোণালী ৰশ্মিয়ে উষ্ণতা আনি দিলে আৰু জেকা ঠাইবোৰো শুকুৱাই য'তে মন যায় ত'তে বহিব পৰা কৰি তুলিলে।

হাইডিহঁত আল্মলৈ উভতি আহিল। তাই ইফালে-সিফালে লৰি-ঢাপৰি ফুৰিবলৈ ধৰিলে আৰু কোন ডোখৰ ঠাইনো আটাইতকৈ মনোৰম তাই ধৰিব নোৱৰা হ'ল। এইয়া তাই পৰ্বতৰ ওখ শৃঙ্গবোৰৰ পৰা তললৈ বলি অহা গহীন, ৰহস্যভৰা বতাহৰ শব্দ শুনিলে; কাষলৈ আহি থাকোঁতে বতাহ আৰু বেছি কোবাল হবলৈ ধৰিলে; সেইখিনি পাই বতাহ যেন ফাৰডালত জঁপিয়াই উঠি সেইবোৰ হলালে আৰু জোকাৰি দিলে আৰু যেন আনন্দত কিৰিলিয়াই উঠিল। বতাহে তাইক পাতল পাতৰ দৰে ইফালে-সিফালে ঠেলি নিওঁতে নিওঁতে তায়ো আনন্দত নিকিৰিলিয়াই নোৱৰা হ'ল। তাৰ পাছত তাই পঁজাটোৰ সমুখৰ ৰ'দ পৰি থকা ঠাইডোখৰলৈ দৌৰি গৈ ঘাঁহত বহিল; আৰু তাই চুটি চুটি ঘাঁহৰ ফাঁকেৰে ইতিমধ্যে মেল খোৱা আৰু মেল খাওঁ খাওঁ হৈ থকা কণ্‌কণ ফুলৰ পিয়লাবোৰ গণিবলৈ ধৰিলে। ৰ'দত জঁপিয়াই, বগাই, নাচি ফুৰা বিধে বিধে পোক-পতঙ্গই জীৱন উপভোগ কৰা দেখি সিহঁতৰ সঙ্গত তাইৰো ৰং লাগিল। নতুনকৈ সাৰ পাই উঠা মাটিৰ বসন্তকলীয়া সুবাস লবলৈ তাই দীঘল দীঘলকৈ উশাহ ললে। পৰ্বতবোৰ যেন আগতকৈও বহুত ধুনীয়া হ'ল। এই হাজাৰ-বিজাৰ কণ্‌কণ কীট-পতঙ্গবোৰে যেন তাইৰ দৰেই উলাহৰ মাদলি হৈ পৰি বগুতে গুণগুণাই আৰু গীত গাই কৰলৈ ধৰিলে, "আল্মলৈ ব'লা, আল্মলৈ ব'লা।"

ককাই কাম কৰা চালিখনৰ পৰা বৈ বৈ কাঠ কটা আৰু হাতুৰি মৰাৰ শব্দ শুনা গ'ল। তাই আগ্ৰহত থাকিবলৈ অহাৰে পৰা শুনা এই পুৰণি, চিনাকি আৰু তাই ভালকৈ জনা শব্দবোৰ তাই কাণ পাতি শুনিলে। ককাকে কিনো কৰিছে চাবলৈ তাই তৎক্ষণাতে জাঁপ মাৰি উঠি চালিখনলৈ লৰ ধৰিলে। চালিখনৰ দুৱাৰৰ সমুখত ককাকে ইতিমধ্যে সাজি উলিওৱা সুন্দৰ নতুন টুল এখন থোৱা আছিল। ককাকে পকা হাতেৰে তেতিয়া দ্বিতীয় এখন কৰি আছিল। "অ', এইখন কিহৰ কাৰণে মই গম পাইছোঁ," হাইডিয়ে উৎফুল্ল হৈ কলে। "ফ্ৰাঙ্কফুৰ্টৰ পৰা তেওঁলোক আহিলে এইবোৰ লাগিব। এইখন আইতাৰ বাবে আৰু সাজি থকাখন ক্লাৰাৰ বাবে। আৰু,—আৰু এখন লাগিবচোন।" অলপ সঙ্কোচ কৰি তাই কলে। "তেওঁলোকৰ লগত কুমাৰী ৰোটেনমায়াৰ নাহে বুলি তুমি ভাবিছানে?"

"সেইটো এতিয়া কব নোৱাৰোঁ," ককাকে উত্তৰ দিলে। "কিন্তু তেওঁ আহিলে তেওঁক বহিবলৈ কব পৰাকৈ এখন সাজু কৰি থোৱা ভাল হব।"

হাইডিয়ে সন্দিগ্ধ হৈ কাঠৰ সৰু টুলখনলৈ চালে। সেইখনে কুমাৰী ৰোটেনমায়াৰক শুৱাবনে তাই মনে মনে ভাবিবলৈ ধৰিলে। অলপ পাছতে তাই সংশয়ত মূৰ জোকাৰি কলে, "ককা, তেওঁ এইখনত নবহিব যেন লাগে।"

ককাকে শান্ত মাতেৰে উত্তৰ দিলে, "তেন্তে সুন্দৰ, সেউজীয়া ঘাঁহৰ আৱৰণেৰে ঢাকি থোৱা চোফাখনত বহিবলৈ আমি তেওঁক অনুৰোধ কৰিম।"

সেউজীয়া ঘাঁহৰ আৱৰণ থকা চোফাখননো ক'ত আছে তাই ভাবি থাকোঁতে ওপৰৰ পৰা সুহুৰিৰ, হুকুম দিয়াৰ আৰু টাঙোন ঘূৰোৱাৰ শব্দ শুনা গ'ল। সেইয়া কি তাই মুহূৰ্ত্ততে গম পালে। তাই লৰি গ'ল আৰু চকুৰ পচাৰতে ডেও দি অহা ছাগলীবোৰে তাইক ঘেৰি ধৰিলে। সিহঁতেও নিশ্চয় আনন্দৈ আহিবলৈ পাই তাইৰ দৰেই উৎফুল্ল হৈছিল কাৰণ সিহঁত আগতকৈ ওখকৈ জঁপিয়াবলৈ আৰু আগতকৈ বেছি ফুৰ্ত্তিত বেবাবলৈ ধৰিছিল। হাইডিৰ কাষলৈ আহি সিহঁতৰ প্ৰত্যেকেই আনন্দৰ জান দিবলৈ খোজা কাৰণে সিহঁতে হাইডিক ইফালে-সিফালে হেঁচি-ঠেলি নিবলৈ ধৰিলে। পিটাৰে কিন্তু সিহঁতৰ কিছুমানক সোঁহাতে ঠেলি আৰু আন কিছুমানক বাওঁহাতে ঠেলি খবৰ এটা দিবলৈ বুলি হাইডিৰ কাষলৈ আহিল। তাইৰ কাষ পাই সি তাইক চিঠি এখন দিলে।

"হোঁ," সি কলে আৰু বাকী খবৰ হাইডিক নিজেই উলিয়াই লবলৈ এৰিলে। তাই বিচুৰ্ত্তি হ'ল।

"চিঠিখন তই ওপৰৰ ঘাঁহনিত পালি নেকি?" অতি বিস্মিত হৈ তাই সুধিলে।

"নহয়," সি উত্তৰ দিলে।

"তেন্তে ক'ত পালি পিটাৰ?"

"খোৱা-বস্তুৰ মোনাটোত," সি উত্তৰ দিলে।

কথাটো সেইয়াই। আগদিনা গধূলি ডৰ্ফলিৰ পোষ্টমাষ্টৰে তাক হাইডিৰ চিঠিখন দিছিল। পিটাৰে সেইখন তাৰ উদং মোনাটোত ভৰাইছিল। পুৱা সেইখনৰ ওপৰতে সি ৰুটি আৰু পনীৰ ভৰাই লৈ আহিছিল। হাইডিহঁতৰ ছাগলী দুজনী নিবলৈ আহোঁতে সি তাইক আৰু ককাকক দেখিলেও চিঠিখনৰ কথা তাৰ মনত পৰা নাছিল। দুপৰীয়া খাই উঠি মোনাটোৰ পৰা ৰুটিৰ গুৰিবোৰ পেলাবলৈ সেইটো জোকাৰোঁতেই চিঠিখন তাৰ হাতত পৰিল।

হাইডিয়ে চিঠিৰ ঠিকনাটো সাৱধানে পঢ়ি চালিখনত কাম কৰি থকা ককাকৰ কাষলৈ দৌৰি গ'ল। তাই ৰঙতে ওপচি পৰি ককাকক চিঠিখন দেখুৱালে।

"ফ্ৰাঙ্কফুৰ্টৰ পৰা। ক্লাৰাৰপৰা। ককা, এতিয়াই শুনিবানে?" তেওঁ শুনিবলৈ সাজু। তাইৰ পিছে পিছে অহা পিটাৰেও শুনিবলৈ সাজু হ'ল। সি স্থিৰ আশ্ৰয় বিচাৰি দুৱাৰৰ খুটাটোতে আওজি থিয় হ'ল। তেনে কৰিলে হাইডিৰ কথা মন পুতি শুনিব পাৰিব বুলি সি ভাবিলে। হাইডিয়ে পঢ়িবলৈ আৰম্ভ কৰিলে ঃ

"মৰমৰ হাইডি,

সকলো বস্তু বান্ধি-কুন্ধি সাজু কৰা হৈছে। দেউতা সাজু হলেই আমি দুই-এদিনতে যাত্ৰা কৰিম। দেউতাই অৱশ্যে আমাৰ লগত তালৈ যাব নোৱাৰে; কাৰণ, তেখেত প্ৰথমতে পেৰিছলৈ যাব লাগিব। ডাক্তৰ সদায় আহে আৰু দুৱাৰৰ কাষৰ পৰাই কয়, 'যোৱা, যোৱা, পৰ্বতলৈ যোৱা।' আমাক পঠাবলৈ তেখেত অধৈৰ্য্য হৈ পৰিছে। আল্মখন তেখেতে নিজে কিমান ভাল পাইছিল তুমি জানিব লাগিছিল। গোটেই জাৰকালি তেখেত প্ৰায় নিতৌ আমাৰ ইয়ালৈ আহিছিল আৰু মোক দেখিলেই আল্মৰ কথাবোৰ মোক আকৌ এবাৰ কব বুলি কৈছিল। তাৰ পিছত তেখেতে মোৰ কাষত বহি তোমাৰ আৰু ককাৰ লগত আল্মত কটোৱা দিনবোৰৰ কথা, তাৰ পৰ্বত আৰু ফুলৰ কথা, গাওঁ আৰু বাট-ঘাটৰ পৰা আঁতৰৰ পৰ্বতৰ ওপৰৰ নিজান শান্তি আৰু নিৰ্মল বতাহৰ কথা কৈছিল। তেখেতে প্ৰায়েই আৰু কৈছিল, 'তাত সকলো নিৰোগী হৈ পৰা উচিত।' তেখেত নিজেই আগতকৈ বহুত বদলি গৈছে। তেখেত এতিয়া আকৌ ৰঙীয়াল ডেকা যেন হৈ পৰিছে। তাৰ সেই সকলোবোৰ দেখিলে, তোমালোকৰ লগত থাকিবলৈ পালে, পিটাৰ আৰু ছাগলীজাকৰ লগত চিনাকি হলে মোৰ কি যে ভাল লাগিব! অৱশ্যে মই ৰাগাৎচত্ত ছসপ্তাহ চিকিৎসাধীন হব লাগিব। এইয়া ডাক্তৰৰ হুকুম। তাৰ পিছত আমি ডৰ্ফলিত থাকিমগৈ।

ভাল বতৰৰ দিনবোৰত মোক তাৰ পৰা চকীখনত তুলি তোমালোকৰ তালৈ নিয়া হব।

"আইতাও যাব আৰু মোৰ লগত থাকিব। তেৰোঁ তোমালোকক লগ পাবলৈ তালৈ গৈ বৰ ভাল পাব। কিন্তু কাণ্ডটো চোৱাচোন। কুমাৰী ৰোটেন্মায়াৰ বোলে আমাৰ লগত নাযায়। আইতাই তেওঁক প্ৰায় সদায় কয়, 'ৰোটেন্মায়াৰ, চুইজাৰলেণ্ডলৈ যোৱাৰ কথা কি ভাবিছা? আমাৰ লগত যাবলৈ খুজিলে ওলাব পাৰা।'

"কিন্তু কুমাৰী ৰোটেন্মায়াৰে আইতাক সদায় ধন্যবাদ জনাই কয় যে তেওঁ আইতাৰ উদাৰতাৰ সুবিধা লব নোখোজে। কিন্তু তেওঁ আচলতে কি ভাবে মই জানোঁ। তোমাৰ লগত যোৱাৰ পিছত উভতি আহি চেবাষ্টিয়ানে পৰ্বতবোৰৰ ভয়াবহ বৰ্ণনা দিছিল : পৰ্বতবোৰ ওলমি থকা প্ৰকাণ্ড শিলাখণ্ডেৰে ভৰা; পৰ্বতৰ মাজৰ ফাঁক আৰু কুৰুংবোৰেৰে বোলে যি কোনো মানুহ মুহূৰ্ত্ততে বাগৰি পৰা সম্ভৱ; পৰ্বতৰ গৰাবোৰ বোলে ইমান খিয় যে উঠোঁতে প্ৰতি খোজতে উলটি পৰাৰ বিপদ ঘটা সম্পূৰ্ণ সম্ভৱ; ছাগলীবোৰ তাত উঠিব পাৰে কিন্তু প্ৰাণ হেৰুওৱাৰ ভয় নোহোৱাকৈ কোনো মানুহ বোলে তাত উঠিব নোৱাৰে। এইবোৰ শুনি কুমাৰী ৰোটেন্মায়াৰৰ পেটতে হাত-ভৰি লুকাইছিল। তেতিয়াৰে পৰা চুইজাৰলেণ্ডলৈ ভ্ৰমণত ওলোৱাত তেওঁৰ আগৰ দৰে উৎসাহ নোহোৱা হৈ পৰিছে। টিনেটেও ভালকৈ ভয় খোৱা কাৰণে তায়ো আমাৰ লগত নাযায়। গতিকে আইতা আৰু মই অকলে যাম। চেবাষ্টিয়ান আমাৰ লগত ৰাগাৎচলৈ যাব আৰু সি তাৰ পৰা উভতিব।

"তোমাৰ তালৈ যাবলৈ মই অধৈৰ্য্য হৈ পৰিছোঁ।

"বিদায় হাইডি। আইতাই তোমালোকলৈ হাজাৰটা সম্ভাষণ জনাইছে।"

ইতি,

তোমাৰ প্ৰিয় বান্ধৱী

ক্লাৰা।

এইখিনি শুনিয়েই পিটাৰে দুৱাৰৰ খুটাটোৰ পৰা দৌৰি ছাগলীবোৰৰ মাজলৈ গ'ল। সি তাৰ টোকোনডালেৰে সিহঁতক অধে-মধে সোঁৱে-বাঁৱে ইমান জোৰেৰে কোবাবলৈ ধৰিলে যে ছাগলীবোৰে অতিপাত আতংকত পৰ্বতৰ তললৈ দীঘল দীঘল ডেও দি কোবেৰে নামিবলৈ ধৰিলে। সিহঁতে ইমান দীঘল ডেও আগতে দি পোৱা নাছিল। পিটাৰে টোকোনডাল ঘূৰাই ঘূৰাই সিহঁতৰ পিনে এনেকৈ চোঁচা লৈছিল যেন সি কোনোবা অদৃশ্য শত্ৰুৰ প্ৰতিহে আক্ৰোশ প্ৰকাশ কৰিছে। ক্ৰাঙ্কফূৰ্টৰ আলহী অহাৰ সম্ভৱনাই হ'ল তাৰ এই শত্ৰু। এই কাৰণেই তাৰ খং উঠিছিল।

হাইডি কিন্তু সুখী আৰু আনন্দিত হ'ল। তাই পাছদিনাই আইতাকৰ তালৈ গৈ ফ্ৰাঙ্কফুৰ্টৰ পৰা কোন কোন আহিব, কোন কোন নাহে আদি কথাবোৰ আলচ কৰিবলৈ ঠিৰাং কৰিলে। এনেবোৰ খবৰ আইতাকৰ বাবেও অতি গুৰুত্বপূৰ্ণ আছিল। কাৰণ ফ্ৰাঙ্কফুৰ্টৰ মানুহখিনিৰ বিষয়ে সকলো কথা তেওঁ ভালকৈ জানিছিল। তদুপৰি, হাইডিৰ জীৱনৰ লগত সম্পৰ্ক থকা সকলো কথাতে তেওঁৰ গভীৰ আগ্ৰহ আছিল। সেয়ে পিছদিনা আবেলি সোনকালেই হাইডিয়ে যাত্ৰা আৰম্ভ কৰিলে। তেতিয়া বেলিয়ে উজ্জ্বল পোহৰ বিলাইছিল; দিনবোৰ দীঘল হৈছিল; পৰ্বতৰ লুংলুঙীয়া বাটবোৰ শুকান হৈ পৰিছিল। সেয়ে তাই আইতাকৰ তালৈ এতিয়া অকলে যাব পৰা হ'ল। যাওঁতে যাওঁতে মে' মাহৰ ৰঙীয়াল বতাহে তাইক পিছফালৰ পৰা ঠেলি তাইৰ খোজৰ বেগ বঢ়াই দিছিল।

আইতাক বিছনাত শুই থকা নাছিল। তেওঁ আকৌ চুকটোত বহি সূতা কাটি আছিল। কিন্তু তেওঁৰ মুখত প্ৰকাশ পোৱা ভাৱবোৰ দেখিলে তেওঁ কিবা আহুকলীয়া চিন্তাত পৰা যেন লাগিছিল। আগদিনা গধূলিৰ পৰা তেওঁ এনে চিন্তাত পৰিছিল। এইবোৰ চিন্তাত ৰাতি তেওঁৰ টোপনি অহা নাছিল। আগদিনা গধূলি ঘৰ পাওঁতে পিটাৰৰ খঙৰ ভমক কমা নাছিল। তাৰ ভঙা ভঙা কথাৰ পৰা তেওঁ গম পাইছিল যে ফ্ৰাঙ্কফুৰ্টৰ পৰা এজাক মানুহ আল্মৰ পঁজাটোলৈ আহিব। তাৰ পিছত কি হব সি নাজানিছিল। এইবোৰ কথা আইতাই নভবাকৈ থাকিব নোৱাৰিলে। এই চিন্তাবোৰেই তেওঁক আমনি দিবলৈ ধৰিলে আৰু ৰাতিও টোপনি অহাত ব্যাঘাত ঘটিল।

হাইডি দৌৰি গৈ ভিতৰ সোমাল আৰু পোনে পোনে আইতাকৰ কাষলৈ গ'ল। তাত সদায় থকা সৰু টুলখনত তাই বহিল। তাৰ পিছত তাই অনা গোটেইখিনি কথা ইমান আগ্ৰহেৰে কবলৈ ধৰিলে যে তাই নিজেও গোটেইখিনি কথাৰ মৰ্ম তেতিয়াহে ভালকৈ উপলব্ধি কৰিলে। কৈ থাকোঁতে হঠাত এবাৰ এটা বাক্যৰ মাজতে বৈ তাই উদ্বেগত সুধিলে, "আইতা, কথাটো কি? এইবোৰ শুনি তোমাৰ অকণো ভাল লগা নাইনে?"

"হাইডি, তেওঁলোক আহিলে তোমাৰ বৰ ভাল লাগিব কাৰণে মোৰো ভাল লাগিছে," এইবুলি কৈ তেওঁ দেখাত অলপ ৰঙীয়াল হবলৈ চেষ্টা কৰিলে।

"কিন্তু আইতা, তুমি চিন্তিত হৈ পৰিছা বুলি মই বঢ়িয়াকৈ গম পাইছোঁ। তুমি কুমাৰী ৰোটেন্মায়াৰ তেওঁলোকৰ লগত আহিব বুলি ভাবিছা নেকি?"

"ওহোঁ, ওহোঁ। মোৰ একো হোৱা নাই হাইডি, একো হোৱা নাই," তাইৰ মন জুৰাবলৈ আইতাই কলে। "তোমাৰ হাতখন মোক খন্তেক লবলৈ দিয়াচোন। তেতিয়াহে তুমি এতিয়াও ইয়াতেই আছা বুলি মই গম পাম।

ফ্ৰাঙ্কফুৰ্টৰ তেওঁলোকে তোমাৰ মঙ্গল কৰিব। অৱশ্যে মই তেতিয়ালৈ জীয়াই নাথাকিমেই চাগৈ।"

"আইতা, মোৰ মঙ্গল হোৱা চাবলৈ তুমি নাথাকাই যদি তেনে মঙ্গল মোক নালাগে।" হাইডিয়ে কথাবাৰ ইমান খাটাংকৈ কলে যে বুঢ়ী গৰাকীৰ মনত এটা নতুন ভয় সোমাল। ফ্ৰাঙ্কফুৰ্টৰ মানুহজাকে তাইক লৈ যাবলৈহে আহিব বুলি তেওঁ ধৰি লৈছিল। হাইডি এতিয়া আকৌ সুস্থ হৈ উঠিছে যেতিয়া তেওঁলোকে হাইডিক নিজৰ লগত লৈ যাবলৈ নিশ্চয় বিচাৰিব। আইতাকৰ বাবে এইটো গভীৰ বিষাদৰ কথা। কিন্তু তেওঁ অনুভৱ কৰিলে, হাইডিক তেওঁৰ বিষাদৰ কথা কোৱা উচিত নহব; তেওঁৰ প্ৰতি তাই কিজানি ইমানকৈ দুখ পতিয়াব যে তাই তালৈ যাবলৈ অমান্তি হব। তেনে হবলৈ কোনো পধ্যে দিব নালাগিব। তেওঁ এই সমস্যাটো সমাধানৰ উপায় বিচাৰিলে! তেওঁ কিন্তু বেছি পৰ ভাবিবলগীয়া নহ'ল কাৰণ তেওঁ জনা উপায় এটাহে মাত্ৰ আছিল।

"মই প্ৰতিকাৰৰ উপায় এটা জানো হাইডি," তেওঁ তেতিয়া কলে। "কাম এটা কৰিলে মোৰ গা ভালে থাকিব আৰু মনলৈও শুভ চিন্তা আহিব। 'ওপৰৰ ভগবানে' বোলা কথাষাৰেৰে আৰম্ভ হোৱা স্তুতিটো মোক এবাৰ পঢ়ি শুনাবানে?"

সেই স্তুতিগীতৰ পুথিখনৰ লগত হাইডি ভালকৈয়ে পৰিচিত হৈ পৰিছিল। আইতাকে বিচৰা পৃষ্ঠাটো তাই তৎক্ষণাত উলিয়াই ললে আৰু স্পষ্টকৈ পঢ়িবলৈ আৰম্ভ কৰিলে।

'ওপৰৰ ভগবানে
তোমাৰ ভালৰ বাবে
কথাবোৰ, বস্তুবোৰ চিজিল লগায়;
মাজ সাগৰতো তুমি
ধুমুহাত পৰিলেও
তোমাৰ এধানমানো অনিষ্ট নহয়।'

"অঁ, অঁ, এইটোৱেই মই শুনিব খুজিছিলোঁ," ৰক্ষা পোৱা যেন হৈ আইতাকে কলে। লগে লগে তেওঁৰ মুখৰ পৰা সন্তাপৰ ভাব নোহোৱা হ'ল।

হাইডিয়ে কিবা ভাবি-চিন্তি তেওঁলৈ চালে আৰু সুধিলে, "আইতা, স্তুতিটোৰ 'ভালৰ বাবে' মানে সকলো বেমাৰ-আজাৰ ভাল হৈ আগৰ দৰে সম্পূৰ্ণ সুস্থ হৈ পৰাবানে?"

"অঁ, সেয়েই," সম্মতিত মূৰ দুপিয়াই আইতাকে কলে। "দয়ালু প্ৰভুৱে এনে কৰিব যেতিয়া, তেনে হবই বুলি আমি নিশ্চিত হব পাৰোঁ। স্তুতিটো আকৌ এবাৰ পঢ়া হাইডি। তেতিয়াহে এইটো মোৰ মূৰত ভালকৈ সোমাব আৰু কেতিয়াও পাহৰি নাযাওঁ।"

হাইডিয়ে স্তুতিটো আকৌ পঢ়িলে; তাৰ পিছত আৰু দুবাৰ পঢ়িলে। সেইটোৰ নিৰাপত্তাৰ কথাষাৰ তাইৰ বৰ ভাল লাগিল।

গধূলি হ'লত হাইডিয়ে আল্মৰ পঁজাটোলৈ বুলি খোজ ললে। তেতিয়া আকাশত এটা দুটাকৈ কণ কণ তৰাবোৰ ফুটিবলৈ ধৰিছিল; তিৰ্‌বিৰাব ধৰা প্ৰতিটো তৰাই যেন তাইলৈ চাই চকু টিপিয়াবলৈ ধৰিছিল; প্ৰতিটো তৰাই যেন প্ৰকৃততে হাইডিৰ অন্তৰ পৰশাকৈ পৰম আনন্দৰ পোহৰ এমুঠি পঠিয়াবলৈ ঠিৰাং কৰিছিল। হাইডিয়েও প্ৰতি খোজতে বৈ বৈ ওপৰলৈ চাবলৈ বাধ্য হৈছিল। গোটেইখন আকাশ ভৰি পৰা তৰাবোৰে যেতিয়া সকলোপিনৰ পৰা একেলগে তাইলৈ চালে, তেতিয়া আৰু বেছি উৎফুল্ল হৈ তাই ডাঙৰকৈ কৈ উঠিল, "এতিয়াহে মই বুজিলোঁ। আচলতে আমাৰ কিহতনো ভাল দয়ালু ঈশ্বৰে জানে কাৰণেই আমি ইমান আনন্দ পাব পাৰোঁ, সম্পূৰ্ণ নিৰাপদেও থাকিব পাৰোঁ।"

হাইডিয়ে পঁজাটো নোপোৱালৈকে কণ্ কণ্ তৰাবোৰে জিল্‌মিলাই, তিৰ্‌বিৰাই, চকু টিপিয়াই তাইলৈ চাই থাকিল। ঘৰ পাই ককাকেও আকাশৰ তৰাবোৰ চাই থকা তাই দেখিলে। বহুত দিনৰ পাছতহে আজিৰ দৰে ইমান সুন্দৰকৈ আকাশত তৰাবোৰ দিছিল।

বহুত বছৰৰ পিছত এইবেলি মে' মাহৰ অকল নিশাবোৰেই নহয়, দিনবোৰো আগৰ বছৰবোৰতকৈ বহুত বেছি ফৰকাল আৰু উজ্জ্বল হ'ল। নিচেই পুৱাই মেঘ নোহোৱা নিৰ্মল আকাশত বেলি ওলোৱা দেখি ককা আচৰিত হৈছিল; বেলিমাৰৰ বেলিকাৰ দৰে বেলিৰ উদয়ো তেওঁ ঐশ্চৰ্য্যমণ্ডিত হৈ পৰা দেখিছিল। ককাই বাৰে বাৰে কৈছিল, "এইবছৰটো আচৰিত ধৰণে ৰ'দঘাই হৈছে। এইবাৰ চৰণীয়া পথাৰবোৰ ঘাঁহ-পাতেৰে ওপচি পৰিব। সেনাপতি, ভালকৈ খাবলৈ পাই তোৰ এই লম্ফ-জম্ফ কৰা সৈন্যবাহিনী যাতে জংঘলী হৈ নপৰে চাবি।"

সেইষাৰ শুনি পিটাৰে তাৰ টোকোনডাল জোৰেৰে ঘূৰাইছিল। তাৰ উত্তৰটোৱে তাৰ মুখৰ ভাৱে এনেকৈ প্ৰকাশ কৰিছিল, 'মই সিহঁতৰ লগত ফেৰ মাৰিব পৰা মানুহ।'

এনেকৈয়ে সেউজীয়া হৈ পৰা মে' মাহটো শেষ হ'ল। জুন মাহৰ বেলিটো অধিক উজ্জ্বল হৈ পৰিল; বেছি দীঘল আৰু বেছি পোহৰময় হৈ পৰা দিনবোৰে যেন পৰ্বতখনৰ গোটেইজাক ফুলকে ওলাই আহিবলৈ নিমন্ত্ৰণ জনালে। ফলত ফুলবোৰে চাৰিওফালে জকমকাবলৈ ধৰিলে আৰু সিহঁতৰ মিঠা সুবাসেৰে আকাশ-বতাহ ভৰি গ'ল।

জুনমাহো শেষ হৈ আহিল। তেনে এদিন পুৱা হাইডিয়ে তাইৰ পুৱাৰ কাম শেষ কৰি দৌৰি পঁজাটোৰ বাজলৈ ওলাই আহিল। তাই বেগাই কাষ কেইডালৰ তললৈ গ'ল আৰু তাৰ পৰা অলপ ওপৰত থকা চেঁটুৰি ফুলৰ ডাঙৰ জোপোহাটো ফুলিল নে চাবলৈ গ'ল। সেই জোপোহাটোৰ কণ্‌কণ্ ফুলবোৰত বেলিৰ কিৰণ পৰিলে মন মুহি নিয়াকৈ ধুনীয়া হয়। পঁজাটোৰ চাৰিওকাষে লৰি ফুৰোঁতে হঠাতে এবাৰ তাই ইমান ডাঙৰকৈ চিঞৰি উঠিল যে কাম কৰা চালিখনৰ পৰা ককাক খৰ্‌খৰ্‌কৈ ওলাই আহিল, কাৰণ সাধাৰণতে তাই তেনেকৈ নিচিঞৰিছিল।

"ককা! ককা!" উত্তেজনাত উতলা হৈ তাই চিঞৰি মাতিলে। "আহাঁ, আহাঁ, চোৱাঁহি, চোৱাঁহি।"

ককাক সেইখিনিত ওলালহি আৰু তাইৰ মেলা হাতখনে দেখুওৱা ফালে চালে।

সেই অঞ্চলৰ মানুহে আগতে কেতিয়াও নেদেখা ধৰণৰ সমদল এটা ঘূৰি-পকি ওপৰলৈ উঠিব ধৰা দেখা গ'ল। প্ৰথমতে দুটা মানুহে দোলাৰ নিচিনা চকী এখন ডাঙি আনিছিল। সেইখনত কেইবাখনো শাল মেৰাই সৰু ছোৱালী এজনী বহি আহিছিল। তাৰ পিছত ঘোঁৰা এটাত ভব্য-গব্য মহিলা এগৰাকী উঠি আহিছিল। তেখেতে অতি মনোযোগেৰে চাৰিওফালে চাই-মেলি আৰু তেখেতৰ কাষে কাষে খোজ কাঢ়ি অহা ডেকা পথ-পৰিদৰ্শকটোৰ লগত আগ্ৰহেৰে কথা পাতি আহিছিল। তাৰ পিছত ডেকা এটাই চকা-লগোৱা চকী এখন ঠেলি ঠেলি ওপৰলৈ আনিব ধৰিছিল। সেই চকীখন যিজনী ৰুগীয়া ছোৱালীৰ, তাইক ওপৰলৈ আনোঁতে তাইৰ বেছি নিৰাপত্তাৰ কাৰণে দোলাৰ দৰে চকীখনত বহুৱাই ভাৰ বৈ অনা হৈছিল। শেহত পিঠিত পাচি এটা লোৱা মজদুৰ এটা আহিছিল। সেই পাচিটোত চাদৰ, শাল আদি ইমান ভৰোৱা আছিল যে সেইবোৰ তাৰ মূৰ পাৰ হৈ ওপৰলৈ উঠিছিল।

"তেওঁলোক সৌৱা, তেওঁলোক সৌৱা" বুলি হাইডিয়ে আনন্দত জঁপিয়াই জঁপিয়াই কৰলৈ ধৰিলে। তেওঁলোক সঁচায়ে আহিল। তেওঁলোক ওচৰ চাপি আহি আহি অৱশেষত পঁজাটো পালেহি। মজদুৰ দুটাই দোলা যেন চকীখন মাটিত নমাই থলে।

হাইডি সেইখনৰ কাষলৈ দৌৰি গ'ল আৰু ছোৱালী দুজনীয়ে পৰম আনন্দৰে পৰস্পৰক সম্ভাষণ জনালে। তাৰ পিছত আইতা পালেহি আৰু ঘোঁৰাৰ পৰা নামিল। হাইডি তেখেতৰ কাষলৈ লৰি গ'লত আইতাকে তাইক অতি মৰমেৰে আঁকোৱালি মাৰি ধৰিলে। তাৰ পিছত আদৰণি জনাবলৈ তেখেতৰ ফালে অহা আম্মমামাৰ পিনে আইতা ঘূৰিল। তেওঁলোকৰ সম্ভাষণ

বিনিময়ত কোনো জড়তা নাছিল কাৰণ বহুতদিনীয়া চিনাকিৰ দৰে দুয়ো দুয়োৰো কথা জানিছিল।

প্ৰথম সম্ভাষণৰ পৰ্ব শেষ হ'লত আইতাই অতি উৎসাহেৰে কলে, "প্ৰিয় মামা, আপোনাৰ ঠাইখিনি অপূৰ্ব। এইখিনি এনে হব পাৰে বুলি কোনে বিশ্বাস কৰিলেহেঁতেন। বহুতো ৰজা-মহাৰজায়ো কিজানি আপোনাক ঈৰ্ষা কৰিব। মোৰ হাইডিজনীও কি ধুনীয়া হৈছে। একেবাৰে জুনমহীয়া গোলাপ যেনহে।" তেখেতে হাইডিক ওচৰলৈ চপাই লৈ তাইৰ সতেজ দুগালত মৃদু-মৃদু থপৰিয়াই কলে, "ইয়াৰ পৰিবেশ কি যে ঐশ্বৰ্য্যমণ্ডিত! তুমি কি কোৱা ক্লেৰচেন, মোৰ সোণজনী, তুমি কি কোৱা?"

তেনেই মোহমুগ্ধ হৈ ক্লাৰাই চাৰিওপিনে চাই আছিল। তাই জীৱনত এনে একো কেতিয়াও দেখা নাছিল; এনে কিবা থাকিব পাৰে বুলিও তাই কল্পনা কৰিব পৰা নাছিল।

"আঃ, এইয়া কি যে সুন্দৰ। কি যে সুন্দৰ।" ক্লাৰাই বাৰে বাৰে দোহাৰিবলৈ ধৰিলে। "এইবোৰ মোৰ কল্পনাৰো অতীত আইতা। ইয়াত থাকিবলৈ মোৰ বৰ মন গৈছে।"

ইতিমধ্যে ককা গৈ চকা-লগোৱা চকীখন লৈ আহিলগৈ। তেওঁ পাচিটোৰ পৰা কেইখনমান শ্বাল উলিয়াই সেইখনত সজাই থলে। তাৰ পিছত তেওঁ দোলা-যেন চকীখনৰ কাষলৈ গ'ল।

"আমাৰ জীয়ৰীজনীয়ে বহি অভ্যস্ত হোৱা নিজা চকীখনত এতিয়া এওঁক বহুৱালে ভাল হব। দোলা-যেন চকীখন টান," ককাই কলে। আন কোনোবাই তেওঁক সহায় কৰিবলৈ অহাৰ আগেয়ে তেওঁ অকমানি অথৰ্বজনীক নিজৰ সবল দুবাহুৰে খেৰৰ চকীখনৰ পৰা আলফুলকৈ ডাঙি লৈ অতি সাৱধানে তাইৰ চকীখনৰ কোমল আসনত বহুৱালে। তাৰ পিছত শ্বাল কেইখন তাইৰ আঁঠুত থৈ তাইৰ ভৰি দুখন শ্বালেৰে মেৰাই তাই আৰাম পোৱাকৈ সেই দুখন চকীখনৰ কুছনত এনেকৈ থলে যেন নিজৰ অঙ্গ-প্ৰত্যঙ্গ কামত লগাব নোৱাৰা অথৰ্ব মানুহৰ শুশ্ৰূষা কৰিহে তেওঁ জীৱনটো কটাইছে! অতিকৈ বিচূৰ্তি খাই আইতাকে তেওঁলৈ চাই ৰ'ল।

তাৰ পিছত আইতাকে কলে, "প্ৰিয় মামা, ৰুগীয়াৰ আলপৈচান লবলৈ আপুনি ক'ত শিকিছে জানিলে মই নাৰ্চবোৰক প্ৰশিক্ষণ লবলৈ তালৈ পঠালোঁহেঁতেন। আপুনি এনে কৰিব পৰা সম্ভৱ হ'ল কেনেকৈ?"

মামাই লাহেকৈ মিচিকিয়ালে। "প্ৰশিক্ষণ লোৱাতকৈ অভিজ্ঞতাৰ পৰাহে এইবোৰ জনা যায়," তেওঁ উত্তৰ দিলে। মিচিকিওৱা স্বত্বেও, কথাষাৰ কওঁতে তেওঁৰ মুখত বিষাদৰ ছাঁ পৰিল। অস্পষ্ট অতীতে চকী এখনত এনেকৈ

কাপোৰ লৈ বহি থকা যন্ত্ৰণাক্লিষ্ট মানুহ এজনৰ মুখখন তেওঁক সোঁৱৰাই দিলে। সেই অপাহিত মানুহজনে নিজৰ অঙ্গ-প্ৰত্যঙ্গ লৰচৰ কৰিবলৈ প্ৰায় নোৱাৰিছিলেই। সেইজন তেওঁৰ কেপ্তেইন আছিল। চিচিলিৰ ভয়ামৰা যুদ্ধখনৰ পাছত তেওঁক যুদ্ধক্ষেত্ৰত পৰি থকা পাই মামাই তুলি আনিছিল। তেতিয়াৰে পৰা কেপ্তেইনে মামাৰ বাহিৰে বেলেগক তেওঁৰ শুশ্ৰূষা কৰিবলৈ নিদিছিল। মৃত্যুৱে তেওঁৰ যন্ত্ৰণাৰ ওৰ নেপেলোৱালৈ মামাক তেওঁ খন্তেকলৈও চকুৰ আঁতৰ হ'বলৈ নিদিছিল। মামাই সেই ৰুগীয়া বন্ধুজনক তেওঁৰ সমুখত এতিয়া যেন আকৌ দেখা পালে। তেওঁৰ এতিয়া একমাত্ৰ চিন্তা হ'ল, ৰুগীয়া ক্লাৰাক তেওঁ শুশ্ৰূষা কৰিব লাগিব; তাহানিৰ সেই অভিজ্ঞতাই শিকোৱাৰ দৰে তাই আৰাম পোৱাকৈ তাইৰ আলপৈচান ধৰিব লাগিব।

পঁজাটো আৰু ফাৰকেইজোপাৰ ওপৰৰ আকাশখন তেতিয়া মেঘহীন গাঢ় নীলা হৈছিল আৰু বহুত ওপৰৰ শিলাখণ্ডবোৰ ধূসৰ হৈ জিলিকিবলৈ ধৰিছিল। চাৰিওফালে চাই চাই ক্লাৰাৰ হেঁপাহ নলপোৱা হ'ল; সেই দৃশ্যবোৰ দেখি তাই পূৰাপূৰি ৰূপমুগ্ধ হ'ল।

"হাইডি, তোমাৰ সতে মই পঁজাটোৰ চাৰিওকাষে আৰু ফাৰকেইডালৰ তললৈ যাব পৰা হলে!' আকুল আকাংক্ষাৰে তাই কলে। "ইমানদিনে মই শুনি থকা কিন্তু এতিয়ালৈও নেদেখা বস্তুবোৰ চাবলৈ যাব পৰা হলে!"

তেতিয়া হাইডিয়ে ক্লাৰাৰ চকীখন ঠেলিবলৈ লৈ পোনতে গাৰ বল দিবলগীয়া হ'ল আৰু পিছত সাৱলীলভাৱে শুকান ঘাঁহৰ ওপৰেৰে ঠেলি ফাৰবোৰৰ তললৈ নিলে। তাতে তাই ৰ'ল। ক্লাৰাই তাইৰ জীৱনত এই ওখ, বুঢ়া ফাৰকেইডালৰ দৰে একো দেখা নাছিল। এইকেইডালৰ দীঘল, বহু-বিস্তৃত ডালবোৰ তললৈ নামি ডাঙৰ আৰু শকত হৈ পৰিছিল। ছোৱালী দুজনীৰ পিছে পিছে সেইখিনি আহি পোৱা আইতাও বিস্ময়ত ঠৰ লাগিল। নীলা আকাশৰ মাজলৈ সোমাই যোৱা তাহানিকলীয়া ওখ গছবোৰৰ গৰ্জন কৰি থকা ওপৰডোখৰেই ধুনীয়া নে তাৰ পৰা যুগ যুগ ধৰি নামনিৰ উপত্যকালৈ চাই থকা পোন, বলী গা-গছবোৰেই ধুনীয়া তেওঁ তৰ্কিব নোৱৰা হ'ল। নামনিৰ উপত্যকাৰ মানুহ আহিল আৰু গ'ল; তাৰ সকলোৰে নিৰন্তৰ পৰিবৰ্তন হ'ল; কিন্তু এইকেইডাল অক্ষত-অব্যয় হৈ তাতেই একেদৰে ৰ'ল।

ইতিমধ্যে হাইডিয়ে চকা-লগোৱা চকীখন ঠেলি নি ছাগলীৰ চালিখনৰ আগত ৰাখিলে। ক্লাৰাই ভিতৰখন ভালকৈ দেখাকৈ চালিখনৰ সৰু দুৱাৰখন তাই বহলকৈ মেলি দিলে। ছাগলী দুজনী তেতিয়া তাত নথকাত তাত চাবলৈ অৱশ্যে বিশেষ একো নাছিল। ক্লাৰাই আক্ষেপ কৰি আইতাকক কলে, "আইতা, মই স্নেলি, বেৰ্লি, অন্যান্য ছাগলীবোৰ আৰু পিটাৰলৈ বাট চাব পৰা হলে।

তুমি কোৱাৰ দৰে আমি সদায় সোনকালে উভতিবলৈ হলে মই সিহঁতক কেতিয়াও দেখাই নাপাম। এইটো লাজলগাকৈ বেয়া কথা হব আইতা।"

"সোণজনী, আমি ইয়াত পোৱা সুন্দৰ বস্তুবোৰ উপভোগ কৰিম আৰু নোপোৱাবোৰৰ বাবে হামৰাও নাকাঢ়োঁ," সিহঁতৰ পিছে পিছে আহি থকা আইতাকে উপদেশ দিলে।

হাইডিয়ে চকীখন ঘূৰাই লৈ ঠেলি নিবলৈ ধৰিলে। "আঃ, ফুলবোৰ যে আৰু! ৰঙা ফুলেৰে জাতিস্কাৰ হৈ থকা জোপোহাবোৰ আৰু মূৰ দুপিয়াই থকা নীলা ফুলবোৰ। মই নিজে নিজে দুটামান তুলিব পৰা হলে।"

হাইডিয়ে তৎক্ষণাত দৌৰি গৈ তাইলৈ ডাঙৰ এথোপা ফুল তুলি আনিলে। ক্লাৰাৰ কোলাত সেই থোপা থৈ তাই কলে, "কিন্তু ক্লাৰা, এইবোৰ একোৱেই নহয়। তুমি আমাৰ সতে চৰণীয়া পথাৰলৈ এবাৰ যাব পাৰিলে বস্তু এবিধ দেখিলাহেঁতেন। ইয়াত থকাতকৈ তাত একে ঠাইতে জাক জাক ৰঙাফুলৰ জোপোহা আৰু কিমান যে ব্লুবেল ফুল আছে। তাত হাজাৰ হাজাৰ হালধীয়া পাহাৰী-গোলাপ ইমান উজ্জ্বল হৈ ফুলি আছে যে সেই মাটিখিনিয়েই সোণৰ দৰে জিলিকি থকা যেন লাগে। তাত ডাঙৰ পাতৰ ফুল এবিধ আছে। ককাই সেইবোৰৰ নাম হেলিওপ্‌ছিছ্ বুলি কৈছিল। এইবোৰৰ ওপৰিও তাত এবিধ বাদামী ৰঙৰ ফুল আছে। জানা, সেইবোৰৰ মূৰবোৰ সৰু সৰু আৰু ঘূৰণীয়া; সেই ফুলবোৰ ইমান যে সুন্দৰ গোন্ধায়। ইমান যে ধুনীয়া। সকলো মিলি সেইডোখৰ ঠাই এনে মনোমোহা যে তাত এবাৰ বহিলে তুমি আৰু উঠি আহিবলৈ নোৱাৰিবা।"

তাই বৰ্ণোৱা দৃশ্যবোৰ চোৱাৰ হেঁপাহত হাইডিৰ চকুহাল ।তৰ্‌বিৰাব ধৰিলে। ক্লাৰাও ইমান উৎসাহিত হৈ উঠিল যে তাইৰ নীলা চকুযোৰত হাইডিৰ উৎসাহ পূৰাকৈ প্ৰতিবিম্বিত হ'ল।

"আইতাঅ', তালৈ মই যাবলৈ পাৰিমনে? ইমান ওপৰলৈ মই যাবলৈ পাৰিম বুলি তুমি ভাবানে?" তাই গভীৰ আগ্ৰহেৰে সুধিলে। "হাইডি, তোমাৰ সতে মই যাব পৰা হলে। তোমাৰ সতে গোটেই পৰ্বতখন বগাই ফুৰিব পৰা হ'লে!"

"তোমাক মই ঠেলি নিম," আশ্বাস দি হাইডিয়ে কলে। সেই কামটো কৰা কিমান সহজ দেখুৱাবলৈ তাই চকীখন ইমান জোৰেৰে ঠেলি দিলে যে চকীখন তাইৰ হাতৰ পৰা এৰাই পৰ্বতৰ তলৰ পিনে যাবলৈ আৰম্ভ কৰিলে। ভাগ্যে ককা ওচৰতে আছিল আৰু তেওঁ সেইখন থাপ মাৰি ধৰিলে। নহলে সৰ্বনাশেই হলহেঁতেন।

সিহঁতে ফাৰকেইজোপা চাই থাকোঁতে ককা এনেয়ে থকা নাছিল। তেওঁ

ভিতৰৰ পৰা টেবুলখন আৰু দৰ্কাৰী চকীকেইখন উলিয়াই দুপৰীয়াৰ সাঁজ খাবলৈ দৰ্কাৰী বস্তুবোৰৰ সৈতে বেঞ্চখনৰ সমুখত সজাই থলে।

পঁজাটোৰ ভিতৰত তেতিয়া কেটলিটোৰ বস্তুবোৰ উতলি ভাপ ওলাই আছিল আৰু কেৰেপাডালত থোৱা পনীৰবোৰ সেকা গৈ আছিল। অলপ পাছতে ককাই গোটেইবোৰ বস্তু টেবুলখনত থলেগৈ। ৰংমনেৰে চাৰিও খাবলৈ বহিল।

উপত্যকাখনৰ দূৰ-দূৰণিলৈ দেখা আৰু নীলা আকাশৰ মাজলৈ সোমাই যোৱা ওপৰৰ পৰ্বতবোৰ দেখা সেই খোৱা-কোঠাটোৱে আইতাকো পূৰাপূৰি মন্ত্ৰমুগ্ধ কৰিলে। তেতিয়া চেঁচা মৃদু বতাহ এছাটি ৰিব্‌ৰিব্‌কৈ বলি আলহীইঁতৰ গালে-মুখে বিচি আছিল; সেই বতাহেই ফাৰবোৰৰ মাজত এনে মিঠা শিহৰণ তুলিছিল যেন তেওঁলোকৰ ভোজৰ বাবেহে এই সংগীত ৰচনা কৰা হৈছিল।

"মোৰ এনে অভিজ্ঞতা আগতে কাহানিও হোৱা নাছিল। এইয়া অপূৰ্ব। অপূৰ্ব।" আইতাই বাৰে বাৰে কলে। লগতে তেখেতে পৰম বিস্ময়ত কৈ উঠিল, "কিন্তু মই এইয়া কি দেখিছোঁ? ক্লেৰচেন্, তুমি দ্বিতীয় টুকুৰা সেকা পনীৰ খাবলৈ লৈছানে?"

কথাটো হয়। চিক্‌মিকাই থকা সোণালী পনীৰৰ দ্বিতীয় টুকুৰা ক্লাৰাই ৰুটি চকলৰ ওপৰত লোৱা দেখা গ'ল।

"আইতা, এইয়া ইমান সোৱাদ। ৰাগাৎচ্‌ৰ হোটেলৰ গোটেইবোৰ বস্তুতকৈ ভাল," বৰ তৃপ্তিৰে খাই খাই ক্লাৰাই ন দি কলে।

সন্তুষ্ট হোৱা আল্মমামাই কলে, "খোৱাঁ, খোৱাঁ, গোটেইখিনি খোৱাঁ। আমাৰ ৰান্ধনী বেয়া হলেও পৰ্বতৰ বতাহ ফেল নামাৰে।"

এনেকৈয়ে তেওঁলোকে ফূৰ্ত্তিৰে খাবলৈ ধৰিলে। আইতা আৰু ককাৰ পৰস্পৰক ভাল লাগিল আৰু তেওঁলোকৰ কথোপকথন ক্ৰমাৎ বেছি উচ্ছ্বাসপূৰ্ণ হৈ আছিল। বহুতদিনীয়া বন্ধুৰ দৰে মানুহ আৰু বস্তু-বাহানি সম্পৰ্কে, জগতখন কেনি যাবলৈ ধৰিছে আদি বিষয়ে তেওঁলোকৰ মতৰ মিল হ'ল। সময় এনেকৈয়ে যাবলৈ ধৰিলে। এবাৰ আইতাই পশ্চিমলৈ চাই হঠাতে কৈ উঠিল, "ক্লেৰচেন্, আমি উঠিবৰ হ'ল। বেলি মাৰ যায়হে। ঘোঁৰা আৰু দোলাচকীখন লৈ মানুহকেইটা পাবৰ হৈছেই।"

লগে লগে ক্লাৰাৰ সুখী মুখখনত বিষাদৰ ছাঁ পৰিল। তাই অনুনয় কৰি কলে, "আৰু দুই-এঘন্টামান থাকোঁনে আইতা? আমি পঁজাটো, হাইডিৰ বিছনাখন আৰু বাকী বস্তুবোৰ এতিয়ালৈ দেখাই নাই। হাঁয়, দিনটো যদি দহঘন্টামান দীঘল হ'লহেঁতেন।"

"ইয়াত পলমকৈ থকা অসম্ভৱ," আইতাই কলে। কিন্তু পঁজাটো চাবলৈ

তেখেতৰো মন গৈছিল। লগে লগে তেওঁলোক উঠিল। ককাই দৃঢ় হাতেৰে চকীখন দুৱাৰমুখলৈ ঠেলি নিলে। কিন্তু পঁজাটোৰ দুৱাৰখন ঠেক কাৰণে ক্লাৰাৰ চকীখন তাত নোসোমোৱা হ'ল। এই বিষয়ে গুণা-গঠা কৰি ককাই সময় নকটালে। তেওঁ সবল দুহাতেৰে ক্লাৰাক ডাঙি লৈ ভিতৰ সোমাল।

আইতাই ঘূৰি-পকি সকলোবোৰ মন দি চালে। নিজে তৈয়াৰ কৰি লোৱা গৃহস্থালিৰ বস্তুবোৰ তমস্কাৰকৈ সজাই থোৱা দেখি তেখেতৰ বৰ ভাল লাগিল। তাৰ পিছত তেখেতে 'হাইডি, সৌখনেই নিশ্চয় তোমাৰ বিছনা, নহয় জানো।?' বুলি সুধি কোনো ভয়-ভীত নোহোৱাকৈ তেখেতে পোনে পোনে জখলাডাল বগাই ওপৰলৈ উঠিল।

"আঃ, কি যে মিঠা গোন্ধ। এইটো নিশ্চয়কৈ স্বাস্থ্যকৰ শোৱনি কোঠা।" আইতাই কলে আৰু খিৰিকীখনৰ কাষলৈ গৈ ভুমুকিয়াই বাহিৰলৈ চালে।

তেখেতৰ পিছে পিছে ক্লাৰাক লৈ ককাও ওপৰলৈ উঠিল আৰু হাইডিয়েও পিছ ললে।

আটাইকিটাই হাইডিৰ সুন্দৰকৈ পাৰি থোৱা খেৰৰ বিছনাখনৰ চাৰিওকাষে থিয় হ'ল। আইতাই চোকা চকুৰে সেইখনৰ মূল্যায়ন কৰিলে আৰু বৈ বৈ দীঘলকৈ উশাহ টানি নতুন খেৰৰ মিঠা সুঘ্ৰাণ ললে। হাইডিৰ শোৱনি-কোঠাটো দেখি ক্লাৰা সম্পূৰ্ণকৈ মোহ গ'ল।

"হাইডি ঐ, তোমাৰ শোৱনি-কোঠাটো যে কি মজাৰ। বিছনাখনত শুই শুই তুমি পোনে পোনে আকাশখন দেখা; তোমাৰ চৌপাশে খেৰৰ সুৱদি গোন্ধ, বাহিৰত ফাৰবোৰৰ গৰ্জনো তুমি শুনি থাকা। মই আগতে এনে মজাৰ আৰু মনোৰম শোৱনি-কোঠা দেখা নাছিলোঁ।"

ককাই তেতিয়া আইতালৈ চালে। "মোৰ মনত কথা এটা খেলাইছে," ককাই কলে। "মোৰ ওপৰত আপোনাৰ যথেষ্ট আস্থা থাকিলে মই ভবাটো পৰীক্ষা কৰি চাব পৰা যায়। জী জনীক ইয়াত কেইদিনমান ৰাখিব পাৰিলে এওঁ গাত বল পাব বুলি মোৰ মনে ধৰিছে। আপুনি অনা শাল-কম্বলবোৰেৰে এওঁৰ বাবে বেলেগ কোমল বিছনা এখন পাতিব পাৰোঁ। অকমানি নাতিনীয়েকৰ চোৱা-চিতাৰ বাবে আপুনি চিন্তিত হব নালাগে। সেইফেৰা কাম মই নিজেই কৰিম।"

এইবাৰ শুনি ক্লাৰা আৰু হাইডি সজাৰ পৰা মুকলি হোৱা চৰাইৰ দৰে উৎফুল্ল হৈ চিঞৰি উঠিল। আইতাকৰ মুখখনো ব'দ পৰি উজ্জ্বলাৰ দৰে হ'ল।

"প্ৰিয় মামা, আপুনি সঁচাকৈয়ে তাজ্জব মানুহ," আইতাই কলে। "মই এইমাত্ৰ কি ভাবিছিলোঁ আপুনি কেনেকৈ গম পালে? মই নিজকে সুধিছিলোঁ, 'পৰ্বতৰ ওপৰত ইয়াত কিছুকাল কটাব পাৰিলে ছোৱালীজনীয়ে গাত বেচ বল

নাপাবনে? কিন্তু তাইৰ আলপৈচান? তাইৰ যত্ন। গৃহস্থৰ অসুবিধা।' অথচ এইবোৰ কোনো ধৰিবলগীয়া কথা নহয় বুলিয়েই আপুনি কৈছে। আপোনাক ধন্যবাদ মোৰ প্ৰিয় মামা; মোৰ অন্তৰৰ পৰা অশেষ ধন্যবাদ।" এইবুলি তেখেতে ককাৰ হাতখন লৈ কৃতজ্ঞতাৰে বাৰে বাৰে জোকাবিবলৈ ধৰিলে। আল্মমামায়ো আনন্দেৰে তেখেতৰ কৰমৰ্দন কৰিলে।

ককাই লগে লগে নিজৰ কথা কামত পৰিণত কৰাত লাগি গ'ল। তেওঁ ক্লাৰাক আকৌ ডাঙি নি পঁজাটোৰ সমুখত থকা চকীখনত বহুৱালে। হাইডি পিছে পিছে গ'ল আৰু আনন্দত কিমান ওখকৈ জঁপিয়াব সেইটোও পাহৰি গ'ল। তাৰ পিছত ককাই শালবোৰ আৰু জন্তুৰ ছালৰ সাজবোৰ হাতত দ'মাই ললে আৰু সন্তোষেৰে মিচিকিয়াই কলে, "আৰকালিৰ লগত যুঁজিবলৈ যেনকৈ অসংখ্য গৰম কাপোৰ-কানি আনি আইতাই ভাল কৰিলে। সেইবোৰ কামত আহিব।"

খৰতকীয়াকৈ ওচৰ চাপি আহি আইতাই কলে, "প্ৰিয় মামা, দূৰদৰ্শিতা উৎকৃষ্ট গুণ আৰু ই বহুতো বিঘিনিৰ পৰাও ৰক্ষা কৰে। তোমালোকৰ পৰ্বতত ফুৰিবলৈ আহি বতাহ, ধুমুহা আৰু মুষলধাৰ বৰষুণৰ পৰা ৰক্ষা পালে আনন্দৰ কথা। আমি সেইবোৰৰ পৰা সাৰিছোঁ। মই অনা কাপোৰ-কানিবোৰ কামত আহিব বুলি আমি একেমত।"

এইদৰে কথা-বতৰা পাতি দুয়ো চাংখনলৈ উঠি গ'ল। তেওঁলোকে খেৰৰ বিছনাখনত এখন এখনকৈ শালবোৰ পাৰিবলৈ ধৰিলে। শাল কেইবাখনো আছিল বাবে সেই গোটেইবোৰ পৰা হ'লত বিছনাখন দুৰ্গ যেন দেখা হ'ল।

"এতিয়া এডাল খেৰো এইবোৰৰ মাজেৰে সৰকি আহিব পাৰেনে চোৱা য'ক," এইবুলি আইতাই বিছনাখনৰ সকলোপিনে হাতেৰে হেঁচুকি চালে। কিন্তু বিছনাখনৰ কোমল বেৰবোৰ ইমান ডাঠ হৈছিল যে তাৰ মাজেৰে একো সৰকিব নোৱাৰা হৈ পৰিছিল। সন্তুষ্ট হৈ আইতা জখলাৰে নামি বাহিৰত থকা ছোৱালী দুজনীৰ কাষলৈ গ'ল। সিহঁত উজ্জ্বল মুখেৰে ওচৰাওচৰিকৈ বহি ক্লাৰা পৰ্বতত থকা দিনবোৰত পুৱাৰ পৰা ৰাতিলৈ কি কি কৰিব তাকে পাঙি আছিল। কিন্তু কিমানদিন থাকিব? এইটোৱেই এতিয়া ঘাই কথা। সেয়ে কথাটো লগে লগে আইতাকৰ আগত তৰা হ'ল। উত্তৰত তেখেতে কলে যে এইবিষয়ে ককাইহে ভালকৈ জানিব; সিহঁতে তেওঁকেই সুধিব লাগিব। তেনেতে ককা তাতে ওলালহি। তেওঁক প্ৰশ্নটো সোধা হ'ল। উত্তৰ দি ককাই কলে, "পৰ্বতীয়া বতাহে আমাৰ সক জীয়ৰীজনীৰ প্ৰতি নিজৰ কৰ্ত্তব্যকেৰা পালন কৰে নে নকৰে সেইটো এমাহমানতেই নিশ্চয়কৈ বুজা যাব।" এইষাৰ শুনি ছোৱালীহঁতে কিৰিলিয়াই উঠিল কাৰণ ক্লাৰাক ইমানদিন তাত থাকিবলৈ

দিব বুলি সিহঁতে কল্পনাও কৰিব পৰা নাছিল।

দোলাভাৰীহঁত আৰু ঘোঁৰাৰে সৈতে পথ-পৰিদৰ্শকজন ওপৰলৈ আহি থকা দেখা গ'ল। দোলাভাৰীহঁতক লগে লগে উভতি যাবলৈ কোৱা হ'ল। আইতা ঘোঁৰাত উঠিবলৈ সাজু হওঁতে ক্লাৰাই তেখেতক ফুৰ্ত্তিৰে ক'লে, "আইতা, আমি নো কি কৰিছোঁ চাবলৈ আৰু আমাক লগ পাবলৈ তুমিতো সঘনাই পৰ্বত বগাই আহিবাই। সেয়ে তুমি যাবলৈ ওলালেও বিদায়-সম্ভাষণ নজনাওঁ। তুমি আহিলে বৰ মজা হব, নহবনে হাইডি?"

সেইদিনা এটাৰ পাছত এটাকৈ কেইবাটাও ঘটনাই হাইডিক আনন্দ দি আছিল। ক্লাৰাৰ প্ৰশ্নটোৰ উত্তৰত তাইৰ সম্মতি বুজাবলৈ হাইডিয়ে বেচি ওখকৈ জাঁপ এটাহে মাৰিব পাৰিলে।

আইতা ধীৰ-স্থিৰ ঘোঁৰাটোত উঠিলগৈ। আল্মমামাই লাকামডাল হাতত লৈ ঘোঁৰাটোক পৰ্বতৰ থিয় গৰাৰে নিৰাপদে তললৈ লৈ গ'ল। আইতাই তেওঁক সিমান দূৰলৈ নাযাবলৈ খাটিলেও সেইয়া কামত নাহিল। মামাই বুজাই কলে যে ঘোঁৰাত উঠি পৰ্বতৰ থিয় গৰাৰে নমা নিৰাপদ নহয় কাৰণে তেওঁ ডৰ্ফলিলৈ আইতাৰ সঙ্গ দিব।

আইতা এতিয়া মুকলিমূৰীয়া হ'ল কাৰণে তেখেতে ডৰ্ফলিত অকলশৰে থাকিবলৈ মন নকৰিলে। তেখেতে ৰাগাৎচত থাকিবলৈ আৰু তাৰ পৰা মাজে মাজে আহি পৰ্বত বগাবলৈ ঠিক কৰিলে।

ককা ওভোতাৰ আগতে ছাগলীজাক লৈ পিটাৰ পালেহি। হাইডিক দেখিয়েই ছাগলীজাকে তাইৰ কাষলৈ হুৰমুৰকৈ লৰি আহিল। মুহূৰ্ত্ততে হাইডি আৰু চকীত বহি থকা ক্লাৰা জাকটোৰ মাজত পৰিল। হাইডিৰ কাষলৈ আহিবলৈ সিহঁতৰ মাজত অৰিয়াঅৰি, ঠেলাঠেলি লাগিল। তেতিয়া হাইডিয়ে সিহঁতক এটা এটাকৈ মাতি ক্লাৰাৰ লগত চিনাকি কৰি দিলে। ক্লাৰাই সিহঁতৰ লগত চিনাকি হব বুলি বহুত দিনৰ পৰা পাঙি থকা কামটো অতি কম সময়তে সমাধা হ'ল। স্নেহোপ্‌লি, তজবজীয়া ডিষ্টেলফিঙ্ক, ককাৰ চিকুণ ছাগলীহালকে ধৰি ডাঙৰ তুৰ্কীলৈ সকলোকে ক্লাৰাই চিনি পোৱা হ'ল। কিন্তু এইখিনি পৰ পিটাৰে একাষৰীয়া হৈ ভাবুকি দিয়া চাৱনিৰে ক্লাৰালৈ মাজে মাজে চাই থিয় হৈ থাকিল।

শেহত ছোৱালীহালে তাক "শুভ গধূলি, পিটাৰ" বুলি মৰমেৰে বিদায় সম্ভাষণ জনালে। সি কিন্তু উত্তৰ নিদি খঙেৰে টোকোনডাল ডাঙিলে যেন সি সিহঁত দুজনীক কোবাই ভাঙি-ছিঙিহে পেলাব। তাৰ পিছত সি লৰি তললৈ নামিল আৰু ছাগলীজাকো তাৰ পাছে পাছে গ'ল।

ক্লাৰাই পৰ্বতত ধুনীয়া ধুনীয়া বস্তু দেখা সেই দিনটোৰ তাতেই তেনেকৈ অন্ত হ'ল।

চাংখনৰ ডাঙৰ কোমল বিছনাখনত হাইডিৰ কাষতে বাগৰি মেল খাই থকা ঘূৰণীয়া খিড়িকীখনেৰে ক্লাৰাই তিৰ্‌বিৰাই থকা তৰাবোৰলৈ চালে। তাই সমূলঞ্চে মুগ্ধ হৈ উচ্ছ্বাসেৰে কলে, "হাইডি, ডাঙৰ বাগী এখনত উঠি আমি আকাশেৰে গৈ থকা যেন লাগিছে।"

"তৰাবোৰ কিয় ইমান পুলকিত আৰু আমালৈ চাই কিয় এনেকৈ চকু টিপিয়াই আছে জানানে?" হাইডিয়ে সুধিলে।

"নাই, নাজানোঁ। তুমি কি ভাবা?" ক্লাৰাই সুধিলে।

"সিহঁতে সৰগৰ ঈশ্বৰে সংসাৰখন মানুহৰ বাবে সুন্দৰকৈ চলোৱা দেখে। সিহঁতে জানে যে মানুহ অবাবতে চিন্তিত হব নালাগে। কাৰণ ঈশ্বৰে মানুহক সুৰক্ষা দিয়ে আৰু সকলো ঘটনা মানুহৰ মঙ্গলৰ বাবেই ঘটে। এই কথাবাৰ জানিয়েই তৰাবোৰ পুলকিত হয় আৰু চকু টিপিয়াই টিপিয়াই আমাকো সুখী হবলৈ সকীয়াই দিয়ে। কিন্তু ক্লাৰা, আমি প্ৰাৰ্থনা কৰিবলৈ পাহৰিলে নহব। আহাঁ, আমি পৰম পিতাক প্ৰাৰ্থনা কৰোঁ যে সংসাৰখন ইমান সুন্দৰকৈ চলাই থাকোঁতে আমাৰ কথাও যেন তেওঁ ভাবে; আমাৰ যেন বিপদ-বিঘিনি নহয় আৰু আমি যেন একোকেই ভয় নকৰোঁ।"

ছোৱালী দুজনী বিছনাত উঠি বহিল আৰু গধূলিৰ প্ৰাৰ্থনা কৰিলে। তাৰ পিছত হাইডিয়ে তাইৰ হাত দুখনত মূৰ থৈ বাগৰ দিলে আৰু লগে লগেই তাইৰ টোপনি আহিল। ক্লাৰা কিন্তু বহুতপৰলৈ সাৰে থাকিল। জোনাকেৰে আলোকিত এই শোৱনি-কোঠাটোৰ দৰে ধুনীয়া বস্তু তাই জীৱনত দেখা নাছিল। বেচেৰীয়ে ৰাতি কাহানিও ঘৰৰ বাজ হোৱা নাছিল কাৰণে তাই আগতে কাহানিও তৰা দেখা নাছিল। তাইৰ কোঠাটোৰ খিড়িকীৰ ডাঠ পৰ্দাবোৰো আকাশত তৰা ওলোৱাৰ বহুত আগতেই টানি দিয়া হৈছিল। এতিয়া তাইৰ চকু জাপ খাব খুজিলেই ডাঙৰ তৰা দুটাই হাইডিয়ে কোৱাৰ দৰে জিলমিলাই আৰু চকু টিপিয়াই আছে নে নাই তাই নাচাই নোৱাৰিছিল। তৰা দুটা তেনেকৈয়ে আছিল। সিহঁতৰ জিলমিলনি আৰু তিৰ্‌বিৰণি চাই চাই বেচেৰীৰ হেঁপাহ নপলোৱা হ'ল। শেহত তাইৰ চকুযোৰ নিজে নিজে মুদ খাই আহিল। কিন্তু সপোনতো তাই ডাঙৰ তৰা দুটাই জিলমিলাই থকা দেখিলে। ■

একবিংশ অধ্যায়

আল্মত আৰু কি কি ঘটিল

তেতিয়া পৰ্বতবোৰৰ পিছপিনেদি বেলি ওলাই পঞ্জাটোৰ আৰু নামনিৰ উপত্যকাত সোণালী কিৰণ বিলাবলৈ ধৰিছিলহে মাত্ৰ। সদায় কৰাৰ দৰে আজিও নিচেই পুৱা ককাই পঞ্জাটোৰ বাহিৰ ওলাই চৌদিশৰ পৰ্বতবোৰ আৰু নামনিৰ উপত্যকাৰ পাতল কুঁৱলি মাৰ যাবলৈ ধৰা আৰু ৰাতি-দিনৰ দোমোজাৰ ছাঁৰ পৰা মুকলি হৈ প্ৰকৃতিয়ে নতুন দিনৰ আৰম্ভণি কৰা নীৰৱে মন দি চাই আছিল।

চাওঁতে চাওঁতে পুৱাৰ ডাৱৰবোৰ ক্ৰমাৎ বেছিকৈ উজলি আহিবলৈ ধৰিলে আৰু বেলিটো পূৱাকৈ ভাস্বৰ হৈ শিলবোৰ, হাবি-বননিবোৰ আৰু পৰ্বতৰ টিংবোৰ সোণালী পোহৰেৰে ধুৱাই দিলে।

তেতিয়া আল্মমামা ওভতি গৈ পঞ্জাটোত সোমাল আৰু সন্তৰ্পণে জখলাডালেৰে আটাললৈ উঠি গ'ল। সেই মাত্ৰকে ক্লাৰাৰ টোপনি ভাগিছিলহে আৰু ঘূৰণীয়া খিড়িকীখনৰে উজ্জ্বল কিৰণবোৰ আহি বিছনাখন উজলাই দি তাত নাচি থকা তাই বিস্ময়েৰে চাবলৈ ধৰিছিল। তাইনো কি দেখিছে আৰু ক'ত আছে তাই প্ৰথমতে ঠাৱৰ কৰিব পৰা নাছিল। তেনেতে তাই ওচৰত শুই থকা হাইডিক দেখিলে আৰু ককাকৰ সাদৰ প্ৰশ্নটো শুনিলে, "টোপনি ভাল হৈছিলনে? তোমাৰ ভাগৰ লাগিছেনে বাৰু?"

তাইৰ ভাগৰ লগা নাই বুলি আৰু প্ৰথম টোপনি অহাৰ পাছত এবাৰো সাৰ পোৱা নাই বুলি তাই ককাকক আশ্বাস দিলে। সেইবাৰে ককাকক সন্তোষ দিলে আৰু তেওঁ লগে লগে কামত লাগিল। তেওঁ ক্লাৰাৰ আলপৈচান ইমান বঢ়িয়াকৈ ধৰিলে যেন ৰুগীয়া শিশুৰ যত্ন লোৱা আৰু সিহঁতক আৰামত ৰখাটোহে তেওঁৰ জীৱন-জোৰা বৃত্তি আছিল।

অলপ পাছতে হাইডিয়ে সাৰ পালে। ককাকে ইতিমধ্যে ক্লাৰাক কাপোৰ-কানি পিন্ধাই ডাঙি তললৈ নিব ধৰা দেখি তাই আচৰিত হ'ল। তায়ো সিহঁতৰ লগ দিব লাগে বুলি তাই ভাবিলে। সেয়ে তাই বিজুলী-বেগেৰে পৰিপাটি হৈ জখলাৰে নামি বাহিৰ পালেগৈ। ওলায়েই ককাকে কৰি থোৱা কামখিনি দেখি তাই তবধ লাগিল। আগদিনা ৰাতি সিহঁতে শুবলৈ যোৱাৰ

পিছত ককাকে ক্লাৰাৰ চকা-লগোৱা বহল চকীখন ঘৰৰ ভিতৰত সুমুৱাৰ উপায় চিন্তিবলৈ ধৰিছিল। চকীখন চাই পঁজাটোৰ দুৱাৰখন ঠেক কাৰণে সেইখন পঁজাটোত থব নোৱাৰি। তেতিয়া তেওঁৰ মনত বুদ্ধি এটা খেলাল। তেওঁ কাম-কৰা চালি-ঘৰটোৰ বেৰবোৰ কাঠৰ বহল তক্তাৰে কৰা আছিল। তেওঁ সেইটোৰ পাছফালৰ তক্তা দুখন সোলোকাই উলিয়ালে। তেতিয়া চকীখন চালি-ঘৰটোত সুমুৱাব পৰাকৈ বাট ওলাল। তেওঁ সেইপিনেদি চকীখন সেইটোত সুমুৱালে আৰু তক্তাদুখন আগৰদৰে লগাই থলে। কিন্তু আগলৈ খুলিব পৰাকৈ সেই দুখনত তেওঁ গজাল নামাৰিলে।

ককাকে সেই তক্তাদুখন আগতেই খুলি থৈছিল। হাইডি সেইখিনি পায়গৈ মানে তেওঁ চকীখনত ক্লাৰাক বহুৱাই সেইখন ঠেলি চালি-ঘৰটোৰ পৰা ধাতিপুৱাৰ ৰ'দলৈ ওলাই আহিবলৈ ধৰিছিল। তেওঁ ক্লাৰাৰ সৈতে চকীখন নিৰাপদ ঠাই এটুকুৰাত থৈ ছাগলীৰ কোঠাটোলৈ গ'ল। হাইডি দৌৰি গৈ ক্লাৰাৰ কাষ পালে।

পুৱাৰ চেঁচা ৰিব্‌ৰিব্ বাই ছোৱালীহালৰ গালে-মুখে যেন হাত বুলালে আৰু প্ৰতিছাটি নতুন বতাহে সিহঁতলৈ ফাৰগছৰ সুবাস লৈ আহিল। ক্লাৰাই দীঘল দীঘলকৈ উশাহ লৈ আগতে কেতিয়াও অনুভৱ নকৰা সুস্বাস্থ্যৰ অনুভূতি লৈ চকীখনত আওজি বহিল।

জীৱনত তেতিয়ালৈকে ক্লাৰাই ঘৰৰ চাৰিবেৰৰ বাহিৰত মুকলি আকাশৰ তলত পুৱাৰ নতুন বতাহত উশাহ লৈ পোৱা নাছিল। এতিয়া পৰ্বতৰ অদূষিত, গা-জুৰোৱা শীতল বতাহত উশাহ লব পৰাটোৱেই তাইক অতি তৃপ্তি দিছিল। লগতে আছিল পুৱাৰ মিঠা আৰু উজ্জ্বল কিন্তু গৰম নোহোৱা ৰ'দ। সেয়া মৰমলগাকৈ তাইৰ হাতত আৰু ভৰিৰ কাষৰ ঘাঁহত পৰি ঈষৎ উষ্ণতা আনি দিছিল। আল্মখন এনে মোহময় হব পাৰে বুলি তাই কল্পনাই কৰিব পৰা নাছিল।

চকীখনত ঘূৰি ঘূৰি ৰংমনেৰে কেওফালৰ বতাহ আৰু ৰ'দ লৈ লৈ ক্লাৰাই কৈ উঠিল, "তোমালোকৰ সতে ময়ো যদি ইয়াত চিৰকাল থাকিবলৈ পাৰিলোঁহেতেন!"

খুচিত দগ্‌মগ্ হৈ হাইডিয়ে উত্তৰ দিলে, "আল্মত ককাৰ ঘৰখন পৃথিৱীৰ সবাতোকৈ মনোৰম বুলি মই তোমাক আগতেই কোৱা নাছিলোঁনে?"

ঠিক তেতিয়াই ছাগলীৰ কোঠাটোৰ পৰা ওলাই ককাক ছোৱালী দুজনীৰ কাষ পালেগৈ। তেওঁ দুবাটি বৰকৰ দৰে বগা ফেনিল গাখীৰ লৈ আহিছিল। তেওঁ এবাটি ক্লাৰাক আৰু বাকী বাটি হাইডিক দিলে। ক্লাৰালৈ চাই মূৰ দুপিয়াই ককাই কলে, "ইয়েই আমাৰ অকমানি জীজনীৰ উপকাৰ কৰিব। এইয়া শ্চেনলিনৰ গাখীৰ। খালে বল পাবা। খোৱা।"

ছাগলীৰ গাখীৰ ক্লাৰাই কেতিয়াও খাই পোৱা নাছিল। সেই কাৰণে সেইয়ানো কেনে বুজ লবলৈ তাই প্ৰথমতে সুঙি চালে। কিন্তু হাইডিয়ে তাইৰ ভাগৰখিনি এশাৰো নোবোৱাকৈ অতি আগ্ৰহেৰে পি শেষ কৰা যেতিয়া ক্লাৰাই দেখিলে, তেতিয়া সেইয়া খাই হাইডিয়ে খুব সোৱাদ পোৱা বুলি তাই বুজিলে। তেতিয়া ক্লাৰায়ো পিবলৈ আৰম্ভ কৰিলে। তাই গাখীৰখিনি চেনি আৰু ডালচেনি মিলোৱা যেন আৰু ইমান মিঠা আৰু জুতিলগা পালে যে তাই বাটিটোত এটোপাও নৰখাকৈ পি খালে।

ক্লাৰাই হাইডিক অনুকৰণ কৰা দেখি ককা সন্তোষিত হ'ল। তেওঁ কলে, "কাইলৈ আমি দুবাটিকৈ খাম দেই।"

ছাগলীজাক লৈ পিটাৰ পালেহি। ছাগলীজাকে হাইডিক আগুৰি ধৰি পুৱাৰ সম্ভাষণ জনাবলৈ আৰম্ভ কৰিলে। সিহঁতৰ প্ৰত্যেকেই তাইক নিজৰ ফুৰ্তি আৰু মৰম জনাবলৈ বেবনিবে অৰিয়াঅৰি লগাওঁতে কোৰ্হাল হবলৈ ধৰিলে। সেয়ে আল্মমামাকে পিটাৰক একাষৰীয়াকৈ মাতি নিলে যাতে তেওঁৰ কথাখিনি সি ভালকৈ শুনে।

"মন দি শুন," মামাকে পিটাৰক কলে। "আজিৰ পৰা স্নেন্‌লিয়ে যি কৰিব খোজে তাকে কৰিবলৈ দিবি। আটাইতকৈ ভাল ঘাঁহ ক'ত পায় তাই জানে। সেইকাৰণে তাই ওপৰলৈ উঠিব খুজিলে তই পিছে পিছে যাবি। তাকে কৰিলে বাকীবোৰৰো ভাল হব। তই সদায় যোৱাতকৈ তাই বেছি ওপৰলৈ উঠিব খুজিলে তই বাধা নিদি তাইক অনুসৰণহে কৰিবি। শুনিছনে? তই অলপ ওপৰলৈ উঠিবলগীয়া হ'লে তোৰ একো ক্ষয়-ক্ষতি নহয়। তাইৰ যলৈ খুচি যাবলৈ দিবি কাৰণ এই বিষয়ে তাইৰ বুজ তোতকৈ বেছি। তাই আটাইতকৈ ভাল ঘাঁহ পালেহে উৎকৃষ্ট গাখীৰ দিব পাৰিব। ঐ, কাৰোবাক খাওঁ খাওঁ যেনকৈ সৌপিনে কি চাই আছ? তোক কোনোৱে একো কৰা নাই। এতিয়া যা কথাখিনি মনত ৰাখিবি।"

মামাকৰ হুকুম মানি চলা পিটাৰৰ অভ্যাস আছিল। সেই কাৰণে সি তৎক্ষণাৎ যাত্ৰা আৰম্ভ কৰিলে। কিন্তু সি চকুপকাই বাৰে বাৰে পিছলৈ চোৱাৰ পৰা সহজে বুজা গ'ল যে তাৰ মনত কিবা অশান্তিয়ে বাহ লৈছে। ছাগলীজাকে তাৰ পিছ লওঁতে সিহঁতৰ ঠেলাঠেলিত হাইডি কিছুদূৰ আগবাঢ়ি গ'ল। পিটাৰে সেইটো ভাল পালে।

"তয়ো যাব লাগিব," পিটাৰে ডাবি দিয়া দি হাইডিক কল। "মই স্নেন্‌লিৰ পিছ লব লাগিলে তয়ো যাব লাগিব।"

"মই যাব নোৱাৰোঁ," দূৰৰ পৰাই হাইডিয়ে উত্তৰ দিলে। "তোৰ লগত আৰু বহুত দিনলৈ যাব নোৱাৰোঁ; ক্লাৰা আমাৰ ইয়াত থাকে মানে যাব

নোৱাৰোঁ। কিন্তু ককাই কৈছে, অলপতে আমি তালৈ একেলগে যাব পাৰিম।"

এইবুলি কৈ হাইডিয়ে ছাগলীহঁতৰ লগ এৰি ক্লাৰাৰ কাষলৈ লৰি গ'ল। তেতিয়া পিটাৰে ক্লাৰাৰ চকীখনলৈ চাই হাত দুখন মুঠি মাৰি লৈ এনে ভয়ানকভাৱে ভুকুৱাৰ দৰে ভঙ্গী কৰিলে যে ছাগলীবোৰে ভয়তে কোবেৰে একাষৰীয়া হ'ল। সিও সেই মাত্ৰকে সিহঁতৰ পিছ লৈ দৌৰিবলৈ আৰম্ভ কৰিলে। এবাৰো নোৰোৱাকৈ দৌৰি দৌৰি মামাকৰ তাৰ পৰা তাক নেদেখা হলতহে সি ৰ'ল। কথা হ'ল, সি ক্লাৰাক তেনেকৈ ভুকুৱা যেন কৰা আত্মমামাকে দেখা বুলি তাৰ সন্দেহ হৈছিল। সেয়ে মামাকৰ ভয়তে সি তেনেকৈ দৌৰিছিল।

ক্লাৰা আৰু হাইডিয়ে সেইদিনা ইমান কিবাকিবি কৰাৰ কথা ভাবিছিল যে সিহঁতে প্ৰথমতে কোনটো কৰিব ঠিৰাং কৰিব নোৱৰা হ'ল। কিছুপৰ গুণা-গঁথা কৰাৰ পাছত হাইডিয়ে আইতাকলৈ চিঠি লিখাৰ প্ৰস্তাৱ দিলে। আল্মত দীঘলীয়াকৈ থাকি ক্লাৰাই ভাল পাব বুলি আৰু তাত থাকিলে তাইৰ স্বাস্থ্যৰো উন্নতি হব বুলি আইতাক পূৰা পতিয়ন যোৱা নাছিল। সেয়ে দিনটো ক'ত কি হৈছে জনাই তেখেতলৈ দিনৌ এখনকৈ চিঠি লিখিব বুলি ছোৱালী দুজনীয়ে আইতাকক কথা দিবলগীয়া হৈছিল। আইতাকে ঠিক কৰিছিল যে এই চিঠিবোৰ পঢ়ি তেখেত আল্মলৈ কেতিয়া যোৱাৰ প্ৰয়োজন হৈছে গম পাব আৰু তেনে দিন নহালৈ তেখেত ৰাগাৎচতেই শান্তিৰে থাকিব পাৰিব।

আইতাকলৈ ৰিপোৰ্ট পঠিয়াবলৈ ক্লাৰাৰ মন গ'লেও বাহিৰৰ ইমান মনোৰম পৰিবেশ এৰি পঁজাটোত সোমাবলৈ তাইৰ ভাল লগা নাছিল। সেয়ে তাই সুধিলে, "চিঠিখন লিখিবলৈ পঁজাটোত সোমাব লাগিবনে ?"

এই সমস্যাটো সমাধানৰ উপায় হাইডিয়ে জানিছিল। চকুৰ পচাৰতে তাই লৰি গৈ পঁজাটোত সোমাল আৰু তাইৰ স্কুলৰ বস্তুবোৰ আৰু তিনিঠেঙীয়া টুল এখন লৈ ওলাই আহিল। ক্লাৰাই লিখিব পৰাকৈ হাইডিয়ে তাইৰ পাঠ্যপুথিখন আৰু বহীটো ক্লাৰাৰ কোলাত থলে। বেঞ্চৰ কাষত তিনিঠেঙীয়া টুলখন থৈ তাই নিজে তাত বহিল। তাৰ পিছত দুয়ো তাত ঘটা ঘটনাবোৰৰ কথা আইতাকলৈ লিখিবলৈ ধৰিলে।

কিন্তু প্ৰতিটো বাক্য লিখাৰ পাছত কলমটো থৈ ক্লাৰাই চাৰিওফালে নাচাই নোৱৰা হ'ল। কি যে মধুৰ দৃশ্য ! বতাহ তেতিয়া আগৰ সমান চেঁচা নাছিল। সেই বতাহ সিহঁতৰ গাল-মুখৰ চাৰিওকাষে বলি সিহঁতক যেন বিচিহে আছিল আৰু ফাৰকেইডালৰ লগত যেন মিঠাকৈ ফুচফুচাই কথাহে পাতিছিল; কণকণ বৰণীয়াল কীট-পতঙ্গবোৰে মুকলি বতাহত নাচি-বাগি গুণগুণাই আছিল; ৰ'দে ভৰা প্ৰকৃতিৰ গোটেইখনতে পৰম প্ৰশান্তি বিৰাজ কৰিছিল; পৰ্বতৰ সুউচ্চ

শিলাময় শৃঙ্গবোৰ প্ৰকাণ্ড আৰু গহীন-গম্ভীৰ যেন লাগিছিল; বিস্তীৰ্ণ উপত্যকাখন যেন নীৰৱ শান্তিয়ে আবৰি থৈছিল। মাত্ৰ মাজে মাজে দুই-এটা ছাগলীৰখীয়া ল'ৰাৰ আনন্দৰ বিং শুনা গৈছিল আৰু তাৰেই প্ৰতিধ্বনি পৰ্বতে-কন্দৰে ৰণিত হৈছিল।

সিহঁতে তম্ভিব নোৱৰাকৈয়ে ৰাতিপুৱাটো পাৰ হ'ল আৰু ককাকে ভাপ ওলাই থকা বাটি দুটা লৈ সেইখিনিত ওলালহি। আকাশত বেলি থকালৈকে সকু জীয়ৰীজনীৰ সতে তেওঁলোক পঁজাৰ বাহিৰত থকাই ভাল বুলি তেওঁ কলে। সেয়ে আগদিনাৰ দৰে দুপৰীয়াৰ আহাৰ পঁজাটোৰ বাহিৰতে বঢ়া হ'ল আৰু তৃপ্তিৰে খোৱাও হ'ল। তাৰ পিছত চকীখন হাইডিয়ে ঠেলি নি ফাৰকেইজোপাৰ তলত থলে। হাইডিহঁতে ঠিক কৰিছিল যে ভাটিবেলা সিহঁতে ফাৰৰ ছাঁত বহি মেল মাৰিব; হাইডি ফ্ৰাঙ্কফুৰ্টৰ পৰা অহাৰ পৰা ক'ত কি ঘটিছে দুয়ো দুয়োকে কব। হাইডি অহাৰ পাছত ফ্ৰাঙ্কফুৰ্টৰ দিনবোৰ সাধাৰণ ধৰণে অতিবাহিত হলেও হাইডিয়ে ভালকৈ চিনি পোৱা জেচেমান ঘৰোৱাহৰ প্ৰত্যেকৰে বিষয়ে কবলৈ ক্লাৰাৰ বহুতো কথা আছিল।

এনেকৈ ফাৰৰ তলত দুয়ো কথা পাতি থাকিল। সিহঁতৰ কথাৰ উচ্ছ্বাস বঢ়াৰ লগে লগে ওপৰত চৰাইবোৰৰ কল্‌কলনিও সিমানেই বাঢ়িল। তলৰ মেলখন সিহঁতৰো ভাল লাগিছিল আৰু তাত সিহঁতেও যোগ দিবলৈ খুজিছিল। তেনেকৈয়ে সময় যাবলৈ ধৰিলে আৰু সিহঁতে গম নোপোৱাকৈয়ে গধূলি হ'ল। ছাগলীজাকো তেতিয়া হুৰমুৰকৈ নামি আহিল। সিহঁতৰ পিছে পিছে খং উঠি থকা মানুহৰ দৰে কপালৰ গাঁঠি খোপা কৰি সিহঁতৰ নেতা পিটাৰো আহিল।

পিটাৰৰ বোৱাৰ মতলব নাই যেন পাই হাইডিয়ে চিঞৰি মাত দিলে, "'শুভ গধূলি' পিটাৰ।"

"'শুভ গধূলি' পিটাৰ," ক্লাৰায়ো মিঠাকৈ কলে।

সি কিন্তু উত্তৰ নিদি খঙতে কোবোহনি মাৰি ছাগলীজাক খেদি আগবাঢ়িল।

ককাকে ধুনীয়া শ্চেন্‌লিক খীৰাবলৈ ছাগলীৰ কোঠাটোলৈ নিয়া দেখি সুগন্ধি গাখীৰ খাবলৈ ক্লাৰাৰ হঠাতে ইমান তীব্ৰ হেঁপাহ হ'ল যে ককাকে গাখীৰখিনি লৈ অহালৈ তাই ৰবলৈ নোৱাৰা হোৱা যেন পালে। নিজৰ এনে আচৰণত তাই নিজেই আচৰিত হ'ল।

"বৰ অদ্ভুত কাণ্ড এটা হৈছে হাইডি," তাই কলে। "মোৰ মনত পৰাৰে পৰা মই বাধ্যত পৰিহে খাইছিলোঁ; যিহকেই নাখাওঁ কিয় সকলোবোৰ কডলিভাৰ তেলৰ দৰে বিস্বাদ লাগিছিল। সেয়ে মই সদায় ভাবিছিলোঁ, 'নোখোৱাকৈ থাকিব পৰা হলে।' আৰু এতিয়া? ককাই গাখীৰ অনালৈ মই ধৈৰ্য্য ধৰি ৰবলৈয়ে টান পাইছোঁ।"

"অঁ, কথাটোৰ মই বুজ পাওঁ," হাইডিয়ে একেমত হৈ কলে। তাই ফ্রাঙ্কফুর্টত থাকোঁতে খোৱাবস্তুবোৰ তাইৰ ডিঙিত লাগি ধৰা যেন আৰু সেইয়া কোনোমতেই গিলিব নোৱাৰা হোৱাৰ কথা তাইৰ মনত পৰিল। ক্লাৰাই অৱশ্যে হাইডিৰ কথাযাৰৰ উহ ধৰিব নোৱাৰিলে।

ইমান ওপৰৰ বলকাৰক পৰ্বতীয়া বতাহত খোৱা দূৰৰ কথা, ক্লাৰাই জীৱনত কাহানিও আজিৰ দৰে মুকলি বতাহত খাই পোৱা নাছিল। ককাকে সৰু বাটি দুটাত গাখীৰ লৈ আহোঁতে ক্লাৰাই তাঁইৰ ভাগৰটো তৎক্ষণাত ললে। লগে লগেই ককাকক ধন্যবাদ জনাই ইমান আগ্ৰহেৰে তাই পিবলৈ ধৰিলে যে তাইৰ গাখীৰ বাটি হাইডিতকৈ আগতে শেষ হ'ল। শুদা বাটিটো ককাকলৈ আগবঢ়াই দি তাই সুধিলে, "মোক আৰু অলপ দিবানে?"

সন্তুষ্ট হৈ ককাকে মূৰ দুপিয়ালে আৰু দুয়োৰো বাটি দুটা লৈ তেওঁ পঁজাটোত সোমালগৈ। এইবাৰ ওলাই আহোঁতে বাটি দুটা তেওঁ কিহবাৰে ঢাকি আনিছিল। ঢাকনী দুখন কিন্তু সাধাৰণ ঢাকনীৰ দৰে নাছিল।

সেইদিনা আবেলি মায়েনজেচ্ নামৰ সেউজীয়া হৈ থকা ঠাইডোখৰৰ গুৱাল এঘৰলৈ ককা গৈছিল। সেই ঘৰে দেখিবলৈ উজ্জ্বল আৰু সোণালীৰঙৰ মিঠা মাখন কৰিছিল। তেওঁ তাৰ পৰা মাখনৰ সুন্দৰ গোলাকাৰ বল এটা আনিছিল। এতিয়া তেওঁ ৰুটি দুচকল কাটি তাৰ ওপৰত মিঠা মাখন ডাঠকৈ লগাই দিছিল। সেয়াই তেওঁ বাটিৰ ওপৰত ঢাকনীৰ দৰে লৈ আনিছিল। ছোৱালীহঁতৰ ৰাতিৰ সাঁজ সেয়াই আছিল। দেখিলেই খাওঁ খাওঁ লগা সেই দুচকল দুয়ো তৎক্ষণাত লৈ ডাঙৰ ডাঙৰ কামোৰ মাৰি খাবলৈ আৰম্ভ কৰিলে। ৰংমনেৰে তাতেই থিয় হৈ ককাকে দুয়োৰো খাৱন চাবলৈ ধৰিলে।

পিছত শুবৰ সময়ত ক্লাৰাই বিছনাৰ পৰা তিৰ্বিৰাই থকা তৰাবোৰ আকৌ চাবলৈ লওঁতে হাইডিৰ দৰে তাইৰো চকু লগে লগে মুদ খাই আহিল আৰু তাইৰ আগতে কেতিয়াও নোহোৱা ধৰণৰ গভীৰ, স্বাস্থ্যকৰ টোপনিত ক্লাৰা লাল্‌কাল হ'ল।

তাৰ পাছদিনা আৰু তাৰো পাছৰ দিনা একে আমোদজনক ধৰণে দিন দুটা গ'ল। তৃতীয় দিনা ছোৱালীহঁতৰ কাৰণে এটা বিস্ময়জনক ঘটনা ঘটিল। সেইদিনা দুটা বলী বনুৱাই পিঠিত দুখন বিছনাৰ বোজা লৈ পৰ্বত বগাই আহিবলৈ ধৰা দেখা গ'ল। সেইদুখন তুলি, লেপ, বিছনাচাদৰ আদিৰে একেধৰণে সজোৱা আছিল; ওপৰখিনি একেবাৰে নতুন, পৰিষ্কাৰ দুখন 'বেডকভাৰে'ৰে ঢকা আছিল। বনুৱাইতে আইতাকে লিখা চিঠি এখনো আনিছিল। চিঠিখনত তেখেতে লিখিছিল যে সেই দুখন ক্লাৰা আৰু হাইডিৰ বাবে আৰু খেৰৰ বিছনা আঁতৰাই এই দুখন পাৰিব লাগে। হাইডিয়ে এতিয়াৰে

পৰা এনে আচল বিছনাত শুব লাগিব। আৰুকালি তাৰে এখন ডৰ্ফলিলৈ নমাই আনিলেও বাকীখন পঁজাটোতেই যেন ৰখা হয়। সেয়ে হ'লে জহকালি ক্লাৰা আকৌ তালৈ গলে সেইখনত শুব পাৰিব। চিঠিখনত আইতাকে দীঘলীয়া চিঠিবোৰৰ বাবে দুয়োকে ধন্যবাদ জনাইছিল আৰু আগলৈও দিনৌ একোখনকৈ লিখি থাকিবলৈ উদগাইছিল। কাৰণ সিহঁতৰ চিঠিৰ পৰা তেখেত নিজে পঁজাটোত থকাৰ দৰে সিহঁতৰ বিষয়ে সকলো কথা তেখেতে জানিব।

ককা পঁজাটোত সোমালগৈ আৰু হাইডিহঁতৰ বিছনাৰ খেৰবোৰ আঁতৰাই দ'ম এটা কৰিলে। তাৰ পিছত তেওঁ নামি গৈ বিছনা দুখন চাঙত তুলিবলৈ বনুৱা দুটাক সহায় কৰি দিলে। ছোৱালী দুজনীয়ে পুৱা আৰু গধূলিৰ পোহৰ খিড়িকীখনেৰে ভিতৰলৈ সোমোৱা চাই নথৈ আনন্দ পাই বুলি তেওঁ জানিছিল। সেই কাৰণে বিছনাদুখনত শুই শুই খিড়িকীখনেৰে বাহিৰলৈ দুয়ো সমানে ভালকৈ দেখাকৈ তেওঁ বিছনাদুখন লগ লগাই পাৰিলে।

আল্মৰ পৰা দিনৌ তেখেতলৈ পঠোৱা ৰিপোৰ্টবোৰ পঢ়ি আইতাক আনন্দিত হ'ল আৰু তেখেত ৰাগাৎচতেই থাকিল।

ক্লাৰা তাইৰ নতুন জীৱনৰ প্ৰতি ক্ৰমান্বয়ে বেছি মুগ্ধ হৈ আহিবলৈ ধৰিলে। তাইলৈ ককাকৰ মৰম-চেনেহ আৰু তেওঁ তাইৰ সযত্নে আলপৈচান ধৰাৰ কথা কৈ তাই যেন শেষ কৰিব নোৱৰা হ'ল। ফ্ৰাঙ্কফুৰ্টত থকাতকৈ হাইডিও এতিয়া বেছি ফুৰ্ত্তিবাজ আৰু কৌতুকীয়া হ'ল। এতিয়া নিতৌ পুৱা সাৰ পাই ক্লাৰাৰ মূৰত খেলোৱা প্ৰথমবাৰ চিন্তা হ'ল, "ঈশ্বৰৰ অশেষ কৃপা যে মই এতিয়াও আল্মতেই আছোঁ।"

এনে ৰঙীয়াল খবৰবোৰে আইতাকক দিনৌ নতুন আনন্দৰে অভিভূত কৰিছিল। তেখেতে বুজিছিল যে ক্লাৰাৰ যতন লবলৈ তেখেতে আৰু ততাতৈয়াকৈ আল্মলৈ যোৱাৰ সকাম নাই। আল্মলৈ যাবনলগীয়া হোৱাই তেখেতৰ অৱশ্যে বেজাৰ লগা নাছিল। ঘোঁৰাত উঠি আল্মৰ থিয় গৰাৰে ওপৰলৈ উঠা আৰু তললৈ নমা তেখেতৰ বাবে কষ্টকৰ আছিল।

তেওঁৰ তত্ত্বাৱধানত থকা সৰু ছোৱালীজনীৰ ভালৰ হকে ককা নিশ্চয় বিশেষকৈ আগ্ৰহী হৈছিল। এদিনো বাদ নিদিয়াকৈ তেওঁ সদায় তাইক বলী কৰাৰ নতুন নতুন উপায় ভাবি উলিয়াইছিল। আজিকালি প্ৰতিটো আবেলি তেওঁ পৰ্বতত ফুৰিবলৈ গৈছিল আৰু ক্ৰমাৎ বেছি ওপৰলৈ যোৱা কৰিছিল। সদায় তেওঁ তাৰ পৰা বাচি-বিচাৰি সুগন্ধি শাক-পাত একোছাকৈ আনিছিল। সেইবোৰৰ সুবাস বহুত দূৰৰ পৰাই পোৱা গৈছিল। সেই গোন্ধে পিটাৰৰ গোটেইজাক ছাগলীকেই আকৰ্ষণ কৰিছিল। গোন্ধটো কিহৰ সিহঁতে ধৰিব পৰা কাৰণে সিহঁতে বেবাই, জঁপিয়াই আৰু ঠেলা-হেঁচা কৰি সেইবোৰ খোৱা

ককাৰ ছাগলী-ঘৰটোত সোমাবলৈ চেষ্টা কৰিছিল। ককাই কিন্তু সিহঁত সোমাব নোৱাৰাকৈ দুৱাৰখন কপ্‌কপিয়াকৈ মাৰি থৈছিল। তেওঁ নিজে পৰ্বত বগাই গোটাই অনা সেই দুষ্প্ৰাপ্য শাক-পাতবোৰ ছাগলীজাকে নিজে কোনো কষ্ট নকৰাকৈ খাবলৈ পোৱাটো তেওঁ পছন্দ নকৰিছিল। তেওঁ সেইবোৰ শ্চেন্‌লিক খুৱাইছিল যাতে তাই আৰু বেছি উপকাৰী গাখীৰ দিব পাৰে। শ্চেন্‌লিৰ প্ৰতি এনে বিশেষ যত্ন লোৱাৰ সুফল সোনকালেই দেখা গৈছিল তাই মূৰটো বেছি খৰতকীয়াকৈ আছাৰিব পৰা হ'ল আৰু তাইৰ চকুৰ জেউতিও জুইশিখা যেন উজ্জ্বল হ'ল।

ক্লাৰা আল্মলৈ অহা তৃতীয় সপ্তাহত সোমাল। যোৱা কেইদিনমানৰ পৰা পুৱা ক্লাৰাক চকীত বহুৱাবলৈ ডাঙি আনোঁতে ককাকে তাইক কৈছিল, 'মাত্ৰ এখন্তেক মাটিত থিয় দিবলৈ আইকণে চেষ্টা নকৰিবানে?'

তেওঁ ইচ্ছা কৰাৰ দৰেই মাটিত খোজ দিবলৈ ক্লাৰাই চেষ্টা কৰি লগে লগেই কৈ উঠিছিল, 'আঃ, বৰ লাগিছে' আৰু ককাকক টানকৈ সাবটি ধৰিছিল। কিন্তু ককাকে প্ৰতিদিনাই তাই চেষ্টা কৰাৰ সময় অলপ অলপকৈ বঢ়াই গৈছিল।

এইবাৰৰ দৰে মধুৰ জহকালি আল্মত বহুত বছৰ হোৱা নাছিল। নিতৌ মেঘহীন নীলা আকাশত কিৰণময় বেলিটো জিলিকি আছিল; সৰু সৰু ফুলবোৰে পূৰ্ণবিকশিত হৈ জকমকাই আছিল আৰু ওপৰৰ বেলিটোৱে যেন সুবাস ছটিয়াই দিছিল; অস্তগামী সূৰুযে বেঙেনাবুলীয়া আৰু সোণালী ৰং শৃঙ্গবোৰত আৰু বৰফৰ পথাৰবোৰত বিলাই দি নিজে জ্বলন্ত সোণৰ সাগৰত অদৃশ্য হৈ গৈছিল।

এই সৌন্দৰ্য্যৰ অলৌকিক ৰূপ ওপৰৰ চৰণীয়া পথাৰতহে পূৰাকৈ উপলব্ধি কৰিব পাৰি বুলি হাইডিয়ে তাইৰ বান্ধৱীক বাৰে বাৰে সোঁৱৰাই দিছিল। তাই ওপৰৰ হেলনিৰ ঠাই এটুকুৰাৰ কথা বৰ উচ্ছ্বাসেৰে কৈছিল। সেইখিনিত জিক্‌মিক্ সোণালী পাহাৰী-গোলাপ ভৰি আছিল; তাত ব্লুবেল ফুলবিধ ইমানকৈ ফুলিছিল যে ঘাঁহবোৰো নীলা যেন দেখা হৈছিল; ওচৰতে সৰু বাদামী ৰঙৰ ফুলৰ ডাঙৰ জোপোহাবোৰ গোন্ধত আমোলমোলাই আছিল; সেই ডোখৰত বহিবলৈ মন নোযোৱাকৈ কোনো থাকিব নোৱাৰিছিল। আৰু এবাৰ বহিলে উঠি আহিবলৈ মন নোযোৱা হৈছিল। ফাৰ গছৰ তলত বহি হাইডিয়ে আজি ক্লাৰাক ওপৰৰ ফুল, অস্তগামী সূৰুয আৰু জুই জ্বলি থকা শৃঙ্গৰ কথা কওঁতে কওঁতে ওপৰৰ চৰণীয়া পথাৰলৈ যাবলৈ তাইৰ অন্তৰ অতি বিয়াকুল হৈ উঠিল। তাই হঠাতে জাঁপ মাৰি থিয় হ'ল আৰু কাম কৰা চালি-ঘৰটোত কাঠ কাটি থকা ককাকৰ কাষলৈ বুলি লৰ ধৰিলে।

ককাকৰ ওচৰ নাপাওঁতেই তাই ডাঙৰকৈ কলে, "কাইলৈ আমাৰ লগত ওপৰৰ চৰণীয়া পথাৰলৈ যাবানে? এতিয়া সেইখন যে কি অপৰূপ হৈ পৰিছে!"

"মই মান্তি," ককাকে সন্মতি জনালে। "কিন্তু মোৰ অকমাণি জীজনীয়ে মোক অনুগ্ৰহ এটা কৰিব লাগিব। আজি গধূলি থিয় হ'বলৈ তেওঁ একান্তমনে যত্ন কৰিব লাগিব।"

আনন্দত কিৰিলিয়াই হাইডিয়ে শুভ খবৰটো দিবলৈ ক্লাৰাৰ কাষলৈ লৰি উভতি গ'ল। ককাকে যিমানবাৰ ইচ্ছা কৰে সিমানবাৰ থিয় হ'বলৈ ক্লাৰাও মান্তি হ'ল। কাৰণ ওপৰৰ মনোৰম চৰণীয়া পথাৰলৈ যাবলৈ পাব বুলি তাইৰ আনন্দৰ শেষ নোহোৱা হ'ল। হাইডিৰ মনটোও ফুৰ্ত্তিৰে ভৰি গ'ল। সেইদিনা গধূলি পিটাৰক নামি অহা দেখিয়েই তাই চিঞৰি কৈ উঠিল, "পিটাৰ, পিটাৰ, কাইলৈ আমি তোৰ লগত যাম আৰু দিনটো তাতেই থাকিম।"

উত্তৰত পিটাৰে খঙাল ভালুকৰ দৰে গৰ্‌গৰালে আৰু তাৰ কাষে কাষে কুকুৰ-খুজীয়া গতিৰে আহি থকা নিৰ্দোষী ডিষ্টেলক এটা প্ৰচণ্ড কোব শোধাবলৈ টোকোনডাল ডাঙিলে। খৰতকীয়া ডিষ্টেলে কিন্তু ঠিক সময়তে পিটাৰৰ ভঙ্গী লক্ষ্য কৰিছিল আৰু সি শ্চেন্‌লিৰ ওপৰেৰে জাপ মাৰি পলাল। ফলত পিটাৰৰ টোকোনডালে বতাহতে সোঁ-সোঁৱালে।

সেইদিনা ৰাতি গভীৰ প্ৰত্যাশা লৈ ক্লাৰা আৰু হাইডি সিহঁতৰ সুন্দৰ বিছনা দুখনত শুবলৈ গ'ল। পিছদিনাৰ বাবে জল্পনা-কল্পনা কৰাত দুয়ো ইমান মজিল যে দুয়ো সেইবোৰ কথাকেই পাতি গোটেই নিশাটো সাৰে থাকিব বুলি ঠিৰাং কৰিলে। কিন্তু দুয়ো কোমল গাৰু দুটাত মূৰ থলে কি নথলেই, আচম্বিতে দুয়োৰো কথা বন্ধ হ'ল। সপোনত ক্লাৰাই এখন বিস্তীৰ্ণ পথাৰ উজ্জ্বল নীলা ফুলেৰে ইমান ঠাহ খাই থকা দেখিলে যে সেই ঠাইখিনিয়েই আকাশৰ দৰে নীলা হৈ পৰিছে। আৰু সপোনত হাইডিয়ে বিয়াগোম উকহটোৱে চিঞৰি তললৈ জনোৱা শুনিলে, "আঁহা, আঁহা, আঁহা।"

দ্বাবিংশ অধ্যায়
আচম্বিত অভাৱনীয় কাণ্ড এটা ঘটিল

পিছদিনা নিচেই পুৱাই আন্মমামা পঁজাটোৰ পৰা ওলাই আহিল আৰু দিনটোলৈ বতৰ কেনে হ'ব পাৰে অনুমান কৰিবলৈ চাৰিওফালে চালে।

তেতিয়া সুউচ্চ টিংবোৰত ৰঙা-সোণালী আভা বিয়পি পৰিছিল; শীতল বতাহ এছাটি লাগি ফাৰকেইজোপাৰ ডালবোৰ হালিব-জালিব ধৰিছিল আৰু বেলিটো ওলাবলৈ ধৰিছিল।

বুঢ়াজন কিছুপৰ বৈ টিংবোৰৰ তলৰ অংশৰ পৰ্বতবোৰ সোণালী হৈ জিলিকিবলৈ ধৰা, উপত্যকাখনৰ পৰা আন্ধাৰ ছাঁ লাহে-ধীৰে নোহোৱা হৈ তাত গোলাপী পোহৰ পৰিবলৈ আৰম্ভ কৰা আৰু পুৱাৰ সোণালী ৰহন লাগি পৰ্বত-ভৈয়াম সকলো জলমলাই উঠা চাই ৰ'ল। ৰাতি পুৱাল।

তেতিয়া তেওঁ ক্লাৰাৰ কণীয়া চকীখন কাম চালি-ঘৰটোৰ পৰা উলিয়াই আনি ভ্ৰমণৰ বাবে সাজু কৰি সেইটোৰ দুৱাৰমুখত থলে। তাৰ পিছত তেওঁ বাহিৰৰ সুন্দৰ, ফৰকাল পুৱাৰ কথা ছোৱালীহঁতক কবলৈ আৰু সিহঁতক উলিয়াই আনিবলৈ পঁজাটোত সোমাল।

ঠিক তেতিয়াই পৰ্বত বগাই পিটাৰ পঁজাটো পালেহি। আনদিনাৰ দৰে ছাগলীজাকে আজি বিশ্বাসেৰে তাৰ কাষে কাষে বা তাৰ অলপ আগে আগে বা পিছে পিছে অহা নাছিল। বৰং তাক এৰাই আলেঙে-আলেঙে ডেও দি দি আহিছিল। কাৰণ আজি সি পগলাৰ দৰে ওচৰত পোৱাবোৰক বেচ দুখ পোৱাকৈ কোবাই-মেলি আহিছিল। তাৰ খং আৰু তিক্ততাই আজি শীৰ্ষবিন্দু পাইছিলগৈ। যোৱা কেইসপ্তাহ সি হাইডিক আগৰ দৰে অকলে পোৱা নাছিল। সি পুৱা আহোঁতে অচিনাকি ছোৱালীজনীক চকীত বহুৱাই বাহিৰলৈ অনা হৈছিল আৰু হাইডি তাইৰ লগত লাগি আছিল। গধূলি সি উভতোতে ছোৱালীজনীৰ সতে চকীখন ফাৰগছৰ তলত আছিল আৰু তেতিয়াও হাইডিয়ে তাইৰ বাবে কিবাকিবি কৰি ব্যস্ত হৈ আছিল। এইবেলি গোটেই জহকালি তাই চৰণীয়া পথাৰলৈ যোৱাই নাই। আজি যিবা ওলাইছে, চকীখন আৰু ছোৱালীজনীও লগতে যাব। হাইডি তাইৰ লগতে নিশ্চয় গোটেই দিনটো ব্যস্ত হৈ থাকিব। আজিৰ দিনটো এনেকৈয়ে যাব বুলি সি ঠিকেই আন্দাজ কৰিলে। সেয়ে তাৰ গুপ্ত খঙে ব্ৰহ্মতালু চুলেগৈ। তেনেতে চকাদুটাৰ ওপৰত বুটনিৰে

ৰৈ থকা চকীখন তাৰ চকুত পৰিল। সেইখনেই বহুত ধৰণে তাৰ অনিষ্ট কৰিছে। আজি আৰু বেছি কৰিব। সেয়ে সেইখনলৈ সি পৰম শত্ৰুক চোৱাদি চালে।

পিটাৰে ইপিনে-সিপিনে চালে। গোটেইখন নিজম। কতো কাৰো সাৰ-সুৰ নাই। তেতিয়াই সি বলিয়া হোৱাদি হুৰমুৰকৈ চকীখনৰ পিনে লৰি গ'ল। সি সেইখন ধৰি খণ্ডতে ইমান জোৰেৰে পৰ্বতৰ গৰাৰ পিনে ঠেলি দিলে যে সেইখন চলিবলৈ ধৰি গৰাৰে বাগৰি খন্তেকতে অদৃশ্য হৈ গ'ল।

লগে লগেই সি উৰি যোৱাৰ দৰে অতি বেগেৰে আম্মৰ ওপৰলৈ দৌৰিবলৈ ধৰিলে আৰু গৈ গৈ ডাঙৰ জোপোহা এটা পাওঁতেহে ৰ'ল। সি আম্মমামাকৰ চকুত ধৰা পৰিব খোজা নাছিল কিন্তু চকীখনৰনো কি হ'ল জানিবলৈ আগ্ৰহী হৈছিল। এই দুয়োটা কামৰ বাবে জোপোহাটোৰ অৱস্থান সুবিধাজনক আছিল, কাৰণ সেইটো পৰ্বতৰ গাৰ পৰা আগবাঢ়ি ওলোৱা শিল এছটাৰ ওপৰত আছিল। আম্মমামাকে বিচাৰিলে সি সেইটোৰ পিছফালে থিতাতে লুকাব পাৰিব। অথচ সেইটোৰ অলপ আঁৰ লৈ সি আম্মৰ তললৈকে দেখা পাব। সি তাকে কৰি যিটোহে দৃশ্য দেখিলে।

তাৰ শত্ৰু চকীখন ইতিমধ্যে কোবেৰে তললৈ নামিছিল আৰু সেইখনৰ গতিবেগ ক্ৰমাৎ বাঢ়ি আছিল; সেইখনে বাৰে বাৰে খৰ-বাগৰ মাৰিছিল; একোবাৰ সেইখনে ওপৰলৈ জঁাপ একোটা মাৰি আকৌ মাটিত থেকেচা খাই পৰিছিল; আৰু শেহত বাগৰি বাগৰি গৈ থাকোঁতে চুচুৰ্মৈ হবলৈ ধৰিছিল। চকীখনৰ ভঙা খণ্ডবোৰ চাৰিওফালে চিটিকি গৈছিল; চকী, কুছন, পিঠি আদি সকলোবোৰ যেন কিহবাই ওপৰলৈ দলিয়াই দিছিল।

তাকে দেখি পিটাৰে ভৰি দুখন একেলগ কৰি ওপৰলৈ জঁপিয়াবলৈ, ঢেকঢেকাই হাঁহিবলৈ, আনন্দত মাটিত গোৰোহনি মাৰিবলৈ আৰু চক্ৰাকাৰে নাচি নাচি বাৰে বাৰে একেঠাইলৈ আহি তললৈ চাবলৈ ধৰিলে। তলৰ অৱস্থাটো দেখি পিটাৰে আকৌ নতুনকৈ হাঁহিবলৈ আৰু নাচিবলৈ ধৰিলে। তাৰ শত্ৰু ধ্বংস হোৱাই সি আনন্দত একো নাই হ'ল কাৰণ এই কাণ্ডটোৰ পৰা সি বহুত সুফল আশা কৰিলে। অদ্ভুত ছোৱালীজনীৰ এতিয়া লৰচৰ কৰাৰ উপায় নোহোৱা হোৱা কাৰণে তাই উভতি যাবলৈ বাধ্য হ'ব। হাইডি তেতিয়া অকলশৰীয়া হ'ব; তাৰ লগত পুনৰ চৰণীয়া পথাৰলৈ আহিবলৈ লব; পুৱা আৰু গধূলি সি আহোঁতে তাই পঁজাত থাকিব আৰু জীৱন আকৌ আগৰ দৰেই সুন্দৰ হ'ব। সেই আনন্দৰ মুহূৰ্ত্তত বেয়া কাম কৰাৰ মানেনো কি আৰু তাৰ ফলাফল কি হ'ব পাৰে তাৰ মনত একেবাৰেই নেখেলাল।

ইতিমধ্যে হাইডিয়ে আনন্দত জঁপিয়াই পঁজাটোৰ বাহিৰ ওলাল আৰু কামকৰা চালিখনলৈ লৰ ধৰিলে। ক্লাৰাক কোলাত লৈ ককাকো তাইৰ পিছে

পিছে আহিল। কামকৰা চালিখনৰ দুৱাৰখন পূৰা মেল খাই আছিল আৰু তক্তা দুখনো আঁতৰাই থোৱা আছিল। সেয়ে ব'দ সোমাই কোঠাটোৰ আঁতৰৰ চুকবোৰো পোহৰ কৰি থৈছিল। হাইডিয়ে কোঠাটোৰ বাহিৰেৰে চাৰিওফালে দৌৰি পাক মাৰি আহিল। তাই বৰ আচৰিত হৈ পৰা দেখা গ'ল।

তেনেতে ককাক ওলালহি আৰু তাইক সুধিলে, "কি হৈছে হাইডি? তুমি চকীখন ঠেলি নি ক'ৰবাত থৈছা নেকি?"

"সেইখন মই সকলোতে বিচাৰিলোঁ ককা", হাইডিয়ে উত্তৰ দিলে। "তুমি দেখোন সেইখন কামকৰা চালিখনৰ দুৱাৰমুখত থোৱা বুলি কৈছিলা? ক'তা?"

ইতিমধ্যে বতাহৰ কোব বাঢ়িবলৈ ধৰিছিল। কামকৰা চালিখনৰ দুৱাৰখন বতাহত ঘট্মটাই উঠিল আৰু হঠাতে সেইখনে বেৰত প্ৰচণ্ড খুন্দা খালেগৈ।

"ককা, বতাহেই কাণ্ডটো কৰিলে," হাইডিয়ে কৈ উঠিল। কথাটো ভাবোঁতেই তাইৰ চকু ভমক্কৈ উঠিল। "বতাহে চকীখন নি যদি ডৰ্ফলি পোৱাইছিলগৈ তেন্তে সেইখন আনোঁতে আনোঁতে আজি আমাৰ যোৱা আৰু নহবই।"

ককাকে পঁজাটোৰ চুকটোৰে গৈ নামনিলৈ চাই ক'লে, "তললৈ বাগৰি গৈছে যদি সেইখন ইতিমধ্যে শতখণ্ড হৈছে আৰু তুলি আনিব পৰা নাযাব।" পিছলৈ ঘূৰি তেওঁ চকীখন থোৱা অদূৰৰ ঠাইখিনিলৈ চাই ক'লে, "এনে অদ্ভুত কাণ্ড কেনেকৈ হ'ল বা!" কাৰণ তললৈ বাগৰিবলৈ হলে চকীখনে পঁজাটোৰ চুকটোৰে প্ৰথমতে পাক মাৰিব লাগিব।

"ছেঃ, কিযে কেলেঙ্কাৰিখন হ'ল! আমি এতিয়া যাব নোৱাৰোঁ," শোকাকুল হৈ ক্লাৰাই কলে। "চকীখন নাই যেতিয়া মই ঘৰলৈ উভতিবই লাগিব। ছেঃ কিযে কাণ্ডটো হ'ল!"

হাইডিয়ে কিন্তু ককাকলৈ গভীৰ আস্থাৰে চাই ক'লে, "ককা, ক্লাৰাই থিতাতে উভতিবলগীয়া নহবলৈ তুমি কিবা উপায় উলিয়াব পাৰিবা; নোৱাৰিবানে?"

"আমি এইবাৰ ওপৰৰ চৰণীয়া পথাৰলৈ নিশ্চয় যাম। তাৰ পিছত কি হয় দেখা যাব," ককাকে উত্তৰ দিলে।

ছোৱালীদুজনীয়ে ৰঙতে কিৰিলিয়াই উঠিল।

ককাক পঁজাটোলৈ গৈ কেইখনমান কম্বল, চাদৰ উলিয়াই আনিলে। সেইয়া তেওঁ ভালকৈ ৰ'দপৰা ঠাই এটুকুৰাত পাৰি তাত ক্লাৰাক বহুৱালে। তাৰ পিছত তেওঁ ছোৱালী দুজনীলৈ পূৰাৰ গাখীৰ লৈ আহিল। শ্ৰেন্‌লি আৰু ৰেব্‌লিকো তেওঁ বাহিৰলৈ উলিয়াই আনিলে।

"আজি সি ইমান পলম কিয় বা কৰিছে?" ককাই নিজকে সুধিলে কাৰণ পিটাৰৰ সুহুৰিটো তেতিয়াও বজা নাছিল।

তেওঁ ক্লাৰাক দুহাতেৰে ডাঙি ললে। "বেচ্, এতিয়া ব'লা। ছাগলীদুজনীও আমাৰ লগতে আহক।"

এই ব্যৱস্থাটো হাইডিয়ে বেচ ভাল পালে। তাই এখন হাতেৰে শ্চেন্‌লিৰ ডিঙিটো মেৰাই ধৰিলে আৰু আনখনেৰে বেৰ্‌লিকো তেনেকৈ ধৰি ককাকৰ পিছ ললে। হাইডিৰ লগত যাবলৈ পাই সিঁহতে ইমান ভাল পালে যে মৰমতে দুফালৰ পৰা হেঁচোতে হাইডি মৰিবলগীয়া যেন হ'ল।

চৰণীয়া পথাৰখন পাই তেওঁলোকে ছাগলীবোৰে সৰু সৰু জুম হৈ হেলনিখনৰ অ'ত-ত'ত চৰি ফুৰা দেখিলে। পিটাৰ সিহঁতৰ মাজত ঘাঁহত বাগৰি আছিল।

"ঐ কানীয়া, আৰু এবাৰ আমাক এৰাই আহিলে মই তোৰ ভূত জাৰিম। কিয় এনে কৰিছিলি?" আল্মমামাকে তাক ডাবি দি সুধিলে।

সেই পৰিচিত মাতটো শুনি পিটাৰ একেচাবে উঠি বহিল। "কোনো উঠা নাছিল", সি উত্তৰ দিলে।

"চকীখনৰ চিনচাব কিবা দেখিছিলিনে?" আল্মমামাকে সুধিলে।

"কিহৰ চিনচাব?" পিটাৰে প্ৰতিবাদ কৰাৰ সুৰত সুধিলে।

ককাই আৰু একো নামাতিলে। তেওঁ পৰ্বতৰ ঢালৰ ৰ'দ পৰা ঠাই এটুকুৰাত কাপোৰ কেইখন পাৰি ক্লাৰাক তাত বহুৱালে আৰু তাই আৰাম পাইছেনে সুধিলে।

"চকীত বহাৰ দৰেই আৰামত আছোঁ ককা", ধন্যবাদ জনাই ক্লাৰাই ক'লে। "আৰু সবাতোকৈ শুৱনি ঠাইটুকুৰাত মই আছোঁ। কিযে ধুনীয়া হাইডি, কিমান যে সুন্দৰ!" চৌপাশে চাই চাই ক্লাৰাই ক'লে।

ককা উভতিবলৈ ওলাল। তেওঁ সিহঁতক লগে-ভাগে ফূৰ্ত্তি কৰি থাকিবলৈ ক'লে। দুপৰীয়া খোৱাৰ সময় হ'লে হাইডিয়ে তেওঁ গছৰ ছাঁত থোৱা মোনাটো আনিব লাগিব। সিহঁতক গাখীৰ যিমান লাগে পিটাৰে খীৰাই দিব। সি যাতে শ্চেন্‌লিকহে খীৰায় সেইটো হাইডিয়ে মন কৰিব লাগিব। চকীখনৰ বিচাৰ-খোঁচাৰ কৰি সেইখনৰ কি হ'ল গম লোৱাটো এতিয়া তেওঁৰ মুখ্য কাম হ'ব।

কতো এচপৰাও মেঘ নথকা তেতিয়াৰ নিৰ্মল আকাশখন ঘন নীলা আছিল। সিহঁতকৈ ওপৰত থকা বিশাল বৰফনিখনত হাজাৰ হাজাৰ সোণালী আৰু ৰূপালী তৰাই তিৰবিৰাই থকা যেন লাগিছিল। তাহানিৰেপৰা থকাৰ দৰে ওপৰৰ ধূসৰ, শিলাময় শৃঙ্গবোৰে দৃঢ় আৰু সুউচ্চ হৈ নামনিৰ উপত্যকাখনলৈ

গহীনাই চাই আছিল। বিয়াগোম উকহটোৱে মন্থৰগতিৰে দুলি দুলি ওপৰৰ নীলাৰ মাজত সোমাইছিল। পৰ্বতীয়া বতাহ শৃঙ্গবোৰৰ কাষেৰে বলি আহি ৰ'দ ভৰা আলমখন জুৰাইছিল। এনেহেন পৰিবেশত ছোৱালীদুজনী সীমাহীন সুখত আপ্লুত হ'ল। মাজে-মাজে সৰু ছাগলী একোটা আহি সিহঁতৰ কাষত খন্তেক বহি জিৰাইছিল। অৱশ্যে মৰম আকলুৱা স্নেহোপলিয়েই বেছি ঘনাই আহিছিল আৰু তাইৰ সৰু মূৰটো হাইডিৰ গাত ঘঁহাই থৈছিল; আকটোৰ আন কোনোবোটো আহি তাইক খেদি নপঠায় মানে তাই তেনেকৈয়ে ৰৈছিল। এনেকৈয়ে ক্লাৰাই গোটেইবোৰ ছাগলী চিনি পোৱা হ'ল। সিহঁতৰ সকলোৰে মুখ আৰু ভাও-ভঙ্গী সুকীয়া সুকীয়া হোৱা কাৰণে তাই এজনীক আন কোনোবাজনী বুলি ভাবি ভুল নকৰা হ'ল।

ছাগলীবোৰেও ক্লাৰাক ভালকৈ চিনি পোৱা হ'ল কাৰণে সিহঁতেও ক্লাৰাৰ কাষলৈ আহি সিহঁতৰ মূৰবোৰ ক্লাৰাৰ পিঠিত ঘঁহাই দিছিল। সিহঁতে হাইডিহঁতলৈ সিহঁতৰ মৰম আৰু বন্ধুত্ব প্ৰকাশৰ সেইটোহে একমাত্ৰ উপায় আছিল।

এনেকৈ কেবাঘণ্টাও যোৱাৰ পিছত ওপৰৰ ফুল ভৰি থকা ঠাইডোখৰলৈ গৈ ফুলবোৰ যোৱাবেলিৰ দৰে ধুনীয়া হৈ ফুলিছেনে নাই চোৱাৰ কথা হাইডিৰ মনত খেলাল। গধূলি ককাক আহি পালে ক্লাৰাৰ লগত তালৈ যাব পৰা হ'ব কিন্তু তেতিয়ালৈ কিজানি ফুলবোৰে চকু মুদিব। তালৈ যাবলৈ হাইডিৰ আগ্ৰহ ক্ৰমাৎ উদগ্ৰ হবলৈ ধৰিলে আৰু শেহত তাই মনটোক বাধা দিব নোৱাৰিলে। সেয়ে তাই সঙ্কোচেৰে কওঁ-নকওঁকৈ ক্লাৰাক সুধিলে, "ক্লাৰা, তোমাক খন্তেকলৈ অকলে এৰি মই লৰ মাৰি আহিলে বেয়া পাবানে? ওপৰৰ ফুলবোৰ কেনে হৈ আছে চাই আহিবলৈ মোৰ কিমানযে মন গৈছে। কিন্তু ৰ'বা"— তেনেতে কথা এটা হাইডিৰ মনত খেলাল। তাই জাপ মাৰি একাষলৈ গৈ সুন্দৰ, সেউজীয়া ঘাঁহ-পাত কেইজোপামান ছিঙিলে। তাকে দেখি স্নেহোপলিয়ে তৎক্ষণাত তাইৰ কাষলৈ লৰি আহিল। হাইডিয়ে তাইক ডিঙিত সাবটি ধৰি ক্লাৰাৰ কাষলৈ নিলে।

"এইয়া, তুমি অকলশৰীয়া হ'ব নালাগে", এইবুলি হাইডিয়ে স্নেহোপলিক ক্লাৰাৰ কাষলৈ ঠেলি দিলে। ছাগলীজনীয়ে কথাটো বুজি পাই ক্লাৰাৰ কাষত বহি পৰিল। তেতিয়া হাইডিয়ে ক্লাৰাৰ কোলাত ঘাঁহ-পাত কেইকোছা থলে। আনন্দিত হৈ ক্লাৰাই হাইডিক যাবলৈ কলে। তাই আৰু কলে যে ছাগলীজনীৰ সঙ্গত তাই অকলে থাকিবলৈ অকণো বেয়া নাপায়। ক্লাৰাই এনেকৈ অকলশৰে কাহানিও থাকি পোৱা নাছিল।

হাইডি লৰি গুছি গ'ল আৰু ক্লাৰাই স্নেহোপলিৰ মুখৰ আগত এটা এটাকৈ

পাত দিবলৈ ধৰিলে। শ্নেহোপ্‌লি ইমান চেনেহী আছিল যে তাই নতুন বান্ধৱীৰ গাত গা ঘঁহাই বহিল আৰু তাইৰ আঙুলিৰ পৰা পাত লৈ খাবলৈ ধৰিলে। জাকটোত থাকিলে ডাঙৰ, বলী ছাগলীবোৰে তাইক সদায় আমনি কৰিছিল। গতিকে এই আশ্ৰয়ত চুপ্‌-চাপ্‌ হৈ শান্তিৰে শুই থাকিবলৈ পাই তাই অতি সন্তুষ্ট হোৱা সহজে চকুত পৰিছিল। ক্লাৰাৰ ওপৰত আস্থা থকা আৰু তাইলৈ নিঃসহায়ৰ দৰে চাই থকা এজনী অকমানি ছাগলীৰ সঙ্গত সম্পূৰ্ণ অকলশৰে পৰ্বতখনত বহি থকাৰ অভিজ্ঞতাই ক্লাৰাৰ মনটো মিঠা-মধুৰ ভাবেৰে ভৰাই দিলে। সদায় আনৰ কৃপাপ্ৰাৰ্থী নহৈ নিজেই নিজৰ দায়িত্ব ল'ব পৰা আৰু আনকহে সহায় কৰিব পৰা হবলৈ তাইৰ মনত গভীৰ কামনা জাগিল। আগতে কেতিয়াও নভবা-নিচিন্তা অসংখ্য কথা এতিয়া তাইৰ মনত খেলাবলৈ ধৰিলে। বেলিৰ উজ্জ্বল পোহৰত জীৱনটো নিয়াবলৈ আৰু এতিয়া শ্নেহোপ্‌লিক সুখী কৰাৰ দৰে কাৰোবাক আনন্দ দিব পৰাকৈ কিবা কৰিবলৈ তাইৰ মনত এটা আচৰিত বাসনাই জন্ম পালে। তাইৰ অন্তৰ এবিধ একেবাৰেই নতুন আনন্দৰে ভৰি গ'ল। তাইৰ এনে লাগিল যেন তাই আগতে দেখা সকলো বস্তু এতিয়া আগতকৈ বেলেগ আৰু বেছি ধুনীয়া হৈ পৰিব। এনেবোৰ ভাব আৰু চিন্তাত তাই ইমান সন্তুষ্ট আৰু সুখী হ'ল যে শ্নেহোপ্‌লিৰ ডিঙিটো দুহাতেৰে সাৱটি ধৰি তাই কৈ উঠিল, "এই আল্মখন যে কি অপৰূপ। তোৰে সৈতে মই সদায় ইয়াত থাকিব পৰা হলে!"

ইতিমধ্যে হাইডিয়ে ফুলেৰে ভৰি থকা ঠাইখিনি পালেগৈ আৰু আনন্দত চিঞৰি উঠিল। গোটেই হেলনিখন উজ্জ্বল সোণেৰে যেন ঢাক খাই আছিল; পাহাৰী গোলাপবোৰ জল্‌মলাই আছিল; সেইবোৰৰ ওপৰেদি ব্লুবেল ফুলৰ ডাঠ, ঘন থোপাবোৰে মূৰ দুপিয়াই আছিল আৰু কোনোবাই যেন অমূল্য বালচামৰ পিয়লা উজাৰি সেই ৰ'দভৰা ঠাইডোখৰৰ আকাশ-বতাহ তীব্ৰ সুগন্ধেৰে ভৰাই দিছিল। অৱশ্যে এই সুগন্ধ বিলাইছিল সোণালী ফুলবোৰৰ মাজত বিনয়েৰে ভুমুকি মাৰি থকা কণ কণ বাদামী ফুলবোৰে। হাইডিয়ে নিশ্চল হৈ বৈ চাৰিওফালে চাবলৈ আৰু দীঘল দীঘল উশাহেৰে সেই মিঠা সুবাস লবলৈ ধৰিলে। হঠাতে তাই ঘূৰিল আৰু উত্তেজনাত ফোপাই-জোপাই ক্লাৰাৰ কাষলৈ লৰ ধৰিলে।

ক্লাৰাৰ কাষ পোৱাৰ আগতেই হাইডিয়ে চিঞৰি ক'লে, "তুমি যেনে তেনে আহিবই লাগিব ক্লাৰা। ফুলবোৰ যে কি সুন্দৰ। গোটেইখনেই যে কি মনোমোহা। কিন্তু গধূলি হকা অহালৈ এই সৌন্দৰ্যৰ চাগৈ একোৱেই নাথাকিব। মই কিজানি তোমাক ডাঙি লৈ যাব পাৰিম। নোৱাৰিম জানো?"

আচৰিত হৈ ক্লাৰাই উত্তেজিত হাইডিলৈ চালে আৰু মূৰ জোকাৰিলে।

"তোমাৰো যে কথা হাইডি। তুমি মোতকৈ বহুত সৰু। হায়, মই খোজ কাঢ়িব পৰা হলে।"

হাইডিয়ে তেতিয়া আন কিবা উপায় উলিওৱাৰ কথা ভাবি ইফালে-সিফালে চালে। অলপ আঁতৰৰ ওখ ঠাইখিনিত বহি পিটাৰে ছোৱালীদুজনীলৈ ব' লাগি চাই আছিল। পুৱাৰে পৰা সি তাতে বহি সিহঁতলৈ তেনেকৈ চাই আছিল; সি তাৰ চকুকেই বিশ্বাস কৰিবলৈ টান পাইছিল। সেই অচিনাকি ছোৱালীজনীক লৈ হাইডিৰ ব্যস্ততা অন্ত পেলাবলৈ আৰু সেইজনীৰ চলন-ফুৰণ বন্ধ কৰিবলৈ সি তাৰ শত্রু যেন চকীখন ধ্বংস কৰিছিল। কিন্তু অলপ পাছতেই তাই এইখিনিতে ওলালহি আৰু তাৰ সমুখতে তাই হাইডিৰ কাষত বহি আছে। এইটো অসম্ভৱ হলেও সত্য ঘটনা। যেতিয়াই সি সেইফালে চাইছিল সেই একে দৃশ্যই দেখিছিল।

হাইডিয়ে ওপৰমুৱা হৈ তালৈ চালে। "পিটাৰ, ইয়ালৈ আহ", খাটাং নির্দেশ দিয়াদি হাইডিয়ে তাক মাতিলে।

"নাযাওঁ," সি উত্তৰ দিলে।

"কিন্তু তই আহিবই লাগিব। মই এইটো অকলে কৰিব নোৱাৰোঁ। তই হাত উজান দিব লাগে। বেগতে আহ।"

"নাযাওঁ," সি আকৌ সমিধান দিলে।

তেতিয়া হাইডিয়ে তাৰ পিনে লৰি অলপ দূৰ গৈ ৰ'ল। "পিটাৰ, তই যদি এইমাত্র নাহ, মই এনে এটা কাণ্ড কৰিম যে তই পস্তাবি। মোৰ কথাটো খাটাং।"

এই কথাষাৰে পিটাৰক যেন ছুৰিহে মাৰিলে। সি ভয়ত পেপুৱা লাগিল। সি কৰা বেয়া কামটোৰ কথা সদৰী হ'ব নালাগিব। সেইটো কথা কোনোৱে নাজানে বুলি তেতিয়ালৈ সি ফুর্তিত আছিল। কিন্তু হাইডিয়ে এনেকৈ কৈছে যে তাই কথাটো ভালকৈয়ে জানে। তাই গোটেই কথাটো কিজানি ককাককো ক'ব। পিটাৰে তেওঁকেই সবাতোকৈ বেছি ভয় কৰিছিল। তেওঁ যদি চকীখনৰ কি হ'ল গম পায়। সি কথাটো যিমানেই ভাবিলে তাৰ ভয় সিমানেই বাঢ়িব ধৰিলে। সি থিয় হ'ল আৰু তালৈ বৈ থকা হাইডিৰ কাষ পালেগৈ।

"মই যাম কিন্তু তই সেইখন নকৰিবি", ভয়তে অতি নিমাখিত হৈ সি কথাষাৰ ক'লে। সেইষাৰ শুনি তালৈ হাইডিৰ পুতৌ ওপজিল।

"নকৰোঁ দে," তাক আশ্বাস দিবলৈ তাই কথা দিলে। "এতিয়া মোৰ লগত ব'ল। তোক যি কৰিবলৈ দিম তাত তই ভয় খাবৰ একো নাই।"

ক্লাৰাৰ কাষ পায়েই হাইডিয়ে নির্দেশ দিবলৈ আৰম্ভ কৰিলে। পিটাৰে একালে ক্লাৰাৰ বাউসিত ধৰিব, তাই আনটো কালে ধৰিব আৰু দুয়ো মিলি

ক্লাৰাক ডাঙি তুলিব। তেনে কৰা হ'ল কিন্তু তেতিয়াহে আচল সমস্যাটোৱে দেখা দিলে। ক্লাৰাই থিয় হ'ব নোৱাৰে যেতিয়া সিহঁতে তাইক আগবঢ়াই নিয়ে কেনেকৈ? হাইডি বহুত চাপৰ কাৰণে তাই ক্লাৰাক ওলোমাই লবও নোৱাৰে।

"তুমি এহাতেৰে মোৰ ডিঙিত ভালকৈ ধৰা, অঁ এনেকৈ। আনখন হাতেৰে পিটাৰৰ হাতত টানকৈ ধৰি তুমি ওলমা। তেতিয়া আমি তোমাক নিব পাৰিম।"

পিটাৰে তেতিয়ালৈ তাৰ হাতত কাকো ওলোমাই পোৱা নাছিল। ক্লাৰাই তাৰ হাতত ধৰিলে হয়, সি কিন্তু হাতখন টোকোনৰ দৰে ঠৰঙা কৰি তললৈ ওলোমাই ৰাখিলে।

"পিটাৰ, তেনেকৈ নহয়", কৰ্তৃত্বৰ সুৰত হাইডিয়ে কলে। "তোৰ হাতখন আঙঠিৰ দৰে ঘূৰণীয়া কৰি ল। ক্লাৰাই সেইটোৰে হাত ভৰাই ওলমিব। তই কিন্তু তোৰ হাতৰ ভাজটো কোনোমতে সুলকিব নিদিবি। তেতিয়াহে আমি আগবাঢ়িব পাৰিম।"

তাকে কৰা হ'ল কিন্তু কামটো আগ নাবাঢ়িল। পিটাৰ আৰু হাইডি অসমান আছিল কাৰণে এফালে ওখ আৰু এফালে চাপৰ হ'ল। তাতে ক্লাৰা আছিল গধুৰ। সেয়ে তাইক ওলোমোৱা টান হ'ল। ক্লাৰাই মাটিত ভৰি থৈ অলপ ভৰ লব খুজিলে কিন্তু তাই ভৰিদুখন আগবঢ়াব নোৱৰা হ'ল।

"এখন ভৰি দৃঢ়তাৰে মাটিত পাতাচোন", হাইডিয়ে পৰামৰ্শ দিলে। "আগলৈ বিষ কমিব।"

"হয়নে?" সঙ্কোচেৰে ক্লাৰাই সুধিলে কিন্তু পৰামৰ্শ মানি লৈ দৃঢ়তাৰে প্ৰথমটো খোজ দিলে আৰু তাৰ পিছত দ্বিতীয়টো খোজ। লগতে তাই উস্ আস্ কৰি উঠিল। তাৰ পিছত তাই এখন ভৰি ডাঙি বেছি সাৱধানে পিছৰ খোজটো দিলে।

"আৰে, আগৰ সমান বিষোৱা নাই দেখোন", তাই আনন্দত কৈ উঠিল।

"আকৌ চেষ্টা কৰা," হাইডিয়ে ব্যস্ত হৈ উদগালে।

ক্লাৰাই তাকে কৰিলে। তাৰ পিছত আৰু এটা খোজ। আকৌ এবাৰ আৰু হঠাতে তাই চিঞৰি উঠিল, "মই পাৰিছোঁ হাইডি, মই পাৰিছোঁ। চোৱা, চোৱা। মই এখোজৰ পিছত এখোজকৈ খোজ কাঢ়িব পৰা হলোঁ।"

হাইডিয়ে ক্লাৰাতকৈ ডাঙৰকৈ চিঞৰি উঠিল। "আৰে, আৰে, তুমি নিজে নিজে ভৰি পাতিব পৰা সঁচাকৈয়ে হ'লানে? তুমি নিজে নিজে খোজ কাঢ়িব পৰা হ'লানে? আঃ, ককা এতিয়াই আহি পোৱা হলে।" বিজয়ৰ আনন্দত তাই বাৰে বাৰে কবলৈ ধৰিলে, "তুমি খোজ কাঢ়িব পাৰিছা ক্লাৰা, তুমি পাৰিছা।"

ক্লাৰাই তেতিয়াও হাইডি আৰু পিটাৰক ধৰি আছিল। তিনিও মন কৰিলে

যে প্ৰতি খোজতে অলপ অলপকৈ ক্লাৰাৰ আত্মবিশ্বাস বাঢ়ি আহিব ধৰিছে। হাইডিৰ আনন্দ নধৰা হ'ল। "আমি এতিয়া সদায় ইয়ালৈ একেলগে আহিব পাৰিম আৰু পৰ্বতৰ যেনি মন যায় যাব পাৰিম। তুমি এতিয়া গোটেই জীৱনটো লৰি-চৰি ফুৰিব পাৰিবা। তোমাক আৰু কেতিয়াও চকীত বহুৱাই ঠেলি ফুৰাব নালাগে। তুমি ভালেও থাকিবা। এইটোৱেই আমাৰ সবাতোকৈ আনন্দৰ খবৰ।"

ক্লাৰাই হাইডিৰ কথা সৰ্বান্তঃকৰণে মানি ললে। তাইৰ বাবে কণীয়া-চকীত ওৰে দিন বন্দী হৈ থাকি জীয়াতু ভুগাৰ সলনি আন মানুহৰ দৰে সুস্থ হৈ লৰি-চৰি ফুৰিব পৰা হোৱাতকৈ ডাঙৰ সৌভাগ্য নিশ্চয়কৈ আন একোৱেই হ'ব নোৱাৰে।

ফুল ভৰি থকা পৰ্বতৰ হেলনিখন বেছি দূৰত নাছিল। ইতিমধ্যে সিহঁতে দূৰ'দত সোণালী গোলাপৰ জিলিঙনি দেখিলেই। আৰু অলপ আগুৱাওঁতে সিহঁতে ব্লুবেল ফুলৰ থোপাবোৰ দেখিলে। সেই ফুলবোৰৰ মাজে মাজে দেখা পোৱা ৰ'দ পৰি থকা মাটিয়ে যেন সিহঁতক নিমন্ত্ৰণ জনালে।

"আমি ইয়াতে বহোঁনে?" ক্লাৰাই সুধিলে।

হাইডিয়েও তাকে ভাবিছিল। দুয়ো ফুলৰ মাজত বহি পৰিল। জীৱনত প্ৰথমবাৰলৈ পৰ্বতৰ শুকান মাটিত বহি ক্লাৰাৰ মন ভৰি গ'ল। সিহঁতৰ চৌপাশ ভৰি মূৰ দুপিয়াই থকা নীলা ফুলবোৰ, জলমল্ সোণালী গোলাপবোৰ আৰু ৰঙা ফুলবোৰ আছিল। বাদামীফুলবোৰ আৰু বনৰীয়া প্ৰামৰ ফুলৰ মিঠা সুবাসত গোটেইখন আমোলমোলাইছিল। গোটেইখন ইমান ধুনীয়া, ইমান সুন্দৰ!

ক্লাৰাৰ কাষত বহি থকা হাইডিয়ে ভাবিছিল যে এইখন আজিৰ দৰে অপৰূপ আন কেতিয়াও নাছিল। তাইৰ অন্তৰত আজি কিহৰ ইমান আনন্দ আৰু বিঙিয়াই নথকাকৈ কিয় তাই আজি ৰ'ব নোৱাৰা হৈছে তাই নিজে গম পোৱা নাছিল। তেনেতে হঠাতে তাইৰ মনত পৰিল যে ক্লাৰাৰ অসুখ ভাল হ'ল আৰু চৌপাশৰ সকলো সৌন্দৰ্য্যতকৈ সেইটোহে বেছি আনন্দৰ কথা। ক্লাৰা সম্পূৰ্ণ নীৰৱ হৈ আছিল। তাই দেখা সকলো দৃশ্যই আৰু অলপ আগৰ তাইৰ অভাৱনীয় অভিজ্ঞতাই জন্ম দিয়া ভৱিষ্যতৰ আশাই তাইক পুলকিত আৰু মোহমুগ্ধ কৰি পেলাইছিল।

পিটাৰো ফুলবোৰৰ মাজত লৰচৰ নকৰাকৈ নিস্তব্ধ হৈ বাগৰি আছিল। আচলতে তাৰ টোপনি আহিছিল।

তেতিয়া পাথৰবোৰৰ আঁৰেৰে গা-জুৰোৱা মৃদু বতাহ বলি আছিল আৰু বতাহে জোপোহাবোৰৰ লগত যেন ফুচ্‌ফুচনি মেল পাতিছিল। হাইডিয়ে বৈ

ৰৈ ইফালে সিফালে দৌৰি ফুৰিছিল কাৰণ সিহঁত বহি থকা ঠাইডোখৰতকৈ বেছি ধুনীয়া ঠাই অ'ত-ত'ত আছিল; ফুলবোৰ তাত বেছি ধুনীয়াকৈ, বেছি ঘনকৈ ফুলিছিল; ফুলৰ সুবাসো তাত তীব্ৰতৰ আছিল। বতাহো কেতিয়াবা ইপিনে কেতিয়াবা সিপিনে বৈছিল। হাইডিয়ে সেইবোৰ ঠাইত একোবাৰকৈ নবহি নোৱাৰিছিল।

এনেকৈ সময় যাবলৈ ধৰিলে।

দুপৰীয়া পাৰ হৈ যোৱাৰ বহুত পিছত ছাগলীজাক গহীন হৈ ফুলভৰা হেলনিখনত ওলালহি। এইডোখৰত সিহঁতক চৰাবলৈ অনা নহৈছিল। ফুলৰ মাজে মাজে চৰিবলৈ সিহঁতেও পছন্দ নকৰিছিল। ডিষ্টেলফিঙ্কৰ নেতৃত্বত সিহঁতক কিবা উদ্দেশ্যৰে অহা সঁজাতিদল যেন দেখা গৈছিল। ছাগলীবোৰৰ সময়ৰ জ্ঞান সঠিক আছিল। ছাগলীৰখীয়াই সিহঁতক বহুত পৰ অকলে এৰি অহা নিয়ম নাছিল। আচলতে সিহঁতে বহুত পৰ আঁতৰি থকা সঙ্গীহঁতক বিচাৰিহে তালৈ আহিছিল। হেৰোৱা সঙ্গীহঁতক ফুলৰ মাজত দেখিয়েই ডিষ্টেলফিঙ্কে বেবাবলৈ আৰম্ভ কৰিলে। লগে লগে বাকীবোৰেও তাক সঙ্গ দিলত ভাল কোৰ্হাল লাগিল। পিটাৰে সাৰ পালে। সি সপোনত ক্লাৰাৰ চকীখন ক্ষত-বিক্ষত নোহোৱাকৈ ৰঙা কুছনেৰে সৈতে পঁজাটোৰ সমুখত থকা দেখিছিল। সি সাৰপাই চকীখনৰ কুছনৰ সোণালী গজালবোৰো তাৰ সমুখত ৰ'দত জিলিকি থকা দেখিলে। সেয়ে সি ভালকৈ চকু মোহাৰি আকৌ চাই দেখিলে যে সেইবোৰ সোণালী গজাল নহয়, মাটিত ফুলি থকা হালধীয়া ফুলবোৰহে ৰ'দত জলমলাব ধৰিছে। সপোনত ক্ষয়-ক্ষতি নোহোৱা চকীখন দেখি তাৰ দুৰ্ভাৱনা নোহোৱা হৈছিল। কিন্তু সাৰ পাওঁতে দুশ্চিন্তাই তাক আকৌ লগ দিলে। হাইডিয়ে কাকো নকয় বুলি কথা দিলেও তাৰ কুকামৰ বতৰা জনাজনি হয় বুলি তাৰ বৰ ভয় লাগিল। সি হাইডিৰ কথামতে সকলো কৰিবলৈ বিনয়ী আৰু ইচ্ছুক হৈ পৰিল।

ক্লাৰাক আগবদৰেই খোজ কঢ়াই আনি তিনিও চৰণীয়া পথাৰখনলৈ উভতি আহিল। হাইডিয়ে লৰালৰিকৈ গৈ খোৱাবস্তুৰে ভৰি থকা মোনাটো লৈ আহিলগৈ। তাই পিটাৰক দিয়া কথা ৰাখিবৰো হ'ল। আচলতে হাইডিয়ে যেতিয়া সি পত্তাবলগীয়া কিবা কাম তাই কৰিব বুলি পিটাৰক ভয় খুৱাইছিল, তেতিয়া তাই তাক মোনাটোৰ খোৱাবস্তুৰ ভাগ নিদিয়াৰ কথাহে ভাবিছিল, চকীখনৰ কথা ভবা নাছিল। সেইদিনা পুৱা ককাকে মোনাটোত বঢ়িয়া খোৱাবস্তু ভৰোৱা তাই ভালকৈ মন কৰিছিল। তাৰে ডাঙৰ অংশ এটা পিটাৰৰ ভাগত পৰিব বুলি জানি তাইৰ ভালো লাগিছিল। পিটাৰৰ বিৰক্তিজনক ব্যৱহাৰৰ কাৰণে সি খোৱাবস্তুৰ ভাগ হেৰুৱাব বুলি তাক বুজাবলৈহে তাই

সেইদৰে কৈছিল। তাই মোনাটোৰ পৰা এটুকুৰা এটুকুৰাকৈ পনীৰ আদি উলিয়াই তিনিভাগত ভগাওঁতে তিনিটা দ'ম হ'ল। এতিয়া পিটাৰৰ প্ৰতি সন্তুষ্ট হোৱা হাইডিয়ে ভাবিলে, 'পিটাৰে নিজৰ দ'মটোৰ ওপৰিও আমি খাবলৈ নোৱৰাখিনিও পাব।'

হাইডিয়ে দ'ম তিনটা ভগালে আৰু নিজেও ক্লাৰাৰ কাষত বহি খাবলৈ ললে। ক্লাৰাক খোজ কঢ়োৱা পৰিশ্ৰমৰ পাছত তিনিও সেইখিনি মহা তৃপ্তিৰে খাবলৈ ধৰিলে।

আৰু হাইডিয়ে ভবা মতেই হ'ল। সিহঁত দুয়োৰো পেট ভৰাৰ পাছত যিখিনি ৰ'ল সেইখিনি লগ লগাই পিটাৰক দিওঁতে প্ৰথমৰ দ'ম এটাৰমান হ'ল। পিটাৰে মুখেৰে একো নমতাকৈ আৰু অকণো নোৰোৱাকৈ খাবলৈ ধৰি শেহত ৰুটিৰ গুৰিবোৰো পৰ্যন্ত খালে। কিন্তু তথাপিও তাৰ মন আগৰ দৰে তৃপ্ত নহ'ল। সি প্ৰতি গৰাহ চোবাওঁতে তাৰ পেটৰ ভিতৰত কিহবাই তাক কুটি খাবলৈ, চেপিবলৈ আৰু মুচৰিবলৈ ধৰা যেন পালে।

সিহঁতে খাবলৈ লোৱা পলমেই হৈছিল। ফলত খাই উঠাৰ অলপ পাছতেই ককাকক আহি থকা দেখা গ'ল। লগে লগেই ককাকক পোন প্ৰথমতে শুভ খবৰটো দিবলৈ হাইডিয়ে তেওঁৰ কাষলৈ লৰ ধৰিলে। তাই পিছে ইমান উত্তেজিত হৈ পৰিছিল যে তাই কি কবলৈ খুজিছে ককাকে সহজতে আন্দাজ কৰিলে। তেওঁৰ মুখমণ্ডল ফুৰ্তিত জিলিকি উঠিল। তেওঁ খোজৰ বেগ বঢ়ালে। ক্লাৰাৰ কাষ পাই তেওঁ আনন্দত মিচিকিয়াই ক'লে, "আমি সাহিয়াল হলোঁ, নহয় জানো? আমি সঁচাকৈয়ে পাৰিলোঁও।"

তেওঁ ক্লাৰাক থিয় কৰালে, নিজৰ বাওঁহাতেৰে ক্লাৰাৰ কঁকালত সাৱটি ধৰিলে আৰু সোঁহাতখন আগবঢ়াই দিওঁতে ক্লাৰাই সেইখনত ধৰি সবল আশ্ৰয় পালে। এইবাৰ আগতকৈ কম সঙ্কোচেৰে আৰু বেছি দৃঢ়তাৰে তাই খোজ কাঢ়িবলৈ ধৰিলে। হাইডিয়ে ফুৰ্তিত কাষে কাষে চিঞৰি আৰু নাচি যাবলৈ ধৰিলে। ককাকো দেখি এনে লগা হ'ল যেন তেওঁ নিজৰ কপালহে ফুলিছে।

অলপ পাছতে ককাই হঠাতে ক্লাৰাক ডাঙি লৈ ক'লে, "এদিনতে বেছি কৰা ভাল নহয়। ঘৰলৈ যাবলৈও পলমেই হৈছে।" তেওঁ লগে লগে পঁজামুৱা হ'ল কাৰণ, এদিনৰ বাবে ক্লাৰাৰ যথেষ্ট পৰিশ্ৰম হৈছে আৰু তাই জিৰণি লোৱা আৱশ্যক।

সেইদিনা গধূলি ছাগলীবোৰ লৈ গৈ ডৰ্ফলি পাওঁতে পিটাৰে মানুহৰ জুম এটা দেখিলে। সিহঁতৰ মাজত মাটিত পৰি থকা কিবা এটা ভালকৈ চাবলৈ সিহঁতে ঠেলাঠেলি কৰি আছিল।

পিটাৰেও নাচাই নোৱৰা হ'ল কাৰণে সি ভিৰ ঠেলি জুমটোৰ ভিতৰ সোমাল। সোমায়েই সি বস্তুটো দেখিলে।

ক্লাৰাৰ চকীখনৰ মাজৰ অংশটো মাটিত পৰি আছিল। চকীখনৰ পিঠিখনৰ অৱশেষ তেতিয়াও তাত ওলমি আছিল। চকীখনৰ ৰঙা কুচনৰ অংশ আৰু সোণালী গজালবোৰৰপৰা চকীখন ভালে থাকোঁতে কিমান যে সুন্দৰ আছিল উমান পোৱা গৈছিল।

পিটাৰৰ কাষতে থিয় হৈ থকা ৰুটিৱালাই ক'লে, "এইখন বাগৰি আহি পৰোঁতে মই এইখিনিতে আছিলোঁ। এইখনৰ দাম অতি কমেও এশ ডলাৰ। এই দামৰ বিষয়ে মই বাজি মাৰিবলৈও ৰাজী। কিন্তু এই দুৰ্ঘটনাটো কেনেকৈ হ'ল মই বুজি পোৱা নাই।"

"কেলেই? বতাহে কাণ্ডটো কৰিব পাৰে বুলি দেখোন আল্মমামাই নিজেই কৈছে", চকীখনৰ ৰঙা কুছন অতিকৈ পছন্দ কৰা বাৰ্বেলে কলে।

ৰুটিৱালাই আকৌ মাত দিলে। "বতাহে কৰিলে ভালেই। আন কোনোবাই কৰা হলে কিন্তু শ'লঠেকত পৰিলেহেঁতেন। ফ্ৰাঙ্কফুৰ্টৰ ডাঙৰীয়াগৰাকীয়ে খবৰটো পালেই নিশ্চয় ঘটনাটোৰ তদন্ত কৰাব। দুৰ্ঘটনাটো ঘটাৰ সময়ত আল্মৰ পঁজাত দেখা পোৱা সকলোকে সন্দেহ কৰাৰ থল আছে। ভাগ্যে যোৱা দুবছৰে মই সেইমুৱা হোৱা নাই।"

এই বিষয়ে আন আন মতো ৰাইজে দিলে কিন্তু সেইবোৰ শুনিবলৈ পিটাৰ আৰু নৰ'ল। সি নিতান্তই নম্ৰ হৈ জুমটোৰ বাহিৰ ওলাল আৰু পৰ্বতৰ ওপৰলৈ ইমান বেগাই ঢাপলি মেলিলে যেন তাক ধৰিবলৈ ভূতেহে খেদিছে। ৰুটিৱালাৰ কথাই তাক বিষম ভয় খুৱালে। সি ঘটনাটোৰ তদন্ত কৰিবলৈ ফ্ৰাঙ্কফুৰ্টৰ বিষয়াজন আহি পায় পায় যেন আৰু তাৰ কুকামৰ কথা গম পাই তাক ধৰি ফ্ৰাঙ্কফুৰ্টৰ জেললৈ লৈ যায় যায় যেন পালে। এইবোৰ ছবি তাৰ চকুৰ আগত ভাহি উঠিল আৰু সঁচায়ে তেনে হ'ব বুলি ভাবি ভয়ত তাৰ নোম ডাল ডাল হ'ল।

আধামৰা যেন হৈ পিটাৰে ঘৰ পালেগৈ। কাকো মাতবোল নকৰাকৈ আৰু একো নোখোৱাকৈ সি একেকোবে গৈ বিছনাত পৰিল আৰু কেঁকাব ধৰিলে।

তাৰ মাক বুঢ়িটেই ক'লে, "পিটাৰলিয়ে আজি আকৌ 'চৰেল' খাইছে নিশ্চয়। সেইয়া খালেই তাৰ পেট কামোৰে।"

আইতাকে মৰমেৰে কলে, "তাক দুপৰীয়াৰ বাবে ৰুটি অলপ বেছিকৈ দিবি। কাইলৈৰ পৰা মোৰ ভাগৰেই অলপ দিবি।"

সেইদিনা ৰাতি ছোৱালীদুজনীয়ে বিছনাৰ পৰা তৰাবোলোৱা আকাশলৈ চাই থাকোঁতে হাইডিয়ে ক'লে, "আমাৰ ভালৰ কথা ঈশ্বৰে বেছি ভালকৈ জানে।

সেই কাৰণে আমাক যেনেতেনে লাগেই বুলি আমি তেওঁক খাটনি ধৰা বস্তুবোৰো তেওঁ আমাক সতকাই নিদিয়ে বুলি তুমি ভবা নাইনে?"

"এতিয়া কথাটো সুধিলাযে?" ক্লাৰাই প্ৰশ্ন কৰিলে।

"তুমি জানাই দেখোন যে মই ফ্ৰাঙ্কফুৰ্টত থাকোঁতে মোক তৎক্ষণাত ইয়ালৈ উভতাই আনিব লাগে বুলি মই ঈশ্বৰক বৰকৈ প্ৰাৰ্থনা কৰিছিলোঁ। ঈশ্বৰে তাকে নকৰোঁতে তেওঁ মোৰ প্ৰাৰ্থনা শুনা নাই বুলি মই ভাবিছিলোঁ। কিন্তু চোৱা, মই লগে লগে গুচি আহিব পৰা হলে তোমাৰ আল্মলৈ অহা নহ'লহেঁতেন; তুমি সুস্থও নহ'লহেঁতেন।"

ক্লাৰা চিন্তাত ডুব গ'ল।

"কিন্তু হাইডি, এটা কথা", অলপ পাছত ক্লাৰাই কলে। "ঈশ্বৰে যদি আমি বিচৰাতকৈ ভাল ব্যৱস্থাৰ কথা জানেই তেন্তে প্ৰাৰ্থনা কৰাৰ দৰ্কাৰেই বা কি?"

"ক্লাৰা, তুমি সঁচায়ে তেনেকৈ ভাবানে?" টপ কৰে হাইডিয়ে সুধিলে। "আমি ঈশ্বৰক সদায় প্ৰাৰ্থনা কৰা আৰু আমি পোৱা প্ৰতিটো বস্তুৰ বাবে তেওঁক ধন্যবাদ জনোৱা উচিত। তেতিয়াহে তেওঁৰ দয়াৰ কথা আমি পাহৰি যোৱা নাই বুলি তেওঁ গম পাব। আমি তেওঁক পাহৰিলে তেৰোঁ আমাক পাহৰিব বুলি ফ্ৰাঙ্কফুৰ্টৰ আইতাই মোক কৈছিল। কিন্তু জানা, আমি বিচৰা বস্তু নাপালেই তেওঁ আমাৰ প্ৰাৰ্থনা শুনা নাই বুলি ভাবিব নালাগিব; প্ৰাৰ্থনা কৰিবলৈ বাদ দিব নালাগিব। বৰং আমি এনেকৈ প্ৰাৰ্থনা কৰিব লাগিব, 'হে প্ৰভু, তুমি মোৰ বাবে ভাল কিবা ভাবি থৈছা কাৰণে আৰু যথা সময়ত আমাৰ ভাল হ'ব কাৰণে মই আনন্দিত।'"

"এইবোৰ তুমি কেনেকৈ জানিলা হাইডি?" ক্লাৰাই সুধিলে।

"প্ৰথমতে তোমাৰ আইতাৰাই মোক কৈছিল। তাৰ পিছৰ ঘটনাবোৰ ঠিক তেনেকৈয়ে হ'ল কাৰণে কথাটো মই নিজেও অনুভৱ কৰিলোঁ।" কৈ কৈ হাইডি উঠি বহিল আৰু কৈ থাকিল। "ক্লাৰা, আজি ৰাতি আমি ঈশ্বৰক একান্তমনে প্ৰাৰ্থনা কৰা উচিত। তেওঁৰ কৃপাতহে তুমি আজি খোজ কাঢ়িব পৰা হ'লা; তেওঁৰ দয়াৰ কাৰণেহে আজি আমাৰ এই পৰম সৌভাগ্য হ'ল।"

"এৰা হাইডি, তুমি ঠিকেই কৈছা", ক্লাৰাই কলে। "মোক সোঁৰৰাই দি ভালেই কৰিলা। ফূৰ্তিৰ কোবত মই পাহৰিয়েই গৈছিলোঁ।"

তেতিয়া দুয়ো প্ৰাৰ্থনা কৰিবলৈ ললে। ইমানদিনে ৰুগীয়া হৈ থকা ক্লাৰাক এনে মহান আশীৰ্বাদ দিয়া কাৰণে দুয়ো নিজা নিজা ধৰণে ঈশ্বৰক ধন্যবাদো জনালে।

পাছদিনা পুৱা ককাই ছোৱালীহঁতক পৰামৰ্শ দিলে, আল্মৰ নতুন কাওটো

চাবলৈ যেন সিহঁতে আইতাক আম্মলৈ মাতি পঠিয়ায়। ছোৱালীহালে কিন্তু এটা বেলেগ বুধিহে পাঙিলে। সিহঁতে আইতাকক বাৰুকৈ অবাক কৰি দিবলৈ খুজিলে। প্ৰথম কথা, ক্লাৰাই অলপ ভালকৈ খোজ কাঢ়িব পৰা হোৱালৈ, তাই এফালে অকল হাইডিক ধৰি কিছুদূৰ খোজ কাঢ়িব পৰা হোৱালৈ ৰব লাগিব। কিন্তু আটাইতকৈ ডাঙৰ কথা, আইতাকে কাণ্ডটোৰ একো শুং-সূত্ৰ পাব নালাগিব। পিছে তেনে অৱস্থা পাবলৈ ক্লাৰাক আৰু কিমান দিন লাগিব সেইটো ককাকেহে ঠিৰাংকৈ জানিব। তেওঁৰ মতে তাৰ বাবে এসপ্তাহেই যথেষ্ট। সেয়ে ছোৱালীদুজনীয়ে ঠিক কৰিলে যে পিছৰ চিঠিখনত আইতাকক আম্মলৈ আহিবলৈ সিহঁতে টানি নিমন্ত্ৰণ কৰিব কিন্তু নতুন কাণ্ডটোৰ কথা উল্লেখেই নকৰে।

তাৰ পাছৰ দিনকেইটা ক্লাৰাই আল্মত কটোৱা কালছোৱাৰ আটাইতকৈ সুন্দৰ দিন আছিল। সেইকেইদিন নিতৌ পুৱা সাৰ পাওঁতে তাইৰ মনত খেলাইছিল, 'মই ভাল হলোঁ; মই সুস্থ হৈ উঠিলোঁ। মই আৰু ৰুগীয়া-চকীত বহি থাকিব নালাগে। আন মানুহৰ দৰে ময়ো নিজে নিজে লৰি-চৰি ফুৰিব পাৰিম।'

তাৰ পিছতেই তাই খোজ কঢ়াৰ অনুশীলন আৰম্ভ কৰি দিছিল। প্ৰতিদিনাই তাই আগতকৈ কম আয়াসতে বেছি ভালকৈ আৰু বেছি দূৰলৈ খোজ কাঢ়িব পৰা হৈছিল। এনে পৰিশ্ৰমৰ ফলত তাইৰ ভোকো ইমান বাঢ়িছিল যে ককাকে তাইৰ ভাগৰ ৰুটিৰ চকলবোৰ ডাঙৰ কৰিবলগীয়া হৈছিল। ক্লাৰাই সেইবোৰ টপাটপ্ খাবলৈ পৰাও হৈছিল। তাকে দেখি ককাৰো মন আনন্দত ভৰি যোৱা হৈছিল। তেওঁ সিহঁতলৈ ফেনিল গাখীৰ সদায় ডাঙৰ জগত ভৰাই অনা কৰিছিল আৰু সিহঁতক বাটিয়ে বাটিয়ে বাকি দিয়া কৰিছিল।

এনেকৈয়ে সপ্তাহটো পাৰ হ'ল আৰু আইতাক অহা দিনটো পালেহি। ■

ত্ৰয়োবিংশ অধ্যায়

এতিয়া যাওঁ; আকৌ আহিম

আইতাই যিদিনা আল্ম পাব সেইদিনা পুৱাই ছোৱালীহঁতে চিঠিখন্ পোৱাকে তেখেতে আগদিনা চিঠি এখন দিছিল। সেইখনত তেখেতে কেইবজাত আল্ম পাব তাৰো সবিশেষ জনাইছিল। সেইদিনা পুৱা ছাগলী লৈ আহোতে পিটাৰে চিঠিখন লৈ আহিছিল। ইতিমধ্যে ককাই ছোৱালী দুজনীৰে সৈতে পঁজাটোৰ বাহিৰলৈ ওলাই আহিছিল। তাতে বৈ থকা শ্চেন্‌লি আৰু বেৰ্‌লিয়ে শীতল বতাহত ৰংমনেৰে মুখ জোকাৰি আছিল। ছোৱালী দুজনীয়ে সিহঁতৰ গা-মুখ পিহি মৰম কৰি আছিল আৰু চৰণীয়া পথাৰলৈ সিহঁতৰ ফূৰ্তিৰ যাত্ৰা কামনা কৰিছিল। কাষতে থিয় হৈ থকা ককাকে প্ৰথমতে ছোৱালী দুজনীৰ তেজাল মুখলৈ আৰু তাৰ পিছত পৰিষ্কাৰ আৰু চিলচিলীয়া ছাগলী হাললৈ চালে। সিহঁতক দেখি তেওঁৰ নিশ্চয় ভাল লাগিল কাৰণ তেওঁক সন্তুষ্টিৰে মিচিকিওৱা দেখা গ'ল।

পিটাৰ পালেহি। তাত বৈ থকা দলটো দেখি তাৰ বেগ কমিল। সি আল্ম-মামাকৰ হাতত চিঠিখন দিলে আৰু তেওঁ সেইখন লোৱাৰ লগেলগেই কিহবাৰ ভয়তহে যেনকৈ ঘূৰি লৰ ধৰিলে। কিছুদূৰ পাই সি ইমান খৰকৈ মুখ ঘূৰাই তাৰ পিছফালে চালে যেন আন কিহবাই তাক আতংকিত কৰি তুলিছে আৰু চকু পচাৰতে জঁাপ এটা মাৰি সি পৰ্বতৰ ওপৰলৈ বিশ্বাশবদে ঢাপলি মেলিলে।

পিটাৰলৈ আচৰিত হৈ চাই থকা হাইডিয়ে কলে, "ককা, ডাঙৰ তুৰ্কীক কোবাবলৈ টোকোন ডাঙিলে সি মুখ তল কৰি সাৰে আৰু গাটো জোকাৰি লৈ হঠাতে ওপৰলৈ জঁাপ মাৰে। পিটাৰেও দেখোন তেনেই কৰিছে।"

"সিও কিজানি তাৰ পিছফালে টোকোন এডাল দেখে আৰু সি কোব খোৱাৰ লায়ক বুলি জানে," ককাই উত্তৰ দিলে।

ক'তো নোৰোৱাকৈ দৌৰি গৈ গৈ পিটাৰে প্ৰথমখন হেলনি পাৰ হ'ল। তেতিয়া তলৰ পৰা তাক নেদেখা হ'ল। সি ৰ'ল আৰু ভয়ে ভয়ে মুখটো ঘূৰাই চাৰিওফালে চালে। হঠাতে সি ওপৰলৈ জঁাপ এটা মাৰি পিছলৈ ইমান আতংকত চালে যেন পিছৰ পৰা কোনোবাই তাৰ নেলুটো চেপিহে ধৰিছে।

সি প্ৰতিটো জোপোহা আৰু প্ৰতিটো গেজেপনিৰ পৰা ফ্ৰাঙ্কফুৰ্টৰ পুলিচ একোটাই তালৈ চোঁচা লোৱা যেন পালে। পুলিচটোৱে তাক ধৰালৈ উদ্বিগ্ন প্ৰতীক্ষা যিমানেই দীঘল হ'ল, তাৰ আতংক সিমানেই বাঢ়িল আৰু খন্তেকলৈও তাৰ মনত শান্তি নোহোৱা হ'ল।

আইতাই আহি পঁজাটো আটোম-টোকাৰি হৈ থকা যাতে পায় তাকে কৰিবলৈ হাইডিয়ে সেইটো চাফ-চিকুণ কৰিবলৈ ললে।

পঁজাটোৰ চুক-কোণ আদি সকলো এনেকৈ অতিব্যস্ত হৈ পৰিষ্কাৰ কৰা ক্লাৰাই আগ্ৰহেৰে চাইছিল। আজিও হাইডিৰ কাম-কাজ তাই ৰংমনেৰে চাবলৈ ধৰিলে।

এইবোৰত লাগি থাকোঁতে ছোৱালীহঁতে নজনাকৈয়ে পুৱাৰ আগছোৱা পাৰ হ'ল। আইতাকক অভ্যৰ্থনা কৰিবলৈ দুয়ো পঁজাটোৰ পৰা ওলাই আহিল আৰু গভীৰ প্ৰত্যাশাৰে পঁজাটোৰ সমূখৰ বেঞ্চখনত একেলগে বহিল।

তেনেতে ফুৰি-চাকি আহি ককাকেও সিহঁতৰ লগ ললে। তেওঁ পৰ্বতৰ পৰা ডাঙৰ একোছা ডাঠ নীলা জেন্টিয়ান ফুল লৈ আহিছিল। পুৱাৰ উজ্জ্বল পোহৰত সেইখিনি দেখিবলৈ ইমান মৰমলগা হ'ল যে সেইয়া দেখিয়েই ছোৱালীহঁত উৎফুল্ল হৈ উঠিল। ককাকে ফুলকোছা লৈ পঁজাটোত সোমাল। অলপ বৈ বৈ হাইডিয়ে বেঞ্চখনৰ পৰা জাঁপ মাৰি নামি গৰাৰ কাষলৈ গৈ আইতাকৰ দলটো অহা দেখা পায় নেকি চাবলৈ ধৰিলে।

অৱশেষত তাই যি ধৰণৰ দল এটা দেখিবলৈ আশা কৰিছিল ঠিক তেনে দল এটা পৰ্বত বগাই আহিব ধৰা দেখা গ'ল। প্ৰথমতে বাট দেখুওৱা মানুহ এজন; তাৰ পিছত বগা ঘোঁৰাটোত বহি আইতাকজনী; শেহত ডাঙৰ বাকচ এটা লৈ অহা বনুৱা এটা। এজাপ কম্বল আদি নোলোৱাকৈ পৰ্বতৰ ওপৰলৈ অহা মানুহ আইতা নাছিল।

দলটো ক্ৰমাৎ ওচৰ চাপি আহিল আৰু ওপৰ পালেহি। ঘোঁৰাত বহিয়েই আইতাকে ছোৱালীহঁতলৈ চালে।

"এইয়া কি কাণ্ড! ক্লেৰচেন, এইয়া মই কি দেখিছোঁ? তুমি চকীখনত বহি থকা নাই! এইটো সম্ভৱনে?" আইতাকে কৈ উঠিল আৰু শঙ্কিত হৈ ঘোঁৰাৰ পৰা খপ্ কৰে নামিল। কিন্তু তেখেত গৈ সিহঁতৰ কাষ পোৱাৰ আগতে বৈ হাত চাপৰি বজাই প্ৰচণ্ড উত্তেজনাত কৈ উঠিল, "ক্লেৰচেন, এইয়া তুমিয়েইনে? তোমাৰ গাল দুখন বস্তা আৰু আপেলৰ দৰে ঘূৰণীয়া হৈছে। সোণজনী, তোমাক চিনাই টান হৈ পৰিছে।"

এইবুলি তেওঁ ক্লাৰাৰ কাষলৈ বেগাই খোজ লবলৈ খোজোঁতেই আইতাকে নেদেখাকৈ হাইডি বেঞ্চৰ পৰা নামি থিয় হ'ল আৰু ক্লাৰাই তাইৰ কান্ধত

ধৰিলে আৰু সিহঁতে নিৰুদ্বেগ হৈ খোজ কাঢ়িবলৈ ললে। হাইডিয়ে কিবা অঘটন ঘটায় বুলি ভয়তে আইতা নিথৰ হ'ল।

কিন্তু তেখেতে চকুৰ আগতে কি দেখিছে!

হাইডিৰ কাষে কাষে সম্পূৰ্ণ পোন হৈ ক্লাৰাই স্বচ্ছন্দে খোজ কাঢ়িব ধৰিছে আৰু অলপ দূৰ গৈ সিহঁত ঘূৰি আহিল। দুয়োৰে গাল ৰঙা আৰু মুখ আনন্দ-উজ্জ্বল।

এইবাৰ আইতাক সিহঁতৰ কাষলৈ লৰি গ'ল। তেখেতে একেলগে হাঁহি-কান্দি ক্লাৰাক সাবটি ধৰিলে, তাৰ পিছত হাইডিক সাবটি ধৰিলে আৰু পুনৰায় ক্লাৰাক সাবটি ধৰিলে। প্ৰবল আনন্দত তেখেতৰ মুখৰ মাত হৰিল।

এনেতে আইতাৰ চকু আল্মমামাৰ ওপৰত পৰিল। বেঞ্চখনৰ কাষত থিয় হৈ তেওঁ তিনিওলৈ চাই সন্তোষেৰে মিচিকিয়াই আছিল। আইতাক উঠি ক্লাৰাৰ বাউসিত ধৰিলে আৰু নাতিনীয়েকৰ সৈতে সঁচাকৈয়ে খোজ কঢ়াৰ আনন্দত আপ্লুত হৈ বেঞ্চখনৰ কাষলৈ গ'ল। তাত তেখেতে ক্লাৰাক এৰি মামাকৰ দুয়োখন হাত নিজৰ হাতত ললে।

"মোৰ প্ৰিয় মামা, মোৰ অতি প্ৰিয় মামা, আপোনাক আমি কিমানৰ বাবে যে ধন্যবাদ জনাবলগীয়া হৈছোঁ। এইয়া আপোনাৰেই কৃতিত্ব। আপোনাৰ যত্ন আৰু শুশ্ৰূষাই—"

"আৰু শ্চেনলিৰ অতি উপাদেয় গাখীৰে," ক্লাৰায়ো মাত দিলে। "আইতা, ছাগলীৰ গাখীৰ মই কেনেকৈ খাওঁ তুমি দেখা হলে। কি যে ভাল গাখীৰ!"

"তোমাৰ গালতেই তাৰ চিন মই দেখিছোঁ ক্লেৰচেন," আইতাকে হাঁহি কলে। "ওহোঁ, তোমাক কোনোৰে চিনি নাপায়। তুমি নিপোটল আৰু তেজাল হৈ পৰিছা। অথচ তুমি কেতিয়াবা এনে হবলৈ পাৰিবা বুলি মই কল্পনাও কৰা নাছিলোঁ। তুমি ওখও হৈছা ক্লেৰচেন। কিন্তু এইবোৰ সঁচানে? তোমালৈ চাই চাই মোৰ হেঁপাহ নপলোৱা হৈছে। পেৰিছত থকা মোৰ ল'ৰাটোলৈ এতিয়াই টেলিগ্ৰাম এখন পঠিয়াই তাক তৎক্ষণাত ইয়ালৈ আহিবলৈ কওঁ, কিন্তু কাৰণটো নকওঁ। এইটোৱেই তাৰ জীৱনৰ সৰ্বোত্তম সুখ হব। মামা, টেলিগ্ৰামখন কেনেকৈ পঠোৱা যায় বাৰু? মানুহকিটা গ'লনে?"

"সিহঁত গ'ল। পিছে আইতাই অতি জৰুৰী বুলি ভাবিলে ছাগলীৰখীয়া ল'ৰাটোক পঠাব পাৰিম। তাৰ হাতত সময়ো আছে।"

আইতাকে পুতেকলৈ তৎক্ষণাত বতৰা পঠিওৱাত জোৰ দিলে। এনে ভাল খবৰ তাক দিয়াত এদিনো পলম কৰিব নালাগিব।

ককাই তেতিয়া অলপ আঁতৰি গৈ মুখত আঙুলি দি এনে তীব্ৰ সুহুৰি এটা বজালে যে ওপৰৰ শিলবোৰে প্ৰতিধ্বনিত সুহুৰিয়ালে আৰু বহুত দূৰলৈ

প্ৰতিধ্বনি বিয়পি গ'ল। অলপ পিছতে পিটাৰক দৌৰি নামি অহা দেখা গ'ল কাৰণ মামাকৰ সুহুৰিটো সি ভালকৈয়ে চিনি পাইছিল। মামাকে তাৰ অপকৰ্মৰ বিচাৰ কৰিবলৈ মতা বুলি ভাবি সি ভয়তে চকমাটিৰ দৰে বগা হৈ পৰিছিল। কিন্তু আম্মমামাকে তাৰ হাতত আইতাকে ইতিমধ্যে লিখা কাগজ এটুকুৰাহে দিলে। তেওঁ তাক বুজাই কলে যে সি সেইখন তৎক্ষণাত ডৰ্ফলিৰ পোষ্টমাষ্টৰক দিবগৈ লাগে আৰু তাৰ বাবদ দৰ্কাৰী মাচুলখিনি তেওঁ পাছত গৈ পোষ্টমাষ্টৰক দিব। কাৰণ পিটাৰক একাধিক কাম একেলগে কৰিব দিলে সি কৰিব নোৱৰাই সম্ভৱ।

পিটাৰে কাগজ টুকুৰা লৈ যাত্ৰা কৰিলে। আম্মমামাকে তাক বিচাৰ কৰিবলৈ নমতাই আৰু পুলিচো তালৈ নহাই সি এই যাত্ৰা ৰক্ষা পোৱা যেন পালে।

অৱশেষত তেওঁলোক পঁজাটোৰ সমুখৰ টেবুলখনত শান্তিৰে বহিল। তেতিয়া কাণ্ডটো কেনেকৈ হ'ল আইতাকক থোৰ ভাঙি কবলগীয়া হ'ল : প্ৰথমতে ককাকে কেনেকৈ ক্লাৰাক থিয় কৰাবলৈ আৰু পিছত দুই-এখোজ দিয়াবলৈ চেষ্টা কৰিছিল; বতাহে চকীখন কেনেকৈ উৰুৱাই নিছিল; সিহঁত চৰণীয়া পথাৰলৈ কেনেকৈ গৈছিল; ফুলভৰা ঘাঁহনিখন চাবলৈ ক্লাৰাৰ প্ৰবল হেঁপাহে কেনেকৈ প্ৰথম খোজ কেইটা দিবলৈ তাইক বাধ্য কৰিছিল; কেনেকৈ এইদৰে এটাৰ পিছত এটাকৈ ঘটনাবোৰ ঘটিবলৈ ধৰিছিল। কিন্তু ছোৱালীহঁতে এইবোৰ কওঁতে বহুত সময় লাগিল। কাৰণ গল্প শুনি থাকোঁতেই বিস্ময়, প্ৰশংসা আৰু কৃতজ্ঞতা জনাবলৈ আইতাকে গল্পত বাধা দিছিল। তেখেতে বাৰে বাৰে কৈছিল, "এনে ঘটনা ঘটা সম্ভৱনে? এইটো আচলতে সপোন নহয়নে? আমি এতিয়া সাৰে আছোঁনে? আম্মৰ পঁজাটোৰ সমুখত আচলতে বহি আছোঁনে? মোৰ সমুখৰ গোল আৰু তেজাল ছোৱালীজনীয়েই ক্ষীণ, শেঁতা, দুৰ্বল ক্লেৰ্‌চেনজনীনে?"

আইতাকক হতভম্ব কৰিব খোজা সিহঁতৰ সুন্দৰ পাণ্ডটো পূৰাপূৰি সফল হোৱাই ক্লাৰা আৰু হাইডি গোটেইখিনি সময় খুচিত দগমগ্ হৈ আছিল।

ইপিনে পেৰিছত জেচেমান ডাঙৰীয়াৰ কাম শেষ হ'লত তেখেতেও বাকীবোৰক আচৰিত কৰি দিয়াৰ কথা পাতিলে। সেয়ে মাকক খবৰ নিদিয়াকৈ এদিন ৰবকাল পুৱা তেখেত বেলত উঠিল আৰু বাজেল পালেহি। গোটেই জহকালিটো জীয়েকক নেদেখা কাৰণে তাইক লগ পাবলৈ তেখেতৰ তীব্ৰ ইচ্ছা হোৱাই তেখেতে পিছদিনা পুৱাই বাজেলৰ পৰা যাত্ৰা কৰিলে আৰু তেখেতৰ মাকে ৰাগাৎচ্ এৰাৰ কেইঘন্টামান পাছতেই তেখেতো ৰাগাৎচ্ পালেগৈ। তাত তেখেতে সেইদিনা পুৱাই মাকে আম্মলৈ যাত্ৰা কৰা বুলি গম

পালে। সেয়ে তেখেতে বাগী এখনত উঠি মায়েনফেল্ড পালে। সেইখনতে তেখেতে ডর্ফলিলৈ যাব পাৰিব বুলি গম পাই তেখেত তাকে কৰিলে। কাৰণ তেখেতে ভাবিলে যে পৰ্বতত খোজ কঢ়াখিনি কৰিলেই যথেষ্ট পৰিশ্ৰম হ'ব।

জেচেমান ডাঙৰীয়াৰ অনুমান ভুল নাছিল। পৰ্বতত একেবাহে খোজ কঢ়াটো তেখেতে বৰ ক্লান্তিকৰ আৰু কষ্টসাধ্য পালে। তেখেতে আধা বাট গৈ ছাগলীৰখীয়া পিটাৰৰ জুপুৰিটো পাবগৈ বুলি আশা কৰিছিল কাৰণ সেই বিষয়ে তেখেতে বহুতো কথা শুনিছিল। কিন্তু এতিয়া দেখোন কোনো জুপুৰি তেখেতৰ চকুত নপৰা হ'ল।

তাতে তেওঁ মন কৰিলে যে পৰ্বতৰ লুঙলুঙীয়া বাটবোৰেৰেচোন যেনি-তেনি যাব পাৰি। গতিকে তেখেতে ঠিক বাটটোৰে নাহিবও পাৰে বুলি তেখেতৰ সন্দেহ হ'ল। পিটাৰৰ জুপুৰিটো পৰ্বতখনৰ সিটো কাষেই আছে বা? ঠিক বাটৰ সন্ধান দিব পৰা কোনোবা মানুহ পায় নেকি বিচাৰি তেখেতে চাৰিওফালে চালে। গোটেইখন কিন্তু নিজম-নিটাল; বহুত দূৰলৈকে দেখিবলৈ কোনো নাই; শুনিবলৈও একো নাই। মাত্ৰ মাজে মাজে পৰ্বতীয়া বতাহ একোছাটি বলি আছে; সৰু সৰু পতংগবোৰে ৰ'দত উৰি ফুৰিছে আৰু অ'ত-ত'ত অকলশৰীয়া লাৰ্চগছত বহি কোনোবাটো বৰ্ণীয়াল চৰায়ে গীত গাইছে। জেচেমান ডাঙৰীয়াই একেঠাইতে অলপ পৰ থিয় দিলে আৰু পৰ্বতৰ জুৰ বতাহ লবলৈ ধৰিলে।

তেনেতে ওপৰৰ পৰা কোনোবা এটা কোবেৰে নামি অহা দেখা গ'ল। ইয়েই কাগজ টুকুৰা লৈ অহা পিটাৰ। জেচেমান ডাঙৰীয়া থিয় হৈ থকা পটিটোৰ কথা নাভাবি বাট চমুৱাবলৈ সি নাকৰ আগে আগে পোৱা থিয় গৰা-চৰা জঁপিয়াই নামিবলৈ ধৰিছিল। ল'ৰাটো আহি ওচৰ পাওঁতে তেখেতে তাক হাত-বাউল দি ওচৰলৈ মাতিলে। ভয়তে কঁপি সি তেখেতৰ পিনে পোনাই নগৈ একতীয়া হৈ আগবাঢ়িলে; যেন সি এখন ভৰিৰেহে আগুৱাব পাৰে, বাকীখন পিছত চোঁচোৰাই নিয়ে।

"ডেকা ল'ৰা, তজবজীয়া হোৱা," তাক উদগনি দি জেচেমান ডাঙৰীয়াই কলে। তাৰ পিছত তেখেতে তাক সুধিলে, "এতিয়া কোৱাচোন, এইটো পটিৰেই গৈ থাকিলে বুঢ়া এজনৰ লগত হাইডি নামৰ ছোৱালী এজনী থকা আৰু ফ্ৰাঙ্কফুৰ্টৰ আলহী আহি থকা পঁজাটো পামনে?"

উত্তৰত পিটাৰৰ মুখৰ পৰা অতি-আতংকৰ অস্পষ্ট আৱাজ এটাহে ওলাল আৰু সি অতি খৰকৈ জাঁপ মাৰি পলাব খোজোঁতেই সি মূৰ তললৈ ভৰি ওপৰলৈ বাগৰি পৰিল। লগে লগেই সি চকীখনৰ দৰে লুটি খাই আৰু খৰ-বাগৰ মাৰি হেলনিৰে তললৈ যাবলৈ ধৰিলে। ভাগ্যে চকীখনৰ দৰে সি খণ্ড-

বিখণ্ড নহ'ল। মাত্র টেলিগ্ৰামৰ কাগজ টুকুৰাৰ দুৰৱস্থা হ'ল; সেইখন ছিৰাছিৰ হৈ শেষ হ'ল।

তেখেতে ভাবিলে, অচিনাকি মানুহ এজন দেখি আম্মৰ সবল ল'ৰা এটাই অন্তিকৈ ভয় খাইছে। তেখেতে নিজক নিজে কলে, "ভাল অজলা পাহাৰী ল'ৰা।"

পিটাৰে মাৰাত্মক ধৰণে নামিবলৈ ধৰা অলপ পৰ চাই তেখেতে একেটা পাটিৰেই আকৌ পৰ্বত বগাবলৈ ললে।

বহুত চেষ্টা কৰিও কোনো খোপনি নাপাই পিটাৰ লুটি খাই খাই গৈয়েই থাকিল আৰু মাজে মাজে অদ্ভুত ধৰণে খৰ-বাগৰো মাৰিব ধৰিলে। কিন্তু এনে দুৰ্ভাগ্যজনক পতনে পিটাৰক সেই মুহূৰ্তত সাংঘাতিক যন্ত্ৰণা দিয়া নাছিল। তাক ধৰি নিবলৈ ফ্ৰাঙ্কফুৰ্টৰ পুলিচটো আচলতে পালেহি বুলি সি নিশ্চিত হ'লত ভয় আৰু আতংকতহে সি সাংঘাতিক যন্ত্ৰণা ভুগিবলৈ ধৰিলে। ফ্ৰাঙ্কফুৰ্টৰ আলহী থকা আম্মৰ পঁজাটোৰ খবৰ লোৱা আচহুৱা মানুহজনেই যে ফ্ৰাঙ্কফুৰ্টৰ পুলিচ সেই বিষয়ে সি নিসন্দেহ হৈছিল।

অৱশেষত ডৰ্ফলি পোৱাৰ অলপ আগৰ হেলনিখনৰ জোপোহা এটাত খুন্দা খাওঁতে সি সেইটোত খামুচি ধৰিলে। সি তাতে তেনেকৈ খন্তেক বাগৰি থাকি কাণ্ডটোনো কি ভাবি চাবলৈ ঠিক কৰিলে।

"বাঃ, এইটো দ্বিতীয় ঘটনা।" পিটাৰৰ কাষত কাবোবাৰ মাত শুনা গ'ল। "বেয়াকৈ চিলোৱা আলুৰ বস্তাৰ দৰে তোক তললৈ বগৰাই দিয়া অপৰাধীটোক কোনে ধৰিব?"

মাতটো আছিল ডৰ্ফলিৰ কটিৱালাজনৰ। সি পিটাৰক জোকাইছিল। সি গৰমত কাম কৰাৰ ভাগৰ পলুৱাবলৈ ওপৰলৈ কুৰিবলৈ আহোঁতে চকীখনৰ দৰে বাগৰি আহি থকা পিটাৰক চুপ-চাপ লক্ষ্য কৰি আছিল।

পিটাৰ একেচাবে উঠি থিয় হ'ল। চকীখন কোনোবাই ঠেলি বগৰোৱা বুলি তেন্তে কটিৱালাই নিশ্চয় জানে। পিটাৰৰ মনত নতুন ভয় সোমাল। পিছলৈ এবাৰো ঘূৰি নাচাই সি ওপৰলৈ ঢাপলি মেলিলে।

পিটাৰে এতিয়া ঘৰলৈ গৈ তাৰ বিছনাখনত বাগৰ দিবলৈ পছন্দ কৰিলেহেঁতেন কাৰণ তাত তাক কোনেও বিচাৰি নাপায় বুলি সি ভাবিছিল; তাৰ মনত সেয়াই তাৰ নিৰাপদ আশ্ৰয় আছিল। কিন্তু সি চৰণীয়া পথাৰত ছাগলীবোৰ এৰি থকাও উচিত নহয় কাৰণে সোনকালে উভতিবলৈ আম্ম-মামাকে তাক সকীয়াই দিছিল। সি আম্মমামাককেই আটাইতকৈ ভয় কৰিছিল। তাতে সি তেওঁক ইমান সমীহ কৰিছিল যে তেওঁৰ কথা পেলাবলৈ সি সাহ নকৰিছিল। উপায়হীন হৈ পিটাৰে কেঁকাই আৰু খোৰাই পৰ্বত বগাবলৈ বাধ্য

হ'ল। সি কিন্তু দৌৰিব নোৱৰা হ'ল। বাগৰোঁতে সি খোৱা খুন্দা-খুন্দিবোৰৰ বাবে আৰু পুলিচে ধৰাৰ ভয়ে তাক বেমাৰী কৰি পেলালে। সেয়ে সি কেঁকাই-গেঁথাই আৰু খোৰাই লাহে লাহে আম্মলৈ উঠিবলৈ ধৰিলে।

পিটাৰক পোৱাৰ অলপ পাছত জেচেমান ডাঙৰীয়াই প্ৰথম জুপুৰিটো পাই তেখেত ঠিক বাটেৰেই আহিছে বুলি গম পালে। তেখেত নতুন উদ্যমৰে ওপৰলৈ গৈ থাকিল আৰু দীঘলীয়া ক্লান্তিকৰ পৰিশ্ৰমৰ পাছত লক্ষ্যস্থান তেখেতৰ চকুত পৰিল। তেখেতে আল্মমামাৰ পঁজাটো আৰু সেইটোৰ পাছতে বুঢ়া ফাৰকেইডালৰ ক'লা ডালবোৰ হালিজালি থকা দেখিলে।

খন্তেক পিছতে জীয়েকক আচৰিত কৰি পেলোৱাৰ কল্পনা কৰি তেখেতে শেহৰছোৱা বাট ৰঙীয়াল হৈ উঠিবলৈ ধৰিলে। কিন্তু পঁজাটোৰ সমুখত থকা দলটোৱে তেখেতক আগতেই দেখিছিল আৰু চিনি পাইছিল। ফলত তেখেতে কাহানিও কল্পনা কৰিব নোৱৰা কাণ্ড এটা ঘটাৰ উপক্ৰম হ'ল।

তেখেতে গৰাটোৰ শেহৰ খোজটো দি পঁজাটোৰ চোতালখনত ভৰি দিওঁতেই পঁজাটোৰ পৰা দুজনী ছোৱালী তেখেতৰ পিনে আহিবলৈ ধৰিলে। এজনী পাতল সোণালী চুলিৰ আৰু গোলাপী গালৰ ওখ গাভৰুৱে অতি-আনন্দত জ্বলমল্ ক'লা-চকুৰা অকমানি হাইডিৰ কান্ধত ভৰ দি আহি আছিল। তাকে দেখি জেচেমান ডাণ্ডৰীয়াৰ গতি ৰুদ্ধ হ'ল; তেখেত নিশ্চল হৈ ওচৰচাপি আহি থকা ছোৱালী দুজনীলৈ ৰ লাগি চাই ৰ'ল। হঠাতে তেখেতৰ দুচকুৰে লোতক ববলৈ ধৰিলে। তেখেতৰ অন্তৰত পুৰণি সোঁৱৰণি উজাৰ খাই উঠিল। ক্লাৰাৰ মাক দেখিবলৈ অবিকল একে আছিল : সেই একে সোণালী-চুলীয়া, ৰঙচুৱা গালৰ গাভৰু। তেখেতে সপোনেই দেখিছে নে দিঠকতেই আছে জেচেমান ডাঙৰীয়াই তৰ্কিব নোৱৰা হ'ল।

"পিতা, মোৰ চিন পাহৰিলানে?" আনন্দত উজ্জ্বল মুখেৰে ক্লাৰাই সুধিলে। "মই নো ইমান বদলিছোঁনে?"

চকুৰ পচাৰতে তেখেতে অকমানি জীয়েকজনীৰ কাষলৈ দৌৰি গৈ তাইক আঁকোৱাল মাৰি ধৰিলে। "এৰা, তুমি বদলিছা! এইটো সম্ভৱনে? এইটো সঁচা কাওনে?"

আনন্দত উভাউল বাপেকে সেই দৃশ্যটো চাওঁতে চাওঁতে অন্তৰ্হিত হয় নেকি প্ৰমাণ চাবলৈ এখোজ পিছুৱাই গ'ল।

"আঃ ক্লেৰ্‌চেন, এইজনী তুমিয়েইনে? আচলতে তুমিয়েইনে?" তেখেতে আবেগেৰে বাৰে বাৰে কলে। তেখেতে জীয়েকক আকৌ এবাৰ সাবটি ধৰিলে আৰু তেখেতৰ সমুখত পোন হৈ থিয় হৈ থকাজনী ক্লাৰা হয়নে আকৌ এবাৰ চালে।

তেনেতে আইতা ওলাই আহিল, কাৰণ পুতেকৰ সুখী মুখখন নোচোৱাকৈ তেখেত বব নোৱৰা হ'ল। "মোৰ বোপাই, কথাটো তং কৰিছানে?", তেখেতে পুতেকক কলে। "তুমি হঠাতে ওলাই আমাক আচৰিত কৰিলা হয় কিন্তু তোমাক চক্ খুৱাবলৈ আমি কৰা ব্যৱস্থাটো বেছি চমৎকাৰ নহয়নে?" আনন্দিত মাকজনীয়ে পুতেকক অতি চেনেহেৰে সম্ভাষণ জনালে।

"কিন্তু মৰমৰ জেচেমান, এতিয়া মোৰে সৈতে সৌৱা মামাৰ ওচৰলৈ ব'লা। তেওঁহে আমাৰ সৰ্বোত্তম উপকাৰী।"

"নিশ্চয় আই, মই আমাৰ অকমানি লগৰী, অকমানি হাইডিকো সম্ভাষণ জনাওঁ," এইবুলি তেখেতে হাইডিক কৰমৰ্দন কৰি কৰি কলে, "বাঃ, পৰ্বতত তেন্তে তুমি সদায় সুস্থ আৰু তেজাল? কিন্তু তোমাক সোধাৰো প্ৰয়োজন নাই। কোনো পাহাৰী গোলাপ বেছি মনোমোহা হৈ ফুলিব নোৱাৰে। তোমাক এনে দেখি মই আনন্দিত হাইডি; মই অতি আনন্দিত।"

হাইডিয়ে তাইৰ হাস্যোজ্জ্বল চকুযোৰেৰে দয়ালু জেচেমান ডাঙৰীয়ালৈ চালে। তেখেত তাইৰ প্ৰতি সদায় কিমান মৰমিয়াল আছিল। তেখেত এতিয়া আল্মলৈ আহি ইমান সুখী হোৱা দেখি তাইৰ অন্তৰ আনন্দেৰে ভৰি গ'ল।

ইপিনে আইতাই পুতেকক আল্মমামাৰ তালৈ লৈ গ'ল। মতা দুজনে আন্তৰিকতাৰে কৰমৰ্দন কৰিলে আৰু জেচেমান ডাঙৰীয়াই আল্মমামাক গভীৰ কৃতজ্ঞতা জনোৱাৰ লগতে তেওঁ অলৌকিক কাণ্ড এটা সম্ভৱ কৰি পেলোৱা কাৰণে সীমাহীন বিস্ময় প্ৰকাশ কৰিলে। তেওঁলোকে কথা পাতিবলৈ লওঁতে আইতা ঘূৰি বিপৰীত ফালে গ'ল। কাৰণ সেইবোৰ কথা তেখেতে আগতে পাতিছে। এতিয়া বুঢ়া ফাৰকেইডাল আকৌ এবাৰ চাবলৈ তেখেতৰ মন গল।

তাত আৰু এটা আচৰিত কাণ্ড! ফাৰকেইডালৰ ডাঙৰ ডালবোৰৰ তলত ডাঙৰ এথোপা অতি-ডাঠ নীলা জেণ্টিয়ান ফুল; তাতে কল্পাৰ দৰে তেজাল আৰু চিকমিকীয়া। খুচিত আইতাই হাত চাপৰি বজালে।

"আঃ, কি সুন্দৰ! কি মনোমোহা! কি যে অপূৰ্ব দৃশ্য!" তেখেতে আবেগেৰে কবলৈ ধৰিলে। "মৰমৰ হাইডি, চাওঁ, এইপিনে আহাঁচোন। মোক সন্তুষ্ট কৰিবলৈ তুমিয়েই এইয়া আনিছিলানে? কি যে মনোৰম ফুল!"

"ওপৰৰ চৰণীয়া পথাৰখন এনেকুৱাই আইতা; নহয়, ইয়াতকৈও বেছি ধুনীয়া," ক্লাৰাই কলে। "পিছে আজি নিচেই পুৱাই চৰণীয়া পথাৰৰ পৰা কোনে তোমালৈ এইয়া কোছাই আনিছে আন্দাজ কৰাচোন।"

কথাষাৰ কৈ ক্লাৰাই ইমান ফুৰ্ত্তি পালে যে আইতাকৰ সন্দেহ হ'ল তায়েই কিজানি পুৱা তালৈ গৈছিল। কিন্তু তেনে কৰাও যে অসম্ভৱ।

তেনেতে ফাৰগছৰ পিছপিনে হঠাতে খৰখৰণি শুনা গ'ল। সেয়া পিটাৰে কৰা শব্দ। সি ইতিমধ্যে ঘূৰি আহিছিল। পজাটোৰ সমুখত আল্মমামাকে অচিনাকি ভদ্ৰলোকজনৰ লগত কথা পাতি থকা দেখি সি আনে নেদেখাকৈ দূৰেৰে ঘূৰি আহি ফাৰকেইডালৰ আঁৰত লুকাবলৈ খুজিছিল। কিন্তু আইতাকে তাক দেখা পালে আৰু হঠাতে নতুন কথা এটা তেখেতৰ মনত খেলাল। ফুলখিনি কিজানি পিটাৰেই আনিছে কিন্তু ভয়-পাদুৰা আৰু লাজুক কাৰণে কিজানি সি মনে মনে পলাই যাবলৈ ওলাইছে? তেখেতে গছ কিজোপাৰ মাজেৰে তালৈ ভুমুকিয়াই চাই ডাঙৰকৈ মাতিলে। "হেৰা বাপু, এইপিনে আহাচোন। ভয় খাব নালাগে।"

ভয়ত নিৰ্বাক হৈ পিটাৰ ঠৰ লাগিল। ভৱিষ্যতৰ লগত কেৰ পাতিবলৈ তাৰ বল নোহোৱা হল। সি মাত্ৰ ভাবিব পাৰিলে, 'ৰক্ষাৰ উপায় আৰু নাই!' ভয়ত ঠৰঙা লগা চুলি আৰু শেঁতা মুখেৰে সি লাহে লাহে ফাৰকেইজোপাৰ পাছৰ পৰা ওলাই আহিল।

"পোনেই ইয়ালৈ আহাঁ," আইতাই তাক উৎসাহ দি মাতিলে। "এতিয়া কোৱাচোন, তুমিয়েই এইটো কৰিছিলানে?"

পিটাৰ তলমূৰা হৈ আছিল কাৰণে আইতাই ফুলখিনিলৈ আঙুলিয়াই প্ৰশ্নটো সোধা সি দেখা নাছিল। তাৰ চকু আছিল বেলেগত; সি পঁজাটোৰ চুক এটাৰ পৰা তালৈ তীক্ষ্ম দৃষ্টিৰে চাই থকা আল্মমামাকক আৰু তেওঁৰ কাষতে থিয় হৈ থকা ভয়ঙ্কৰ মানুহজনক, মানে ফ্ৰাঙ্কফুৰ্টৰ পুলিচজনকহে লক্ষ্য কৰি আছিল। ভয়ত কঁপিব ধৰা আৰু থোতা-মোজা লগা পিটাৰৰ মুখৰ পৰা অস্পষ্ট আৱাজ এটাহে ওলাল; সেইটো হ'ল, "অঁ"।

আইতাই কলে, "আৰে, ইয়াতনো ভয় খাবৰ কিটো আছে?"

"কাৰণ– কাৰণ– কাৰণ সেইখন চুচুৰ্মে হৈ গৈছে আৰু জোৰা লগোৱাৰ কোনো উপায় নাই," কথাখিনি বৰ কষ্টেৰে সি কোনোমতে কলে। তেতিয়া তাৰ আঁঠু দুটা ইমান কঁপিছিল যে সি থিয় হৈ থাকিব নোৱৰা যেন হ'ল। আইতাক পঁজাটোৰ চুকটোলৈ গ'ল।

তেখেতে সহানুভূতিৰে সুধিলে, "প্ৰিয় মামা, বেচেৰা ল'ৰাটো চেৰা-বলিয়া নেকি?"

"ওহোঁ, ওহোঁ, তাৰ বলিয়ালিৰ কোনো সঁচ নাই," মামাই উত্তৰ দিলে। "ক্লাৰাৰ চকীখন উৰুৱাই নিয়া বতাহছাটি পিটাৰেই। সি শাস্তি খোৱাৰ লায়ক কাৰণে তাৰে অপেক্ষাত আছে।"

আইতাই কথাবাৰ বিশ্বাস কৰিবলৈ টান পালে কাৰণ পিটাৰ দেখাই-শুনাই কোনোমতে বদমাছ নহয়। তদুপৰি, ইমান কামত অহা চকীখন সি ধ্বংস কৰাৰ কোনো যুক্তিও নাই। কিন্তু ঘটনাটো ঘটাৰ পাছতে ককাই যিটো সন্দেহ কৰিছিল পিটাৰৰ স্বীকাৰোক্তিয়ে সেয়া প্ৰমাণহে কৰিলে। সি আদিৰে পৰা ক্লাৰালৈ চকু পোন্দাই চোৱা আৰু তাইলৈ তাৰ বিদ্বেষৰ অন্যান্য চিন ককাৰ চকুত নপৰাকৈ থকা নাছিল। তেওঁ দুয়ে দুয়ে চাৰি কৰি কাণ্ডটো কেনেকৈ ঘটিল আন্দাজ কৰিলে আৰু আইতাক স্পষ্টকৈ ভাঙি-পাতি কলে। তেওঁৰ কথা শেষ হ'লত আইতাই অতি উত্তেজনাত কৈ উঠিল, "ওহোঁ, ওহোঁ, প্ৰিয় মামা, ওহোঁ, ওহোঁ। বেচেৰাক আমি আৰু শাস্তি নিদিওঁ। আমি ন্যায়নিষ্ঠ হব লাগিব। হাইডি তাৰ জীৱনৰ একমাত্ৰ লগৰীয়া। তাই তাৰ পৰম উপকাৰকো। ফ্ৰাঙ্কফুৰ্টৰ পৰা মানুহ কিছুমান আহি হাইডিক তাৰ পৰা নিলগাই নিলে। বেচেৰাই সপ্তাহৰ পিছত সপ্তাহ তাইৰ বাবে ওৰে দিনটো অপেক্ষা কৰি থাকিবলগীয়া হ'ল। ওহোঁ, আমি ন্যায় বিচাৰ কৰিব লাগিব। খঙে তাৰ বিবেচনা শক্তি লোপ কৰিলে আৰু প্ৰতিহিংসা লবলৈ তাক বাধ্য কৰিলে। ফলত সি সেই মূৰ্খালিটো কৰিলে। তাক খং কৰিলে আমিও মূৰ্খহে হম।"

এইবুলি কৈ আইতা পিটাৰৰ কাষলৈ গ'ল। সি তেতিয়াও কঁপি আছিল। তেখেত গছকেইডালৰ তলৰ বেঞ্চখনত বহিল আৰু তাক চেনেহেৰে কলে, "বাপু, মোৰ সমুখলৈ এবাৰ আহাঁচোন। তোমাৰ লগত মোৰ কথা এটা আছে। তুমি চকীখন ধ্বংস কৰোঁ বুলিয়েই পৰ্বতৰ গৰাৰে ঠেলি দিছিলা। সেইটো তুমি বেয়া কাম কৰিছিলা। সেইটো বেয়া কাম হ'ল বুলি আৰু তাৰ বাবে তুমি শাস্তি খোৱাৰ লায়ক বুলি তুমি নিজেই গম পাইছিলা। সেই শাস্তিৰ পৰা ৰক্ষা পৰিবলৈ তুমি কথাটো আনৰ পৰা লুকুৱাবলৈও বহুত চেষ্টা কৰিছিলা। পিছে কথা এটা মন কৰিছানে? সকলো অপৰাধীয়ে ভাবে যে সিহঁত কেতিয়াও ধৰা নপৰে। কিন্তু এইখিনিতে সিহঁতে ভুল কৰে। ঈশ্বৰে সকলো দেখে, সকলো শুনে। কোনোবাই বেয়া কাম কৰি লুকুৱাব খুজিলে থিতাতে তাৰ ভিতৰৰ ৰখীয়াজনক জগাই দিয়ে। আমি ওপজাৰে পৰা এই ৰখীয়াজনক ঈশ্বৰে আমাৰ ভিতৰত থৈ দিছে। আমি বেয়া কাম নকৰালৈ ৰখীয়াজন শুই থাকে। কিন্তু আমি বেয়া কাম কৰিলেই ৰখীয়াজনে তেওঁৰ হাতত থকা খোঁচনি ডালেৰে আমাক খুঁচিবলৈ ধৰে। সেই কাৰণে বেয়া কাম কৰা মানুহে ক্ষন্তেকলৈও শান্তি নাপায়। তেওঁ কঠুৱা মাতেৰেও শাস্তি দিয়ে। তেওঁ অপৰাধীজনক কয়, 'তুমি ধৰা পৰিবা; তুমি শাস্তি পাবা।' সেয়ে অপৰাধীয়ে অনবৰতে ভয়ত কঁপি থাকিব লাগে আৰু মুহূৰ্তলৈও শান্তি নাপায়। এই কেইদিন তোমাৰো এনে অভিজ্ঞতা হোৱা নাইনে?"

সম্পূৰ্ণকৈ ভাঙি পৰা পিটাৰে জ্ঞানী মানুহৰ দৰে মূৰ দুপিয়ালে, কাৰণ তাৰ ঠিক তেনে দুৰৱস্থাই হৈছিল।

"আৰু তুমি একৰকম নিৰাশো হ'লা," আইতাই আকৌ কবলৈ ধৰিলে। "তুমি অনিষ্ট কৰিব খোজা জনীক তোমাৰ বেয়া কামটোৱে প্ৰকৃততে মঙ্গলহে কৰিলে। বিতোপন ফুলবোৰ চাবলৈ ক্লাৰাৰ প্ৰবল হেঁপাহ হৈছিল কাৰণে চকীখন নাপাইহে তাই খোজ কাঢ়িবলৈ প্ৰচণ্ড যত্ন কৰিলে। তাই খোজ কাঢ়িবলৈ শিকিলেও। তাই দিনৌ আগতকৈ বেছি ভালকৈ খোজ কাঢ়িব পৰা হৈ আহিছে। তাই ইয়াত থাকিলে অৱশেষত চৰণীয়া পথাৰলৈও তাই সদায় যাব পৰা হব। আনকি চকীত উঠি যোৱাতকৈ খোজ কাঢ়িহে তালৈ বেছি সঘনাই যাব পৰা হব। পিটাৰ, কথাটো মন কৰিলানে? কোনোবা বদমাছে কাৰোবাৰ অনিষ্ট কৰিব খুজিলে ঈশ্বৰে ঘপকৰে অৱস্থাটো চম্ভালি লয় আৰু তেওঁৰ মংগলহে কৰে। ফলত বদমাছটোৱে তেওঁৰ অনিষ্ট কৰিবলৈ কৰা চেষ্টাখিনি বৃথাই যায় আৰু সি নিজৰহে অনিষ্ট কৰে।

"পিটাৰ, গোটেইখিনি কথা তুমি ভালকৈ বুজিছানে? কথাটো টলকি চোৱা। আগলৈ কেতিয়াবা কাৰোবাৰ অনিষ্ট কৰিবলৈ তোমাৰ মন গলে, হাতত

খোঁচনি লৈ থকা কঠুৱা মাতৰ তোমাৰ ভিতৰৰ চকীদাৰজনৰ কথা ভাবিবা। তেনে কৰিবানে?"

"হয়, নিশ্চয় কৰিম," আইতাৰ কথাত বাৰুকৈ প্ৰভাৱিত হোৱা পিটাৰে কলে। ককাকৰ লগত পুলিচজন তেতিয়াও থিয় হৈ থকাই কাণ্ডটোৰ কেনেকৈ শেষ হয় সি অনুমান কৰিব পৰা নাছিল।

"বেচ কথা। লেঠা তেন্তে ইয়াতেই ছিগিল," আইতাকে কলে। "ফ্ৰাঙ্কফুৰ্টৰ মানুহবোৰক তোমাৰ মনত পৰি থকাকৈ তুমি ভাল পোৱা বস্তু এপদ এতিয়া তুমি পোৱা উচিত। মৰমৰ বাপু, কেতিয়াবা কিবা বস্তুলৈ তোমাৰ হাউচ হৈছিল যদি মোক কবানে? কি বস্তুলৈ হৈছিল বাৰু? তোমাৰ আটাইতকৈ মন খোৱা বস্তুবিধনো কি?"

সেইষাৰ শুনি পিটাৰে মুৰ ডাঙি তাৰ ঘূৰণীয়া, বিস্মিত চকুৰে আইতাকলৈ ৰ লাগি চালে। সি তেতিয়ালৈ ভয়ানক শাস্তি পোৱাৰ অপেক্ষাত আছিল কিন্তু এতিয়া হঠাতে সি তাৰ সবাতোকৈ ভাল লগা বস্তুপদ পোৱাৰহে উপক্ৰম হ'ল। তাৰ চিন্তাত আউল লাগি গ'ল।

"এৰা, এৰা, মই সঁচাকৈয়ে কৈছোঁ," আইতাই কলে। "ফ্ৰাঙ্কফুৰ্টৰ মানুহখিনিৰ স্মৃতিচিন হিচাবে তোমাৰ ভাল লগা বস্তু এপদ তুমি পাবা। তুমি তেওঁলোকৰ অনিষ্ট কৰিব খোজা কথাটো তেওঁলোকে পাহৰি যোৱাৰ সাক্ষীও এই বস্তু পদেই হব। বুজিছানে বাপু?"

লাহে-ধীৰে পিটাৰৰ মূৰত কথাটো সোমাবলৈ ধৰিলে যে সি শাস্তি পোৱাৰ ভয় আৰু নাই; তাৰ সমুখত বহি থকা মৰমিয়াল আইতাকজনীয়ে তাক পুলিচজনৰ পৰা বচালে। তেতিয়া তাৰ মনটো এনে মুকলি মুকলি লাগিল যেন তাক চেপি মাৰিবলৈ খোজা প্ৰকাণ্ড পাহাৰখন তাৰ গাৰ পৰা কোনোবাই আঁতৰাই পেলালে। সি আৰু বুজি পালে যে নিজৰ ভুল স্বীকাৰ কৰাই ভাল। সেয়ে সি লগে লগে কলে, "মই কাগজ টুকুৰা হেৰুৱাইছিলোঁ।"

কথাটোনো কি আইতাকে অলপ ভাবি চাবলগীয়া হ'ল কিন্তু সোনকালেই কথাটো তেখেতৰ মনত পৰিল। তেখেতে মৰমেৰে কলে, "এইয়া, কথাটো মোক জনাই তুমি উচিত কাম কৰিলা। ভুল কৰিলে সদায় সৈ কাঢ়িবা। তেতিয়া সোনকালেই লেঠাটোৰ ওৰ পৰিব। বাৰু, তুমি ভাল পোৱা কি বস্তু তোমাক লাগিব?"

তাৰ মানে তাৰ ভাল লগা পৃথিৱীৰ যি কোনো বস্তু সি বাচি লব পাৰে। কথাটো ভাবিয়েই যেন তাৰ মূৰ-ঘূৰণি হ'ল। মায়েনফেল্ডৰ মেলাখনৰ কথা তাৰ চকুৰ আগত ভাহি উঠিল। সেইখনত অসংখ্য সুন্দৰ, সুন্দৰ বস্তু ওলাইছিল। সি সেইবোৰৰ সমুখত ঘণ্টাৰ পিছত ঘণ্টা থিয় হৈ সেইবোৰ চাই

বৈছিল কিন্তু কিনিব নোৱাৰিছিল। তেতিয়া সম্পত্তি বুলিবলৈ তাৰ হাতত এটা পেনিহে আছিল কিন্তু সেই ৰঙচটীয়া বস্তুবোৰৰ দাম আছিল দুপেনিকৈ। মেলাত ওলোৱা ৰঙা, মৰমলগা হুইচেলবোৰ সি ছাগলী চৰাওঁতে ভালকৈ কামত আহিলেহেঁতেন। ঘূৰণীয়া নালৰ চমকলগোৱা ছুৰিবোৰৰ এখন পালে সি ওচৰ-পাজৰৰ হেজেলৰ গোঁজৰ জেওৰাবোৰৰ কাম কৰি বেচ দুপইচা আৰ্জিব পাৰিলেহেঁতেন।

সি চিন্তাত ডুব গৈ থিয় হৈ ৰ'ল। এই দুবিধৰ ভিতৰত কোনবিধ তাৰ বেছি ভাল লাগে সি ভাবি উলিয়াব নোৱৰা হ'ল। তেনেতে এটা উত্তম উপায় তাৰ মনত খেলালে। এই উপায়টোৰ সহায়ত কোনবিধ বস্তু তাৰ বেছি ভাল লাগে ঠিক কৰিবলৈ মায়েনফেল্ডৰ পৰৱৰ্ত্তী মেলাখন বহালে সি সময় পাব।

"দুই পেনি," পিটাৰে খাটাংকৈ কলে।

আইতাই মৃদুস্বৰে হাঁহিলে। "তুমি বিশেষ একো খোজা নাই। চাওঁ, ইয়ালৈ আহাঁচোন।" তেখেতে কলে আৰু টকাৰ মোনাটো খুলি ডাঙৰ, গোল ডলাৰ এটা ললে আৰু সেইটোৰ ওপৰত চাৰিটা পেনি থলে।

"এইয়া গণি চাওঁ আহাঁ," তেখেতে কৈ গ'ল। "মই তোমাক বুজাই দিওঁ। এবছৰত যিমানটা সপ্তাহ তাতকৈ দুগুণ ইয়াত আছে। সেইকাৰণে গোটেই বছৰটো প্ৰতি ৰবিবাৰে ইয়াৰ পৰা দুটাকৈ উলিয়াই লৈ তুমি খৰচ কৰিব পাৰিবা।"

"মোৰ গোটেই জীৱনটোনে?" নিষ্পাপ মনেৰে পিটাৰে সুধিলে।

সেইবাৰ শুনি আইতা হাঁহিত বাগৰি পৰে পৰে যেন হ'ল। তাকে দেখি অদূৰত থকা ভদ্ৰলোকদুজনে কথা বন্ধ কৰি কাওটোনো কি জানিবলৈ বিচাৰিলে। আইতাই কিন্তু হাঁহিয়ে থাকিল।

"তুমি পাবা বাচা। মই উইলতো কথাটো লিখি থম। জেচেমান, শুনিছানে? তাৰ পিছত সেইখন তোমাক দিয়া হব। তাত এইদৰে লিখা থাকিব, 'ছাগলীৰখীয়া পিটাৰ জীয়াই থাকেমানে সপ্তাহত দুই পেনিকৈ পাব।"

সেই অদ্ভুত প্ৰস্তাৱটো শুনি জেচেমান ডাঙৰীয়াৰ হাঁহি উঠিল কিন্তু তেখেতে সম্মতিত মূৰ দুপিয়ালে।

পিটাৰে তাৰ হাতত থকা উপহাৰখিনি আকৌ এবাৰ লাৰি-চাৰি আচল টকা-পইচা হয় নে নহয় চালে। তাৰ পিছত সি কৈ উঠিল, "ঈশ্বৰে আপোনাৰ মঙ্গল কৰক।" এইবাৰ কৈয়েই সি দীঘল দীঘল ডেও দি নামনিলৈ লৰ ধৰিলে। এইবাৰ সি বাগৰি নপৰিল কাৰণ ভয় আৰু ত্ৰাসৰ সলনি আগতে কেতিয়াও অনুভৱ নকৰা আনন্দত এতিয়া তাৰ মন ভৰি গ'ল। তাৰ সকলো আশঙ্কা আৰু দুৰ্ভাবনাৰ অন্ত পৰিল। এতিয়াৰ পৰা সি জীৱনজুৰি সপ্তাহে

সপ্তাহে দুটাকৈ পেনি পাব বুলিও আশা কৰিব পৰা হ'ল।

আল্মৰ পঁজাটোৰ মানুহখিনিয়ে দুপৰীয়া সাঁজ আনন্দেৰে খাই একেলগে ইটো-সিটো কথা পাতি আছিল। তাৰ মাজতে ক্লাৰাই এবাৰ পুলকত জ্বলমল্ মুখৰ দেউতাকক হাতত ধৰি একাষৰীয়াকৈ মাতি নিলে আৰু আগৰ নিশকতীয়া ক্লাৰাৰ পৰা আশা কৰিব নোৱাৰা উৎসাহেৰে কলে, "ককাই মোৰ বাবে যি যি কৰিছে তুমি ভালকৈ জনা হলে। তেওঁ দিনৌ এনেকৈ মোৰ আল-পৈচান লৈছিল যে তোমাক নো কি কম। মই এইবোৰ কথা জীৱনত কেতিয়াও নাপাহৰোঁ। মই সদায় ভাবি আছোঁ, 'মৰমৰ ককাৰ বাবে মই যদি কিবা কৰিবলৈ পাৰিলোঁহেতেন। বা তেওঁ মোক যিমান সুখী কৰিছে তেওঁক তাৰ আধামানো সুখী কৰিব পৰাকৈ মই যদি কিবা দিব পাৰিলোঁহেঁতেন।"

"সোণজনী, সেইটো মোৰো অন্তৰৰ বাসনা," দেউতাকে কলে। "আমাৰ মৰমিয়াল বন্ধুজনৰ প্ৰতি আমাৰ কৃতজ্ঞতাৰ কেনেকৈ প্ৰমাণ দিব পাৰোঁ তাকে মই অনবৰত ভাবি আছোঁ।"

জেচেমান ডাঙৰীয়া উঠিল আৰু আইতাৰ লগত ফুৰ্ত্তিৰে কথা পাতি থকা আল্মমামাৰ ওচৰলৈ গ'ল। আল্মমামাও উঠি থিয় হ'ল। জেচেমান ডাঙৰীয়াই তেওঁৰ হাত দুখনত ধৰি কলে, "প্ৰিয় বন্ধু, আমি দুই-চাৰিটা কথা পাতোঁ আহক। আপুনি বুজি পাব, আজি বহুত বছৰে মোৰ জীৱনৰ পৰা সুখ-আনন্দ নোহোৱা হৈ গৈছিল। মোৰ সকলো সা-সম্পত্তিৰেও সুস্থ আৰু সুখী কৰিব নোৱৰা মোৰ দুৰ্ভগীয়া জীয়ৰীজনীলৈ চাই মই সদায় ভাবিছিলোঁ, মোৰ ইমান ধন-সম্পত্তি থকাৰ অৰ্থই বা কি? ওপৰৰ ঈশ্বৰৰ পিছত আপুনিয়েই মোৰ জী-জনীক মোৰ বাবে সুস্থ কৰি তুলিলে। মোকো আপুনি নতুন জীৱন দান দিলে। আমাৰ বাবে আপুনি যি কৰিলে তাৰ প্ৰতিদান দিয়া অসম্ভৱ। কিন্তু মোৰ যিকণ শক্তি-সামৰ্থ্য আছে তাকে মই আপোনাৰ সেৱাত লগাব খোজোঁ। প্ৰিয় বন্ধু, আপোনাৰ বাবে মই কি কৰিব পাৰোঁ কওক।"

আল্মমামা নিটাল হৈ তেখেতৰ কথা শুনি আৰু সুখী পিতৃজনলৈ চাই সন্তুষ্টিৰে মিচিকিয়াই আছিল।

"জেচেমান ডাঙৰীয়া, মোক বিশ্বাস কৰক, আমাৰ ইয়াত তাই সুস্থ হোৱাৰ মহা-আনন্দৰ ভাগ মই পাইছোঁৱেই; মোৰ কামৰ উত্তম পুৰস্কাৰ মই পাইছোঁৱেই," আল্মমামাই তেওঁৰ খাটাংকৈ কথা কোৱাৰ ধৰণেৰে কলে। "জেচেমান ডাঙৰীয়া, আপুনি মৰমেৰে মোলৈ আগবঢ়োৱা প্ৰস্তাৱৰ বাবে আপোনাক ধন্যবাদ জনাওঁ। কিন্তু মোৰ অভাৱ-অনাটন নাই; মই জীয়াই থাকোঁমানে মোক আৰু ছোৱালীজনীক লগা সকলোখিনিয়েই মোৰ আছে। অৱশ্যে মোৰ অভিলাষ এটা আছে। আপুনি সেইটোৰ কিবা কৰিব পাৰিলে

মোৰ জীৱনৰ শেহৰ দিনকেইটা মই কোনো উদ্বেগ, অশান্তি নোহোৱাকৈ কটাব পাৰিম।"

"আপোনাৰ অভিলাষটো কি কওক প্ৰিয় বন্ধু," জেচেমান ডাঙৰীয়াই উদগালে।

"মই বুঢ়া হৈছোঁ,"আল্মমামাই কবলৈ আৰম্ভ কৰিলে। "মই আৰু বেছি কাল জীয়াই নাথাকোঁ। মই সিপুৰীলৈ গলে ছোৱালীজনীক দি যাবলৈ মোৰ একোৱেই নাই। তাইৰ যিবা এজনী মাহীয়েক আছে, তাই হাইডিক লৈ বেপাৰহে কৰিব। হাইডিয়ে ভাতমুঠিৰ বাবে বাধ্যত পৰি অচিনাকি মানুহৰ মাজত তাইৰ জীৱনত কেতিয়াও থাকিবলগীয়া নহয় বুলি যদি জেচেমান ডাঙৰীয়াই মোক আশ্বাস দিব পাৰে, তেন্তে মই আপোনালোকৰ বাবে কৰা কামবোৰৰ সেয়েই আপূৰণীয়া প্ৰতিদান হ'ব।"

"কিন্তু মোৰ প্ৰিয় বন্ধু, এইটো কবলগীয়া কথাই নহয়," জেচেমান ডাঙৰীয়াই আবেগত কৈ উঠিল। "হাইডি আমাৰ ঘৰৰ ছোৱালী। মাক সোধক, মোৰ জীজনীক সোধক, সকলোৱে একমুখে কব যে শিশু হাইডিক আনৰ হাতত পৰিবলৈ কোনোপধ্যে দিয়া নহব। আপুনি পূৰাকৈ আশ্বস্ত হব খুজিলে, প্ৰিয় বন্ধু, এইয়া মোৰ হাতখন আগবঢ়াই মই শপত খাইছোঁ, 'হাইডিয়ে তাইৰ ভাতমুঠিৰ বাবে তাইৰ জীৱনত কাহানিও অচিনাকি মানুহৰ মাজত বেগাৰি খাটিবলৈ যাবলগীয়া নহব; মই জীয়াই থাকোঁমানে কোনোমতে তেনে হবলৈ নাপায়।' কিন্তু মই আৰু এষাৰ কথা কওঁ। আন যি কি নহওক, শিশু হাইডি আল্মৰ পৰা দূৰৰ অচিনাকি ঠাইত থকাৰ বাবে দেহে-মনে প্ৰস্তুত নহয় বুলি আমি আটায়ে জানোঁ। কিন্তু হাইডিৰ বন্ধুৰ অভাৱ নহয়। ফ্ৰাঙ্কফুৰ্টৰ ভদ্ৰলোক এজনে তাৰ সকলো লেঠা মাৰি নিজৰ ভাল লগা আন এঠাইলৈ গৈ জিৰণি লোৱাৰ কথা ভাবিছে। সেই ভদ্ৰলোকজন হ'ল মোৰ বন্ধু ডাক্তৰ। অহা শৰৎকালি তেখেত আকৌ ইয়ালৈ আহিব আৰু আপোনাৰ পৰামৰ্শ মানি এই অঞ্চলতেই থাকিবলৈ লব। কাৰণ আপোনাৰ আৰু হাইডিৰ সাহচৰ্যই তেখেতক দিয়াৰ সমান সুখ আৰু আনন্দ তেখেতে আন ক'তো পোৱা নাই। সেয়ে এতিয়াৰ পৰা হাইডিৰ দুজনকৈ অভিভাৱক হব। তাইৰ মঙ্গলৰ বাবে এই দুয়োগৰাকী অভিভাৱকক আৰু বহুত বছৰলৈ ঈশ্বৰে কুশলে ৰাখক।"

"দয়ালু ঈশ্বৰে যেন তাকেই কৰে," আইতাই আন্তৰিকতাৰে যোগ কৰিলে। পুতেকৰ আশ্বাস বাণীৰ সমৰ্থনত আইতায়ো আল্মমামাৰ হাতত ধৰি বহুতপৰ আন্তৰিকতাৰে কৰমৰ্দন কৰি থাকিল। তাৰ পাছত তেখেতে হঠাতে ওচৰতে থকা হাইডিক দুহাতেৰে ধৰি চপাই ললে আৰু কলে, "আৰু মোৰ অতি মৰমৰ হাইডিৰো কিবা অপূৰ্ণ অভিলাষ আছেনে?"

"অঁ, আছেতো!" হাইডিয়ে অতি আনন্দত আইতাকলৈ চাই কৈ উঠিল।

"বেছ, সেইটোনো কি কৈ পেলোৱা," উৎসাহ দি আইতাকে কলে। "তোমাক কি লাগিব মইনাজনী?"

"ফ্ৰাঙ্কফুৰ্টত মই শোৱা, তিনিটা শকত গাৰু আৰু ডাঠ লেপখন থকা বিছনাখন পালে মই বৰ ভাল পাম। সেইখনত শুবলৈ পালে আইতাজনীৰ মূৰটো উল্টা হৈ নপৰে আৰু উশাহ লবলৈ নোৱাৰাও নহয়; লেপখনৰ তলত তেওঁ গৰমে থাকিব পাৰিব আৰু মাত্ৰ শ্বাল এখন লৈ ভয়াবহ ঠাণ্ডাত শুবলৈ নোযোৱাকৈ হব।"

অতিকৈ বিচৰা বস্তুখিনি পোৱাৰ ব্যগ্ৰতাত তাই গোটেইখিনি কথা একে উশাহতে কৈ পেলালে।

উত্তেজিত হৈ পৰা আইতাকে কৈ উঠিল, "মৰমৰ হাইডি, তুমি যে কি অমূল্য কথা এবাৰ ক'লা। মোক কথাটো সোঁৱৰাই দি তুমি বৰ ভাল কৰিলা। আমাৰ আনন্দৰ মুহূৰ্ত্তত আমি আটাইতকৈ বেছি চিন্তা কৰিবলগীয়া কথাবোৰো পাহৰোঁ। দয়ালু ঈশ্বৰে আমাক ভাল কিবা দিলেই আমি লগে লগে দুস্থ মানুহবোৰৰ কথা ভবা উচিত। আমি এতিয়াই ফ্ৰাঙ্কফুৰ্টলৈ টেলিগ্ৰাম পঠাম। ৰোটেন্‌মায়াৰে আজিয়েই বিছনাখন বান্ধি-কুন্ধি সাজু কৰিব আৰু দুদিনতে সেইখন এইখিনি পাবহি। ঈশ্বৰে কৰিলে আইতাই সেইখনত সুখেৰে শুব পাৰিব।"

পুলকিত হাইডিয়ে আইতাকৰ চাৰিওকাষে ডেও দি নাচিবলৈ ধৰিলে কিন্তু এবাৰ হঠাতে তাই ঠৰ লাগি ৰ'ল আৰু খৰ্‌খৰ্‌কৈ কলে, "মই যিমান পাৰোঁ সিমান বেগাই নামনিৰ আইতাৰ তালৈ যাবই লাগিব। মই ইমানদিনে যোৱা নাই কাৰণে আইতা নিশ্চয় চিন্তিত হৈ আছে।"

আচল কথা, আইতাকক আনন্দৰ খবৰটো দিবলৈ তাইৰ তৎ নোহোৱা হৈছিল। লগতে তাইৰ মনত পৰিছিল যে আগৰবাৰ তাই আইতাকক লগ পাওঁতে তেওঁ অতি চিন্তিত হৈ আছিল।

"নহয় হাইডি, নহয়; তুমিও যে কিবোৰ ভাবিছা!" তাইৰ কথা পছন্দ নকৰা ককাকে কলে। "ঘৰত আলহী থাকোঁতে হঠাতে তেওঁলোকক এৰি পলোৱা অনুচিত।"

আইতাকে কিন্তু হাইডিৰ পক্ষ ললে।

"প্ৰিয় মামা, ছোৱালীজনীয়ে ভুল কৰা নাই," তেখেতে কলে। "মোৰ মতে, বেচেৰী আইতাজনীয়ে হাইডিক নাপাই বহুতকাল ভুগিছে। এতিয়া আমি আটায়ে একেলগে আইতাৰ তালৈ যাম। মোৰ ঘোঁৰাটোৰ বাবে মই তাতে অপেক্ষা কৰিম। ঘোঁৰাটো আহিলে আমি দুয়ো নামনিলৈ যাত্ৰা কৰিম। যাওঁতে

ডৰ্ফলিৰ পৰা টেলিগ্ৰামখনো পঠাম। বোপাই, প্ৰস্তাৱটো কেনে দেখা?"

তেতিয়ালৈ নিজৰ পৰিকল্পনাৰ কথা কবলৈ জেচেমান ডাঙৰীয়াই আহৰি পোৱা নাছিল। সেয়ে তেখেতে মাকক তৎক্ষণাত যাত্ৰা নকৰি খন্তেক শান্তিৰে বহি তেখেতৰ নিজৰ কি কৰা মতলব শুনিবলৈ কলে।

জেচেমান ডাঙৰীয়াই ভাবিছিল যে মাকৰ লগত তেখেত চুইজাৰলেণ্ডলৈ আহি পোনতে তেখেতৰ ক্লাৰাজনীয়ে তেখেতসকলৰ লগত অলপ দূৰলৈ হলেও ভ্ৰমণ কৰিবলৈ পাৰিবনে নোৱাৰে সম্ভেদ লব। এতিয়া তেখেতে জীয়েকৰ সৈতে একেলগে ভ্ৰমণ কৰাৰ সুখ উপভোগ কৰিব পাৰিব বুলি দেখাই পাইছে। গতিকে জহকালিৰ এই শেহতীয়া দিনকেইটাৰ তৎক্ষণাত সুবিধা লবলৈ তেখেত উদগ্ৰীৱ হৈ পৰিছে। সেয়ে আজি ৰাতি তেখেতে ডৰ্ফলিত কটাব কিন্তু মাক ৰাগাৎচলৈ যাব। কাইলৈ পুৱা তেখেতে আল্মৰ পৰা জীয়েকক লৈ গৈ মাকক ৰাগাৎচত লগ পাবগৈ। তাৰ পৰা তিনিও আগলৈ যাত্ৰা কৰিব।

আল্মৰ পৰা হঠাতে যাবলগীয়া হ'ল বুলি জানি ক্লাৰাৰ অশান্তি লাগিল কিন্তু তাই সুখী হবলৈ আন বহুত কিবাকিবি ওলাল। তদুপৰি, খেদ কৰি থাকিবলৈ সময়েই বা ক'ত?

আইতাই ইতিমধ্যে উঠি হাইডিৰ হাতত ধৰি দলটোৰ অগ্ৰগামী হ'ল। কিন্তু দুখোজমান গৈ তেখেত হঠাতে ঘূৰিল।

"কিন্তু ক্ৰেৰ্‌চেনক লৈ আমি কি কৰোঁ?" তেখেতে আশঙ্কাত কৈ উঠিল কাৰণ অলপদিন আগলৈ ৰুগীয়া হৈ থকা ছোৱালীজনীৰ বাবে এই বাটছোৱা খোজ কাঢ়ি যাবলৈ অতি দীঘল হব।

কিন্তু ককাই তেওঁৰ তত্ত্বাৱধানত থকা ছোৱালীজনীক ইতিমধ্যে ডাঙি লৈছিলেই আৰু আইতাৰ পিছে পিছে তেওঁ দৃঢ় পদক্ষেপেৰে আগবাঢ়িবলৈ লৈছিল। আইতাই তেওঁলৈ চাই সন্তুষ্টিত মূৰ দুপিয়ালে। শেহত আহিল জেচেমান ডাঙৰীয়া আৰু দলটোৱে নামনিলৈ যাত্ৰা আৰম্ভ কৰিলে।

হাইডিয়ে আইতাকৰ কাষে কাষে স্ফূৰ্ত্তিত নাচিবাগি যাবলৈ ধৰিলে। আইতাকে তাইক আনজনী আইতাকৰ বিষয়ে সকলো কথা,— তেওঁ কেনেকৈ সময় কটায়, পৰিয়ালটো কেনেকৈ চলে ইত্যাদি কথা জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

হাইডিয়ে তেখেতক সকলো কথাই কলে। আইতাকৰ ঘৰখন কেনেকৈ চলে, প্ৰচণ্ড শীতৰ দিনবোৰত আইতাকে নিজৰ চুকটোত হালি বহি কেনেকৈ কঁপি থাকে আদি সকলো কথাই তাই জানিছিল। সিহঁতে কি খায় আৰু সিহঁতৰ ক'ত কি নাই আদি কথাও তাই ভালকৈয়ে জানিছিল।

আইতাকেও হাইডিৰ সকলো কথা অতি উচ্ছাসপূৰ্ণ আগ্ৰহেৰে শুনি শুনি গৈ পিটাৰহঁতৰ জুপুৰিটো পালেগৈ।

তেতিয়া বৃগিটেই পিটাৰৰ দ্বিতীয় চোলাটো ৰ'দত মেলি দি আছিল। সি পিন্ধি থকাটো বহুত দিন পিন্ধা হলে সেইটো সলাই এইটো পিন্ধিব পাৰিব। সমদলটো দেখি তাই বেগাই ভিতৰ সোমাল।

"আই, সিহঁত জাকেই এতিয়া যাবগৈ," তাই কলে। "এটা দীঘল সমদল অহাই বুলিব পাৰি। আল্মমামাও লগত আহিছে। তেওঁ ৰুগীয়া ছোৱালীজনীক কোলাত লৈ আহিছে।"

"সঁচাকৈয়ে সেয়েই হ'লগৈনে?" আইতাকে হুমুনিয়াহ কাঢ়িলে। "তেওঁলোকে হাইডিকো লৈ আহিছেনে তই মন কৰিছনে? আঃ, তাই মাত্ৰ আৰু এবাৰ যদি তাইৰ হাতখন মোক লবলৈ দিলেহেঁতেন। তাইৰ মাতটো আৰু এবাৰ মাত্ৰ মই যদি শুনিলোঁহেঁতেন।"

ঠিক তেনেতেই দুৰ্বাৰ বতাহত খোলাদি দুৱাৰখন হঠাতে মেল খালে আৰু হাইডি আইতাক থকা চুকটোলৈ ডেও দি গ'ল আৰু তাইৰ দুহাতেৰে আইতাকক সাবটি ধৰিলে।

"আইতা, আইতা, মোৰ ফ্ৰাঙ্কফুৰ্টৰ বিছনাখন আহি আছে। লগতে তিনিটা শকত গাৰু আৰু ডাঠ লেপখনো আহিব। দুদিনতে সেইবোৰ এইখিনি পাবহি বুলি আইতাই কৈছে।"

খবৰটো পাই আইতাক অতি উৎফুল্ল হৈ উঠা চাবলৈ অধৈৰ্য্য হৈ পৰা হাইডিয়ে কথাখিনি খৰখৰকৈ কবলৈ চেষ্টা কৰিলে। আইতাকে মিচিকিয়ালে কিন্তু মনটো মৰা যেনকৈ কলে, "আঃ, তেখেত ইমান পৰোপকাৰী। তেখেতে তোমাক লৈ যাব বুলি জানি মই বৰ ৰং পাইছোঁ হাইডি; কিন্তু মই আৰু বেছিদিন নাবাচোঁ।"

"কি? কি? আমাৰ বুঢ়ী আইতাজনীক এনে মনেসজা বতৰানো কোনে দিলে?" নতুন বন্ধুত্বপূৰ্ণ মাত এটা শুনা গ'ল; আইতাকৰ হাত দুখন কোনোবাই লৈ আন্তৰিকতাৰে মৃদু হেঁচা দিলে। কাৰণ বুঢ়ী আইতাই কথাখিনি কৈ থাকোতে ফ্ৰাঙ্কফুৰ্টৰ আইতা সোমাই আহি কথাখিনি শুনিছিল। "নহয় আইতা, আপুনি ভবাটো নহয়। হাইডি আপোনাৰ লগতেই থাকি আপোনাক সুখী কৰি ৰাখিব। এইক আমি আকৌ লগ পাবলৈ ইচ্ছা কৰোঁ নিশ্চয়, কিন্তু আমিহে ইয়ালৈ আহিম। আমাৰ জীয়ৰীজনীৰ ক্ষেত্ৰত চমৎকাৰ ঘটনা ঘটা এই ঠাইডোখৰত দয়ালু ঈশ্বৰক আমাৰ বিশেষ ধন্যবাদ জনাবলৈ প্ৰতি বছৰেই আমি একোবাৰ আল্মলৈ আহিমেই।"

এইষাৰ শুনি বুঢ়ী আইতাৰ মুখমণ্ডলত জানিবা আনন্দৰ নিকা পোহৰহে

পৰিল। তেওঁ শ্ৰীমতী জেচেমানৰ হাতখনত বাৰে বাৰে মৃদু চেপা দি নিশব্দে ধন্যবাদ জনাবলৈ ধৰিলে। তেওঁৰ বুঢ়া দুগালেৰে মহা-আনন্দৰ লোতক বাগৰিবলৈ ধৰিলে। আইতাকৰ মুখত আনন্দৰ পোহৰ দেখি হাইডি অতি সুখী হ'ল।

"আইতা," বুঢ়ী আইতাকৰ একেবাৰে কাষ চাপি আহি হাইডিয়ে ক'লে। "মই যোৱাবাৰ তোমাক পঢ়ি শুনোৱাৰ দৰে অবিকল একে ঘটনাই ঘটিছে। ফ্ৰাঙ্কফুৰ্টৰ বিছনাখন সঁচাকৈয়ে ভাল নহয়নে?"

"অঁ হাইডি। দয়ালু ঈশ্বৰে মোৰ তাতোকৈ বেছি, তাতোকৈ ভাল কৰিছে," গভীৰ ভাৱে প্ৰভাৱিত হোৱা আইতাকে ক'লে। "হতভগীয়া বুঢ়ী এজনীৰ প্ৰতি আগ্ৰহান্বিত হোৱা আৰু তাইৰ ভালৰ বাবে ইমানবোৰ কৰা ভাল মানুহ ভাবস্তত থকা সম্ভৱনে? সৰগৰ ঈশ্বৰে নগণ্যতম জনকো কেতিয়াও নাপাহৰে বোলা আমাৰ বিশ্বাসটো দৃঢ়তৰ হ'বলৈ মোৰ দৰে দীন আৰু অযোগ্য বুঢ়ীজনীৰ প্ৰতিও মৰম আৰু সম্ভাৱেৰে ভৰি থকা মানুহ ভাবস্তত আছে বুলি জনাতকৈ আন বেলেগ প্ৰমাণ একো নালাগে।"

"মোৰ বিনয়ী আইতাজনী!" ফ্ৰাঙ্কফুৰ্টৰ আইতাই মাজতে মত দিলে। "সৰগৰ প্ৰভুৰ চকুত আমি সকলো সমানে দুস্থ আৰু তেওঁ যাতে কাকো নাপাহৰে সেইফেৰা কৃপা সকলোকে সমানে লাগে। আমি এতিয়া বাৰু বিদায় লওঁ। আমি কিন্তু আপোনাক আকৌ লগ পাবলৈ আশা কৰোঁ। অহা বছৰ আমি ইয়ালৈ আহিয়েই আপোনাক আকৌ বিচাৰি উলিয়াম। আপোনাক আমি কাহানিও পাহৰি নাযাওঁ।"

তেখেতে কিন্তু ইচ্ছা কৰা মতে থিতাতে যাবলৈ নোৱাৰিলে। বুঢ়ী আইতাগৰাকীয়ে বাৰে বাৰে তেখেতক ধন্যবাদ জনালে আৰু ঈশ্বৰে দিব পৰা সকলো আশীৰ্বাদ মৰমিয়াল বান্ধৱীজনীয়ে আৰু তেখেতৰ পৰিয়ালে পাওক বুলি কামনা কৰি তেওঁ শেষ কৰিব নোৱাৰা হ'ল।

তাৰ পিছত জেচেমান ডাঙৰীয়া মাকৰ সতে উপত্যকালৈ নামি গ'ল। ক্লাৰাক লৈ ককাও ওপৰৰ পজামুৱা হ'ল। তেওঁলোকৰ কাষে কাষে হাইডিয়ে প্ৰতি খোজতেই ওখকৈ জঁপিয়াই যাবলৈ ধৰিলে; কাৰণ বুঢ়ী আইতাকে সুন্দৰ ভৱিষ্যত আশা কৰিব পৰা হোৱা কাৰণে তাইৰ আনন্দ কুলাই-পাচিয়ে নধৰা হ'ল।

পাছদিনা পুৱা ক্লাৰাৰ জীৱনত আগতে নৰটা ধৰণে সুস্থ হৈ পোৱা বিনন্দীয়া আলমখন এৰিবলগীয়া হোৱাই তাইৰ চকুলোৰ ঢল বৰলৈ ধৰিলে। হাইডিয়ে তাইক সান্ত্বনা দি ক'লে, "অহাকালি আকৌ সোনকালে পাবহি আৰু তুমিও আকৌ ওলাবাহি। তেতিয়ালৈ তুমি দিনটো খোজ কাঢ়ি ফুৰিবলৈ

পাৰিবা। তেতিয়া আমি ছাগলীবোৰৰ লগত সদায় ওপৰৰ চৰণীয়া ঘাঁহনিলৈ আৰু ফুলবোৰ চাবলৈ যাব পাৰিম। তেতিয়া প্ৰথমৰে পৰা মজাই মজা হ'ব।"

আগদিনা বন্দবস্ত কৰা মতে জীয়েকক নিবলৈ জেচেমান ডাঙৰীয়া আহি ওলাল। তেখেতে আন্নমামাৰ কাষত থিয় হৈ বিভিন্ন ধৰণৰ কথা পাতিবলৈ ললে। হাইডিৰ কথাত অলপ সান্ত্বনা পোৱা ক্লাৰাই চকুলো মচিবলৈ ললে।

"পিটাৰক মোৰ সম্ভাষণ জনাবা," ক্লাৰাই হাইডিক কলে। "গোটেইজাক ছাগলীক আৰু বিশেষকৈ শ্চেন্‌লিকো মোৰ সম্ভাষণ জনাবা। হাইডি, শ্চেন্‌লিকো মই কিবা উপহাৰ এটা দিব পৰা হলে। মই সুস্থ হোৱাত তায়ো কম কৰা নাই।"

"তুমি সহজেই তাইক উপহাৰ দিব পাৰা," হাইডিয়ে আশ্বাস দি কলে। "তাইলৈ অকমান নিমখ পঠিয়ালেই হ'ব। গধূলি ককাৰ হাতৰ পৰা তাই কিমান আগ্ৰহেৰে নিমখ চেলেকি খায় তুমি দেখিছাই।"

এই পৰামৰ্শই ক্লাৰাক বৰ সন্তোষ দিলে।

"ঠিক কৈছা। মই ফ্ৰাঙ্কফুৰ্টৰ পৰা তাইলৈ ১০০ কেজি নিমখ পঠিয়াই দিম," ক্লাৰাই ৰঙীয়াল হৈ কলে। "তায়ো মোক পাহৰিব নালাগিব।"

জেচেমান ডাঙৰীয়াই ছোৱালী দুজনীক হাতবাউল দি মাতিলে। যাবৰ হ'ল। ক্লাৰা এইবাৰ ঘোঁৰাত উঠিব পৰা হ'ল কাৰণে আইতাৰ বগা ঘোঁৰাটো তাইৰ বাবে অনা হৈছিল। তাইক আগৰ বাৰৰ দৰে চকী যেন লগা পাল্কিখন নলগা হ'ল।

হাইডিয়ে গৰাটোৰ একেবাৰে মূৰত থিয় হৈ ক্লাৰা আৰু ঘোঁৰাটো সৰু হৈ হৈ একেবাৰে মনিব নোৱৰা হোৱালৈকে হাত জোকাৰি থাকিল।

বিছনাখন পালেহি। সেইখনত শুই আইতাৰ ইমান ভালকৈ টোপনি অহা হ'ল যে তেওঁ নতুন বল পাবলৈ ধৰিলে।

ফ্ৰাঙ্কফুৰ্টৰ মৰমিয়াল আইতাকে পৰ্বতত শীতৰ প্ৰচণ্ডতাৰ কথা পাহৰি নগল। সেয়ে তেওঁ ছাগলীৰখীয়া পিটাৰৰ ঘৰলৈ ডাঙৰ বাকচ এটা পঠিয়াই দিলে। বুঢ়ী আইতাই পিন্ধিব আৰু গাত লব পৰা বহুতো উণী কাপোৰ তাত জাপ জাপকৈ সজোৱা আছিল। এতিয়া তেওঁ চুকটোত বহি জাৰত কঁপি মৰিবলগীয়া আৰু নহ'ল।

ডৰ্ফলিত এটা ডাঙৰ ঘৰৰ মেৰামতিৰ কাম চলি আছিল। ডাক্তৰ আহি তেখেত আগতে থকা ঘৰটোত থাকিবলৈ ললে। কিন্তু ককাৰ পৰামৰ্শ মানি জাৰকালি হাইডিৰে সৈতে ককাই ডৰ্ফলিত থকা পুৰণি হাউলিটো ডাক্তৰে কিনিলে। ঘৰটোৰ কাঠৰ পেনেল আৰু সুন্দৰ টালিবোৰ থকা ওখ কোঠাটোৰ পৰা সেইটো এসময়ত প্ৰাসাদ যেন হাউলি আছিল বুলি সহজেই অনুমান

কৰিব পাৰি। সেই ওখ কোঠাটো থকা অংশটো ডাক্তৰে নিজে থকাকৈ মেৰামত কৰাই আছিল। স্বাধীনচিতীয়া ককাই নিজাকৈ থাকিবলৈহে পচন্দ কৰিব বুলি ডাক্তৰে জানিছিল কাৰণে তেওঁ হাউলিটোৰ বাকী অংশটো জাৰকালি ককা আৰু হাইডি আহি থাকিব পৰাকৈ মেৰামত কৰাইছিল। ঘৰটোৰ পিছপিনে বেৰ্‌লি আৰু শ্চেনলিয়ে জাৰকালি আৰামত থাকিব পৰাকৈ এটা মজবুত আৰু গৰমে থকা ছাগলীৰ কোঠাও সজাইছিল।

আল্মমামা আৰু ডাক্তৰৰ বন্ধুত্ব দিনৌ ঘনিষ্ঠতৰ হবলৈ ধৰিলে। দুয়ো যেতিয়া ইফালে-সিফালে ঘৰ সজা কাম-কাজ চাই ফুৰিছিল, তেতিয়া দুয়ো প্ৰায়েই হাইডিৰ কথাই পাতিছিল। সুখী হাইডিৰ লগত একেলগে কটাব পৰাটো দুয়োৰো বাবে মুখ্য আনন্দৰ কথা আছিল।

"প্ৰিয় মামা," ডাক্তৰে এদিন সাজি থকা দেৱাল এখনৰ ওপৰত থিয় হৈ কলে। "আপুনি কথাটো এবাৰ মোৰ নিচিনাকৈ ভাবি চাব লাগিব। শিশু হাইডিক লৈ আপোনাৰ আনন্দৰ ভাগ ময়ো লৈ আছোঁ। আপোনাৰ পিছতেই ময়েই তাইৰ আপোন মানুহ যেন হৈ পৰিছোঁ। হাইডি সংক্ৰান্ত সকলো খৰচ-পাতিৰ অংশও মই লব খোজোঁ আৰু মই জনা ধৰণে তাইৰ যত্নও লব খোজোঁ। তেনেকৈ হাইডিৰ ওপৰত মোৰ অলপ অধিকাৰ থকা যেন হব। মোৰ বুঢ়াকালত তায়ো মোক চাব আৰু মোৰ লগত থাকিব বুলি আশা কৰিব পাৰোঁ। দৰাচলতে মোৰ আপোন জীয়ৰীৰ দৰে মোৰ সা-সম্পত্তিৰ তায়েই উত্তৰাধিকাৰী হব। সেয়ে তাইক এৰি আপুনি আৰু মই সিফলীয়া হলেও তাই দুৰ্ভাৱনা নোহোৱাকৈ জীৱন কটাব পাৰিব।"

আল্মমামাই ডাক্তৰৰ হাতখন লৈ বহুতপৰ মৃদু হেঁচা দি থাকিল কিন্তু মুখেৰে একো নামাতিলে। কিন্তু সেই কথাবোৰে বুঢ়াজনৰ অন্তৰত সৃষ্টি কৰা আবেগ আৰু গভীৰ আনন্দ তেওঁৰ চকুত প্ৰকাশ হোৱা তেওঁৰ পৰম সুহৃদ ডাক্তৰে দেখিলে।

ইপিনে হাইডি আৰু পিটাৰ আইতাকৰ তাত বহি আছিল। হাইডিয়ে কবলৈ আৰু পিটাৰে শুনিবলৈ ইমান কথা জমা হৈ আছিল যে সেইয়া কওঁতে আৰু শুনোঁতে দুয়োৰো উশাহ চুটি হৈ আহিছিল; অতি আগ্ৰহেৰে কথা পাতি পাতি দুয়ো সুখী হৈ পৰা আইতাকৰ কাষ চাপি গৈছিল। গোটেই জহকালি সিহঁত অতি কম সময় লগালগি হোৱা কাৰণে সিহঁতে জহকালিৰ অসংখ্য ঘটনাৰ কথা পাতিবলৈ আছিল।

এনেকৈ লগালগি হৈ আৰু আশ্চৰ্য্যজনক ঘটনাবোৰৰ কথা শুনি শুনি সিহঁত তিনিওৰে প্ৰত্যেকেই বাকী দুটাতকৈ বেছি সুখী হোৱা যেন দেখা গ'ল। কিন্তু মাক বৃগিটেই যেতিয়া হাইডিৰ মুখৰ পৰা পিটাৰে সপ্তাহে সপ্তাহে

দুপেনিকৈ পোৱাৰ ৰহস্যটো প্ৰথমবাৰলৈ স্পষ্টকৈ বুজি পালে, তেতিয়া তাইকেই আটাইতকৈ সুখী যেন লগা হ'ল। অৱশেষত আইতাই কলে, "হাইডি, দয়ালু ঈশ্বৰক প্ৰশংসা কৰা আৰু তেওঁক ধন্যবাদ জনোৱা স্তুতিগীত এটা মোক পঢ়ি শুনোৱাচোন। সৰগৰ ঈশ্বৰক প্ৰশংসা আৰু বন্দনা কৰিবলৈ আৰু আমাৰ বাবে তেওঁ কৰা উপকাৰৰ ধন্যবাদ জনাবলৈ মই ব্যাকুল হৈ পৰিছোঁ।" ■

সমাপ্ত